নিষাদ চৌধুরী

সম্পাদিত

॥ প্ৰকাশক ॥
শ্ৰীখগেন্দ্ৰনাৰায়ণ দত্তবৰুৱা
লয়াৰ্ছ বুক ষ্টল ॥ পানবজাৰ
গুৱাহাটী

॥ প্ৰথম প্ৰকাশ ॥
নবেম্বৰ, ১৯৬৪

॥ দ্বিতীয় প্ৰকাশ ॥
জুলাই, ১৯৯১

॥ অঙ্গসজ্জা ॥
পূৰ্ণেন্দু পত্ৰী
প্ৰবোধ সেনগুপ্ত
বেণু মিশ্ৰ

॥ ছপা কৰিছে ॥
হৰাইজন প্ৰিন্টাৰ্ছ
১৪৮৮ পাটাউদি হাউচ
জি-এছ কাশ্যপ বিল্ডিং, দৰিয়াগঞ্জ
নতুন দিল্লী-- ১১০০০২

॥ মূল্য ॥
৫০·০০ টকা মাত্ৰ

সাম্প্ৰতিক অসমীয়া সাহিত্যৰ বিভিন্ন শাখা-প্ৰশাখাৰ ভিতৰত অসমীয়া গল্প-সাহিত্যৰ মান যে উচ্চস্তৰৰ সেইবিষয়ে কোনো সন্দেহ নাই। অসমীয়া গল্প-সাহিত্যই বিভিন্ন ভাৰতীয় ৰাজ্যিক ভাষাৰ বিভিন্ন উন্নত সাহিত্য সৃষ্টিৰ স'তে সমানে ফেৰ মাৰিব পৰা হৈছে বুলি ক'লে অত্যুক্তি কৰা নহয়। ইয়াৰ কাৰণ হয়তো আধুনিক যুগ-মানসৰ প্ৰতিক্ৰিয়াই আমাৰ সাহিত্যৰ কথাশিল্পীক যেনেদৰে আকৰ্ষণ আৰু অভিভূত কৰিছে, সাহিত্যৰ আন আৰু কোনো বিভাগতে তেনেদৰে আকৰ্ষণ কৰিব পৰা নাই। এই কথা আজি অৱশ্যে অসমীয়া সাহিত্যৰ ক্ষেত্ৰতে নহয়, সমকালীন পৃথিৱীৰ সকলো সাহিত্য-সৃষ্টিৰ ক্ষেত্ৰতে প্ৰযোজ্য।

জনপ্ৰিয়তাৰ দিশৰ পৰাও গল্পৰ আবেদন অনন্য। আৰু বৰ্ত্তমান সময়ৰ পৰিপ্ৰেক্ষিতত গল্প-সাহিত্যৰ আবেদনশীলতা উত্তৰোত্তৰ বৃদ্ধি পাইছে।

অসমীয়া গল্প-সাহিত্যৰ সৃষ্টি আৰু বিকাশৰ বুৰঞ্জী আলোচনা কৰা আমি ইয়াত নিষ্প্ৰয়োজন বুলিয়ে ভাবোঁ। কাৰণ সেইবোৰ আলোচনা ইয়াত চৰ্বিত চৰ্বনহে হ'ব। এই গ্ৰন্থত সমসাময়িক অসমীয়া সাহিত্যৰ বিশিষ্ট লেখক-লেখিকাৰ দ্বাৰা লিখিত, আগতে ক'তো প্ৰকাশ নোপোৱা চৈধ্যটা প্ৰেমৰ গল্প সংগ্ৰহ কৰা হৈছে। অসমীয়া ভাষাত এনে ধৰণৰ গল্প সংকলন এয়ে প্ৰথম বুলি ক'ব নোৱাৰি। প্ৰকাশিত গল্পৰ দুটি এটি প্ৰকাশ প্ৰতিষ্ঠানে চেগা-চোৰাকৈ উলিওৱা সংকলনৰ বাহিৰেও সমসাময়িক অসমীয়া কথা-সাহিত্যৰ প্ৰতিনিধিত্বমূলক দুটি বিশিষ্ট সংকলনৰ এটি হ'ল সুপৰিচিত কথা-সাহিত্যিক যোগেশ দাস সম্পাদিত 'গল্পৰ কুঁকি' আৰু আনটি হ'ল তৰুণ গল্পকাৰ ইমৰান শাহ সম্পাদিত 'বছৰৰ গল্প'। শেষোক্ত গ্ৰন্থখনিত প্ৰতি বছৰৰ প্ৰকাশিত গল্পৰ পৰা শ্ৰেষ্ঠ গল্পসমূহ নিৰ্বাচন কৰি দিয়া হয়। সন্দেহ নাই, এইবোৰ অতি সাধু প্ৰচেষ্টা। কাৰণ সংকলনৰ সংখ্যা যিমানেই বৃদ্ধি পায় সিমানেই সেই বিশেষ বিভাগৰ প্ৰসাৰ আৰু প্ৰচাৰৰ সুবিধা হয়।

আৰু এটা ডাঙৰ সুবিধা হয়, এনে সংকলনে একোটা সময়ৰ আঁচোৰ থৈ যায় যিটো হয়তো বহু বছৰ পিচত সাহিত্যৰ বুৰঞ্জীত সেই বিশেষ সময়ৰ মূল্যাঙ্কন কৰাৰ বাবে সহজ হৈ পৰে।

ভাৰতীয় বিভিন্ন ভাষাত বিভিন্ন বৈচিত্র্যপূৰ্ণ গল্পৰ সংগ্ৰহ একাধিক প্ৰকাশ পাইছে। অসমীয়া সাহিত্যতো মাত্ৰ প্ৰেমৰ গল্পক একত্ৰিত কৰি সংকলিত কৰাৰ এয়া আমাৰ প্ৰথম চেষ্টা। এই সংকলনৰ আটাইবোৰ লেখকেই (দুই-একৰ বাহিৰে) যুদ্ধৰ পৰবৰ্তী কালৰ সৰবৰহী লেখক—গতিকে এইবোৰ গল্পই অসমীয়া কথা-সাহিত্যৰ দহ-পোন্ধৰ বছৰৰ গতি-প্ৰবাহৰ ওপৰত পোহৰ পেলাব বুলি আমাৰ দৃঢ় বিশ্বাস। আমাৰ ইচ্ছা আছিল বেজবৰুৱাৰ পৰা আৰম্ভ কৰি বৰ্তমানলৈ প্ৰতিনিধিত্বমূলক প্ৰেমৰ গল্পৰ সংকলন এটি সংগ্ৰহ কৰাৰ। কিন্তু এই প্ৰচেষ্টাত আটাইতকৈ ডাঙৰ অসুবিধা হৈ দেখা দিলে—আগৰ গল্প লেখক-লেখিকাৰ আটাইবোৰ গল্প পোৱাতো সম্ভৱ নহয়। দুই-এজনৰ বাহিৰে সৰহ ভাগৰে ৰচনা আলোচনীৰ পাতত বিক্ষিপ্ত। এজন লেখকৰ বা লেখিকাৰ চাৰি বা পাঁচোটা গল্প পঢ়ি তাৰ মাজৰ পৰা এটা গল্প নিৰ্বাচন কৰাত গুণাগুণ সম্পৰ্কে যথেষ্ট সন্দেহৰ অৱকাশ থাকি যায়। গতিকেই সেই আঁচনি সাময়িক ভাবে পৰিহাৰ কৰা হ'ল।

তাৰ পিচত এই সময়ৰ প্ৰতিষ্ঠাবান কথা-সাহিত্যক সকলৰ পৰা গল্প বিচৰা হল। প্ৰায় সকলোৱে আমাৰ উদ্দেশ্যত অতি উৎসাহজনক সঁহাৰি জনাই তেখেতসকলৰ বহুমূলীয়া অৱদানেৰে আমাৰ চেষ্টা সাফল্যমণ্ডিত কৰি তোলাত সহায় কৰিলে। আমাৰ আশা আছে, প্ৰতি দুবছৰৰ আঁতৰে আঁতৰে প্ৰেমৰ গল্পৰ এনে এটি সংকলন প্ৰকাশ কৰি অসমীয়া গল্প-সাহিত্যৰ বেদীত অৰিহণা যোগোৱাৰ। এই আঁচনি সাফল্যমণ্ডিত কৰি তুলিব পৰাটোত অসমৰ লেখক-লেখিকাই এইবাৰৰ দৰেই আমাক সহায় কৰিব

বুলি বিশ্বাস ৰাখিছোঁ। এইবাৰৰ সংকলনত কেইজনমান যশস্বী লেখকৰ ৰচনা বাদ পৰি যোৱা বাবে আমি দুঃখিত, তেখেতসকলে হয়তো সময়ৰ অভাৱ বা অন্য কোনো কাৰণত তেখেতসকলৰ বহুমূলীয়া ৰচনাৰ যোগান ধৰিব নোৱাৰিলে। পিচৰ সংকলনত সেইসকলৰ ৰচনাই নিশ্চয় শোভা বৃদ্ধি কৰিব।

সংগৃহীত সংকলনত ঠাই পোৱা আটাইকেইজন লেখক-লেখিকাই সমসাময়িক অসমীয়া পাঠক সমাজৰ ওচৰত সুপৰিচিত। প্ৰত্যেকৰে স্বকীয় দৃষ্টিভঙ্গী আৰু নিজস্ব ৰচনাৰীতিৰ বৈশিষ্ট্যৰে প্ৰতিভাত, প্ৰেমৰ বিভিন্ন ৰঙৰ সমাবেশেৰে বিচ্ছুৰিত এই গল্প সমূহে পাঠক-পাঠিকাক আমোদ দিয়াৰ উপৰিও অসমীয়া কথা-সাহিত্যৰ সাম্প্ৰতিক গতি-পথৰ ওপৰত পোহৰ পেলাবলৈ সক্ষম হ'ব বুলি আমাৰ ধাৰণা। শেষত যিসকলৰ ৰচনা অবিহনে এই সংকলনটি পোহৰলৈ অহাৰ কোনো সম্ভাৱনা নাছিল সেই আটাই কেউগৰাকী লেখক-লেখিকালৈ আমাৰ কৃতজ্ঞতা জনাইছোঁ। আৰু মৰমেৰে সুঁৱৰিছোঁ প্ৰকাশ কাৰ্যত সক্ৰিয় সহযোগ আৰু দিহা-পৰামৰ্শ দিয়া বাবে খগেন্দ্ৰনাৰায়ণ দত্তবৰুৱাক।

ৰাইজে মৰমৰ চকুৰে চালে আমাৰ পৰৱৰ্তী আঁচনি আৰু অধিক সাফল্যমণ্ডিত কৰি তুলিবলৈ উৎসাহ পাম। নিৰোদ চৌধুৰী॥ গুৱাহাটী। নৱেম্বৰ, ১৯৬৪॥

চৈয়দ আব্দুল মালিক
নিৰুপমা বৰগোহাঞি
মেদিনী চৌধুৰী

ভবেন্দ্ৰনাথ শইকীয়া
মামনি গোস্বামী
ইমৰান শ্বাহ

লক্ষ্মীনন্দন বৰা
অতুলানন্দ গোস্বামী

হোমেন বৰগোহাঞি
স্নেহ দেৱী
ছাঈদুল ইচলাম

সৌৰভকুমাৰ চলিহা
নীলিমা শৰ্মা
ৰোহিণীকুমাৰ কাকতি

চৈয়দ আব্দুল মালিক

পানীগছা

"আপুনি বাৰু আৰু কিমান দিন থাকিব?"

"জীয়াই থকাৰ কথা কৈছা?"

"সেই কাৰণেই মই আপোনাৰ লগত কথা নেপাতো।" বীণাই কলে। তাইৰ চকুত এখিনি মিঠা অভিযোগ আহি থুপ খালেহি। বিভৱ দাদাটোৱে আৰু মোৰ লগত কোনোদিন পোনপটিয়া কথা পাতিব নোৱাৰে। কথা এষাৰ কলেই তেওঁ কৰবালৈ টানি লৈ যায়।

"নেপাতিলে আৰু মই কি কৰিম। মানুহৰ অন্য কোনো স্বাধীনতা নেথাকিলেও এটা স্বাধীনতা নিশ্চয় আছে: কথা নেপাতো বুলি মানুহ মুখ বন্ধ কৰি চুপ্ হৈ থাকিব পাৰে!"

আউলি-বাউলি চুলিবোৰেৰে সৈতে মূৰটো জোকাৰি জোকাৰি বীণাই কলে, "মৰা-জীয়াৰ কথা সোধা নাই। মই সুধিছোঁ আমাৰ ইয়াত আপুনি আৰু কিমান দিন থাকিব।"

"সেইটো নো বাৰু মই তোমাক কেনেকৈ কম?"

"কিয় ক'ব নোৱাৰে? আপোনাক যিহকে সোধো তাকে ক'ব নোৱাৰে।"

"একেবাৰে মিছা বদনাম দিছা। যদি মোক তুমি সোধা আই, এচ্-চিৰ টেষ্টত মই কিমান নম্বৰ পাইছিলোঁ, তাকো মই কব

পাবো। অসমীয়াত মহন্ত প্ৰফেচাৰৰ হাতত কিমান পাইছিলো জানা? সাতাইশ। তিনি মাৰ্ক গ্ৰেচ দিছিল। নহলে আণ্ডাৰ-গ্ৰেজুৱেট পাছ হৈয়ে থাকিলোহেঁতেন—"

বীণাৰ চকু ছুটা সামান্য ঘোপা হ'ল, কিন্তু খং কৰি দেখুৱাবৰ চেষ্টা কৰা সত্ত্বেও এমোকোৰা হাঁহিয়েহে মুখখন আৰু ৰাঙলী কৰি তুলিলে।

বহি থকা চকীখনৰ পৰা অলপ হাউলি বীণাই ক'লে, "চব মিছা কথা। আৰু সঁচা হলেও মই জানো আপোনাক এতিয়া পৰীক্ষাৰ কথা সুধিছোঁ! মই সুধিছিলোঁ আপুনি আমাৰ ইয়াত কিমান দিন থাকিব।"

"ময়োতো অকণো ভুল উত্তৰ দিয়া নাছিলো। কিমান দিন জীয়াই থাকিম সেই কথা যিদৰে ক'ব নোৱাৰো, ইয়াত কিমান দিন থাকিম সেই কথাও ক'ব নোৱাৰো।"

বীণাই এবাৰ বিভৱৰ মুখলৈ চাই তলমূৰ কৰিলে, অকাৰণতে বিভৱৰ চকু-মুখলৈও ঈৰ্ষৎ উদাস কৰুণতাৰ ছাঁ নামি আহিল। বিভৱৰ যেন বীণাৰ মুখৰ ফালে চাবলৈ ভয় লাগিল, তেওঁ খিড়িকী-খনেৰে বাহিৰৰ ফালে অৰ্থহীন দৃষ্টিৰে চালে। বাহিৰৰ পৃথিবীখনে এটা বৈৰাগী নিৰৱতাৰে যেন শীতৰ সম্ভাৱনাৰ স্বপ্ন দেখিছে।

ডাঙৰ ঘৰটোৰ ভিতৰত সোমাই থকা মৌনতাখিনিয়ে বীণাহঁত বহি থকা কোঠাটোও সামৰি ললে। হঠাৎ এখন শব্দমুখৰ পৃথিৱীয়ে নিৰৱতাৰ মাজত লুকাই পৰিবৰ উপক্ৰম কৰিলে।

যথেষ্ট সময় এইদৰেই পাৰ হৈ গ'ল।

তাৰ পিছত বিভৱে ক'লে, "মনে মনে থাকিলাযে বীণা?"

এহাল কৰুণ, সজল চকুৰে বীণাই বিভৱৰ মুখলৈ চালে।

"মনে মনে নেথাকি আৰু কি কৰিম?"

"একো কৰিব নোৱাৰিলেও মোকতো ছুই চাৰিটা টান কথা শুনাব পাৰা। এইদৰে মনে মনে থকাটো মোৰ অসহ্য লাগে বীণা।"

"আপোনাক টান কথা শুনাই মোৰ খুব আনন্দ লাগে বুলি ভাবিছে, নহয়? আপোনালোক তেনেকুৱাই।"

কিবা এটা ক'ব খুজি এইবাৰ বিভ্ৰ বৈ গ'ল, বীণাজনীৰ ধুনীয়া মুখখন কেনেকুৱা হৈ গৈছে দেখিবলৈ। যাঃ, মই ছোৱালীবোৰৰ লগত কথা পাতিবই নেজানো। মই কথা কলেই ছোৱালীবোৰে কান্দি দিয়ে। কিন্তু ছোৱালীবোৰতো নহয়—কেৱল বীণা। আকনো ক'ৰ ছোৱালী লগ পাইছো মই!

আকৌ এটা বিষন্ন নিৰৱতাই পৰিবেশটো করুণ কৰি তুলিলে।

এইটো বীণাহঁতৰ ঘৰ—মানে ডাক্তৰ পৰিতোষ চৌধুৰীৰ ঘৰ। চৌধুৰী এতিয়া নাই। ঢুকাইছে। ডাক্তৰ চৌধুৰীৰ একমাত্র ল'ৰা দেৱতোষ চৌধুৰী। তেওঁ ডাক্তৰ, মেডিকেল কলেজত অধ্যাপনা কৰে। বৰ মেধাবী ছাত্ৰ আছিল, এম-বি, বি-এচ পাছ কৰাৰ ছুবছৰৰ পিছত আমেৰিকালৈ গৈ হাৰ্টৰ বেমাৰৰ বিশেষজ্ঞ হৈ আহিছে। ডিব্ৰুগড়তে থাকে। বিয়াও কৰালে।

বীণাৰ ভনীয়েক বীণা—ইয়াৰে ছোৱালী কলেজখনৰ অধ্যাপিকা। তেওঁ বৰ চোকা ছোৱালী আছিল। অনাৰ্চ লৈ বি-এ পাছ কৰি, দ্বিতীয় শ্ৰেণীত প্ৰথম হৈ এম-এ পাছ কৰিছিল। বীণা চৌধুৰী গান-বাজনাতো বৰ সুখ্যাতি থকা ছোৱালী আছিল। বীণাহঁতৰ মাক আছে। কিন্তু আজি কেইবা বছৰৰ পৰা তেওঁ বেছি ৰক্তচাপ আৰু হাৰ্টৰ অসুখৰ পৰা ভুগিছে। আজি কিছুদিনৰ আগতে গৈ তেওঁ দেৱতোষৰ লগতে ডিব্ৰুগড়তে আছেগৈ, পুতেকে আহিবলৈ দিয়া নাই।

ডাক্তৰ চৌধুৰীৰ ঘৰত বৰ্ত্তমানে থাকে বীণা, বীণা আৰু তেওঁ-লোকৰ মোমায়েকৰ পুতেক এটা মুকুল। মুকুলো এক অদ্ভুত ল'ৰা। বি, এচ্-চি পঢ়ে। কিন্তু তাৰ প্ৰধান কাম হ'ল ক্ৰিকেট খেলা, থিয়েটাৰ কৰা, ভেৰাইটি শ্ব'ত খোলা জীপ গাড়ীত উঠি মাইক লৈ ঘোষণা কৰা, বায়েকহঁতক জোৰ কৰি থিয়েটাৰ চিনেমা দেখুৱা-

বলৈ নিয়া ইত্যাদি। ঘৰৰ লগত তাৰ সম্পৰ্ক কম—কেৱল ভোক লাগিলে ভাত-চাহ বিচাৰি আৰু ৰাতি শুবলৈহে ঘৰলৈ আহে। প্ৰকৃতপক্ষে ঘৰখনত ঘৰ বুলি থকা মানুহ কেৱল বীণা।

বীণাই প্ৰথম বিভাগত আই-এ পাছ কৰিছিল, কিন্তু বৰ টানি ধৰাটো বীণা আৰু কলেজলৈ নগ'ল। দেৱতোষ আমেৰিকালৈ গ'ল। দেউতাকৰ মৃত্যুৰ পিছত মাকৰ ব্লাড-প্ৰেছাৰ বাঢ়িল। ইতিমধ্যে মেট্ৰিক পাছ কৰি বীণা কলেজত ভৰ্ত্তি হৈছিল গৈ। বীণাই এনেতে পঢ়া এৰি দিলে।

মাকে কৈছিল, "নপঢ়িনো তই কি কৰিবি? বেচি নহলেও আৰু দুটা বছৰ পঢ়ি বি-এ টোকে পাছ কৰি থ।"

বীণাই কিন্তু সহজ ভাবেই কৈছিল, "আৰু নপঢ়ো মা। বৰ ভাগৰ লাগিছে আৰু। কমবোৰনো পঢ়া হ'লনে? চৌধ নে পোন্ধৰ বছৰ অকল পঢ়িলোৱেই, বাচিম নো কেই বছৰ? অলপ জিৰাই লওঁ।"

মাকে আৰু একো নকলে, অকলশৰীয়া হলেই মন মাৰি থকা বীণাজনীক জোৰ কৰি কিবা এটা কৰিবলৈ বাধ্য কৰাৰ কোনো লাভ নাই—তেওঁ জানে।

বীণাই পঢ়িলে। চাওঁতে চাওঁতেই বছৰবোৰ বাগৰি গ'ল—এবছৰ দুবছৰকৈ সাতোটা বছৰ। বীণা এম-এ পাছ কৰি আহি অধ্যাপিকা হ'লহি।

বীণা তেনেকৈয়ে থাকিল, যেন এইয়া জিৰণি লোৱা নহয়, জীৱনৰ বাটত মাজতে আগ নেবাঢ়ি বৈ যোৱা। কিন্তু বয়স বাঢ়িছে যদিও বীণাৰ শাৰীৰিক কোনো পৰিবৰ্ত্তন হোৱা নাই। বৰং পাৰ হৈ যোৱা দিনবোৰে যেন বীণাৰ গালে মুখে অকণ অকণ নতুন লাবণ্যৰ বোলহে সানি গ'ল, দেহাৰ আঁহ-পাহবোৰ সকলো মুকলি হৈ বীণা হৈ পৰিল পূৰ্ণ যুৱতী।

দেৱতোষতকৈ এবছৰ ডেৰ বছৰৰ সৰু আছিল বিভব। বিভৱৰ দেউতাকে যেতিয়া চাকৰি জীৱনৰ শেষৰ সাত বছৰ ইয়াতে কটাব

লগীয়া হৈছিল, তেতিয়া ডাক্তৰৰ লগত চিনাকি হ'ব লগীয়া হৈছিল। এই চিনাকি প্ৰায় আত্মীয়তাত পৰিণত হৈছিল। কিন্তু তেতিয়া বিভৱ আছিল বৰ লাজকুৰীয়া; সাধাৰণতে কোনো মানুহৰ ঘৰলৈ নগৈছিল। দেৱতোষৰ লগত যি চিনাকি হৈছিল, সি বৰ গভীৰ ধৰণৰ নাছিল। আৰু বীণা আৰু বীণাৰ লগত চকুৰ দেখাদেখিতকৈ বেছি পৰিচয় হোৱা নাছিল বুলিলেই হয়। আৰু বীণাহঁতো তেতিয়া সৰু আছিল।

কিন্তু আজি দুবছৰৰ আগতে, শিক্ষকতাৰ পৰা অৱসৰ লোৱাৰ পিছত বিভৱৰ দেউতাকৰ যেতিয়া টান অসুখ হৈছিল, আৰু অসম মেডিকেল কলেজত চাৰি মাহকাল চিকিৎসাধীন হৈ থাকিবলগীয়া হৈছিল, তেতিয়া বিভৱ আৰু ডাক্তৰ দেৱতোষৰ মাজত কেৱল চিনাকিয়েই নহয়, গাঢ় বন্ধুত্ব আৰু আত্মীয়তাও গঢ়ি উঠিছিল। বিভৱে কামৰ পৰা ছুটি লৈ দেউতাকৰ কাষত থাকিব লগীয়া হৈছিল। আৰু ডাক্তৰ দেৱতোষেই কৰিছিল বিভৱৰ দেউতাকৰ চিকিৎসা। অৱশ্যে ৰোগী নেবাচিল। ডাক্তৰী চিকিৎসাই মাথোন কষ্টৰ কিছু উপশম ঘটালে, আৰোগ্য কৰিব নোৱাৰিলে।

বিভৱ ডিব্ৰুগড়ত থকা সময়তে প্ৰায় তিনি মাহ মাকে সৈতে বীণা আৰু বীণা আহি ককায়েকৰ লগত আছিলহি। তেতিয়াই বিভৱৰ চিনাকি হৈছিল বীণা আৰু বীণাৰ লগত—ঘনিষ্ঠভাবে।

ডেৰ মাহ হ'ল বিভৱ ইয়ালৈ আহিছে। কাৰণ তেওঁলোকৰ ইউনিটটো ইয়ালৈ আহিছে। বিভৱ এজন ইঞ্জিনিয়াৰ—অৱশ্যে মিলিটাৰী ইঞ্জিনিয়াৰিং চাৰ্ভিচৰ। এৰ'ড্ৰমত কিছু কনষ্ট্ৰাকচনৰ কাম হ'ব, বিভৱৰ ইউনিটটো কিছুদিন ইয়াত থাকিব। কাম শেষ হলে অন্য ঠাইলৈ যাব লাগিব।

বীণাহঁতৰ ঘৰলৈ বিভৱ সদায় আহিব নোৱাৰে। শনিবাৰ, দেওবাৰে আহে, নাইবা কিবা কামত নগৰলৈ আহিলে বীণাহঁতৰ ঘৰত সোমাই যায়। নোসোমাই নোৱাৰে।

ঘৰত কেতিয়াবা বীণাকো লগ পায়। বীণায়ো আত্মীয়তা আৰু স্বচ্ছভাৱে বিভৱৰ লগত বহি নানা কথা-বতৰা পাতে। কিন্তু বীণা সকলো সময়ত ঘৰত নেথাকে। মুকুলৰতো দিনত ঘৰত থকাৰ প্ৰশ্নই নুঠে। থাকে কেৱল বীণা।

দক্ষিণফালৰ সৰু কোঠাটোৱেই বীণাৰ কোঠা। পাতল পৰ্দাৰে এখন খিড়িকী সদায় খোলা থাকে। আৰু খিড়িকীখনৰ কাষতে চাপৰ মেজখনৰ ওচৰত এখন হেলনীয়া চকীত সদায় একেদৰে বহি থাকে বীণা।

সদায় এজনী গাভৰু ছোৱালী নিৰৱ ঘৰটোৰ ভিতৰত সোমাই অকলে কেনেকৈ বহি থাকিব পাৰে ভাবি বিভৱ আচৰিত হয়। কিতাপ পঢ়া, চেতাৰ বজোৱা, ৰেডিঅ'টোৰ চুইচ পকাই থকা, আৰু বাহিৰৰ শূন্য আকাশখনৰ ফালে তন্ময় হৈ চাই বহি থকা— মাহটোৰ ত্ৰিশটা দিন এনেকৈয়ে বীণাই কেনেকৈ কটাই দিয়ে বিভৱে বুজিব নোৱাৰে।

কেতিয়াবা বিভৱে সোধে, "বীণা, তুমি এনেকৈ কেনেকৈ থাকা ?"

"কেনেকৈ ?"

"এই এনেকৈ—অকলে অকলে, মনে মনে—চুপ্ চাপ—?"

"আৰু কি কৰিম ?"

বীণাৰ মাতটোৰ অসহায় হতাশাৰ সুৰটোৱে বিভৱৰ মনৰ কোনোবা এখিনিত আঘাত কৰি যায়। এই কথাষাৰত আছে 'এটা প্ৰচ্ছন্ন কিন্তু তীব্ৰ অভিযোগ। কিন্তু কাৰ বিৰুদ্ধে এই অভিযোগ বিভৱে বুজিব নোৱাৰে।

সেইদিনা বিভৱ যেতিয়া আহে তেতিয়া ঘৰত বীণাও আছিল। বীণাই লৰালৰি কৰি নিজেই বিভৱলৈ চাহ কৰিলে, তাৰ পিছত সন্মুখত বহি লৈ বেচ ৰঙ-ৰহইচ কৰি কথা পাতিলে।

কথাৰ মাজতে বিভৱে ক'লে, "বীণা, বীণাই সদায় এনেকৈ মন মাৰি বহি থাকে কেলেই ?"

ইয়াৰ উত্তৰত বীণাই মাখোন চমুকৈ ক'লে,—"বাইদেউ আগৰে-পৰাই তেনেকুৱা।"

"মই হাঁহি-ধেমালি কৰাৰ কাৰণে বেয়া পায়নেকি বাৰু ?"

"বাইদেৱে ? আপোনাক ? কিযে কয়, আপুনি আমাৰ ঘৰলৈ আহিবলৈ লোৱাৰ পৰা বাইদেউৰ যিমান পৰিবৰ্ত্তন দেখিছো আপুনি বিশ্বাসেই নকৰিব। আগেয়ে দিনটোত দুষাৰ কথাও নকয়। হাঁহা-মতাতো দূৰৰ কথা।"

কথাষাৰ শুনি বিভৱৰ অকাৰণতে আনন্দ লাগিল।

কিছু পৰ নিৰৱতাৰ পিছত বীণাই ক'লে,—"ককাইদেউৰ পৰা এখন চিঠি পাইছো।"

"দেৱতোষৰ চিঠি ? ভালনে তাত সকলোৱে ?"

"সেইবোৰ একো লিখা নাই। চিঠিখনত আপোনাৰ কথাও আছে, পঢ়ি চাবনেকি ?"

কোৱাৰ লগে লগে বীণাই ওচৰৰে চুটকেচ এটা মেলি এটা লেফাফা বিভৱৰ হাতত তুলি দিলে। আৰু ক'লে, "অকণমান আহিছো দেই।"

বীণা ওলাই গ'ল। অলপ বুজিব নোৱাৰা অনুভূতিৰে বিভৱে চিঠিখন পঢ়িলে। এবাৰ, দুবাৰ, কেইবাবাৰো পঢ়িলে। কথাবোৰ সহজ যদিও বৰ দুৰ্ব্বোধ্য যেন লাগিল। বিভৱৰ কাণ-মূৰ ৰঙা পৰি উঠিল।

পিন্ধা সাজ সলাই হাতত এটা বহী আৰু দুখন কিতাপ লৈ বীণা ওলাই আহিল আৰু মাৰ্জ্জিতভাবে হাঁহি ক'লে, "মোৰ ক্লাচ আছে। যাওঁ। চিঠিখন দিয়ক। আপুনি বাইদেউৰ লগত কথা-বতৰা নপতাকৈ গুচি নেযাব আকৌ।"

যন্ত্ৰচালিতৰ দৰে বিভৱে চিঠিখন বীণাক দিলে আৰু বীণাৰ মুখলৈ অবোধ্য চাৱনিৰে চালে। বীণাই একো নকৈ এটা ধুনীয়া হাঁহি মাৰিলে, তাৰ পিছত নিৰৱে ওলাই গ'ল।

বিভৱ বীণাৰ কোঠালৈ গ'ল, আৰু তাত বহি বহুত কিবাকিবি কথা-বতৰা পাতিলে। কিন্তু মনৰ মাজৰ পৰা অস্বস্তিৰ ভাবটো কোনো মতেই আঁতৰ কৰিব নোৱাৰিলে। সেইদিনাৰ কথা-বতৰা যেন কিবা অসংলগ্ন হৈ পৰিছিল।

বীণাই অৱশ্যে অন্য দিনাৰ দৰে আগ্ৰহেৰেই কথা-বতৰা পাতিলে।

বিশেষ নেভাবি বিভৱে বীণাক ক'লে, "বীণা, মোক তুমি কি বুলি ভাবা ?"

"এজন মিলিটাৰী ইঞ্জিনিয়াৰ,—নহয় জানো ?"

"ইঞ্জিনিয়াৰটো বাদ দিয়া। আচল কথা মই এজন মিলিটাৰী—সৈনিক।"

করুণভাবে হাঁহি বীণাই ক'লে, "হয় বাৰু, কিয় সুধিলে ?"

"এনেয়ে নিশ্চয় সোধা নাই। তুমি জানা, ময়ো জানো, সৈনিকবোৰ মানুহ নহয়। এক বিশেষ ক্ষেত্ৰৰ এবিধ জীৱ-লগা যন্ত্ৰ।"

খিলখিলকৈ হাঁহি উঠিল বীণাই।

"হাঁহিছা যে ?"

"মহন্ত প্ৰফেচাৰৰ হাতত আই, এচ্-চিৰ টেষ্টত অসমীয়াত কিমান নম্বৰ পাইছিল ?"

"তাৰ মানে ?"

"তাৰ মানে আপুনি কিবা সাহিত্য কোৱা যেন লাগিছে। আজি হঠাৎ আপোনাৰ হ'ল কি ?"

আজি বিভৱৰ কি হৈছে নিজেই বুজিব পৰা নাই। দেবতোৱে এখন চিঠি দিছে। বীণাই সেই চিঠিখন বিভৱক পঢ়িবলৈ দিলে। তাৰ পিছতে যেন সকলো ওলটপালট হৈ গ'ল।

অৱশ্যে কথাটো অসামান্য নহয়।

বিভৱে বীণাৰ লগত কিবাকিবি কথা পাতিবৰ চেষ্টা কৰিলে,

কিন্তু সহজ হব নোৱাৰিলে, হঠাৎ যেন কিবা এটা ডাঙৰ অপৰাধত অপৰাধী হৈ পৰিছে বিভৱ। অথচ অপৰাধটো কি নিজেই বুজিব পৰা নাই।

বীণা বহিয়ে থাকিল।

একেবাৰে অদৰ্কাৰী আৰু অসংলগ্ন দুটামান কথা পাতি বিভৱ গ'লগৈ।

বীণা অলপ ক্ষুণ্ণ হ'ল। কিবা কাৰণত আজি মোক বিভৱে বেয়া পালেনেকি? কিন্তু বিভৱদাদাই চোন মোক কোনো দিন বেয়া নেপায়।

বৰ হতাশ অনুভৱ কৰিলে বীণাই। কেতিয়াবা চকু দুটা মুদি দিয়ে, কিছুমান ধোঁৱা বৰণীয়া ক'লা-বগা ৰেখা মুদা চকুৰ আগত ওপঙি ফুৰে। জোৰ কৰি চকু মুদি ৰাখি বীণাই একো নেদেখাকৈ থাকিবৰ চেষ্টা কৰে। মুদা চকু দুটা হাতৰ তলুৱাৰে ঢাকি ধৰে বীণাই।

বেজাৰ লাগিব লগীয়া হলেই অকাৰণতে খং উঠি আহে বীণাৰ। অদৃষ্টৰ লগত যুঁজিবৰ শক্তি মোৰ নাই। যুঁজিলেও মই কাহানিও জয়ী হ'ব নোৱাৰো, মানুহৰ লগত যুঁজত অদৃষ্টই সদায় জয়ী হৈ আহিছে। সেই কাৰণেই বীণাৰ ভীষণ খং উঠে অদৃষ্টৰ ওপৰত। আৰু অদৃষ্ট অথবা ঈশ্বৰ বোলা কোনো বস্তু নাই বুলি জোৰ কৰি নিজকে কয়।

বিভৱক তেতিয়া তেনেই অচিনাকি কোনোবা যেন লাগি যায়।

কেতিয়াবা বীণা ভাবপ্ৰৱণ হৈ পৰে, আৰু তেতিয়া আগ পাছ নুগুণি মনৰ অনুভূতিৰ কথাবোৰ নিঃসঙ্কোচে কৈ দিয়ে।

বীণাৰ কলেজত সন্ধিয়া অনুষ্ঠান আছিল। মিউজিক চৰ্চিয়েল নে কিবা। বিভৱ আহি দেখিলে বীণাৰ কোঠাত টেবুল লেম্পটো নিবৰে জ্বলি আছে—আৰু এখন শকত কিতাপ আগত মেলি লৈ বীণা বহি আছে।

তেতিয়া সন্ধিয়া লাগি ভাগিছে মাথোন। সহজ ভাবে বিভৱ সোমাই আহিল।

বীণাই মূৰ তুলি চালে। মুখখনৰ ভাব অলপো সলনি নহল। সহকৈ ক'লে, "বহক দাদা—"

"অসময়ত যে পঢ়ি আছা?"—বহাৰ লগে লগে বিভৱে ক'লে।

"অদৰ্কাৰী কাম কৰাৰনো কি সময় অসময় আছে?"

"কিতাপ পঢ়াটো কেতিয়াৰ পৰা অদৰ্কাৰী কাম হ'ল?"

"যেতিয়াৰ পৰা জীৱনৰ কথাবোৰ কিতাপৰ কথাৰ লগত নিমিলা হ'ল।"

তীব্ৰ ভাবে বিভৱে বীণাৰ মুখলৈ চালে।

বিভৱক বিব্ৰত কৰি দি লগে লগেই বীণাই ক'লে, "মোৰ মুখত মনৰ কথা-লিখা নাই। চালেও আপুনি একো বুজিব নোৱাৰিব।"

অলপ দমি যোৱাৰ দৰে বিভৱে সহকৈ ক'লে, "সঁচাকৈ কৈছো বীণা, তোমাক মই ক্ৰমে দুবুজা হৈ আহিছো যেন লাগিছে।"

"আপুনি নিজকে বুজিব পাৰেতো?"

বিভৱ নিৰৱ হৈ গ'ল।

ফাঁকি দিবলৈ নিবিচাৰে বিভৱে। সঁচাই বিভৱে নিজকে বুজিব পৰা নাই। কি যে হৈছে!

"মই কিন্তু বুজিব পাৰিছো"—বীণাই কলে।

একো নেমাতি বিভৱে একেথৰে লেম্পটোৰ ফালে চাই থাকিল মাথোন।

"শুনক দাদা, মই জানো, আপুনি মোক ভাল পায়।" অলপ ৰ'ল বীণা।

কথাবোৰ যেন সম্মুখতে বহি থকা বীণাই কোৱা নাই। বহুত দূৰত থকা কোনোবাইহে কৈছে। আৰু এইবোৰ কথাৰ অৰ্থ বিভৱে অকণো নুবুজে।

বীণাই কৈ গ'ল—"আপুনি মোক ভাল পায়। আপুনি আমা

কৰে যেন মোৰ মনৰ মাজত ঠাই বিচাৰোঁতে মোৰ ভনী বীণাক বাটত আপুনি লগ নেপাব, কিন্তু আপুনি আশা কৰে যেন মই য'ত আছো তাতে থাকো, আৰু আপুনিও—আপুনিও য'তে আছা ত'তে থাকিব—"

ভাগৰি পৰাৰ দৰে বীণাৰ কথাবোৰ ক্ৰমে সৰু হৈ আহিল।

কোঠাটো অলপ সময়ৰ কাৰণে নিৰৱতাৰ মাজত হেৰাই গ'ল। দুটা অশান্ত মনক এটা দুৰ্বোধ্যতাই বিব্ৰত কৰি তুলিলে।

"আজি তুমি এইবোৰ কথা কৈছা যে বীণা?"

"আজি মোৰ ওচৰলৈ এজন মিলিটাৰীও অহা নাই, এজন ইঞ্জিনিয়াৰো অহা নাই, এজন মানুহ আহিছে। সেই কাৰণেই এইবোৰ কথা কৈছো। সদায় মিলিটাৰীৰ নিচিনাকৈ কথা কয়—আজি মানুহৰ নিচিনাকৈ কওক, বীণাও আজি নাই।"

বিভৱ কিঞ্চিৎ উত্তেজিত হৈ পৰিছিল। তেওঁ বীণাৰ মুখৰ ফালে চালে। বীণাক মানুহৰ নিচিনাকৈয়ে সদায় কথা ক'বলৈ বিচাৰে বিভৱে। কিন্তু বিভৱৰ ভয় হয় কিজানিবা মানুহ হ'বলৈ গলে বীণাৰ কাষত বিভৱ কোনোবা অসতৰ্ক মুহূৰ্ত্তত পশু হৈ পৰে।

বহুত পৰা দুয়ো নিৰৱে বহি থাকিল।

আলিবাটেদি মটৰ গাড়ীবোৰে অহা-যোৱা কৰিছে। সিহঁতৰ হেড্-লাইটৰ পোহৰ আহি বীণাহঁতৰ ঘৰৰ বেৰখনৰ ওপৰেদি বাগৰি যায়। ক'ৰবাত কোনোবাই কিবা চিয়ঁৰে। কাৰোবাৰ ঘৰৰ ৰেডিয়ত কিবা গান বাজিল, এটা জেঠিয়ে ক'ৰবাত টিক্‌টিকালে।

ভালেমান পৰৰ মূৰত বিভৱে মাতিলে, "বীণা— "

"হুঁ—?"

"মই অকণমান তোমাৰ কাষলৈ যাওঁ—!"

"কাষলৈ? আহক—"

কিন্তু বিভৱ বহাতে বহি থাকিল। উঠিবৰ অকণো উপক্ৰম নকৰিলে।

বীণাই পোনপটিয়াকৈ বিভৱৰ মুখলৈ চাই ক'লে, "আপুনি আকৌ মিলিটাৰী হৈ গ'ল—"

অলপ অপ্ৰত্যাশিতভাবে বিভৱে কৈ উঠিল—"নহয়, বীণা—মই মানুহ হবলৈকে বিচাৰো—"

লগে লগে বীণাই কৈ উঠিল, "কিন্তু মোৰ লগত নহয়—নহয় জানো ?"

অপমান পাইছেনেকি বিভৱে বুজিব নোৱাৰিলে। তেওঁ বহাৰ পৰা উঠি সহজভাবে বীণাৰ কাষলৈ গ'ল—আৰু বীণাৰ গাৰ কাষতে থিয় দি ৰ'ল।

বিভৱৰ ফালে নোচোৱাকৈয়ে বীণাই কলে, "মোক যে আপুনি ভাল পায় এই কথাটোকে মোক কাষৰ পৰা জনাবৰ কাৰণেতো কাষলৈ আহিছে, নহয় জানো ?"

"কথাবোৰ তুমি বহুত দূৰৰ পৰা কোৱাদি কৈছা বীণা—"

বীণাই হাঁহিলে।

"আপুনি বুজিব পাৰিছেনে নাই ক'ব নোৱাৰো, কিন্তু অতদিনে আপুনিয়ে মধ্যো কথাবোৰ মানুহে পত্তাদি নেপাতি কিতাপে পত্তাদি পাতিছো। আমি বাৰু ইমান কৃত্ৰিম হৈ আছো কিয় এতিয়াও ?"

"মই যে তোমাক ভাল পাওঁ—এই কথাষাৰ কেনেকৈ ক'ব লাগে মই নেজানো।"

"কাৰণ আপুনি সৈনিক যদিও আপুনি বৰ ভয়াতুৰ।"

বিভৱ অকণমান বীণাৰ ফালে হালিব খুজিছিল। কিন্তু হঠাৎ কিবা ভাবি আকৌ নিজৰ চকীখনলৈ আহিল—

"বেয়া পালে ?" বীণাই সুধিলে।

বিভৱে একো নেমাতিলে।

চকীখনত বহি লৈ বিভৱে অনুভৱ কৰিলে তেওঁ যেন বীণাৰ লগত কেৱল অভিনয় কৰিছে। আৰু যেন বীণাইও এই কথা ভালকৈ জানে। কিন্তু এই অভিনয়ৰ কি প্ৰয়োজন, বিভৱ একজন

ডেকা মানুহ, এজন ইঞ্জিনিয়াৰ, এজন সৈনিক। বিভৱে যথেষ্ট টকা অৰ্জ্জন কৰে, তেওঁ কাৰোবাক বিয়া কৰাব, বিয়া নকৰাবৰ কোনো কাৰণ নাই।

বিভৱে অতি ওচৰত দুজনী ছোৱালীক লগ পাইছে—বীণা আৰু ভনীয়েক বীণা। দুয়োজনী ভাল ছোৱালী, ভাল মানুহৰ ঘৰৰ ধুনীয়া ছোৱালী, বীণা সৰু, বীণা বেচি শিক্ষিতা, বেচি ধুনীয়াও, তদুপৰি বীণা স্বাৱলম্বী এগৰাকী প্ৰফেচাৰ—মহিলাৰ মাজত হিচাপৰ মানুহ।

অথচ বীণাতকৈ বীণাক মোৰ বেছি ভাল লাগে। বীণাৰ এটা সুকীয়া আকৰ্ষণ আছে, এটা বেলেগ আবেদন আছে। বীণাৰ এটা তীব্ৰতা, এটা ৰহস্যময় স্পষ্টবাদিতা আছে—যিটো হয়তো বীণাৰ নাই।

আৰু বীণাই বিভৱক ভাল পায়।

বীণাক এটা চুমা খাবৰ মন গৈছেনেকি মোৰ? বিভৱে নিজকে সুধিলে। মোৰ জানো মোৰ ভালপোৱা ছোৱালীজনীক এটা চুমা খোৱাৰ কোনো অধিকাৰ নাই! কিন্তু কিজানি আজি খোৱা চুমাটোৰ মৰ্য্যাদা শেষ পৰ্য্যন্ত মই ৰাখিব নোৱাৰো। কিজানি বীণাই সঁচাকৈয়ে এদিন প্ৰমাণ পাই যায় যে মই সৈনিক হলেও মই সাহসী নহয়, মই ভীৰু।

বহুত দূৰৰ পৰা কোৱাদি বীণাই ক'লে—

"মই তেনে ভুল কোৱা নাই নহয়?"

এইবাৰ বিভৱে অলপ আঘাত পালে। নিজৰ ভিতৰত এটা বন্য হিংস্ৰতা জাগ্ৰত কৰি তুলিবৰ চেষ্টা কৰিলে। নাৰীয়ে পুৰুষৰ এই বন্যতাৰ আক্ৰমণৰ মাজেদি পুৰুষক চিনি পাবলৈ বিচাৰে। নাৰীয়ে সৈনিক নিবিচাৰে, মানুহ বিচাৰে।

বিভৱৰ কাণ-মূৰ ৰঙা পৰি উঠিল, তেওঁ বহাৰ পৰা উঠিল আৰু বীণাৰ কালে আগ বাঢ়িব খুজিলে।

বীণা একেদৰেই ৰহস্যজনকভাবে ৰহি আছিল।

"বাইদেউ—শুনিয়েইনেকি"—হঠাৎ বাহিৰৰ দুৱাৰ-মুখত বীণাৰ মাত শুনি বিভব অপ্ৰতিভ হৈ পৰিল।

"বীণা আহিল"—কথাষাৰ স্বস্তিৰেই ক'লেনে বিৰক্তিৰেই ক'লে বিভৱে বুজিব নোৱাৰিলে।

দুৱাৰখন মেলি বীণা সোমাই আহিল বীণাৰ কোঠালৈকে।

"ৰীণা আহিলা?"

"অ' আপুনিও আছে। কেতিয়া আহিল? বাইদেউ অকলে অকলে আছে বুলি মোৰ বেয়া লাগি আছিল—" একে উশাহে কথাখিনি ক'লে বীণাই। "বহক, শুচি নেযাব দেই—" বুলি কৈ বীণা নিজৰ কোঠালৈ গ'ল।

বীণাৰ-কালে এবাৰ চাই হাঁহি বিভৱে ক'লে, "বীণাজনী বৰ সৰু ছোৱালী হৈ আছে। কলেজৰ ফাৰ্ষ্ট ইয়েৰত নাম লগাই আকৌ পঢ়িব পাৰে।"

"আজি নহয়, অন্য এদিন তাইৰ কথা বাৰু আপোনাক ক'ম। আপুনি আকৌ কেতিয়া আহিব?"

কেতিয়া আহিব পাৰিব নিশ্চয়কৈ বিভৱে একো ক'ব নোৱাৰিলে, সময় পালেই আহিব।

বিশেষ জৰুৰী কাম থকাত কেইবাদিনো বিভৱ বীণাহঁতৰ ঘৰলৈ আহিব পৰা নাছিল। দুয়ো পক্ষৰে বেয়া লাগিছিল। বিভৱৰ মনটোৱে অস্বস্তিত উচ্পিচাই আছিল। বীণা আৰু বীণাৰো বেয়া লাগিছিল। অকলশৰীয়া বীণাৰ বেছি বেয়া লাগিছিল।

ইতিমধ্যে দেৱতোষৰ পৰা বীণাই আৰু এখন চিঠি পাইছিল। চিঠিখনৰ মৰ্ম্মটোৱে বীণাক বিমোৰত পেলাইছিল। দেৱতোষে লিখিছে যে বহুত চিন্তা কৰি তেওঁলোকে এইটোকে সিদ্ধান্ত কৰিছে যে বীণাৰ সোনকালে বিয়া পাতিব লাগে। আৰু তাৰ কাৰণে পাত্ৰৰো দিহা তেওঁলোকে কৰিছে। তেওঁলোকে আশা কৰে যে

বীণাই আপত্তি নকৰিব। দেৱতোষে সোনকালে বীণাৰ পৰা এটা ভাল উত্তৰ আশা কৰিছে।......

যিদিনা বিভৱ আহিল, সেইদিনা গোটেই দিনটো বৰষুণ দি আছিল, অলপ জাৰ জাৰ যেন লাগিছিল। বতাহবোৰ সেমেকি গৈছিল।

বিচনাতে শুই শুই বীণাই আলোচনী এখন পঢ়ি আছিল আৰু বীণায়ো নিজৰ কোঠাত সোমাই চাবি পাঁচখন কিতাপ একেলগে মেলি লৈ কিবা নোট প্ৰস্তুত কৰিছিল। অন্য দিনাৰ দৰেই ঘৰটোত আছিল নিৰৱতা। মাত্ৰ ঘৰৰ চালত পৰা বৰষুণৰ জ্ৰব-জ্ৰব শব্দটোৰ বাহিৰে অন্য কোনো উকমি নাছিল।

বিভৱ সোমাই অহাৰ পিছতো বীণা একেদৰেই বিচনাতে পৰি থাকিল।

প্ৰথমতে দুয়ো দুয়োৰে চকুলৈ চালে। একো ক'ব নোৱাৰিলে। দুয়োৰো যেন দুয়োকো কিবা প্ৰশ্ন কৰিব লগীয়া আছে, আৰু কৈফিয়তো দিব লগীয়া আছে।

বিভৱ নিজেই বহিল। বীণাই মাথোন বিভৱৰ কালে চাই ৰ'ল —যেন একো ক'বলগীয়া নাই।

কৈফিয়ত দিয়াৰ কাৰণে বিভৱে ক'লে, "আজি বেচ বৰষুণ দিছে।"

বীণা বিচনাতে পৰি থাকিল আৰু ক'লে, "আপুনি কিমান দিন অহা নাই, মনত আছেনে?"

"বৰ কামৰ হেঁচা পৰিছিল—"

"মই নিজে যাব নোৱাৰো, আপুনি জানেই। সেই দেখি আপোনাকে মাতো। আপোনাৰো আকৌ কামৰ হেঁচা।"

বীণা সোমাই আহিল।

"বীণাও আছা?"

"মই যাবলৈ ওলাইছো। আপুনি সদায় এনেকুৱা সময়ত আহে

যে ভালকৈ বহি দুআষাৰ কথা পাতিবৰো সুবিধা নহয়। আপুনি চাগৈ মোক কি বুলি ভাবে।”

“তোক এজনী বৰ ডাঙৰ প্ৰফেচাৰ বুলি ভাবে। অকণমান ৰচোন বীণা। বৰ দেৰি হৈ যাবনেকি ?”

বীণা বায়েকৰ ওচৰতে বিচনাখনতে বহিল।

“ককাইদেউৰ ইখন চিঠি দাদাক দেখুৱাইছ জানো ?”

বীণা আৰু বিভৱ দুয়োৰো কাণ-মূৰ ৰঙা পৰি উঠিল—কথাষাৰ কোৱাৰ লগে লগে।

“আজি যাওঁ বাইদেউ, দাদাতো আছেই, অন্য এদিনা দেখুৱালে নহ’ব জানো ?”

“বাৰু যা তেনেহলে, তোৰ দেৰি হৈ যাব আকউ—”

বীণা বহাৰ পৰা উঠিল আৰু নিজৰ কোঠালৈ গ’ল।

হাঁহি বিভৱে কলে, “প্ৰফেচাৰ হলে কি হব, বীণা এতিয়াও এজনী সৰু ছোৱালী হৈ আছে। লাজটো এতিয়াও যোৱা নাই।”

“আপোনাৰোতো লাজ ভগা নাই। মিলিটাৰী হলে কি হ’ব—” বীণাই ক’লে।

সলজ্জ ভাবে বিভৱে হাঁহিলে—যেন লাজকুৰীয়া হৈ থকাটো এটা গুণহে।

বীণায়ে ক’লে, “আজি আৰু মই আপোনাক নোসোধো আপুনি আৰু ইয়াত কিমান দিন থাকিব—”

“খবৰটো তোমালোকেও পাইছা তেনেহলে। কি কৰিম, মিলিটাৰীৰ চাকৰি—”

বিভৱৰ কথাষাৰ শুনি বীণাৰ মুখখন হঠাৎ ক’লা পৰি গ’ল। কিন্তু নিজক সংযত কৰি বীণাই ক’লে, “দোষটো সদায় চাকৰিৰ গাতেই দি থাকি কি লাভ, যাবৰ হলে মানুহ যায়েই।”

বিভৱে ক’লে, “কি কৰিম বীণা, হৃদয়ে টানে একালে, জীৱনে টানে একালে—”

"পুৰণি টাগ্-অৱ-ৱাৰ।" হাঁহি বীণাই কলে, "হৃদয়ক জিকাব খুজিলে, ঘৰজোঁৱাই হ'বলগীয়া হয় আৰু জীৱনক জিকাব খুজিলে হয় দেৱলীয়া। ঘৰজোঁৱাইতকৈ দেৱলীয়াৰ পৰিচনেই ভাল।"

"তুমি যে কথাবোৰ কেনেদৰে ভাবা বীণা—"

"যেনেকৈ বুজো তেনেকৈয়ে ভাবিবৰ চেষ্টা কৰোঁ। হৃদয়ৰ তুলনাত জীৱনটো বহুত ডাঙৰ, নহয় জানো? হৃদয়ক বাদ দি জীৱনক লৈয়েতো জীয়াই থাকিব পাৰি—"

"কিন্তু তেনেকৈ জীয়াই থকাত কি মহত্ব আছে?"

"মহত্ব—?" কৈ বীণাই খিল্‌খিলাই হাঁহি দিলে।

"হাঁহিলাযে?"

বীণা মনে মনে থাকিল। বৰ ডাঙৰকৈ হাঁহিলোনেকি, বীণাই ভাবিলে। কিন্তু আজি বীণাৰ খুব হাঁহিবৰ মন গৈছে। বহুত কিবাকিবি কথা চিয়ঁৰি কৈ দিবৰ মন গৈছে। আজি মনে মনে থাকিবৰ অকণো মন যোৱা নাই।

বিভৱ বিচনাখনলৈ উঠি আহিল আৰু বীণাৰ কাষতে বিচনাখনতে বহিল। বীণাই অলপ ঠাই দিলে, ভৰিৰ পৰা ডিঙিলৈকে ঢাকি লৈ থকা বাদামী ৰঙৰ পাতল চাদৰখন বীণাই ভালকৈ ললে। বীণাই এবাৰ খিৰিকীখনেৰে বাহিৰৰ বৰষুণ জাকৰ ফালে চালে। বৰষুণ জাকক বৰ আপোন যেন লাগিল। বৰষুণৰ মাজেদি যেন বীণাৰ সৰু হৃদয়খনে মৰমী পৃথিৱীখনৰ লগত এটা শাশ্বত আত্মীয়তাৰ সম্ভেদ পালে।

"বীণা—" বিভৱে মাতিলে—কি ক'ব খুজিছে বিভৱে নিজেই বুজিব পৰা নাই, কিন্তু নিৰৱতাখিনি বৰ নিষ্ঠুৰ যেন লাগিছে তেওঁৰ।

লাহে লাহে বীণাই ক'লে, "মই সকলো কথা জানো। ককাইদেৱে আগেয়ে দিয়া চিঠিখন বীণাই আপোনাক দেখুৱাইছিল। কিন্তু আপুনি তাৰ কোনো সমিধান নিদিলে। কিয় নিদিলে তাকো মই জানো। কাৰণ আপুনি মোক ভাল পায়। মোক ভাল

পায় কাৰণে আপুনি মোৰ ভনী বীণাক বিয়া কৰাব নোৱাৰে, কিন্তু এই কথা বীণাই জানে। বীণাই সকলো জানে। তাই জানে যে মই—ময়ো আপোনাক—বাৰু যাওক সেই কথা। ককাইদেৱে আৰু মাই ভাবিছিল আপুনি আমাৰ ঘৰলৈ আহে বীণাৰ কাৰণে। মোক যে কোনোবাই ভাল পাব পাৰে ককাইদেউহঁতে ভাবিবই নোৱাৰে—”

অলপ বিব্ৰত বোধ কৰি বিভৱে কলে, “মই বাৰু কি কৰিম বীণা। বীণাই মোক দেৱতোষৰ চিঠিখন যেতিয়া দিছিল, পঢ়ি মই অবাক হৈ গৈছিলো, কিন্তু তাতোকৈ অবাক হৈছিলো বীণাৰ নিজ হাতৰ এখন চিঠি পাই—”

বিশেষ কৌতুহল প্ৰকাশ নকৰি বীণাই কলে, “সেইখন চিঠিৰ কথা মই ক’ব নোৱাৰো—”

“মই তোমাক কোৱা নাছিলো। বীণাই লিখিছিল যে দেৱতোষৰ প্ৰস্তাৱত বীণা আনন্দেৰে সন্মত হলহেঁতেন, কিয়নো বীণায়ো মোক ভাল পায় কিন্তু—”

চকু দুটা অলপ ডাঙৰকৈ মেলি বীণাই বিভৱৰ মুখলৈ চালে।

বিভৱে সৰু সৰুকৈ কৈ গ’ল, “কিন্তু বীণাই লিখিছিল—‘মোৰ বিয়া হোৱাৰ কোনো সম্ভাৱনা নাই। আৰু প্ৰয়োজনো নাই। বাইদেউৰ বিয়া নহয় মানে ময়ো বিয়া নহওঁ। আৰু মই জানো আপুনি বাইদেউক ভাল পালেও বিয়া কৰাব নোৱাৰে—”

বীণাৰ মুখখন উজ্জ্বল হৈ উঠিল।

বীণাই ক’লে, “বীণাই জানো মিছা কথা লিখিছে! আপোনাৰ প্ৰতি মোৰ ভালপোৱাক আপুনি বিশ্বাস নকৰিব পাৰে, কিন্তু মোক যে আপুনি ভাল পায় সেই কথা মই অন্তৰ দি বিশ্বাস কৰোঁ। কিন্তু মই জানো, আপুনি নহৈ অন্য কোনোবা এজনেও যদি মোক আপোনাৰ দৰেই ভাল পালেহেঁতেন, তেন্তে মোক বিয়া নকৰালেহেঁতেন—”

বিভৱ তলমূৰ কৰি বহি থাকিল। যেন বীণাই তেওঁৰ অন্তৰখন দেখিছে, আৰু তাত লিখা থকা কথাবোৰ এটি এটিকৈ পঢ়ি গৈছে। আৰু পঢ়োতে ক'তো অলপো ভুল হোৱা নাই।

বীণা বিচনাতে বহিল, আৰু অৱলম্বন বিচৰাৰ দৰে বিভৱৰ কান্ধত হাত এখনেৰে ধৰি মুখখন তেওঁৰ মুখৰ কাষলৈ চপাই নি কাতৰভাবে ক'লে, "আপোনাক এটা অনুৰোধ কৰিলে বেয়া পাব নেকি?"

"কোৱা, কিয় বেয়া পাম"—বিভৱে ক'লে।

"ককাইদেউৰ পিছৰ চিঠিখনত লিখিছে যে তেওঁলোকে বীণাৰ কাৰণে অন্য এজন পাত্ৰ ঠিক কৰিছে। কিন্তু বীণা এক কথাৰ ছোৱালী, মোৰ বিয়া নহলে তাই বিয়া নকৰায়।"

"এবা—"

"আপুনি এটা কাম কৰিবনে? বীণাক জনাই দিয়ক যে আপুনি মোক বিয়া কৰাব—"

বিভৱে বীণাৰ মুখলৈ চালে।

"বীণাৰ জীৱনৰ স্বাৰ্থত এটি মিছা কথা কলে জানো বৰ ক্ষতি হ'ব! বীণাৰ বিয়াখন যেনে তেনে হৈ যাওক, তাৰ পিছত ময়ো ঠিক উপায় পাম—আৰু মিলিটাৰী মানুহ—আপুনিও এটা উপায় পাব। বীণাক ক'লে বুলিয়েই যে আপুনি মোক বিয়া কৰাবই লাগিব তাৰ কোনো অৰ্থ নাই। চাওকচোন কথাষাৰ ভাবি।"

কথাষাৰ শুনি বিভৱে অবাক চাৱনিৰে বীণাৰ মুখলৈ চালে।

এই দুজনী ছোৱালী—বীণা আৰু বীণা—অদ্ভুত ধৰণ ইজনীৰ প্ৰতি সিজনীৰ। ইজনীৰ কাৰণে জীৱনৰ সৰ্ব্বস্ব ত্যাগ কৰিব পৰা উদাৰতা আছে সিজনীৰ।

বিভৱৰ নিজকে বৰ সৰু যেন লাগিল।

বীণাই আকৌ খিল্‌খিলাই হাঁহিলে—যেন এটা জয়ৰ হাঁহি। তাৰ পিছত বিভৱৰ একেবাৰে কাণৰ কাষত মুখখন থৈ কলে, "বুদ্ধিটো বৰ ভাল লগা নাই, নহয়? ছোৱালীৰ বুদ্ধি।"

কথাষাৰ কৈ বীণা বিভৱৰ গাতে ধৰি পালেঙৰ পৰা নামিল, আৰু কলে, "অকণমান ৰহক। সদায় বীণাই চাহ কৰি খুৱায়, আজি মযে এটোপা চাহ কৰি আনো—"

বিভৱে মাতিব নোৱাৰিলে, মাথোন নীৰৱে বীণাৰ ফালে চাই ৰ'ল। চাদৰখন ঠিক কৰি লৈ বীণা লাহে লাহে কোঠাটোৰ পৰা ওলাই গ'ল,—লেকেচিয়াই লেকেচিয়াই। বীণাৰ দুয়োখন ভৰি বেয়া,—'ক্লাব ফুটেড্' ইমান ধুনীয়া মন আৰু ধুনীয়া দেহাৰ গাভৰু বীণাজনীৰ ভৰি দুখন কিয় ইমান আপচু আৰু কুৎচ হ'ল—ভাবি ভাবি বিভৱ বহি থাকিল। বীণাৰ ভৰি দুখনে যেন ভাল-পোৱাৰ সমগ্ৰ কাহিনীটোক নিৰৰ্থক কৰি দিলে।

প্ৰত্যাবৰ্ত্তন

হোমেন বৰগোহাঞি

আজি হৈমন্তী মাকৰ ঘৰলৈ গ'ল। প্ৰায় এমাহ থকাৰ কথা। সিহঁতক ষ্টেশ্যনত থৈ আহি শূন্য ঘৰখনলৈ ঘূৰি যাবলৈ মাণিকৰ মন নগ'ল। তাৰ মনটো হঠাতে খুব খালি খালি যেন লাগি গৈছিল। এনে অৱস্থাত ঘৰত গৈ অকলে বহি থাকিলে বেছি বেয়াহে লাগিব। বাহিৰে বাহিৰে সি চৌধুৰীহঁতৰ আড্ডালৈ খোজ ললে।

চৌধুৰীৰ ঘৰৰ পদুলি-মুখ পাই মাণিক অলপ সময় থমকি ৰ'ল। আজি তাক দেখি সিহঁত নিশ্চয় খুব আচৰিত হ'ব, নিশ্চয় তাক নানা ৰকম ঠাট্টা-মস্কৰাও কৰিব। বন্ধুবৰ্গৰ ব্যংগ-বিদ্ৰূপৰ কাৰণে সি নিজকে মনে মনে প্ৰস্তুত কৰি ললে। এসময়ত সি নিজেই যিটো আড্ডাৰ প্ৰাণ-স্বৰূপ আছিল, যোৱা ছমাহৰ ভিতৰত এদিনো সি তাত ভুমুকি মৰা নাই। তাৰ কাৰণো কোনেও নজনা নহয়। হৈমন্তীৰ কঢ়া হুকুমৰ ফলতেই যে সি এনে হেন লোভনীয় আড্ডাৰ লগত সকলো সম্পৰ্ক ছেদ কৰিব লগা হৈছে, সেই কথা আনকি ভৃত্য-মহলতো সকলোৱে জানে। তেনে স্থলত এই নিষিদ্ধ আড্ডালৈ তাৰ হঠাৎ আগমন যে কোনেও সহজ ভাবে নলব, তাৰ কাৰণে সি আগৰে পৰাই সাজু হৈ যোৱা ভাল।

চৌধুৰী অবিবাহিত ডেকা মেজিষ্ট্ৰেট : সুসজ্জিত ধুনীয়া ঘৰ এটাত তেওঁ অকলে থাকে। সদায় সন্ধিয়া চহৰৰ ডেকা অফিচাৰ

কেইজনমান তেওঁৰ ঘৰতে গোট খায়; কোনোৱে ব্ৰিজ খেলে, কোনোৱে কেৱল কথাৰ মালিহা মাৰিয়েই ৰাতি ন-দহ বজালৈকে সময়খিনি কটাই দিয়ে। মাজে মাজে তাত পান-ভোজনৰো আয়োজন হয়। মাণিকৰ আটাইকেইবিধ নিচাতে সমান উৎসাহ আৰু পাৰদৰ্শিতা। ফলত অতি সোনকালেই সি আড্ডাৰ মধ্য-মণি হৈ পৰিছিল। কিন্তু তাৰ বন্ধুবোৰৰ কোনেও এই কথা জনা নাছিল যে আড্ডাত বহি নিজেও ফূৰ্তি-তামাছাত পাগল হৈ থকা আৰু আনকো পাগল কৰি ৰখা মাণিকে ঘৰলৈ ঘূৰি গৈ সম্পূৰ্ণ এটা বেলেগ ৰূপ লব লগা হয়,—হৈমন্তীৰ মুখামুখি হৈয়েই সি হৈ পৰে কঢ়া অভিভাবিকাৰ সম্মুখত শাস্তিৰ ভয়ত কম্পমান এটা অপৰাধী বালক। কথাটো হ'ল মাণিকে ঘৰ এৰি বাহিৰত থকাটো হৈমন্তীয়ে অকণো সহ্য কৰিব নোৱাৰে। তাতোকৈ বেছি তাই দেখিব নোৱাৰে তাছৰ আড্ডা। সি মদ খাই আহিবৰ দিনাতো কথাই নাই, প্ৰবল মেঘ-গৰ্জনৰ পাছত প্ৰবলতৰ অশ্ৰু-বাৰিধাৰাৰে তাই সিদিনা সিহঁতৰ সংসাৰত প্ৰলয়-কাণ্ডৰ সৃষ্টি কৰে। মাণিকে হৈমন্তীৰ সকলো শাস্তি আৰু তিৰস্কাৰ নিৰবে সহ্য কৰে, কাৰণ সি জানে যে যুক্তি-তৰ্কৰ দ্বাৰা তাইৰ মুখ বন্ধ কৰা সম্ভৱ নহয়। যুক্তিৰ ফালৰ পৰা হৈমন্তীয়েই ঠিক,—মদ খাই বা তাছ খেলি সময়-শক্তি অপচয় কৰাতকৈ ঘৰত বহি থাকি এখন ভাল কিতাপ পঢ়া বা পুতেকক অংক শিকোৱা নিশ্চয় বেছি ভাল কাম। হৈমন্তীৰ ক্ৰোধদীপ্ত মূৰ্তি দেখিলেই মাণিকৰ মনত ভাল-বেয়াৰ বিচাৰ-শক্তি জাগ্ৰত হৈ উঠে, লগে লগে সি আৰু কেতিয়াও তাছৰ আড্ডালৈ নেযাওঁ বুলি প্ৰতিজ্ঞাও কৰি পেলায়। কিন্তু দুই তিনি দিনতকৈ বেছি সময় সেই প্ৰতিজ্ঞা ৰক্ষা কৰা তাৰ পক্ষে সম্ভৱ হৈ নুঠে। ভাল ল'বাৰ দৰে দুদিনমান ঘৰত বহি থাকি হৈমন্তীৰ নিৰ্দেশ অনুসৰি আদৰ্শ জীৱন কটোৱাৰ পাছতে সংসাৰখন তাৰ মনত পঢ়াশালীৰ দৰে নীৰস যেন লাগি যায়, অলপমান সুকণ্ঠা

পালেই সি পলাই পুনৰ আড্ডা ওলাইগৈ। আকৌ সেই একে নাটকৰ পুনৰাভিনয় চলে; খং আৰু অভিমানত কান্দি-কাটি হৈমন্তীয়ে ভাত নোখোৱা হয়, মাণিকে গুড্ কন্দাক্টৰ প্ৰতিশ্ৰুতি দি তাইৰ অভিমান ভাঙে। ঠিক এই গতিৰেই চলি আহিছিল সিহঁতৰ প্ৰণয়-কলহমধুৰ বিবাহিত জীৱনৰ সুদীৰ্ঘ ছটা বছৰ। কিন্তু প্ৰায় ছমাহ মানৰ আগতে ঘটনাটোৱে অলপ বেলেগ মূৰ্ত্তি ল'লে। হৈমন্তী হঠাৎ এদিন অসুখত পৰিল। লক্ষণ দেখি বুজা গ'ল—ইনফ্লুয়েঞ্জা। দুৰ্ভাগ্যক্ৰমে সেইদিনাই চৌধুৰীৰ ঘৰত এটা বিশেষ পাৰ্টি আছিল—যাৰ আকৰ্ষণ উপেক্ষা কৰা মাণিকৰ পক্ষে অতি কঠিন আছিল। ৰুগ্ন ঘৈণীয়েকক এৰি থৈ পাৰ্টিলৈ যোৱা অশোভনীয় বুলি জানিও দুৰ্বল-চিত্ত মাণিকে মাত্ৰ আধা ঘণ্টাৰ কাৰণে পাৰ্টিলৈ যাবলৈ হৈমন্তীৰ অনুমতি খুজিলে। গিৰিয়েকৰ নিষ্ঠুৰতা দেখি হৈমন্তী মনে মনে বোধহয় ইমান আহত হ'ল যে বিনা-বাক্যব্যয়ে তাই তাক যাবলৈ অনুমতি দিলে। পাৰ্টিত গৈ দুই পেগ্‌মান মদ পেটলৈ যোৱাৰ লগে লগে মাণিকে সময়ৰ জ্ঞান হেৰুৱাই পেলালে, নটা বজাতে ঘূৰি আহিম বুলি ওলাই যোৱা মানুহটো ৰাতি এটা বজাতহে আহি ঘৰ সোমালহি। পিছ-দিনা পুৱা হৈমন্তীৰ মুখলৈ চাই মাণিক আতংকত কঁপি উঠিল। ৰোগতকৈয়ো হেজাৰগুণে তীব্ৰতৰ কিবা এটা বেলেগ যন্ত্ৰণাই যেন তাইৰ মুখখন পুৰি ক'লা কৰি পেলাইছে, তাইৰ দৃষ্টিতে ফুটি উঠিছে অন্তহীন শূন্যতা। স্পৰ্শকাতৰ মাণিকে তৎক্ষণাৎ তাইৰ সমস্ত মনোভাব বুজি পালে। যি মানুহে ৰোগ-শয্যাত পৰি থকা ঘৈণীয়েকক অকলে এৰি থৈ মাজৰাতিলৈকে মদৰ আড্ডাত বহি থাকিব পাৰে, তাৰ ওচৰত তাইৰ আৰু কোনো প্ৰত্যাশা নাই। হৈমন্তীয়ে আহাৰ-পানী ত্যাগ কৰিলে, মাণিকৰ লগত কথা-বাৰ্ত্তা কোৱা দূৰৰ কথা, তাৰ মুখলৈ চোৱা পৰ্য্যন্ত তাই বন্ধ কৰিলে। মাণিকে বুজিলে যে এইবাৰ প্ৰতিজ্ঞা যেনেকৈ কৰিব লাগিব,

তেনেকৈ প্ৰতিজ্ঞা ৰাখিবও লাগিব। তিনিদিন ধৰি অক্লান্ত অধ্যৱসায়ৰ মূৰত অৱশেষত সি হৈমন্তীৰ অভিমান ভাঙিবলৈ সমৰ্থ হ'ল। সেইদিন ধৰি যোৱা ছমাহে সি কোনো তাছ বা মদৰ আড্ডাত এদিনো ভৰি দিয়া নাই।

হৈমন্তীৰ ওচৰত কৰা প্ৰতিজ্ঞা ৰক্ষা কৰি সি যে খুব সুখী হৈছে সেইটো নহয়। ঘৰত সোমাই থাকি থাকি প্ৰায়েই তাৰ মনটো হৈমন্তীৰ বিৰুদ্ধে বিদ্ৰোহী হৈ উঠে। সি সহজ সাধাৰণ মানুহ, সাধু-মহাত্মা হ'বলৈ তাৰ কোনো অভিলাষো নাই, সামৰ্থ্যও নাই। জীৱিকাৰ কাৰণে ওৰে দিনটো গাধ-খাটনি খটাৰ পাছত সন্ধিয়া কিছু সময় তাছ-পাশা খেলি বা মাজে সময়ে সামান্য উত্তেজক পানীয় মুখত দি অৱসন্ন স্নায়ু-তন্ত্ৰীক সজীৱ কৰাটো সি নিজে একো মহা পাপৰ কথা বুলি নেভাবে। বৰং সেইখিনিৰ অবিহনেহে জীৱনটো তাৰ মাজে মাজে বৰ বিস্বাদ যেন অনুভব হয়। মানসিক গঠনৰ ফালৰ পৰা মাণিক সেই ধৰণৰ মানুহ, সি সদায় নহলেও অন্ততঃ মাজে-সময়ে Lilies and languors of virtue তকৈ Roses and raptures of viceক জীৱনত বেছি কাম্য বুলি ভাবে। এনেকুৱা মানসিক প্ৰৱণতাৰ মানুহ হৈয়ো মাণিকে হৈমন্তীৰ শাসন মানি লোৱাৰ কাৰণ হ'ল তাৰ শান্তিপ্ৰিয় স্বভাৱ। কোনো ধৰণৰ সংঘাতজনিত উত্তাপ সি সমূলি সহ্য কৰিব নোৱাৰে। তৰ্ক-বিতৰ্ক কৰাতকৈ অধিক অপ্ৰিয় কাম তাৰ কাৰণে একো নাই। নিজে অন্তৰেৰে সত্য বুলি ভবা কোনো এটা কথাৰ সপক্ষে তৰ্ক কৰি প্ৰতিপক্ষৰ বিৰাগভাজন হোৱাতকৈ আনৰ অসত্য উক্তিকো মুখেৰে সঁচা বুলি শলাগি শান্তি ৰক্ষা কৰাটো সি বেছি পছন্দ কৰে। কিন্তু এই শান্তিৰ কাৰণে সি যি নৈতিক মূল্য দিব লগা হ'ল, তাৰ বাবে দায়ী মানুহজনক সি নিজৰ মনতে কেতিয়াও ক্ষমা কৰিব নোৱাৰে। যোৱা ছমাহে সি হৈমন্তীৰ প্ৰতি এনে এটা নিৰৱ ক্ৰোধৰ মৃদু জ্বালা অনুভব কৰি আহিছে। তাক সকলো সময়তে চকুৰ আগত

ৰাখিবলৈ তাইৰ যি চেষ্টা বা ইচ্ছা, তাৰ মাজতো সি তাইৰ মৰমতকৈ স্বাৰ্থপৰতা আৰু প্ৰভুত্বপ্ৰিয়তাহে বেছিকৈ দেখিবলৈ পাইছে অথবা ই তিৰোতাৰ সৰ্বগ্ৰাসী ঈৰ্ষা, গিৰিয়েকৰ নিবিড় মনোযোগ আকৰ্ষণ কৰা সামান্য কিতাপ এখনকো যি সম্পূৰ্ণৰূপে ক্ষমা কৰিব নোৱাৰে। হৈমন্তীয়ে যে তাক ঘৰ এৰি বন্ধুৰ আড্ডাত সময় কটাবলৈ নিদিয়ে, তাৰ কাৰণ এই নহয় যে এনে আড্ডাক তাই নৈতিক পথৰ নিম্নগামী সোপান বুলি ভাবে। আচলতে তাই মুহূৰ্ত্তৰ কাৰণেও তাইৰ প্ৰতি গিৰিয়েকৰ মনোযোগ বিচ্ছিন্ন হোৱাটো সহ্য কৰিব নোৱাৰে, বাহিৰৰ সমস্ত জগতখনকে তাই প্ৰেমৰ প্ৰতি-যোগিতাত নিজৰ প্ৰতিদ্বন্দ্বী বুলি ভাবে। বিয়াৰ আগতে প্ৰথম প্ৰেমৰ বিপুল উচ্ছাসত মাণিকে প্ৰতিখন চিঠিতে হৈমন্তীলৈ লিখিছিল: 'এফালে তুমি, আনফালে সমস্ত সংসাৰ; তোমাৰ কাৰণে মই সমস্ত সংসাৰ ত্যাগ কৰিব পাৰোঁ।' সেইদিনা সি সপোনতো ভাবিব পাৰিছিলনে যে হৈমন্তীয়ে সঁচাকৈয়ে এদিন প্ৰেমৰ উন্মাদনাত কৰা তাৰ সেই প্ৰতিশ্ৰুতি আখৰে আখৰে পালন কৰাই ল'ব?

চৌধুৰীৰ ঘৰৰ দুৱাৰ-মুখত ঠিয় দি মাণিক আকৌ এবাৰ থমকি ৰ'ল। পৰ্দাৰ ফাকেদি জুমি চাই সি দেখিলে, আজি আড্ডাত পানোৎসৱৰ বিশেষ অধিবেশন বহিছে। আড্ডাৰ ধ্ৰুৱন্ধৰ সভ্য আটাইকেইজনেই উপস্থিত আছে: ই-এ-চি দাস আৰু মহন্ত, ইঞ্জিনিয়াৰ কাকতী, ডাক্তৰ ৰাজখোৱা, কেপ্তেইন মাল্‌হোত্ৰা, আৰ্মি ইঞ্জিনিয়াৰ মেজৰ নাদ্‌কাৰ্ণি আৰু চৌধুৰী স্বয়ং। ৰেডিঅ'গ্ৰামৰ লং-প্লেয়িং ৰেকৰ্ডত কনি ফ্ৰান্সিচৰ কামোদ্দীপক গান শুনি শুনি মাল্‌হোত্ৰাই হাতৰ আধা-খোৱা গ্লাচ্‌টোৰ কথাও পাহৰি গৈছে, শূন্যলৈ চাই চাই সি যেন সেই গানৰ উৎস এজনী নাৰীৰ নগ্ন সোণালী দেহৰ প্ৰতিটো অংগ-ভংগী অনুসৰণ কৰিছে। স্থূলাৱয়ব স্থূল-বুদ্ধি কাকতীয়ে চকুৰে চাই থাকোঁতেই আধা গ্লাচ্ মদ একে

সোহাই শেষ কৰি বিকৃত মুখ-ভংগীৰে এটা অশ্লীল শব্দ উচ্চাৰণ কৰিলে। দাস, মহন্ত আৰু বাজখোৱা মদৰ গ্লাচ্ আগত লৈ স্লাচ্ খেলাত ব্যস্ত। ক্ষীণকায় দাৰ্শনিক চেহেৰাৰ চৌধুৰী সকলোৰে মাজত থাকিও যেন সকলোৰে পৰা কিছু বিচ্ছিন্ন,—বেতৰ চকী এখনত ভালকৈ আঁউজি বহি লৈ সি কিবা এখন কিতাপ পঢ়াত মগ্ন। তাৰ সমুখত তিনি-চতুৰ্থাংশ পূৰ হৈ থকা এটা গ্লাচ্, কিন্তু মাণিকে জানে যে তাত মদৰ পৰিমাণ এচামুচতকৈ কেতিয়াও বেচি নহয়।······পৰিস্থিতিটো ভালকৈ নিৰীক্ষণ কৰাৰ পাছত মাণিক ভিতৰ সোমাবলৈ বুলি আগ বাঢ়িল, কিন্তু ছমাহ দিন ধৰি আড্ডাত গড়-হাজিৰা দিয়াৰ লাজ আৰু সংকোচে বাৰে বাৰে তাক বাট ভেটি ধৰিলে। ইতিমধ্যেই যে এই আড্ডাত সি অনাহুত আৰু অবাঞ্ছিত হৈ পৰা নাই সেই কথা কোনে ক'ব পাৰে? আজি যে হৈমন্তী মাকৰ ঘৰলৈ গৈছে এই কথা দাস, মহন্ত, চৌধুৰী আটাইকেইজনেই জানে। তাক দেখাৰ লগে লগেই সিহঁত প্ৰত্যেকেই ভাবিব, মুখ-চোকা মাল্‌গাহাঁৰ হয়তো কৈয়েই পেলাব: 'স্ত্ৰৈণ কাপুৰুষ, ইমান দিনে ঘৈণীয়েৰৰ ভয়ত গাখীৰ খাই খাই ঘৰতে ভাল ল'ৰা হৈ আছিল; আজি এদিন স্বাধীনতা পায়েই নিলাজৰ দৰে দৌৰ মাৰি আহিছা বন্ধুবোৰৰ লগত আড্ডা মাৰিবলৈ। ঘৈণীয়েৰ ঘূৰি আহিলে আকৌ ভাল ল'ৰাৰ দৰে আঁচলৰ তলত আশ্ৰয় লবা।' সিহঁতৰ ফালৰ পৰা এনে এটা আক্ৰমণ কল্পনা কৰি মাণিক এনেকৈ আতংকিত হৈ উঠিল যে কোনেও গম নোপোৱাকৈ সি অহা বাটে আকৌ ঘূৰি যাবলৈকে ঠিক কৰিলে। ঠিক সেই মূহুৰ্ততে কাকতীয়ে ভিতৰৰ পৰা চিঞৰ মাৰিলে—'কোন সেয়া?'

ইয়াৰ পাচত আৰু পশ্চাদগমনৰ কোনো প্ৰশ্ন নুঠে। পৰ্দাখন ডাঙি সি ভিতৰলৈ সোমাই গ'ল আৰু নাটকীয় ভংগীৰে সকলোৰে মুখলৈ চাই নিৰবে থিয় হৈ ৰ'ল।

কেইচেকেণ্ড্ মানৰ কাৰণে কাৰো মুখত এষাৰো মাত নাই। সিহঁতৰ মদ-বিহ্বল দৃষ্টিৰ সমুখত মাণিকৰ আকস্মিক আবিৰ্ভাৱে এনে এটা নাটকীয় পৰিবেশৰ সৃষ্টি কৰিলে যে সকলোৱে বিস্ময় আৰু উত্তেজনাত এক মুহূৰ্ত স্তব্ধ হৈ ৰ'ল। পিছ মুহূৰ্ত্ততে সিহঁতৰ সম্মিলিত হাঁহি আৰু চীৎকাৰ এটা বিৰাট শব্দ কৰি বিস্ফোৰিত হৈ উঠিল, তাৰ পৰশত গোটেই ঘৰটোৱেই যেন ঠৰঠৰকৈ কঁপি উঠিল। আটাইকেইটাই বহাৰ পৰা জাপ মাৰি উঠি মাণিকক কেন্দ্ৰ কৰি নাচিবলৈ ধৰিলে। মেজৰ নাদ্‌কাৰ্ণিয়ে মাণিকক সাৱতি ধৰি অকৃত্ৰিম আন্তৰিকতাৰে বাৰে বাৰে ক'বলৈ ধৰিলে: I have loved many women and men, but I love none better than you. (মেজৰ নাদ্‌কাৰ্ণি ৱাল্ট্‌ হুইট্‌মেনৰ পৰম ভক্ত। নাদ্‌কাৰ্ণিৰ নিজৰ স্বীকাৰোক্তি মতে তেওঁ হুইট্‌মেনৰ কবিতা এটি নপঢ়াকৈ কোনোদিন বিছনালৈ নেযায়)। মাণিকে এক মুহূৰ্ত আগতে যি লাজ আৰু সংকোচ অনুভব কৰিছিল, বন্ধুবৰ্গৰ আন্তৰিক আৰু উচ্ছ্বসিত অভ্যৰ্থনাৰ উত্তাপত মুহূৰ্ত্ততে সি ভাপ হৈ উৰি গ'ল। যোৱা ছমাহে সি একান্তভাৱে পুৰুষৰ পৃথিৱীৰ কি বন্য উদ্দাম নিৰ্মল আনন্দৰ পৰা বঞ্চিত হৈ আছিল সেই কথা মাণিকে নতুনকৈ অনুভৱ কৰিলে। কাণত কৰি ফ্ৰান্সিচৰ গান আৰু নাকত সুৰাৰ নিৰ্য্যাসে ইতিমধ্যেই তাক বেচ চঞ্চল কৰি তুলিছিল, এতিয়া বন্ধুবৰ্গৰ উন্মাদনা সংক্ৰমিত হৈ সি একেবাৰে বেলেগ মানুহ হৈ পৰিল হৈমন্তীৰ কথা মনত পৰি সি এটা হিংস্ৰ তৃপ্তিৰ উত্তেজনা অনুভৱ কৰিলে। তিৰোতাৰ প্ৰেমেই জীৱনৰ সৰ্বস্ব নহয়। সেই কথা বুজিব নোৱাৰাৰ পৰিণাম হৈমন্তীয়ে নিশ্চয় ভোগ কৰিব লাগিব। নাদ্-কাৰ্ণিক সাৱতি ধৰি মাণিকে এইবাৰ উচ্চস্বৰে চিঞৰি উঠিল—

To feed the remainder of life with one hour of fullness and freedom! With one brief hour of madness and joy!

উত্তেজনা আৰু আনন্দৰ প্ৰথম পৰ্বটো চম্ভালি লৈ সকলোৱে নিজ নিজ ঠাইত বহি পৰিল। বহুদিনৰ মূৰত মাণিকক নিজৰ মাজত পাই সকলোৱেই যে আন্তৰিকভাবে সুখী হৈছে সেই বিষয়ে অকণো সন্দেহ নাই। সিহঁতৰ মাজত আৰু এনে কোন আছে, যি জুৱা খেলিবলৈ বহি মাণিকৰ দৰে অন্ধ আৰু উন্মাদ হ'ব পাৰে? আৰু কোনে তাৰ নিচিনাকৈ ইচ্ছা কৰিলে আধা ঘণ্টাতে এবটল মদ শেষ কৰি এবটল পানী খোৱাৰ দৰে গহীন হৈ থাকিব পাৰে, নাইবা এক পেগ্ মদ মুখত দিয়েই পাগলামীৰ চূড়ান্ত কৰিব পাৰে? আন কোন জনে আড্ডাৰ মানসিক পৰিবেশ অনুসৰণ কৰি তাৰ নিচিনাকৈ বাৎসায়নৰ কাম-সূত্ৰৰ উদ্ধৃতি-সহ ব্যাখ্যা কৰিব পাৰে, বা কথা-বাৰ্ত্তাৰ ধাৰাৰ লগত খাপ-খোৱাকৈ হুইট্‌মেনৰ কবিতা গাব পাৰে, আল্‌বেয়াৰ্ কামুৰ সমালোচনা কৰিব পাৰে, ফ্ৰি লাভৰ সপক্ষে মৌলিক যুক্তি ডাঙি ধৰিব পাৰে? ব্ৰিজ্ খেলিবলৈ বহি তাৰ বাহিৰে আন কোনে আয়ান্ মেক্‌লিয়ডৰ ব্ৰিজ্ শাস্ত্ৰৰ ওপৰত বিশেষজ্ঞৰ দৰে মন্তব্য কৰিব পাৰে? মাণিকৰ অভাবত আড্ডাৰ যে অপূৰণীয় ক্ষতি হৈছিল সেই কথা আজি সকলোৱে নতুনকৈ অনুভৱ কৰিলে।

চৌধুৰীয়ে এইবাৰ গৃহস্থৰ কৰ্তব্য কৰিবলৈ তৎপৰ হৈ উঠিল। নিপুণ হাতেৰে বিয়েৰ, ব্ৰাণ্ডি আৰু বৰফৰ কক্‌টেইল্ এগিলাচ তৈয়াৰ কৰি সি মাণিকৰ মুখৰ আগত ডাঙি ধৰিলে। বহুদিনৰ মূৰত মদৰ নিৰ্য্যাস নাকত লবলৈ পাই মুখত দিয়াৰ আগতেই মাণিক মনে মনে উত্তেজিত হৈ উঠিছিল। হেমন্তৰ সন্ধ্যাৰ মধুৰ শীতাৰ্ত পৰিবেশত প্ৰাণোচ্ছল বন্ধুবৰ্গৰ দ্বাৰা পৰিবেষ্টিত হৈ পান-পাত্ৰ হাতত লবলৈ পাই সি জীৱনৰ বহুদিন অনাস্বাদিত এটা উন্মাদনা অনুভৱ কৰিলে। তাৰ তুলনাত অভ্যস্ততাৰ ক্লান্তিৰে মলিন বিবাহিত সংসাৰ অতি বৈচিত্ৰ্যহীন আৰু স্বাদহীন যেন তাৰ মনত অনুভৱ হ'ল। তৃষ্ণাৰ্তৰ দৰে একে সোহাই আধা গ্লাচ্ মদ শেষ কৰি সি ইমান

সাহসী হৈ উঠিল যে এইবাৰৰ পৰা হৈমন্তীৰ শাসনৰ বিৰুদ্ধে বিদ্রোহ কৰিবলৈ সি মনে মনে সংকল্প কৰিলে।

আড্ডাৰ বন্ধুবোৰৰ ভিতৰত মাণিকৰ বাহিৰে আৰু কেৱল ৰাজখোৱা আৰু নাদ্‌কাৰ্ণি বিবাহিত। ৰাজখোৱাই মাণিকলৈ চাই মাত লগালে—'কি ভাই মাণিক, আজি দেখোন তোমাৰ অতি বিৰস-বদন। শ্ৰীমতীৰ বিৰহত অন্তৰ ডেই-পুৰি মৰিছে নহয়?'

মাণিকে কিবা এৰাৰ কৰলৈ নৌ পাওঁতেই কাকতীয়ে টপৰাই মাত লগাই উঠিল—'থোৱা হে থোৱা, নিজে নাই কৰা যদিও প্ৰান বিয়া-বাৰু কৰা মানুহ বহুত দেখিছো। কিন্তু এওঁৰ নিচিনা পত্নীগত প্ৰাণ দ্বিতীয় এজন ক'তো নেদেখিলোঁ। কিন্তু আচল কথা কি জানা, এওঁৰ নিচিনা মানুহবোৰে ঘৈণীয়েকক যিমান ভাল পায়, তাতোকৈ বেছি ভয়হে কৰে। নহলে আজি এদিন ঘৈণীয়েক আঁতৰি যাওঁতেই ঘৈণীয়েকে বেয়া পোৱা কামটো কৰিবলৈ এওঁ ইয়ালৈ দৌৰ মাৰি আহিল কিয়?'

ইমান সোনকালেই আলোচনাই এনে এটা গতি লব বুলি মাণিকে একেবাৰে ভবা নাছিল। তদুপৰি কাকতীৰ উক্তিত সম্পূর্ণ সত্যতা নেথাকিলেও যুক্তিৰে তাৰ অভিযোগ খণ্ডন কৰা অসম্ভৱ। মাণিকৰ মনৰ ভাব যিয়েই নহওক, মানুহে কামৰ দ্বাৰাইহে তাক বিচাৰ কৰিব। আৰু এই কথা ঠিক যে কামৰ দ্বাৰাই সি কাকতীৰ উক্তিকে সঁচা বুলি প্ৰমাণ কৰিছে। মাণিকে হৈমন্তীক ভাল নেপায় —এনে এটা ধাৰণা মানুহৰ মনত সৃষ্টি হবলৈ সুবিধা দি সি যে ঘৈণীয়েকক কিমান অপমান কৰিছে, সেই কথা চিন্তা কৰি সি নিজকে ভীষণ অপৰাধী যেন অনুভৱ কৰিলে। খন্তেকৰ কাৰণে তাৰ মনৰ পৰা মদৰ নিচা নোহোৱা হৈ গ'ল। কিবা এষাৰ কম বুলি মুখ মেলিও সি তৎক্ষণাৎ মুখখন বন্ধ কৰি দিলে। হৈমন্তীৰ প্ৰতি তাৰ প্ৰেম মদপীৰ আড্ডাত যুক্তিৰে প্ৰমাণ কৰিব লগা বস্তু নহয়। কিন্তু মনে মনে সি নিজকে প্ৰশ্ন কৰিলে—আচলতে জানো কাকতীৰ

কথাষাৰ সম্পূৰ্ণ মিছা? বিয়াৰ আগতে হৈমন্তীৰ প্ৰতি সি যি সীমাহীন উন্মাদনা অনুভৱ কৰিছিল, আজি বিয়াৰ ছবছৰৰ পিছত তাৰ কিমানখিনি অৱশেষ বাকী আছে? এদিন হৈমন্তীৰ দেহৰ প্ৰতি বিন্দু অংশত সি যি অনিৰ্বচনীয় সৌন্দৰ্য্য আবিষ্কাৰ কৰিছিল, আজি তাৰ এক-সহস্ৰাংশও সি সঁচাকৈয়ে দেখিবলৈ পায়নে? এদিন তাৰ চকুত তাই আছিল সঁচাকৈয়ে অনন্যা, তুলনাহীনা। আজি প্ৰকৃত সুন্দৰীবোৰৰ লগত ক্ষণে ক্ষণে তাইক তুলনা কৰি সি তাইক অতি সাধাৰণ আৰু বৈশিষ্ট্যহীনা নেদেখেনে? আজি তাইৰ লগত সি যি অন্তৰৰ টান অনুভৱ কৰে, সেয়া জানো আচলতে প্ৰেম? সেয়া যে দীৰ্ঘদিনৰ সাহচৰ্য্যৰ ফলত ওপজা স্বাভাৱিক মমতা আৰু সহানুভূতিৰ বন্ধন মাত্ৰ নহয়, সেই কথা সি জোৰকৈ নিজকে ক'ব পাৰিবনে?

স্থূলবুদ্ধি কাকতীৰ খহটা কথাৰ ভংগীয়ে সকলোকে অপ্ৰস্তুত কৰিলে। তাতে মাণিক গহীন আৰু নিৰৱ হৈ পৰা দেখি সিহঁত আৰু বেছি বিব্ৰত হ'ল। এনে এটা অৱস্থা সৃষ্টি কৰাৰ কাৰণে কাকতীক শাস্তি দিবলৈ মন কৰি নাদকাৰ্ণিয়ে মাত লগালে—'ভাই কাগতি, তিৰোতাৰ বিষয়ে তোমাৰ অভিজ্ঞতা কলিকতাৰ ৰেড লেম্প ডিষ্ট্ৰিক্টৰ মাজত সীমাবদ্ধ। বিয়া নকৰাকৈয়ে তোমাৰ আধাবয়সত গ'ল, তোমাৰ এই গাহৰি-পোৱালিৰ দৰে চেহেৰা দেখি কেতিয়াবা কোনোবা ছোৱালীয়ে যে তোমাক বিয়া কৰিবলৈ আগ বাঢ়িব তাৰো আশা নাই। তেনে স্থলত কোনটো সাহেৰে তুমি লোকৰ বিবাহিত জীৱনৰ বিষয়ে মন্তব্য দিবলৈ আগ বাঢ়া? তৰ্কৰ খাটিৰত বাৰু ধৰিয়েই ললো যে মাণিকে ঘৈণীয়েকক যিমান ভাল পায় তাতকৈ বেছি ভয়হে কৰে। ল'ৰাই বেয়া কাম কৰি মাকৰ সমুখত দেখা দিবলৈ ভয় কৰে। তাৰ দ্বাৰা এই কথা প্ৰমাণ হয় নেকি যে ল'ৰাই মাকক ভাল নেপায়, কেৱল ভয়হে কৰে? তুমি নেজানা কাগতি, গিৰিয়েকে ঘৈণীয়েকক কিমানখিনি শ্ৰদ্ধা কৰিলে আৰু ঘৈণীয়েকৰ

ওপৰত কিমানখিনি নিৰ্ভৰশীল হ'লে এই পবিত্ৰ ভয়ৰ জন্ম হয়। প্ৰত্যেক তিৰোতাই মাতৃত্বৰ অনুশীলন আৰম্ভ কৰে নিজৰ স্বামীক আংশিক ৰূপে শিশু বুলি গ্ৰহণ কৰিয়েই। তুমিতো কেতিয়াও দেখা নাই গিৰিয়েকৰ প্ৰতি উৎকণ্ঠাৰ ছাঁয়াই এন্ধাৰ কৰি তোলাৰ সময়ত প্ৰতিজনী বিবাহিতা তিৰোতাৰ মুখত নাৰী-হৃদয়ৰ কিমানখিনি কোমলতা, মধুৰতা আৰু সৌন্দৰ্য্য ফুটি উঠে। এইবোৰ কথা তুমি বুজিবা কেনেকৈ ?"

নাদকাৰ্ণিৰ কথাই সকলোকে অবাক কৰি তুলিলে। তেওঁ গাত নিচাই নধৰাকৈ প্ৰচুৰ মদ খাব পাৰে আৰু কথাই কথাই হুইট্‌মেনৰ কবিতা আবৃত্তি কৰিব পাৰে। কিন্তু তাৰ বাহিৰেও নাৰী-মনস্তত্ত্বৰ বিষয়েওযে তেওঁ ইমান দকৈ চিন্তা কৰে বা এনে সুকুমাৰ অনুভূতি মনত ঠাই দিব পাৰে সেই কথা কোনেও ভাবিবই পৰা নাছিল। সকলোৰে সপ্ৰশংস দৃষ্টিৰে আৰু মাণিকে কৃতজ্ঞ দৃষ্টিৰে নাদ্‌কাৰ্ণিলৈ চাই ৰ'ল। কেৱল কাকতী মনে মনে ভীষণ ক্ষুণ্ণ হৈ উঠিল নাদ্‌কাৰ্ণিৰ পৰা গাহৰি-পোৱালি আখ্যা পাই। গোপন কৰিবলৈ চেষ্টা কৰা স্বত্বেও তেওঁৰ মুখত বিৰক্তিৰ স্পষ্ট আভাস ফুটি উঠিল। গ্লাচত মদ ঢালি ঢালি সি মাত লগালে— "মাণিকৰ কথা বাৰু বুজিলোঁ। কিন্তু তোমাৰ অন্তৰতো ইমানখিনি প্ৰেম আছেনে ? তোমাৰ তেজ ঠাণ্ডা নৌ হওঁতেই ঘৈণীয়েৰ বুঢ়ী হ'ল বুলি তুমি নিজেই দেখোন সদায় আপত্তি কৰি থাকা। আজি বুঢ়ী ঘৈণীয়েৰলৈ নতুনকৈ মৰম উথলি উঠিল নেকি ?"

সকলোৰে বুজিলে, অপমানিত কাকতীয়ে ঘূৰাই নাদ্‌কাৰ্ণিক অপমান কৰিবৰ কাৰণেই এনে ভাষাত কথা কৈছে। আড্ডাৰ পৰিবেশটো হঠাতে অতি অস্বস্তিকৰ হৈ পৰিল। মাণিকে মনে মনে নিজকে অতি অপৰাধী যেন অনুভৱ কৰিবলৈ ধৰিলে। আজি তাৰ কাৰণেই এনে এটা অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হ'ল। সি গ্লাচটো হাতত লৈ তলমূৰ কৰি বহি ৰ'ল।

হুইট্‌মেনৰ ভক্ত বিশাল-হৃদয় নাদ্‌কাৰ্ণি ইমান সহজে ধৰাশায়ী হ'বৰ পাত্ৰ নহয়। কাকতীৰ অনুকৰণ কৰি তেওঁ বটলৰ পৰা পুৰা এগিলাচ মদ ঢালি ললে। তাৰ পাছত ঠিয় হৈ একে সোঁহাই গিলাচ্‌টো শেষ কৰি তেওঁ নাটকীয় ভংগীৰে মাত লগালে—'কাগতি ভাইজান, তুমি ঠিকেই কৈছা, আজি মোৰ বুঢ়ী ঘৈণীজনীলৈ সঁচাকৈয়ে নতুনকৈ প্ৰেম উথলি উঠিছে। অকল আজি কিয়, এই দূৰ প্ৰবাসত অকলে থাকি থাকি সদায়েই বেচেৰি বুঢ়ীজনীলৈ মোৰ মনটোৱে হাহাকাৰ কৰি থাকে। সেই বিৰহৰ জ্বালা পাহৰি থাকিবলৈকে সদায় তোমালোকৰ ওচৰলৈ আহোঁ, নিজে আধা-বয়সীয়া বুঢ়া হৈয়ো তোমালোকৰ লগত চেঙেলীয়া ডেকাৰ দৰে পাগলামী কৰো। মোৰ ঘৈণীজনী বুঢ়ী হোৱা বুলি সঁচাকৈয়ে কেতিয়াবা মই আপত্তি কৰিছিলো নেকি? নিশ্চয় কৰিছিলো, নহলে তুমি কবা কিয়? কিন্তু সেইবোৰ মদাহীৰ প্ৰলাপ, বুজিছা? সেয়া মোৰ অন্তৰৰ কথা নিশ্চয় নহয়। আচলতে এই বুঢ়া কালতহে মোৰ প্ৰেমটো ভালকৈ পক ধৰিছে। নিজৰ কথা আৰু কি কম, মোৰ গুৰুৱে কি কয় শুনা—'Women sit or move to and fio, some young—the young are beautiful—but the old are more beautiful than the young'. এই বুঢ়ী ঘৈণীৰ সৌন্দৰ্য্যৰ কথা মনত পৰিয়েই বোধহয় ব্ৰাউনিঙে কৈছিল—'Grow old with me, the best is yet to be'. কাগ্‌তি ভাইজান, তুমিও সোনকালে বিয়াখন কৰোৱা, তাৰ পাছত ডেকা বয়সৰ পাগলামীখিনি সোনকালে শেষ কৰি লৰা-লৰিকৈ বুঢ়া হোৱা। বুঢ়ী ঘৈণীৰ লগত প্ৰেমৰ মাদকতাখিনি তেতিয়াহে ভালকৈ বুজিবা। দেহৰ বাসনাখিনি শেষ হৈ যোৱাৰ পিছত ছুটি নগ্ন নিঃসংগ আত্মাৰ পৰস্পৰৰ প্ৰতি কি যে ব্যাকুলতা, মানুহৰ ভাষাই তাক কেতিয়াও বৰ্ণাব নোৱাৰে। অথবা যিহেতু All expressions are vulgur—মানুহে তাৰ প্ৰেমৰ এই চৰম

উপলব্ধিক সদায় আত্মাৰ নীৰৱ উপভোগৰ বিষয় কৰি ৰাখে। কিন্তু তোমালোক সকলোটি এতিয়াও ডেকা হৈ আছা, যি বতৰৰ যি ফল মানুহে তাকেই তৃপ্তিৰে ভোগ কৰা উচিত। কাগ্‌তি ভাইজান, কি চাই আছা, আৰু এগিলাচ ঢালি লোৱা। খোদাৰ ওচৰত প্ৰাৰ্থনা কৰিছো—তোমাৰ ভাবী পত্নীৰ ভাইটেল ষ্টেটিষ্টিক্‌চ যেন ৩৬-২৬-৩৮ হয়, দেহেৰে মনেৰে তেওঁ যেন তোমাক এনে ভাবে সুখী কৰে যাতে সপোনতো তুমি পৰ-নাৰীৰ কথা ভাবিব লগা নহয়...' (নাদকাৰ্ণিয়ে একে গতিৰে আৰু বহুত সময় বক্তৃতা দি থাকিল, যিবোৰ কথা শুনিবলৈ সম্পূৰ্ণ নিৰ্দোষ হোৱা সত্বেও মুদ্ৰণ-যোগ্য নহয়)।

নাদ্‌কাৰ্ণিয়ে বিশাল দৈত্য এটাৰ দৰে আড্ডাৰ আকাশত জমা হোৱা মেঘবোৰ ফুঁ মাৰি ক'ৰবালৈ উৰাই পঠালে। বাধাহীন আনন্দৰ সূৰ্য্য-কিৰণত সকলোৰে মুখবোৰ আকৌ উজ্জ্বল হৈ উঠিল। কিছু সময়ৰ পিছত প্ৰেম, ঘৰ-সংসাৰ, জীৱন-মৃত্যু আদি তুচ্ছ কথা-বোৰ সকলোৱে পাহৰি পেলালে। আকৌ কণি ফ্ৰান্সিচৰ গান আহি সকলোৰে কাণত পৰিল, দাস আৰু মহন্তই চিনেমাৰ অনুকৰণত টুইষ্ট কৰিবলৈ চেষ্টা কৰিলে, মাণিক মাল্‌হোত্ৰা নাদ্‌কাৰ্ণি আদিয়ে তাছ খেলিবলৈ আৰম্ভ কৰিলে। চৌধুৰীয়ে বাথ্‌-ৰুমত গৈ হুবাৰমান বমি কৰি আহিল। কাকতী ব্যস্ত হৈ পৰিল কাৰো গ্লাচ্‌ যাতে খালি নেথাকে সেই ফালে চকু দিয়াত।

হেমন্তৰ মাজ ৰাতিৰ কুঁৱলী-ধূসৰ জোনাকত স্বপ্নাবিষ্ট হৈ শুই থকা সৰু চহৰখনৰ নিৰ্জন পথেদি ঘৰলৈ অকলে আগ বাঢ়োতে মাণিকে বিস্মৃত কামনাৰ ছাঁয়াচ্ছন্ন জগত এখনত বিচৰণ কৰা যেন অনুভৱ কৰিলে। আজি ঘৰলৈ ঘূৰি যোৱাৰ কোনো দায় নাই, সংসাৰৰ প্ৰতি বন্ধা-ধৰা কৰ্ত্তব্যৰ কোনো বন্ধন নাই, কাৰো শাসনৰ ওচৰত নিজকে সমৰ্পিত কৰিবৰ কোনো প্ৰয়োজন নাই। মদ-বিহ্বল প্ৰতি খোজে খোজে সি এটা বিপুল মুক্তিৰ উল্লাস অনুভৱ কৰিলে। বিবাহিতা স্ত্ৰীৰ প্ৰতি নৈতিক আনুগত্যৰ তাড়নাত যিবোৰ নিষিদ্ধ

কামনা সি ইমান দিনে জোৰকৈ দমন কৰি ৰাখিছিল, সেই সকলো-বোৰকে সি মুক্তি দি দিলে। কল্পনাৰে গঢ়া যিবোৰ সুন্দৰী নাৰীৰ ওচৰত সি ইমান দিনে হৃদয়ৰ অন্ত-হীন প্ৰেম গোপনে নিবেদন কৰি আহিছিল, সংসাৰৰ শাসনৰ ভয়ত যিবোৰক বাস্তবত অন্বেষণ কৰিবলৈ সি সাহস কৰা নাছিল, সেই সকলোবোৰেই আজি তাৰ মদালস দৃষ্টিৰ সমুখত মূৰ্ত্তিমতী হৈ নাচিবলৈ ধৰিলে। জোনৰ পোহৰৰ দৰে সিহঁতৰ দেহৰ বৰণ, জ্যোৎস্নালোকিত বৰফ-শৃংগৰ দৰে উন্নত স্তন, বিশাল শুভ্ৰ জঘনৰ অন্ধকাৰ দিগন্ত-ৰেখাত গভীৰ ছাঁয়াচ্ছন্ন অৰণ্যানীৰ আভাস। এই প্ৰতিজনী নাৰীয়েই তাৰ প্ৰিয়া, হৃদয়ৰ নিৰ্জন গভীৰত সিহঁতৰ লগত তাৰ গোপন অভিসাৰ। এয়েইতো প্ৰেম, ইয়াৰ মাজতেই যৌবনৰ ক্ষুধিত আত্মাই তাৰ অমৃত-আহাৰ বিচাৰি পায়। তাৰ এই উদ্দাম কল্পনাৰ মাজে মাজে হৈমন্তীৰ অতি-পৰিচিত মুখখন মাণিকৰ চকুৰ আগত ভাহি উঠিল, আৰু লগে লগে সি এটা দুৰ্বোধ্য অস্বস্তি অনুভৱ কৰিলে। সেই মুখখনতে সি এদিন জগতৰ সমস্ত সৌন্দৰ্য্য কেনেকৈ আবিষ্কাৰ কৰিছিল সেই কথা ভাবি মাণিক অতিশয় আচৰিত হ'ল। প্ৰেম সঁচাকৈয়ে অন্ধ, এই প্ৰাচীন আপ্ত-বাক্যৰ সত্যতা যেন সি নতুনকৈ অনুভৱ কৰিলে। আজি তাৰ প্ৰেম-হীন নিৰাবেগ দৃষ্টিৰ সমুখত ভাহি উঠিল হৈমন্তীৰ আদি আৰু অকৃত্ৰিম ৰূপ—তৃষ্ণাৰ্ত্তৰ সমুখত শূন্য সুৰা-পাত্ৰৰ দৰে যি কেৱল জগাই তোলে ক্ৰোধ আৰু হতাশা। সেই শূন্য-পাত্ৰ সমুখত লৈ অতৃপ্ত তৃষাৰ যন্ত্ৰণাত গোটেই জীৱন কটাব লাগিব—সেই কথা কল্পনা কৰিয়েই মাণিক যেন আতংকত শিহৰিত হৈ উঠিল।

গোটেই জীৱনৰ কথা পিছলৈ হ'ব, এতিয়া সমুখত আছে অন্ততঃ এটা মাহৰ পৰিপূৰ্ণ স্বাধীনতা। মাণিকে ঠিক কৰিলে, এই এটা মাহ সি এনে ভাবে কটাব যেন সি এটা মুকলিমূৰীয়া অবিবাহিত ডেকা মানুহহে। এইটো তাৰ বহু দিনৰ পুৰণি গোপন বাসনা।

বিবাহিত জীৱনৰ অভ্যস্ততা আৰু গতানুগতিকতাৰ ক্লান্তিয়ে যেতিয়া তাক হেচা মাৰি ধৰে, তেনে অৱস্থাত তাৰ মনটো প্ৰায়েই ঘূৰি যায় যৌৱনৰ মুক্ত উদ্দাম দিনবোৰলৈ, মনটো আকুল হৈ উঠে আকৌ এবাৰ সেই দিনবোৰ ঘূৰাই পোৱাৰ কামনাত। বহুদিনৰ পৰা সি এনে এটা সুযোগৰ কাৰণে অপেক্ষা কৰি আছিল যেতিয়া অন্ততঃ সাময়িক ভাবে হলেও সি তাৰ অতীতৰ দায়হীন বন্ধনহীন দিনবোৰৰ আকৌ এবাৰ আস্বাদ লব পাৰিব। এদিন শ্বেলীৰ প্ৰেমৰ দৰ্শনেই আছিল তাৰ যৌবনৰ মূল-মন্ত্ৰ ঃ Love is like understanding, that grows bright, gazing on many truths! অব্যৱহাৰত মামৰে-খোৱা সেই দৰ্শনৰ অস্ত্ৰ পুনৰ ঘঁহি-পিহি লৈ মাণিকে তাৰ ক্ষণ-লব্ধ স্বাধীনতাৰ সদ্ব্যৱহাৰ কৰিবলৈ আগ বাঢ়িল।

মাণিকৰ জীৱনৰ পৰা হৈমন্তী একেবাৰে অদৃশ্য হৈ গ'ল। বহুদিন হাত নিদিয়া পুৰণি কবিতাৰ কিতাপবোৰ সি উলিয়াই ললে, আৰু সেইবোৰ পঢ়ি পঢ়ি হৃদয়ত প্ৰেমৰ প্ৰথম জাগৰণৰ অনিৰ্বচনীয় যন্ত্ৰণা আৰু আনন্দ সি নতুনকৈ অনুভৱ কৰিলে। নিঃসংগ হৃদয়ৰ বেদনাৰ্দ্ৰ দৃষ্টিৰে সি প্ৰকৃতিক নতুনকৈ নিৰীক্ষণ কৰিলে, আৰু সমস্ত দৃশ্য-ৰাজিত আবিষ্কাৰ কৰিলে মানসীৰ বিচিত্ৰ উপমা। প্ৰেয়সীৰ শূন্য আসন বুকুত বান্ধি প্ৰতি মুহূৰ্ত্ততে সি উৎকৰ্ণ হৈ ৰ'ল কাৰোবাৰ পদ-ধ্বনিলৈ, আৰু প্ৰতীক্ষাৰ এই দীৰ্ঘ মুহূৰ্ত্তবোৰ ৰঞ্জিত হৈ উঠিল কামনা আৰু বিষাদৰ বিচিত্ৰ বৰ্ণালীৰে।

মাণিকৰ প্ৰয়োজনৰ তাগিদাত মদৰ আড্ডাও চলিবলৈ ধৰিলে প্ৰবলতৰ উৎসাহেৰে। ক্ষণ-মুক্তিৰ সুৰংগ পথেদি মাণিকৰ অতীতৰ সমস্ত উদ্দামতা আৰু উশৃংখলতা প্লাবনৰ ৰূপত ঘূৰি আহিল, আৰু সেই প্লাবনৰ মুখত তাৰ সংযম আৰু পৰিমিতিবোধ তৃণ খণ্ডৰ দৰে বিদ্যুৎ-গতিৰে অদৃশ্য হৈ গ'ল। সুযোগ দুৰ্লভ আৰু ক্ষণস্থায়ী, তাৰ এক তিল মুহূৰ্ত্তও মাণিকে অপচয় কৰিব নোৱাৰে। প্ৰত্যেক ৰাতি সি মদ খাই মাতাল হ'ল, আৰু মাতাল অৱস্থাত পাশবিক আচৰণ কৰি

সি এক প্ৰকাৰৰ বিকৃত মুক্তিৰ উল্লাস অনুভৱ কৰিলে। মাণিকৰ বন্ধুবোৰে অতি দুখেৰে আবিষ্কাৰ কৰিলে—সিহঁতে ইমান দিনে দেখি অহা মাণিকৰ প্ৰেমময় বিবাহিত জীৱন অতি নিপুণ অভিনয়-প্ৰতিভাৰ উৎকৃষ্ট নিদৰ্শন মাত্ৰ; আচলতে সি এটা আত্ম-প্ৰতাৰক দুৰ্ভগীয়া অসুখী মানুহ। বয়স ভাটি দিয়া স্বত্বেও বিয়া নকৰা কেইটাই বিয়াৰ বিপক্ষে ডাঙি ধৰিবলৈ উদাহৰণ-সহ এটা ডাঙৰ যুক্তি বিচাৰি পালে।

প্ৰায় পোন্ধৰদিনমান এইদৰেই অতিবাহিত হৈ গ'ল। এই পোন্ধৰদিনে মাণিকে হৈমন্তীৰ অভাৱ অকণো অনুভৱ কৰা নাই, বৰং খুচি মতে সময় কটাবলৈ পাই হৈমন্তীৰ অনুপস্থিতিৰ কাৰণে সি ঈশ্বৰক ধন্যবাদহে দিছে। মাজে সময়ে অৱশ্যে ল'ৰা-ছোৱালী হাললৈ মনত পৰে, কিন্তু বেছি সময় সেই চিন্তাক সি প্ৰশ্ৰয় নিদিয়ে। ৰাতি নিঃসংগ বিছনাত শুই শুই সি যেতিয়া কাষত কাৰোবাৰ প্ৰয়োজন অনুভৱ কৰে, আনকি তেনে মুহূৰ্ত্তবোৰতো হৈমন্তীৰ চিন্তা সি মনলৈ নানে। হৈমন্তীৰ দেহ আৰু মন ইমান বেচি চিনাকি যে সি আৰু তাৰ মাজত নব নব আৱিষ্কাৰৰ একো উন্মাদনা বিচাৰি নেপায়। হৈমন্তী যেন তাৰ কাৰণে এটা যান্ত্ৰিক প্ৰয়োজন মাত্ৰ; তাৰ কল্পনাক উদ্দীপ্ত কৰিবলৈ তাইৰ দেহ বা মনত একো সম্বল অৱশিষ্ট নাই। ৰাতি সি যেতিয়া ক্ষুধাৰ উদ্ৰেক্ অনুভৱ কৰে, সি কল্পনা কৰিবলৈ চেষ্টা কৰে পাৰ্শ্ব-শায়িতা অন্য কোনো তিৰোতাৰ দেহ, অনাবিষ্কৃত মহাদেশৰ দৰে যি দেহ ৰহস্যময় আৰু অন্ধকাৰাচ্ছন্ন। সেই কল্পনাৰ মাজত সি অনুভৱ কৰে কামনাৰ নব-জন্মৰ যন্ত্ৰণা, নব নব আৱিষ্কাৰৰ উন্মাদনা।

কিন্তু এই শূন্যাশ্ৰয়ী কল্পনাই তাক অতি সোনকালেই ক্লান্ত কৰি তোলে। বাস্তবৰ বুকুলৈ সি পুনৰ ঘূৰি আহে আৰু এটা গভীৰ নৈৰাশ্যই তাৰ মন আগুৰি পেলায়। তাৰ মনত পৰে, যি হৈমন্তীৰ চিন্তাত আজি সি মৃদুতম উত্তেজনাও অনুভৱ নকৰে,

এদিন সেই হৈমন্তীৰ নামটো মাত্ৰ স্মৰণ কৰিয়েই সি তাৰ ৰক্তত অনুভৱ কৰিছিল সপ্ত সমুদ্ৰৰ জোৱাৰ-ভাটা, দৃষ্টি অন্ধ কৰা আনন্দৰ আলোক-বন্যা। মাত্ৰ ছটা বছৰৰ ভিতৰতে ক'ত হেৰাই গ'ল হৈমন্তীৰ সেই মোহিনী-শক্তি? কেনেকৈ শেষ হৈ গ'ল তাইৰ দেহ-পাত্ৰ পূৰ্ণ কৰি ৰখা ৰহস্য-সুধা? তাৰ জীৱনলৈ যদি নতুন প্ৰেমৰ উপচাৰ লৈ বেলেগ এজনী তিৰোতাও আহে, ঠিক একে ভাবেইযে তায়ো এদিন ৰিক্তা হৈ নেযাব সেই কথা সি কেনেকৈ ক'ব পাৰে? এনেবোৰ চিন্তাই তাৰ মনত জন্ম দিলে জীৱন সম্বন্ধে এটা গভীৰ নৈৰাশ্যবোধৰ। কোনো প্ৰতিশ্ৰুতিকেই জীৱনে চিৰকাল ৰক্ষা নকৰে। হৃদয়ক তৃষ্ণাৰ্ত্ত কৰি সি বাৰে বাৰে মুখৰ আগৰ পৰা কাঢ়ি লৈ যায় ভৰা পান-পাত্ৰ। অথবা তৃষ্ণাৰ অৱসান ঘটাই সি হৃদয়কেই হত্যা কৰে। অসহ্য যন্ত্ৰণাত মাণিকে অনুভৱ কৰিলে সেই sad satiety of love—জীৱনৰ সবাতোকৈ শূন্যতা-কাৰী অভিজ্ঞতা। ইয়াৰ পাছত আৰু একোৱেই আগৰ দৰে হৈ নেথাকিব।

এদিন কিন্তু হঠাতে আচৰিত ঘটনা ঘটিল। সেইদিনা গধূলি চৌধুৰীৰ ঘৰলৈ যাবলৈ বুলি সাজি-কাচি ওলায়ো মাণিকে হঠাতে মানুহৰ সংগৰ প্ৰতি এটা ভীষণ বিতৃষ্ণা অনুভৱ কৰিলে। কিবা এটা কাৰণত গোটেই দিনটোৱেই তাৰ মনটো ভাল লাগি থকা নাছিল। এটা অদ্ভূত বিষণ্ণতাই দামী মদৰ নিছাৰ দৰে তাৰ মনটো মৃদুভাবে আচ্ছন্ন কৰি ৰাখিছিল। মাণিকে নিজৰ মনৰ মুখামুখি হৈ চাবলৈ এবাৰো চেষ্টা কৰা নাছিল, বৰং বহুতদিনৰ মূৰত এই নতুন ধৰণৰ বিষাদৰ মাদকতা খিনি সি যেন মনে মনে উপভোগেই কৰিছিল। চৌধুৰীৰ ঘৰলৈ যাবলৈ বুলি বাৰান্দাত ভৰি দিয়েই মাণিকৰ চকুত পৰিল বাঁহৰ বেৰাখনৰ কাষত থোপা-থোপে ফুলি থকা ইন্দ্ৰমালতীৰ ফুলবোৰ আৰু সিহঁতৰ কেওকাষে স্তব্ধ হৈ থকা গধূলিৰ ম্লান ধূসৰ অন্ধকাৰ। বহুদিন স্মৰণ কৰিবলৈ

চেষ্টা কৰিও মনলৈ আনিব নোৱাৰা কথা এবাৰ যেন তাৰ হঠাৎ মনত পৰি গ'ল, আৰু স্মৃতিৰ এই আকস্মিক আঘাতত মাণিক স্তম্ভিত হৈ একে ঠাইতে ঠিয় হৈ ৰ'ল। অৱশেষত গোটেই দিনটোৰ মন ভাল নলগাৰ অৰ্থ তাৰ মনত লাহে লাহে স্পষ্ট হৈ আহিল।

অলপ পাছত চকী এখন টান মাৰি সি বাৰান্দাতে বহি পৰিল; এটা অদ্ভুত আবেগেৰে সি অন্ধকাৰৰ মাজত তৰাৰ দৰে ফুলি থকা হালধীয়া ইন্দ্ৰমালতী ফুলবোৰলৈ চাই ৰ'ল। ফুল কেইজোপা হৈমন্তীয়ে নিজ হাতেৰে ৰুইছিল। তাই ঘৰলৈ যাবৰ সময়ত দুই এটা ফুল ফুলিবলৈ আৰম্ভ কৰিছিল মাত্ৰ। এতিয়া গোটেই গছ কেইজোপা কেৱল ফুলেৰেই ভৰি পৰিছে। যাবৰ সময়ত হৈমন্তীয়ে বাৰে বাৰে কৈ গৈছিল, ফুলগছ কেইজোপাত চাকৰটোৱে নিয়ম-মতে পানী দিয়েনে নিদিয়ে সেইবিষয়ে মাণিকে যেন চকু ৰাখে। আজি হঠাৎ মাণিকৰ মনত পৰিল, সি এদিনো সেই বিষয়ে খবৰ কৰা নাই। সি হৈমন্তীৰ কোনো এটা কথাৰ বিষয়েই এবাৰো চিন্তা কৰা নাই।

ফুলগছ কেইজোপালৈ চাই চাই মাণিকৰ চকুৰ আগত ভাহি উঠিল তাৰ গৃহস্থালীৰ সেই চিৰ পৰিচিত দৃশ্যবোৰ, সেই পোন্ধৰ দিনতে সি যিবোৰ প্ৰায় সমূলি পাহৰিয়ে পেলাইছে। আবেলিৰ লগে লগে হৈমন্তীয়ে সেউজীয়া ৰঙৰ শাড়ী এখন পিন্ধি বাগানত কাম কৰিবলৈ আৰম্ভ কৰে, ল'ৰা-ছোৱালী হালে মাকৰ পিছে পিছে লাগি ফুৰে। মাণিকে বননিতে আৰামী চকীখনত বহি খবৰ কাগজ পঢ়ে। হৈমন্তীয়ে ফুলগছত পানী দিয়াৰ পৰা মূৰ তুলি মাজে মাজে মাত লগাই উঠে—'অফিচৰ পৰা আহিয়েই যে কাগজখনকে কামুৰি ধৰিলা, অলপ সময় পৃথিৱীখনৰ ফালেও চকু মেলি চোৱাচোন। চোৱাচোন মোৰ এই ফুলটিয়ে কেনেকৈ চকু মেলিবলৈ আৰম্ভ কৰিছে।' হৈমন্তীৰ কথাত এক মুহূৰ্ত্তৰ কাৰণে মাণিকে তাইৰ ফালে লক্ষ্য কৰে, ফুলগছত পানী দি থকা তাইৰ সন্নত কোমল দেহ-ভংগী

তাৰ চকুত পৰে, পিছ মুহূৰ্ত্ততে তাৰ চকু ঘূৰি আহে খবৰ কাগজৰ বুকুলৈ, ছেদি জাগান্ আৰু ডান্কান্ চেণ্ডু্ছৰ বিফল আলোচনাৰ আধা পঢ়া বিৱৰণলৈ।

অতি তুচ্ছ আৰু সাধাৰণ দৃশ্য। দিনৰ পাছত দিন প্ৰত্যেক আবেলি তাৰ সংসাৰত এই দৃশ্যৰ পুনৰাভিনয় চলে। হৈমন্তী আছে, ল'ৰা-ছোৱালীয়ে খেলিছে, ফুল ফুলিবলৈ আৰম্ভ কৰিছে—এইবোৰ কথা স্বতঃসিদ্ধ, প্ৰকৃতিৰ নিয়ম। তাত বিস্মিত হবলৈ বা বিশেষ ভাবে আনন্দিত হ'বলৈ একো নাই। বাৰান্দাত স্তব্ধ হৈ বহি মাণিকে ফুলগছ কেইজোপালৈ চাই ৰ'ল,......তাৰ আগত ভাহি উঠিল সেউজীয়া শাড়ী পিন্ধা হৈমন্তীৰ হাউলি থকা দেহ-ভংগী, কাষত ঠিয় হৈ হাঁহি থকা কণু আৰু জুনু, সিহঁত কেউটিৰে দেহত শেষ-সূৰ্য্যৰ সোণালী পোহৰ, সিহঁত কেউটিৰে দেহত কোন দূৰ গগনৰ অপাৰ্থিৱ আভা, সিহঁত কেউটিৰে দেহত কি অনিৰ্বচনীয় কোমলতা, মধুৰতা আৰু মদিৰতা। বহুত সময় ধৰি মাণিক স্বপ্নাবিষ্ট হৈ বহি ৰ'ল। তাৰ দৃষ্টিৰ সমুখত অন্ধকাৰত ছাঁয়া-মূৰ্ত্তিৰ দৰে ভাহি ৰ'ল হৈমন্তীৰ শ্যামল সৰস মুখ—মাজে মাজে সি তৃপ্তিৰ হাঁহিত উজ্জল, মাজে মাজে স্বামী-পুত্ৰৰ কাৰণে উৎকণ্ঠাৰ ছাঁয়াৰ অন্ধকাৰ।

গধূলিৰ অন্ধকাৰ গাঢ়তৰ হৈ আহিল। ঘৰটোৰ ভিতৰখনো অন্ধকাৰ, লাইট জ্বলোৱা হোৱা নাই। মাণিকে চাকৰটোক চিঞৰি লাইটটো জ্বলাই দিবলৈ ক'লে। সি ফুলগছত নিয়মমতে পানী দিছিলনে নাই সেই বিষয়ে মাণিকে তাক প্ৰশ্ন কৰিলে। তাৰ পাছত সি হঠাৎ চাকৰটোক সুধিলে—'আইদেৱৰ আহিবলৈ আৰু কেইদিন আছে অ' ৰত্ন?'

ৰত্নই কিবা এটা উত্তৰ দিলে, মাণিকৰ ভালকৈ কাণত নপৰিল। কিন্তু সি নিজেই জানে, হৈমন্তী আহিবলৈ এতিয়াও প্ৰায় দহদিন বাকী আছে। আৰু দহদিন? কথাষাৰ নতুনকৈ চিন্তা কৰি মাণিক যেন আতংকিত হৈ উঠিল, কাৰণ দহদিন সময় তাৰ মনত দহযুগ যেন

লাগি গ'ল। ঠিক সেই মুহূৰ্ত্তে হৈমন্তীক কাষত পাবলৈ আৰু ল'ৰা-ছোৱালী হালৰ কল-কণ্ঠ শুনিবলৈ মাণিকৰ মনত এটা আকুল কামনা জাগি উঠিল। দহদিন অপেক্ষা কৰিব লগা হলে সি যেন মৰিয়েই যাব!

মাণিকে আচৰিত লৈ স্মৰণ কৰিলে, মাত্ৰ তিনি সপ্তাহৰ আগতেও সি হৈমন্তীক মাকৰ ঘৰলৈ পঠাবলৈ পাই কিমানখিনি স্বস্তি অনুভৱ কৰিছিল। তাৰ পাছতো সি দিনৰ পাছত দিন মদৰ আড্ডাত গা ঢালি দিছে, বন্ধুৰ লগত পৰ-নাৰীৰ চৰ্চাত উচ্ছ্বসিত হৈ উঠিছে, নবোদ্ভিন্ন-যৌবন তৰুণৰ দৰে বিচিত্ৰ প্ৰেম-কল্পনাত আত্মহাৰা হৈ পৰিছে,—আৰু মাজে মাজে যেতিয়াই হৈমন্তীৰ কথা মনত পৰিছে, সি কেৱল অনুভৱ কৰিছে প্ৰেমৰ মৃত্যুৰ অসহনীয় যন্ত্ৰণা, হৈমন্তীৰ প্ৰতি পুত্ৰৌ আৰু অনুকম্পা। হৈমন্তীৰ মুখখন যেতিয়াই তাৰ মনত পৰিছে, সি তাত দেখিছে কেৱল অতি-পৰিচয়ৰ স্থূলতা। হৈমন্তীৰ অস্তিত্বৰ বিষয়ে যেতিয়াই সি চিন্তা কৰিছে, সি অনুভৱ কৰিছে কেৱল চিৰাভ্যস্ততাৰ ক্লান্তি আৰু মালিন্য। সি জানে, দোষ হৈমন্তীৰ নহয়। বেচেৰী অতি ভাল ছোৱালী, যাক ক'ব পাৰি গৃহ-লক্ষ্মী। দেহ আৰু মনৰ সমস্ত শক্তিৰে তাই স্বামী-পুত্ৰক সুখী কৰিবলৈ চেষ্টা কৰে, সংসাৰৰ প্ৰতিটো কথা আৰু কাৰ্য্যতে মাণিকে অনুভৱ কৰে তাইৰ হাতৰ কল্যাণ-স্পৰ্শ। সকলো ঠিকেই আছে, মাজত কেৱল নোহোৱা হৈ গ'ল প্ৰেমৰ নিত্য-নতুন মাদকতা। এই এটা বস্তুৰ অভাৱতেই মাণিকৰ মুখত জীৱনৰ স্বাদ যেন একেবাৰে সলনি হৈ গ'ল। জীৱনৰ সেই পুৰণি স্বাদযে সি আকৌ ঘূৰাই পাব সেই আশা মাণিকে একেবাৰে এৰিয়েই দিছিল। কিন্তু ঠিক এই মুহূৰ্ত্তত সি এয়া কিবোৰ কথা ভাবিবলৈ আৰম্ভ কৰিছে? কেনেকৈ সম্ভৱ হ'ল তাৰ হৃদয়ৰ এই আশ্চৰ্য্য ৰূপান্তৰ?

পৰম বিস্ময়েৰে মাণিকে অনুভৱ কৰিলে, তাৰ হৃদয়ৰ গভীৰ অন্ধকাৰৰ পৰা হৈমন্তীৰ প্ৰতি যেন এটা সজীৱ নতুন বাসনা খুব ধীৰে

ধীৰে মূৰ ডাঙি উঠিছে, সেই বাসনাৰ জন্মই তাৰ সৰ্ব-দেহত সঞ্চাৰিত কৰি দিছে প্ৰেমৰ প্ৰথম জাগৰণৰ অনিৰ্বচনীয় যন্ত্ৰণা আৰু আনন্দ। তাৰ বেদনাৰ্দ্ৰ দৃষ্টিৰ সমুখত যি হৈমন্তীৰ মুখ ভাহি উঠিল, সেয়াযে নিত্য সংসৰ্গৰ স্পৰ্শ মলিন অতি পৰিচিতা হৈমন্তী নহয়,—মাত্ৰ ছসপ্তাহৰ অদৰ্শনতেই সেই মুখ তাৰ চিত্তৰ আকাশত ভাহি উঠিল সুদূৰ স্পৰ্শাতীত শুকতৰাটিৰ দৰে, চিৰ ৰহস্যময় আৰু চিৰ সুন্দৰ। জীৱনৰ কি সেই আশ্চৰ্য্য ৰসায়ন যি একেবোৰ উপাদানকে লৈ নিত্য নব বৈচিত্ৰ্য আৰু ৰহস্যৰ সৃষ্টি কৰে? প্ৰথম প্ৰেমিকৰ মুগ্ধ দৃষ্টিৰে মাণিকে হৈমন্তীৰ ছাঁয়া-মূৰ্ত্তিলৈ চাই ৰ'ল, আৰু চৰাচৰ-ব্যাপ্ত অন্ধকাৰ বুকুৰ পৰা কোনোবাই যেন জলদ-গম্ভীৰ স্বৰেৰে তাৰ কাণৰ কাষত গাই উঠিল—

ভৰা পাত্ৰটি শূন্য কৰে সে ভৰিতে নূতন কৰি।
অপব্যয়েৰ ভয় নাহি তাৰ পূৰ্ণেৰ দান স্মৰি।
অলস ভোগেৰ গ্লানি সে ঘূচায়,
মৃত্যুৰ স্নানে কালিমা মুছায়,
চিৰ-পুৰাতনে কৰে উজ্জল নূতন চেতন ভৰি।

বহুত পৰৰ মূৰত মাণিক ভিতৰলৈ সোমাই গ'ল। কাপোৰ খুলি আল্নাত থবলৈ গৈ তাৰ চকুত পৰিল, হৈমন্তীৰ চাদৰ এখনৰ এছোৱা মজিয়াত ওলমি পৰি আছে। কাপোৰখন ইমান দিনে ঠিক কৰি নথৈ সি যেন হৈমন্তীকেই অৱহেলা কৰিছে এনে এটা ভাবে তাৰ মনক আঘাত কৰিলে। খুব আলফুলকৈ সি কাপোৰখন হাতত তুলি ললে, যেন অলপ টানকৈ ধৰিলেই কাপোৰখনে দুখহে পাব। তাৰ পাছত সি কাপোৰখনেৰে খুব লাহে লাহে তাৰ মুখখন মোহাৰিবলৈ ধৰিলে। হৈমন্তীৰ দেহৰ পৰিচিত গোন্ধটো তাৰ নাকত লাগিল। জ্বৰ-তপ্ত দেহত কাৰোবাৰ চেঁচা হাতৰ স্পৰ্শৰ দৰে সেই গোন্ধটোৱে যেন তাৰ মনটো শীতল কৰি পেলালে। কিন্তু লগে লগে তাইক কাষত পাবলৈ মাণিকৰ বাসনা তীব্ৰতৰ হৈ উঠিল। তাৰ মনত কেৱল

অনুভব হবলৈ ধৰিলে—সি হৈমন্তীক মাত্ৰ পোন্ধৰ দিন নহয়, বহুত যুগ যেন দেখা নাই। মনৰ অস্থিৰতা দমন কৰি ৰাখিবলৈ মাণিকে একো উপাই বিচাৰি নেপালে। সি শোৱা-কোঠালৈ সোমাই গ'ল আৰু বুক্-ষ্টেণ্ডৰ ওপৰত থকা হৈমন্তীৰ ফটোখন নিৰ্নিমেষ দৃষ্টিৰে চাবলৈ ধৰিলে। বিভিন্ন দৃষ্টি-কোণৰ পৰা সি ফটোখন পৰীক্ষা কৰি চালে আৰু প্ৰতি বাৰেই হৈমন্তীৰ নব নব ৰূপ আবিষ্কাৰ কৰি সি মনৰ মাজত এটা উদগ্ৰ বাসনাৰ ঘূৰ্ণি-চক্ৰ অনুভৱ কৰিলে। অৱশেষত বাসনাৰ উত্তাপত সি ক্লান্ত হ'ল, আৰু শেষ আশ্ৰয় হিচাবে সি বিচাৰি উলিয়ালে বাকচৰ তলত পৰি থকা সিহঁতৰ প্ৰেম-পত্ৰৰ টোপোলাটো, বিয়াৰ আগতে সি হৈমন্তীলৈ আৰু হৈমন্তীয়ে তালৈ দিয়া চিঠিৰ জাপটো।

ভাত-পানী খাই উঠি বিছনাত পেট পেলাই মাণিকে এখন এখনকৈ চিঠিবোৰ পঢ়িবলৈ ধৰিলে। চিঠিবোৰ পঢ়ি পঢ়ি মাণিকে অনুভৱ কৰিলে, লিখা সময়তকৈ এতিয়াহে যেন চিঠিৰ কথাবোৰ এটা গভীৰতৰ অৰ্থ আৰু ব্যাপ্তি লাভ কৰিছে। সি নিজকে নতুনকৈ আবিষ্কাৰ কৰিলে, এদিন যে সি প্ৰেমৰ সেই বিপুল আবেগ আৰু পৰম বাসনাক হৃদয়ত ধাৰণ কৰিছিল সেই কথা ভাবি নিজলৈকে তাৰ শ্ৰদ্ধা উপজিল। সি হৈমন্তীক নতুনকৈ আবিষ্কাৰ কৰিলে, দীৰ্ঘ ছবছৰৰ মূৰত তাইৰ প্ৰথম যৌবনৰ সেই অপৰূপ প্ৰলাপ আৰু প্ৰাৰ্থনাবোৰ পঢ়ি পঢ়ি তাইক কণু-জুমুৰ মাক আৰু নিজৰ ঘৈণী বুলি ভাবিবলৈকে তাৰ টান লাগিল। হঠাৎ যেন হৃদয়ৰ বন্ধ কুঠৰীৰ চিৰ-ৰুদ্ধ খিৰিকী এখন কেনেবাকৈ খোল খাই গ'ল, আৰু হো হোকৈ সোমাই আহিল বহু দূৰ অতীতৰ যৌবন-সমুদ্ৰ-তীৰৰ এজাক বলিয়া বতাহ, তাৰ লগে লগে ভাহি আহিল বিস্মৃত বসন্তৰ গোন্ধ, বতাহত আউলি-বাউলি চুলিৰ গোন্ধ, মুখ জপিয়াই ধৰা সুৰভিত আচল, স্মৃতিৰ দীৰ্ঘ-শ্বাস, স্বপ্নৰ বিষন্ন প্ৰলাপ। লাহে লাহে এসময়ত সি টোপনি গ'ল।

পুৱা আন দিনাতকৈ বহুত সোনকালে সি সাৰ পালে। দুই এটা চৰাইৰ কল-কাকলি আহি তাৰ কাণত পৰিল, লগে লগে ওচৰৰ মানুহ ঘৰৰ পৰা ভাহি আহিল শিশুৰ কান্দোন। ঠিক ইমান সময়ত কণু-জুনুৱেও শোৱাৰ পৰা উঠি কোঢ়াল আৰম্ভ কৰি দিয়ে, পুৱা বেলাৰ চিকুণ টোপনিটো ভাঙি দিয়ে বুলি মাণিকৰ সিহঁতৰ ওপৰত খঙেই উঠে। কিন্তু আজি গোটেই দিনটো শুই থাকিলেও তাক আমনি কৰিবলৈ কোনো নাই, সেই নিৰ্বিঘ্ন টোপনিৰ সুখৰ জালাত মাণিকৰ গোটেই দেহ কণ্টকিত হৈ উঠিল। জীৱনটো যেন একেবাৰে শূন্য হৈ গ'ল। বহুদিন ৰাতি কণু-জুনুৱে তাৰ গাতে মুতি দিয়া নাই, তাৰ টোপনি ভাঙি দিয়া নাই, চুলি টানি তাৰ খং তুলি দিয়া নাই। মনৰ ভিতৰতে সি সিহঁতক বহুতবাৰ আদৰ কৰি মাতিলে, সিহঁতক চুমা খালে, আৰু গোটেই ৰাতি টোপনি খতি কৰালেও এইবাৰৰ পৰা সিহঁতক খং নকৰো বুলি সি শপত খালে।

হৈমন্তী। কণু, জুনু। কণু জুনু নামৰ দুটা মানব-শিশু যেতিয়া এই পৃথিৱীলৈ আহিল, মাত্ৰ দুটি নৰ-নাৰীৰ হৃদয়-জগত প্লাবিত কৰি দিয়া আনন্দৰ সংগমত এক হৈ মিলি গ'ল; তাৰ পাছত সিহঁত লাহে লাহে ডাঙৰ হৈ আহিল, আৰু সিহঁতৰ ঠুনুক-ঠানাক মাত আৰু খোজৰ লয়লাস ভংগী দেখি একেটা তালে তালে নাচি উঠিল দুখনি হৃদয়। সিহঁতৰ বেমাৰ হ'ল, সিহঁত মৰি যাব বুলি আশংকা হ'ল, কিন্তু সেই সৰ্বনাশী সম্ভাৱনাতো সমস্ত জগত নিৰ্বিকাৰ হৈ ৰ'ল— কেৱল অন্ধকাৰ হৈ গ'ল দুটি নৰ-নাৰীৰ জীৱন, একেটি ধ্যান আৰু বেদনা লৈ অতন্দ্ৰ হৈ ৰ'ল দুখনি হৃদয়। সেই বিস্মৃত মুহূৰ্ত্তবোৰ এটা এটাকৈ মাণিকৰ চকুৰ আগত ভাহি উঠিল—যেতিয়া যন্ত্ৰণাত সি আৰু হৈমন্তীয়ে একে লগে কান্দি উঠিছিল, আনন্দত দুয়ো একেলগে খিলখিলাই হাঁহি উঠিছিল, যুগ্ম জীৱনৰ ঘণিষ্ঠ উত্তাপত দুয়োৰে আত্মা এক হৈ মিলি গৈছিল। মাণিকে অনুভৱ কৰিলে—সিহঁত দুয়ো প্ৰেমত পৰিছিল যেতিয়া সিহঁতৰ প্ৰথম দেখাদেখি হৈছিল তেতিয়া

নহয়, বিয়াৰ প্ৰথম ৰাতি যেতিয়া মিলিত হৈছিল তেতিয়াও নহয়;—বিশাল এজোপা বৃক্ষৰ দৰে সিহঁতৰ প্ৰেম ধীৰে ধীৰে বাঢ়িব লাগিছে আৰু আকাশলৈ মূৰ তুলি উঠিছে জীৱনৰ অজস্ৰ মুহূৰ্ত্তৰ আনন্দৰ উজ্জ্বল ৰ'দ আৰু বেদনাৰ অশ্ৰু-জলত পৰিপুষ্টি লাভ কৰি।

খিৰিকীয়েদি এচেৰেঙা ৰ'দ আহি বিছনাত পৰিলহি। মাণিকে চকু মুদিয়েই তাৰ উত্তাপ অনুভৱ কৰিলে। পৃথিৱীত এটা নতুন দিনৰ সূচনা হৈছে। মাণিকে আনন্দিত হৃদয়েৰে সেই নতুন দিনক অভ্যৰ্থনা জনালে। হৈমন্তীহঁত ঘূৰি আহিবলৈ আৰু কেইদিন বাকী আছে—মনে মনে সি তাৰে হিছাব কৰিলে। সিহঁতৰ কাৰণে প্ৰতীক্ষাৰ যি যন্ত্ৰণা সি অনুভৱ কৰিছে কোনো নতুন প্ৰেমিকেও সিমানখিনি নকৰে। চিৰাভ্যাসৰ গ্লানিৰে মলিন হৈমন্তীজনী এতিয়া তাৰ চকুত' একেবাৰে চিৰ-নবীনা অপৰূপা সুন্দৰী হৈ উঠিল। মাণিকৰ মনত পৰিল—হৈমন্তীৰ এই নব-জন্মৰ কাৰণে, তাৰ হৃদয়ৰ এই নব-জন্মৰ প্ৰয়োজন হৈছিল এটা মাহৰ এই বেদনা-মণ্ডিত বিৰহৰ। এই নতুন উপলব্ধিৰ পোহৰত মাণিকে এইবাৰ প্ৰত্যক্ষ কৰিলে মৃত্যুৰ আচল অৰ্থ: মৃত্যুৰ চিৰ-বিচ্ছেদ আছে বুলিয়েই জীৱন সুন্দৰ আৰু প্ৰেম নিত্য-নবীন। মৃত্যুৰ দুৱাৰ-দলিত সি এবাৰ হৈমন্তীক কল্পনা কৰিলে, আৰু হৃদয়ৰ উচ্ছ্বসিত আৰ্তনাদ সংবৰণ কৰি সি মনৰ ভিতৰতে মন্ত্ৰৰ দৰে আবৃত্তি কৰিলে: তোমায় নূতন কৰে পাব বলে হাৰায় ক্ষণে ক্ষণে, ওগো মোৰ ভালোবাসাৰ ধন।

লক্ষ্মীনন্দন বৰা

মন-মাটি-পিৰীতি

তেজপুৰ আৰু দাঁতিকাষৰীয়া ঠাইৰ পৰা মানুহ-দুনুহ ভাগি গ'ল। এসপ্তাহ, দহদিন, অতি বেছি এপষৰ পাছত, আকৌ চহৰ আৰু গাওঁ আগৰদৰেই ভৰপুৰ হ'ল। মানুহ হেনো এনেয়ে ভাগিল। মাজতে এইখন ভাল খেলা হৈ গ'ল।

ক'লীবাৰীৰ মানুহো দেখাক দেখি ভাগিছিল। শুনিছোঁ, কণকা পোহাৰীহে ভগা নাছিল। ইয়াৰ বহুতখিনি কথা। এই জানো কম ফুটৰ পোহাৰী? ৰজাক ককাই নোবোলা বিধৰ।

কেতবোৰ ৰাইজ ভগনীয়া হৈ আছিল,—শিলঘাটত, নগাওঁ চহৰত আৰু ভালেমান ঠাইতো, আনকি একেবাৰে পশ্চিমফালেও, তাৰ মানে,—জাগী, ভকতগাওঁ, মায়ং আদি ঠাইতো, ভগনীয়া ঠাহ খাইছিল। খবৰা কাকতৰ মতে দুকুৰি হেজাৰ। চম্পা পোহাৰীৰ মতে অলেখ, একে চিপতে ডাঙিব নোৱাৰা মাছৰ পাচিটোৰ পোনা মাছবোৰৰ দৰে 'অগন্তী'। খবৰা কাকতৰ মানুহে প্ৰতিটো ভগনীয়াৰ লেখ লৈছিলনে?

আকৌ থিতাপি লোৱা মানুহবোৰৰ মুখৰ খজুৱতি আগতকৈ বেছি হ'ল। এতিয়া সিহঁতৰ আলোচনাৰ পাচিটোৰ ঘেৰ বাঢ়িল। অভিজ্ঞতা বাঢ়িল। বহুত নতুন নতুন ঠাই দেখিলে। মতা-তিৰোতা, ল'ৰা-বুঢ়া সকলো লুইতৰ দক্ষিণ পাৰৰ বিষয়ে পঞ্চমুখ। কণকাই

জীৱনত দক্ষিণ পাৰত ভৰি দিবলৈ নেপালে। উত্তৰ পাৰেও খুব কম ঠায়েই দেখিছে—অতি বেছি ক'লীবাৰীৰ পশ্চিমে পাঁচ মাইল আৰু পূবে আঠ মাইল। ভগনীয়া হোৱাৰ আগতে তাইৰ দৰে বহুতেই তাইতকৈ খুব কম ঠাইহে দেখিছিল। কিন্তু এতিয়া সিহঁতৰ মুখত শুনা যায়—দক্ষিণ পাৰৰ বহ্মপুত্ৰৰ গৰাবোৰ এনেকুৱা নহয়। বালি চাপৰিত গজা কঁহুৱা আৰু উলুবোৰৰ পাতৰ ৰং ঘন সেউজীয়া। সেইবোৰ চাপৰিত কিমানবোৰ যে নিপোটল নিপোটল গৰু-গাই দেখা পাইছিল। কেতবোৰ চাপৰিত আকৌ দিনত কুকুৰাবুঢ়ী, চাকৈ-চকোৱা আৰু কুৰুৱা চৰাই পৰে, ৰাতি শহা পহুৱে উলুবনি-কঁহুৱানিৰ বুকুত বহমপুত্ৰৰ ঢৌ তোলে। গজীয়াৰ ঘৈণীয়েক দেহবৰীয়ে ক'লে বোলে দখিণ পাৰৰ তিৰোতাই কাণ ঢাকি চুলি নেঁবান্ধে। আৰু শিলঘাটখন যে একেবাৰে মন উচাতন কৰিব পৰা ঠাই! বহমপুত্ৰৰ পানীৰ ওপৰত টিলা যেন হৈ জিলিকি থকা ছুইমুনি শিলা দেখিলেই মনটো গহীন গহীন লাগি যায়। দেহবৰী আকৌ ক'লীবাৰীলৈ উভতি অহাৰ সময়ত নাৱৰীয়াটোৱে কৈছিল বোলে কলি কালত যিখন যুঁজ হ'ব, সেই যুঁজত এই শিলাৰ ওপৰত যুঁজাৰুৰ তেজ পৰিব। তেতিয়াহে অনন্ত কাল শুই থকা ছুইমুনি শিলাই সাৰ পাব, পূৰ্বৰ শাওপাত খণ্ডিব আৰু ছুজন মুনিৰ ৰূপ ল'ব। সেই কাৰণেই এই ছুটা শিলৰ নাম ছুইমুনি শিলা। বটু কেৰাণীৰ জীয়েক আৰু পুতেক ছুটা আছিল চাপানলাত। সিহঁতে এটা আচৰিত বস্তু দেখিলে,—মানুহে সেইটোক আকাশী গঙ্গা বোলে। স্কুলীয়া ল'ৰাই জল-প্ৰপাত বুলি কয়। আকাশী গঙ্গা যে আকাশী গঙ্গাই। ইমান ওপৰৰ পৰা যে কপাহ-বগা পানীবোৰ ছৰ্ ছৰ্ কৰে অনবৰত নামিয়েই আছে। চকুৰে মণিৰ নোৱাৰা আকাশৰ পৰাহে যেন মহাদেৱৰ জটাইদি এই পানীৰ সোঁত বৈছে! মধু ঘাটুৱৈৰ বোৱাৰীয়েক আছিল বাৰপূজীয়াত। সেইখনো বৰ দোকমোক গাওঁ। তিৰোতাবোৰ আচল শিপিনী। মাজনিশালৈকে বাৰপূজীয়াৰ ঘৰে

ঘৰে মাকো আৰু গৰকাৰ শবদ। তাৰ লালুঙনীবোৰ কম নহয় দেই। একো একোজনী স'লগঠীয়া মঙহাল লালুঙনীৰ গপচ গপচ খোজত লকচা বন মাটিত পোট খাব খোজে। বাৰপূজীয়াৰ কাৱৈ মাছৰ তেলেই সুকীয়া। যি এবাৰ খাইছে তাৰ সদায় সোৱাদটো দাঁতত লাগি থাকিব। এইখন ঠাইৰ গৰল ধৰা ম'হ যি দেখা নাই, তাৰ জনম বৃথা। একোটা গোনা ম'হে কিজানি ঢেঁকীয়াপতীয়া বাঘৰ লগত সমানে সমানে যুঁজিব পাৰিব। ইয়াৰ যোগী মানুহ-খিনিয়ে পাট-পলু কেনেকৈ পোহে, সকলোৱে এবাৰ চাই লোৱা উচিত। এইখন বৰ ভোগী ঠাই। বিলত কচুৰীপনাৰ চুলি যেন শিপাৰ তলতো কোনোমতেহে খামোচে ঢুকি পোৱা মাগুৰ মাছবোৰ নাৰিকল গছৰ পাতত টোকোৰা চৰাই থকা দি থাকে। পুঠীমাই পোহাৰী আছিল হালধিআটি সত্ৰৰ ওচৰতে। তাই কয়, যি হালধি-আটি সত্ৰ আৰু তাৰ নামঘৰটো এবাৰ দেখা নাই সেইটো জীৱই সি জন্মতো শান্তি নেপাব। এইখন যে কেনে গহীন সত্ৰ! ইয়াৰ বিয়াগোম নামঘৰটোৰ আকাৰেই সুকীয়া, তাত এখন গাৱঁৰ মানুহ ধৰিব। নামঘৰৰ খুটা একোটা আকোঁৱোলি ঢুকি নোপোৱা। সিংহাসনৰ কাষৰ খুটা দুটাত আকৌ প্ৰায় এহাত এমোঠন ভমকা-ফুলীয়া গামোচা মেৰিয়াই থোৱা আছে। গামোচাৰ ফুলবোৰ পশ্চিম ফালৰ পিৰালিৰ পৰাই ভালকৈ চকুত পৰে। হালধি-আটিৰ পৰা চাৰি মাইল নিলগত চৰিপোটা সত্ৰ। ইয়াতে হেনো একালত শঙ্কৰ গুৰুৰ নাৱৰ চৰি পোটা হৈছিল। তেখেতে তাতে চাউল সিজোৱা ধৰি গৈছিল। এই কাৰণেই সত্ৰৰ এই নাম।······

ইমানবোৰ কথা মই শুনিছোঁ চম্পা পোহাৰীৰ পৰা। অগ্নিগড় পাহাৰ আৰু ব্ৰহ্মপুত্ৰৰ মাজৰ বালিচৰত পুৱাৰ মিঠা ৰ'দ পিঠিত লৈ মটৰ এখনৰ সমান শিলা এটাত বহি মই আৰু চম্পা পোহাৰীয়ে কথাৰ সেলেঙী বোৱাইছোঁ। তাইৰ লগত মোৰ ভালেমান দিনৰ মূৰত দেখা-সাক্ষাৎ হৈছে। তাই ইয়াত বৈ আছে নাও এখনৰ

কাৰণে আৰু মই বৈ আছোঁ অকাৰণত। বহুদিনৰ মূৰত তেজ-পুৰলৈ আহি ভাল লাগিছে। খুব ভাল লাগিছে। গাভৰুৰ নিপোটল বুকুখনৰ দৰে নয়নাভিৰাম সেউজ গিৰিমালাই চকু জুৰাই নিছে। বহি থকা ঠাইৰ চৌদিশৰ বালিত মিঠা ৰ'দ পৰিছে আৰু তাত মোৰ ল'ৰাকালটো জিলমিলাইছে। বিশাল, অতি বিশাল, তিনি দিশে দিগ্‌বলয়ত মিলি থকা লুইতখনে মোৰ মনটো উদাৰ, গতিময় আৰু গীতিময় কৰি তুলিছে। ময়ো পোহাবীৰে পুতেক। ইয়াত বহি ভাল লাগে কাৰণেই বহি আছোঁ। চম্পা পোহাবীৰ তামোল খাই মুখখনৰ কেৱা বছৰলৈকে মুহুদি মাৰি লৈছোঁ। এলেহুৱা ৰ'দটো পিঠিত লৈ মই অকাৰণতেই বহি আছোঁ। তাতকৈ একো বেছি কৈফিয়ৎ দিব নোৱাৰোঁ।

দখিণপাৰৰ ইমানবোৰ কথা শুনি মই চম্পা বাইক সুধিলোঁ,—তাই দুৰ্য্যোগৰ সময়ত নগাৱঁৰ কোন ঠাইত আছিল। তাই ক'লে যে তাই আছিল বৰদোৱাত, শাস্তিজ্ঞানৰ পাৰৰ এখন গাৱঁত। তাই বৰদোৱাৰ বহুত কথা ক'লে। বৰদোৱাৰ নামঘৰত হেনো চৈধ প্ৰসঙ্গ হয়। তাত তাইৰ ভাল লাগিল,—ভকতৰ পাহ-কটা চুলিবোৰ, হেঙুল-হাইতেলৰ বোল দিয়া খোল আৰু মৃদঙ্গবোৰ, নামঘৰটো আৰু তাই যি মানুহৰ ঘৰত আছিল, সেই ঘৰৰ ভজহৰি বুঢ়াই সদায় দোকমোকালিতে গোৱা বৰগীতটো। তাই লেনীয়াকৈ একুট গায়েই পেলালে,—'পৰভাতে চিয়াম কান্থ ধেন্থ লৈয়া সঙ্গে, বংশীৰ নিনাদে……'

মই জানোঁ,—চম্পা আৰু কণকাৰ বৰ মিল। যেন একেটা চিতলৰহে ইপিঠি-সিপিঠি। সেই কাৰণেই কণকাৰ ভু ললোঁ। লগে লগেই বাংঢালী চম্পাবাই জীয়ন দি থোৱা চেনীপুঠী এজনীৰ দৰে দৰক লাগি ৰ'ল। উশাহটো আগতকৈ সুকীয়া হ'ল। বেজাৰ মনেৰে ক'লে, "তাইৰ সঁচাকৈয়ে ডাঙৰ হেঁপাহ থাকি গ'ল। সকলেমুাৰে খে তাই যেতিয়া বহুত বহুত মানুহ লগ পোৱাৰ কথা

শুনিলে, নতুন নতুন ঠাই দেখাৰ কথা শুনিলে, তাই মোৰ আগত হুক্ হুক্‌কৈ কান্দি পেলালে। ক'লে—'সকলোৰেই এই সুযোগতে একো পাক মাৰি আহিল, ময়েহে য'ৰে মানুহ ত'তে পৰি থাকিলোঁ। যি চুক ভেকুলী সি সদায় চুক ভেকুলী। খালৰ মাছ নৈলৈ নেযায়।' —মই ইমানকৈ বুজালোঁ। তাই শাঁত নপৰিল।"

শুনি মোৰ একে লগে তিনিটা প্ৰশ্ন মনলৈ আহিল; মানুহ ভাগিছিল প্ৰাণৰ ভয়ত আৰু উভতিও আহিছে গাঁঠিত সাঁচতীয়া ধন উদং কৰি। এনে স্থলত এই অহা-যোৱাৰ খেলিমেলিখনক কণকাই 'সুযোগ' বুলি ভাবিলে কিয়? তাই আঁকৰীনে কি—? আকৌ ভাবিলোঁ, কণকা হয়তো যাব নোৱাৰিলে হাতত টকা-পইচা নথকাৰ বাবে। কাৰো পৰা কিজানি সহায়ো নেপালে। পিছত যেতিয়া সকলো ঘৰা-ঘৰি আহিল, তেতিয়া তাইৰ মনলৈ আহিলনে কি যে প্ৰায়বোৰ মানুহেই গ'ল আৰু তাই ইমান অসহায় যে তাইহে যাব নোৱাৰিলে,—অৱস্থা বিষম হোৱা হ'লে তায়েইহে মৰিলহেঁতেন, আনবোৰ বাচিলহেঁতেন? তাই বাৰু ঘৰখনৰ মোহ এৰিও যাব নোৱাৰিলেনে কি?

চম্পাবাইক বেজাৰটোৱে এৰিলে। মোৰ হাতত তামোল এখন দিলে। চূণৰ টেমীটো জুইশলাৰ কাঠীৰে ঘূৰুকিয়াবলৈ লাগিল।

"তইনো কানাইৰ পিতেকে", চম্পাবায়ে ক'লে, "ভাৰস্তৰ কিমান কথাৰ তলা-নলা ভু পাৱ? তেনেই ওঁঠ চেপিলে গাখীৰ ওলোৱা হৈ আছ। এতিয়াও গাভৰু পোহাৰীৰ লগত চুপতি মাৰিব জনা হোৱা নাই। আৰু ক'লীবাৰীত থাকিলিনো কেই বছৰ? 'থেঙা-চোলা' পিন্ধি চাকৰী কৰিবলৈ গ'লিয়েই।"

বোধকৰোঁ ইমান পৰে চম্পাৰ মুখত তামোলখন সিজিছে,—ভালকৈ পাগ লৈছে। বালিত এথেপা পিক পেলাই বুঢ়া আঙুলি এটাৰে মুখৰ ভিতৰৰ তামোল-খিনি এফালে গোট খুৱাই ল'লে। মুখখন বোধকৰোঁ পাতল পাতল লাগিল। ক'লে "সৰুমণি, তই

কণকা কি বস্তু বুজি নেপাব। তাই যে কলৈকো নগ'ল আৰু কিয় নগ'ল এই কথা মোৰ বাহিৰে কোনেও নেজানে। ময়ো জানিছোঁ, তাই মোৰ আগত সকলো আঁৰ মাৰি কোৱাৰ কাৰণেহে। তই ভবা এটা কথাও তাইৰ লগত নিমিলে। তাই আঁকৰীও নহয়। তাই কেও কিছু নোহোৱা তিৰোতাও নহয়। বৈকুণ্ঠৰ জীয়েক উভিং মাষ্টৰনীজনীৰ দৰে মতলবী তিৰোতাও নহয়। তাই বহুত ভাবি চিন্তি চাই ইচ্ছা কৰিয়েই নগ'ল......"

শিলত বহি বহি চম্পাই বহুত কথাই ক'লে। তাই যিখন নাৱলৈ বৈ আছিল, সেইখন নাও মাছ বোজাই কৰি এঘাৰ বজাতহে আহিছিল। তেতিয়ালৈকে চম্পাই কণকা পোহাৰীৰ বিষয়ে হবেক ৰকমৰ কথা কৈছিল। তাৰে পৰাই কণকাক লৈ এটা কাহিনী থিয় কৰাওঁ বুলি ভাবিছোঁ। অৱশ্যে চম্পাই যেনে আবেগেৰে আৰু যেনেকৈ মাছে খলক দি থকা বাঢ়নী পানীৰ ভাষাৰে কথাখিনি কৈছিল, তেনেকৈ মই ক'ব নোৱাৰিম বুলি এতিয়াই ক্ষমা খুজিছোঁ। লোকৰ মুখে শুনা কথাৰ বঢ়া-টুটা হয়েই। তথাপি মাজে মাজে কণকাৰ কথা কওঁতে চম্পা পোহাৰীৰ মুখৰ কথা দিবলৈ চেষ্টা কৰা হ'ব। কণকাৰ কাহিনীটো এনেকুৱা ঃ

কণকা পোহাৰীক যি আঁকৰী বুলি ভাবিব প'ৰে সি অগিয়ান। তেনে মানুহে সলসলীয়াকৈ 'মকত্তমা'ত জাৰা কৰা বুদ্ধিত বৃহস্পতি মুকুন্দ উকীলকো আঁকৰা বুলি ভবা আচৰিত নহয়। যি লোকক অগিয়ানী বুলি ভাবে সি নিজেহে অগিয়ানী। কণকা বৰ পাকৈত তিৰোতা। কেকোৰাৰ পেটত যিমানবোৰ পোৱালি, তাইৰ মগজতো সিমানবোৰ বুদ্ধি। মন্নু মহন্তৰ কলতলীডবাৰ কাষতে, ক'লীবাৰীৰ একেবাৰেই পূব মূৰত কণকাৰ এবিঘা মাটি আছে। সেই দৰা মাটি বাপনক আধি দিছে। সেই মাটিৰ পৰা, আধিত দিয়াৰ বাবদ

কণকাই বছৰি ধান পাই থাকে। বাপনকো তাই বহুতীয়া কৰিলে। তাক ক'লে যে সি এই মাটিত কেৱল লাহী ধানহে কৰিব পাৰিব। যদি নকৰে, তেতিয়াও তাই বছৰি পাবলগীয়া ধানখিনি লাহী হ'ব লাগিব। কাৰণ, মিহি চাউলৰ বাহিৰে আনবোৰ ধানৰ চাউলৰ ভাত খাই কণকাই জুতি নেপায়। যেনে কথা তেনে কাম। কিন্তু এই মাটিৰ বেছি দিনলৈ ভোগ-দখল নচলিল। ভালেমান বছৰৰ আগতে এই মাটি কণকাৰ গিৰীয়েকে সুমন্ত গায়েনৰ পৰা বন্ধকীত লৈছিল। পিছে কালৰো কাল বিপৰীত কাল,—এতিয়া সুমন্তৱে ল'ৰা অনন্ত মুক্তিয়াৰে গোচৰ কৰিলে। নিজৰ ওকালতি বুদ্ধি খটালে। চিটা নম্বৰ দাগ নম্বৰ বহুৱাই আইনৰ গধুৰ কিতাপৰ পৰা কেবাটাও ধাৰাৰ অঙ্কৰে দৰ্খাস্ত গহীন কৰি তুলিলে। মুনচুফৰ আদালতত কণকা হাৰিল। গোচৰ জজৰ গুৰি পালেগৈ। জজৰ আগত কণকাই যি জবাব দিলে তাকে শুনি তেজপুৰৰ উকীল-মহৰীৰ দলে তাজ্জুপ্ মানিলে। এইৰ মুখ নহয়, সৰস্বতী। বুদ্ধিও বৰশীত পৰি এৰাই যোৱা মাছৰ বুদ্ধি। গোচৰত তাই জিকিল। তাই অনন্ত মুক্তিয়াৰৰ আইন পঢ়ি পোৱা বুদ্ধি ভোটা হৈছে বুলি দেখ দেখ প্ৰমাণ দিলে। মুক্তিয়াৰৰ মুখত ছাঁই সানিলে।

"সৰুমণি, ইমানতো তই ভাবনে" চম্পাই কয়, "কণকা আঁকৰী? তাই আঁকৰীও নহয়। বুইছ, যিজনীয়ে মাছৰ পাচি আগত লৈ বহে তাই জলকুঁৱৰীৰ বুধি পায়। ইচ্ কুল পাচ কৰি দেখোন তইহে থুহাত লগা মাছৰ বুদ্ধিৰ হৈ পৰিলি। মগজৰ ঘিঁউবোৰ কৰকৰীয়া মাৰিলেনে কি? কণকাকনো কেনেকৈ সহায়-সাৰথি নোহোৱা তিৰোতা বুলি ঠাৱৰ কৰিলি?......"

এৰা, তেনেকৈ ধৰি লৈ মই খুব ভুল কৰিছোঁ। কণকাৰ সকলো আছে,—টকা-পইচা, ঘৰ-দুৱাৰ আৰু পুতেক-জীয়েক। চহৰখনত তাইক নিচিনা নাই। তাই হাত-দীঘল তিৰোতা। মাহ তৰা মাষ্টৰ আৰু কলম পিহা কেৰাণীক তাই মাহৰ শেষৰ ফালে পাঁচ টকা দহ

টকা থাবো দিয়ে। তাইৰ পুতেক এটা—জলধৰ। জীয়েক দুজনী—সেলেঙী আৰু কপিলী। সেলেঙীয়ে ঘৰ পাতিছে লক্ষীমপুৰৰ ফালে। মটৰ লাঙ্গৰ ড্ৰাইভাৰ কীৰিটী তেজপুৰত আছিল। গেৰেলা মহাজনৰ লাঙ্গ্ চলাইছিল। তেতিয়াই তাৰ লগত সেলেঙীৰ মনৰ বুজা-পৰা হয়। দুইটাৰে মন পিছলে, দেহৰ তেজ উতলে। সিহঁত এদিন মনে মনে লুইতেদি তুলুঙা নাৱেৰে উজাই যায়। দুদিনৰ পাছতহে কণকাই খবৰ পায়। সিহঁতে লক্ষীমপুৰতে সংসাৰ পাতে। সিহঁতে বামুণ মাতি আবিয়ে হোৱাৰ আগতে কণকাৰ পৰা আশীৰ্ব্বাদ লৈ যায়। কপিলী, নামত কপিলী হ'লেও, বৰ চতৰ-বতৰ ছোৱালী নহয়। তাইক চাবি আলিৰ বাজেনক গটাই কণকা নিষ্কণ্টক হয়। চম্পাই ঘৰত গাভৰু ছোৱালী থকাটো বিপদৰ কথা বুলিয়েই ভাবে। ইহঁত ভাদমহীয়া লুইতৰ দৰেই। নাও লটি ঘটি কৰা পানীৰ চকা এটাৰ দৰেই ইহঁতৰ মনৰ পাক। ইহঁতে সময়ত মাক-বাপেক, ধৰম-কৰম একো নুবুজা হয়।

এবাৰ কণকাই কুকুৰাৰ পৰা নাৱৰে ক'লীবাৰীলৈ আহি আছিল। নাৱতে ল'ৰা এটি ওপজে। সেই কাৰণেই ল'ৰাটোৰ নাম জলধৰ ৰখা হ'ল। পিছে নামটো দিছিল সোঁৱৰণী কৰা বাপু সূৰ্য্যকান্তই। জলধৰ এতিয়া মঙ্গলদৈত থাকে। মাছৰ ব্যবসায়ে হেনো তাক নোপোচে। সি মঙ্গলদৈত চৰকাৰী চাকৰী কৰে। খাকী পেণ্ট্ পিন্ধে। কমৰত বহল পেটী মাৰে। তাৰ তিৰোতাজনী পোনতে কণকাৰ লগতে আছিল। পিছে তাই পাটীত পৰি চট্ফটাই থকা হ'ল। দিনতো হামিয়াই হিকটিয়াই মৰামুৰা হৈ থাকে। যেন ককিলা মাছেহে কল্ধপ্ কল্ধপ্ কৰিছে। কণকাৰ তাইলৈ মায়া হ'ল। অচিৰে পুতেকক সোধাই দিলেগৈ।

জী-জোঁৱাইৰ পৰা শ্ৰদ্ধা-ভক্তি পায়, হস্কিলে-মস্কিলে সহায় পায়। পুতেকে মাকক সাক্ষাৎ লক্ষ্মী গোঁসানী বুলি ভাবে।

এনে স্থলত কণকাক অসহায় বুলি ভবা ভুল। সঁচাকৈয়ে মই বৰ ভুল অনুমান কৰিছিলোঁ। লুইতৰ পাৰৰ কলতলী আৰু আম গছৰ মাজৰ খেৰৰ ঘৰটোত আঠ-ন বছৰীয়া ছোৱালী এজনীৰ লগত আজি কালি কণকা থাকে। এনেকৈ থাকিলে পোনতে কেওকিছু নথকা তিৰোতা যেন লাগে। অৱশ্যে কণকাৰ কেৱল মতাটোহে মৰিল। আন ফালে তাইৰ অৱস্থা জয়-জয় ময়-ময়।

চম্পাক সুধিলোঁ, তাইনো এনেকৈ অকলে থাকিব লাগিছে কিয়? পুতেক বা জীয়েক এজনীৰ ঘৰলৈ গ'লেই হ'ল দেখোন।

চম্পাই ক'লে, "ইংৰাজী পঢ়ি তই দেখিছোঁ মানুহৰ মনবোৰো বুজিব নোৱাৰা হ'লি। এই বহমপুতখন, এই বালিডৰা, এই ওখ চাপৰ টিলাবোৰ,—কণকাই কি সহজে এৰি যাব? তই নুবুজ, যি বহমপুতৰ পাৰত ডাঙৰ হৈছে, সি ইয়াৰ মায়া এৰিব নোৱাৰে।"

কণকাই আন ঠাইলৈ যাব নোৱাৰে। বহমপুতৰ হাৱা-পানী তাই এৰিব নোৱাৰে। চলপুৱাতে ধাৰি-পাটী এৰি তাই বহমপুতখন পোনতে চাই নল'লে, বহমপুতৰ জুৰ্ জুৰ্ বতাহে তাই গাত আলফুল পৰশ নিদিলে, তাইৰ হিয়া শাঁত নপৰে। ইয়াৰ পাৰতে তাই পৃথিৱীৰ প্ৰথম পোহৰ দেখিলে। ইয়াতে তাই পীৰিতিৰ ৰীতি চিনি পালে। ইয়াতে তাই থাকি বহমপুতৰ জিলিমিলি ঢৌৰ লগত গাভৰু মনৰ বং মিলাই দিলে। ইয়াতে তাই বোৱাৰী হ'ল, এজনক দেহ-মন সঁপি দিলে। ইয়াতে তাই পো-জীৰ মুখ দেখিলে। সকলো বিবৰ্ত্তনৰ গতি-প্ৰবাহ এই বহমপুতত মিলি আছে। তাই ক'লীবাৰী এৰিব নোৱাৰে। বহমপুতেও বিনা সোঁতে নেথাকে, তায়ো কৰ্ম্মৰ ছন্দ-স্ৰোত বিসৰ্জন দি বাৰ্দ্ধক্য অতিবাহিত কৰিব নোৱাৰে। পুৱাই খদমদম লগাই বহমপুতৰ পাৰে পাৰে গৈ মাছ কিনিবই লাগিব। মাছ দবোৱা মানুহৰ লগত কেৰ-জেৰ কৰি মুখৰ খজুৱতি মাৰিবই লাগিব। তাই এনেকৈ ব্যস্ততাৰেহে

জীয়াই থাকিব পাৰে। পুতেক বা জীয়েকৰ লগত থাকি জড় হ'ব নোৱাৰে।

এৰা, চম্পাই কণকাৰ কথা ঠিকেই কৈছে। তাই 'জঠৰ' হৈ, 'গোমোঠা' হৈ 'মৰকেলেপ্' হৈ থাকিব নোৱাৰে। তাই কণকা সদায় দেখা কণকাই। তাইক বয়সে বাৰুকৈয়ে চেলেকিলে; পিছে তাই বুঢ়ী হ'বলৈ মান্তি নহল। তাই আগৰ দৰেই স্বাস্থ্যৱতী। অৱশ্যে বয়সানুক্ৰমে। সেই মতে তাইৰ কথা-বতৰাও বয়সে অচঞ্চল আৰু জ্ঞান-সমৃদ্ধ কৰি তুলিছে। তাই সক্ষম হৈ আছে। তাই কাম কৰি ভাল পায়। এতিয়াও বহমপুতত উটি অহা খৰি সাঁতুৰি ধৰে আৰু এতিয়াও তাই ডবল কুঠাৰেৰে খৰি ফালে। তাই এদিন চম্পাক কৈছিল, "যিদিনাই দেখিবি যে মই কাম-বন কৰিব পৰা নাই, সেই দিনাই ভাবিবি, তোৰ কণকা আৰু মৰিল।"

আমাৰ ঘটনাৰ 'সূত্ৰধাৰ' চম্পাৰ মতে এইখিনিতে কণকাৰ বিষয়ে আৰু এটা কথা উল্লেখ কৰা ভাল হ'ব। কথাটো হ'ল, কণকাক বেয়া বোলোটা কোনো নাই যদিও তাই জটিল ধৰণৰ তিৰোতা। পোহাৰ কৰি তাই বেচ্ ধন পায় কিন্তু সেই মতে সাঁচতীয়া পইচা নাই। কেনেকৈ খৰচ হয় ক'ব নোৱাৰি। চেষ্টা কৰিও চম্পাই একো ধৰিব নোৱাৰিলে। চম্পাই তিনি ধৰণৰ সন্দেহ কৰিছিল। টকা সাঁচি তাই জুলাপী পোহাৰীৰ পুতেক কাঠ-বাঁহৰ ঠিকাদাৰটোৰ দৰে পকা ঘৰ সাজিব খুজিছেনে কি? মুখেৰে যি পইচা নাই-নাই বুলি কৈ থাকে সেইবোৰেহে টকা সাঁচে। আৰু সাঁচিব পাৰেও। আন ক'ৰবালৈ এই টকা পঠিয়ায়নে কি? হ'বও পাৰে। কিজানি জোঁৱায়েক ভুটা বৰ বসজীপ থকা মানুহ নহয়। ছোৱালী চাগৈ দুখত পৰিছে। সহিব নোৱাৰি চাগৈ সিহঁতলৈ টকা পঠিয়ায়। কি ঠিক? পুতেকো যদি ফোপজহী! তাৰ চাকৰীটো কিজানি অতি সাধাৰণ! এতিয়াৰ ল'ৰাৰ পোছাক-পত্ৰ দেখি কেনেকুৱা চাকৰী কৰি আছে, তাঁৰ একো মহিমা বুজা

টান। কথাতে কয় বোলে—ফোপজহী ৰঙাই, তেৰীয়াকৈ পোহ্‌ মাৰি ঘূৰি ঘূৰি চায়।......

কিন্তু চম্পাৰ সন্দেহ এটাও সঁচা নহ'ল। তাইৰ কণকালৈ আৰু সন্দেহ বাঢ়িলে আৰু কৌতূহলো হ'ল। কণকাই কথাটোৰ উমান পালে। তাই বৰ সিয়ান। বৰশীৰ ৰচিডাল দেখিলেই সাত যোজনৰ আঁতৰত থকা চিতল-খৰিয়া। কণকাই এদিন মুখখন এভাৰ কৰি ক'লে, "চম্পা, তোৰ মতি-গতি মই ভাল দেখা নাই। ৰিপুৱা থাকিলেই গড়গাৱঁৰ চোৰ ধৰা নপৰে। তই একো পথ্যে উৰহী গছৰ ওৰ নেপাৱ। শুন, মোৰ সৈতে যদি ভালে থাকিব খুজিছ, তেনেহলে মোক নিজৰ কথা, ক'ত কেনেকৈ টকা খৰচ হয়,—এই-বোৰ কথা আজিৰ পৰা সুসুধিবি। মোৰ খুচী হ'লে মই বহমপুতত টকা দলিয়াই পেলাম। তোৰ কি ?"

কণকাক চম্পাই যিমান ভাল পায় সিমান ভয়ো কৰে। সেই দিনাৰ পৰা তাই কণকাক একো ব্যক্তিগত কথা সোধা নাই। আনেও কণকাৰ গোপন কিবা আছে বুলি নেজানে; গতিকে কাৰো মুখত কোনো কথা কোৱা-কুই নহয়। তত্বপৰি কণকাৰ এতিয়া যি বয়স,—প্ৰায় তিনি কুৰিৰ ওচৰা-ওচৰি—এই বয়সত গোপন কিবা ৰহস্য আছে বুলি কল্পনাই কৰিব নোৱাৰি। বহমপুতৰ শুকান বালিত পেলাই চোৱা প্ৰতিটো মাছেই জলজল পট্‌পট্‌। মাছ চলাথ কৰিবলৈ হ'লে বহমপুতৰ দ' পানীলৈ নামিব লাগিব। আৰু, এতিয়া কণকাৰ বয়সক বহমপুতে বালি-চাপৰি কৰিলে।

চম্পাই কয়, "কিন্তু সৰুমণি, হেজাৰ হওক, এদিন ওৰহী গছৰ ওৰ ওলাবই। চীনাৰ 'পতাপ'ত তেজপুৰ-ক'লীবাৰীৰ মানুহ কাঁহি চিটিকা দিয়াৰ সময়তহে কণকাৰ সকলো ৰহইচ্‌ ভু পাই গ'লোঁ। সেয়া বাৰু পাছ কথা। এতিয়া সাধ্যতে আমাৰ ইয়াৰ মানুহ ত্ৰাহি মধুসূদন কেনেকৈ হ'ল,—সেই কথালৈকে আহোঁ। ইস্‌ এতিয়াও মনত পৰিলে গা চেং-চেঙাই যায় ঐ! এইবোৰ চীনা শত্ৰুক নহয়,

যেন চৈ দিয়া নাৰতকৈ ডাঙৰ একো একোটা ঘৰিয়ালহে। অথচ কোনো এটা তেজপুৰীয়াই সমাজিকতো চীনা এটা দেখিছেনে নাই সন্দেহ। চীনা কোঁচ-কোঁচনি শুনিবলৈ নৌ পাওঁতেই পোনতে ইয়াৰ বৌ-বৰালিবোৰহে পলাই পত্ৰং দিলে। ডাঙৰ মানুহৰ মূৰহে ডাঙৰ, কলিজা নাওমান। তেনেই চেলেকণা মাছৰ কলিজা.........”

এইবাৰ পূজাৰ কেইদিনমানৰ পাছৰে পৰা দেশখন তেনেই তল-ওপৰ হ'ল। বজাৰে-সমাৰে আপিচে-কেচাৰিয়ে কেৱল যুঁজৰ কথা। মাছ বেচি ঘূপৰীয়া যেতিয়া চম্পা আৰু কণকা আমোলাপট্টিয়েদি আহে, তেতিয়া সিহঁতৰ ভাব হয়, কথা গইনেই। এই বাকচে কথা কোৱাবোৰ—এ কিবা বোলেনে,—ৰেডিঅ'বোৰ একে সময়তে বাজি উঠে। মানুহ সেইটোৰ কাষত থুপ খায়। সেইটোত যুঁজৰ খবৰ আছে। আলিয়েদি আহি থাকিলেই সকলো শুনিব পাৰি। কাৰণ এটা পত্থলি-মুখত যি শুনা যায়, ইটো পত্থলি-মুখ পাওঁতে শুনাৰ অসুবিধা নহয়। এটাৰ পৰা মুশুনাখিনি আন এটাত স্পষ্টকৈ ওলায়।

ছুদিনমান এনেদৰে ৰেডিঅ' শুনাৰ পাছত চম্পা আগৰ দৰেই থাকিল। কিন্তু কণকাহে কিবাজনী হৈ পৰিল। তাই অনবৰত চিন্তা কৰি থাকে। কণকাই সুধিলে, “চম্পা, অপসৰণ মানে কিনো?” চম্পাই ক'লে, “বুজি নেপাওঁ দে।” কণকাই বিজ্ঞৰ দৰে মাত দিলে “অপদস্থ হোৱাৰ দৰে কিবা এটা চাগে। চীনাক চাগে আমাৰ ডেকাবোৰে অপদস্থ কৰিছে।”

আকৌ কণকাই সুধিলে, “এইবোৰৰ অৰ্থ কি?—ৰণাঙ্গণ সঙ্গীণ হৈ পৰিছে। মানে? শেহত গৈ পোহাৰীয়েও কথা নুবুজা হ'লোঁ! এনেদিন আছিল!”

চম্পাই উত্তৰ দিলে, “ময়ো মাথা-মুণ্ড বুজি নেপাওঁ। এইবোৰ অসমীয়া মাত-কথা নহয় হ'বলা।”

—“হয়। 'গ'মেণ্টৰ মাত-কথাবোৰ এনেকুৱাই যেন পাইছোঁ। 'ৰেডিঐ'টোলৈ এইবোৰ কথা 'গ'মেণ্টে'হে পঠায় বুলি শুনিছোঁ।”

'গ'মেণ্টে বুজাকৈয়ে যদি কয়, উকীলে কাৰ ওচৰত ক্লালেঙী হৈ টিঘিল-ঘিলাই থাকিব ?"

"এৰা, চম্পা। বাৰু, সাতে পাছে তই কি বুজিলি ? আমি যুঁজত জিকিছোনে হাৰিছোঁ ?"

"কিজানি চীনা বাওনাইঁতে থকা-সৰকা কৰিছে। মানুহ এটাই তেনে বুলিয়েই ক'লে। 'মেলেক্‌টাৰী'ৰ গাড়ীবোৰহে যেনেকৈ দিনে নিশাই চলিছে! কথা বিষম। ওপৰতো উৰা-জাহাজৰ গোঁ-গোঁৱনি দিনে দিনে চৰিহে গৈছে। চিপাহীৰ ধৰফৰ-ধাৰফাৰ দেখিয়েই বুজিছোঁ,—আমাৰ ফালে শনিয়ে তেৰাকৈ চাইছে।"

"এৰা, ময়ো তেনে বুলিয়েই ভাবোঁ।"

তাৰ পাছৰ দুদিন কণকাক দেখিবলৈ নোপোৱা হ'ল। তাইৰ হেনো পইচাৰ অভাৱ হৈছে। তাই মাছৰ পাচি এৰি ঘৰে ঘৰে উঠনা আদায় কৰাত লাগিছে। ক'লীবাৰীৰ পুব মূৰে থকা মাটি-কণৰ আধিৰ ধান অনালে আৰু তাকে বেচি টকাও ল'লে। সেই দিনা পুতেক জলধৰ আহি পালেহি। সি ক'লে যে এতিয়া তেজপুৰ নিৰাপদ ঠাই নহয়। মাকক সি মঙ্গলদৈলৈ যাবলৈ বৰকৈ ধৰিলে। কণকা কিন্তু অচল অটল। তাই পুতেকক ভালকৈ এজোলোকা দিলে, "এইখন বাণৰজাই পতা ঠাই। ইমান বছৰ মানুহ ভগা নাই আৰু কেতিয়াও ভাগিব নেলাগে। মানবোৰেও জানো তেজপুৰ-ক'লীবাৰীৰ গাৰ নোম এডাল ল'ৰাব পাৰিলে ? তয়ো মোক বুজাব পৰা হ'লি ?"

কিন্তু পাছদিনা পুৰাই বাণৰজাৰ দিনৰ বামুণৰ পৰিয়ালৰ ত্ৰিশঙ্কু ভট্টাচাৰ্য্য নিজৰ মটৰ গাড়ীৰে পলাল। মাৰোৱাৰী পলাল, দেচুৱালী পলাল। তেজপুৰ বিঙা বিঙা হ'ল। মাছৰ বজাৰত বেচোতাতকৈ কিনোতা কম। পাচিৰ মাছ পাচিতে জহিল।

দুপৰীয়া কণকা ঘৰত বহি আছে। হঠাতে তাইৰ লগত থকা নাতিনীয়েক ফুলমতী কান্দি-কেকুৰি উধাতু খাই তাইৰ ওচৰত

ৰ'লহি। তাই জলধৰৰ জীয়েক। ছোৱালী স্কুলৰ ক্লাচ ক'ৰত পঢ়ে। তাই কান্দোন নথমাই ক'লে বোলে সিহঁতৰ মাষ্টৰণীও স্কুল এৰি থৈ ভাগিছে। এজনীক মটৰ গাড়ী এখনেৰে গিৰীয়েকেই লৈ গ'লগৈ। সেইজনীয়ে ক্লাচৰ ছোৱালীবোৰক কৈ গ'ল যে সিহঁতো অতি শীঘ্ৰে তেজপুৰৰ পৰা পলাওক। মাষ্টৰণী নিজে গুৱাহাটীলৈ যাব বুলি ক'লে। ইয়াকে শুনিহে কণকাই ধোঁৱা-কোঁৱা দেখিলে। শেহত তেনেহলে বাণৰজাই পাতি থৈ যোৱা নগৰৰ পৰা মানুহ ভাগিবলগীয়া হ'ল? দেশ-কাল আৰু উলটিল। তাই এটা তপত হুমুনিয়াহ কাঢ়িলে। নীতিনীয়েক ফুলমতীৰ চকু দুটা উখাইছে। তাই কঁপি আছে। খুব ভয় খাইছে। সিহঁতৰ 'বাইদেৱেকে'ই যদি ইয়াৰ পৰা ভাগি কোনোবা চুবুৰী পালেগৈ, তাই এইখন তেজপুৰত থাকি চীনাৰ গুলী খাবলৈহে বৈছে? সেই দিনাই মধু ঘাটুৱৈৰ পুতেকৰ হতুৱাই কণকাই নাতিনীয়েকক মঙ্গলদৈত থোৱালেগৈ।

সন্ধিয়া তাই চম্পাৰ তালৈ আহিল। চম্পাই বস্তু-বাহানি সামৰিছে। কিছুমান সৰু সৰু টোপোলা বান্ধিছে। ভালেমান মানুহ গৈছে যেতিয়া তায়ো যোৱাৰ কাৰণে সাবধান হৈ থকা ভাল। পিছে কণকাৰ মুখ দেখি ধৰিব নোৱাৰি যে তেজপুৰলৈ দুৰ্য্যোগ আহিছে।

"চম্পা, নাতিনীক আজি পঠালোঁ। এতিয়া তোক পঠোৱাৰ পাছতহে মোৰ চিন্তা ভাগিব।"

"এইবোৰ কি কৈছ? সকলো ভাগিবলগীয়া হলে তয়ো জানো নেভাগিবি?"

"ক'লীবাৰীখনলৈ মোৰ বৰ মায়া আছে অ'। মই ভাগিম বুলি দেখোন মোৰ মনে নকয়। দুপৰীয়া বহমপুতত গৈ এসোটা কান্দিলোঁগৈ। বহমপুতক মই গোপনে ক'লোঁ,—'তুমি মোৰ সমিধান দিয়া। ময়ো বাৰু ক'লীবাৰী এৰিব লাগিবনে?'—বহমপুতে মোক উত্তৰ দিলে। মই বুজিলোঁ। বতাহেৰে দাঁতিৰ গছ-গছনি

ৰিব্‌ৰিবাই সোঁতেৰে শিলত খলক লগাই বাবা বহ্মপুত্ৰে যেন ক'লে—'এৰিব নেলাগে। তেজপুৰ ক'লীয়নীত তহঁতেই থাকিবি। ইয়ালৈ আহি চীনাই অতপালি কৰিবলৈ নেপায়।' আৰু জান চম্পা, বাবা বহ্মপুত বৈ আহিছে যুঁজ লগা ঠাইৰো ওপৰৰ পৰা।"

চম্পাৰ ঘৰত তাই ভালেমান পৰ থাকিল। তাই ফেকুৰিলে। তাই এখোজো নল'বো বুলি অগ্নিগড়ৰ দৰে অচল অটল। অথচ ঘৰ এৰিবলৈ বাট চাই থকাবোৰে নতুবা ইতিমধ্যে এৰি যোৱাৰ ভিতৰত কোনোৱেই চাগে এনেকৈ সক ছোৱালী এজনীৰ দৰে ফেকুৰা নাছিল। চম্পাৰ কৌতূহল হ'ল। কাৰণ সুধিলে। কিন্তু আজিও কণকাৰ আগৰ দৰেই উত্তৰ, "নিজৰ দুখত নিজে কান্দিছোঁ। তোক জানো গোচৰ সুধিবলৈ দি কান্দিছোঁ? তই সুধিবৰ কোন?"

কণকা আকৌ আগৰ দৰে কৰ্কশ হৈ পৰিল। সেয়েহে চম্পা পোহাৰীৰ আৰু দুখ লাগিল। তাই চিলিমত ধপাত জ্বলাই কণকাৰ হাতত দিলে। কণকাই অনিচ্ছাৰে চিলিমটো হাতত লৈ এহোপা মাৰিলে; ইয়াৰ পাছৰ হোপাটো আৰু দীঘলীয়া। ভালেমান ধোঁৱা গিলি তাতোকৈ বেছি ধোঁৱা নাকে-মুখে উলিয়াই দি চিলিমটো চম্পাৰ হাতত দিলে। তাইৰ মনটো পাতল পাতল লাগিল হ'বলা। বিপিনৰ দোকানৰ লালী দিয়া ধপাতৰ বৰ গুণ। কণকাই লাহে লাহে ক'লে, "চম্পা, মিছায়ে তোক এনেকৈ বকিলোঁ। মই বহুত কাৰণত কান্দিছোঁ। কিয়নো, সকলো গ'লেও মই ক'লী-বাৰীৰ পৰা যাব নোৱাৰোঁ। যদি মই চীনাৰ হাতত নমৰোঁ, তেতিয়াহে ইয়ালৈ ঘূৰি আহি মোৰ কথা জানিব পাৰিবি। মই সহায়-সাৰথি থকা তিৰোতা। সেয়েহে আনক অসহায় দেখিলে মৰি যাবৰ মন যায়।"

কণকাই কিয় এনেকৈ ক'লে—চম্পাই একো বুজিব নোৱাৰিলে। তাই কণকাৰ লগত কণকাৰ ঘৰলৈকে ওলাল। ইতিমধ্যে চৰকাৰী

গাড়ী এখনে চাৰিওফালে মাইকত ঘোষণা কৰিছে—'ৰাইজ, এই ঠাই নিৰাপদ নহয়। ইয়াৰ পৰা আঁতৰি যোৱাই মঙ্গল।' ইত্যাদি।

কণকাৰ ঘৰটো তিনি খুতলীয়া। এটা কোঠাতে শোৱে, এটাত ভাত ৰান্ধে আৰু ইটো গোঁসাইঘৰ কৰিছে। তাত এখন ডাঙৰ থাপনা আছে। থাপনাত এখন ডাঙৰ সাঁচিপতীয়া পুথি আছে। ইয়াতে কণকাই দিনে দুবাৰ সেৱা কৰে। সদায় থাপনাৰ ওচৰত পুৱা-গধূলি ধূপ-ধুনা জ্বলে। এইখন পুথিত সেৱা কৰিয়েই হেনো কণকাই বহুত বিপদত মনৰ বল পাইছে! তাই 'ক'ৰ চুক চিনিব নজনা তিৰোতা। পুথিত কি পদ-দুলড়ি আছে তাই ক'ব নোৱাৰে। কিন্তু গদগদ হৈ প্ৰণতি জনোৱাৰ সময়ত যেন পুথিভাগে তাইক সকলো মৰ্ম কৈ পেলায়। তাইহে পঢ়িব নোৱাৰে। একালত,—বহুত বহুত বছৰৰ আগতে,—তাইৰ ককাক-আজুককাকহঁতে হেনো এইবোৰ আখৰ চিনি পাইছিল। এইখন পুথি তাই বাপেকৰ পৰা পোৱা। বাপেক মৰিবৰ সময় চমু চাপি আহিলত জীয়েকক সেহাই সেহাই ক'লে, "আই অ', দেখিছোঁ, তোৰহে ধৰম-কৰমলৈ মতি বেছি। ঘৰৰ বাকীবোৰত মোৰ সম্ভাত নাই। পুঁথিভাগ তয়ে নে। ভালকৈ চম্ভালি ৰাখিবি।"

তেতিয়াৰে পৰা এই পুথি কণকাৰ ঘৰত আছে। পুথিখনৰ আঁতিগুৰি বহুত। এসময়ত শঙ্কৰদেউ ৰজাৰ অত্যাচাৰত বৰদোৱাৰ পৰা দৰঙৰ ফালে ভাগি আহিছিল—কোচবিহাৰৰ ফালে ভটীয়াই যাবলৈ। বহমপুতেদি তেখেতক নাও বাই আনিছিল দামন দাসে। দামনে শঙ্কৰ গুৰুক সেৱা কৰোঁতে একাকি কাকুতি ঘোষা মাতিছিল—'মোকে কৃপা কৰা হৰি এ, দান্তে ধৰোঁ তৃণ, মাথে ধৰোঁ তৃণ……। তেওঁৰ সুললিত মাত আৰু ঘোষাৰ প্ৰতিটো শব্দৰ নিৰ্ভুল উচ্চাৰণ শুনি শঙ্কৰ গুৰুৰ বৰ আনন্দ হ'ল। দামনক সুধি গম পালে যে সি আখৰ পঢ়িব পাৰে। নাৱত তুলি অনাৰ কাৰণেও দামনৰ সহায় তেখেতে সাধাৰণ বুলি নেভাবিলে। এখনি পুথি

তেখেতে দামনক দিলে। এই দামনেই কণকাৰ বাপেকৰ কোনোবা উপৰি পুৰুষ। পুথিখনৰো মাহাত্ম্য অসীম। ইয়াৰ দুটিমান অধ্যায়ৰ আখৰ শঙ্কৰ গুৰুৰ নিজৰ।

পুথিভাগি এতিয়া কণকাই ভাৱস্তিৰে সেৱা কৰিলে। চম্পায়ো আঠু ল'লে। কণকা এতিয়া সম্পূৰ্ণ সুকীয়া তিৰোতা হৈ পৰিল। ভয়হাৰী ভগৱন্তৰ তাইলৈ কৃপাদৃষ্টি আছিল। তাই সেৱা কৰি কৰি সৰু সৰুকৈ উচ্চাৰিলে, "হে প্ৰভু, হে পূৰ্ণকলা শঙ্কৰ প্ৰভু, আমাক বল দিয়া। তোমাৰ হাতৰ লিখা পুথি যি ঠাইত আছে, তালৈ আহি জানো চৌনাই অতপালি কৰিব পাৰে? তুমিয়েই দেখোন নিৰ্ভয় হ'বলৈ কৈছা। তুমিয়েই দেখোন গীত ৰচিছা—শুন শুন ৰে সুৰ, বৈৰী প্ৰমাণা নিশাচৰ নাশ নিদানা……"

সেৱা কৰাৰ পৰা উঠাৰ পাছত চম্পাই লক্ষ্য কৰিলে, কণকাৰ চকুত দুধাৰি ভক্তি-বিগলিত অশ্ৰু। কণকাজনীয়ে যে ইমান গীত-পদ জানে, ইমান ভক্তিৰ কথা জানে আৰু তাইৰ ইমান ঈশ্বৰ-ভক্তি, চম্পাই আজিহে বুজি পালে।

চম্পাই কয়, "ইয়াৰ মানুহ ভগাৰ কথা তই চাগৈ বহুতৰ মুখে শুনিছ। বাতৰিবোৰেও ছপাইছে চাগৈ। কিন্তু যিমান শুনিছ বা যিমান পঢ়িছ, তাতকৈ দুখ-দুৰ্গতি আৰু বেছি। কেইটামান বুঢ়া বহমপুত্ৰৰ বালিত ফেৰিলৈ খপি থাকোঁতেই থেৰেঙা লাগিল। এটা মৰিল। পোৱাতী তিৰোতা যেতিয়া ঘৰৰ পৰা প্ৰাণ বচাবলৈ ঢাকুৰিব লগা হ'ল আৰু যেতিয়া নিজ চকুৰে দেখা পালোঁ যে কোনোজনী হেজাৰ বিজাৰ মানুহৰ মাজত প্ৰসূতী হ'বলগীয়া হ'ল, তেতিয়াহে ভাবিলোঁ, হে ঈশ্বৰ, এইবোৰ দেখা পোৱাৰ আগতেই মোক মাৰি নিনিলা কিয়? মানুহ-দুমুহবোৰ যে কি হৈ পৰিছিল। বাচত, ফেৰীত, সকলোতে প্ৰতিটোৱেই যেন একেটা আপোনবলিয়া অন্ধলা। আৰু এই সুবিধা লৈয়ে যে কিছুমান মানুহে কিমান টকা ঘটিলে! নলবাৰীলৈ এখন মটৰ গাড়ীৰ ভাড়া হ'ল নশ, এহেজাৰ।

ফেৰীৰ ঘাটলৈ এশ। চিধা ফেৰীয়েদি নগাঁৱলৈ পোন্ধৰ শ। বিয়া এখনকো ঘাটলৈ আঢ়ৈ কুৰি টকা ভাড়া লাগে। এইবোৰ চাগৈ শুনিছুই; নকওঁ বাৰু। এতিয়া কণকাৰ কথালৈকে আহোঁ। বুইছু সকমণি, এনেকুৱা বিপদ-বিঘিনিয়ে কিছুমানক মহৎ কৰে, আৰু বেছি ভাগকে কৰে দুৰ্ঘোৰ স্বাৰ্থপৰ। কণকা পিছে মহৎ আছিল। তাইক মই ইমান দিনে চিনা নাছিলোঁ।......”

সেই ৰাতি কণকা শোৱা নাছিল। নমান বজাতে ক’লীবাৰী নিমাত নিজম। বহমপুত বাবাও শিল যেন গহীন। বহমপুতৰ বতাহে ক’লীবাৰীৰ কাকিনী তামোল এজোপাৰ পাত এটাও লৰোৱা নাই। কল গছবোৰ, আম জামুৰ গছবোৰ বাহী বিয়াৰ চোতালৰ কইনাজনীৰ দৰে থৰ লাগি থিয় দি আছে। বহমপুতৰ বুকত দুখৰ কুঁৱলীয়ে আঠুৱা তৰিছে। মৰিশালীৰ টিমিক-টামাক জুইকুৰাৰ দৰে ক’লীবাৰীৰ আলিৰ ওপৰত মাজে মাজে দুই এটা চাকি জ্বলিছে। এনে অৱস্থাত কণকাৰ চীনা শতুৰুলৈ মনত পৰা নাই, যুঁজৰ বিভীষিকাৰ কথাও ভবা নাই। বহমপুতৰ বালিত যাত্ৰীৰ খোৱা-কামোৰা কৰাৰ কথাও ভবা নাই। তাইৰ চেৰেং চেৰেংকৈ মনত পৰিছে এটা মানুহলৈ। কণকাৰ পৰা আধা মাইল নিলগত পূব ফালে সি থাকে। অকলে। নাম বাহুলা। তাই ভাবিছে, সি বাৰু জাৰ পাইছেনে? বিষটো বা আজি বাৰু পালেনে নাই? হয়তো ওচৰৰ মানুহবোৰ ভাগিল। কিন্তু যাবৰ সময়ত চাগৈ তাৰ কথা এবাৰ সিহঁতে ভুলতো নেভাবিলে। এতিয়া চাগৈ সি আকাশ আৰু বহমপুতলৈ চাই তাই আহিব বুলিয়েই ভাবি আছে।

তাই সুক্কা মাৰি বাহুলাৰ ওচৰ পালেহি। যোৱা পাঁচ দিনৰ পৰা তাই ইয়াৰ ওচৰলৈ দিনে তিনিবাৰকৈ আহি আছে। তাৰ ওচৰত তাই খুব আশঙ্কিত যেন নেদেখুৱালে। ক’লে, “বিষটো বাৰু পাইছনে?” সি ক’লে, “অ’, আজি আন দিনাতকৈ বাৰু পাইছোঁ।” বাহুলাই যে বিষ বাৰু পোৱা নাই একেবাৰে সঁচা কথা। সি কাঁকি

দিছে। তাই আকৌ সুধিলে, "ৰামবিলাসে মলমটো ঘঁহি দিছিলনে?" ৰামবিলাস বিহাৰী ল'ৰা। সি বাহুলাৰ লগত থাকে। ভাত-পানী ৰান্ধে। মাহে পোন্ধৰ টকা লয়। বাহুলাই এইবাৰ সঁচা কথাকে কোৱা উচিত বুলি ভাবিলে,—ৰামবিলাসো আজি গ'লগৈ। সিয়ো ভয় খাইছে। এতিয়া মানে কি জানি সি আমিনগাওঁ পালেগৈ।"

"ভৰিটো অকণমান ওপৰলৈ দাঙিব পাৰিবিনে?"

"জানো, পাৰোনে চাওঁ।"

বাহুলাই বাওঁ ভৰিটো ওপৰলৈ দাঙিবৰ নিষ্ফল চেষ্টা কৰিলে। কণকাই ক'লে, "কাইলৈ মানে পাৰিবি। আজি আকৌ ইটো দৰব নেপালোঁ।" এইবাৰ কণকায়ো ফাঁকি দিলে। চহৰত যে দোকান-বজাৰ নাই, আনকি ডাক্তৰ কবিৰাজৰ দোকানো বন্ধ হৈছে,—এই কথা তাই বাহুলাক নজনালে।

মই চম্পাক সুধিলোঁ, "ইহঁতৰ যে এনেকৈ কথা-বতৰা হৈছিল, তই কেনেকৈ জানিলি? পাছত কণকাই কৈছিল?"

চম্পাই ক'লে, "মই ৰাতি আকৌ কণকাক বিচাৰি তাইৰ ঘৰ পালোঁগৈ। তাই নাই। এবাৰ ওচৰে পাজৰে চালোঁ। কাৰো চাকি জ্বলা নাই। পূৰলৈ আগুৱাই গৈ থাকিলোঁ। ক'তো মানুহ থকাৰ চিন-চাব নাই। হঠাতে এঠাইত চাকি এটা জ্বলা দেখিলোঁ আৰু লগে লগে কণকাৰ মাতো শুনিলোঁ। হঠাতে মনত পৰিল এটা কথা। কণকাই তাইৰ বিষয়ে একো কথা সুধিবলৈ মানা কৰি থাকে। সেই গতিকেই ভিতৰ নোসোমালোঁ। ইমানকে শুনি আকৌ কণকাৰ পিৰালিত থিয় দি ৰ'লোঁহি। এইটো যে বাহুলাৰ ঘৰ মই জানোঁ। এইটো মানুহৰ নাম কণকাই ভুলতো উচ্চাৰণ কৰা নাই। ওচৰতে বটু কেৰাণীৰ ঘৰ। সোঁকাষে থাকে পুঠীমাই পোহাৰী। সিহঁতৰ ঘৰলৈ মোৰ আহ-যাহ আছে। বাহুলাৰ ঘৰলৈ কণকা এনেকৈ গৈ থাকে বুলি সিহঁতে নিশ্চয় এদিন কথাৰ চলতে উলিয়ালেহেঁতেন। কণকা সেইকালে বিশেষ কাম নেথাকিলে

নেথায় বুলিয়েই মই জানোঁ। দিনৰ ভাগততো তায়ে ময়ে প্ৰায় একে লগেই থাকোঁ।.........”

বাচ্চুলা কোন মোৰ জানিবলৈ বৰ আগ্ৰহ হ'ল। এই মুহূৰ্ত্ততে চম্পাই তাৰ কথা উলিয়াব বুলি একো নুসুধিলোঁ। মই ক'লীবাৰীত থকা কালত বাচ্চুলা ইয়াত নাছিল। তাৰ আগতে যদি আছিল বা সৰু কালতে তাৰ কথা যদি শুনিছিলোঁ,—এতিয়া সেইবোৰ মোৰ মনত নাই। চম্পাই অনৰ্গল কৈ যোৱা কাৰণে তাইক বাধা নিদিলোঁ। তাই খুব আবেগেৰে কৈছে। এনে সময়ত প্ৰশ্ন সুধি তাইক আমনি দিলে পোন কোবেই বাজি উঠিব,—“বণি কানাইৰ পুতেক, চুপ থাক। আগতে গোটেইখিনি কৈ ল'বলৈ দে। তই দেখিছোঁ এতিয়াও ধৈৰ্য্য ধৰিব পৰা নহ'লি।...”

এঘণ্টামানৰ মূৰত কণকা ঘৰলৈ আহিল। চম্পা যে বাচ্চুলাৰ তালৈ গৈছিল, এই কথা তাই জানিবলৈ নিদিলে আৰু পাছতো ন'কলে। চম্পাই ক'লে, “মই তোক লগ পাবলৈকে বৈ আছোঁ। তই ক'লৈ গৈছিলি ?”

“মই য'লৈকে গ'লোঁ লাগে, তোৰ কি হ'ল ?”

“সুধিছোঁহে। ভাবিছোঁ, তই কিজানি দক্ষিণ পাৰ হ'বলৈকে ওলালি।”

“তোৰ ভয় লাগিছেনে কি ?”

“কৈছহে।”

চম্পাই ধীৰে সুস্থিৰে কথাটো উলিয়ালে। তাই কাইলৈ দক্ষিণ পাৰলৈ যাব। কণকা যাবনে নেযায়, তাৰ শেষ কথা জানি ল'বলৈ ৰাতি আহিছে। কণকাই একোপধ্যে যাবলৈ মান্তি নহ'ল। তেতিয়া ৰাতি প্ৰায় দহটা বাজিছে। কেৰী আৰু মিলিটেৰী মটৰৰ বাহিৰে ক'তো প্ৰাণৰ সহাঁৰি নাই। কণকাৰ লগত চম্পাৰ ভালেখিনি পৰ আলাপ-আলোচনা হ'ল। কণকা যে নেযায় চম্পাই ভালকৈ জানিলে। কিন্তু এইক এৰি তাই কি সতেৰে দক্ষিণ পাৰলৈ যাব ?

চম্পাই মোক কয়, “কণকাৰ অনেক লেঠা, অনেক মায়া। তাই অলেখ দোধোৰ-মোধোৰত পৰিছে। ঘৰত যে পুথিখন আছে সেইখনৰ বলতে হেনো বৰ্ত্তি আছে। কিন্তু সেই পুথিখনে তাইক খুব আহুকালহে দিছে।”

পুথিখন ভালেমান গধুৰ। এইখন ভাৰ বৈ ততাতৈয়াকৈ এঠাইলৈ ভাগি যোৱা যায় কেনেকৈ? বাচ আৰু ফেৰীত মানুহৰ সন্ধি নাই। ইয়াত যেন মানুহ যোৱা নাই, বস্তু-বাহানিয়ে নিকপকপীয়াকৈ বোজাই কৰা হৈছে। কণকা আবেলি ফেৰীঘাটৰ ফালে গৈছিল আৰু এটা কথা জানিহে তাই হতাশ হৈছিল যে তাই যদি দক্ষিণ পাৰলৈ যাবলগীয়া হয়, পুথিখন শুচি কৰি কঢ়িয়াই নিব পৰা নহ’ব বাচ আৰু ফেৰীত নানান ধৰণৰ মানুহ—হিন্দু, মুছলমান, হিন্দী কোৱা, ইংৰাজী কোৱা ইত্যাদি। আবৰ, মিচিমি, চিংফৌ আদি জাতৰ মানুহো আছে। এই ম্লেচবোৰ যোৱা বাচ ফেৰীত উপৰি-পুৰুষে দি যোৱা পুথিখন নিয়ে কেনেকৈ? কেনেবাকৈ পুথিৰ দায়-জগৰ লাগিলে তাইৰ ইহকালে পৰকালে সদগতি নহ’ব। অথচ পুথিখন উত্তৰ পাৰৰ পৰা সৰকাই দক্ষিণ পাৰৰ এখন ভাল সত্ৰত থ’ব নোৱাৰিলে, তাই উপৰি-পুৰুষৰ আৰু শঙ্কৰ দেউকো পৰাকাষ্ঠা দেখুওৱা হ’ব। আপোন কৰ্ত্তব্য সমাধা কৰিব নোৱাৰা কাৰণে পুথিখন গোটাই দিওঁতা বাপেকৰ মৃত আত্মা আৰু পুথিৰ ৰচয়িতা শঙ্কৰ মহাপুৰুষে তাইক অভিশাপ দিব। আৰু পুথিখন এৰিনো তাই দক্ষিণ পাৰলৈ যোৱাৰ মূল্য কি? তাইনো উত্তৰ পাৰখন,—এই ক’লীবাৰীখন, এৰি যায় কেনেকৈ?

তাই শুনিছে বোলে চীনাবোৰ একো একোটা দস্যু। অতি নিষ্ঠুৰ। একো দয়া-ধৰম নাই। সিহঁত প্ৰত্যেকেই একো একোটা কালাপাহাৰ! কালাপাহাৰে মঠ-মন্দিৰ, পূজা-পাতলৰ ঠাই আৰু দেৱ-দেৱীৰ মূৰ্ত্তি ভাঙি খাস্তাং কৰিছিল। কাইলৈ বা পৰহিলৈ যদি ইয়াত চীনা সোমায়হি, সিহঁতে ইয়াৰ প্ৰতিটো ঘৰ লুটিব,

সাহ কৰি যি দুটা এটা মানুহ আছে সিহঁতক গুলীয়াই মাৰিব বা অত্যাচাৰ কৰিব। কণকাৰ ঘৰত যদি এই পুথিখন পায়, তেনেহলে ইয়াৰ প্ৰতিখিলা পাত ফালি চিৰাচিৰ কৰিব, বুট জোতাৰে খচকিব। সেই কাৰণেই আজি দিনৰ দহটামান বজাত তাই চহৰৰ ফালে গৈছিল। তাই তাত দেখা পাইছিল,—ধনী মানুহ কেইঘৰমানে চৰা দামত মটৰ ভাৰা কৰি তেজপুৰ এৰাৰ বন্দবস্ত কৰিছে। তাই চিনি পোৱাৰ ভিতৰত এইজন মানুহঃ বিৰাজ উকীল, বংশী ঠিকাদাৰ, চাহ-বাগিচাৰ মেনেজাৰ পদৰ পৰা অৱসৰ লোৱা যদু কটকী, কেবাখনো মদৰ দোকানৰ মহাজন কিশোৰ ভট্টাচাৰ্য্য আৰু পেঞ্চন পোৱা জজ দুৰ্য্যোধন শইকীয়া। এওঁলোক পোনতে উত্তৰ পাৰেদি আমিনগাওঁ পাবগৈ। তাৰপৰা গুৱাহাটীলৈ পাৰ হ'ব আৰু নিজৰ মিতিৰ-কুটুমৰ ঘৰলৈ দিহাদিহি যাব। এওঁলোকৰ প্ৰত্যেককে মটৰৰ এচুকত লৈ যাবলৈ আৰু দক্ষিণ পাৰৰ ভাল সত্ৰ এখনত ৰাখি যোৱাৰ ব্যৱস্থা কৰিবলৈ কণকাই বহুত কাবৌ-কোকালি কৰিলে। কিন্তু তাই প্ৰায় একে ধৰণৰ কথাহে শুনিবলৈ পালে—ঠাই ক'ত? লাগতীয়াল কাপোৰ-কানি কেইখন নিবলৈকে মটৰত জেগা নাই।···

পিছে কণকাই লক্ষ্য কৰিলে, এওঁলোকে হেজাৰ হেজাৰ টকীয়া ঘৰ-দুৱাৰ এৰি যাবলৈ ধৰিছে যদিও চিলাই কল আৰু ৰেডিঅ' আদি ঠুনুকা বস্তুবোৰ আটোম-টোকাৰিকৈ বান্ধি মটৰত বোজাই কৰিবলৈ পাহৰা নাই। এই ভদ্ৰলোকবোৰ আজিহে তাইৰ বেছি অচিনাকি লাগিল। সিহঁতলৈ বিতৃষ্ণাও জন্মিল। তাই ভাবিলে, বাচ আৰু ফেৰীত থেপাথেপিকৈ যোৱা কোনোবা চিনাকি মানুহৰ হাতত পুথিখন গটাব নোৱাৰি। ম্লেচৰ মাজত অশুচি হ'ব। এইখন পুথি যে কিমান দিনৰে পৰা থাপনাত আছে!

সন্ধিয়া বেলাটো তাই ডিপুটী কমিচনাৰৰ বাংলাৰ ফালৰ ওখ হেলনীয়া আলি কেইটাইদি অকলে অকলে ঘূৰিলে। অগ্নিগড়

পাহাৰলৈ উঠিল। পত্নম পাৰ্কত এখন্তেক বহি তেজপুৰ, ক'লীবাৰী আৰু বহ্মপুত্ৰৰ বিশাল শুভ্ৰ সমতললৈ ওপৰৰ পৰা চাই তাই অন্তৰখন জুৰ কৰিবলৈ বিচাৰিলে। কিন্তু তাই বেছি বেদনা-মৰ্মৰ হৈ পৰিল। কত কথা যে তাইৰ মনত পৰিল! এইখন তেজপুৰ তাইৰ যে কিমান আপোন। সৌখন পূবে ক'লীবাৰী। সেইখন আৰু আপোন। এই দুখন ঠাইৰ প্ৰতিটো সেন্দুৰীয়া আলিয়েই যেন তাইৰ সধবা কালৰ সেন্দুৰ-সনা সেওঁতাহে। দুটা টিলাৰ মাজৰ ওখ-চাপৰ বগোৰা আলি কেইটাক ছায়া-ঘন গছে আৰু টিলাৰ স্বাভাবিক উচ্চতাই চহৰৰ কপট দৃষ্টিৰ পৰা ৰক্ষা কৰিছে। আলি কেইটাৰ মধুৰ গোপনীয়তাই এতিয়া তাইৰ হেৰোৱা অতীতক স্মৃতিৰ পটলৈ আনিছে। তাই অস্থিৰ হৈছে। তাইৰ মনৰ গুঞ্জনে তাইক জীয়াতু ভোগাইছে।···

···এইখন পত্নম পাৰ্ক। এবাৰ পূজাত যাত্ৰা চাই আহি মই আৰু জলধৰৰ বাপেকে ইয়াতে বননিত বহিছিলোঁ। অ', মই কিখন ভাবিছোঁ? তেতিয়া এইখন পাৰ্ক নাছিল আৰু জলধৰো ওপজা নাছিল। মই কেঁচা গাভৰু আছিলোঁ। সেইদিনা ওপৰত জোন আছিল। বহ্মপুত্ৰেদি যেন জুলীয়া ৰূপহে বৈ আছিল। ইয়াতে দুজোপা শেৱালি আছিল। কেনেযে গোন্ধাইছিল! জলধৰৰ বাপেক যে কি অদ্ভুত মানুহ! জোনটোলৈ নেচাই মোৰ মুখলৈহে চাইছিল। কৈছিল, মোৰ মুখখন হেনো তেনেকুৱা। শেৱালি ফুলৰ মন উচাতন কৰা গোন্ধটো নলৈ সি মোৰ ডিঙিৰপৰা কপাললৈকে প্ৰতি ডোখৰ ঠাইত নাকটো গুজিছিল। মোৰ চুলিবোৰ আলফুলকৈ মোহাৰি দিছিল।···

···সৌখন ক'লীবাৰী। আমাৰ ঘৰটোৰ ইয়াৰ পৰা দেখি। মৌটুপীয়া আমজোপাও চকুত পৰিছে। এইজোপা আমৰ কেঁচাবোৰ আকৌ টেঙা। জলধৰ গাভ থকা সময়ত মোৰ টেঙা বস্তু খাবলৈ খুব ইচ্ছা গৈছিল। এই জোপা গছৰ কমবোৰ আম

খালোঁনে? এই আম জোপা ইমান মৰম লাগে। আম জোপা নেথাকিলে আমাৰ ঘৰখনেই শুৱনি নেদেখি।...

...ক'লীবাৰীৰ কলপাতবোৰ মোৰ নিজৰ নিজৰ লাগে। আমাৰ কলবাৰীডৰাৰ কথাই সুকীয়া। পাতত দিয়া মাছৰ সোৱাদেই সুকীয়া। জলধৰৰ বাপেকে কয়—এনেকৈ খালে সোৱাদটো দাঁতত লাগি থাকে। ...ভীমকলৰ পটুৱাৰ খাৰণিৰ লগত চৌদা-চাবোনে কি ফেৰ মাৰিব? খাৰণিৰে সিজাই কাপোৰ ধুলে বগলীৰ পাখী যেন বগা হয়। এবাৰ বহাগৰ বিহুত এনে কাপোৰ পিন্ধি থাকোতে জলধৰৰ বাপেকে মোক জোকাইছিল—'তোৰ, কণকা, দিনে দিনে ৰহণ চৰিহে গৈছে।' ......এইখন বাকৰি। ইয়াত মানিমুনি শাক, মাটিকাচুৰি, দ্ৰোণ আৰু ভোটমূলা এতিয়াও আছে। - মোৰ অশৌচীয়া কালত শাহু আয়ে মানিমুনিৰ জোল, কাৰৈ মাছেৰে মাটিকাচুৰিৰ জোল আৰু দ্ৰোণ-ভজা খুৱাইছিল। এইবোৰ বস্তু হেনো অশৌচীয়া তিৰোতাৰ পেটলৈ ভাল।...

...আমাৰ বাৰীত ভোটমনোহৰ, জাহাজী, মালভোগ আৰু আঠীয়া কল আছে। মাটি কঠালবোৰ কোমোৰা এটাতকৈ ডাঙৰ। দক্ষিণ পাৰে জানো এনেকুৱা কল আৰু মাটি কঠাল আছে?...

বহ্মপুত্ৰ, অগ্নিগড়, পদুম পুখুৰী,—এই আটাইবোৰ তাইৰ আপোন। আনকি কলতলীডৰা, মানিমুনি থকা বাকৰিডৰা আৰু মৌটুপীয়া আমজোপাও তাইৰ লগত অভিন্ন। এইবোৰ কোন সতে এৰি যাব? সীতায়ো হেনো বনবাস শেষ হোৱাত অযোধ্যালৈ আহিবলৈ পাই উচুপিছিল। কিহৰ মায়াত? পঞ্চবটী আশ্ৰমৰ চাগৈ প্ৰতিটো বস্তু সীতাৰ আপোন আপোন লাগিছিল।......

আকৌ চম্পাই কি কৰিলে সেই কথালৈ আহোঁ। তাই কণকাক ক'লে, "তই যে নেযাওঁ বুলি খোপনি পিটি আছ, তোৰ মৰিবলৈ ভয় নাই? তই অমত নহ'বি। এই বয়সতনো আকোৰ-গোজালি হ'ব লাগেনে?" কণকাই মাথোঁ এটা বিদ্ৰূপৰ হাঁহি

মাৰিলে। ক'লে, "মোৰ মৰিবলৈ ভয় লগাৰ কথা কৈছ? বুইছ, সকলোৰে মৰিবলৈ ভয় সমান নহয়। মোৰ মৰিবলৈ ভয় নাই। কোনবোৰে ভয় কৰে জান?—এৰি অহা দিনবোৰে যিবোৰক বিশেষ একো নিদিলে, সেইবোৰেহে মৰিবলৈ ভয় কৰে! মই জীৱনত বহুত পালোঁ, বহুত ভোগ কৰিলোঁ। মোৰ মৰাত আপত্তি নাই। ভাবিছোঁ, ভগৱন্তক খাটিছোঁ, মই ক'লীবাৰী যেন নেৰোঁ; মোক ক'লীবাৰীয়ে এৰক। ক'লীবাৰীতে যেন মই চিতাত উঠিবলৈ পাওঁ।"

এয়া কণকাৰ নিজস্ব মনোভঙ্গী। চম্পাই তাৰ মৰ্ম হয়তো বুজি নেপালে। তাই মোক সাইলাখ কণকাৰ ভাষাৰে মোক কওঁতে মোৰ মনটো অস্বাভাৱিক প্ৰসন্নতাৰে পূৰ্ণ হৈছিল। মাজে মাজে ভাবোঁ, কেতিয়াবা কণকাৰ কাহিনী পাহৰি গ'লেও এই কথা কেইটা তেতিয়াও নেপাহৰিম বুলি মোৰ একান্ত বিশ্বাস।

চম্পা কণকাক এৰি নিজৰ ঘৰলৈ গ'ল। কণকাক সৈমান কৰাব নোৱাৰিলে। ঢলপুৱা চম্পাই দক্ষিণ পাৰলৈ যোৱাৰ কথা এবাৰ ভাবি চালে। কিন্তু আজি তাইৰ বিধি সুপ্ৰসন্ন। তাই একো ভাবিব নলগীয়া হ'ল। ৰৰদোৱাত পুলিচ কাম কৰা পুতেকটো ওলালহি। সি নাও এখন যোগাৰ কৰি ঢিংঘাটেদি তেজপুৰ পাইছেহি। কেতিয়াও বাচ মটৰত মুঠা মাকে চৰকাৰী ব্যৱস্থামতে যে ক'ৰবালৈ যাবলৈ কষ্ট পাব, এই কথা পুতেকে জানে। তদুপৰি নাৱেৰে যোৱাত হেম-গাম নাই। এই সময়ত যাতায়াতৰ প্ৰতিটো বস্তুৱেই আপুকগীয়া। সি মাকক আৰু ভায়েক ছুটাক এইখন নাৱেৰেই ৰৰদোৱালৈ নিব।

চম্পাৰ মনটো ভাল লাগিল। পুতেকে খুব ভাল ব্যৱস্থা কৰিছে। মাকলৈ খুব মৰম। অতি আচল মৰম। চম্পাই ভাবিলে, এইখন নাৱতে কণকাকো নিব লাগিব। ইমান সুবিধা দেখি কণকাই এইবাৰ আপত্তি নকৰিব।

তাই কণকাৰ ওচৰলৈ খৰ্‌ধৰ্‌ কৰে গ'ল। কণকা ঘৰত নাই। মঙ্গলদৈত কাম কৰা জলধৰহে বহি আছে।

"জলধৰ, কেতিয়া আহিলি ?"

"শেহৰাতি। বৌকে লৈ যাবলৈ আহিলোঁ।"

"তাই জানো যাম বুলি কৈছে ?"

"এতিয়াও নেযাওঁ বুলিয়েই কৈ আছে। মনটো ঘূৰিব যেন পাইছোঁ। এইবাৰ সিদিনাৰ দৰে জ্বলজ্বলাই উঠা নাই।"

"এতিয়া তাই ক'লৈ গ'ল ?"

"এফালে ওলাই গৈছে। এঘণ্টামানৰ পাছত আহিম বুলি কৈছে।"

চম্পাই তাত নৰ'ল। তাই চিন্তা কৰি চালে, কণকা নিশ্চয় বাহুলাৰ ওচৰলৈকে গৈছে। তাই বাহুলাকো নিবনে কি ?

এনে সময়তে মই চম্পাক আমনি দিলোঁ। মোৰ খুব কৌতুহল হ'ল। মই সুধিলোঁ, "চম্পাবাই, বাহুলানো কোন অ' ?" তাইৰ খং উঠা যেন অনুমান হ'ল। তাই ডাঙৰ ডাঙৰকৈ ক'লে, "টিকা উচালি এতিয়া 'বকৃতিতা' দি ফুৰা মানুহবোৰৰ মানততো বাহুলা এটা নগণ্য মানুহ। সিহঁতে চাগৈ এতিয়া তাৰ নামটোও পাহৰিলে। মই ভাবোঁ, বাহুলাৰ দৰে মানুহ এটা এই অঞ্চলত নহ'ব সুপজিব।"

মই আকৌ ক'লোঁ, "চিধাকৈনো নকৱ কিয় ?"

চম্পাই মাত লগালে, "হওঁতে সি ক'লীবাৰীৰে মানুহ। বৰ সাহসী মানুহ। তাৰ সিংহৰ কলিজা আছে। গান্ধীৰজাৰ 'আদোঁলন'ত সি মুখীয়াল ভলন্‌টিয়াৰ আছিল। ইয়াৰ চাপ্‌ ডিপুটিৰ আপিচৰ ওপৰত সি 'কংকেছ'ৰ পতাকা তুলিছিল। পুলিচে তাক ধৰি পিটি গুকলা-গুকল কৰিলে। কিমান যে বুট জোতাৰ গোৰ খালে। সি পাঁচ বছৰ জেল খাটিছিল।"

মই আকৌ সুধিলোঁ, "তাৰ পাছত ইমান দিন সি ক'ত আছিল ?"

চম্পাই ক'লে, "চাহ বাগিছা এখনত মহৰী আছিল। পিছত বেমাৰী কাৰণে চাহাবে খেদি দিলে। তেতিয়াৰে পৰা এই ডেৰ বছৰ ক'লীবাৰীতে আছে।"

"বিয়া-বাৰু কৰাইছিলনে নাই?"

"সময় নহ'ল। সময় ওলাওঁতে বয়সেই উকলি গ'ল।"

"চাকৰী নথকা মানুহটোৱেও পোন্ধৰ টকা দি ৰামবিলাসক ৰাখে বুলি কৈছিলি দেখোন?"

"কেতিয়া কৈছিলোঁ? ৰামবিলাস থাকে বুলিহে কৈছিলোঁ। মই তেজপুৰলৈ উভতি আহিহে গ'ম পাইছোঁ,—ৰামবিলাসক দৰমহা কণকাইহে দিছিল।"

এইবাৰ বাহুলালৈ আৰু কৌতূহল হ'ল। ইতিমধ্যে চম্পাই পাছৰ ছোৱা কথা আৰম্ভ কৰিলেই, "কথাটো সোনকালে শেষ কৰোঁ দে। মোৰ নাওখন আহিবৰ হৈছেই। কণকাক বিচাৰি মই সেইখিনি পালোঁগৈ। ভাবিলোঁ তাই চাগৈ বাহুলাৰ কাষত বহি আছে। মই ঘপহ কৰে ওলালে তাই গৰ্জি উঠিব! তাইক বাহিৰৰ পৰা মাত দিলোঁ। তাই ওলাই আহিলত সকলো কথা ক'লোঁ। তাই একো নেমাতিলে। মথোঁ খুব দুখ মনেৰে মোৰ মুখলৈ চাই ৰ'ল। কণকা বুঢ়ী; মোৰ দৰেই মৰিবলৈ আৰু বেছি দিন নাই কিজানি। তাইৰ চেহেৰা দেখি মোৰ পাতকী মনে এইখিনি কথাও বিচাৰি নেপালে, যে কণকাৰ আৰু আগৰ সেই দিন নাই। বাহুলাও বেমাৰী মানুহ কাৰণে আলৰ বুঢ়া হ'ল কিজানি। তাই ভালেমান পৰ নমতা দেখি মই ক'লোঁ,—'তোৰ যাবৰ ইচ্ছা নাই যদি, মোৰ হাতত পুথিখনকে দে। মই ৰৰদোৱা সত্ৰত দিম।' তাই মাথোঁ ক'লে—'পুথিখন নেলাগে নিব। পুথিখন ঘৰত থাকিলেহে মনটো ডাঠ লাগি থাকিব, নিজৰ ওপৰতো বিশ্বাস বাঢ়িব।' এইবুলি কৈয়ে তাই মোৰ হাতত ধৰিলে। বাহুলা থকা ঘৰটোৰ ভিতৰলৈ টানি লৈ গ'ল। আৰু লগে লগে ক'লে,—

'ইমানকৈ খটবান্ধ্ দি ধৰি আছ নহয়, এতিয়া নিজ চকুৰে চাই যাহি।' মই বাতুলাৰ ওচৰ পালোগৈ……।"

বিচনাত শুকান কাঠ এডাল হৈ পৰি থকা বাতুলাক দেখি চম্পাৰ গা শিয়ঁৰি উঠিল। বাতুলা কঙ্কালসাৰ হৈ পৰিছে। মাথোঁ ছালখনেহে জঁকাটো ঢাকি ৰাখিছে। চকুহাল মৰা মাছৰ চকুৰ দৰে। অকণমান পৰৰ পাছত চম্পাই গম পালে, বাতুলা বুঢ়াই বাওঁফালৰ হাত-ভৰি একো ল'ৰাব নোৱাৰে। তাৰ পক্ষাঘাত হৈছে। সোঁফালে আকৌ আঠুত বাত বিষ। সেইটো আঠুত কণকাই মালিচ কৰিছে। বিচনাৰ তলখন চাইহে চম্পাই বিচুৰ্ত্তি খালে। বেজী দিয়া দৰবৰ খালি টেমা, দাগ কটা দৰবৰ বটল আৰু মালিচৰ টেমাৰে বিছনাৰ তলখন উপচি আছে। চম্পাই অনুমান কৰিলে, কিজানি দৰব-পাতিত শ শ টকা পানী হ'ল। তাইবো চকুপানী ওলাব খুজিছিল। এটা কথা মনত পৰাত চম্পাৰ বুকুৱে ধান-বনা দিলে।—পুঠীমাই পোহাৰী আৰু বটু কেৰাণীৰ ঘৰত কোনো নাই। সিহঁত কালিয়েই শিলঘাট পালেগৈ। এবেওমান আঁতৰত বাতুলাৰ ভতিজাক দুটাৰ ঘৰ। সিহঁতো কালি তুপৰীয়া ক'ৰবালৈ গ'লগৈ। কিন্তু বাতুলাৰ আজি বিষ আৰু পক্ষাঘাত হ'বলৈ পালে কিয়? নিজে অনিয়মত চলাৰ কাৰণে? চম্পাৰ চকুত ভাঁহি উঠিল,—কিছুমান ৰঙা পুলিচ, বুট জোতা, লাঠি, বন্দুক আৰু বেয়োনেট্।

ভালেমান পৰৰ মূৰত কণকাই চম্পাক ক'লে, "ইমানখিনি দেখাৰ পাছতো তই মোক নিবলৈ বিচাৰিবি?"

চম্পাই আৰু একো নক'লে। কাহিনী শেষ কৰাৰ পাছতো মোৰ মনৰ খুতুৰনি নমৰিল। বাতুলানো কণকাৰ কি হয় বুলি সোধাত চম্পাই সঁচাকৈয়ে আমনি পালে। ক'লে, "ইমানবোৰ গালোঁ বালোঁ, খোলাকাটিৰ তাল হ'ল? তই ওপজাৰো এৰুৰি বছৰৰ আগতে যেনিবা মোৰ মন পিছলিছিল। সেয়া জানো তই

জানিবলগীয়া কথা? পিছে কণকাৰ কথা নেজানো। কাৰো মুখে শুনা নাই। তায়ো নক'লে।"

মই কলোঁ, "পুৱণি ফটা জালত যেনিবা মাছ নপৰিল। সেই বুলি মাছ বিলত নাই বুলি কবিনে?"

এইবাৰ চম্পাৰ বাৰুকৈয়ে ফাঁই উঠিল। তাই বাজি উঠিল, "আৰু তয়ে যদি সেই জালুৱৈ, তেনেহলে তোৰ মগজুত পোক দিছে, ভেনা মাখি পৰিছে। ..."

ভবেন্দ্র নাথ শইকীয়া

অনুগত ভৃত্য

বাতি চাবে দহ বজাত নিজৰ কোঠালীটোৰ দুৱাৰখনৰ সম্মুখত থিয় হৈ সুকুমাৰে চোৱৰ নিচিনাকৈ গম ললে ভিতৰত কোনোবা আছে নে কি। একো সাৰি-শব্দ নেপাই সি লাহেকৈ দুৱাৰখন মেলি ভিতৰলৈ সোমাই গ'ল। সোমায়েই সি কোঠালীটোৰ ভিতৰখনলৈ আচৰিত অথচ উদাস দৃষ্টিৰে চাই ৰ'ল। অভ্যস্ত চিপাহীয়ে কয়দীক ভিতৰলৈ সুমুৱাই জেলৰ দুৱাৰ বন্ধ কৰাৰ নিচিনাকৈ সুকুমাৰৰ সোঁহাতখনে তাৰ অজ্ঞাতসাৰেই পিচৰ দুৱাৰখন লাহেকৈ বন্ধ কৰি দিলে।

ইমান বছৰে শুই অহা কোঠালীটো আজি যেন চিনিয়েই নেপাব, সুকুমাৰৰ এনেকুৱা লাগিল। কোনোবাই কোঠালীটোত গোন্ধৰ পোহাৰ মেলি থৈ গৈছে। দহ হাত দীঘল, আঠ হাত বহল কোঠালীটোত বাতামৰ চেপত গুজি জ্বলাই দিয়া এডাল ধূপৰ গোন্ধেই কেতিয়াবা অস্ফুট যন্ত্রণাত ছটফটাই থাকে, তাৰ ঠাইত আজি ধূপদানী এটাৰ প্রত্যেকটো ফুটাত, মুঠতে পুৰা এক বাণ্ডিল ধূপ একেলগে জ্বলাই দিয়া হৈছে। কোঠালীটোৰ খিড়িকী দুখন মাৰি পর্দাবোৰ কোনোবাই আধা কোঁচাই আধা মেলি থৈ গৈছে, পর্দা ঠিক কৰি লোৱা মানুহ আছে যেতিয়া দৰকাৰ হলে নিজে ঠিক কৰি ল'ব, এনেকুৱা ভাবত। জ্বলি থকা এক বাণ্ডিল ধূপৰ ফালে

চাই সুকুমাৰে অনুমান কৰিবলৈ চেষ্টা কৰিলে,—এইটো গতিত ধূপখিনি জ্বলি থাকিব লাগিলে শেষত গৈ এই বন্ধ কোঠালীটো ধোৱাঁৰ নে কি!

কোঠালীটোৰ মাজত ওলমি থকা লাইটটো ঠিকেই আছে, কিন্তু বেৰত লাগি থকা লাইটটোৰ বাল্বটো সলনি কৰা হৈছে। সেইটো লাইটৰ তলত থকা মেজখনত সাধাৰণতে সুকুমাৰে চিঠি-পত্ৰ লিখা আদি সৰু-সুৰা কামবোৰ কৰে। আজি লাইটটোৰ বগা বাল্বটো আঁতৰাই তাৰ ঠাইত কম পোহৰৰ নীলা বাল্ব এটা লগাই দিয়া হৈছে। ঘটনাটো যাতে সুকুমাৰৰ চকুত পৰে বোধহয় সেই উদ্দেশ্যেই মাজৰ উজ্জ্বল লাইটটো জ্বলি থকা স্বত্বেও নীলা লাইটটোও জ্বলাই থোৱা আছে। তলৰ মেজখন নতুন কাপোৰ পাৰি সজোৱা হৈছে। এটা আয়নাৰ ফুলাম বাচন মুখলৈকে পানী ভৰাই, চাৰিওকাষে উজ্জ্বল মণি লগোৱা সূতাৰ ঢাকনি এখনেৰে ঢাকি থোৱা আছে। দুফালে দুটা সৰু সৰু পাতল আয়নাৰ গিলাচ,—যেন দুটা অকণ-অকণ আতুৰ প্ৰাণীয়ে এক পৰি-পূৰ্ণ পাত্ৰৰ ফালে মূৰ তুলি চাই আছে; সময় আহিব, সিহঁতৰো জীৱন পাত্ৰ কিনাৰলৈকে ভৰি যাব, এই আশাত।

সন্ধিয়া সময়ত পাৰি দিয়া নতুন পালেংখনৰ ভৰি-পথানৰ বাৰ্নিচ কৰা মসৃন কাঠচটাত বেৰৰ নীলা লাইটটো জিলিকি আছে। বিচনাখনৰ ওচৰতে থকা হেলনীয়া চকীখনত বহিব বুলি সুকুমাৰ আগুৱাই গ'ল। কিন্তু বিচনাখনৰ ফালে চাই সি অকণমান পৰ বৈ গল। সম্পূৰ্ণ নিষ্কলঙ্ক, ধপ্‌ধপকৈ বগা বিচনা চাদৰখনৰ অ'ত-ত'ত বহুত ঠাইত টোপালে-টোপালে তিতি আছে। সুগন্ধি আতৰৰ টোপাল। যিমানদূৰ সম্ভৱ কোনোবাই সম্পূৰ্ণ এবটল আতৰ অকৃপণ হাতেৰে চটিয়াই থৈ গৈছে। সুকুমাৰে এনেয়ে ৰূপৰ টকাটোৰ সমান গোলকৈ তিতি থকা ঠাই এডোখৰ আঙুলি এটাৰে হেঁচি চালে,—ভালকৈ তিতিছে। কাপোৰ দুতৰপ পাৰ হৈ আস্তৰে

নিশ্চয় ডাঠ তুলিখন ভেদি গৈছে; তুলাৰ আঁহে আঁহে গোন্ধটো বিয়পি পৰিছে। বিচনাৰ কাপোৰ ছুতৰপ হয়তো যেতিয়া ইচ্ছা সলাই পেলোৱা হব, কিন্তু ডাঠ তুলিখনৰ মাজৰ পৰা আতৰৰ গোন্ধটো ওলাই যাওঁতে বহুত দিন লাগিব। এই আতৰটোৰ গোন্ধ যদি সুকুমাৰৰ ভাল নেলাগে, তেনেহলে বহুদিনলৈ সি তাকে সহ্য কৰি থাকিব লাগিব—এই কথাটো আতৰ চটিয়াওঁতা সকলে নিশ্চয় মনেই নকৰিলে। চটিয়াব লাগে, চটিয়াই গুচি গ'ল; —আগফালৰ বাৰান্দাত গম্ভীৰ হৈ বহি থকা ককাদেউতাকক অকণমান নাতিনীয়েকে যেনেকৈ ফাগুৱাৰ দিনা খৰিকা ভৰোৱা বটলেৰে ৰং চটিয়াই দৌৰ মাৰে, তেনেকৈ।

আৰু এই ফুলবোৰ। ফুলশয্যা মানে যে ফুল আৰু শয্যাৰ মাজত প্ৰকাৰান্তৰে এটা সম্পৰ্ক আছে, সেইটো সুকুমাৰে বুজে। হয়তো আজি ৰাতি এই শয্যাখনৰ কাৰণে দুটা প্ৰাণীয়েই দুপাহ ফুল; নাইবা ৰহস্য-কৌতূহল-শঙ্কা-মাধুৰী-উত্তাপেৰে ভৰা সকলো ৰাতিৰ ভিতৰতে অনন্য এই ৰাতিটোৱেই দুটা প্ৰাণীৰে জীৱন বিয়পি থকা শয্যাখনৰ কাৰণে এপাহ কোমল, দুষ্প্ৰাপ্য ফুল। এনেকুৱাও হ'ব পাৰে যে দুটা স্পৰ্শকাতৰ প্ৰাণীৰ আজি নিশাৰ নিবিড় অনুভূতিবোৰেই একো-একোপাহ ফুল! বহুত অৰ্থ হ'ব পাৰে। কিন্তু সেই বুলি ফুলশয্যা কাৰণেই যে গছৰ পৰা টপ্‌টপ্‌কৈ কেঁচা ফুল এসোপা চিঙি আনি শয্যাখনত সিঁচি দিয়া হ'ল, এই কথাটো সুকুমাৰে উপভোগ কৰিব নোৱাৰিলে। এইবোৰ নিশ্চয় এই ছোৱালীকেইজনীৰ কাম। এই ছোৱালী কেইজনী মানে যি কেইজনীয়ে লোকৰ ঘৰৰ বিয়া বুলি আজি পাঁচ-ছদিন নিজৰ ঘৰৰ লগত সম্পৰ্ক এৰি দিছে, উৎপাতৰ কোবত ঘৰখনত মানুহ শান্তিৰে থাকিব নোৱাৰা কৰিছে, এঘণ্টামান তামোল কটাৰ নিচিনা কাম কৰি দুঘণ্টামান চুকত সোমাই লৈ মেল মাৰিছে আৰু পাঁচমিনিটৰ মূৰে মূৰে হাঁহিৰ জাউৰিৰে ওচৰৰ বিচনাত শুই থকা দুৰণিবটীয়া

আলহীৰ কেচুৱাৰ টোপনি ভাঙিছে, সিহঁত। এইবোৰ সিহঁতৰ কাম। সুকুমাৰে আজি পাঁচ-ছদিনে তাক বিৰক্ত কৰা এই ছোৱালীকেইজনীৰ কথা মনলৈ আনি চালে। সিহঁতৰ কেইবাজনীৰো চাগৈ শয্যা সম্পৰ্কে ধাৰণা আছে, বাকী কেইজনীৰ চাগৈ জীৱন, ভৱিষ্যৎ সকলোৰে প্ৰতি কেৱল ফুল-ফুল ভাব! ফুলশয্যাৰ ধুঁৱলি-কুঁৱলী চেহেৰা সম্পৰ্কে সিহঁতৰ কাৰো চাগৈ স্পষ্ট ধাৰণা নাই।

সুকুমাৰে ফুলবোৰলৈ এবাৰ ভালকৈ চালে। কিছুমান গোটা গোটা ফুল, বাকীবোৰ বিচ্ছিন্ন পাহি। কেইবাদিনৰো বাহি ফুল চাগৈ, প্ৰথমতে ছিঙোতেই কিছুমান পাহি সৰি গ'ল, তাৰ পিচত ঠাৰি ডালত ধৰি জোকাৰি দিওঁতেই চাগৈ পাহ-পাহ হ'ল। পিচে সুকুমাৰে লক্ষ্য কৰিলে, বিচনাখন ফুলাম-ফুলাম কৰিছে পাহি-বোৰেহে, গোটা-গোটা ফুলবোৰ বিয়াৰ ৰভাতলিত বহি থকা অহংকাৰী বোৱাৰীৰ নিচিনাকৈ ভেম জুৰি পৰি আছে।

সুকুমাৰ বিচনাৰ ওচৰৰ চকীখনত বহিল। তাৰ শোৱা কোঠালীত আগতেও এখন চকী আছিল। সেইখন চকী ওখ আছিল; আগৰ অভ্যাসৰ আণ্ডাজতে সি বহি দিলে; এইখন চকী চাপৰ; গতিকেই পিচৰ ডোখৰত সি ধপ্‌কৈ পৰি গ'ল। আউজি দিওঁতেও তাৰ একে অৱস্থা হ'ল; আগৰ থিয় চকীখনৰ আণ্ডাজত আউজি দিওঁতে তাৰ পিঠিখন প্ৰথমতে ক'তো নেলাগিল, একমুহূৰ্ত্তৰ পিচত, আশা কৰাতকৈ বহুত বেচি হেলনীয়া হোৱাৰ পিচত চকীখনে তাক আউজাই ধৰি ৰাখিলে। সি যেন দুটা সৰু সৰু জোকাৰণি খালে। সন্ত্ৰস্ত হ'বলগীয়া নতুন মানুহৰ ঘৰলৈ গৈ, বহাৰ আগতে চকীখনৰ আকৃতি-প্ৰকৃতি চাই লোৱাৰ নিচিনা কথা সুকুমাৰৰ মনলৈকে অহা নাছিল, কিন্তু জোকাৰণি দুটা খোৱাৰ লগে লগে তাৰ মন নতুন চকীখনৰ প্ৰতি আকৃষ্ট হ'ল। চকীখনৰ হাত থোৱা কাঠ এডালৰ ওপৰত সি লাহে লাহে হাত ফুৰাই চালে; মসৃণ, চিক্‌চিকিয়া, নতুন। এইখন নিশ্চয় ড্ৰইংৰুমৰ চেটটোৰ ভিতৰৰা

চকী নহয়; এইখন নিশ্চয় শোৱনী কোঠাত বিচনাত মুঠাকৈয়ে আৰাম কৰাৰ ব্যৱস্থা হিচাপে দিয়া হৈছে। নতুন বস্তু আৰু কি কি কোঠালীটোত সোমাইছে চাবলৈ সুকুমাৰে চাৰিউফালে চকু ঘূৰালে; নাই; আৰু বিশেষ একো সোমোৱা নাই। কিন্তু সোমাব। বোধহয় কাইলৈকে সোমাব। খবৰ-কাগজ আৰু মৰাপাটৰ ৰচিৰে মেৰিয়াই থোৱা বহুত আহিলা-পাতি সি বাহিৰত পৰি থকা দেখিছে; পেকিং খুলি বস্তুবোৰ চিজিল লগাবলৈ মানুহ-বোৰে চাগে সময়েই পোৱা নাই; নহলে নহ'ব বুলি ভাবি আজি কেৱল পালেংখন আৰু বহিবলৈ আৰামী চকী এখন যতনাই দিছে।

আৰু সেইবোৰ আহিলা-পাতিতকৈ বহুত আগতে, বোধহয় এঘণ্টা-দেড়ঘণ্টাৰ ভিতৰতে কোঠালীটোত সোমাব চন্দ্ৰা। বাৰান্দাইদি আহোঁতে সি দেখি আহিছে, পাগঘৰত এজাক অঙহী-বঙহী ওচৰ-চুবুৰীয়া বোৱাৰী-জীয়ৰীৰ মাজত বহি চন্দ্ৰাই ভাত খোৱা শেষ কৰিছে। বাৰান্দাৰ এন্ধাৰত থিয় হৈ সুকুমাৰে কেই মুহূৰ্ত্তমান উজ্জ্বল পোহৰত বহি থকা চন্দ্ৰাক চাই আহিছে। তাই কেৱল কইনা সাজৰ পেকিংটোহে খুলিছে, তাৰ বাহিৰে গোটেই মানুহজনী সম্পূৰ্ণ কইনা হৈ আছে। একেলগে বহা বোৱাৰী-জীয়ৰীহঁততকৈ আগতে ভাত খোৱা শেষ কৰি তাই কাষীখন চিকুটি-বাঁকুহি বহি আছে; নতুন ঘৰ, নতুন কইনা, নতুন উত্তেজনা, এইবোৰ বহুত কাৰণত তাই কিজানি ভালকৈ ভাত খাবই নোৱাৰিলে, নাইবা নতুনতে বেছিকৈ খোৱাটো বেয়া দেখি কাৰণে কমকৈ খাই দেখুৱালে! লগৰ বোৱাৰী-জীয়ৰীহঁতৰ মুখৰ ভাত উচ্ছৃঙ্খল হাঁহিৰ কোবত উফৰি পৰিব খুজিছে, চন্দ্ৰাই তলমূৰ কৰি কেৱল মুখ টিপি-টিপি হাঁহি আছে। পিচত এই বোৰ কথাকে মনত পেলাই হয়তো তাই এদিন বাগৰি-বাগৰি হাঁহিব, কিন্তু আজি হঁহা নাই। বেয়া দেখি।

ভাত-পানী খাই, পাগঘৰৰ জঞ্জাল মাৰি উঠাৰ পিচত এটাইখন মানুহ আকৌ থকাঘৰৰ কোনোবা এটা কোঠালীত গোট খাবহি,

ভাতৰ লগত যিখিনি কথা চোবাবলৈ থাকি গ'ল, সেইখিনি তামোলৰ লগত পাগ লগাই-লগাই চোবাব ; তাৰে ভিতৰৰ কোনোবা এজনীয়ে চন্দ্ৰাক নিজৰ শোৱনী-কোঠালীলৈ যাবলৈ কৈ কৃত্ৰিম ভাবি মাৰিব, অইন এজনীয়ে লগে-লগে—"হয়তো, এতিয়া আৰু তুমি আমাৰ এইবোৰ বেবেৰিবাং কথাত কি ৰস পাবা ?" বুলি সমৰ্থন কৰিব, এটাইখনে হাঁহিব ; চন্দ্ৰাই কিন্তু লৰচৰ নকৰিব, লাজ কৰিব। অৱশেষত ৰাতি যেতিয়া বহুত হ'ব, বিয়াঘৰৰ অস্থায়ী বিচনা কেইখনৰ একোখনত ছজনী-তিনিজনীকৈ বাগৰি, অৱশিষ্ট কথাখিনি টোপনি অহা বড়িৰ নিচিনাকৈ ব্যৱহাৰ কৰিব, আৰু এসময়ত সেই গুণ্‌গুণনি নিষ্প্ৰভ হৈ আহিব, তেতিয়া আৰু চন্দ্ৰাৰ অইন উপায় নেথাকিব। এই ছদিনৰ ভিতৰতে যিজনীৰ লগত তাইৰ ঘনিষ্ঠতম সম্পৰ্ক হৈছে, তাই তাইৰ কাণত শেষ পৰামৰ্শ কেইটা ঢালি দি চিকুট এটাৰে সৈতে ঠেলা এটা মাৰি দিব শোৱনী কোঠাৰ দুৱাৰখনৰ ফালে। চন্দ্ৰা সোমাই আহিব কোঠালীটোলৈ—আহিবৰ ইচ্ছা নাছিল, ঠেলি-হেঁচুকি সুমুৱাই দিলে কাৰণেহে আহিল,—বোধহয় এনেকুৱা এটা ভাবত।

সোমাই আহি প্ৰথমতে চন্দ্ৰাই কি কৰিব, সুকুমাৰে ভাবি উলিয়াব নোৱাৰিলে। আৰু তাই সোমোৱাৰ পিচত সি নিজেইনো কেনেকৈ কি আৰম্ভ কৰিব তাকো সি এতিয়ালৈকে ঠিক কৰা নাই। কোঠালীটোত সোমাইয়ে দুৱাৰখন জপাই, হুক্‌ডাল লগাই দিয়া,— এই কামটো চন্দ্ৰাই নিজে-নিজে নিশ্চয় নকৰে। ঠিক আছে— সুকুমাৰে ভাবিলে ;—ঠিক এই সূত্ৰটোকে ধৰি সি কথা আৰম্ভ কৰিব। চন্দ্ৰাৰ লগত তাৰ প্ৰথম কথাষাৰ হ'ব, "দুৱাৰখন বন্ধ কৰি দিয়া।"

দুৱাৰখন বন্ধ কৰি চন্দ্ৰা বৰ অস্বস্তিৰে থিয় হৈ থাকিব, তেতিয়া অৱশ্যে সুকুমাৰে এটা কথা বৰ সহজে ক'ব পাৰিব ; ঘৰলৈ অহা অইন দহজন মানুহক কোৱাৰ নিচিনাকৈ, অভ্যস্ত সুৰত সি কব, "বহা।"

চন্দ্ৰা বিচনাখনৰ এটা মূৰত কোঁচমোচ খাই বহিব, আৰু তাইৰ কোলাত আৰু ওচৰে-পাঁজৰে মাটিত যেন কেইখনমান কিতাপ মেল খাই আছে আৰু তাই কিতাপ কেইখন পঢ়িবলৈ চেষ্টা কৰিছে, এনে-কুৱা ভাবত একমনে তললৈ চাই থাকিব। এইখিনি সময়তে সুকুমাৰৰ বিপদ হ'ব, কাৰণ প্ৰাণী দুটাৰে সৈতে কোঠালীটোক অস্বস্তিকৰ অৱস্থাটোৰ পৰা উদ্ধাৰ কৰাৰ দায়িত্ব তাৰ গাতে থাকিব।

সুকুমাৰে ঠিক কৰিলে, সি অনৰ্গল কথা কৈ যাব; মাজে-মাজে অৱশ্যে চন্দ্ৰাকো দুই-এটা প্ৰশ্ন কৰি কথা কোৱাব। প্ৰথমতে সুধিব এই দুদিনত এই ঘৰখনৰ প্ৰতি তাইৰ প্ৰাথমিক ধাৰণাটো কেনে হৈছে। তাই নিশ্চয় লগে লগে ক'ব,—ভাল, বৰ ভাল লাগিছে। হয়তো দুজনীমান মানুহৰ নাম উল্লেখ কৰি আৰু নাম নেজানিলে বৰ্ণনা একোটা দি কব,—সেই কেইজনী মানুহ তাইৰ বৰ ভাল লাগিছে; এই দুদিনে মানুহ কেইজনীয়ে তাইক হঁহুৱাই মাৰিছে। সুকুমাৰে—"সেই কেইজনী মানুহ ভাল লাগিলে কি লাভ হ'ব? সিহঁত বিয়া খাবলৈ অহা মানুহ, দুই-এদিন থাকি গুচি যাব; থাকিম মইহে!" বুলি হাঁহিব; আৰু তাৰ পিচত তাৰ নিজৰ বিষয়ে, এই ঘৰখনৰ বিষয়ে এটা উদ্বোধনী বক্তৃতা দিব; ক'ব,—"মোৰ কথাতো তুমি বহুত আগৰে পৰা বহুত জানা, কেৱল মোৰ লগত যে তোমাৰ বিয়া হ'ব, সেইটোহে অলপতে জানিলা, নহয় জানো?"

চন্দ্ৰাই মূৰ ঘূৰাই বেৰৰ ফালে চাব।

সুকুমাৰে কৈ যাব,—"এতিয়া আমাৰ ঘৰৰ কথা শুনা। আমাৰ নিজৰ ঘৰ বুলিবলৈ নাছিলেই; প্ৰায় দেড় পুৰুষে ভাৰাঘৰতেই কটালে। পিচত ককাইদেৱে ঘৰ এটা সজালে, মাও ককাইদেউৰ লগলৈ গ'ল, আৰু তেতিয়াৰ পৰা সেইখনেই আমাৰ ঘৰ হ'ল। ঘৰ মানে কি,—কলেজ বন্ধ হলে মাক চাবলৈ বুলি যলৈকে যাওঁ, সেয়েই ঘৰ, নহয় জানো? তাৰ পিচত,—মই দেশ-বিদেশ বহুত ঘূৰিলোঁ, শেহত ইয়াত নিগাজী চাকৰিটো পাইছোঁ, ইয়াতেই

জীৱনটো কটাব লাগিব বুলি ধৰি লৈ, চৰকাৰৰ পৰা পইচা ধাৰলৈ লৈ এই ডোখৰ মাটি কিনিলোঁ, এইটো ঘৰ সজালোঁ। অ' এটা কথা, চৰকাৰৰ টকা ধাৰলৈ ললোঁ যদিও অসুবিধা একো নহয়; প্ৰতিমাহে ধাৰৰ বাবদ দৰমহাৰ বহুত টকা কটা যায় যদিও, বাকী থাকেও বহুত; গতিকেই সেই বিষয়ে চিন্তা কৰিব নেলাগে।”

চন্দ্ৰাই তলমূৰকৈ হাঁহিব খুজিব।

সুকুমাৰে এটা চিগাৰেট,—নাই নেলাগে, অন্ততঃ আজি ৰাতি সি চিগাৰেট নেখায়। পিচে-পৰে এদিন কথাই-কথাই চিগাৰেট সম্পৰ্কে চন্দ্ৰাৰ মনৰ ভাবটো বুজি লব লাগিব; তাৰ পিচত দেখা যাব; আজিলৈ থাকক। সি কৈ যাব,—“কইনা ঘৰলৈ ইয়াৰ পৰা ওচৰ কাৰণে বিয়াখন ইয়াৰ পৰাই পতা হ'ল। বিয়ালৈ মা, ককাইদেউ, নবৌহঁত সকলো আহিছে, কাইলৈ-পৰহিলৈ সকলো গুচি যাব; আৰু তাৰ পিচত এইখন ঘৰত আমি দুটা থাকিম,— এইখন ঘৰত আমাৰ সংসাৰ আৰম্ভ হ'ব।—” সুকুমাৰে সহজ ভাবে কথাখিনি কৈ যাবলৈ চেষ্টা কৰা সত্বেও তাৰ শেষ কথাষাৰত এটা গভীৰ সুৰ, এটা অসহায়, উপায়হীন ভাব প্ৰচ্ছন্ন হৈ থাকিব; কেই মুহূৰ্ত্তমানৰ কাৰণে ক'ব নোৱাৰাকৈয়ে সি বোধহয় অন্যমনস্ক হৈ যাব; আৰু চন্দ্ৰা,—চন্দ্ৰাও বোধহয় এবাৰ ভিতৰি-ভিতৰি জিকাৰ খাই উঠিব, সুকুমাৰে যদি কথা কোৱা বন্ধ কৰি সুবিধা দিয়ে, তেনেহলে তায়ো হয়তো অন্যমনস্ক হৈ যাব, আৰু লাহে লাহে তাইৰ নিজৰ চিন্তাৰ গভীৰলৈ,—আৰু গভীৰলৈ ডুবি গৈ থাকিব। শেষৰ ফালে তাইৰ দৃষ্টি ভৰিৰ ওচৰৰ মাটিত স্থিৰ হৈ বৈ যাব; তাইৰ চকুৰ টিপ নপৰিব; তাইৰ নিশ্চল চকুৰ পতা ৰবষুণ হৈ নামি আহোঁ-আহোঁ কৰা দুচপৰা ভৰপূৰ স্তব্ধ ডাৱৰৰ নিচিনা হৈ যাব। কিন্তু চন্দ্ৰাৰ অসুবিধা একো নহয়, আজি নিশাটোত তাইৰ মুখৰ ভাব-ভঙ্গী যেনেকুৱাই নহওক, সকলো নতুন কইনা বুলি তল পৰি যাব। ফুলশয্যাৰ কোঠালীত এজনী নতুন কইনাৰ বহুত সুবিধা; গোটেই

নিশাটো নির্ব্বাক-নিস্পন্দ নিষ্ক্রিয় হৈ কটাই দিলেও অস্বাভাবিক বুলিবলৈ একো নাই, আপত্তি কৰাৰ উপায় নাই। নির্ব্বাক নিস্পন্দ হৈ কি ভাবিছে ধৰিব নোৱাৰি; অলপ পিচতে এজন পুৰুষক আঁকোৱালি লৈ নিবিড়ভাবে আপোন হৈ যোৱাৰ মধুৰ চিন্তাত মগ্ন হৈ গলে যেনেকুৱা দেখি, আধা-ঘণ্টাৰ ভিতৰতে মেজৰ পানী এগিলাচত বিষ মিহলাই দিয়াৰ কথা ভাবি থাকিলেও তেনেকুৱাই দেখি। আজি ৰাতিৰ এই মৌনতা নিষ্ঠুৰ, মধুৰ, মমতাময়, ছলনাময়, —যি কোনো ধৰণৰ হ'ব পাৰে; বুজিবৰ কোনো উপায় নাই।

কিন্তু সুকুমাৰৰ অকণমান বেচি সময়ো অন্যমনস্ক হৈ থকাৰ উপায় নাই। টোপনিয়াই থকা, ভাবি-চিন্তি থকা, যাৰ যি ইচ্ছা কৰি থকা এজাক বিচিত্ৰ যাত্ৰীৰে ভৰা চলন্ত বাচ এখনৰ ড্ৰাইভাৰৰ নিচিনাকৈ সি মুহূৰ্ত্তে-মুহূৰ্ত্তে নিজৰ দায়িত্বলৈ উভতি আহিব লাগিব। সেইকাৰণে যিবোৰ কথাই তাক অন্যমনস্ক কৰিব পাৰে, সেইবোৰ কথা আজি ৰাতি মনলৈ নানিবলৈ ঠিক কৰি সি চকীখনত এবাৰ লৰি-চৰি বহি লব, তাৰ পিচত সি জোৰকৈ এনেকুৱা কিছুমান কথা ক'ব, যিবোৰ শুনি-শুনি চাগৈ ইতিমধ্যে চন্দ্ৰাৰ কাণ ঘোলা হৈ আহিছে। সি চন্দ্ৰাক বুজাব,—সিহঁত ভাই-ককাই দুটাৰ মাজত শেষলৈকে মিলা-প্ৰীতি থকাটো সি বাঞ্ছা কৰে; নথকাৰ কোনো কথা নাই, তথাপি,— মানে কথাটো হ'ব কি, বিয়াৰ পিচত ভাই-ককাইবোৰৰ মনবোৰ বেয়া হৈ যোৱাত বোৱাৰীবিলাকে বৰকৈ সহায় কৰে বুলি দূৰৰ পৰা অবুজ মানুহবিলাকে ফৎকৈ বদনাম দিব পাৰেতো,—সেইকাৰণে সি কথাটো উলিয়াইছে! তাৰ পিচত থাকিল মাকৰ কথা। সুকুমাৰৰ মাকৰ এই বিয়াখনলৈ বহুত দিনৰে পৰা বৰ হেঁপাহ আছিল। তেখেত হয়তো আৰু বেছি দিন জীয়াই নেথাকিবও পাৰে; থকা দিন কেইটাৰ ভিতৰতে তেখেতে লগত নিবলৈ—'ল'ৰা-দুটাৰ শান্তি হৈছে' বোলা ধাৰণা এটাৰ ব্যৱস্থা কৰি দিব পাৰিলে ভাল হয়।

"ধৰি লোৱা," সুকুমাৰে ক'ব, "আজি আমি শোওঁতে ভালেমান পলম হ'ব ; কাইলৈ পুৱা দহবজাত শোৱাৰ পৰা উঠিলেও আমাৰ টোপনি পূৰ হবনে নহয় সন্দেহ। কিন্তু পুৱা ছয় বজাত মাই যদি উঠি দেখে যে তুমি উঠি দুৱাৰ-খিড়িকীবোৰ খুলি দিছা, শুই থকা বাকীবোৰ মানুহক জগোৱাইছা, তেনেহলে সেইটো ধাৰণাকে লৈ আনন্দ মনেৰে মা পৰহিলৈ গুচি যাব। তুমি হয়তো দুপৰীয়া আকৌ তিনিঘণ্টা শুই থাকিবা, সেইটো ডাঙৰ কথা নহয়, তুমি যে পুৱা ছয় বজাৰ আগতে উঠি কামত হাত দিছিলা, মাৰ কাৰণে সেইটোহে ডাঙৰ কথা হৈ ৰ'ব।"

ইতিমধ্যে ৰাতি ভালেমান হ'ব। নিজে বিশ্বাস কৰা আৰু ভাল পোৱা কথা কিছুমান কেৱল মাকক ভাল লগোৱাৰ উপায় হিচাপে শিকাই দিয়াৰ কাৰণে সুকুমাৰে নিজকে বেয়া পাব। তাৰ শুবৰ মন যাব। এই সময়তে সি গোটেই মানুহটো এবাৰ কঁপি উঠিব। তাৰ বুকুখন কিবা এটা যন্ত্ৰণাত কোঁচ খাই যোৱা যেন লাগিব। তথাপিও দেহৰ সকলো শক্তি মুখলৈ আনি সি ক'ব, "বাৰু, এইবোৰ বহুত কথা, লাহে লাহে হৈ থাকিব। ৰাতি বহুত হ'ল ; নোশোৱা জানো ?"

সুকুমাৰ বহাৰ পৰা উঠাৰ লগে লগে চন্দ্ৰায়ো বিচনাৰ পৰা উঠি তাক বিচনাত উঠাৰ সুবিধা কৰি দিব। সেইযে উঠিব, তাৰ পিচত চন্দ্ৰা সহজে বিচনাৰ ওচৰ নেচাপিব। কোঠালীটোৰ অত-তত থিয় দি, ইটো-সিটো চোৱাৰ ছলেৰে তাই সময় নিয়াব। বিচনাৰ পৰা সুকুমাৰে আকৌ কেইবাবাৰো তাইক মাতিব ; ডাঙৰ লাইটটো নুমুৱাই নীলা লাইটটো জ্বলাবনে কি, নে নীলা লাইটটোও নুমুৱাব লাগিব সেই কথাষাৰ সোধাটো যেন চিৰাচৰিত প্ৰথা, তেনেকৈ ধৰি লৈ সি নিস্পৃহ সুৰত সুধিব। শেষত চন্দ্ৰাৰ বিচনালৈ অহাৰ কোনো লক্ষণ নেদেখি সি শুবলৈ চেষ্টা কৰিব, কিন্তু তাৰ টোপনি নাহিব। এসময়ত চন্দ্ৰা আহি বিচনাখনৰ আগৰ বহা ঠাইতে বহিব ;

বহুত পৰ তাই বহিয়েই থাকিব ; তাৰ পিচত তাই লাহেকৈ গাৰুত মূৰ থব।

অলপ পিচতে সুকুমাৰে চিলমিলিয়া টোপনিৰ পৰা সাৰ পোৱাৰ নিচিনা হ'ব। ইতিমধ্যে তাৰ নিজৰ ভিতৰতে অইন এটা মানুহৰ লগত যুঁজি-যুঁজি সি ক্লান্ত হৈ পৰিব ; সি ঘামিব। অস্থিৰ হাতৰে সি চন্দ্ৰাক চুব, লাহে লাহে তাইক মৰম কৰিব ; শেষত আৰু ঘনিষ্ঠ ভাবে মৰম কৰিব খুজি সি গম পাব,—চন্দ্ৰাৰ দুয়োখন গাল চকুপানী উপচি গৈছে ; চন্দ্ৰাই কান্দিছে। চকুৰ পানীতে সি গম পাব, তাই এতিয়া কান্দিবলৈ আৰম্ভ কৰা নাই, বহুত পৰৰ পৰা কান্দি আছে।

সুকুমাৰৰ হাত দুখন শিথিল হৈ যাব, গোটেই মানুহটো অৱশ হৈ যাব। লগে লগে আঁতৰাই নিব নোৱাৰি কাৰণে তাৰ হাত দুখনে নিষ্প্ৰাণভাবে চন্দ্ৰাক চুই থাকিব, কিন্তু এক অসহ্য যন্ত্ৰণাই সুকুমাৰক তাইৰ পৰা বহুত দূৰলৈ ঠেলি দিয়া যেন লাগিব।

চন্দ্ৰাই কান্দিব। এটোপাল-দুটোপাল আনন্দৰ চকুপানী উলিয়াই নহয়, যন্ত্ৰণাৰ চকুপানীৰে দুগাল তিয়াই কান্দিব। কিয় ? সুকুমাৰে বিশ্বাস কৰে চন্দ্ৰাৰ তাক ভাল নেলাগিব, বৰষুণ আহিলে যাৰে-তাৰে বাৰান্দালৈ সোমাই যোৱা বাটৰুৱাৰ নিচিনাকৈ চন্দ্ৰা তাৰ ঘৰলৈ আহিছে, আৰু সি জানে—এয়া চন্দ্ৰাৰ কাৰণে জীৱন-জোৰা বৰষুণ। সি আশা কৰে—উছৰ্গাৰ ফুলৰ নিচিনাকৈ চন্দ্ৰা তাৰ শোৱনী কোঠাত ম্লান হৈ পৰি থাকিব। কিন্তু তথাপিও চন্দ্ৰাৰ কান্দোন তাৰ মনৰ সকলো যুক্তি চেৰাই গৈ তাক নিষ্ঠুৰভাবে আঘাত কৰিব। তাৰ মাত্ৰ এটা ধাৰণা হ'ব,—চন্দ্ৰাই তাক ঘিণ কৰিছে ; সি তাইৰ গাত হাত দিয়াৰ লগে লগে তাইৰ অন্তৰাত্মাই ছি ছি কৰি উঠিছে।

ছি ছি ছি! সুকুমাৰ অস্থিৰ হৈ উঠিল। হয়, একমাত্ৰ তীব্ৰ ঘৃণাত উপায়ান্তৰ হৈ চন্দ্ৰাই কান্দি পেলাব। ঠিক চন্দ্ৰাৰ নিচিনা অইন এজনী ছোৱালী—পূৰ্ণিমাই এদিন তাক কৈছিল,—"ছিঃ, মই

নোৱাৰিম, মই কেতিয়াও নোৱাৰিম ; অইন এটা মানুহ মোৰ ওচৰ চাপি আহিব, অইন এটা মানুহে মোক চুব, মই সহ্য কৰিব নোৱাৰিম, মোৰ ঘিণ লাগিব,—ছিঃ !”

সুকুমাৰ চকীখনৰ পৰা উঠিল। কোঠালীটোৰ ভিতৰতে সি দুবাৰমান ইফালে-সিফালে অহা-যোৱা কৰিলে ; মেজখনৰ সন্মুখত থিয় হৈ ভাবিলে এগিলাচ পানী খাব নে কি ? কিন্তু তাৰ পূৰ হৈ থকা আয়নাৰ বাচনটোৰ পৰা পানী কমাবলৈ মন নগ'ল। দুৱাৰখন খুলি সি এবাৰ বাহিৰলৈ ওলাল। পাগঘৰৰ লাইট এতিয়াও নুমুৱা নাই ; দুজনীমানে খুটুং-খাটাংকৈ কিবা কৰি আছে ; বাকীবোৰ ভিতৰ সোমাইছেগৈ। চন্দ্ৰাও নিশ্চয় ভিতৰত সিহঁতৰ মাজতে আছে। তাই আহিবলৈ এতিয়াও অন্ততঃ এঘণ্টা ? হ'ব পাৰে। সুকুমাৰ উভতি আহিল। তাৰ গাকত মূৰটো থবৰ মন গ'ল, কিন্তু বিচনাখনৰ ফালে এবাৰ চায়েই সি থমকি ৰ'ল। এক বাণ্ডিল ধূপৰ ধোৱাঁই কোঠালীটো লাহে লাহে ভৰাই পেলাইছে ; খিড়িকী এখন খুলি দিয়াৰ কথা সি এবাৰ ভাবিলে, কিন্তু একো নকৰিলে। আকৌ চকীখনতে বহি বিচনাখনৰ ফুল আৰু পাহিবোৰলৈ চাই ৰ'ল। লগে লগে তাৰ অইন এখন বিচনাৰ কথা মনত পৰিল ;—পূৰ্ণিমাহঁতৰ ফুলশয্যাৰ বিচনাখনৰ কথা।

পূৰ্ণিমাৰ বিয়াৰ দুদিনৰ পিচত কোনোবা এটা নেদেখা কোঠালীৰ এখন ফুলশয্যাৰ বিচনাৰ কথা ভাবি ভাবি গোটেই নিশা সুকুমাৰে তাৰ বিচনাখনত ইকাটি-সিকাটি কৰি কটাই দিছিল। আজি, এই মুহূৰ্ত্তত, কোনোবা এটা কোঠালীত, সিহঁতৰ বিচনাখনত পৰি পূৰ্ণিমাই এইখন ফুলশয্যাৰ বিচনাৰ কথা ভাবিছেনে চাগৈ। ওচৰতে শুই থকা মানুহটোৰ কাৰণে বাহিৰা কথা ভাবিবলৈ তাই সুবিধাই পোৱা নাইনে কি বাৰু ? নে এতিয়ামানে তাই ক্লান্ত হৈ শুই পৰিছে। নহয় নহয়, অন্ততঃ আজি যদি পূৰ্ণিমাই এইখন বিচনাৰ কথা ভাবি কষ্ট নেপায়, তেনেহলে সুকুমাৰে বৰ দুখ পাব, নিজকে

দিবলৈ তাৰ একো সান্ত্বনা নেথাকিব। ইমান সোনকালে পূর্ণিমা এনেকুৱা হৈ যাব নোৱাৰে।

পূর্ণিমা। এজনী ছোৱালীৰ কাৰণে স্থকুমাৰে কৃষ্ণপক্ষৰ জোনৰ নিচিনাকৈ তিল তিলকৈ তাৰ মনটো ক্ষয় কৰিলে,—সেইজনী ছোৱালীৰ নাম পূর্ণিমা। আজিৰ দিনটোত সেইজনী ছোৱালীৰ কথা মনলৈ নহাকৈ থকাটো সম্ভৱ হোৱা হলে স্থকুমাৰে বহুত স্বস্তি অনুভৱ কৰিলেহেঁতেন, কিন্তু তাৰ সলনি প্রথম দেখা পোৱা দিনৰে পৰা, শেষত এদিন নেদেখা হৈ যোৱালৈকে, এই এটাইখিনি দিনৰ পূর্ণিমাৰ কথা তাৰ মনলৈ আহিল। এদিন সি আৰু পূর্ণিমাই মুখামুখিকৈ বহি অস্ফুট মাতেৰে কোৱা-কুই কৰিছিল,— সিহঁতৰ প্রথম দেখাদেখি হোৱা মুহূর্ত্তটোৰ নিচিনা অপূর্ব্ব শুভক্ষণ সিহঁতৰ জীৱনলৈ আৰু কেতিয়াও নাহিব; আজি স্থকুমাৰে ভাবিলে, তেনেকুৱা এটা কুক্ষণ তাৰ জীৱনলৈ যদি কেতিয়াও নাহিলহেঁতেন!

পূর্ণিমাৰ লগত তাৰ প্রথম দেখা-দেখি হৈছিল পূর্ণিমাহঁতৰ ঘৰৰ আগফালৰ বাৰান্দাত। এইখন চহৰলৈ অহাৰ পিচৰে পৰা স্থকুমাৰে তাৰ ককায়েকৰ পৰা তিনিখন চিঠিত হুকুম পাইছিল—মানবেন্দ্র খুড়াৰ লগত দেখা কৰিব লাগে। সম্পর্কত একো নলগা মানুহজনক স্থকুমাৰৰ ককায়েকে খুড়াদো বুলি মাতে, কিন্তু মানুহজনে তেওঁক নিজৰ ল'ৰা বুলি ভাবে। চাৰিবছৰ স্থকুমাৰৰ ককায়েকে মানবেন্দ্র চৌধুৰীৰ তলত চাকৰি কৰিছিল, আৰু প্রথম দুমাহৰ ভিতৰতে তেখেত সকলৰ মাজত অফিচৰ বৰমূৰীয়া-তলতীয়া ভাব নাইকিয়া হৈ গৈছিল। পিচৰ চাৰিবছৰত মানবেন্দ্র চৌধুৰীয়ে স্থকুমাৰৰ ককায়েকক যি মৰম কৰিলে তাৰ তুলনা নাই। বদলি হৈ নিজৰ চহৰলৈ গুচি অহাৰ পিচতো চৌধুৰীয়ে বহুত লিখা-লিখি কৰি স্থকুমাৰৰ ককায়েকৰ প্রমোচনটোৰ ব্যৱস্থা কৰিলে। সেইজন মানুহৰে একেখন চহৰতে এতিয়া স্থকুমাৰ আছে, সি যেন মানুহ-

জনৰ লগত ভাল সম্পৰ্কটো ৰাখে, মানুহজনক যেন সি নিজৰ দেউতাকৰ নিচিনাকৈ শ্ৰদ্ধা কৰে।

নতুন চাকৰিটোৰ আৰম্ভণীৰ জঞ্জালবোৰৰ কাৰণে, আৰু মন যোৱা নাছিল কাৰণে সুকুমাৰে ভালেমান দিনলৈ ককায়েকৰ চিঠি তিনিখনৰ কথা ৰাখিব পৰা নাছিল; পিচত এদিন মানুহঘৰলৈ গৈ দেখিলে—ককায়েকৰ কথাবোৰ আখৰে-আখৰে সঁচা। ককায়েকৰ কথা আৰু আগতে নৰখাৰ কাৰণে তাৰ বেয়া লাগিল। সি ভাবিলে, গধূলি অফিচৰ পৰা উভতি গৈ কোম্পানীয়ে কিছুদিনৰ কাৰণে থাকিবলৈ দিয়া ঘৰটোত সোমাই, কি কৰোঁ, কি নকৰোঁ, কেনিবা ওলায়েই যাওঁনে কি,—ভাগৰো লাগিছে,—ইত্যাদি কৰি থকাটো তাৰ ভুল হৈছিল। প্ৰথম দিনা চিনাকি দিয়াৰ লগে লগে মানবেন্দ্ৰ চৌধুৰীয়ে তাক কেৱল লাজতহে সাৱট মাৰি নধৰিলে, বাকী সকলো কৰিলে। চৌধুৰী-পত্নী মনোৰমাই প্ৰথমতে বিস্ময় প্ৰকাশ কৰিলে, "ইয়াত থকা তোমাৰ তুমাহ হ'ল?" তাৰ পিচত তেখেতে কলে, "ইমান সোনকালে কেলৈ আহিলা? তুমাহ নহাকৈ থাকিব পাৰিলা যেতিয়া আৰু কেইমাহমানৰ পিচত অহা হলেও হলহেঁতেন!"

আচল কথাটো হ'ল, চৌধুৰী পৰিয়ালে তিনিমাহ মানৰ আগতে সুকুমাৰ ইয়ালৈ অহা খবৰটো চিঠি এখনত ককায়েকৰ পৰা পাইছিল; আৰু তেতিয়াৰ পৰাই তেখেত সকলে সুকুমাৰক আশা কৰি আছিল; কিন্তু নহা দেখি ধৰি লৈছিল সি বোধহয় ইয়ালৈ অহাটো কিবা কাৰণত নহ'ল।

সুকুমাৰে জীৱনত বহুত মানুহৰ বহুত ধৰণৰ অতিথিপৰায়ণতা দেখিছে। এনেকুৱা ঘৰতো সি ভাত খাইছে য'ত নকৰিলে মৰমটো ফুটি নেযায় কাৰণে গৃহিণীয়ে কিবা এটা বস্তুৰ আৰু অকণমান খাবলৈ তাক জোৰ কৰে, কিন্তু নেখালে বেয়া নেপায়, কাৰণ ইতিমধ্যে মৰম দেখুৱা হৈ গৈছে। এনেকুৱা ঘৰলৈও তাৰ যাবলগীয়া হৈছে, য'ৰ পৰা ওলাই আহিবৰ সময়ত পিচে-পিচে বাৰান্দালৈ

আহি কোনোবা এগৰাকীয়ে কোৱা—“সময় পালে আহিবাচোন, নাহাই দেখোন”—বোলা কথাষাৰ পিচলৈ তাৰ “সময় পালেও নাহিবাচোন, আহিয়েই থাকা দেখোন”—যেন লাগে।

চৌধুৰী পৰিয়ালক চিনি পাওঁতে কিন্তু সুকুমাৰৰ বেচি দিন নেলাগিল। খোৱাৰ পাতত চৌধুৰীয়ে যদি “এ তুমি ৰ’লাই দেখোন,” বুলি হুষাৰমান কিবা কয়, মনোৰমাই মুখ পাতি লয়, “নেখাওঁ বুলিছে যেতিয়া নেলাগে, আপুনিনো কিয় জোৰ কৰি আছে? বুইছা সুকুমাৰ, মই নিজৰ গাতে পাইছোঁ নহয়, কেতিয়াবা যাদ জোৰকৈ কিবা এটা বেচিকৈ খাওঁ, পিচত গোটেই দিনটো অশান্তি লাগি থাকে।”

মনোৰমাই সুকুমাৰক বুজাই দিলে,—কাম-বন নথকা সময়ত সি তাৰ অকলশৰীয়া ঘৰটোত সোমাই থকাটো ভাল কথা নহয়। গা-মন দুয়োটাৰে কাৰণে এইটো বেয়া কথা। তেখেতৰ ডাঙৰ ল’ৰা অৰূপে এবাৰ চিম্‌লাৰ পৰা লিখিছিল—অকলে-অকলে কেতিয়াবা বৰ আমনি লাগে বুলি। তালৈকো মনোৰমাই লিখিছিল—ভিতৰতে সোমাই নেথাকিবি। ইমানদিনে যি পঢ়িলি পঢ়িলি, এতিয়াও ভিতৰতে সোমাই কিতাপ সোপা খামোচ মাৰি ধৰি নেথাকিবি; সময় পালেই ফুৰা-চকা কৰিবি; ভাল মানুহ দুজন-এজন আপোন কৰি লবি। সুকুমাৰেও যেন সময় পালেই ইয়ালৈ গুচি আহে, তেখেতসকলৰো কথা-বতৰা পাতি ফুৰ্ত্তি কৰি থাকিবলৈ লগ এটা হয়।

সুকুমাৰে কথাবোৰ বুজিছিল; কিন্তু এদিন মানুহ ঘৰলৈ নোযোৱাকৈ থাকিলেই যে তাৰ বহুত দিন নোযোৱা যেন লাগিব, আগতে খবৰ নিদিয়াকৈ কিবা লেঠাত পৰি হঠাতে এদিন যাব নোৱাৰিলে যে পিচদিনা ঠিক চাৰে দহ বজাত মনোৰমাই নিজে অফিচলৈ টেলিফোন কৰি তাৰ কি হৈছিল খবৰ ল’ব, ইমানবোৰ কথা সি অনুমান কৰিব পৰা নাছিল। সুকুমাৰৰ ধাৰণা হ’ল চৌধুৰী পৰিয়ালে তাক আদৰি লৈ তেখেতসকলৰ দূৰত থকা ল’ৰা দুটাৰ

অভাব পূৰ কৰিছে। তেখেতসকলৰ দুয়োটা লৰাই স্কুলীয়া বয়সতে ঘৰ এৰিলে। বহু দূৰৈত সিহঁত দুটা ডাঙৰ হোৱা কথাটোৱে মাক-দেউতাক হালৰ মনটো পূৰ কৰি ৰাখে, কিন্তু সন্মুখৰ এই ঘৰখন কোন কাহানিয়েই যে খালী হ'ল, খালী হৈয়েই থাকিল। তাৰ পিচত বহুত দিনৰ মূৰত ঘৰখনলৈ আহিল ঠিক অৰূপৰ নিচিনাই ল'ৰা স্নকুমাৰ।

চৌধুৰী পৰিয়ালৰ তৃতীয় প্ৰাণী, তেখেতসকলৰ শেষ আৰু তৃতীয় সন্তান পূৰ্ণিমা।

পূৰ্ণিমা। প্ৰথম দিনাই তাইলৈ চাই স্নকুমাৰে ভাবিছিল পূৰ্ণিমাতকৈ ভাল নাম এটা তাইৰ হ'ব নোৱাৰিলেহেঁতেন। অইন একো নেলাগে, কেৱল ভৰিৰ পৰা মূৰলৈকে ছোৱালীজনীক চায়েই কৈ দিব পাৰি—কিহৰ জোৰত তাইৰ এটা ককায়েক আই, এ, এছ, অফিচাৰ আৰু আনটো এয়াৰ ফ'ৰ্চৰ উজ্জ্বল সম্ভাৱনাপূৰ্ণ চাকৰিয়াল হ'ব পাৰিছে। ওখ, লাহী গাটোত পূৰ্ণিমাই যেন যৌৱনক থাকিবলৈ জুখি-জুখি ঠাই এৰি দিছে। গাটোৰ প্ৰতি অঙ্গতে যেন স্বাস্থ্য আৰু যৌৱনে অস্ফুট কণ্ঠেৰে কথা পাতি থাকে। গাৰ বগা ৰঙটোত আজন্ম সুখ আৰু মৰম মিহলি হৈ কোমল আৰু উজ্জ্বল হৈ আছে। সেই বগা ৰঙৰ ঠিক তলতে, গোটেই মুখখনতে, কিছুমান সেন্দুৰে অকণমান লাজ, অকণমান উত্তেজনাৰ হাত বাউল পালেই ওলাই আহিবলৈ বুলি বাট চাই থাকে। ছোৱালীজনীয়ে লাহে লাহে, মোহ লগাকৈ কথা কয়; যেন প্ৰতিষাৰ কথাই একনী ওখ, লাহী গাৰ গাভৰু হৈ পিচল বাটত খোজ কাঢ়ে। কথাৰ মাজে মাজে তাই মনৰ তলি উদঙাই হাঁহে; হাঁহিটো প্ৰথমতে তাইৰ গোটেই মুখখনত বিয়পে, তাৰ পিচত গোটেই কোঠালীটোতে বিয়পে। মুখখনৰ লগে লগে হাঁহে তাইৰ বহল চকু দুটাই। এই চকু দুটাৰ কাৰণেই প্ৰথম কেইদিনমান স্নকুমাৰৰ বৰ অস্বস্তি লাগিছিল; ছোৱালীজনীৰ দৃষ্টিৰ সন্মুখত তাৰ নিজকে নিলাজীবন যেন লাগিছিল।

অলপ দিনৰ ভিতৰতে সুকুমাৰে অনুভৱ কৰিলে, পূৰ্ণিমাৰ লগত তাৰ এটা নিবিড় সম্বন্ধ হৈ গলে তাৰ ভাল লাগিব। কোনো পাতনি মেলাৰ কথা সি নেভাবিলে, এখোজ-এখোজকৈ তাইৰ মনৰ কোঠালীলৈ আগবঢ়াৰ কৌশল তাৰ ভাল নেলাগিল, আনকি পূৰ্ণিমাৰ তাৰ মনৰ ওচৰলৈ আগবাঢ়ি অহাৰ প্ৰস্তুতি আছেনে নাই, সেই কথাটোৰ উমান লোৱাৰ ধৈৰ্য্যকণৰো সি অভাৱ অনুভৱ কৰিলে। তাৰ মন গ'ল—সি পূৰ্ণিমাক এদিন পোনে পোনে কৈ দিব, "তোমাক মই আপোন কৰি লব খুজিছোঁ।"

আৰু আচৰিত কথা, পূৰ্ণিমায়ো ঠিক তাকে ভাবি আছিল। তাই আশা কৰি আছিল—হঠাতে এদিন সুকুমাৰে তাইৰ মনৰ কথা এযাৰকে কৈ তাইক বোবা কৰি দিয়ক, কেইদিনমানলৈ তাইৰ মুখৰ ৰঙা ৰঙটো সেন্দুৰে আৱৰি থাকক, মনৰ কোঠালীৰ অস্ফুট গুণগুণনিত তাই অস্থিৰ হৈ উঠক, অৱশ আৰু ক্লান্ত হৈ পৰক, আৰু সেই মধুৰ ক্লান্তিকে আলফুলকৈ গাত জাপি লৈ তাই কেই-দিনমান বিচনাত পৰি থাকক! এনেকৈ আশা কৰাৰ বাহিৰে পূৰ্ণিমাই আৰু যিবোৰ কাম কৰিছিল, সেইবোৰৰ ওপৰত তাইৰ নিজৰে আস্থা নাছিল। সুকুমাৰ সন্ধিয়া পাঁচমিনিট পলমকৈ আহিলে পিচৰ পোন্ধৰ মিনিট পলমকৈ অহাৰ কাৰণটোকে লৈ তৰ্ক কৰা; যি ৰাতি সুকুমাৰে সিহঁতৰ ঘৰত ভাত খায়, সেই ৰাতি এঘাৰ বজাত মেল শেষ কৰি সুকুমাৰ যাবলৈ ওলালে পূৰ্ণিমাই ওচৰত কোনো নথকাৰ সুবিধা লৈ "চাওঁ আপোনাৰ ঘড়িটো দিয়ক চোন, ওভোটাই পকাই চাৰে ন বজাই থওঁ" বুলি কৈ হঁহা; সুকুমাৰৰ চোলাত পিচফালে অকণমান চুলি এডাল পৰি থাকিলে প্ৰথমতে ইতস্ততঃ, তাৰ পিচত সাহ কৰি গুচাই দিয়া,—এইবোৰৰ মাজত পূৰ্ণিমাই একো প্ৰতিশ্ৰুতি বা সম্ভাৱনা নেদেখিলে; বৰঞ্চ তাই বিৰক্ত হ'ল। এইবোৰে তাইক ভিতৰি ভিতৰি বেচি অস্থিৰ কৰি তুলিলে। মাজে মাজে তাইৰ ধাৰণা হ'ল—এইবোৰ সকু

ছোৱালীৰ কাম। পাঁচ মিনিট—দেড় ঘণ্টাৰ কথা নহয়, তাই ভাবে জীৱনজোৰা সুদীৰ্ঘ সময়ৰ গভীৰতাত ডুবি যোৱাৰ কথা; কেৱল এডাল চুলি নহয়, তাইক লাগে তাইৰ মনৰ নিঃসঙ্গতাখিনি গুচাই দিবলৈ, এতিয়াই, এই মুহূৰ্ততে।

পিচত এদিন, পূৰ্ণিমা আৰু সুকুমাৰে কোনো পাতনি নেমেলাকৈ যিমান পোনে পোনে কিবা এষাৰ কৈ, কিবা এটা কৰি পেলোৱাৰ কথা ভাবি আছিল, তাতকৈ বেচি সহজ আৰু পৰিষ্কাৰকৈ কথাটো ওলাই গ'ল। মানবেন্দ্ৰ চৌধুৰীয়ে এদিন কথাৰ মাজতে সুধিলে, "কিহে, তোমাৰ ঘৰৰ কথা কি হ'ল?"

সুকুমাৰে কলে, "নাই, সোনকালে একো সুবিধা নহব যেন পাওঁ। অফিচৰ ফালৰ পৰা অইন ঘৰৰ কোনো আশা নাই; মই নিজে আগতে দুই এঠাইত ভাল ঘৰৰ খবৰ কৰিছিলোঁ, এতিয়া বাদ দিলোঁ। পাৰ্মানেণ্ট বন্দোবস্ত এটা নোহোৱালৈকে সেইটো ঘৰতে কোনোমতে থাকিব লাগিব।"

সুকুমাৰৰ পাৰ্মানেণ্ট বন্দোবস্তৰ কথা চৌধুৰীয়ে আগতে শুনিছে। সুকুমাৰে এটুকুৰা মাটি কিনিছে, ঘৰ সাজিবৰ কাৰণে টকা ধাৰলৈ পাইছে, এবছৰ মানৰ ভিতৰতে তাৰ নিজৰ ঘৰত থাকিব পৰা হৈ যাব। পাতল সুৰেৰে "পাৰ্মানেণ্ট বন্দোবস্ত নোহোৱালৈকে এই কেইটা দিনৰ কাৰণে আমাৰ ইয়ালৈকে গুচি আহাঁ নহলে। কি কোৱা?"—বুলি হাঁহি-হাঁহি চৌধুৰী কোঠালীটোৰ পৰা ওলাই গ'ল।

খোলা মনৰ চৌধুৰীয়ে এনেকুৱা পাতল কথা মন গলেই কয়, আৰু কোৱাৰ পিচতে কথাবোৰ তল পৰে। কিন্তু এইষাৰ কথায়েই সুকুমাৰৰ মনৰ ভিতৰত কেইবাবাৰো উঠা-নমা কৰিলে; কেই মুহূৰ্তমানলৈ চৌধুৰীৰ লগতে হঁহা হাঁহিটো তাৰ ওঁঠত লাগি ৰ'ল; তাৰ পিচত সি আকৌ ভালকৈ হাঁহি ক'লে, "দেখিছা, খুড়াদেৱে কেনেকৈ ঘৰ লগাব খুজিছে?"

পূর্ণিমাই দেউতাক উঠি যোৱাৰ পিচত চোফাখনৰ সৰু সৰু, গোল গাৰু কেইটা ঠিক ঠাইত সজাই থোৱা কামত ধৰিছিল; আগৰে পৰা সাজু হৈ থকাৰ নিচিনাকৈ তাই লগে লগে উত্তৰ দিলে, "লগাব খুজিছে যদি লাগি যাওক।"

কথাষাৰৰ পিচত সিহঁত দুইটাই দুইটাৰ চকুলৈ চালে। কেইটামান অবাক মুহূৰ্ত পাৰ হৈ গ'ল, কোঠালীটো অদ্ভুত ধৰণে নিস্তব্ধ হৈ গ'ল, আৰু সেই নিস্তব্ধতাৰ সুবিধা লৈয়েই যেন সিহঁতৰ চকুৱে বহুত মুখেৰে ফুটাব নোৱাৰা কথা ক'বলৈ আৰম্ভ কৰিলে। সেই কথাৰ আঁৰত সুকুমাৰৰ হাঁহিটো লুকাই গল। পূৰ্ণিমালৈ চাই সি লাহে লাহে ক'লে, "লাগি যাবতো পাৰোঁৱেই, কিন্তু পিচত এৰিবৰ সময়ত যদি টান লাগে, যদি কষ্ট হয়!"

পূর্ণিমাৰ যেন সাহসৰ অন্ত নাই। তাইৰ ডিঙিত এটা নিৰ্ভীক, নিশ্চিত সুৰ ফুটি উঠিল; তাই ক'লে,—"এৰিবৰ কথানো কিয় ভাবিব লাগিছে? নেৰিলেই হ'ল।" একমুহূৰ্ত উজ্জ্বল আৰু হাঁহি মিহলি দৃষ্টিৰে তাই সুকুমাৰলৈ চালে, তাৰ পিচত লাহেকৈ সুধিলে, "কি, আগতে এৰাৰ কথাটোহে ভাবিছে নে কি?"

"নাই নাই নাই"—সুকুমাৰৰ যেন থকা-মকা লাগিল; সিযে এৰাৰ কথা একেবাৰে ভবা নাই, সেই কথাটো পূর্ণিমাক জনাই দিবলৈ তাৰ মনটো ধৰফৰাই উঠিল। সি অস্থিৰভাৱে কেইবাবাৰো নাই নাই কৰিবলৈ ধৰিলে। এক অপূৰ্ব তৃপ্তিত ডুবি গৈ তাৰ মাতটো পূর্ণিমাৰ কাৰণে বৰ মোহময় হৈ উঠিল। স্থিৰ দৃষ্টিৰে পূর্ণিমাৰ চকুলৈ চাই সি আকৌ কলে, "এৰাৰ কথা মই একেবাৰে ভবা নাই।"

আৰু একোৰে প্ৰয়োজন নহল। দুটা মন ওচৰ চাপি আহিবলৈ কোনো পাতনি, কোনো বুদ্ধি, কোনো কৌশলৰ প্ৰয়োজন নহল; আৰু এই পাতনি নোহোৱা কিতাপখনৰ পিচৰ পাতবিলাকো যেন বৰ লৰালৰিকৈ লুটি খাই গ'ল। যোগ্যতাৰ পম খেদি জীৱনৰ

সুদীৰ্ঘ কাল দেশে-বিদেশে ঘূৰি ফুৰা সুকুমাৰৰ ক্লান্ত, নিষ্কলুষ আৰু অক্ষত মন কোনোবা সেউজী ঘাটত লগা নাৱৰ নিচিনাকৈ শান্ত আৰু সুন্দৰ হৈ গ'ল। আৰু পূৰ্ণিমাৰ নিৰ্জন মনৰ ঘাট যেন বহু দিনৰ আকাঙ্খাৰ অতিথিৰ ভৰিৰ খোজ পৰি হেজাৰ-হেজাৰ মুকুতা ঠেকা-ঠেকি লগাৰ শব্দেৰে মুখৰিত হৈ উঠিল। পূৰ্ণিমাই নিজকে সকলোতকৈ ভাগ্যৱতী ছোৱালী বুলি ধৰি ললে; মধুৰ তৃপ্তিৰে তাই নিজকে বোলাই ৰাখিলে। সুকুমাৰে এই ভাগ্য তাৰ জীৱনৰ ক'ত থৰ তাকে লৈ মাজে মাজে অকলে চিন্তা কৰিবলৈ ললে। কিন্তু প্ৰতিবাৰেই সি ঠিক কৰিলে ভৱিষ্যতক সি লাহে লাহে আহিবলৈ ক'ব আৰু এতিয়াৰ এই দিনবোৰক যিমান পাৰে লাহে লাহে যাবলৈ দিব।

সেইকাৰণেই আজৰি পোৱা সময়ৰ প্ৰতিটো মুহূৰ্ত সুকুমাৰে পূৰ্ণিমাক দিলে, আথেবেথে, আলফুলকৈ,—সোণাৰীয়ে তুগতুগীত সৰু সৰু বাখৰ বহুৱাৰ নিচিনাকৈ। মানবেন্দ্ৰ চৌধুৰী আৰু মনোৰমাৰ অকপট স্নেহৰ ছাঁত সুকুমাৰ আৰু পূৰ্ণিমাই সময়বোৰ আপোন আৰু গোপন সম্পত্তি কৰি ললে। সেইবোৰ সময়ত সিহঁতে এটাও নিশ্চিত কথা ক'ব পৰা নাই, কিন্তু কোনোদিনেই অকণমান সময় মনে মনে থকাৰো বাঞ্ছা কৰা নাই। যদি কেতিয়াবা অকণমান সময় নিঃশব্দে পাৰ হৈছে, তেনেহলে সেয়া যুদ্ধৰ নিঃশব্দতা; তীব্ৰ অভিমানত কোনেও কাৰো ওচৰত বশ নেমানো বুলি মুখা-মুখিকৈ বহি থকাৰ নিঃশব্দতা। বাকী সময়খিনিত সিহঁতে পতা কথাৰ আদি-অন্ত নাই;—পূৰ্ণিমাৰ সুকুমাৰক তুমি বুলি মাতিবলৈ মন যায়, হাতৰ তলুৱাৰ এইখিনিতে এই পুৰণ চিনটো থকাৰ কাৰণে পূৰ্ণিমা ইমান অবুজ, সুকুমাৰ এতিয়া একেবাৰে জোখৰ হৈ আছে, ইয়াতকৈ আৰু অকণমান শকত হলেই সি দেখিবলৈ বেয়া হ'ব,— এনেকুৱা অকণ-অকণ কথাৰ পৰা আৰম্ভ কৰি, সিহঁত দুটাৰ এটা নহলে ইটোৱে কিমান অসম্পূৰ্ণ হৈ যাব, তেনেকুৱা অন্তৰঙ্গ, গোটেই

জীৱনটোক জড়িত কৰি লোৱা প্ৰশ্নবোৰে অজস্ৰ কথাই সিহঁতক ব্যস্ত কৰি ৰাখে। এদিন পূৰ্ণিমাই সুকুমাৰক ক'লে, "বুজিছে দাদা, আপুনিয়েই একমাত্ৰ মানুহ, যিজনে মোৰ এটাইবোৰ ভালহে দেখে, আৰু আপুনিয়েই মোৰ ওপৰত খং কৰে আটাইতকৈ বেচি। কিন্তু আপুনি নিজেই বুজে, এইটো ঘৰত, বৰ সুখত, সংসাৰৰ সামান্য আচোঁৰ এটা নোখোৱাকৈ মই ডাঙৰ হৈছোঁ। মোৰ চাগৈ কিমান দোষ আছে। আপুনি মৰমতে মোক ভাল ভাল বুলি থকাৰ সলনি মোৰ দোষবোৰ দেখুৱাই, শুধৰাই, মোক সঁচাকৈয়ে এজনী ভাল ছোৱালী কৰি নলয় কিয়?"

নিশ্চয়, নিশ্চয়;—সুকুমাৰে ভাবিলে। সেইটো সি কৰিবই; সেইটো তাৰ এটা মধুৰ দায়িত্ব। কিন্তু ক'তা, দেখুৱাই, শুধৰাই দিবলৈ পূৰ্ণিমাৰ একো বেয়া কথাতো তাৰ চকুত পৰা নাই। কেতিয়াবা দেখিলে নিশ্চয় দেখুৱাই দিব লাগিব বুলি সুকুমাৰ বাট চাই ৰ'ল।

এদিন গধূলি সুকুমাৰে ক'লে, "মই ঠিক পাঁচবজাতে আহিছিলোঁ; খুড়ীদেৱে ক'লে,—তোমাৰ বোলে হঠাতে মিটিং এখনলৈ যাবলগীয়া হ'ল, চাৰে পাঁচ বজাত উভতি আহিবা। ছয় বজাতো তুমি নহা দেখি মোৰ বৰ বেয়া লাগিল, খুড়ীদেউক অকণমান ফুৰি আহোঁ বুলি কৈ ময়ো তোমালোকৰ মিটিঙৰ ঠাই পালোঁগৈ। পিচে মই গৈ পাওঁতে মিটিং শেষ হ'ল; তোমালোক তেতিয়া ওলাই আহিছা।"

"আপুনি মোক দেখিছিল?" পূৰ্ণিমাই উৎফুল্ল হৈ সুধিলে।

"দেখিছিলোঁ।"—সুকুমাৰে ক'লে।

"আপুনি মোক লগ নধৰিলে কিয়?"

"বা—, যিজাক ছোৱালীৰ মাজত তুমি সোমাই আছিলা, মোৰ কি সাধ্য তালৈ গৈ তোমাক লগ পাওঁ। তাতে মই আছিলোঁ বহুত দূৰৈত,—ৰাস্তাত।"

এজাক সমনীয়া ছোৱালীৰ মাজত ধুনীয়া, স্বাস্থ্যবান ল'ৰা

সুকুমাৰে পূৰ্ণিমাৰ লগত কথা পাতিব, সেইকণ গৰ্ব অনুভৱ কৰিবলৈ পূৰ্ণিমাই বৰ ভাল পালেহেঁতেন; কামত নলগাকৈ সুবিধাটো গুচি যোৱাৰ কাৰণে তাই মনে মনে সামান্য আহত হ'ল। অলপ শীতল সুৰেৰে তাই অইন এটা সুখ অনুভৱ কৰাৰ চেষ্টা কৰিলে, "ইমান বিলাক ছোৱালীৰ মাজত আপুনি মোক ইমান দূৰৰ পৰা চিনি পাইছিল? আৰু তেতিয়াতো গধূলি হৈ গৈছিল—"

"নেপাম কিয়? তুমি যি যোৰহে কাপোৰ পিন্ধি গৈছিলা। টিকটিক্‌কৈ ৰঙা ব্লাউজ, ৰঙা পাৰিৰ চাদৰ; মই কিয়, যি কোনো মানুহে ছোৱালীজাকলৈ চাই পঠিয়ালে প্ৰথমতে তোমাতে চকু পৰিব। লাইটৰ পোহৰত একেবাৰে ট ট কৈ জিলিকি আছিলা।"

পূৰ্ণিমাৰ লাজ লাগি গ'ল; "এ হয়নে কি?" বুলি তাই হাঁহি পেলালে।

সুকুমাৰে অকণমান সময় তন্ময় হৈ কিবা ভাবিলে, তাৰ পিচত সি হঠাতে ক'লে, "মই আজি প্ৰথম এটা কথা কওঁ পূৰ্ণিমা, মানে— মই বেয়া পোৱা কথা এটা; ৰাখিবানে?"

পূৰ্ণিমা উৎকণ্ঠিত হৈ উঠিল; তাই আচৰিত দৃষ্টিৰে সুকুমাৰৰ মুখলৈ চালে, যেন সি বেয়া পোৱা কথাটো কি হ'ব পাৰে, সেইটো তাৰ মুখত পঢ়িবলৈ চেষ্টা কৰিলে; তাৰ পিচত তাই লৰালৰিকৈ কলে, "ৰাখিম, নিশ্চয় ৰাখিম।" হয়তো কথাটো ৰাখিব পৰা ধৰণৰ নহবও পাৰে; পূৰ্ণিমাৰ সেইবোৰ ভাব মনলৈকে নাহিল। সুকুমাৰে যিহকে কয়, গোটেই জীৱনটো তাকে কৰি থকাৰ নিচিনা ভাগ্য যেন তাইৰ কাৰণে আৰু নাই।

সুকুমাৰে লাহে লাহে ক'লে, "মই তোমাৰ গাত ৰঙা ৰঙটো বেয়া দেখোঁ, বুজিছা? কোনো কাৰণ মই বিচাৰি পোৱা নাই,—মুঠতে বেয়া পাওঁ। মই জানো,—ৰঙাটো বৰ উজ্জ্বল ৰং, সহজে ৰঙটো গাত শুৱাই পৰে; সেইকাৰণে সকলো ছোৱালীয়ে চাগৈ এই ৰঙটোলৈ হেঁপাহ কৰে। কিন্তু তুমিতো এনেয়ে উজ্জ্বল; তোমাৰ

গাৰ ৰং বগা, যি কোনো ৰং তোমাৰ গাত শুৱাব। সেইকাৰণে পাৰিলে এই ৰঙটো তুমি বাদ দিবানে?"

"অ' আই, সেইটোনো কি কথা?" পূৰ্ণিমা যেন ভিতৰি ভিতৰি এটা কষ্টদায়ক বেজী লবলৈ সাজু হৈছিল, কিন্তু তাৰ সলনি তাইক মুখত লৈ টপালি থাকিবলৈ এটা মিঠা বড়ি দিয়া হ'ল। "তাকে আগতেনো নকলে কিয়? মইতো আপোনাৰ মনৰ কথা নেজানো।" পাতল সুৰেৰে তাই ক'লে।

"আগতে ভাবিছিলোঁ, কথাটো তোমাক কোৱাৰ লগে লগে তাৰ কাৰণটোও কম। এটা কাৰণ নহলে কথা এটা কৈ ভাল নেলাগে।"

"আজি কাৰণটো পালে?"

"ক'লোঁ নহয় নাই পোৱা বুলি। কিন্তু আজি কাৰণ নোহোৱাকৈয়ে কৈ দিবৰ মন গ'ল।" কথাষাৰ কৈ সুকুমাৰে হাঁহিলে; হাঁহি হাঁহিয়েই সি ক'লে, "কাৰণটো বোধকৰোঁ এনেকুৱা বুইছা;—মানে তুমিতো মোৰ কাৰণে উজ্জ্বলেই, তাৰ পিচতো তুমি যেতিয়া ৰঙা কাপোৰেৰে উজ্জ্বল হবলৈ চেষ্টা কৰা, তেতিয়া সেই উজ্জ্বলতা মোৰ কাৰণে নহয় যেন লাগে; সেই অধিক উজ্জ্বলতা অইন ক'ৰবাত কাৰোবাৰ স্বীকৃতি পোৱাৰ কাৰণে যেন লাগে, আৰু মোৰ নিজকে বৰ ম্লান যেন লাগে।" শেষৰ বাক্যটো সুকুমাৰে ইংৰাজীতে ক'লে আৰু কৈয়েই প্ৰাণখুলি হাঁহিবলৈ ধৰিলে। পূৰ্ণিমাই ম্লান হাঁহিৰে মেজৰ ওপৰত পৰি থকা সুকুমাৰৰ হাতখনৰ আঙুলি কেইটাৰ ওপৰত হাত বুলাবলৈ ধৰিলে, যেন বুজাব খুজিলে—"তুমি কিয় ভয় কৰা? নেপায় নহয়।"

পিচদিনাই পূৰ্ণিমাই তাইৰ ৰঙা ব্লাউজ, ৰঙা ৰং থকা চাদৰ, যিবোৰ অইন ৰঙৰ ব্লাউজত নামমাত্ৰ ৰঙা সুতাৰ খেলা আছে, সেইবোৰ পৰ্য্যন্ত এটা বেলেগ বাকচত বন্দী কৰি থৈ দিলে, কেতিয়াবা কাৰোবাক দি দিব, এই আশাত। পিচৰ এমাহৰ ভিতৰত

মাকক কৈ তাই গহনাবোৰৰ প্ৰতিটো ৰঙা বাখৰ সলোৱাই নীলা, সেউজীয়া বাখৰ বহুৱাই ললে। তাৰ পিচত যেতিয়া এদিন তাই কপালৰ ৰঙা ফোঁটটো কি কৰিব, সেই কথাষাৰ নিৰুপায় আৰু অপৰাধীৰ সুৰত সুকুমাৰক সুধিলে, সেইদিনা সুকুমাৰৰ মৰমতে কান্দি পেলাবৰ মন গ'ল। সি ব্যস্ত হৈ কলে, "নহয় নহয় পূৰ্ণিমা, তুমি যদি মোৰ কথাটো এনেকৈ আখৰে-আখৰে ধৰা, তেনেহলে মই বুজিম, তুমি মোৰ ওপৰত খং কৰিছা। তুমি কপালৰ ফোঁটটোৰ ৰং সলাব নেলাগে, মই বেয়া পাম।" অকণমান সময় সুকুমাৰ আবেগত অভিভূত হৈ বহি ৰ'ল, তাৰ পিচত সি পাতল সুৰেৰে হাঁহি-হাঁহি কলে, "ভাবি চোৱাচোন, তুমি যদি কথাটো এনেকৈ পালিবলৈ লোৱা, এদিন মই তোমাৰ শিৰৰ কাৰণে সেউজীয়া সেন্দুৰ বিচাৰিব লাগিব!"

কথাষাৰত সিহঁত দুয়োটা যেন উচপ খাই উঠিল। সুকুমাৰৰ বুকুৰ ওপৰেদি যেন কিবা শীতল বস্তু এটা বাগৰি গ'ল; পূৰ্ণিমাৰো।

পূৰ্ণিমাৰ গাত কপালৰ ফোঁটটোৰ বাহিৰে ৰঙা ৰং সুকুমাৰে পিচত আৰু কোনো দিনেই নেদেখিলে। মৰমৰ অহঙ্কাৰত সুকুমাৰ ফুলি উঠিল। পূৰ্ণিমা তাৰ সন্মুখত আৰু উজ্জ্বল হৈ উঠিল। সৌভাগ্য আৰু অহঙ্কাৰ লুকুৱাই ৰাখি ৰাখি এসময়ত সুকুমাৰ অতিষ্ঠ হৈ উঠিল। তাৰ বাৰে বাৰে মন গ'ল,—পূৰ্ণিমাক লগত লৈ সি যেন এই চহৰখনৰ প্ৰধান বাটেদি ধীৰে ধীৰে এপাক ঘূৰি আহিব, এটা জোন আৰু এখন আকাশ চহৰখনৰ ওপৰেদি এৰাতি পাৰ হৈ যোৱাৰ নিচিনাকৈ।

এদিন সঁচাকৈয়ে সুকুমাৰে পূৰ্ণিমাক সন্ধিয়া ফুৰিবলৈ যাবলৈ লগ ধৰিলে; আৰু সেইদিনাই এটা ঘটনা ঘটিল। মনোৰমাই ভিতৰৰ কোঠালীত সৰু মাতেৰে পূৰ্ণিমাক বুজালে, "তেওঁতো আমাৰ একেবাৰে ঘৰৰ নিচিনা, আমাৰ নিজৰ ল'ৰাৰ নিচিনা। তহঁত দুইটা একেলগে আছ, ধেমালি কৰিছ, ঘৰখনত মানুহ থকাৰ নিচিনা লাগে,

আমাৰো ভাল লাগে। ময়েই বা দেউতাৰেই কেতিয়াবা জানো তইঁতক কিবা কৈছোঁ? কিন্তু এনেকৈ একেলগে ফুৰিবলৈ গলে বাহিৰৰ মানুহে কি বুলিব? এইবোৰতো ইমান ডাঙৰ ঠাই নহয় যে কোনেও কাকো চিনি নেপায়! দেউতাৰ বা মই লগত গলেও এক কথা।"

পূর্ণিমাই মাকৰ এষাৰ কথাও গোপন নকৰিলে; একে সুৰতে প্রতিটো শব্দ সুকুমাৰক কৈ দিলে। পূর্ণিমাৰ লগত সুকুমাৰে আগতে বহুতবাৰ অভিমান কৰিছে, বহুতবাৰ সি আহত হৈছে; সেইবোৰ মৰমৰ দুখ; কিন্তু সি এইখন ঘৰত প্রথমবাৰৰ কাৰণে আজি পূর্ণিমাৰ বাহিৰে অইনৰ কথাত আহত হ'ল, ক্ষুব্ধ হ'ল। নীৰৱ অভিমানেৰে সি ওলাই গ'ল, পিচৰ তিনিদিন এইখন ঘৰলৈ নাহিল। মানবেন্দ্র চৌধুৰীয়ে উৎপাত আৰম্ভ কৰিলে,—কি হ'ল? অফিচলৈ ফোন কৰে, অফিচত সি নাই। ঘৰলৈ মানুহ পঠিয়ায়, ঘৰতো নাই। পূর্ণিমাৰ চকু মুখ দুদিনতে বহুতদিন টোপনি খটি কৰাৰ নিচিনা হৈছিল; তৃতীয় দিনা আবেলি তাই সকলো কথা দেউতাকক কৈ দিলে। "ছি ছি ছি, কি কেঁচুৱা মানুহৰ নিচিনা কাৰবাৰ!" বুলি চৌধুৰী মটৰত উঠি নিজে সুকুমাৰক বিচাৰি ওলাল। পূর্ণিমা, মনোৰমা আৰু সুকুমাৰ,—কাক উদ্দেশ্য কৰি চৌধুৰীয়ে কথাষাৰ ক'লে, কোনেও ধৰিব নোৱাৰিলে।

আধাঘণ্টাৰ মূৰত মটৰৰ পিচৰ দুৱাৰখন খুলি সুকুমাৰ পূর্ণিমা-হঁতৰ গাড়ী-বাৰান্দাত নামিল। সি ওপৰলৈ মূৰ নকৰিলে; চৌধুৰীৰ পিচে পিচে আহি মাজৰ কোঠালীৰ চোফা এখনত তল-মূৰকৈ বহি ৰ'ল। চৌধুৰীয়ে কিন্তু সোমায়েই ডাঙৰ ডাঙৰকৈ মনোৰমাক চিঞৰিলে; মনোৰমাও উধাতু খাই সোমাই আহিল। নাহিল পূর্ণিমা। তাইৰ লাজ লাগিছিল, অভিমান হৈছিল। কথা-বতৰাবোৰ শুনিবলৈ তাই ওচৰৰ কোঠালীটোত উৎকর্ণ হৈ বহি ৰ'ল। চৌধুৰীয়ে প্রথমতে হো হো কৈ এগাল হাঁহি ললে, তাৰ

পিচত কলে, "এওঁ কি কৰিছে জানা? এই গধূলি সময়ত লাইট-চাইট নজ্বলোৱাকৈ, এন্ধাৰে-মুন্ধাৰে বিচনাত পৰি আছে। পগলায়েই নে কিয়েই জানো! যোৱাচোন, বেগাই চাহৰ যোগাৰ কৰা।"

মনোৰমা সোমাই গ'ল; তাৰ পিচত চৌধুৰীয়ে বহি ললে। তেখেতে গম্ভীৰ মাতেৰে কলে, "শুনা সুকুমাৰ, মোৰ কথা শুনা। মাকে পূৰ্ণিমাৰ আগত কিবা কৈছে, কথাবোৰ তুমিও শুনিছা, ময়ো শুনিছোঁ। মই তিৰোতা মানুহৰ সেইবোৰ পেন্-পেনীয়া কথাৰ মাজত নাই বুজিছা। মোৰ নিজৰ ল'ৰাক দিয়াৰ নিচিনাকৈ এইখন ঘৰ তোমাক এৰি দিছোঁ। অইনৰ কথা মই নুশুনো, মই তোমাৰ কথা শুনিম। তুমি কোৱাচোন, তোমাৰ মনত কিবা অইন ভাব আছেনে?"

সুকুমাৰ মানুহটো ভৰিৰ পৰা মূৰলৈকে কঁপি উঠিল। তাৰ মনত অইন কিবা ভাব আছেনে? পূৰ্ণিমাক প্ৰথম দেখাৰ দিনাৰ পৰা আজিলৈকে এই দীঘলীয়া দিনৰ মোহময় মুহূৰ্ত বিলাক অকস্মাতে যেন তাৰ মনৰ ভিতৰত নিৰাশ্ৰয় হৈ গ'ল; বাহৰ পৰা আচম্বিতে খেদা খোৱা মৌৰ নিচিনাকৈ সিহঁতে যেন তাৰ বুকুৰ মাজত তোলপাৰ লগাই দিলে। কাপুৰুষৰ দৃষ্টিৰে সি চৌধুৰীলৈ মূৰ তুলি চালে। সদায় দেখি থকা স্নেহময় চৌধুৰীৰ সেই একে দৃষ্টিৰে সম্মুখত আজি সুকুমাৰ লাজে-ভয়ে কোঁচ খাই এটা ধূলিকণা হৈ যাবৰ মন গ'ল। তাৰ এনেকুৱা লাগিল যেন প্ৰশ্নটোৰ উত্তৰ নিজে আনিবলৈ বুলি চৌধুৰীৰ দৃষ্টি তাৰ বুকুৰ তলিলৈকে সোমাই গৈছে।

পলম কৰিবলৈ সুকুমাৰৰ উপায় নাছিল। যিটো উত্তৰ সি এক মুহূৰ্তৰ ভিতৰতে দিব পাৰিলেহেঁতেন, সেইটো উত্তৰ তাৰ মুখলৈ নাহিল; আৰু যিটো উত্তৰ সি গোটেই জীৱনতো দিয়াৰ কথা ভৰা নাছিল, সেই উত্তৰটো সি মন্ত্ৰমুগ্ধ মানুহৰ নিচিনাকৈ দি পেলালে, "নাই, নাই খুড়াদেউ।"

"নাই।"—দুগুণ জোৰেৰে শব্দটো উচ্চাৰণ কৰি চৌধুৰী

একেকোবেই ঠিয় হ'ল। "তোমাৰ মনত একো নাই যেতিয়া বাহিৰৰ মানুহে কি ভাবিব তাক লৈ চিন্তা নকৰোঁ। মই তোমাক বাহিৰৰ মানুহতকৈ বেচি বিশ্বাস কৰোঁ। পূৰ্ণিমা! পূৰ্ণিমা!— যোৱা, তাই ভিতৰতে আছে হবলা।" বুলি চৌধুৰী ওলাই গ'ল।

নাই! নাই? সুকুমাৰৰ মনত একো নাই? ওচৰৰ কোঠালী-টোত উৎকৰ্ণ হৈ বহি থকা পূৰ্ণিমাৰো চাৰিওফালে এন্ধাৰ-এন্ধাৰ লাগিল। তাই একো শুনা নাই, নাইবা ভুলকৈ শুনিছে বুলি ভাবিবলৈ মন গ'ল। বেচি সময় তাই ধৈৰ্য্য ধৰি থাকিব নোৱাৰিলে, তাইক বিচাৰি সুকুমাৰে কোঠালীটোলৈ সোমাই অহাৰ আগতে তাই কান্দি পেলালে।

সুকুমাৰে তাইক তাইৰ খোপাটো চুই চুই বুজালে, জীৱনত কেতিয়াও নিজকে এনেকৈ প্ৰৱঞ্চনা কৰি সি মিছা কথা কোৱা নাই। তাইৰ দেউতাকৰ গভীৰ বিশ্বাসৰ তলিত পৰি তাৰ মৰমে হাঁহাকাৰ কৰি উঠিল, তাৰ মৰম মৰি গ'ল, আৰু মৰমৰ শেষ নিশ্বাসটো কেৱল 'নাই' বোলা এটা নিষ্ঠুৰ মিছা শব্দৰ বুৰবুৰণি হৈ ওলাই গ'ল। সি পূৰ্ণিমাক কাতৰভাবে অনুৰোধ কৰিলে তাই যেন সি জীৱনত প্ৰথম বাৰৰ কাৰণে মিছা কথা কোৱা বুলি বিশ্বাস কৰে।

পূৰ্ণিমাই বুজিলে। কিন্তু সিহঁত দুইটাই ভিতৰি ভিতৰি এইটোও বুজিলে যে সিহঁতৰ জীৱন দুটাৰ মাজত ঘন কুঁৱলী পৰিছে। কাপুৰুষৰ নিচিনাকৈ এক মুহূৰ্ত্ততে কৈ পেলোৱা 'নাই' বোলা শব্দটো কেতিয়া, কেনেকৈ কি সাহেৰে পিচত সুকুমাৰে 'আছে' কৰিব?

পিচৰ দিনবোৰত সুকুমাৰ নিষ্প্ৰভ, ম্ৰিয়মান হৈ গ'ল। সি ভাবিলে—সি উচ্চাৰণ কৰা 'নাই' বোলা শব্দটোৱে যদি তাৰ ভৱিষ্যত জীৱনৰ ওচৰে-ওচৰে পূৰ্ণিমা নথকাটোকো বুজায়, তেনেহলে তাৰ এইবোৰ দিনত বহুত দায়িত্ব আছে। এইবোৰ দিনত পূৰ্ণিমাৰ লগত থকা তাৰ অবাধ আৰু মধুৰ মিলাপ্ৰীতিয়ে আগলৈ তাইৰ জীৱনত কাঁইট হৈ দেখা দিব। মানবেন্দ্ৰ চৌধুৰীয়ে একো

নেভাবিব পাৰে, কিন্তু পূৰ্ণিমাৰ জীৱনলৈ যিজন দ্বিতীয় মানুহ আহিব, তেওঁ মানবেন্দ্ৰ চৌধুৰীৰ নিচিনা নহবও পাৰে। দ্বিতীয় মানুহ! প্ৰথম-বাৰৰ কাৰণে এই শব্দ দুটাই সুকুমাৰ বুকুখন চেপা মাৰি ধৰিলে। যন্ত্ৰণাকাতৰ সুকুমাৰ তাৰ অকলশৰীয়া ঘৰটোৰ ভিতৰত অস্থিৰ হৈ উঠিল। সি ঠিক কৰিলে পূৰ্ণিমাৰ লগত তাৰ সম্পৰ্কটো সি প্ৰত্যেকটো মানুহৰ পৰা গোপন কৰি পেলাব; পূৰ্ণিমাক লৈ চহৰৰ প্ৰধান বাটেদি ফুৰি অহাৰ প্ৰশ্ন নাই; বৰঞ্চ বাহিৰৰ এটা প্ৰাণীয়েও যেন তাক পূৰ্ণিমাহঁতৰ ঘৰৰ চকী এখনত সাধাৰণ আলহীতকৈ বেচি আৰামেৰে বহি থকাও নেদেখে।

এবাৰ পূৰ্ণিমাৰ মাহীয়েকৰ জীয়েক এজনী ছমাহমান সিহঁতৰ ঘৰত থাকিবলৈ অহাৰ কথা ওলাল। পূৰ্ণিমা আৰু সুকুমাৰ দুইটাই অস্বস্তিবোধ কৰিলে; দুইটাই দুইটাৰ চকুলৈ চাই পৰস্পৰৰ অস্বস্তিখিনিক কাতৰভাবে সমবেদনা জনালে। সুকুমাৰে ক'লে, "ছোৱালীজনী ইয়াত থকা দিনখিনিত মই ইয়ালৈ নাহোঁ দিয়া পূৰ্ণিমা।"

পূৰ্ণিমা ব্যাকুল হৈ উঠিল, "কিয়, কিয়?"

সুকুমাৰে বেদনাৰে ঢাক খোৱা মাতেৰে কলে, "মোৰ আৰু কাকো একো জনাবলৈ ইচ্ছা নাই পূৰ্ণিমা। জনালে মোৰ অসুবিধা একো নহয়, কিন্তু তুমি ছোৱালী, তোমাৰ বহুত অপকাৰ হ'ব। এতিয়া ঘৰখনত মই মুকলিমুৰীয়াকৈ থাকোঁ, আলহী যদি বাহিৰৰ কোঠালীত থাকে, মই ভিতৰৰ কোঠালীত তোমাৰ ওচৰত বহি থাকোঁ। কিন্তু ভিতৰত তোমাৰ লগত এজনী ছোৱালী থাকিলে মই বাহিৰৰ কোঠালীত আলহীৰ লগত বহি থকাই ভাল, আৰু তাতকৈ নহাই ভাল।"

"কিন্তু তাই মোৰ ভনী, আপোন মাহীদেউৰ ছোৱালী।" পূৰ্ণিমাই বুজাবলৈ চেষ্টা কৰিলে।

সুকুমাৰে এটা অভিজ্ঞ, ম্লান হাঁহি মাৰিলে; কলে, "বুইছা

পূর্ণিমা, খুড়াদেউ আৰু খুড়ীদেউৰ নিচিনা মানুহ পৰ হলে, আৰু তেনেকুৱা পৰ মানুহেৰে পৃথিৱীখন ভৰি থাকিলেও চিন্তা কৰিব লগীয়া একো নাই, কিন্তু হঠাতে তোমাৰ গাৰ মঙহ এটুকুৰা পৰ হৈ গলে কষ্ট পাবা, তোমাৰ নিজৰ আঙুলি এটাত বৰ বেয়া ঘা এটা হোৱাৰ নিচিনা লাগিব।”

“নহয়, নহয়”—পূর্ণিমা অধৈর্য্য হৈ উঠিল,—“আপুনি ইমান নেভাবিব।” পূর্ণিমাই নিজেও বেচিকৈ নেভাবে। তাই সদায় সকলো কথাতে ভাবি আহিছে—শেষ মুহূর্তত কিবা এটা হৈ যাব, নাইবা ভাবিছে—যি হয় হ'ব। সুকুমাৰৰ নিচিনাকৈ এটা দ্বিতীয় মানুহৰ কথা তাই কোনোদিনেই ভবা নাই, ভাবিছে—কিবা নহয় কিবা এটা উপায়েৰে সুকুমাৰেই তাইৰ প্রথম আৰু শেষ মানুহ হৈ যাব।

তাই সুকুমাৰক আৰু বুজালে, “আপুনি দেখিলে বুজিব,—তাই ভাল মনৰ ছোৱালী; মই যি কওঁ তাকে তাই বিশ্বাস কৰিব। আপুনি নিশ্চিন্তমনে আহি থাকিব, মই সকলো ঠিক কৰিম।”

পূর্ণিমাই কৰিলেও সঁচা। সুকুমাৰ আৰু মাহীয়েকৰ ছোৱালজনীক আহি পোৱাৰ দ্বিতীয় দিনাই তাই দুইটাৰে কোনো সঙ্কোচ থাকিব নোৱাৰাকৈ চিনাকি কৰি দিলে; কলে, “বুইছ, এখেত সুকুমাৰ দাদা। ক'ৰ মানুহ, ক'ত থাকে, কি কৰে সেইবোৰ মই তোক পিচত লাহে লাহে কম, এতিয়া এইটোকে বুজি থ—এখেত আমাৰ ঘৰৰে ফুল-টাইম মেম্বাৰ; সদায় দেখি থাকিবি। আৰু দাদা, এই হল চন্দ্রা, মোৰ ভনী।”

ফুল-টাইম মেম্বাৰ কথাষাৰে সুকুমাৰক তৎক্ষণাতে অন্যমনস্ক কৰি পেলাইছিল, লৰালৰিকৈ সি সুধিলে, “কি, কি নাম?”

“চন্দ্রা।” পূর্ণিমাই দোঁহাৰিলে।

সুকুমাৰে ছোৱালীজনীৰ মুখলৈ চালে। পূর্ণিমাৰ ভনীয়েক। একে সাঁচতে গঢ়া এজনী ধুনীয়া ছোৱালী।

"চন্দ্ৰা। আৰু তোমাৰ নাম পূৰ্ণিমা। ভাল মিলিছে নাম দুটা। তুমি পূৰ্ণিমা—বৰ উজ্জ্বল হৈ এটা দিন থাকা, আৰু তুমি চন্দ্ৰা —উজ্জ্বলেই হওক অনুজ্জ্বলেই হওক সদায় থাকা,—তাৰ মাজতে এদিন তোমাৰো পূৰ্ণিমা হয়—" বুলি নিজৰ কথাত নিজেই ৰস পাই সুকুমাৰে ডাঙৰকৈ, অসংযতভাৱে হাঁহিবলৈ ধৰিলে।

সুকুমাৰে অহা বন্ধ নকৰিলে। পূৰ্ণিমা আৰু তাৰ অকলশৰীয়া সময়বোৰৰ বহুতখিনি ভাগ চন্দ্ৰাই ললে, কিন্তু সি যিমান কষ্ট আৰু অসুবিধাৰ কথা ভাবিছিল, সিমান একো নহল।

এদিন ৰাতি সুকুমাৰ যোৱাৰ পিচত চন্দ্ৰাই পূৰ্ণিমাক ক'লে, "সুকুমাৰ দাদা ইমান ভাল মানুহ। ইমান ভাল মানুহ থাকিব পাৰে বুলি নেদেখিলে, লগ নেপালে বিশ্বাস কৰিব নোৱাৰি নহয়?"

পূৰ্ণিমাই চন্দ্ৰালৈ পোন্দোৱাকৈ চালে; তাৰ পিচত সোঁহাতৰ তৰ্জ্জনীটো এচাৰি এডালৰ নিচিনাকৈ থিয় কৰি, খঙাল পণ্ডিতৰ সুৰত কলে, "অই খবৰদাৰ, এই কেইদিনৰ ভিতৰতে কিবা এটা যদি কৰ, কথা বেয়া হ'ব; খেদি দিম, পলাবলৈ বাট নেপাবি।"

চন্দ্ৰাৰ কিন্তু ধেমালি কৰাৰ মন নগল। দীঘলকৈ নিশাহ এটা এৰি ক্লান্ত মাতেৰে তাই কলে, "একো নকৰোঁ দে অ', চিন্তা নকৰিবি।" তাৰ পিচত হঠাতে মনটো পাতল কৰি লৈ তাই সুধিলে, "বাৰু, তোক মই এটা কথা সোধোঁ, বেয়া পাবিনে কি?"

পূৰ্ণিমাই বিচনাত দীঘল দি ললে, তাৰ পিচত কলে, "নেপাওঁ নেপাওঁ, কি সোধ, সুধি যা, এফালৰ পৰা কৈ যাম।"

চন্দ্ৰাই সৰু মাতেৰে, বৰ মৰম লগাকৈ সুধিলে, "তোৰ লগত সুকুমাৰ দাদাৰ কিবা আছেনে কি অ'?"

পূৰ্ণিমাই স্তব্ধ দৃষ্টিৰে চন্দ্ৰাৰ চকুলৈ চালে। এনেকুৱা এটা কথা সুধি চন্দ্ৰাই এদিন তাইক বিপদত পেলাব বুলি পূৰ্ণিমাই আগৰে পৰা ভয় কৰি আছিল। তাই আপ্ৰাণ চেষ্টা কৰিলে চন্দ্ৰাই যেন তাই কথাষাৰৰ অৰ্থ নুবুজিহে তেনেকৈ চাইছে বুলি বুজক। চন্দ্ৰাই

জোৰ কৰিলে, "মোৰ পৰা মুলুকুৰাবি দেচোন, মোক ক'লে তোৰ একো অসুবিধা নহয়।"

এই এষাৰ কথা কৈ সময় অকণমান দিয়াৰ কাৰণেও পূৰ্ণিমাই ভাল পালে। নহলে উত্তৰ দিয়াত একমুহূৰ্ত পলম কৰাৰো অৰ্থ নাই ; চন্দ্ৰাও ছোৱালী, তাতে যথেষ্ট চতুৰ, এক মুহূৰ্তৰ পলমতে তাই বহুত কথা বুজি পেলাব ; অকণমান সময় মনে মনে থাকি তাৰ পিচত মহাভাৰত এখনেৰে বুজালেও চন্দ্ৰাক অইন এটা কথা বুজাবলৈ টান হ'ব। পূৰ্ণিমাই এটা বৃথা মুহূৰ্ত বঢ়াই লোৱাৰ চেষ্টা কৰিলে,—"কিবা ? কিবা মানে ?"

চন্দ্ৰাই হাঁহি পেলালে, "তই বুজিছ দে কিবা মানে কি! কচোন।"

এইবাৰহে যেন পূৰ্ণিমাই আচল কথাটো বুজিলে!

"নাই নাই নাই, একো নাই অ', একেবাৰে একো নাই।"—পূৰ্ণিমাই ক'লে। যিটো শব্দ মাত্ৰ এবাৰ উচ্চাৰণ কৰি সুকুমাৰে সিহঁতৰ জীৱনলৈ বহুত কুঁৱলী নিমন্ত্ৰণ কৰি থৈছে, সেইটো শব্দকে পাঁচবাৰ উচ্চাৰণ কৰি পূৰ্ণিমা ভিতৰি-ভিতৰি অৱশ হৈ গ'ল। তাইৰ নিজৰ ওপৰতে যেন ঘিণ লাগিল।

পূৰ্ণিমাৰ কথা চন্দ্ৰাই সৰলভাবে বিশ্বাস কৰিলে। মাজে মাজে হঠাতে মৌন, গম্ভীৰ, ম্ৰিয়মান হৈ পৰাটো চন্দ্ৰাৰ কাৰণে এটা অভ্যাস হৈ গৈছে ; পূৰ্ণিমাৰ কথাষাৰৰ পিচত তাই অকণমান সময় গম্ভীৰ হৈ কিবা ভাবিলে, তাৰ পিচত অনুতাপৰ সুৰত ক'লে, "তহঁতৰেই ভাল দে"—

পূৰ্ণিমা উচপ খাই উঠিল ; তাই মাজতে সুধিলে, "কিয় ? কিহৰ কথা কৈছ ?"

চন্দ্ৰাই একে সুৰতে কৈ গ'ল, "তহঁতৰ একো নাই, সেইকাৰণে তহঁতৰ একো কষ্টও নাই। কিমান সুখী তহঁত। মোৰো যদি তহঁতৰ নিচিনাকৈ একো জঞ্জাল নেথাকিলহেঁতেন।"

জঞ্জাল মানে চন্দ্ৰাই নিজে ঠিক কৰি লোৱা মানুহ এটাক

গোপনে মৰম কৰাৰ কথা বুজালে। মৰমত পৰি দুৰ্দশাগ্ৰস্ত হোৱা প্ৰত্যেকজনী ছোৱালীয়েই জীৱনত এবাৰ ভাবে—তাই যদি এইবোৰ একো নকৰিলেহেঁতেন! পূৰ্ণিমাক নিৰ্জঞ্জাল বুলি ধৰি লৈ চন্দ্ৰায়ো ঠিক তেনেকৈ বৰ অনুতাপ কৰিলে। সিহঁত দুজনীৰ বিচনা বেলেগ-বেলেগ, তথাপি বহুত ৰাতিলৈকে সিহঁত দুয়োজনী একেখন বিচনাতে থাকিল। পূৰ্ণিমাই চন্দ্ৰাৰ কথা বহুত জানে, বহুত নেজানে; আৰু সেই নজনাখিনিকে কৈ কৈ শেষত প্ৰায় মাজ নিশা, চন্দ্ৰাই কান্দি পেলালে। পূৰ্ণিমাই তাইক একো সান্ত্বনা দিব নোৱাৰিলে; তাইবো মাত বন্ধ হৈ গৈছিল, চকু সেমেকি গৈছিল।

পিচদিনা পূৰ্ণিমাৰ সুকুমাৰক কথাবোৰ কৈ দিবৰ মন গ'ল। তাই আৰম্ভ কৰিলে, "চন্দ্ৰা আমাৰ ঘৰলৈ কিয় আহিছে জানে দাদা? আচলতে তাই অহা নাই, তাইক জোৰকৈ পঠিয়াই দিছে।"

"জোৰকৈ পঠিয়াই দিছে?"—সুকুমাৰ উৎসুক হ'ল।

"ওঁ। তাই বোলে ঘৰত বৰ উৎপাত কৰিছিল।" পূৰ্ণিমাই যেন চন্দ্ৰাৰ মাক আৰু দেউতাকৰ ওপৰত বিৰক্তি প্ৰকাশ কৰিলে।

সুকুমাৰে এইবাৰ আচৰিত হৈ সুধিলে, "কথাটো কি?"

কথাটো হ'ল, দুবছৰমানৰ আগতে এটা ল'ৰাক চন্দ্ৰাই মৰম কৰিবলৈ আৰম্ভ কৰিলে। তাৰ নাম নিৰ্মল, দেখিবলৈ ধুনীয়া, শান্ত; সি ভাল চাকৰি কৰে; চন্দ্ৰাৰ মতে তাৰ সমান মৰমিয়াল ল'ৰা বৰ কম আছে। দুবছৰৰ ভিতৰত চন্দ্ৰাই তাক বহুত মৰম দিলে আৰু তাৰ পৰা বহুত মৰম ললে। ইমানকৈ লৈও তাইৰ বুকুখন খালীয়েই থাকি গ'ল, আৰু দিওঁতেও তাইৰ অফুৰন্ত মৰমৰ একো দিয়া যেনেই নেলাগিল। নিৰ্মলৰ মৰমত ডুব গৈ থাকোঁতে মাকে যেতিয়া তাইক বিয়াৰ কথা কয়, তেতিয়া তাই অসহ্য যন্ত্ৰণাত ছাটিফুটি কৰে; ৰাতিপুৱাৰ প্ৰথম ৰ'দৰ পোহৰ দেখি খেলিবলৈ আৰম্ভ কৰা মাছ পাৰলৈ তুলি আনিলে যেনেকুৱা হয়, চন্দ্ৰাবো তেনেকুৱা লাগে। কিন্তু চন্দ্ৰা ঘৰৰ ডাঙৰ ছোৱালী, তাইৰ মাক-দেউতাকৰ, বিশেষকৈ

দেউতাকৰ, ভাববোৰ অলপ পুৰণি ধৰণৰ; ছোৱালীক সোনকালে বিয়া দিবলৈ তেখেত বৰ ব্যস্ত। নিৰুপায় হৈ, ভৱিষ্যতৰ অন্ধকাৰৰ ভয়ত এবাৰ চন্দ্ৰাই মাকক পৰিষ্কাৰকৈ নিৰ্মলৰ কথা কৈ দিলে। লগে লগে গৰ্জি উঠিল তাইৰ দেউতাকে। তেওঁৰ বংশত এনেকুৱা কাণ্ড কেতিয়াও হ'ব নোৱাৰে। নিৰ্মল ধুনীয়া, স্বাস্থ্যবান ল'ৰা হ'ব পাৰে, সি ভাল চাকৰি কৰিব পাৰে, তথাপিও সি চন্দ্ৰাৰ ওচৰ চাপিব নোৱাৰে। চন্দ্ৰাইত তাতকৈ ওপৰত, সকলো ফালৰ পৰা। চন্দ্ৰাৰ কাৰণে দেউতাকে আৰু ওপৰৰ ল'ৰা পাব। কিন্তু এইবোৰ ডাঙৰ কথা নহয়, ডাঙৰ কথা হ'ল—সিহঁতে প্ৰেম কৰিব কিয়?

কিন্তু চন্দ্ৰাই ইমান সোনকালে তাইৰ মৰম জলাঞ্জলি দিব নুখুজিলে। ভিতৰি-ভিতৰি তাই ব্যাকুল হৈ উঠিল আৰু বাহিৰত উদাসীন, নীৰৱ আৰু গম্ভীৰ হৈ পৰিল। অলপতে তাই ভুবাৰমান বুদ্ধি-ফন্দি কৰি নিৰ্মলক লগ পোৱাৰ বাতৰি তাইৰ দেউতাকৰ কাণত পৰিল আৰু সেইকাৰণে তাইক তেখেতে আঁতৰাই পঠিয়াই দিছে,—নিৰ্মলৰ পৰা আঁতৰত থাকি ভাল হ'বলৈ।

সুকুমাৰে তলমূৰ কৰি কথাবোৰ শুনি গৈছিল; অলপ সময় সি তলমূৰকৈয়ে থাকিল; তাৰ পিচত লাহে লাহে সুধিলে, "তেওঁ কি কৰিব বুলি ভাবিছে বাৰু?"

"তাই কৈছে, হয় তাই মৰিব, নহলে ক'ৰবালৈ গুচি যাব।" পূৰ্ণিমাই দুখেৰে কলে।

"ক'ৰবালৈ মানে?"

"বিলাতলৈ। পঢ়াৰ নামত।"

"তুমি কিবা ভাবিছানে তেওঁক কি পৰামৰ্শ দিবা?" কথাষাৰ সুধি সুকুমাৰে পূৰ্ণিমালৈ চাই ৰ'ল।

পূৰ্ণিমাই কলে, "নাই, একো ভবা নাই।"

সুকুমাৰে ম্লান হাঁহি এটা মাৰি কলে, "তুমিতো এইবোৰ কথা একো নেভাবাই, নহয় জানো?"

পূৰ্ণিমাৰ মন তৎক্ষণাত চন্দ্ৰাৰ কথাৰ পৰা নিজৰ কথালৈ উভতি আহিল। তাই ভীত, সন্ত্ৰস্ত হৈ উঠিল। তাই লগে লগে ক'লে, "ভাবোঁ, এক চেকেণ্ডৰ খটি নোহোৱাকৈ ভাবোঁ, আৰু সেইকাৰণেই মই একো ঠিক কৰিব নোৱাৰোঁ।"

সুকুমাৰে বোধহয় পূৰ্ণিমাৰ কথালৈ কাণ নিদিলে; খিড়িকীৰে একদৃষ্টিৰে বহুত দূৰলৈ চাই থাকি সি ক'লে, "বুইছা পূৰ্ণিমা, ময়ো বিলাতলৈকে গুচি যাম—"

ঠিক এনে সময়তে মনোৰমা আৰু পিচে পিচে চন্দ্ৰা কোঠালী-টোলৈ সোমাই আহিল। মনোৰমাই তেখেতৰ অভ্যস্ত সুৰত ডাঙৰ-ডাঙৰকৈ ক'লে, "আমি মেল শেষ কৰিলোঁ, এতিয়া তোমালোকৰ মেলৰ ভাগ লবলৈ আহিছোঁ। কোৱাচোন, কিহৰ কথা পাতিছা।"

পূৰ্ণিমাই লৰালৰিকৈ মনটো পাতল কৰি ললে; ক'লে, "বুইছ মা, কালি চন্দ্ৰাই কৈছে, তাই বোলে বিলাতলৈ যায়, এতিয়া দাদাই কৈছে, তেখেতো বোলে বিলাতলৈ যায়; এটাইখন গলে মইনো কেনেকৈ থাকিম? সেইকাৰণে কৈছোঁ, ময়ো যাম।"

মনোৰমাই মুখতে ধৰিলে, "যাবি ৰহ বিলাতলৈ! এজনী এজনীকৈ তহঁত দুইজনীকে বিদায় কৰিব লাগিব। মাৰহঁতৰ ঘৰৰ ভাত কেইটা আগতে শেষ কৰ, তাৰ পিচত নিজৰ কপালৰ জোৰত বিলাতলৈ যাব, জাপানলৈ যাব, গৈ থাক।"

পূৰ্ণিমাৰ বিয়াৰ কথা প্ৰথমতে ঠিক এনেকৈ ধেমালিৰ মাজতে ওলাইছিল, কিন্তু সেই ধেমালিয়ে পূৰ্ণিমা আৰু সুকুমাৰৰ চকুৰ আগতে এদিন এনেকুৱা ৰূপ ললে যে সেই ৰূপ দেখি সিহঁত দুয়োটাৰ দেহ-মন জঠৰ হৈ গ'ল।

এদিন আবেলি সুকুমাৰ সোমোৱাৰ লগে লগে চৌধুৰীয়ে লৰা-লৰিকৈ তাক তেখেতৰ পঢ়া-কোঠালীলৈ মাতি লৈ গ'ল। মেজৰ পৰা খবৰ কাগজ এখন তুলি লৈ তেখেতে পাতবোৰ দুবাৰমান ইফালে-সিফালে লুটিয়ালে, তাৰ পিচত এটা পৃষ্ঠা সুকুমাৰৰ সমুখত

দাঙি ধৰি কলে, "এই ল'ৰাটো চিনি পোৱানে? নাম শৰত, তোমালোকৰে সমসাময়িক হ'ব—।"

সুকুমাৰে ছবিখন চালে, তলত থকা কথাখিনি পঢ়িলে, এইবাৰৰ পৰীক্ষাত চৰকাৰৰ উচ্চ বিষয়াৰ কাৰণে মনোনীত হৈছে। সুকুমাৰৰ বুকুৱে ইতিমধ্যে আশঙ্কাত ধৰফৰ কৰিবলৈ আৰম্ভ কৰিছিল; সি লাহেকৈ কলে, "নাই, মোৰ দেখা মনত নপৰে।"

"অ'—" বুলি হঠাতে চৌধুৰীয়ে এটা শব্দ কৰিলে; তেখেতৰ কিবা এটা মনত পৰিল। "আচল মানুহজনৰ কথাকে পাহৰি গৈছিলোঁ। বহাচোন বহাঁ। তোমাৰ ককাইদেউৰায়েই দেখোন খবৰ দিব পাৰে। তোমাক কথাটো ভাঙি কোৱাত আপত্তি নাই। আৰু কিবা এটা হলে তোমালোকৰ সহায় নহলে মই অকলে কিমান কৰিম? কথাটো হ'ল—এই ল'ৰাজনৰ ককায়েকৰ লগত এবাৰ এখন কন্‌ফাৰেন্সত মোৰ দুই-এষাৰ কথাৰে চিনাকি হৈছিল। আজি অলপ দিনৰ আগতে তেওঁৰ পৰা এখন চিঠি পাইছিলোঁ; তেওঁ ভায়েকৰ কথা লিখিছে আৰু লিখিছে, তেওঁলোকে আমাৰ লগত সম্বন্ধ কৰিব খোজে।" চৌধুৰী অলপ সময় ৰ'ল, তাৰ পিচত তেওঁ কলে, "মই কথাটো বেয়া দেখা নাই; তথাপি এবাৰ ঘৰখন চাই লোৱা ভাল। পিচত অৱশ্যে আমি নিজে চাবই লাগিব, কিন্তু এই বিষয়ে প্ৰাথমিক খবৰখিনি ভিতৰুৱাকৈ তোমাৰ ককাইদেউৰাৰ পৰা পাম বুলি আশা কৰিছোঁ।"

তাৰ পিচত চৌধুৰীয়ে সুকুমাৰক বুজাই দিলে, শৰত বোলা ল'ৰাজনৰ আচল ঘৰ বৰ্তমানে সুকুমাৰৰ ককায়েক থকা ঠাইৰ পৰা মাত্ৰ দুমাইলমান আঁতৰত। চৌধুৰীয়ে নিজে লিখিব, সুকুমাৰেও যেন এই বিষয়ে খা-খবৰ কৰে। শেষত চৌধুৰীয়ে কলে, কিবা এটা খাটাং নোহোৱালৈকে কথাটো যেন সুকুমাৰে গোপনে ৰাখে।

কি ধৈৰ্য্যেৰে সুকুমাৰে চৌধুৰীৰ কথা শেষলৈকে শুনিলে, সি নিজেই নেজানিলে। আপ্ৰাণ চেষ্টাৰে সি চৌধুৰীৰ আগত নিজকে

সংযত কৰি ৰাখিলে আৰু এসময়ত নিচাই ধৰা মানুহে যেনেকৈ গুৰুজনৰ আগত ঠিকমতে ভৰি পেলাই খোজ কাঢ়িবলৈ চেষ্টা কৰে, তেনেকৈ খোজ পেলাই কোঠালীটোৰ পৰা ওলাই গ'ল। তাৰ মূৰ ঘূৰাই গৈছিল। তাৰ এনেকুৱা লাগিল—চৌধুৰীয়ে যেন তাক ক'লে, "তোমাক মাৰিবৰ ব্যৱস্থা কৰিছো, চিতাখনৰ কাৰণে খৰি-খেৰ কি ক'ত লাগে তুমি নিজে খা-খবৰ কৰিবাচোন!"

অলপ দিনৰ ভিতৰতে শৰত বোলা ল'ৰাজন পূৰ্ণিমাৰ বহুত ওচৰ চাপি আহিল। সুকুমাৰে নিজ হাতেৰে শৰত ওচৰ চাপি অহা ৰথৰ ৰচি টানিলে, তিল-তিলকৈ সি পূৰ্ণিমা আঁতৰি যোৱাটো অনুভৱ কৰিলে, কিন্তু সি এষাৰ,—এষাৰ কথা কোৱাৰো সুবিধা নেপালে। ইমান বিশ্বাস—ইমান বিশ্বাস কৰিলে তাক এই মানুহঘৰে যে সেই বিশ্বাসৰ তলিত চেপা খাই তাৰ মৰমৰ ভৱিষ্যতটো উশাহ বন্ধ হৈ মৰি গ'ল। মানুহৰ মৰম আৰু বিশ্বাসৰ এই নিষ্ঠুৰ, নিৰ্মম ৰূপটো দেখি সি বলিয়াৰ নিচিনা হৈ গ'ল।

সুকুমাৰে বহুত কথা ভাবি থৈছিল। সি জানিছিল—চৰকাৰৰ ওখ খাপৰ বিষয়া, ডুটা উজ্জ্বল ল'ৰাৰ সম্ভ্ৰান্ত, আঢ্যৱন্ত মাক-দেউতাকে তেখেত সকলৰ লগত খাপ খোৱা ঘৰৰ উজ্জ্বল ল'ৰা নিশ্চয় বিচাৰিব, কিন্তু তাৰ ককায়েকো তাৰ কাৰণে এজনী ছোৱালীৰ কথা ভাবি চৌধুৰী পৰিয়ালৰ বৰ বেচি তললৈ নেনামিলহেঁতেন: সেইটো বিশ্বাস, ক্ষীণ হলেও, তাৰ আছিল। চৌধুৰীৰ সম্মুখত তাৰ মুখ এটা শব্দেৰেই বন্ধ হৈ গৈছিল, কিন্তু শেষত, একেবাৰে নিৰুপায় অৱস্থাত, সি তাৰ ককায়েকৰ শৰণাপন্ন হোৱাৰ কথা ভাবিছিল। ভাবিছিল, মুখেৰে হয়তো ককায়েকক এইবোৰ কথা সি কব নোৱাৰিব, সেই-কাৰণে সি এখন চিঠি লিখিব—

চিঠি এখন সি লিখিলে,—যিখন চিঠিৰ উত্তৰত ককায়েকে লিখিলে,—শৰত লৰাটোও ভাল, ঘৰখনো ভাল, খুড়াদেউ নিশ্চিন্ত-মনে আগবাঢ়িব পাৰে।

কোনো কোনো মুহূর্তত সুকুমাৰে ভাবিলে—ইচ্ছা কৰিলে সি বহুত কিবাকিবি কৰিব পাৰে। একে ৰাতিৰ ভিতৰতে সি আৰু পূৰ্ণিমাই বুকুত দুৰ্জয় সাহস গোটাই লব পাৰে, সেই সাহসৰ সম্মুখত মানবেন্দ্ৰ চৌধুৰী আৰু মনোৰমাক নিৰ্বাক দৰ্শক কৰি পেলাব পাৰে, ক'ৰবাত এটা নিৰ্জন কোণত এখন আটোম-টোকাৰি সংসাৰ পাতি লব পাৰে। কিন্তু শান্তি সিহঁতে কিমান পাব? কিমান দিনলৈ পাব? তাৰ ককায়েকৰ দিনতে গঢ় লোৱা চৌধুৰী পৰিয়ালৰ অপৰিসীম বিশ্বাস আৰু স্নেহৰ ছাঁত সি ইমান দিনে আলফুলীয়া মুহূৰ্তবোৰ কটাই আহিল; সেই বিশ্বাস ভাঙি সিহঁতে জীৱনত কি শান্তি পাব? এদিন হয়তো একমাত্ৰ জীয়েক বুলি পূৰ্ণিমাক, আৰু জীয়েকৰ গিৰিয়েক বুলি তাকো চৌধুৰী পৰিয়ালে ওচৰ চপাই লব, কিন্তু মানুহবিলাকৰ মনৰ ভাৱৰ আঁতৰিবনে? তাৰ, পূৰ্ণিমাৰ, মানবেন্দ্ৰ চৌধুৰীৰ, মনোৰমাৰ, তাৰ ককায়েকৰ,—প্ৰত্যেকটো মানুহৰ মনত যদি একোটা জীৱনজোৰা আক্ষেপ থাকি যায়? নহয় নহয়, এনেকুৱা কাম সি নকৰে, কেতিয়াও নকৰে; সি নিজেও সহ্য কৰিব, পূৰ্ণিমাকো বুকুৰ মৰম উজাৰ কৰি শিকাব সহ্য কৰিবলৈ।

পূৰ্ণিমাক সুকুমাৰে আগতে কৈছিল—তাই একো কৰিব নেলাগে। তাই বিশ্বাস কৰা উচিত—যদি কিবা কৰাৰ উপায় থাকে তেনেহলে তাইতকৈ সি বেচি ভালকৈ কৰিব। শেষ মুহূৰ্তলৈকে সি উপায় বিচাৰিব। পিচত যিদিনা সুকুমাৰে শেষ বাৰৰ কাৰণে কলে যে সি নিৰুপায়, একেবাৰে নিৰুপায়, সেইদিনা পূৰ্ণিমা মৰিবলৈ ওলাল। ভৱিষ্যতৰ এখন নিষ্ঠুৰ, পঙ্কিল, ক্লেশময় সংসাৰৰ ছবি কল্পনা কৰি তাই শিয়ঁৰি উঠিল। সুকুমাৰৰ হাত এখনৰ ওপৰত কপালখন মোহাৰি-মোহাৰি তাই কলে, "ছিঃ মই নোৱাৰিম, মই কেতিয়াও নোৱাৰিম; অইন এটা মানুহ মোৰ ওচৰ চাপি আহিব, অইন এটা মানুহে মোক চুব, মই সহ্য কৰিব নোৱাৰিম, মোৰ ঘিণ লাগিব,—ছিঃ!"

পূৰ্ণিমাৰ চকুপানীৰে সুকুমাৰৰ হাত তিতি গ'ল। তিতা হাতখন ফুৰাই সুকুমাৰে তাইৰ গোটেই মুখখন তিয়াই দিলে। পূৰ্ণিমাৰ এই চকুপানী সুকুমাৰে মচিব নোৱাৰে, শুকুৱাব নোৱাৰে। এদিন সি তাইক আশ্বাস দিছিল, আজি আশ্বাস আৰু সান্ত্বনাৰ নামত তাৰ জিভা কোঁচ খাই গ'ল। পূৰ্ণিমাই অদ্ভুত মাতেৰে আকৌ ক'লে, "মই নোৱাৰিম দাদা, প্ৰথম ৰাতিয়েই মানুহটোৰে মোক খেদি দিব; গোটেই জীৱনৰ কাৰণে কলঙ্ক আৰু দুৰ্ভাগ্য কপালত লৈ মই আকৌ এইখন ঘৰতে সোমাবহি লাগিব।" অসহায় কান্দোনত এইবাৰ পূৰ্ণিমাৰ পিঠিখন লৰিবলৈ ধৰিলে।

বিয়াৰ দিনা দোকমোকালি পৰত এইখন ঘৰৰ পদুলি পাৰ হৈ ওলাই নোযোৱালৈকে পূৰ্ণিমাৰ সেই কান্দোন বন্ধ হোৱা নাছিল। ছোৱালীৰ এটা সুবিধা আছে, বিয়াঘৰৰ শ শ মানুহৰ আগত সিহঁতে ইচ্ছামতে কান্দি থাকিব পাৰে; মানুহে ভাবে সিহঁতে মাক-দেউতাকৰ বুকুৰ পৰা আঁতৰি যোৱাৰ দুখত কান্দিছে। বিয়াৰ তিনিদিনত সুকুমাৰৰ কিন্তু সামান্য দুৰ্বল হোৱাৰো উপায় নাছিল। ৰভাতলিত সি হাঁহিমুখে অভ্যাগতক হাত জোকাৰি অভ্যৰ্থনা জনাব-লগীয়া হ'ল। অকণমান সময় এঠাইত থিয় হৈ কিবা এটা ভাবিবলৈও তাৰ ভয় লাগিল,—যেন এটাইবোৰ মানুহে তাৰ সকলো কথা জানে, আৰু সেইকাৰণে সকলোৱে আঁৰ চকুৰে তাৰ আচাৰ-ব্যৱহাৰ, গতি-বিধি লক্ষ্য কৰি আছে! এবাৰ সি ভাবিলে, কোনেও গম নোপোৱাকৈ আঁতৰি গৈ কোনোবা এঠাইত দিনটো পলাই থাকি এই যন্ত্ৰণাৰ পৰা ৰেহাই পোৱাৰ চেষ্টা কৰিব; কিন্তু সেইটো সি নকৰিলে পূৰ্ণিমাৰ কাৰণে। শেষ সম্ভৱ মুহূৰ্তলৈকে সি পূৰ্ণিমাৰ ওচৰে-পাজৰে থাকিব খুজিলে। দুৰ্ভাগ্যৰ এই চূড়ান্ত মুহূৰ্তত, এতিয়াও, সি নিজকে পূৰ্ণিমাৰ একমাত্ৰ সাৰথি বুলি ভাবিলে। অথচ এই শেষৰ দিনকেইটাত সি পূৰ্ণিমাক অইনফালে চাই কন্দাৰ বাহিৰে একো কৰা নেদেখিলে।

হঠাতে সুকুমাৰৰ এবাৰ চিন্তা হ'ল, পূৰ্ণিমাই যে ইমান কান্দিছে, তাৰ ভিতৰত বাৰু তাৰ কাৰণে কিমান কান্দিছে? গোটেই খিনি? নহয় নহয়, মাক-দেউতাকৰ কাৰণেও নিশ্চয় কান্দিছে। কিজানি তাই গোটেইখিনি মাক-দেউতাকৰ কাৰণেই কান্দিছে। সুকুমাৰৰ লগত বিয়া হোৱা হলে পূৰ্ণিমাই যিখিনি কান্দিলেহেঁতেন, সেইখিনি নিঃসন্দেহে এই ঘৰখন, মাক-দেউতাকৰ কাৰণে বুলি বুজা গলহেঁতেন। এতিয়া বুজিবৰ উপায় নাই। স্বাৰ্থপৰৰ নিচিনাকৈ সুকুমাৰে পূৰ্ণিমাই গোটেইখিনি কেৱল তাৰ কাৰণেই কান্দিছে বুলি ধৰি লৈ শান্তি পালে; আজি যেন তাৰ সেয়েই একমাত্ৰ লাভ।

এবাৰ সুকুমাৰে দূৰৰ পৰা কইনা সাজৰ পূৰ্ণিমাক চালে। সেউজীয়া গুণাকৰা কাপোৰেৰে পূৰ্ণিমা গোটেই মানুহজনী যেন সেউজীয়া হৈ পৰিছে। কপাল আৰু শিৰৰ সেন্দুৰৰ বাহিৰে গাৰ ক'তো ৰঙা ৰঙৰ বিন্দু এটা নাই। সুকুমাৰৰ এদিনৰ কথা পূৰ্ণিমাই আজিও ৰাখিবলৈ চেষ্টা কৰাৰ এই মধুৰ আনন্দকণ সুকুমাৰৰ অসহনীয় যন্ত্ৰণা যেন লাগিল।

দোকমোকালি পৰত মাক-দেউতাক, উপস্থিত গুৰুজন সকলোকে সেৱা কৰি, সুকুমাৰৰ ভৰিত চকুপানী আৰু কপালৰ সেন্দুৰ সানি পূৰ্ণিমা শৰতৰ লগত গুচি গ'ল।

সেইদিনা আবেলিয়েই সুকুমাৰেও চহৰ এৰিলে। পাঁচদিনৰ আগৰ পৰাই তাৰ অফিচৰ দেৰমাহৰ ছুটি আৰম্ভ হৈছিল। মানবেন্দ্ৰ চৌধুৰী আৰু মনোৰমাই ঘৰখন একেবাৰে উকঙা-উকঙা হৈ যোৱাৰ ভয়ত তাক দুদিনমান পিচত যাবলৈ অনুৰোধ কৰোঁতে সি বৰ বিৰক্ত হ'ল। ভনীয়েকৰ বিয়া বুলি এমাহ-এমাহৰ ছুটি লৈ তেখেতসকলৰ উজ্জ্বল ল'ৰা দুটা ঘৰলৈ আহিছে, তেওঁলোক দুজন থাকোঁতে ঘৰখন উকঙা হবনে? ম্লান হাঁহিৰে তাকে বুজাই সুকুমাৰ গুচি গ'ল।

দুদিনৰ পিচত, বহুত দূৰৰ এখন হোটেলৰ বিচনাত বাগৰি সুকুমাৰে গোটেই ৰাতিটো এক টিপ টোপনি নোহোৱাকৈ কটাই

দিলে। ৰাতিটোৰ ভিতৰত সি কেইবাবাৰো নিঃশব্দে কান্দিলে, বহুতবাৰ নিজকে সান্ত্বনা দিয়াৰ চেষ্টা কৰিলে। বহুত দূৰৰ, সি কেতিয়াও নেদেখা কোঠালী এটাত আজি পূৰ্ণিমাৰ কাৰণে এখন নতুন, কোমল বিচনা ফুলেৰে সজোৱা হৈছে;—ফুলখিনিৰ বাহিৰে সেইখন বিচনাৰ এটাইবোৰ বস্তু সি পূৰ্ণিমাৰ বিয়াৰ ৰভাতলিত দেখিছে। পূৰ্ণিমাই এতিয়া কি কৰিছে চাগে? কান্দিছে? শৰত বোলা ল'ৰাটোক ঘিণ কৰিছে? "ভৰিত ধৰিছোঁ, আপুনি মোক নুচুব"—বুলি করুণ কাকুতি কৰিছে? তাই সঁচাকৈয়ে ৰাতিপুৱাই ঘৰলৈ গুচি আহিবনে কি? তাই যে কৈছিল— !

নাহিল। সুকুমাৰৰ দেৰমাহৰ ছুটি শেষ হোৱাৰ আগতে পূৰ্ণিমা আৰু শৰত দুয়োটা আহিছিল; এসপ্তাহ আছিল; তাৰ পিচত গুচি গ'ল। এই শূন্য চহৰখনত এতিয়া কি কৰা যায়—সুকুমাৰে ভাবিলে। ভাবি ঠিক কৰিলে,—এইবাৰ সি ঘৰটো সজোৱাৰ কামত লাগিব।

তাৰ পিচত ইটা-চিমেণ্ট-বালি-লোহা-টিনপাত-চূণ আদি মিহলি হৈ থকা, ব্যৱসায়-গন্ধী, নিৰ্জীৱ মাহ কিছুমান সুকুমাৰৰ ওপৰেদি বাগৰি গ'ল। ঘৰটো শেষ হৈ উঠাৰ কিছুদিনৰ আগৰ পৰাই সি ককায়েক, নবৌৱেকৰ পৰা সঘনে চিঠি পাবলৈ ধৰিলে,—মাকৰ স্বাস্থ্য বৰ বেচি বেয়ালৈ গৈছে, কোনদিনা কি হয় ঠিক নাই, সুকুমাৰে যদি তেখেত থাকোঁতেই বিয়াখন নেপাতে, তেনেহলে জীৱনৰ বৰ ডাঙৰ হেঁপাহ এটা বুকুত বান্ধি তেখেত গুচি যাব লাগিব— ।

সুকুমাৰে এবাৰ ভাবিলে, বিলাতলৈকে গুচি যাব নে কি? কিন্তু কিয় যাব? পলাই থাকিবলৈ? নহয় নহয়, পলাই যাবলগীয়া দুৰ্ভাগ্যখিনিক যদি সি স্বীকাৰ কৰি লয়, তেনেহলে পলাই গৈও সি শান্তি নেপাব; দুৰ্ভাগ্য তাৰ লগে লগে যাব!

সুকুমাৰৰ এনেকুৱা দিগ্‌ভ্ৰান্ত দিনবোৰৰ ভিতৰতে এদিন এটা নতুন ঘটনা ঘটিল। সি পূৰ্ণিমাৰ পৰা এখন চিঠি পালে। পূৰ্ণিমাই

লিখিছে, সি যদি তাইক অকণমানো মৰম কৰিছিল, তেনেহলে সি যেন বিয়া কৰে। তীব্র যন্ত্রণাৰ পৰা তাইক যদি অকণমানো ৰেহাই দিয়াৰ কথা সুকুমাৰে ভাবিছে, তেনেহলে সি যেন বিয়া কৰে। তাৰ বিয়াখনক পূৰ্ণিমাই তাইৰ প্ৰতি সুকুমাৰৰ আৰু অকণমান মৰম বুলি ধৰিব—। .চিঠিখনৰ উত্তৰ পূৰ্ণিমাক নেলাগে; চিঠিখন তাই গোপনে লিখিছে; সুকুমাৰৰ বিয়া,—এই খবৰটোৱেই তাইৰ একমাত্র কাম্য।

কেইদিনমানলৈ সুকুমাৰ স্তব্ধ হৈ গ'ল। অকলে অকলে বহি কথাবোৰ ভাবি থাকোঁতে বাৰে বাৰে অভিমানত তাৰ নাকৰ পাহি ফুলি উঠিল। এদিন সি পূৰ্ণিমাক এজনী দ্বিতীয় ছোৱালীৰ কথা সি ভৰা নাই বুলি কৈছিল, সেইকাৰণে পূৰ্ণিমাই এতিয়া ভয় খাইছেনে কি? তাই নিজকে এতিয়া অপৰাধী বুলি ভাবিছেনে কি? সুকুমাৰ বিভ্রান্ত হৈ গ'ল।

সাত দিন সাত ৰাতি সি চিন্তা কৰিলে; তাৰ পিচত এদিন গোটেই জীৱনৰ, গোটেই দেহাৰ শক্তি সোঁহাতখনত থুপ খুৱাই সি ককায়েকলৈ এখন চুটি চিঠি লিখিলে। সি বিয়া কৰাব। এজনী ছোৱালী তাৰ ভাল লাগিছে; তাইৰ নাম চন্দ্ৰা। সম্পৰ্কত ছোৱালীজনী পূৰ্ণিমাৰ ভনীয়েক হয়।

চন্দ্ৰাৰ মাক-দেউতাকে সুকুমাৰৰ ককায়েকৰ চিঠিখন হাতেৰে ঢুকি পোৱা স্বৰ্গ এখন যেন পালে। তেখেতসকলে এবাৰ ঘৰ-দুৱাৰ চাবলৈ কোন আহে—মাতি পঠিয়ালে। সুকুমাৰে ককায়েকলৈ লিখিলে,—আপোনালোক কোন যায় যাব, মই নিজেও এবাৰ যাম।

চন্দ্ৰাহঁতৰ চহৰখনত সুকুমাৰৰ বহুত চিনাকি মানুহ আছে; সকলোৰে ভিতৰত সুকুমাৰে বাচি উলিয়ালে জ্যোতির্ময়ক। বহুত দিনৰ মূৰত তাক লগ পাই জ্যোতির্ময়ে বৰ আনন্দ পালে; সুধিলে, "আহিলি কলৈ?"

সুকুমাৰে লাহেকৈ হাঁহি কলে, "বিয়া পাতিছোঁ। ছোৱালী চাবলৈ আহিছোঁ।"

"হয় ? জ্যোতিৰ্ময় জপিয়াই উঠিল। ছোৱালী কোন ? নাম কি ?"

"নাম চন্দ্ৰা !"

"চন্দ্ৰা ?" জ্যোতিৰ্ময়ে সুকুমাৰৰ মুখলৈ প্ৰশ্নমিহলি দৃষ্টিৰে চালে।

"মই জানো, তই চিনি পাব।" সুকুমাৰে নিৰ্লিপ্ত মাতেৰে কলে।

"পাওঁ মানে—ভালকৈ পাওঁ, বেচি ভালকৈ পাওঁ। সেই-কাৰণেই—"

"সেই কাৰণেই এইখন চহৰত তোকে মই প্ৰথমে লগ ধৰিছোঁ। মই খবৰ লৈ জানিছোঁ—নিৰ্মল তোৰ কলীগ, তহঁত দুটাই ওচৰা-ওচৰি অফিচতে কাম কৰ।"

সুকুমাৰ অকণমান সময় ৰ'ল, বোধহয় সি এটা ওলাই আহিব খোজা দীঘল নিশাহ হেঁচা মাৰি বন্ধ কৰিলে। তাৰ পিচত সি সুধিলে, "তই কচোন জ্যোতিৰ্ময়, নিৰ্মলে সাংঘাতিক কিবা এটা কাণ্ড কৰি,- মানে চন্দ্ৰাৰ মাক-দেউতাকক উলাই কৰি—চন্দ্ৰাক পোৱাৰ কথা ভাবিছেনে কি ?"

জ্যোতিৰ্ময়ে অবাক দৃষ্টিৰে সুকুমাৰৰ মুখলৈ চাই তাৰ কথা শুনি আছিল; সি অলপ পৰ ভাবি গধুৰ মাতেৰে কলে, "নাই ভবা সুকুমাৰ, তেনেকুৱা কাম সি নকৰে। সি মোৰ দিনটোৰ প্ৰায় আঠঘণ্টাৰ লগৰীয়া, তাক মই বৰ ভালকৈ জানো। সি কয়, মৰম কৰাৰ বাহিৰে বোলে সি আৰু একো নকৰে। এবাৰ ডাঙৰ কথা, এটোপাল চকুপানীও সি খৰচ নকৰে। চকুপানীৰ লগত বোলে মৰমো নিগৰি আহে, অপব্যয় হয়। সি নীৰৱে তাৰ ভাগ্যক স্বীকাৰ কৰি লৈছে। আজি বহুত দিন সি ছোৱালীজনীক এবাৰ কথা পাতিবলৈও লগ পোৱা নাই; সি দুখ কৰিছে, কিন্তু উত্ৰাৱল হৈ কিবা এটা কৰাৰ কথা ভবা নাই। তাক দেখিলে মৰম খিনিকে আথেবেথে উমনি দি থকা অসহায় চৰাই এজনী যেন লাগে—।"

সুকুমাৰৰ নিৰ্মলক এবাৰ লগ পাবলৈ মন গ'ল। চহৰৰ এখন ভাঙৰ চাহৰ দোকানৰ এচুকত, পৰাপক্ষত একেখন মেজতে, গধূলি গধূলি বহি থকা নিৰ্মলৰ অভ্যাস। লগতে প্ৰায়েই বহে জ্যোতিৰ্ময়। এদিন গধূলি জ্যোতিৰ্ময়ে সুকুমাৰকো লগত লৈ গ'ল। সুকুমাৰ তাৰ বন্ধু,—ইয়াৰ বাহিৰে কোনো পৰিচয় জ্যোতিৰ্ময়ে নিৰ্মলক নিদিলে। কথাৰ মাজে মাজে সুকুমাৰে নিৰ্মললৈ একেথৰে চাই ৰ'ল। জ্যোতিৰ্ময়ে কোৱাই সঁচা। মৰমখিনিকে উমনি দি থকা এটা অসহায়, নিৰুত্তাপ, শান্ত প্ৰাণী। এক মুহূৰ্ত্ততে যদি হোটেলৰ মেনেজাৰে তাৰ ওচৰলৈ আহি কোনো কাৰণ নোহোৱাকৈ, হোটেলত বহি থকা সকলোৰে শুনাকৈ কয়, "আপুনি মোৰ দোকানৰ পৰা ওলাই যাওক", সি লাহেকৈ উঠিব, অবাক আৰু কাতৰ দৃষ্টিৰে এবাৰ মেনেজাৰৰ মুখলৈ চাব, আৰু চাহৰ দামখিনি মেজত থৈ লাহে লাহে ওলাই যাব ;—নিৰ্মলৰ মুখলৈ চাই সুকুমাৰৰ তেনেকুৱা লাগিল।

পিচদিনা জ্যোতিৰ্ময়ে একান্ত শুভাকাঙ্খী হিচাপে সুকুমাৰক সুধিলে, "সুকুমাৰ, কি ভাবি কি কৰিবলৈ ওলাইছ, মই একো বুজা নাই ; তই যদি কেতিয়াবা বুজাই কৰ বুজিম। কিন্তু এটা কথা মোক ক, চন্দ্ৰাক তই কিয় বিয়া কৰাবলৈ ওলাইছ ?" সুকুমাৰে কলে, "নিৰ্মলৰ বাহিৰে অইন কোনোবাই বিয়া কৰায় বুলি!" জ্যোতিৰ্ময়ে লগে লগে কলে, "ৰহ্, ধেমালি নকৰিবি। তই ভাবি চাচোন, চন্দ্ৰাক বিয়া কৰাই তই জানো শান্তি পাবি ?"

সুকুমাৰে তললৈ চাই, আধাভগা মাতেৰে কলে, "শান্তি ? যিমান শান্তি মোৰ প্ৰাপ্য, সিমানখিনি পাম চাগৈ!"

জ্যোতিৰ্ময়ক একো নেকোৱাকৈয়ে সুকুমাৰ গুচি আহিল। হিতাকাঙ্খী বন্ধু হিচাপে জ্যোতিৰ্ময়ে চাগৈ ভাবিছিল,—এজনী মনৰ আউল নথকা, নিৰ্মেঘ, নতুনকৈ ফুলা ফুলৰ নিচিনা সতেজ ছোৱালী চপাই ললে সুকুমাৰে শান্তি পাব। কিন্তু কৃষ্ণপক্ষৰ জোনৰ নিচিনাকৈ

তিলতিলকৈ ক্ষয় কৰা মন এটা লৈ তেনেকুৱা অক্ষত ছোৱালী এজনীক জীৱনলৈ মাতি অনাৰ তাৰ কি অধিকাৰ আছে? এজনী নিৰ্মল ছোৱালীক সি কিয় তিলতিলকৈ প্ৰৱঞ্চনা কৰিব? এজনী নতুনকৈ ফুলা ফুলৰ নিচিনা সতেজ মনৰ ছোৱালীয়ে তাৰ পৰা কথাই কথাই বৰ হেঁপাহেৰে নতুনত্ব বিচাৰিব, কিন্তু সুকুমাৰৰ কি নতুনত্ব আছে? এবাৰ ব্যৱহাৰ কৰি ক্ষয় কৰা মৰমকে ৰং-চং ঘঁহি নতুন বুলি এজনী নতুনৰ আকাঙ্খাত উন্মুখ হৈ থকা ছোৱালীক যাচিব? নহয় নহয়, ইমান ফাঁকি, ইমান মিছাৰ মাজলৈ নামিব পৰা নীচ সি নহয়। সি এনেকুৱা এজনী ছোৱালী বিয়া কৰিব যিজনী ছোৱালীয়ে তাৰ নিচিনাকৈয়ে বুকুৰ মৰম ব্যৱহাৰ কৰি পুৰণি কৰিছে বুলি সি জানে।

সি চন্দ্ৰাক বিয়া কৰিব। কোনোবা দুৰ্বল মুহূৰ্তত সিহঁত দুয়োটাই যদি পুৰণি স্মৃতিৰ পাৰত বহি থাকেগৈ, তথাপিও কাৰো অভিযোগ নেথাকিব। সিহঁতে যি পায়—দুইটাই সমানে সমানে পাব, যি হেৰুৱায়—দুইটাই হেৰুৱাব।

আৰু—পূৰ্ণিমাই তাক বিয়া কৰাবলৈ অনুৰোধ কৰিছে; তায়ো বুজক—জানি শুনি সুকুমাৰে কাক বিয়া কৰিলে, কিয় কৰিলে! তাই বুজক, অইন এজনী ছোৱালী বিয়া কৰি সি পূৰ্ণিমাক হেৰুৱাব খোজা নাই, বৰঞ্চ প্ৰতিমুহূৰ্তে তাৰ মনত তাইক জীয়াই ৰখাৰ ব্যৱস্থা কৰিছে। তাই আৰু বুজক, কিমান সুখী হবৰ কাৰণে সুকুমাৰে বিয়া কৰিলে।

সুকুমাৰে আৰু এটা অবুজ আশা মনত পুহি ৰাখিলে;—চন্দ্ৰা আৰু পূৰ্ণিমা বাই-ভনী, চন্দ্ৰাৰ কাৰণেই যদি পূৰ্ণিমাৰ লগত এটা সম্পৰ্ক ৰখাৰ সুবিধা হয়! অইন একো সম্পৰ্ক নহয়, কেৱল মাজে মাজে দেখা, এষাৰ কথা পতা, কেতিয়াবা কেনেবাকৈ সুবিধা হলে, সিহঁতৰ প্ৰথম দেখা হোৱা দিনটোৰ কথা মুখামুখিকৈ বহি ভবা।—

তাৰ পিচত—পৰহি সুকুমাৰৰ বিয়া হৈ গৈছে,—চন্দ্ৰাৰ লগত।

ফুলশয্যাৰ ৰাতি এইটো কোঠালীলৈ আহিবলৈ এজাক বোৱাৰী-জীয়ৰীৰ মাজত সোমাই চন্দ্ৰা মনে মনে চাগৈ সাজু হৈছে। আৰু আধাঘণ্টাৰ ভিতৰতে তাই সোমাই আহিব। নাহিব নে কি বাৰু? সুকুমাৰক তাই একেবাৰে সহ্য নকৰিব নে কি বাৰু? তায়ো এদিন নিৰ্মলক কৈছিল নে কি—"মই মৰি যাম, মানুহটোক মই ওচৰ চাপিবলৈকে নিদিওঁ,—পিচদিনাই কিজানি মই ঘৰলৈ গুচি আহিব লাগিব—" বুলি?

আজি ৰাতি চন্দ্ৰাই কান্দিলে সুকুমাৰ বিভ্ৰান্ত হৈ যাব। প্ৰথম নিশাৰ ভয়, উত্তেজনা, নতুন জীৱনটোৰ অজস্ৰ ভাল-বেয়া সম্ভাৱনাৰ চিন্তা, এখন এৰি অহা ঘৰৰ স্মৃতি,—এইবোৰ বহুত কাৰণত এজনী ছোৱালীয়ে ফুলশয্যাৰ বিচনাত কন্দাৰ সুবিধা আছে,—অবাস্তৱ একো নহয়। লাজ কৰি তাই তাৰ ফালে পিঠি দি শুই থকাৰো যুক্তি আছে। কিন্তু সুকুমাৰৰ যে একো যুক্তি নাই! তাৰ বৰঞ্চ দায়িত্ব আছে; সি সক্ৰিয় হ'ব লাগিব, প্ৰতিটো কথাৰ কাৰণে সি নিজে আগবাঢ়ি যাব লাগিব, আনকি ছোৱালীজনীৰ কপালৰ চুলি আলফুলীয়া হাতেৰে আঁতৰাই দি মৰমেৰে সুধিব লাগিব, "কিয় কান্দিছা?"

কি কৰিব সুকুমাৰে? সি এবাৰ মনটো দৃঢ় কৰি লৈ ভাবিলে—কান্দক চন্দ্ৰাই। প্ৰথম প্ৰেমৰ কাৰণে কন্দা দুৰ্বাৰ কান্দোনৰ মাজৰ পৰা উদ্ধাৰ কৰি আনি সি তাইক হঁহুৱাব, তাৰ পুৰুষত্বৰ জয় অনুভৱ কৰিব, পোৰা সোণ পোৱাৰ গৌৰৱ অনুভৱ কৰিব।

কিন্তু;—সুকুমাৰৰ মনটো আকৌ শীতল হৈ গ'ল। পূৰ্ণিমাও ঠিক এনেকুৱা পুৰুষত্বৰ ওচৰত পৰাজিত হৈ গ'ল নে কি? এনেকুৱা পুৰুষত্বৰ জুইতে পুৰি পূৰ্ণিমা উজ্জ্বল আৰু সি ছাই হৈ গ'ল নেকি? সুকুমাৰে বাঁও হাতৰ আঙুলিৰে কপালখন মোহাৰিলে। তাৰ মৰমৰ অস্তিত্ব ইমান ক্ষণস্থায়ী হ'ব নোৱাৰে, ইমান ডাঙৰ লোকচান তাৰ হ'ব নোৱাৰে।

কিন্তু হ'ব পাৰে। সকলো হ'ব পাৰে। পূৰ্ণিমাই কিজানি নেকান্দিলেই! অকণমান কুট্‌কুটাই দিলেই পূৰ্ণিমাৰ হাঁহি উঠে; তাই কিজানি মাজে মাজে হাঁহিছিল!

সুকুমাৰ আকৌ থিয় হ'ল। তাৰ মন গ'ল, এতিয়াই যেন গৈ সি পূৰ্ণিমাক সুধি আহিব,—তাই কান্দিছিলনে নাই, তাৰ কথা তাইৰ মনত পৰিছিল নে নাই, দ্বিতীয় মানুহটোলৈ সঁচাকৈয়ে তাইৰ ঘিণ লাগিছিল নে নাই!

ৰাতি বাৰ বাজিবলৈ কেইমিনিটমান থাকোঁতে চন্দ্ৰা সোমাই আহিল। সুকুমাৰে স্থিৰ দৃষ্টিৰে তাইলৈ চালে। পূৰ্ণিমাৰ ভনীয়েক, একে সাঁচতে গঢ়া ধুনীয়া ছোৱালী। দুমাহৰ চিনাকি ছোৱালী।

চন্দ্ৰাই সঁচাকৈয়ে কান্দিলে। আৰু লগে লগে কি হ'ল সুকুমাৰে নিজেই ধৰিব নোৱাৰিলে;—সি চন্দ্ৰাক বৰ মৰম কৰিলে; ঠিক যেন ভয়-উত্তেজনাত কাতৰ হোৱা নিজৰ পত্নীক নিৰ্ভয় দান কৰিবলৈ নহয়, তাইৰ বুকুৰ কঁপনিত তাৰ নিজৰ দুৰ্ভাগ্যৰ স্পন্দন অনুভৱ কৰি; দুটা দুৰ্ভাগা প্ৰাণীৰ বেদনাত কাতৰ হৈ।

পিচৰ দিনবিলাক সুকুমাৰে ভবাতকৈ বহুত সহজ হ'ল। চন্দ্ৰাক সি পাৰেমানে মৰম কৰিলে; যেতিয়াই যি লাগে, যিমান পাৰে দিলে,—অসুখৰ পৰা উঠা মানুহৰ প্ৰত্যেকটো সুখ-সুবিধালৈ লক্ষ্য ৰখাৰ নিচিনাকৈ।

আৰু তাৰ নিজৰ অসুখৰ খবৰ কোনেও নেজানে! বহুত দূৰত থকা প্ৰাণীটোৰ কথা ভাবি সুকুমাৰ প্ৰায়েই অন্যমনস্ক হৈ পৰে, চেষ্টা কৰিও সি নিজকে বাধা দিব নোৱাৰে।

চন্দ্ৰায়ো মাজে মাজে বহুত দূৰৰ ক'ৰবালৈ চাই ৰ লাগি ভাবি থাকে। তাইক তেনেকৈ থকা দেখিলে সুকুমাৰৰ এখন ডাঙৰ হোটেলৰ এটা চুকত বহি থকা নিৰ্মলৰ মৰহা মুখখনলৈ মনত পৰে। এটা গভীৰ বেদনাই তাৰ মনটোক চেপা মাৰি ধৰে।

বহাগত সুকুমাৰহঁতৰ বিয়া হ'ল, ঘূৰি বহাগত চন্দ্ৰাৰ এটা ল'ৰা

হ'ল; বগা, ধুনীয়া নাক মুখেৰে, বয়োবৃদ্ধা সকলৰ মতে ডাঙৰ হলে দেখিবলৈ সুকুমাৰৰ নিচিনা হোৱাৰ প্ৰতিশ্ৰুতিৰে, এটি পবিত্ৰ শিশু।

সুকুমাৰৰ ভাল লাগিল; কিবা নতুন নতুন লাগিল। তাৰ মনৰ চাৰিওফালে আৰু এডাল লেজুৰে পকাই ধৰা যেন লাগিল; এইডাল লেজুৰে যেন তাৰ মনক আৰু স্থিৰতা দিব। কেঁচুৱাটোক বুকুত লৈ শুই থকা চন্দ্ৰাৰ মুখখনলৈ চাই কেতিয়াবা সি ভাবে,—তাইৰ বাৰু এতিয়া কেনেকুৱা লাগিছে? এটি সুন্দৰ শিশুৰে ইয়াতকৈও এখন বেচি মধুৰ সংসাৰ হব পাৰিলেহেঁতেন বুলি তাই কেতিয়াবা নীৰবে আক্ষেপ কৰেনে কি বাৰু? নে নিৰ্মল নামৰ সেই শান্ত, কোমল ল'ৰাটো একেবাৰে হেৰাই গ'ল?

আৰু সি নিজে? বহুত দূৰত থকা পূৰ্ণিমাৰ মনত সিও হেৰাই গ'ল নে কি?

কিন্তু এদিন সুকুমাৰ আচৰিত হৈ গ'ল। সি খোজকাঢ়ি অফিচৰ পৰা আহিছিল; এখন ডাঙৰ হোটেলৰ দুৱাৰেদি বাটৰ পৰাই ভিতৰত বহি থকা মানুহবোৰলৈ চাই সি থমক খাই ৰ'ল। নিৰ্মল? সুকুমাৰ দুৱাৰখন পাৰ হৈ গৈছিল, আকৌ দুখোজমান পিচুৱাই আহিল। হয়, নিৰ্মল। সেই একেটা ল'ৰা, একে নিৰ্জু ভঙ্গী; সি অকলে অকলে বহি এপিয়লা চাহ খাইছে। সুকুমাৰ আঁতৰি আহিল।

কেইবাদিনলৈ সুকুমাৰে চিন্তা কৰিলে। এদিন খবৰ কৰি সি জানিব পাৰিলে নিৰ্মল ইয়ালৈ বদলি হৈ আহিছে। তাৰ পিচত আকৌ কেইবাদিনো চিন্তা। সুকুমাৰে জানে, চন্দ্ৰাই নিৰ্মল এইখন চহৰলৈ অহাৰ কথা গম পোৱা নাই। নিৰ্মলেও চন্দ্ৰাক লগ পোৱাৰ কথা নিশ্চয় চিন্তা কৰা নাই। সুকুমাৰৰ বিশ্বাস আছে, চন্দ্ৰাক লগ পাবলৈ আশা কৰাৰ নিচিনা উত্তেজনা নিৰ্মলৰ নাই। এইখন চহৰলৈ তাক বদলি কৰিছে, সি মনে মনে শুচি আহিছে; গোটেই ঘটনাটোৰ ভিতৰতেই ইয়াতকৈ বেচি উত্তেজনা আৰু নাই।

কিন্তু সুকুমাৰৰ এটা অদ্ভুত কথা মনলৈ আহিল। তাৰ মনটো

বহুল কৰি লবৰ মন গ'ল। গধূলি চাহৰ দোকানত অকলে অকলে বহি থকাৰ বেদনাদায়ক দৃশ্যটোৰ পৰা তাৰ নিৰ্মলক উলিয়াই আনিবৰ মন গ'ল।

নিৰ্মলৰ লগত তাৰ এদিনৰ হলেও চিনাকি আছে; সেই সূত্ৰকে ধৰি সি তাক সিহঁতৰ ঘৰলৈ মাতিব। এদিন যদি পূৰ্ণিমা এইখন চহৰলৈ আহে, সুকুমাৰবোতো মন যাব—তাইৰ লগত এটা সন্ধিয়া কটাবলৈ।

এদিন গধূলি সুকুমাৰ হোটেলখনলৈ গ'ল। নিৰ্মল আছিল। কেৱল চিনাকি, তাৰ বাহিৰে আৰু একো নাই, এনেকুৱা ভাবত সুকুমাৰে তাৰ লগত কথা পাতিলে। তাক দেখি অবাক হোৱা, চিন্তাগ্ৰস্ত হোৱা, মুখ শেঁতা পৰি যোৱা,—নিৰ্মলক এইবোৰ একোৰে সুবিধা নিদি সুকুমাৰে পাতল সুৰেৰে অনৰ্গল কথা কৈ গ'ল; অফিচৰ কথা, হঠাতে বদলি হলে হোৱা অসুবিধাবোৰৰ কথা, নিৰ্মল এইখন চহৰলৈ অহাৰ কাৰণে সি ভাল পোৱাৰ কথা। শেষত, বন্ধুবান্ধৱ নোহোৱা নতুন ঠাইত নিৰ্মলে গধূলি সময়খিনি অকলে চাহৰ দোকানত কটোৱাতকৈ সুকুমাৰহঁতৰ ঘৰলৈকে আহিবলৈ সুকুমাৰে আন্তৰিকতাৰে অনুৰোধ কৰিলে, কেইবাবাৰো।

নিৰ্মলে তাৰ সহজাত ম্লান হাঁহিটোৰে "ভাল বাৰু" বুলি ক'লে।

সেইদিনা ঘৰলৈ আহিয়েই সুকুমাৰে—'অমুকৰ দোকানত ভাল টেবুল্‌লেম্প আহিছে'ৰ নিচিনা সাধাৰণ খবৰ দিয়াৰ নিচিনাকৈ চন্দ্ৰাক নিৰ্মলৰ খবৰটো দিলে। চোলাৰ বুতাম খুলি, চন্দ্ৰাৰ ফালে পিঠি দি সি কাপোৰ থোৱা আলমাৰীৰ দুৱাৰখন খুলিলে। এই মুহূৰ্তত চন্দ্ৰাৰ মুখলৈ চোৱাৰ সাহ তাৰ নহ'ল। সি বৰ বেচি পাতল সুৰেৰে গোটেই কথাটো পাতল কৰাৰ চেষ্টা কৰিলে। সুধিলে, "তোমাক চাবলৈ যাওঁতে এদিন অলপ সময়ৰ কাৰণে লগ পাইছিলোঁ—সেয়েই চিনাকি। মই আমাৰ ঘৰলৈ মাতি আহিছোঁ। তুমি পোৱানে চিনি?"

চন্দ্ৰায়ো একেধৰণেই কথাটো গুৰুত্বহীন কৰিবলৈ গোটেই গাত শক্তি বিচাৰি হাঁহাকাৰ কৰিছিল; তাই লাহেকৈ কলে, "পাওঁ।"

কিন্তু দহদিনমান গল, নিৰ্মল নাহিল। সুকুমাৰে সন্দেহ কৰিলে, সি নাহিবই নে কি? ঘৰলৈ মাতি সি তাক নিষ্ঠুৰভাৱে কষ্ট দিয়া হ'ল বুলি তাৰ অনুতাপো হ'ল। কিন্তু সি নিজে জানে, নিৰ্মল বা চন্দ্ৰাক কষ্ট দিয়াৰ তাৰ তিলমানো ইচ্ছা নাছিল; পূৰ্ণিমা এইখন চহৰলৈ আহিলে সি যি কৰিবলৈ ইচ্ছা কৰিলেহেঁতেন, সিহঁত দুটাকো সি তাকে কৰিবলৈ দিয়াৰ বাহিৰে অইন একো তাৰ মনত নাই; এয়া তাৰ মনৰ সৰল কথা।

দুসপ্তাহমানৰ পিচত এদিন নিৰ্মল আহিল। সিহঁত তিনিওটাই মুখামুখিকৈ বহি চহৰৰ বাটপথবোৰৰ ইমান ধূলি কিয়, হোটেলত চাহখোৱা ভালনে বেয়া, ইত্যাদি বহুত কথা পাতিলে। মাজতে এবাৰ ভিতৰত কেঁচুৱাটোৱে কান্দিলে, চন্দ্ৰাই লৰচৰ কৰিবলৈ নেপাওঁতেই সুকুমাৰ উঠি ভিতৰলৈ গ'ল।

তাৰ পিচত নিৰ্মল মাজে মাজে আহে। সি অহাৰ সময়ত ঘৰত কেতিয়াবা সুকুমাৰ থাকে, কেতিয়াবা নেথাকে। ঘৰত থাকিলে সুকুমাৰে আলহ-উদহকৈ তাক বহুৱায়, কথা পাতে। কেতিয়াবা সি নিজেই বৰ তৃপ্তি পায়, কেতিয়াবা গোটেই ঘটনাটো বৰ নিৰ্মম হৈছে বুলি কষ্ট পায়। সি মাজে মাজে ভাবে,—চন্দ্ৰাৰ বাৰু কেনেকুৱা লাগিছে? এই কথাটোৰ অকণমান উমান পাবলৈ তাৰ মনটোৱে উচ্‌পিচাই থাকে।

কিন্তু এদিন চন্দ্ৰাৰ মনৰ উমান পাই সুকুমাৰ স্তম্ভিত হৈ গ'ল। নিৰ্মল এমাহমান অহা নাই। এদিন গধূলি সি চন্দ্ৰাক সুধিলে, "তেখেত নহা হ'ল কিয়? আকৌ হোটেলতে বাহ ললেনে কি? ৰ'বা, কাইলৈ হোটেলতে ওলাবলৈ লাগিব।"

চন্দ্ৰাই লগে লগে ক'লে, "নেলাগে, নেলাগে, আপুনি নেলাগে যাব।"

"কিয় ?" সুকুমাৰ আচৰিত হ'ল। চন্দ্ৰা অইনফালে মুখ ঘূৰাই মনে মনে ৰ'ল। সুকুমাৰে আকৌ সুধিলে, "কিয় ? কোৱাচোন।"

চন্দ্ৰা আকৌ অকণমান সময় নিমাত হৈ ৰ'ল ; এবাৰ ভয়-ভয় আৰু কৰুণ দৃষ্টিৰে সুকুমাৰলৈ চালে, তাৰ পিচত তাই ক'লে, "মই তেখেতক আহিবলৈ মনা কৰিছোঁ।"

"কিয় ?" চেষ্টা নকৰাকৈয়ে প্ৰশ্নটো সুকুমাৰৰ মুখৰ পৰা ওলাই গ'ল।

চন্দ্ৰাই এটা দীঘল উশাহ লৈ বুকুখন ফুলাই ললে, তাৰ পিচত ক্ষীণ মাতেৰে কলে, "মই আপোনাক এটা নকবলগীয়া কথা কওঁ ; আপুনি বেয়া নেপাব। মই জানো, মই দোষ কৰিলেও আপুনি মোক ক্ষমা কৰিব।" চন্দ্ৰা এবাৰ ৰ'ল, তাৰ পিচত তাই ক'লে, "নিৰ্মল ককাইদেউক মই বহুত দিনৰ আগৰে পৰা চিনি পাওঁ ; চিনি পাওঁ মানে—এসময়ত আমাৰ মাজত এটা ভাল সম্বন্ধ আছিল ; সুবিধা পোৱা হলে সেই সম্বন্ধই বহুত দূৰ পাবগৈ পাৰিলেহেঁতেন। পিচে সেই সুবিধা নাহিল। নিৰ্মল ককাইদেৱে বিয়া কৰোৱা নাই ; তেখেতৰ মনত কি আছে মই কব নোৱাৰোঁ ; কিন্তু মই এখন সংসাৰ পাতিছোঁ ; মোৰ এটা ল'ৰা আছে, আপুনি আছে ; এতিয়া মই এইখন সংসাৰকে লৈ জীয়াই থাকিব খোজোঁ। নিৰ্মল ককাইদেউ আৰু আহিব নেলাগে।"

চন্দ্ৰাৰ মাত সৰু হৈ নাইকিয়া হৈ গ'ল। শ শ বাদ্যযন্ত্ৰত একেলগে এটা অচিনাকি সুৰ বাজি থাকি হঠাতে বন্ধ হৈ যোৱাৰ নিচিনাকৈ কোঠালীটো নিস্তব্ধ হৈ গ'ল।

চন্দ্ৰাই কান্দিব খুজিছিল, সুকুমাৰে তাইক অভয় দিলে। পিচত কথাবোৰে লাহে লাহে সুকুমাৰক বিভ্ৰান্ত কৰি দিলে। এবাৰ সি চন্দ্ৰাক একান্তভাবে নিজৰ কৰি লব পৰা পুৰুষত্বৰ গৌৰৱত গৰ্বিত হৈ উঠিল, এবাৰ নিৰ্মমভাবে অৱহেলিত হৈ ধূলিৰ লগত মিলি যোৱা প্ৰথম প্ৰেমৰ দুৰ্ভগীয়া চেহেৰা দেখি যন্ত্ৰণাত শিয়ঁৰি

উঠিল। এয়া চন্দ্ৰাৰ কথা? তাই নিজমুখে নিৰ্মলক আঁতৰাই দিব পাৰিলে? আৰু তাকে কৰোঁতে তাই নিজৰ স্বামীৰ আগত তাইৰ জীৱনৰ গোপনতম অধ্যায়টোও মুকলি কৰি দিব পাৰিলে? ইয়াৰ ফল কিমান বিষময় হ'ব পাৰিলেহেঁতেন, সেইটো তাই ভাবি নেচালে? সুকুমাৰে বুজিলে, তাৰ ওপৰত চন্দ্ৰাৰ গভীৰ বিশ্বাস হ'ল, আস্থা হ'ল, ভাৰসা হ'ল। এইখন সংসাৰৰ মায়াই তাইক এৰিব নোৱাৰাকৈ আৱৰি ধৰিলে। নিৰ্মলৰ পৰা বহুত দূৰলৈ আঁতৰি, এইখন সংসাৰত নিৰ্জঞ্জালভাবে ডুবি যাবলৈ চন্দ্ৰাই বাঞ্ছা কৰিলে, আৰু তাৰ ব্যৱস্থা কৰিবলৈ যাওঁতে বিষময় পৰিণামৰ সম্ভাৱনালৈকো তাই ভয় নকৰিলে।

তেনেহলে পূৰ্ণিমা? পূৰ্ণিমাৰো এদিনৰ সেই ব্যাকুল অন্তৰ গভীৰ শান্তিত শীতল হৈ গ'ল নে কি? তাইৰ শান্ত মনৰ তলিত সুকুমাৰ এটা শিল হৈ পৰি ৰ'ল নে কি? নে তাইৰ মনত সি একেবাৰে হেৰাই গ'ল?

বহুত দিনলৈ সুকুমাৰে মাজে মাজে মনৰ যন্ত্ৰণা এটাৰ লগত যুঁজি থাকিবলগীয়া হ'ল। একোবাৰ তাৰ ইচ্ছা হ'ল—সি নিৰ্মলৰ ওচৰলৈ গৈ তাক সাৱটি ধৰি কান্দিব। আৰু বেচিকৈ তাৰ ইচ্ছা হ'ল—এদিন, মাত্ৰ এদিন পূৰ্ণিমাক লগ পাবলৈ; সি এতিয়া ক'ত আছে পূৰ্ণিমাৰ ভিতৰত বিচাৰি চাবলৈ।

তাৰ পিচত এদিন সি পূৰ্ণিমাক দেখিলে।

মনোৰমাৰ পৰা সুকুমাৰে খবৰ পালে, পূৰ্ণিমাহঁত—মানে পূৰ্ণিমা, শৰত আৰু সিহঁতৰ কেঁচুৱা ছোৱালীজনী আহিব; মঙ্গলবাৰে দুপৰীয়া এৰোড্ৰোমত সিহঁত নামিবহি।

খবৰটো পোৱা মুহূৰ্তৰ পৰাই সুকুমাৰ অস্থিৰ হ'ল। কেতিয়া সি পূৰ্ণিমাক লগ পাব? মঙ্গলবাৰে আবেলি? নহয়, ইমান আতুৰ হৈ সি দৌৰি নেযায়। দুদিনমান পূৰ্ণিমাহঁতক জিৰণি লৈ চিজিল লাগিবলৈ দিব। কিন্তু দুদিনো বৰ দীঘলীয়া সময়।

পূৰ্ণিমাক লগ পোৱাটো বৰ ডাঙৰ প্ৰয়োজন, সেইটো বাক পিচতো হ'ব, কিন্তু তাইক অন্ততঃ এবাৰ দেখা পাবলৈ সুকুমাৰ অধৈৰ্য্য হ'ল। সি ঠিক কৰিলে, কাৰো চকুত নপৰাকৈ সি এৰোড্ৰোমলৈ যাব, কোনোবা এঠাইত লুকাই থাকি, দূৰৰ পৰা পূৰ্ণিমাক চাব।

মঙ্গলবাৰে দুপৰীয়া এৰোড্ৰোমৰ ঘৰ এটাৰ দ্বিতীয় মহলাৰ খিড়িকী এখনৰ কাষত সুকুমাৰ অধীৰ থিয় হৈ ৰ'ল। একোখন একোখন উৰাজাহাজ উৰিল, নামিল,—সুকুমাৰৰ বুকুত যেন একো একোবাৰ চাঞ্চল্যৰ ধুমুহা বৈ গ'ল।

ঠিক সময়ত প্ৰয়োজনীয় উৰাজাহাজখন নামিল। এজন-এজনকৈ বহুত যাত্ৰী নামিল। সুকুমাৰে যেন চকুৰ টিপ নেমাৰিলে; সি যেন উশাহ লবলৈ পাহৰি গ'ল; এক দৃষ্টিৰে সি উৰাজাহাজৰ দুৱাৰখনলৈ চাই ৰ'ল।

সেয়া শৰত? হয়, শৰত চিৰিটোৰেদি নামি আহিল; মাটিত ভৰি দি সি উভতি চালে। আয়াজাতীয় ছোৱালী এজনী কেঁচুৱাটো লৈ লাহে লাহে নামিল। তাৰ পিচত উৰাজাহাজৰ দুৱাৰ-মুখত দেখা দিলে পূৰ্ণিমাই। দুৱাৰ-মুখত এক মুহূৰ্ত্ত থিয় হৈ পূৰ্ণিমাই বহি থাকোঁতে ইফাল সিফাল হোৱা গাৰ কাপোৰ ঠিককৈ ললে।

সুকুমাৰৰ মূৰ দোঁ খাই গ'ল। সি দ্বিতীয়বাৰ পূৰ্ণিমাৰ ফালে নেচালে। বিচাৰকৰ নিৰ্মম ৰায় শুনা অপৰাধীৰ নিচিনাকৈ সি খিড়িকীখনৰ মুখত নীৰৱে থিয় হৈ ৰ'ল।

পূৰ্ণিমাই এটা টিক্‌টিক্‌কৈ ৰঙা ব্লাউজ পিন্ধিছে, বহল ৰঙা পাৰিৰ এখন শাৰী পিন্ধিছে, গাৰ কাপোৰৰ লগত মিলি যোৱা ৰঙৰ ভেনিটি বেগটো তাইৰ আঙুলিৰ পৰা নৃশংসভাবে হত্যা কৰি বেচিবলৈ আঁৰি থোৱা ছাগলীৰ নিচিনাকৈ ওলমি আছে!

ঘৰলৈ উভতি আহি সুকুমাৰে দেখিলে—চন্দ্ৰা শুই আছে। তাৰ চিন্তা হ'ল,—সি এতিয়া কি কৰে! অলপ সময় থিয় হৈ থাকি

সি বনকৰা ছোৱালীজনীৰ হাতৰ পৰা তাৰ ল'ৰাটো কোলালৈ ললে ; ল'ৰাটোক সি মৰম কৰিলে ; তাৰ পিচত এবাৰ সি ক'ব নোৱাৰাকৈয়ে ল'ৰাটোৰ অকণমান হাতখন জোৰেৰে মুঠি মাৰি ধৰিলে, মাজ পানীত নাৱৰীয়াই একমাত্ৰ সাৰথি বঠাডাল যেনেকৈ ধৰে, তেনেকৈ।

সৌৰভ কুমাৰ চলিহা

উৰিবৰ সময়

ফ্রাউ ভিকীয়ে ক'লে, "হে'ৰ্ শ্বালিআ, আপোনাক বিচাৰি এজন ল'ৰা আহিছিল, আধাঘণ্টামান আপোনাৰ ৰুমত বৈ আছিল।" ফ্রাউ ভিকীয়ে এপ্ৰনৰ ভিতৰৰ পৰা কাগজৰ পেড এটা উলিয়ালে আৰু ৰঙা, ভোটা নাকটোত চশমাযোৰ ঠিক কৰি লৈ তাৰ ভিতৰেৰে জুমি জুমি চালে, "নামটো লিখি ৰাখিছো, কথাবোৰ পাহৰি যাওঁ আজিকালি, বুঢ়ীও হলো নহয়—অ, এয়া, পাইছোঁ। হে'ৰ্ ভূত্।"

"ভূত্!"

"আমেৰিকান। পাতলকৈ, দীঘলকৈ, ধুনীয়াকৈ। এটা আঁচ আঁচ দিয়া নীলা চুট পিন্ধি আহিছিল—পিচে চুটযোৰ ল'ৰাটোৰ গাত অলপ চুটি হয়।"

অৰ্থাৎ ডিক্ আহিছিল। ৰিছাৰ্ড্ বি. উড্। ইংৰাজী 'ডব্লিউ' আখৰটো জাৰ্মানত 'ভি' আৰু শব্দৰ শেষত 'ডি' থাকিলে তাৰ উচ্চাৰণ 'টি'ৰ দৰেও, গতিকে ফ্রাউ ভিকীক দোষ দিব নোৱাৰিলো।

"অ' ", মই ক'লো, "বুজিছো। কিবা কৈ গৈছে?"

ফ্রাউ ভিকীয়ে ক'লে যে তাক হেনো মই এটা ৰুম যোগাৰ কৰি দিম বুলি কৈছিলো, সি মোক বিচাৰি ফুৰিছে। চহৰৰ একেবাৰে শেষমূৰত হাইন্বাৰ্গ্ বনানীখনৰ কাষত সি সম্প্ৰতি আছে, সি ঘৰটো সলাব খুজিছে। ইমান ধুনীয়া অঞ্চল, আৰু এতিয়া

বসন্তকাল, বনানীখন কি মনোমোহা হৈছে, সেই অঞ্চলটো এৰি চহৰৰ মাজলৈ আহিবলৈ বাৰু তাক কিহে খাইছে? ফ্ৰাউ ডিকী অৱশ্যেই আচৰিত হ'ব, মই ভাবিলোঁ, কিন্তুৰ ডিকৰ মনোবৃত্তি মই জানো। সি ব্যস্ত চহৰৰ ল'ৰা।

"ল'ৰাটোৰ মুখখন একেবাৰে মৰা মৰা। প্ৰথম প্ৰথম আহি বিদেশী ল'ৰাবোৰৰ প্ৰায়বোৰৰেই এনেকুৱা হয়।" ফ্ৰাউ ডিকীৰ নিজৰ অভিজ্ঞতা। "কাকো চিনি জানিও নাপায় হবলা ইয়াত। তাতে ইয়ালৈ আহি হেনো গম পাইছে, যিজন প্ৰফেচৰৰ তলত কাম কৰিব খুজিছিল তেওঁ অহা চেমেষ্টাৰ ইয়াত নাথাকেই, তেওঁ হেনো কি কৰিব ঠিক কৰিব পৰা নাই। অ', মই তেওঁৰ মুখখন দেখিয়েই গম পাইছো এইয়া আছিল এক পেখ্‌ফগে'ল্ (দুৰ্গতি-চৰাই)।"

অৰ্থাৎ যাৰ পদে পদে বিভ্ৰাট। কথাটো সঁচা। সি বন্ধৰ ভিতৰতে আহি চহৰত উপস্থিত হৈছে, ভাবিছিল ভৰ্তি হোৱাৰ আগে আগে ভালকৈ জাৰ্মান শিকি ল'ব। এবিজনাৰ পৰা ডিগ্ৰী এটা লৈ আহিছে, প্ৰঃ মাৰ্কুচৰ তলত ডক্টৰেট কৰাৰ আকাঙ্খ্যা। সঠিক খবৰ-বাতৰি নোলোৱাকৈয়ে আগে আগে আহি পৰিছে, আহি গম পাইছে প্ৰঃ মাৰ্কুচ্ অহা সংখ্যাত ম্যুনষ্টাৰ্ বিশ্ববিত্থালয়লৈ যাব। তাৰ পিচৰ চেমেষ্টাৰতো আহিব নে নাহে কোনো ঠিক নাই। (প্ৰঃ মাৰ্কুচক ল'ৰাবোৰে নাম দিছে 'ভাণ্ডাৰ্‌ফগে'ল' অৰ্থাৎ ভ্ৰাম্যমান পক্ষী—আজি জাৰ্মানী, কালি আমেৰিকা, পৰহি জাপান বা উত্তৰ মেৰু।)

চেমেষ্টাৰ আৰম্ভ হ'বলৈ এতিয়াও এমাহ। বাহিৰৰ ল'ৰা-ছোৱালীবোৰ ঘৰলৈ গৈছে, স্থানীয়বোৰ বাহিৰলৈ গৈছে। সক বিশ্ববিত্থালয় চহৰখনৰ ৰাস্তাত ছাত্ৰ-ছাত্ৰীৰ ব্যস্ত অহা-যোৱা নাই। মে'ন্‌জাৰ (ছাত্ৰ-কেন্টিনৰ) আধা টেবুল শূন্য।

"মোৰ দুখেই লাগিল।"

মই প্ৰমাদ গণিলো। ফ্ৰাউ ডিকীয়ে চশমাযোৰৰ ভিতৰেৰে

পিৰিক পিৰিককৈ চালে মোৰ পিনে, তাৰ পাচত ক'লে যে এনেদৰে আচহুৱা চহৰত অকলে অকলে আমন-জিমনকৈ ঘূৰি ফুৰাটো বৰ হৃদয়বিদাৰক কথা, আবেলি ডিকক আহিব কৈছে। আবেলি গীজেলা আহিব (অৰ্থাৎ ফ্ৰাউ হেগেমান্) আৰু ফ্ৰলাইন ভেৎচি'গ্—

অৰ্থাৎ, যি ভয় কৰিছিলো সেয়ে। এই মহিলাসকল ফ্ৰাউ ভিকীৰ লগৰী, তিনিও প্ৰায় সমবয়সীয়া বৃদ্ধা। বেচেৰা নতুন মাৰ্কিন ল'ৰা, ঘৰৰ পৰা আত্মীয়-স্বজনৰ পৰা ইমান আঁতৰত—তেওঁলোকে তাৰ নিঃসঙ্গতা আঁতৰাবলৈ চেষ্টা কৰিব। তেওঁলোকে ডিকক তাৰ ঘৰৰ কথা সুধিব, এই চহৰৰ কথা ক'ব, কফি আৰু ছানাৰ কে'ক খুৱাব আৰু তেওঁলোকৰ গান শুনিবলৈ বাধ্য কৰিব। ফ্ৰাউ ভিকীৰ কমটোত সোমালে নিশ্বাস বন্ধ হৈ যোৱাৰ উপক্ৰম হয়, কৌচ আৰু টেবুল আৰু আলমাৰীবোৰে প্ৰতি বৰ্গ মিটাৰ ঠাই খোৱা, নানা পৰিয়ালৰ নানা আকৃতিৰ প্ৰাচীন ফট'গ্ৰাফ, সাতামপুৰুষীয়া এপল' আৰু ভেনাচ আৰু কুমাৰী মেৰী আৰু কিবাকিবিৰ সৰু সৰু মূৰ্তি, চামৰা-মোড়া বাইবেল আৰু স্তবকপুথি আৰু জপৰ মালা, ইপিনে সিপিনে চিলাইৰ কাম আৰু উলৰ গুলি, এটা চৰাইৰ বাহ, আৰু চিমনিৰ সমুখৰ ৰাগখনত কোঁচমোচ খাই থকা এটা মেকুৰী পৰ্য্যন্ত। আৰু এচুকত এটা মান্ধাতাৰ দিনৰ বেসুৰা পিয়ান'। প্ৰথম প্ৰথম 'নিঃসঙ্গ' থকা সময়ত মোৰ যি অৱস্থা হৈছিল, আজি ৰিছাৰ্ড বি. ভুতৰ সেই অৱস্থা হব। বহিলে পাতাললৈ সোমাই যোৱা চোফা এখনত তাক এই মৰমীয়াল বৃদ্ধাসকলে ঠেলি দিব, আৰু তাৰ হাতত কফিৰ কাপ আৰু কেকৰ প্লেট এখন দি অবিশ্ৰান্ত ভাবে কথা কৈ যাব। তাৰ পাচত ফ্ৰাউ হেগেমান্ আৰু ফ্ৰলাইন ভেৎচি'গে গলা খুলি উদাত্ত কণ্ঠে কিবা গান গাব, লগে লগে ফ্ৰাউ ভিকীয়ে চশমা যোৰৰ ভিতৰেৰে জুমি জুমি স্বৰলিপিখন চাই পিয়ান'ত টুংটুং কৰিব (অৱশ্যে পিয়ান'টোৰ মাত ইমানদিনে আৰু টুংটুং হৈ থকা নাই। এতিয়া তাৰ মাত ধং ধং)।

ফ্ৰাউ ভিকীয়ে ক'লে যে ফ্ৰাউ হেগেমানৰ ঘৰত এটা কম খালি হ'ব—এটা ইৰাকী ল'ৰা এই সপ্তাহতে গুচি যাব—হে'ৰ্ ভূত আহিলে তাৰ সেইপিনৰ পৰাও লাভ হ'ব। তিনিও গৰাকী বৃদ্ধাই ঘৰ ভাড়া দিয়ে—যাক কয় লেণ্ডলেডী—ছুই ফ্ৰাউ বিধবা (ফ্ৰলাইন ভে'ৎচিগৰ বিয়াই নহল)। মই ভাবিলোঁ যে আজি ডিকৰ ভাগ্যত এটা 'অভিজ্ঞতা' আছে। ফ্ৰাউ ভিকীয়ে এটা সন্তুষ্টিৰ ভঙ্গীৰে মূৰটো জোকাৰিলে, মোৰ ধাৰণা হ'ল চশমাযোৰ নাকৰ পৰা পৰি যাব। চশমাযোৰো একেবাৰে মহাৰাণী ভিক্টৰীয়াৰে দিনৰ, কাঁচ ছুখন গোল, ফ্ৰাউ ভিকীৰ কাণৰ ওপৰত আৰু নাকৰ আগটোত বিপজ্জনক ভঙ্গীত অলৌকিক ভাবে ওলমি থাকে। সদায় আশা কৰো এইমাত্ৰ চশমাযোৰ খুলি পৰিব, কিন্তু পৰোঁ পৰোঁ হৈ শেষ মুহূৰ্তত সদায় আকৌ কিবাকৈ নাকত লাগি ধৰে। আজিও মই নিৰাশ হলো, চশমাযোৰ যথাস্থানতেই থাকি গ'ল।

এই চহৰত ভৰি দিয়াৰে পৰা ডিকৰ জীৱনৰ কৰুণ কাহিনী আৰম্ভ হৈছে। প্ৰথমেই শুনিলে, প্ৰঃ মাৰ্ক্‌চ্‌ উধাও। তাৰ পাচত শুনিলে, আটাইকেইটা মাৰ্কিন ল'ৰা বাহিৰলৈ গৈছে—ছুটা অৱশ্যে ইতিমধ্যে উভতি আহিছে, কিন্তু সিহঁতৰ লগত তাৰ ঠিক জমা নাই। ঘৰ পোৱাৰ অসুবিধা। বিদেশী-ছাত্ৰৰ-অফিচৰ পৰা অৱশেষত তাক এটা ঘৰ যোগাৰ কৰি দিলে হাইনবাৰ্গ বনানীৰ কাষত, য'ৰ প্ৰকৃতিৰ সৌন্দৰ্য্যৰ পৰা পলায়ন কৰিবলৈ সি এতিয়া উদ্বাউল। বিদেশী-ছাত্ৰৰ-অফিচৰ পৰাই বোধকৰোঁ ঠিকনা লৈ ছুদিন পাচতে এহাল ল'ৰা-ছোৱালী তাৰ ঘৰ ওলালগৈ, সিহঁত 'কেথলিক ছাত্ৰ-সংস্থা'ৰ কৰ্মী। "এই বিশ্ববিদ্যালয়-চহৰখনত বিদেশী ছাত্ৰ-ছাত্ৰীৰ অৱস্থান তৃপ্তিকৰ, মসৃণ আৰু নিঃসঙ্গতাৰ পৰা মুক্ত কৰিবলৈ" সিহঁত ইচ্ছুক। সিহঁতে বিছাৰ্ডক সিহঁতৰ 'আলোচনা-সন্ধ্যা'লৈ

লৈ গ'ল, য'ত সিহঁতে 'পৰমাণবিক পৃথিৱীত বিশ্বাসৰ স্থান' সম্বন্ধে বিতৰ্ক কৰিলে। ইজিপ্তুৰ পৰা ঘূৰি অহা ভদ্ৰমহিলা এগৰাকীয়ে লেণ্টাৰ্ণ-স্লাইডৰ যোগেদি ইজিপ্টত নাৰীৰ স্থান সম্বন্ধে এটা বক্তৃতা দিলে ('ফাৰাঅ'ৰ দিনৰ পৰা আজিলৈ'); আৰু সকলোৱে মিলি ফিকা চাহ আৰু বিস্কুট খালে।

সন্ধিয়াটো কটোৱাৰ বিষয়ে তাৰ হেনো অলপ অন্যৰকম ইচ্ছা আছিল, সি আৰু দ্বিতীয়বাৰ···একপিনৰ পৰা সেইটো এটা আফশোচৰেই কথা হ'ল, কিয়নো 'কেথলিক ছাত্ৰসংস্থা'ৰ কেইবা-জনো ল'ৰা-ছোৱালীয়ে হেনো তাক জাৰ্মান আৰু ফৰাচী শিকাই দিবলৈ (মাকে তাক কৈ পঠিয়াইছে ইউৰোপলৈ গৈ যেন ফৰাচী নিশিকাকৈ নাহে) আগ্ৰহ প্ৰকাশ কৰিছিল, সম্পূৰ্ণ বিনাখৰচত— সেইটো আৰু নহল।

তাৰ পৰিবৰ্ত্তে ভাগ্যৰ কুটিল চক্ৰই নি তাক পেলাই দিলে অইন এটা দলৰ হাতত, যাৰ নাম 'নাটু'ৰ্‌ফ্ৰয়ণ্ড্‌ক্ৰাইজ্‌' অৰ্থাৎ 'প্ৰকৃতি-বান্ধব-চক্ৰ'। সিহঁতৰ উদ্দেশ্যও কেথলিকসকলৰ দৰেই, যদিও প্ৰধান উদ্দেশ্য হ'ল প্ৰকৃতিৰ বিচিত্ৰ, আশ্চৰ্য্য সৌন্দৰ্য্য-জগতৰ প্ৰতি আজিৰ বস্তুবাদী মানুহৰ মন উন্মীলিত কৰা, ইত্যাদি ইত্যাদি। সিহঁতৰ ক্লাবত ক্ষীণ, চশমাৱালা এজন স্থানীয় সঙ্গীত-শিক্ষকে 'জাৰ্মান বনানীৰ প্ৰকৃত অনুভূতি'ৰ বিষয়ে এটা কথিকা দিলে আৰু গ্ৰামোফন ৰেকৰ্ড-যোগে ভে'বাৰৰ অপেৰা 'ফ্ৰাইশ্‌ৎচ্‌' (তীৰন্দাজ)ৰ পৰা অংশবিশেষ বজালে, য'ত হেনো জাৰ্মান বনানীৰ আবহাওৱা মূৰ্ত্ত হৈ উঠিছে ("য'ত এসোপা পেঁপা ভো ভোকৈ বাজে, you know")। এটা 'আউচ্‌ফ্লুগ্‌' বা বহিৰ্গমনৰ আলোচনা চলিল, বিখ্যাত ল্যুনেবুৰ্গ্‌-পথাৰলৈ। অৱশ্যম্ভাবী লেণ্টাৰ্ণস্লাইডকেইখনো অৱশ্যেই বাদ নগল, কোনোবাই 'ল্যুনেবুৰ্গাৰ্‌-হাইডে'ৰ ৰঙীন ছবি কেইখনমান পৰ্দাত পেলালে, সকলোৱে উচ্ছ্বসিত কণ্ঠে কৈ উঠিল, 'ভী শ্‌ঝ্যন্‌' (কি ধুনীয়া)!

দৃশ্যবোৰ বোলে ডিকৰ আবিৰ্জনাৰ মৰুভূমি যেনহে লাগিল, কিন্তু সিও ক'লে "শ্ব্য'ন্, শ্ব্য'ন"। তাৰ পাচত সকলোৰে মিলি অৱশ্যম্ভাবী ফিকা চাহ আৰু বিস্কুট খালে—আৰু ডিকে হৃদয়ঙ্গম কৰিলে যে সি প্ৰকৃতি-বান্ধব নহয়, তাৰ আৰু ইয়ালৈ অহাৰ দৰ্কাৰ নাই।

ৰাতিপুৱা খিড়িকীৰ কাৰ্নিচত কিছুমান ("চিলি লুকিং") চৰাইৰ কিচিৰ-মিচিৰে তাৰ টোপনি ভাঙি দিয়ে। লেণ্ডলেডীয়ে কয়, "আপোনাৰ খিড়িকীৰে হাইন্‌বাৰ্গৰ দৃশ্য অপূৰ্ব, নহয় নে হে'ৰ ডূড্?" "অপূৰ্ব, ভূণ্ডাৰ্‌বাৰ্" ডিকে কয়।

("এসোপা চিলি লুকিং গছ আৰু জঙ্গল, you know, পাইন আৰু ফাৰ্ আৰু অ'ক্, ওৰে ৰাতি সেইবোৰৰ মাজেৰে হু-হুকৈ বতাহ মাৰে লাইক্ মেড্—গে'ট্‌চ্ অন্ মাই নাৰ্ভচ্, ইউ ন'।")
"আঃ, die Natur! die Natur! ৰাতিপুৱা শুই উঠি যেতিয়া আপোনাৰ কাণত পৰে বাহিৰত প্ৰভাত পখীৰ গান, দেহ-মন কেনেকুৱা তাজা টাট্‌কা লাগে, নহয় নে হে'ৰ্ ডূড্?"

গাৰুৰ তলত এটা পিস্তল থকাহেঁতেন প্ৰভাত-পখীকেইটাক সি ...আৰু সাধাৰণতে (বিশেষকৈ নতুন চোলা এটা পিন্ধি ওলালে) সিহঁতে ওপৰৰ পৰা নিতান্ত অনাহুত বস্তু কিছুমান গালৈ ৰোমাবৰ্ষণ কৰে, কিন্তু এই চহৰত ঘৰৰ টনাটনি, সি কয়, "সঁচাই!", আৰু নিজকে নিজে গালি পাৰে।

ঘৰটোৰ পৰা নিকটতম বাচ-স্টপটোলৈ কুৰিমিনিট খোজ কাঢ়িব লাগে। সি চহৰলৈ যায় আৰু চহৰখনৰ ঠেক, কব্‌ল্ দিয়া ৰাস্তাবোৰেৰে অকলে অকলে ঘূৰে। এদিন দেখিলে এটা সংকীৰ্ণ গলিৰ মাজৰ সৰু দোকান এখনত ইংৰাজী কিতাপ-কাগজ বিক্ৰী হয়, দোকানৰ খিৰিকীত 'লাইফ্' আৰু 'টাইম্' আৰু 'ৰিডাৰ্চ্ ডাইজে'ষ্ট্',—সি সোমাই গ'ল। মই আৰু মোৰ সহকৰ্মী হে'ৰ্ ভাণ্টাৰ্ (আমি চহৰৰ ইস্কুল এখনত যথাক্ৰমে ইংৰাজী আৰু

ভূগোল পঢ়াওঁ) দোকানৰ ভিতৰত তেতিয়া কিতাপ চাই আছিলোঁ। ভাগ্যচক্ৰই ডিকক আমাৰ হাতত পেলাই দিলে।

আমি তাক হে'ৰ্ নভাকৰ দোকানলৈ লৈ গ'লো, য'ত আমি নিয়মিত দুপৰীয়া (আৰু কেতিয়াবা ৰাতিও) খাওঁ। হে'ৰ্ নভাকৰ লগত আমাৰ সম্বন্ধ এতিয়া আৰু দোকানী-বনাম-গ্ৰাহক নহয়। প্ৰায়ে কাষত আহি বহে, ছাত্ৰ-ছাত্ৰীসকলৰ মুখত শুনা হাস্যৰসবোৰ আমাক শুনায় আৰু হো হোকৈ হাঁহে—কেতিয়াবা পাহৰি গৈ আমাৰ মুখত শুনা কাহিনীকেই আমাক শুনায়, আমি সোঁৱৰাই নিদিওঁ। বিপত্নীক মানুহ। মস্ত শৰীৰ, এখন ভৰি কাঠৰ (যুদ্ধলৈ গৈছিল), মূৰটো ওখ (প্ৰকাণ্ড এটা হাঁহৰ কণীৰ দৰে)।

দোকানৰ বাহিৰত ৰৈ ডিকে নামটো পঢ়িলে ঃ "Zum Alten Fink."

ফিঙ্ক্ চৰাইটো ঠিক শালিকা নহয়, কিন্তু মোটামুটি নামটো তৰ্জমা কৰিলে হয়গৈ ঃ 'বুঢ়া শালিকা ভোজনালয়'।

ডিকে দীৰ্ঘনিশ্বাস পেলালে।

মোৰ আৰু হে'ৰ্ ভাল্টাৰৰ সমুখত বীয়াৰৰ গিলাচ জমি উঠে, ডিকে মাত্ৰ এবাপ কফি খায়, সি এনেকি আমাৰ চিগাৰেটৰ ধোঁৱাও সহ্য কৰিব নোৱাৰে। হে'ৰ্ ন'ভাক কাষতে আহি বহে আৰু ডিম্বাকৃতি মূৰটো আন্দোলিত কৰি কৰি কয়, "আখ্ ইয়া, হে'ৰ্ ভূড্, আপুনিও আৰু সঁচাকৈয়ে বৰ মন মাৰি থাকে··· যি হওক, আৰু বেচিদিন নাই, চেমেষ্টাৰ আৰম্ভ হ'বই সোনকালে, আপোনাৰ নিশ্চয় কিবা এটা হেস্তনেস্ত হৈ যাব···"

হে'ৰ্ নভাকে অলপ আফশোচেৰে ইপিনে সিপিনে চায়। বন্ধৰ মাহ, দোকান প্ৰায় শূন্য। দুই এটি ল'ৰা-ছোৱালী ইপিনে সিপিনে সিচঁৰতি হৈ নিঃশব্দে খাইছে। চেমেষ্টাৰৰ সময়ত ইয়াত দুপৰীয়া বহিবলৈ ঠাই পোৱা দুৰূহ হৈ পৰে।

"বাৰু কওকছোন, আমেৰিকাত বোলে কাৰখানাৰ বনুৱাৰো একোখন ফৰ্ড্ গাড়ী থাকে……"

ডিকে দুই এটা বিক্ষিপ্ত শব্দেৰে সংক্ষেপে হে'ৰ্ নভাকৰ কৌতূহল নিবৃত্ত কৰে। কোনোবাই কিবা সুধিলে প্ৰতিবাৰ বিব্ৰত হৈ পৰে, অনিশ্চয়ভাবে উত্তৰ দিব আৰম্ভ কৰে, কেতিয়াবা আধাআধি কৈ ৰৈ যায়। ফ্ৰাউ ভিকীৰ ভাষাত: এটা পেখ্‌ফগে'ল, এটা দুৰ্গতি-চৰাই। দুই এদিন চেষ্টা কৰি চাইছো তাক নাচলৈ নিবলৈ—হয়তো তাৰ পৰাই ঘটনাৱলীৰ উন্নতি হ'ব—সি কৈছে যে সি নাচিব নাজানে। এটা অকালকুষ্মাণ্ড। কিন্তু ইতিমধ্যেই আমি বুজি পাইছো যে সি থিয়েটাৰৰ ষ্টেজত দেখা যোৱা আমেৰিকান নহয়। সি চুইৰিং-গাম্ চোবাই নাথাকে, শিঙৰ ফ্ৰে'মৰ চশমাও নিপিন্ধে, 'gosh!'ও নকয়, 'gee!'ও নকয়।

হে'ৰ্ ভাল্টাৰ ফট'গ্ৰাফাৰ উৎসাহী, তেওঁ কিছুমান ফট' উলিয়ায়। মানুহৰ মূৰ আৰু প্ৰাকৃতিক দৃশ্যাৱলী। হে'ৰ্ নভাকে ডাঙৰ ডাঙৰ চকু মেলি চায় আৰু কয়, "শ্যোন্, শ্যোন্, ভুণ্ডাৰ্বাৰ্!"

"মই সদায় চাওঁ, যেন মোৰ ছবিত কেতিয়াও প্ৰকৃতি বিকৃত নহয়", হে'ৰ্ ভাল্টাৰে কয়। ডিকে এটা হাঁহি চেপে আৰু মূৰ জোকাৰে।

মাজে মাজে মধ্যাহ্নভোজন কৰিবলৈ ফ্ৰলাইন ভিলিগে' আহে, আমাৰ ইস্কুলৰ জাৰ্মান আৰু ব্যায়ামৰ শিক্ষয়িত্ৰী। শকত শৰীৰ, ধূসৰ সাজ, ফ্লেট হিলৰ জোতা, এটা প্ৰকাণ্ড খোপা, এযোৰ সেউজীয়া গগল্‌চ্ পিন্ধে, পৰাপক্ষত নাহাঁহে। আমাক দেখিলে আমাৰ টেবুলত আহি বহে। হে'ৰ্ নভাকে হাস্যৰস বন্ধ কৰে আৰু লাহেকৈ উঠি গৈ কাউণ্টাৰত বীয়াৰ বাকিব ধৰে—সন্দেহ হয়, হয়তো ফ্ৰলাইন ভিলিগে' হে'ৰ্ নভাকৰেই মাষ্টৰনী আছিল কোনোবা কালত। হে'ৰ্ ভাল্টাৰে তেওঁৰ ফট'বোৰ সামৰে। ডিক্ কোঁচমোচ খাই বহি থাকে। ফ্ৰলাইন ভিলিগে'ই প্ৰণালীবদ্ধভাবে মটৰগুটিৰ চুপ আৰু আলুভজাৰে বক্‌ভুৰ্ষ্ট্ খায় আৰু সোধে ডিকৰ জাৰ্মান কিমানখিনি আগবাঢ়িল।

"মোটামুটি বুজিব পৰা হৈ আহিছো, ধন্যবাদ," অলপ অপৰাধীৰ দৰে ডিকে কয়। ফ্ৰলাইন ভিলিগে' ঠিক আশ্বস্ত নহয়।

মই কওঁ, "তাৰ মাকে কিন্তু প্ৰতিখন চিঠিতে ফৰাচী শিকাৰ কি কৰিছে তাকেহে সোধে—"

ফ্ৰলাইন ভিলিগে'ই নিখুঁতভাবে সমান সমানকৈ ভূৰ্ট্ কাটে আৰু কয় যে তেওঁৰ ধাৰণা, এটা ভাষা ভালকৈ আয়ত্ব কৰি লৈহে আন এটা ভাষাত হাত দিয়া উচিত। বিশেষকৈ যিটো ভাষা ইয়াত সদায় লাগি থাকিব। (ডিকে সম্মতি জনায়)। প্ৰণালীমতে আগুৱাব লাগে। প্ৰথমতে গয়েথেত হাত দিব নালাগে। সৰু সৰু বাক্যৰ পৰা ক্ৰমে ওপৰলৈ উঠিব লাগে। (আমি মূৰ জোকাৰো)। হে'ৰ্ উডে জাৰ্মান শিকোৱা মাষ্টৰ পালেনে নাই পোৱা? বাৰু, আৰু কেইদিনমান যাওক, তাৰ পাচত তেওঁ হে'ৰ্ উডক এজনী ভাল শিক্ষয়িত্ৰীৰ হাতত সোধাই দিব পাৰিব। তেওঁৰ লগতে একে ঘৰতে থাকে, তেওঁৰ কাষৰ ৰুমটোতে। লিনেট্ ক্ৰাউচ্—কেনেকৈ যে তাই ইংৰাজী নাম এটা পালে!—তাইক হেনো আজৰি সময়ত টিউচনী এটা লাগে। হে'ৰ্ উডৰ লগত একে ফেকাল্টিৰে, লগ পাবই। এতিয়া বন্ধত চুইজাৰলেণ্ডলৈ গৈছে, লজানত ঘৰ। অবশ্যে লজানত মানুহবোৰে ফৰাচী কয়। কিন্তু লিনেটে জাৰ্মান আয়ত্ব কৰিছে বঢ়িয়া। চোকা ছোৱালী। অ, লিনেট আহক, তেতিয়া বেচ প্ৰণালীবদ্ধভাবে—

(লিনেট্ জানো এটা চৰাইৰ নাম নহয়? মাতটো মিঠা?)

ফ্ৰলাইন ভিলিগে' অবশেষত প্ৰস্থান কৰে আৰু হে'ৰ্ নভাক্ আকৌ আহি আমাৰ কাষত বহে। হে'ৰ্ ভাণ্টাৰে পুনৰ ফট'বোৰ উলিয়াই আনে।

"...সেইদিনা ভাগ্যক্ৰমে ভাল ৰ'দ আছিল। এইয়া জীলাৰ্টাল্ গীৰ্জাৰ ওপৰৰ পৰা ভে'জাৰ্ নদীৰ দৃশ্য"—হে'ৰ ভাণ্টাৰে কয়।

ডিকে ভদ্ৰতাৰ খাতিৰত এবাৰ চায়, আৰু কয়, "অ, ভাল হৈছে।"

"আৰু এয়া নদীৰ পাৰত এটি অকণমানি অকলশৰীয়া ভায়লেট ফুল—"

"শ্ব্য'ন্", হে'ৰ্ নভাকে কয়।

"অ, ভাল হৈছে", ডিকে নিস্পৃহভাবে কয়, "ফট'ৰ পিচপিনে এই দুই লাইন কিহৰ উদ্ধৃতি ?"

"আঃ", মিথ্যা বিনয়েৰে হে'ৰ্ ভাণ্টাৰে কয়, "হঠাৎ মনত খেলালে, এই দুশাৰী কবিতা ফট'খনৰ লগত বেচ খাপ খায়। জানিব পাৰে হয়তো, Das Veilchen (অকণমানি ভায়'লেট্ ফুল)—"

"এতিয়াও নাজানো", অবশেষত ডিকে ভদ্ৰতাৰ মুখাখন খুলি থয়। "কিন্তু ইয়াত আৰু কিছুদিন থাকিলে হাড়ে হাড়ে জানিম।"

"গয়েথেই লিখিছে", মই নিৰ্ভয়ে যোগ দিওঁ।

"অ', that guy গ্যেটে !" ডিকে কয়।

"হে'ৰ্ উড্ আৰিজনাৰ পৰা আহিছে", মই বুজাই দিওঁ, "শুকান মৰুভূমিৰ দেশ।"

হে'ৰ্ ভাণ্টাৰো অবশেষত প্ৰস্থান কৰে। বীয়াৰ্ খাই বহি থাকিবৰ তেওঁৰ সময় নাই, ফট' কিছুমান ডেভেলপ কৰিব লাগে। ডিক উঠি নাযায়। মোৰ লগত তাৰ মতিগতিৰ কোনো মিল নাই, কিন্তু সি মোৰ লগতেই বহি থাকে! (কথাটো অলপ আচৰিত, কিন্তু সকলোৱে জানে, মোতকৈ বহু আগেয়ে শ্বেক্সপীয়েৰে কথাটো কেতিয়াবাই বঢ়িয়াকৈ বুজাই দি গৈছে)। হে'ৰ্ নভাকে ডিম্বাকৃতি মুৰটো পিচপিনে আউজাই দি বহে আৰু কৌতুকেৰে আমাৰ দুয়োৰে পিনে চায়। ডিকৰ মুখত যি এটা বিব্ৰত, বিপন্ন ভাব ফুটি উঠে, তাৰ পৰা বুজা যায় যে হে'ৰ্ ন'ভাক্ আৰু এটা ঘৃণেধৰা হাস্য-ৰস কৰিবলৈ উদ্যত হৈছে।

"আথ্ ইয়া, হে'ৰ্ ভাণ্টাৰ্ সঁচাকৈয়ে বৰ মজাৰ মানুহ। সেইদিনা কৈছিলে, মোৰ দোকানলৈ আহিলে তেওঁৰ বোলে প্ৰায়ে

তেওঁৰ বন্ধু এজনৰ কথা মনত পৰে, এজন কোনোবা হেৰ্ ফগে'ল্ (চৰাই)। হে'ৰ্ ফগে'লক বিচাৰি এদিন তেওঁ তেওঁৰ ঠিকনালৈ গ'ল। গিৰিহঁতনীয়ে সুধিলে, 'কাক বিচাৰিছে?' হে'ৰ্ ভাণ্টাৰে ক'লে, 'ইয়াত এক ফগে'ল থাকেনে?' গিৰিহঁতনীয়ে ক'লে, 'হয়, তেওঁৰ নাম ফিনক্।' হাঃ হাঃ হাঃ—"

"হা হা হা", মই ক'লো আৰু ডিকৰ পিনে চালো।

"হা হা", লৰালৰিকৈ ডিকে ক'লে। মোৰ ধাৰণা হ'ল, হে'ৰ্, নভাকৰ মস্ত ডিম্বাকৃতি মূৰটোৰে এটা ওমলেট বনোৱা সম্ভব হ'লে সি কেতিয়াবাই সেইটো কৰি লেঠা মাৰি পেলালেহেঁতেন।

'বুঢ়া শালিকা'ত মানুহ কমি আহে। পৰিচাৰিকা দুজনীয়ে বগা এপ্ৰন দুখন খুলি থয় আৰু যাবলৈ সাজু হৈ চকীমেজবোৰ সাৰি য়ায়, দোকান বন্ধ কৰিবৰ সময় হৈ আহে। মই দোকানৰ গোটেই কেইখন খবৰৰ কাগজ পঢ়ি শেষ কৰোঁ। ডিকে ঘৰলৈ চিঠি লিখে আৰু দৈত্যাকাৰ হামি কাঢ়ে।

আৰু, আজি, ফ্ৰাউ ভিকীৰ কথাই মোক চিন্তিত কৰি তুলিলে। সংগীতৰ লগত ডিকৰ সম্বন্ধ কি জানো, তাক সতৰ্ক কৰি দিয়াটো বন্ধুৰ কৰ্ত্তব্য নহয় নে? অবশ্যে সি চল্লিশ মাৰ্কতে চহৰৰ মাজত এটা ৰুম পোৱাৰ আশা—গতিকে বোধকৰোঁ সকলো বিপদ সত্ত্বেও সি আহিবই। 'বুঢ়া শালিকা'লৈ ধাপলি মেলিলোঁ। দুৱাৰৰ কাঁচৰ মাজেৰে দেখিলো আমাৰ টেবুলত অচিনাকি ছোৱালী এজনী বহি আছে, গোল জলমল মুখ, স্কুলীয়া ছোৱালীৰ দৰে দুডাল দীঘল সোণালী বেণী, মাজে মাজে মিচিকিয়াই হাঁহি উঠিছে, ইঁহাৰ লগে লগে গালদুখনত টোল পৰিছে। ডিকতকৈ দুই এবছৰমানৰ সৰু হ'ব বুলি অনুমান কৰিলো। ফ্ৰলাইন ভিলিগে'ই নীৰবে ভূৰ্ষ্ কাটিছে, হে'ৰ্ ভাণ্টাৰে বীয়াৰৰ গিলাচটো হাতত লৈ ছোৱালীজনীৰ

কথা শুনিছে, ডিকে প্ৰায় হতভম্বৰ দৰে চাই আছে, তাৰ মুখৰ বিব্ৰত ভাবটো দহগুণ বিবৰ্ধিত। ফ্ৰলাইন ভিলিগে'ই পৰিচয় কৰাই দিলে। লজানৰ পৰা লিনেট্ ক্ৰাউচ্।

"বন্ধ ভালদৰে কাটিল, আশাকৰোঁ ···।" এটা স্বস্তিৰ নিশ্বাস পেলালো। "যাক্, ডিকৰ ভাষা সমস্যাৰ এতিয়া এটা সমাধান হ'ব।"

"নহয়, নহয়", লিনেটে লৰালৰিকৈ মূৰ জোকাৰিলে, বেণী ছুডাল ছুলি উঠিল। ফৰাচী ঠাচৰ জাৰ্মান কথা, মাতটো এতিয়াও যেন সম্পূৰ্ণ ফুটিবলৈ অলপ বাকী আছে, এনেকুৱা এটা ব্যঞ্জনা। "এটা ভুল বুজাবুজি হৈছে। জাৰ্মান মোৰ বাবেও এটা বিদেশী ভাষা, মই জানো জাৰ্মান শিকাবলৈ সাহ কৰিব পাৰো? কি যে কয়! মই ফৰাচী শিকোৱাৰ কথা হে কৈছিলো, ফ্ৰলাইন ভিলিগে'ই ভুল কৰি পেলাইছে।"

"অ, এটা ভুল বুজাবুজি হৈছে", মোৰ পিনে চাই বিপৰ্য্যস্তভাবে ডিকে কৈ উঠিল, "অৱশ্যে মোৰ ফৰাচী শিকাৰো প্লেন আছিল—তোমালোকক কৈছিলো—মাই কৈ পঠিয়াইছিল ইউৰোপলৈ গ'লে যেনেতেনে—মানে, ইয়াত ইমান সুবিধা—"

লিনেটৰ সপ্ৰতিভ, ঝলমল মুখখন ৰঙা পৰি গ'ল, কাঁটাডালেৰে ভূষ্ট্ এটুকুৰা মুখত সুমুৱাবলৈ গৈ ফ্ৰ'লাইন ভিলিগে' থমকি ৰ'ল, আৰু হে'ৰ্ ভাণ্টাৰে বীয়াৰৰ গিলাচটো নমাই থলে। অপ্ৰস্তুত হৈ ডিক বৈ গ'ল।

মই লৰালৰিকৈ ক'লো, "তাৰ কাৰণে প্ৰচুৰ সময় পাবা। কিন্তু য'ত আছা, প্ৰথমতে তাৰ ভাষাটো। কি কয়, হে'ৰ্ ভাণ্টাৰ?"

"কিন্তু নিশ্চয়", মূৰ ছপিয়াই হে'ৰ্ ভাণ্টাৰে ক'লে।

"মইও তাকেই কওঁ", ফ্ৰলাইন ভিলিগে'ই ক'লে।

হে'ৰ্ নভাক্ কফি আৰু বীয়াৰ লৈ আহিল আৰু টেবুলৰ কাষৰ চকী এখনলৈ কৌতূহলেৰে চালে। চকীত ফ্ৰলাইন ভিলিগে'ৰ বেগ আৰু ছাতি আৰু সেউজীয়া চছমাযোৰ, লিনেটৰ বেগ আৰু কিবা

এটা পেকেট, আৰু এটা চৰাইৰ সঁজা, তাৰ ওপৰত এখন সেউজীয়া কাপোৰৰ ঢাক। সঁজাটোৰ ভিতৰৰ পৰা এটা কিচিৰ-মিচিৰ শব্দ হ'ল। হে'ৰ্ নভাকে কিবা এটা সুধিব খুজিলে, ক্ৰলাইন ভিলিগে'ৰ পিনে চালে, বৈ গ'ল।

"অ', সেইটো মোৰ কেনাৰী", হে'ৰ্ নভাকৰ মুখলৈ চাই লিনেটে ক'লে, পুনৰ আগৰ দৰে সপ্ৰতিভ, আৰু মিচিককৈ হাঁহিলে, গালত আকৌ টোল পৰিল। মোৰ পিনে চালে, বুজাই দিলে। "এইবাৰ সৰত জন্মদিনত পালো। মোৰ খুৰীয়ে দিছে। মন খুশী থাকিলে বৰ ধুনীয়াকৈ গান গায়। ঘৰতে থৈ আহিম বুলি ভাবিছিলোঁ, কিন্তু মোক নেদেখিলে সি বৰ মনমাৰি থাকে। লৈ আহিলো।"

তাই সেউজীয়া ঢাকখন গুচালে। "ইয়াত আহি তাৰ গলত কিবা এটা ফুলি উঠিছে, জলবায়ু সলনি হোৱা কাৰণেই হব পায়। খুৰীয়ে কৈছিল, তাৰ বৰ থুনুকা শৰীৰ, বৰ 'ডেলিকেট্'। এইমাত্ৰ ভেটেৰীণাৰি ডাক্তৰক দেখুৱাই আনিলো। অন্য একো নহয়, গৰমৰ কাৰণেই বোলে। কিবা এটা ঘঁহি দিবলৈ দিছে।"

"আঃ, ধুনীয়া মৰমলগা চৰাই!" হে'ৰ্ নভাকে ক'লে আৰু কটি এটুকুৰা তেওঁৰ মোটা আঙুলিৰে সঁজাটোৰ ভিতৰলৈ ভৰাই দিলে। কেনাৰীটোয়ে এবাৰ কিচিৰ-মিচিৰ কৰি উঠিল আৰু কটি-টুকুৰা ঠোঁটেৰে খুট মাৰি লৈ গ'ল। ডাঙৰ ডাঙৰ চকু মেলি মন্ত্ৰমুগ্ধৰ দৰে হে'ৰ্ নভাকে চাব ধৰিলে। "আঃ শ্ব্যন্, শ্ব্যন্," উল্লাসিত হৈ হে'ৰ্ নভাকে ক'লে, "লওক হে'ৰ্ ভূড, আপুনিও দিয়ক, আপুনিও দিয়ক।"

পক্ষীজগতৰ লগত ডিকৰ সম্বন্ধৰ কথা হে'ৰ্ নভাকে নাজানে, কিন্তু ডিক অঁকৰাৰ দৰে হাঁহিলে আৰু অলপ ইতস্ততঃ কৰি তেওঁৰ হাতৰ পৰা টুকুৰা এটা লৈ সঁজাৰে আঙুলি দুটা ভৰাই দিলে। কেনাৰীটোয়ে ঠোঁটেৰে পাখিবোৰ খুটিয়ালে, তাৰ গলৰ পাখিবোৰ ঠিয় দি উঠিল, এটা প্ৰচণ্ড কিচিৰমিচিৰ শব্দ কৰিলে আকৌ, আৰু

ঠেংখন আগুৱাই দিলে। লবালৰিকৈ ডিকে আঙুলি দুটা উলিয়াই আনিলে।

"আঃ, ভয় নাখাব, ভয় নাখাব", এইবাৰ লিনেট্ খিলখিলকৈ হাঁহি উঠিল, "নাকামোৰে। সি সঁচাকৈয়ে বৰ নিজু প্ৰকৃতিৰ, মুখুটিয়ায়। নতুন মানুহ দেখিছে তেনেকুৱা কৰিছে। ভয় নকৰিব, দিয়ক, আকৌ দিয়ক—"

ডিক ৰঙা পৰি গ'ল, তাৰ পাচত বেগুণীয়া হৈ গ'ল, তাৰ পাচত আকৌ ৰঙা হৈ গ'ল, আৰু তাৰ পাচত মৰিয়াৰ দৰে পুনৰ হাতখন ভৰাই দিলে। গোটেই দোকানখনে এইপিনে চাইছে, পিঞ্জৰাবদ্ধ অকণমানি কেনাৰীটোৰ ওপৰত হে'ৰ্ নভাকৰ প্ৰকাণ্ড ডিম্বাকৃতি মুৰটো খুশীত উবুৰি খাই পৰিল। (আঃ, হে'ৰ্ ভাণ্টাৰৰ হাতত এতিয়া কেমেৰাটো থকাহেঁতেন!)।

আৰু এয়া, সন্ধিয়া, ফ্ৰাউ হেগেমান্ আৰু ফ্ৰলাইন ভেৎচিগে গল খুলি দিছে, চছ্মাযোৰৰ ভিতৰে ফ্ৰাউ ভিকীয়ে পিৰিক পিৰিককৈ স্বৰলিপিখন জুমি জুমি চাইছে (কি দেখিছে তেওঁহে জানে) আৰু প্ৰাচীন পিয়ান'টোৰ চাবিবোৰত নিৰ্ভয়ে আঙুলি মাৰিছে (কোনটো স্বৰ বিচাৰি কোনটো চাবি টিপিছে তেওঁহে জানে)। বহিলে অন্তৰ্দ্ধান হৈ যোৱা কৌচখনত ডুব গৈ আঠুত হাত থৈ ডিক্ স্থিৰভাবে বহি আছে—আজি দুপৰীয়া হে'ৰ নভাকৰ দোকানৰ পৰা ওলাবৰে পৰা সি কিবা ভাবত তন্ময় হৈ আছে। সংগীতানুষ্ঠান আৰম্ভ হোৱাৰ আগেয়ে সস্তা ঘৰ এটাৰ ব্যৱস্থা হৈ গৈছে যি হওক (মাহে ৪০ মাৰ্ক মাত্ৰ), এক অধ্যায় শুদা কফিও হৈ গৈছে (ছানা দিয়া কেকবোৰ এতিয়াও ওলোৱা নাই), আৰু তিনি বৃদ্ধাই তাৰ ওপৰেদি আৰু আন এক অধ্যায় শেষ কৰিছে: আমেৰিকাৰ পৰা আহি তাৰ ইয়াত কেনে লাগিছে, কি কি অসুবিধা

হৈছে, আমেৰিকাত ভাল স্কুল কলেজ আছেই যদি তেন্তে সি নো কিয় ইয়ালৈ আহিব লগীয়া হ'ল, তাৰ মাকে কি খাবলৈ ভাল পায়, তাৰ ভনীয়েকে কি পিন্ধে? সি কিন্তু পৰীক্ষাত বীৰৰ দৰেই উত্তীর্ণ হৈছে, বিব্ৰত নোহোৱাকৈ সকলো প্রশ্নৰ উত্তৰ দিছে (ইমানখিনি মই আশা কৰা নাছিলো)। আৰু এতিয়া এবাৰো হামি নকঢ়াকৈ গান শুনিছে। 'ভিকী-সঙ্গীত-ত্রয়ী'য়ে এটা জার্মান লোকগীতি গাইছে:

চৰাই এটিয়ে বিয়া পাতিব খুজিলে
সেউজীয়া ব-ন-নীত—

মনত পৰে স্কুলত 'বহাগীৰ বিয়া' বুলি এটি কবিতা পঢ়িবলগীয়া হৈছিল, তাত বহাগীৰ বিয়াত আকাশ, বতাহ, গছগছনিয়ে বহু কিবাকিবি কৰিছিল। এই গানটোৰ কাৰবাৰবোৰো তেনেকুৱাই। ক'ৰবাত চৰাই এটাৰ বিয়া হৈছে, সেই বিয়াত শালিকা, কেঁচা, উন্থ, কুলী আদি অন্যবোৰ চৰাইয়ে নানান কামৰ ভাৰ লৈছে।

ফ্লাইন ভে'ৎচিগৰ ডিঙিটো ক্ষীণ আৰু দীঘল আৰু তাত কিছুমান সমান্তৰাল ভাঁজ (এটা ইস্কুপৰ দৰে), তাৰ পৰা চাইকেলৰ চকাত পাম্প গলে যেনেকুৱা আৱাজ হয় তেনেকুৱা এটা শব্দ ওলাইছে। তেওঁৰ দীঘল নাকটোৰে বাৰংবাৰ কিবা শুঙিছে, বোধকৰোঁ ঘ্রাণেন্দ্রিয়টো তীক্ষ্ণ। ফ্রাউ হেগেমান্ চুটিচাপৰ আৰু গোলাকাৰ, তেওঁ বুকুত হাত দুখন থৈ মিলানৰ লা স্কালা অপেৰাৰ প্রিমা-ডনাৰ দৰে এটা ভঙ্গী দিছে, ৰেখাৰে ভৰ্ত্তি তেওঁৰ মুখখন তৃপ্তিত উদ্ভাসিত হৈ উঠিছে। বুজিব পাৰি, এসময়ত ফ্রাউ হেগেমানৰ কণ্ঠ লা স্কালাৰ গায়িকাতকৈ বৰ বেছি তলত নাছিল। ফ্রাউ ভিকীয়ে তন্ময় হৈ মূৰ তল কৰি বজাই গৈছে, মই অপেক্ষা কৰিছো কোন মুহূর্ত্তত তেওঁৰ চছ্মাযোৰ সৰি পৰিব।

মই ডিকক ফিচফিচাই ক'লো, "সম্ভবতঃ এটা দুর্গতি-চৰাই"। ডিকে মোৰ পিনে বিৰক্ত হৈ চালে—ধাৰণা হৈছে সি গভীৰ

মনোযোগেৰে শুনিছে। ফ্ৰলাইন ভে'ৎচিগে মুখত আঙুলি দি মোৰ পিনে এটা ভৎৰ্সনাৰ দৃষ্টি নিক্ষেপ কৰিলে।

উহু, উহু
জপালে খিড়িকী মুহুৰ্মুহু—

মই ভাবিছোঁ, কেতিয়া সেই ছানা-দিয়া কে'ক কেইটাৰ সময় আহিব।

ফেঁচা, ফেঁচা
লগালে কোঢ়াল, ঠেলা-হেঁচা—

……এক অনন্তকালৰ পাছত বিবাহোৎসুক পক্ষীটোৰ গাঁথা শেষ হ'ল। মই, ডিক আৰু ফ্ৰাউ ভিকীয়ে হাততালি দিলোঁ, ফ্ৰলাইন ভে'ৎচিগে সংক্ষিপ্তভাবে মূৰ জোকাৰিলে, ফ্ৰাউ হে'গেমানে নিখুঁত লা স্কালা-ষ্টাইলত মূৰ দোঁৱালে। তাৰ পাছত মই, ডিক, ফ্ৰলাইন ভে'ৎচিগ আৰু ফ্ৰাউ হে'গেমানে পিয়ান'বাদিকাৰ উদ্দেশ্যে হাততালি দিলো, পিয়ানটোত হাত দি চছ্‌মাযোৰৰ ভিতৰেৰে ফ্ৰাউ ভিকীৰ প্ৰফুল্ল চকু দুটা মুদ খালে আৰু মেল খালে।

অপ্ৰত্যাশিতভাবে ডিক উঠিল আৰু ফ্ৰাউ ভিকীৰ ওচৰলৈ গ'ল। "সঁচাকৈয়ে, ফ্ৰাউ ভিকী, আপুনি অপূৰ্ব বজায় (ফ্ৰাউ ভিকীয়ে সবিনয়ে হাঁহিলে)। আপুনি এনেকি মোৰ মাতকৈও ভাল বজায়। গানটোও দুৰ্দান্ত ইণ্টাৰেষ্টিং (ডিকে জেপৰ পৰা নোটবুক আৰু পেঞ্চিল বাহিৰ কৰিলে)। যদি একো বেয়া নাপায়, অনুগ্ৰহকৈ মোক লাইন কেইটা যদি এবাৰ কৈ দিয়ে—"

মই প্ৰায় মুখ মেলি দিলো, আৰু অৱশেষত ফ্ৰাউ ভিকীৰ নাকৰ পৰা চছ্‌মাযোৰ খহি পৰিল।

ৰোহিণী কুমাৰ কাকতি

গিলাছ

অনুপমে মনত ক'তো যেন শান্তি নাপায়। কি হৈ গ'ল বা কি হ'ব ওলাইছে, অনুপমে ভাবি ভাবি তাৰ কোনো পাৰ নোপোৱা হ'ল।

মেজৰ ওপৰত থকা পানীৰ গিলাছটোৰ পৰা আৰু এঢোক পানী খালে। সেই পানী ঢোকো যেন ভিতৰলৈ নাযায় অথচ পিয়াহত ডিঙি পুৰি যোৱা যেন লাগিছে।

কি যেন কিবা এটা ভুল হৈ গ'ল; অথচ এতিয়া আৰু শুধৰাবলৈ কোনো উপায় নাই।

অনুপমে ভাবিলে মায়ালতাৰ কথা।

মায়ালতাৰ ক'লা চকুযুৰি অনুপমৰ কথা শুনি যেন থৰ হৈ গ'ল। অনুপমে লক্ষ্য কৰিছিল—মায়ালতাৰ সেই চকুযুৰি যেন বৰ ক'লা। ইমান ধুনীয়া আৰু ভাষাপূৰ্ণ চকু অনুপমে মায়ালতাৰ আৰু কোনো দিনে দেখা নাই—অৰ্থাৎ আজি দুবছৰে। কিন্তু সেই চকু হালিৰ ভাষা পঢ়ি অনুপমে ভয় খাই উঠিল। এই ভাষাপূৰ্ণ চকুৰ চাহনি মায়ালতাই আগতে কেলৈ কোনো দিনে নেদেখুৱালে। কেলৈ—কেলৈ, কিহৰ ভয় বা কিহৰ সন্দেহত!

দেখুৱাহেঁতেন, হয়তো কথাই আন পিনে ঘূৰি গ'লহেঁতেন।

আকৌ এঢোক পানী খালে অনুপমে।

সিদিনা আবেলিও অনুপম আগেয়ে যোৱাৰ দৰে মায়ালতাহঁতৰ ঘৰলৈ গৈছিল। খবৰটো নকলে বেয়া দেখি আৰু প্ৰথমেই ক'বলৈয়ো আগতে পালে মায়ালতাকহে। মায়ালতাই তেতিয়া লেম্পটো ভালদৰে জ্বলাই দিব ধৰিছিল। কোঠালীটোত দুয়োৰে বাহিৰে আৰু কোনো নাছিল।

অনুপমে কৈ দিলে, "মই আজি বিয়ালৈ মত দি দিলোঁ দিয়া।"

মায়ালতাই তাতেই একে ধৰণে নিমাতে লেম্পটো লাৰি থাকি ৰৈ গ'ল আৰু তাৰ পাছত যেতিয়া সেই চকু হালি অনুপমলৈ তুলি চালে তেতিয়া অনুপমে সেই চকুহালিৰ ভাষা পঢ়ি থৰ্ থৰ্কৈ কঁপি উঠিল। দ্বিতীয়বাৰ কথা ক'বলৈ অনুপমৰ আৰু সাহস নহ'ল।

মায়ালতাই অতি মলিন হাঁহি এটা মাৰি মাত্ৰ ক'লে, "ভালেই হ'ল।"

সেইষাৰি কথাই অনুপমৰ অন্তৰ দহি নিলে।

তাৰ পাছত মায়ালতা আঁতৰি গ'ল আৰু অনুপম বহি থকা চকি খনত এডাল গুৰি কটা গছৰ দৰে কৈ পৰি থাকি ক্ৰমে ক্ৰমে নিস্তেজ হৈ গ'ল।

কোঠালীটোত নিস্তব্ধতা।

সেই নিস্তব্ধতাৰ চেপাত পৰি অনুপমে উপলব্ধি কৰিলে ক'ৰবাত যেন তেওঁৰ ভুল হৈ গ'ল।

তাৰ পাছত সোমাই আহিল মাক।

সোমাই আহিয়েই ক'লে, "তোমাক অকলাই বহাই থৈছোঁ, বেয়া নাপাবা। মই গোঁসাই সেৱা কৰিবলৈ গৈছিলোঁ। মায়াই চাহৰ পানী গৰম কৰিব ধৰিছিল। হঠাতে ক'লে, মূৰটো বোলে ঘূৰাইছে। অকণমান শুবলৈ কলো। বাকী কেইটা পঢ়াত ব্যস্ত। মায়াৰ দেখোন কেইদিনমানৰ পৰা গাটোৱেই ভালেৰে নোযোৱা হৈছে।"

অনুপমে ভাবিলে, এই ঘৰৰ বা-বতাহ বিষাক্ত হৈ উঠিল। মায়ালতাৰ কেলৈ মূৰ ঘূৰালে আৰু কেলৈ শুবলৈ গ'ল, তাক

অনুপমে জানে। আৰু ইয়াকো জানে, আজি আৰু মায়ালতা তেওঁৰ আগত নোলাব।

অনুপমৰ আৰু দৃঢ়ভাবে বিশ্বাস হৈ গ'ল তেওঁৰ ক'ববাত ভুল হৈ যোৱাটো সঁচা কথা।

কিন্তু ইমান দিনে মায়ালতাই কি কৰিছিল?

সিদিনাও আহিবৰ সময়ত মাকে আগৰ দৰে কৈ উন্মুকিয়ালে, "মায়াৰ কাৰণে কথাষাৰ মনত আছে নে?"

অনুপমে বৰ কষ্টেৰে যেন কলে, "আছে।"

মাকে ক'লে, "তোমালোকে সহজতে ল'ৰা-চৰা পোৱা; অলপ খবৰ ৰাখিলেই হয়। আমাৰ আৰু আছে কোন? সিহঁতৰ ডাঙৰ ককায়েক এটা থাকিলেও বহুবোৰ ভাবনাৰ পৰা হাত সাৰিব পাৰিলোঁহেতেন।"

মাকৰ কথা অলপ সেমেকিল। সেমেকিবৰে কথা। মায়াহঁতৰ বাপেক ঢুকাবৰ বাৰ বছৰ মানেই হ'ল। মায়া তেতিয়া ন বছৰীয়া। মায়াৰ তলত আৰু দুজনী ভনীয়েক আছে আৰু এটা ভায়েক আছে। ইহঁতক কষ্ট আৰু আশাৰে মানুহ কৰিবলৈ চেষ্টা কৰিছে মাকে। ল'ৰা-ছোৱালী কেউটাই পঢ়ি আছে। তেওঁলোক প্ৰত্যেকজনেই বৰ মৰম লগা বিধৰ। ঘৰ খনলৈ যাবলৈয়েই ভাল লাগে।

অনুপমে কওঁ নকওঁকৈ মাককো কলে, "আজি বিয়ালৈ মত দি দিলো। কিন্তু মই সন্তুষ্ট নহয়।"

নিৰ্ব্বিকাৰ ভাবে মাকে কলে, "এৰা, উপযুক্ত বয়স হৈছে, বিয়া পাতিব লাগে।"

অনুপমে খণ্ডেৰে ভাবি আঁতৰি আহিল—মায়াৰ কাৰণে মই অনুপযুক্তই আছিলো নে মোক সাহসেই কৰা নাছিলা?

সিদিনাও অনুপম ঘৰলৈ আহি এন্ধাৰে-মুধাৰে ঘৰটোত সোমাই বহি বহুবোৰ কথা ভাবি ৰ'ল।

সমুখৰ খিড়িকীখন খোলা। ৰিবি ৰিবি বতাহ আহিছে। দূৰৈৰ দালান ঘৰটোৰ পাছপিনৰ খিড়িকীবোৰেৰে পোহৰ ওলাই আহিছে। ৰি-ৰি জিলিবোৰৰ মাত কেউপিনে। তাৰ বাহিৰে পৰিবেশ নিজান।

নিজৰে মনটোক প্ৰবোধ দিবলৈ অনুপমে কথাবাৰ আন ধৰণে ভাবিবলৈ চেষ্টা কৰিলে—নহয়, মায়াই হয়তো তেনেদৰে ভবা নাই —অনুপমৰহে বুজাত ক'ৰবাত খোকোজা লাগিল। নহলে বিয়াৰ কথাবতৰা চলোৱাৰ কথা-কোৱা দিনাও কেলৈ মায়ালতাই কৈছিল— 'বৰ ভাল হ'ব; আমাৰ আকৌ এঘৰ ফুৰিবলৈ মানুহ ওলাব।'

তথাপি কথাবোৰ ভাবি নিজৰ মনক্তে হয়ভৰ দিবলৈ অনুপমে যেন মনত বল নাপালে।

অৱশ্যে কেইদিন মান আগৰে পৰা অনুপমে কিছু কিছু ধৰিব পাৰিছিল—মায়ালতাই যেন তেওঁৰ প্ৰতি কিছু বেচি আগ্ৰহ দেখুৱা হৈছে। ঘৰলৈ গলে আগতকৈ অলপ বেচি যেন মুক্ত হৈ কথা ক'বলৈ বিচাৰে আৰু কথাকোৱাৰ ভঙ্গীত এটা ওচৰৰ মানুহ, ওচৰৰ মানুহৰ সুৰে ভৰাই তুলিছে। কিন্তু অনুপমে ভাবি লৈছিল— সেয়া সাধাৰণ কথা। সেয়েই ঘৰে কথা-বতৰা চলোৱা নিজে ভালকৈ মুখ নেদেখা ছোৱালী এজনীৰ বিয়াৰ কথাত সন্মতি দি পেলাইছিল।

কিন্তু এতিয়া উপায়!

কিন্তু সিদিনা অনুপমে সিদ্ধান্ত কৰি পেলালে—এই অস্থিৰ অৱস্থাৰ মাজত থাকিলেতো আৰু নচলিব। এবাৰ যেতিয়া মত দি দিছে আৰু অন্যথা হোৱাৰ কোনো উপায় নাই। মায়ালতাক বুজাব লাগিব—অনুপমে মায়ালতাক আন একো ধৰণে কোনো দিনে ভবাই নাছিল—সাধাৰণ ভাবেই লৈছিল আৰু আজিও সাধাৰণ ভাবেই চলি থাকক কথাবোৰ।

কিন্তু—কিন্তু ক'ত যেন অনুপমৰ হৃদয়ত মোচৰ মাৰি দিলে

কিবাই। এই মিছা অভিনয় কৰি মায়ালতাক দেখুৱাব পাৰিলেও অন্তৰত বহি যোৱা দাগ কোনে কেনেকৈ মচি দিব পাৰিব?

মায়ালতাৰ মনৰ পৰা কথাবোৰ পাতলাই দিবলৈ বুলি অনুপমে তাৰ পাছত সঘণে মায়ালতাহঁতৰ ঘৰলৈ গৈছে। মায়ালতাই আগৰ দৰেই হাঁহিছে, চাহ দিছে, কথা কৈছে। কিন্তু সময়ত যেতিয়া কথা ক'বলৈ নোহোৱা হয়—মায়ালতাই অনুপমৰ মুখলৈ বৰ যেন গভীৰ ভাবে কিবা চাই ভাবি থাকে। অনুপমৰ চকুই চকুই পৰিলে চকু নমায় লয়। কি যে করুণ দৃষ্টি চকুত!

মাক কিন্তু আগৰ দৰেই নিৰ্ব্বিকাৰ।

আৰু আজি!

কথাবোৰ যেন প্ৰায় খোলাখুলি ভাবেই হৈ গ'ল।

মায়ালতাহঁতৰ ঘৰৰ পৰা নিশা উভতিব ওলাইছিল।

মায়াই লেম্পটো লৈ আগবঢ়াই দিব আহিছিল।

অনুপমে কলে, "মোৰ বৰ ভয় লাগিছে বিয়ালৈ।"

মায়াই সেমেকা হাঁহিৰে উত্তৰ দিছিল, "মই শুভইচ্ছা জনাইছোঁ।"

অনুপমে ঘপহ্‌কৈ কৈ উঠিল, "মোৰ ভুল হৈ গ'ল মায়া।"

"কি?"

"তুমি আৰু কিছুদিন আগতেই তোমাৰ অন্তৰৰ কথাবোৰ মোক জানিবলৈ নিদিলা কেলৈ?"

মায়াই উত্তৰ দিব নোৱাৰিলে।

লেম্পটো লৈ ভিতৰলৈ সোমাই গ'ল।

এন্ধাৰৰ মাজতে দুৱাৰমুখতে অনুপম কিছু সময় জঠৰ হৈ ঠিয় দি থাকিল।

আকাশলৈ চালে—জাক জাক তৰা।

অনুপম আকৌ সোমাই আহিল।

মাত দিলে, "অনুপ, অকণমান শুনাচোন।"

অনুপ ওলাই নাহিল—আহিল মাক।

সুধিলে, “ওভতিলা যে ?”

“মায়াই এখন কিতাপৰ কথা কৈছিল, মাতকচোন। পাহৰিছিলোৱেই। কথাষাৰ কৈ যাওঁ।”

মাক ভিতৰলৈ সোমাই গ’ল। অনুপম থিয় দি ৰ’ল তাতেই।

পাঁচমিনিট,—দহমিনিট—পোন্ধৰ মিনিট।

মায়া ওলাই আহল।

আহিয়েই কলে, “পলম হ’ল। কেঁচা খৰিৰে জুইকুৰা ধৰিছিলোঁ।”

অনুপমে বুজি পালে—সেয়া ধোৱাঁই খোৱা চকুৰ চলচলীয়া চাহনি নহয়, মাত্ৰ নিৰবে অন্তৰত সাচি থোৱা আশাৰ শেষ হৈ যোৱা বেদনাৰ প্ৰকাশ।

অনুপমে ক’লে, “তুমি কোৱা কিতাপখন বিচাৰিছো—পোৱা নাই। সোনকালেই আনি দিম।”

তাকে মাত্ৰ কৈ ওলাই আহল।

জপনা দিওঁতে ঘূৰি চাই দেখিলে অনুপমে—লেম্পটো এহাতে ধৰি দুৱাৰত ভেজা দি মায়াই বাহিৰলৈ চাই ৰৈছে। বগা মুখখন লেম্পৰ পোহৰত মিঠা বৰণীয়া হৈ পৰিছে।

অনুপমে দুৰ্বল খোজেৰে আগুৱাই আহিল।

আহোঁতে বাটে বাটে দৃঢ় ভাবে মনতে ভাবি আহিল তেওঁৰ ভুল হৈ যোৱাটোত আৰু সন্দেহ নাই।

সেই সিদ্ধান্ত লৈয়েই অনুপম ঘূৰি-চকীখনত ধুপুচ্ কৈ বহি পৰি নিজৰ মেজখনত ঢাকি থৈ দিয়া পানী গিলাছৰ আধা ঢক্ঢকাই খাই পেলালে।

তাৰ পাছত নিৰৱে বাহ ৰ’ল।

হয় নে নহয়, কি হ’ল, কি কৰিলে—এতিয়া উপায় কি—তাকে ভাবি কিছুমান ঘটনা ফহিয়াই চালে।

ওপৰত লাইট জ্বলি ৰৈছে।

গিলাছটোৰ পানী খিনিৰ ওপৰেদি জুমি চালে। ঘূৰণীয়া ছঁ

তাত কিছুমান। তাৰ মাজেদিয়েই গিলাছটোৰ তলি দেখা গৈছে। ওপৰ উঠি অহা তলি। কোনো পুৰণি ঘৰৰ কৰিডৰ দেখাৰ দৰে লাগিল।

আৰু কিছু বেলি চাই ৰ'ল।

তলৰ পৰা এখন মুখ ভাহি উঠিল আৰু সেইখন মুখ মায়ালতাৰ মাকৰ।

করুণ দৃষ্টিভৰা চাহনিৰে মাকে চাই থাকি যেন কৈছে— বাপমৰীয়া ল'ৰা-ছোৱালী কেইটাক বৰ কষ্টেৰে ডাঙৰ কৰিছোঁ। তুমি ঘৰখনৰ ল'ৰাৰ দৰেই হৈ পৰিছা। মায়ালতাৰ কাৰণে ক'ৰবাত দৰা এটা পালে চাবাচোন। যি কোনো এঠাইত গোজা এটা মাৰিব পাৰিলেই হয়। মাত্ৰ ল'ৰাটো সজ চৰিত্ৰৰ হ'ব লাগে।

অনুপমৰ খং উঠি গ'ল। কেলৈ—মাকে আনৰ দ্বাৰাইও মুখ ফুটাই ক'ব নোৱাৰিলে নে যে তুমি মায়ালতাক কেনে দেখা?

খঙেৰেই গিলাছটো লৰাই দিলে। অন্তৰ্দ্ধান হৈ গ'ল মায়ালতাৰ মাকৰ মুখ।

পানীত প্ৰতিবিম্বিত হোৱা পোহৰৰ ক'ৰবাত ছাঁ পৰিছে নেকি তাকে বেৰবোৰলৈ চালে। ক'তো নেদেখিলে।

গিলাছৰ পানী থিনিলৈ আকৌ চকু গ'ল।

লাহে লাহে পানীখিনি আকৌ স্থিৰ হৈ পৰিব ধৰিছে। তাত আকৌ ঘূৰণীয়া ঘূৰণীয়া কিহবাৰ ছাঁ পৰিছে।

তাৰ মাজত এইবাৰ আকৌ এখন মুখ আৱিৰ্ভাব হ'ল। সেইখন মায়ালতাৰ ভনীয়েক কৃষ্ণাৰ। সেই মুখখনে হাঁহি মাৰি কৈ উঠিল 'যেন আমি নিছলা মানুহ। আমাৰ ঘৰলৈ মানুহ আহিবকে বেয়া পায়। আপুনি হলে আহি থাকিব দেই।'

গিলাছটো লৰাই দিবলৈ অনুপমৰ এইবাৰ ইচ্ছা নগ'ল। সেই শান্ত মুখখনলৈ জুমি চাই থাকিল।

কেইদিনমান যোৱাত পলম হলে কৃষ্ণাই কৈছিল—আৰু কোনো

দিনে নাহিব বুলিয়েই ভাবিছিলোঁ। ক'ৰবাত কিজানি জগৰেই লগালো।

গভীৰ দৃষ্টিৰে সেইখন মুখলৈ জুমি চাই থাকোঁতে সেই মুখৰ ছবি মাৰ গৈ ক্ৰমাং যিখন করুণ চাহনিৰে ভৰা এযুৰি চকুৰে এখন মুখ তাত ফুটি উঠিল, সেইখন মুখ মায়ালতাৰ।

সেইখন মুখে কোনো কথা নক'লে। মাত্ৰ অনুপমৰ মুখলৈ স্থিৰ দৃষ্টিৰে চাই ৰ'ল।

অনুপমৰ মন উৰি গ'ল পাছলৈ।

কিন্তু সেই কথাবোৰত আজি গভীৰ অৰ্থ বিচাৰি পালেও নিতান্ত যেন অলাগতিয়াল হৈ গ'ল আজি কথাবোৰ। সেই সাধাৰণভাবে কোৱা কথাবোৰৰ গভীৰ অৰ্থ যদি অনুপমে কিছুদিন আগতেও ধৰিব পাৰিলেহেতেন, তেনেহলে কথা অন্য হৈ গ'লহেতেন। কি কাৰণে মায়াই প্ৰথম চিনাকি হোৱা দিনাৰ পৰা সিমান মুক্ত হৈ কথা ক'ব পৰা নাছিল, কিবা লাগিলেও অনুপমক মুখ খুলি কৃষ্ণাৰ দৰে কৈ ক'ব পৰা নাছিল—মাকৰ স'তে অনুপমৰ ঘৰলৈ আহি কি আশাৰে বিশৃঙ্খল হৈ থকা বস্তু-বাহানিবোৰ এপদ এপদকৈ অনুপমক মৃদু ভৰ্ৎসনা কৰি কৰি ভালকৈ থৈ গৈছিল—কি আশাৰে পুৰণা পৰ্দ্দাবোৰ বদলাই এদিন নিজে চিলাই কৰি অনা পৰ্দ্দাবোৰ আঁৰি দি গৈছিল, তাক অনুপমে ঘূণাক্ষৰেও ধৰিব নোৱাৰিছিল কেলৈ?

এদিন মায়াই কৈছিল, "আমি ভাবো দেই, আপুনি অকলশৰীয়া হৈ ঘৰটোত অকলেই থাকে কেনেকৈ বাৰু!"

অনুপমে সুধিছিল, "তোমালোকে মাজে মাজে মোৰ আলোচনা কৰা তেনেহলে?"

"কৰোঁতো!"

"কিমান বদনাম গোৱা?"

আৰু কোনো নাছিল কোঠালীটোত।

কৈছিল মায়াই, "ইঃ, কেলৈ বা বদনাম গাম!"

তাৰ পাছৰ পৰা অৱশ্যে অনুপমে কথাবোৰৰ মানে অলপ অলপ ধৰিব পাৰিছিল। তেওঁলোক আহি যোৱাৰ পাছত অনুভৱ কৰিছিল ঘৰটো যেন তেঁনেই শূন্য হৈ গ'ল, কিবা থকাবোবো মায়াইঁতে আহি যেন লৈ গ'ল।

কিন্তু দোমোজাত থাকি অনুপমে বেছি আৰু ভাবিব পৰা নাছিল। কিজানি মায়াৰ এই সহজ, সৰল আৰু সাধাৰণ কথাবোৰৰ কোনো অন্তর্নিহিত অর্থ নাই।

কিন্তু আজি নিজৰ বুদ্ধি-বৃত্তিক ধিক্কাৰ দিলে অনুপমে। ধিক্কাৰ দি দি কৈ উঠিল—এই ভুল কেলৈ হ'বলৈ পালে—কেলৈ মায়াৰ ভাব-ভঙ্গীৰ পৰা সহজ সৰল কথাবোৰৰ সহজ, সৰল অর্থ ভাবিব নোৱাৰি তেওঁৰ অপেক্ষাত বৈ থকা এগৰাকী নাৰীৰ প্ৰধান অভিমানটো মৰিমূৰকৈ পেলাই তেওঁৰ অন্তৰ উদং কৰি দিলে! আজি অনুপমৰ প্ৰশ্ন কৰিবলৈ ইচ্ছা গ'ল মায়ালতাক, এই বুকু ভাঙি গলেও মুখ নোখোলা ছোৱালীৰ জাতটোক—কেলৈ তোমালোকে কথাবোৰ কিছু অন্ততঃ খুলি ক'ব নোৱাৰা? কিহৰ শঙ্কা বা লাজত তোমালোকে কথাবোৰ কিছু অন্ততঃ খুলি নকৈ নিজেও মৰা আৰু আনকো মৰিবলৈ দিয়া।

কিন্তু তাৰ পাছত অনুপম সষ্টম হৈ উঠিল।

নিজৰ মনতেই প্ৰশ্ন কৰিলে, যদি মায়ালতাই সোধে—কথাবোৰ আৰু কিমান খুলি ক'ব লাগিছিল, আৰু কিমান খুলি বুজাব লাগিছিল?

তাৰ উত্তৰ দিবলৈ অনুপমৰ কি আছে?

যিবোৰ সৰু সৰু কথাৰ অর্থ আজি বিৰাট বিৰাট হৈ পৰিছে সেইবোৰ আজি লাগতিয়াল হৈয়ো অলাগতিয়াল হৈ পৰিল।

অনুপম নিৰুপায়।

বিয়াৰ দিন-বাৰো ঠিক হৈ গৈছে। এতিয়া ওভোতায়েই বা কেনেকৈ? এই বিয়াত তুখন ঘৰৰ সন্মান, আত্মমর্য্যাদা নির্ভৰ কৰাৰ

ওপৰিও এগৰাকী কল্পনাৰ ৰঙীণ সপোন দেখি থকা ছোৱালীৰ অন্তৰৰ সুখ-দুখ নিৰ্ভৰ কৰিছে।

আনহাতে অনুপমৰ ভাব হ'ল, বিয়াৰ পাছত মায়ালতাৰ আগত তুয়ো গৈ যেতিয়া ঠিয় দিব গৈ, তেতিয়া হাঁহি মাৰি জানো মায়ালতাই কথাবোৰ সাধাৰণ ভাবে ল'ব পাৰিব! নিশা বিচনাত পৰি আকৌ এসোতা কান্দি নোলোৱাকৈ জানো শান্তিৰে শুব পাৰিব মায়ালতাই? নোৱাৰিবৰে কথা। নিজৰ হ'বলগীয়া আসনত চিৰজীৱনলৈ আন এজনীক প্ৰতিষ্ঠিতা দেখি মায়ালতাৰ অন্তৰত বৈ বৈ উঠা বেদনাই ভৱিষ্যতৰ জীৱনটোত শিঁহৰণ লগাই দি মুখৰ হাঁহি কমাই পেলোৱাটো অতি সাধাৰণ কথা। অৱশ্যে ইয়াৰ কাৰণে মায়ালতাই কাকো অভিশাপ নিদি, কাৰো অমঙ্গল চিন্তা নকৰি, নিজে নিজৰ বেদনাত ডেই-পুৰি মৰি, এদিন শান্ত ভাবেই আন এজনৰ সংসাৰত সোমাই পৰিব আৰু অতীতৰ কথাবোৰ সকলো পাহৰি যাব। কোনো এজনক মৌন ভাবে ভালপোৱাটো পাপ নহয়।

কিন্তু এই কেইদিন অনুপম মায়ালতাহঁতৰ ঘৰলৈ আহ্‌যাহ্ কৰিব কেনেকৈ? মায়ালতাৰ সেই মুখৰ পিনে চাব নোৱাৰা হোৱা মুখ। অনুপমে চাবই বা কেনেকৈ, অথচ যোৱাটো এৰিয়েই বা দিয়ে কেনেকৈ? এৰি দিলে মাকে বেয়া পাব, ভনীয়েকে ক'ব, নবৌ নাপাওতেই আমাৰ পিনে পিঠি দিয়া হ'ল। আৰু গলেও যদি মায়াৰ এই বেদনাভৰা হাব-ভাব মাকহঁতৰ চকুতো ধৰা পৰি যায়, যদি বেদনা সহ্য কৰিব নোৱাৰি কান্দি কান্দি মাকহঁতৰ আগত স্বীকাৰ কৰি পেলায় যে কিয় তোমালোকে অনুপমৰ আগত মোৰ কথা এদিনো মুলিয়ালা? মোৰ কাৰণে অনুপমতকৈ আৰু কিমান বেছি দৰা লাগে তোমালোকক!

মাকৰ অন্তৰে হয়তো অনুপমৰ বিয়াৰ উলহ-মালহৰ মাজত গোপনে এবাৰ কান্দি উঠিব। আজি এই উলহ-মালহ তেওঁলোকৰ

ঘৰতো লাগিলহেতেন বুলি ভাবি কিজানি মায়াক চকুৰ আগে আগে ৰাখি লক্ষ্য কৰি থাকি ভাবি যাব, এই বাপমৰীয়া ছোৱালী জনীৰ প্ৰধান আশাটো একেবাৰে ভাঙি গ'ল কেলৈ!

যদি এই কথাৰ কোনো কোনোৱে গম পায়, তেনেহলে দুই চাৰিজনে নিশ্চয় ক'ব—তইঁত দুখীয়া মানুহ। তইঁতৰ ঘৰৰ মালিকো মালিক নহয়, সোণো সোণ নহয়। অনাদৃত বনৰীয়া ফুলৰ দৰে তইঁত জয় পৰিয়েই যাবি।

নহয়—নহয়—সেয়া প্ৰকৃত কথা নহয়—প্ৰকৃত কথা নহয়।

ভাঙি দিব, ভাঙি দিব এই বিয়া। দুখন মনে মিলা অন্তৰ লগ হোৱাৰ অধিকাৰ মানুহৰ আছে। ঘৰৰ বান্ধোন ডাঙৰ নহয়, কথা দিয়া কথা ডাঙৰ নহয়। দুখন অন্তৰৰ কথা সবাতোকৈ ডাঙৰ। মানুহৰ মনে-পেটে খালে ধন-সোণ নালাগে।

সেই ভাবেৰেই অনুপমে ভুকুৱাই দি লৰাই দিলে মেজখন।

পানীৰ গিলাছটো কঁপনি খাই মেজৰ পৰা পকাত পৰি যাব ধৰিছিল। অনুপমে ধৰি পেলালে। পানীবোৰ কিছু পৰি নাইকীয়া হৈ গ'ল।

এৰা, সকলো ভাঙি যাব ধৰিছিল।

পকাৰ পানীবোৰলৈ লক্ষ্য কৰিলে অনুপমে। তাত পোহৰৰ খণ্ড খণ্ড প্ৰচ্ছায়া প্ৰতিফলিত হৈছে। চকুত পৰিছে। বেৰতো পৰিছে। পানী এচলীয়াৰ পিনে বৈয়ো যাব লাগিছে।

পৰি যাওক, ক্ষতি নাই। গিলাছটোতো বৈ গ'ল।

তাত আকৌ নতুনকৈ পানী ভৰাব পাৰিব। তাত আকৌ নতুন নতুন দৃশ্য প্ৰতিফলিত হ'ব পাৰিব। নিৰ্ম্মল পানী হলে তললৈ দেখা পোৱা যাব।

স্নেহ দেবী

ণ বসন্ত

"কি ভাবিছা ?"

"আপুনি এইমাত্র কোৱা কথাটোকে ; আন একো নহয়।"

"কি ?—"

"একেখন নৈৰে ঠায়ে ঠায়ে বেলেগ নাম হয়। এই খণ্ডৰ নাম গঙ্গাস্মৃতি। বৰ ভাল লাগে।"

"অ'। আৰু কি জানা—গঙ্গাৰ দৰেই পবিত্ৰ সৌ সিপাৰৰ গাঁৱৰ মানুহৰ মনবোৰ।"

"সঁচা ? বৰ ভাল লাগিছে মোৰ।"

বাটটো নিচেই ঠেক যদিও খৰালি গৰু গাড়ী এখন যাব পাৰে। দুয়ো হাতত ধৰাধৰিকৈ খোজ কাঢ়িছিল। ইন্দ্ৰ আৰু লতিকা। লতিকাৰ চেণ্ডেলৰ অলপ চোচোৰাই কৰা পাতল শব্দ—আৰু ইন্দ্ৰৰ জোতাৰ পুৰুষোচিত গহীন শব্দ। সময়টো সন্ধিয়া ; মাহ আহিন। সোঁফালে কুলু কুলুকৈ বৈ যোৱা গঙ্গাস্মৃতি ; বাওঁফালে পথাৰ। ঠায়ে ঠায়ে সেউজবুলীয়া, ঠায়ে ঠায়ে নতুন ৰোৱা বিলাক তাৰ মাজত কিছু বিসদৃশ।

দুয়োৰে কথাবোৰ যেন বতাহত কঁপা ধাননিৰ জিৰ জিৰ শব্দ আৰু গঙ্গাস্মৃতিৰ কুলু ধ্বনিৰ মাজত মিলি গৈছিল। দূৰৈৰ পাহাৰৰ ওপৰেদি উৰি যোৱা চৰাইজাকত চকু থৈ লতিকা থমকি পৰিল। ইন্দ্ৰই সুধিলে—

"কি হ'ল ? ঘূৰিবা ?"

"মই চৰাই চাইছোঁ, ৰ'ব। চকচোন কিমান ধুনীয়া।"

ইন্দ্ৰই চালে, যিমান মনোযোগ দিব লাগে, তাতকৈ অধিক আগ্ৰহ দেখুৱাই।

"ভাগৰ লাগিছে লতি ?"

"ভাগৰ ? নাই লগা তেনেকৈ। কিমান আহিলো বাৰু ?"

"প্ৰায় ছুমাইল।"

"ছুমাইল ! আজিলৈ তেন্তে ঘূৰোঁ।"

"বলা।"

ঘৰ পাই—বন্ধ দুৱাৰত ওলমি থকা তলাটো খুলি লতিকাই ক'লে, "আজি বহুত ফুৰা হ'ল।"

"এৰা, ভ্ৰমণ পৰ্ব্ব শেষ হল। ভাগৰো লাগিছে। এতিয়া ভোজন, তাৰ পিচত শয়ন।"

"তাৰ আগতে হ'ব লাগিব ৰন্ধন,—" বুলি লতিকাই মৰম লগাকৈ হাঁহি লেম্পটো জলালে।

পাহাৰৰ গাতে লাগি থকা সৰু চহৰৰ নিচিনা ঠাইখন। মানুহৰ বসতি পাতল। প্ৰথমতে আহি লতিকাৰ, হাবিত সোমোৱা যেন লাগিছিল; পিচত ঠাই ডোখৰৰ প্ৰাকৃতিক সৌন্দৰ্য্যত মুগ্ধ হ'ল। ইন্দ্ৰৰ বাবে ঠাইখন একেবাৰে অচিনাকি নাছিল। ইয়াৰ ফৰেষ্ট অফিচত কাম পোৱাৰ কেইবা বছৰবো আগতে তেওঁ গঙ্গাসুঁতিৰ সিপাৰৰ গাওঁখনত কিছুদিন থাকিব লগা হৈছিল—তাত নতুনকৈ হোৱা এম, ভি, স্কুলখনৰ শিক্ষকতা কৰি। এবছৰমান পিচত ভাল নলগাত তেওঁ কাম এৰি দি গুচি গৈছিল। পুনৰ ভাগ্যৰ ফেৰত এই ঠাইলৈকে বদলি হৈ আহিব লগা হ'ল, অৱশ্যে নৈৰ এই পাৰৰ এই অফিচলৈ।

সেইদিনা ৰাতি খাই বৈ উঠাৰ পিচত দুয়ো বাৰান্দাত বহিল।

ই সি কথাৰ পৰা আকৌ ওলাল গঙ্গাস্নঁতিৰ কথা। লতিকাই সুধিলে, "সেই গাওঁখনৰ মানুহবোৰ এইপাৰে নাহে নেকি?"

"কিয় সুধিলা?"

"চাবৰ মন যায়। অথনি আপুনি কৈছিল সিহঁতৰ মনবোৰ গঙ্গাৰ দৰে পবিত্ৰ। সেই কথাষাৰ মনত পৰি আছে।"

"সঁচাকৈয়ে, আচৰিত ধৰণৰ সৰল সিহঁত।"

"আপুনি গাৱঁৰ ভিতৰলৈ গৈছে?"

"ওহোঁ। কিন্তু মই জানো। এজনী ছোৱালীৰ কথা শুনিলেযে তুমি আচাৰত নহৈ নোৱাৰা। বুজি পাবা, পাপলৈ সিহঁতে কিমান ভয় কৰে।—"

"আপুনি তাইক চিনি পায়?"

"মই? মই—চিনি নাপাওঁ; কিন্তু মোৰ অন্তৰঙ্গ বন্ধু এজনৰ নিজৰ কথা।—"

"কওকচোন, কওক।"

লতিকাৰ অনুৰোধত ইন্দ্ৰই কৈ গ'ল—কেনেকৈ তেওঁৰ বন্ধুজনৰ লগত চিনাকি হৈছিল গাৱঁৰ এজনী ছোৱালীৰ, ছোৱালীজনীয়ে সদায় গাখীৰ বেচিবলৈ আনে। তাইৰ গাৰ ৰং তেজী বগা। নাক মুখ সিমান ধুনীয়া নহয়, কিন্তু গাৰ ৰবণে সকলো পুৰাই পেলাইছিল। গাখীৰৰ জগটো হাতত ওলোমাই লৈ কলৈকো নোচোৱাকৈ তাই আহি থাকে। দুই তিনি ঘৰত গাখীৰ দি উঠি কেতিয়াবা বাটতে গছৰ তলত বহি মেখেলাৰ পাতলিৰ বনগুটি গুচাই লোৱাৰ চলেৰে অকণ জিৰাই লয়। কেতিয়াবা তাই সেউজীয়া সক মোনা এটাত ভৰাই কণীও বেচিবলৈ আনে।

বহুদিন দেখি দেখি মানুহজনৰ তাইৰ লগত পৰিচিত হ'বৰ মন গ'ল। এদিন সুযোগ চাই কণী লবলৈ তাইক মাতিলে। দাম দৰ কৰি পলম কৰাৰ উদ্দেশ্যেই সুধিলে, "কণী টকাত কেইটা?" তাই উত্তৰ দিলে "আঠোটা, বাবু!"

"আঠোটা হে? দহোটাকৈ দিলে লম।"

"মাহীক নোসোধাকৈ ক'ব নোৱাৰো বাবু।"

"বাৰু তেন্তে সুধি কাইলৈ আনিবা। দহোটাকৈ নিদিলেও তুমি আনিবা; মই আনৰ পৰা নলওঁ।"

"বাৰু।" বুলি তাই হাতৰ খালি জগটো আৰু কণীৰ মোনাটো সাৱধানে হাতত লৈ পিচলৈ নোচোৱাকৈ খোজ দিলে।

পিচদিনা তাই আহিল।

"বাবু!"

"অ' তুমি আহিছা!" তেওঁ ভিতৰৰ পৰা ওলাই আহিল। তাই কলে, "নিয়ক বাবু; মাহীয়ে কৈছে, দহোটাকৈ দিলে ভাওটো বেয়া হৈ যাব নহয়; পিচে আপোনাক নটাকৈ দিবলৈ কৈছে। বেয়া নাপাব। মাহীয়ে কৈ পঠাইছে।"

কথাটো এনে হ'ব বুলি তেওঁ ভবা নাছিল। মনলৈ অকণমান আক্ষেপ আহিল। কলে, "বাৰু, তুমি আঠোটাকৈয়ে মোকো দি যোৱা, নটা নালাগে। সঁচাকৈয়ে ভাওটো বেয়া হৈ যাব, মই বুজিছোঁ।"

"আপুনি বেয়া পাইছে বাবু।"

"নাই—নাই, কিয় বেয়া পাম। মই অকণো বেয়া পোৱা নাই।"

তাই কিন্তু সেইদিনা নটা কণী দিলে, ক'লে—"মাহীয়ে দিবলৈ কৈছে নহয়, আজি এদিন আৰু এটা ৰাখক।"

তেওঁ ভাবি চাইছিল দৈনিক এটকাৰ কণী লোৱাটো সম্ভৱ নহয়, প্ৰয়োজনো নাই। সেইবাবে সেই দিনাই তেওঁ গাধীৰো তাইৰ পৰাই লোৱাৰ বন্দবস্তটো কৰি পেলালে। যাবৰ সময়ত তেওঁ সুধিলে, "তোমাৰ নামটো কি?" তাইৰ বাবে আচহুৱা প্ৰশ্নটো শুনি মূৰ দাঙি তেওঁৰ চকুলৈ চাই ক'লে, "মোৰ নাম চম্‌ফা"। তেওঁ মনে মনে উচ্চাৰণ কৰিলে—"চমফা—চমফা—। অৰ্থাৎ চম্পা। সঁচাকৈয়ে চম্পক বৰণী—"

দিন যাবলৈ ধৰিলে, সদায় দেখা হয়। ইতিমধ্যে এজনে বহুত কল্পনা কৰিলে, বহুত আঁচনি কৰিলে। কিন্তু চম্পা, চম্ফাই। নিয়ৰত তিতা ফুলৰ দৰেই। ইজনৰ মনলৈ এই ভাব নাছিল যে চম্ফাই তেওঁৰ মনৰ কথা নাজানে বা নাজানিব পাৰে। চম্পাক মনৰ কথা জনাবলৈ তেওঁ সুযোগ বিচাৰি আছিল। কেতিয়াবা কম বুলি ভাবিও, কথাটো শুনি তাই কেনে পাব নাইবা আপত্তি কৰাৰ আশঙ্কাত তেওঁ ক'ব পৰা নাছিল। কিন্তু এদিন তেওঁ কৈ পেলালে।

সেইদিনা কিন্‌কিন্‌কৈ বৰষুণ দিছিল। চম্ফাই গাধীৰ লৈ সোমোৱাৰ লগে লগে বৰষুণ অলপ বেছি হ'ল। তেওঁ কলে, "বহ্ চম্ফা, বহি ল অলপ।" পিচলৈ তাইক তেওঁ 'তুমি' এৰি 'তই' বুলিবলৈ লৈছিল। 'তই' বুলিলেহে যেন বেছি আপোন আপোন লাগে।

"এতিয়া গলে একেবাৰেই তিতিবি।"

"সেই কাৰণেহে মই ঢাকনি থকা বাচনত সদায় গাধীৰ আনোঁ।"

"কি কাৰণে?"

"বৰষুণ পৰিলে গাখীৰ পনীয়া হৈ যাব কাৰণে।" "কিন্তু তইযে তিতিবি?" চমফাই হাঁহি দিলে খিলখিলকৈ—"কি হ'ব? মোৰ গাটো গলিব নেকি?" তাইৰ কথাত তেওঁ অবাক হৈ ভাবিলে, ৰ'দ বৰষুণৰ পৰা নিজৰ মূৰ ৰক্ষা কৰা কথাটো ইহঁতৰ বাবে ভাবিব লগা কথা:নহয়। ইমান সৰল ইহঁত, ইমান খাঁটি! আনদিনাতকৈও বেছিকৈ তাইলৈ মৰম লাগিল।

তাই কিন্তু তেওঁৰ কথা ৰাখি অকণমান বহিল।—তেওঁ এবাৰ কৈ পেলালে—"চম্ফা! মই তোক বিয়া কৰাম।" তাই নিঃসঙ্কোচে চকুলৈ চাই সুধিলে, "কেতিয়া?" তাইৰ দৃঢ় বিশ্বাসৰ চাৱনি আৰু 'কেতিয়া' শব্দটোৱে তেওঁক নিমাত কৰিলে। ক্ষন্তেক ৰৈ কলে, "কেতিয়া কৰাওঁ সেইটো ঠিক কৰা নাই। তোৰ আপত্তি

আছে নেকি ?” “নাই।” “মোক জানো তোৰ পছন্দ হৈছে ? ভাল পাৱ ?”

“অঁ, পাওঁতো।”……

চম্‌ফা যোৱাৰ পিচতো কথাটো বহুবাৰ বহুভাবে তেওঁ ভাবিলে। হঠাতে কি হৈ গ’ল ; ইমান সহজে, আন কোনোবাই কাহানিবা এইবিলাক কথা আলোচনা কৰিছেনে ? ভাল হ’ল জানো ? তেওঁ আকৌ ভাবিলে—বেয়ানো কিয় হ’ব ? তাই নিজ মুখে কৈছে তাই ভাল পায় ; তেওঁৰ নিজৰতো তাইক ভাল লাগিছেই—, তেন্তে বাধা কি ? বাধা নাই। মানুহে জীৱনত শান্তি বিচাৰে। চম্‌ফাৰ দৰে, ফুলৰ নিচিনা পবিত্ৰ—সৰলা এজনী ছোৱালীক আপোন কৰি লোৱাতে যদি শান্তি নাই, তেন্তে আছে ক’ত ?

দুদিনমান পাৰ হ’ল। সেইদিনা আবেলিৰ পৰা নেৰানেপেৰা বৰষুণ, লগতে বতাহো। পিচদিনা দুপৰীয়ালৈকেও কলহৰ কাণে পানী পৰি আছে। চম্‌ফা গাখীৰ লৈ নাহিল। বৰষুণৰ অজুহাত দেখুৱাই অলপ বহুৱাই কথা পাতিব পাৰিব বুলি কৰা আশা মনতে মাৰ গ’ল।

আবেলিও পাৰ হৈ যাওঁ যাওঁ। এনে সময়তে তাই ওলালহি। “বাবু, গাখীৰ— ।”

“পুৱা নাহিলি কেলেই ?”

“কালি বৰষুণৰ বাবে গৰু-পোৱালি ভালকৈ বন্ধা নহল। পোৱালিয়ে গাখীৰ পীলে। এইবেলাহে খীৰাইছো।” গাখীৰ দিয়ে তাই যাবলৈ ওলাল। তেওঁ কলে, “বহ। চাচোন সোটো ক’লা ডাৱৰ। এতিয়াই এজাক—এয়া আহিলেই। এইজাক মূৰত লৈয়ে যাবনে ?” “একো নহয়।” “মোৰ কথা তই অকণো নুশুন চম্‌ফা।” তাই তেওঁৰ মুখলৈ চাই কলে, “বাৰু, বহিছোঁ।”

জৰজৰাই বৰষুণ পৰিল। বাৰান্দাত এচাৰকনিয়ে তিয়াই দিলে। তেওঁ কলে—“বল, ভিতৰত বহোঁগৈ।” তাই উঠিল।

ভিতৰত আন্ধাৰ হৈছিল। তেওঁ লেম্পটো জ্বলাই দিলে। খিড়িকীখন বন্ধ কৰি দিলে। তাইক হাতত ধৰি বহুৱাই দিবৰ মন গ'ল। তেওঁ হাতখন মেলি দিলে, কিন্তু চম্‌ফা পিচ হুহকি গ'ল; "কি হ'ল চম্‌ফা?"

"তুমি মোক নুচুবা।"

"কিয়?"

"আমাৰ বিয়া হোৱা নাই নহয় এতিয়াও।"

"হাতখনত ধৰিবও নাপায়?"

"ওহোঁ, নাপায়। পাপ হ'ব।"

"কোনে কৈছে?"

"মই জানো। সেইটো আমাৰ নিয়মেই।"

তেওঁ নীৰৱে ৰ'ল। সিহঁতৰ নিয়ম, আৰু বা কিমান নিয়ম আছে। তেওঁ চিনি পাই মাত্ৰ চম্‌ফাক। কিন্তু চিনি নাপায় সিহঁতৰ সমাজখনক, সমাজৰ নিয়মক, তাইৰ মাহীয়েকক। তথাপিও তাইৰ মতটোযে ভুল এইকথা তাইক বুজাই দিব খুজি ক'লে। "চম্‌ফা! আমি দুয়ো দুয়োকে ভাল পাওঁ; মই তোক বিয়া কৰাম। তেনেস্থলত মই তোৰ হাতখনত ধৰিলে কি পাপ হ'ব? তই এদিন মোৰেই হবি। তেন্তে আপত্তি—"

"তথাপিও নাপায়। আটায়ে পাপ বুলি ক'ব।"

"আন মানুহ ইয়াত কোনোৱেই নাই—কোনে দেখিব?" "পাপ লুকাই নাথাকে নহয়, ওলাবই—" তাই লেম্পটো দেখুৱাই ক'লে, "এয়া জুই আছে, জুই ব্ৰহ্মা, তেওঁ দেখিব"—মেজৰ ওপৰৰ পানীৰ গিলাচটো দেখুৱাই কলে, "সোৱা পানী আছে, পানীয়ে দোখব।"

"বেচ" তেওঁ যেন কাৰোবাৰ লগত যুদ্ধৰ বাবেহে সাজু হৈছে; গিলাচৰ পানীখিনি বাহিৰলৈ পেলাই দিলে; লেম্পটো নুমাই দিলে।

"এতিয়া, চম্‌ফা এতিয়া?" তাই আগৰ দৰেই শান্ত; দৃঢ় প্ৰত্যয়ৰ ভাবেৰে ক'লে, "এতিয়াও আছে। বতাহ আছে, বতাহে

দেখিব।—অ’ মই যাওঁ দেই বাবু। ৰৰষুণ কমিছে, সৌৱা সেনাপতি ককা মাছ মাৰি উলটিছে। ৰ’বা ককা— ।”

তাই লৰ মাৰিলে। তেওঁ আন্ধাৰ কোঠাটোতে কিছু পৰলৈ কিংকৰ্ত্তব্যবিমূঢ় হৈ বহি থাকিল।...

ইমানলৈকে কৈ ইন্দ্ৰ নীৰব হ’ল। লতিকাই সুধিলে, “তাৰ পিচত? চম্পা এতিয়া ক’ত আছে?”

“চম্পা? গাৱঁতে থাকিব পায়।”

“এইখন গাৱঁতে? কেলেই, তাইৰ বিয়া হোৱা নাই?”

“সেইজন মানুহৰ লগত নহল।”

“কেলেই? আপোনাৰ সেই বন্ধুজননো এতিয়া ক’ত আছে?”

“তেওঁ—তেওঁ ঢুকাল লতিকা।”

“ঢুকাল! কেতিয়া?”

“ভালেমান দিন হ’ল। বলা, বহুত নিশা হ’ল, ভিতৰলৈ যাওঁ।”

“বলক।—সঁচাকৈ বৰ বেয়া লাগিল কথাটো শুনি মোৰ। চম্পাক হলে নেদেখিও দেখা যেন লাগি গৈছে।”

“তুমি বৰ ভাবপ্ৰবণ” বুলি কৈ ইন্দ্ৰই হাঁহিবৰ চেষ্টা কৰিলে, লতিকাৰ মন ভাল লগাবলৈকে।

চাওঁতে চাওঁতে দিন মাহবোৰ বাগৰি গৈ থাকিল। লতিকাহঁত একে ঠাইতে থকা দু বছৰ হৈ গ’ল। এই দুবছৰে বহুত বাৰ গঙ্গা-সুঁতিৰ পাৰেদি ফুৰিবলৈ গৈছে; প্ৰতিবাৰেই লতিকাৰ মনত পৰিছে চম্‌ফালৈ। এহাতে গাখীৰৰ পাত্ৰ আৰু আনহাতে সেউজীয়া মোনাটোত কণী ভৰাই লৈ যেন তাই নৈৰ দাঁতিয়ে দাঁতিয়ে আগবাঢ়ি আহি আছে। এড়িয়াৰ মেখেলাৰ খহটা পাতলিৰ তলেদি, তাইৰ হাঁহ কণী যেন ভৰিৰ গোৰোহা দুটা পৰ্য্যন্ত যেন লতিকাই দেখা পাব।... ইন্দ্ৰ ঘৰত নথকা সময়খিনিত লতিকাৰ কেতিয়াবা বৰ নিঃসঙ্গ লাগে। তেতিয়া ভাব হয় যেন গঙ্গাসুঁতি পাৰ হৈ সেই

গাওঁখনলৈ গুচি যাব। যিখন গাৱঁত চম্‌ফা আছে, আৰু তাইৰ নিচিনা হয়তো বহুত সৰল মানুহ আছে। সিহঁতৰ লগত বন্ধুত্ব পাতিব; কিন্তু ইন্দ্ৰক লগ পালেই সকলো কল্পনা পাহৰি পেলায় তেওঁ।

আৰু কেইটামান মাহ পাৰ হ'ল। ফাগুনতে সেইবাৰ যথেষ্ট গৰম পৰিল। বৰষুণ নাই—বতাহো নবলিল। চাৰিউফালে এটা শুকান শুকান ভাব। সেইদিনা আবেলি চাহ খাওঁতে কথাই কথাই ইন্দ্ৰৰ মুখত লতিকাই শুনিলে, ওচৰে-পাজৰে বসন্ত ৰোগ আৰম্ভ হৈছে। কেইবাটাও ল'ৰা-ছোৱালী ইতিমধ্যে মৰিছেও; অথচ ছিটা লবলৈ মানুহবিলাকৰ সদায় আপত্তি। আজি-কালিতে গ্ৰামসেৱকৰ দল এটাও অহাৰ কথা আছে; মানুহবিলাকক সেই বিষয়ে বুজাবহি।

পিচদিনা গ্ৰামসেৱকৰ দলটো পালেহি। এগৰাকী মহিলাও আছিল। তেখেতৰ থকাৰ ব্যৱস্থা ইন্দ্ৰহঁতৰ ঘৰতে কৰা হ'ল। লতিকা আনন্দ বিস্ময়ত আপ্লুত হৈ পৰিল, যেতিয়া দেখিলে সেই গৰাকী তেওঁৰে সম্বন্ধীয়া বাইদেৱেক—সৰলা। বহুত দিনৰ মূৰত এনেকৈ দেখা হ'ব বুলি কোনেও ভবা নাছিল। লতিকাই হাঁহি হাঁহি ইন্দ্ৰৰ লগত চিনাকি কৰাই দিলে। তাৰ পিচত চিঠি-পত্ৰ এখনৰো আদান প্ৰদান নথকা বাবে দুয়ো পক্ষৰ পৰা অনুযোগ উঠিল। শেষত সৰলাই ক'লে—"কোনো এটা বিশেষ বয়সৰ কথা বাদ দিলে, চিঠি লিখাৰ সমান আপদীয়া কাম নাই। কি কৱ লতি?"

কেতিয়াও নেদেখা লতিকাৰ বায়েকৰ আগত ইন্দ্ৰৰ প্ৰথমে অলপ সঙ্কোচৰ ভাব আহিছিল; কিন্তু তেওঁৰ খোলা ব্যৱহাৰত সহজ হৈ পৰিল। সেই নিশা মুকলি মনেৰে ৰং-ধেমালি কৰি খোৱা-বোৱা কৰা হ'ল।

পিচদিনা পুৱা গ্ৰামসেৱকৰ দলটো কোনোবা এখন গাৱঁলৈ গ'ল। গধূলি ঘূৰি অহাৰ পিচত লতিকাই সৰলাক চাহ-তাহ খুউৱাৰ

পিচত কথা পাতিবলৈ বহিল। তেওঁবিলাকে গাঁৱত গৈ কি কৰিলে সেই বিষয়েই কথা হ'ল। কথা পাতি থাকোঁতে থাকোঁতে বহুত সময় পাৰ হৈ যায়।

লতিকাৰ ইচ্ছা হয়—সবলাৰ লগতে তেৱোঁ এদিন যায় গাওঁ চাবলৈ। কিন্তু ঘৰুৱা লেঠাৰ বাবে সুবিধা নহয়। দুদিন পিচত। সেইদিনা আবেলি সবলাহঁত তাৰ পৰা যাবগৈ। ইন্দ্ৰও অফিচৰ কামত পুৱাই সেইদিনা সদৰলৈ যাব লগা হ'ল। গধূলিহে পাবহি। লতিকাই সবলাক ক'লে, "বাইদেউ! ময়ো আজি তোমালোকৰ কাম চাবলৈ যাম!"

"হয়নেকি? কিন্তু—"

"কিন্তু নহয়। আজি তেখেত ঘৰত নাই, খোৱা-বোৱাৰ লেঠাও আজি মৰিলেই দেখোন। গতিকে মই ঘৰত বহি থকাতকৈ—"

"ইন্দ্ৰই বেয়া পায় কিজানি—?"

লতিকাই হাঁহি কলে, "নাপায়। তেখেত তেনেকুৱা মানুহ নহয়।" "বল তেন্তে! আজি আমি সোনকালেই ঘূৰিমেই। এই সৰু নৈখন পাৰ হৈ ওচৰৰ গাওঁখনলৈহে যাম।"

এই গাওঁখনলৈ আহিবলৈ লতিকাৰ অন্তৰত এটা হেপাহ আছিল বুলি নিজেই আগতে বুজা নাছিল। গাওঁখন সৰু। ঘৰবোৰো সৰু সৰু। কিন্তু পৰিষ্কাৰ। চোতালৰ আগলৈকে সৰা-মোচা। কিন্তু গাঁৱৰ মানুহৰ মুখবোৰ বিষন্ন। কাৰণ প্ৰায় প্ৰতি ঘৰতে বসন্তই দেখা দিছে। ল'ৰা-ছোৱালীৰ বাদেও বয়সীয়া মানুহো কেইজনমান হানি হৈছে।

সবলাহঁতে প্ৰতি ঘৰতে খবৰ লৈছিল। ঘৰৰ গৃহস্থৰ লগত কথা পাতিছিল। প্ৰয়োজনীয় উপদেশ দিছিল। কেইঘৰমান ফুৰাৰ পিচত এটা নিচেই সৰু ঘৰৰ ফালে তেওঁবিলাক আগবাঢ়ি গ'ল। দুৱাৰ-মুখত এজনী বুঢ়ী মানুহ বহি আছিল। সবলায়ে সুধিলে, "এইটো কাৰ ঘৰ? গৃহস্থ কেনি আছে?"

বুঢ়ীয়ে কলে, "নাই, নাই। ইয়াত গৃহস্থ বুলিবলৈ কোনো নাই। ইয়াত চম্‌ফাহে থাকে। মাহীয়েকজনী যিওবা আছিল— দুমাহৰ আগতে ঢুকাল। এইবো তেনেই যোৱা-থোৱা অৱস্থা। কালি ডাক্তৰেও চাই গৈছেহি।"

'চম্‌ফা' নামটো লতিকাৰ কাণত পৰাত চিনাকি চিনাকি লাগিল। মনত পৰিল, ইন্দ্ৰই কৈছিল চম্‌ফা নামৰ এজনী অতি সবল অথচ অসাধাৰণ ছোৱালীৰ কথা। লতিকাৰ ইচ্ছা হ'ল এইজনীনো কেনে চম্‌ফা এবাৰ ভিতৰলৈ গৈ চাই আহে।

ইতিমধ্যে কোনে কি কথা পাতিছিল লতিকাই বৰকৈ কাণ নকৰিলে। সৰলাৰ মাতত্তহে চমক ভাগিল, তেওঁবিলাক আন এঘৰলৈ যাবলৈ ওলাইছে। লতিকাই কলে, "বাইদেউ! মোৰ ভাগৰ লাগিছে। ইয়াতে বহোঁ। তোমালোক ঘূৰি আহাগৈ।"

"সেয়া! মই আগতেই বুজিছিলোঁ। তইহে—" বাধা দি লতিকাই কলে, "কি হ'লনো পিচে?" বুঢ়ীৰ মুখলৈ চাই ক'লে— "মই ইয়াতে বহোঁ দেই?—" বুঢ়ীয়ে আথেবেথে কলে "বহক, বহক আই! মই কিবা এখন পাৰি দিওঁ, ৰ'ব।"

বুঢ়ীৰ লগত দুই চাৰিষাৰ কথা পাতিয়েই লতিকাই বুজিব পাৰিলে, বুঢ়ী চম্‌ফাৰ কোনো নহয়। কেও কিছু নোহোৱা ছোৱালীজনীৰ দিনত খবৰ লৈ থাকেহি মাথোন। আটাইবে ঘৰে ঘৰে বিপদ। সেইদেখি সকলো সময়তে আনে খবৰ লবহি নোৱাৰে। গ্ৰহণী বেমাৰত চম্‌ফাৰ মাহীয়েক ঢুকাল; তাৰ পিচত বসন্ত হৈ চম্‌ফাৰ হাত এখন কোঙা হ'ল। আই চৰমিল, জীৱটো আছে, কিন্তু এতিয়া চকুৰে ভালকৈ মনিব নোৱাৰা হ'ল; তাৰ লগে লগে আন বেমাৰেও লগ লৈছে। অৱস্থা বৰ বেয়া।

লতিকাই ভিতৰলৈ গৈ চম্‌ফাক চাব খুজিলে। বুঢ়ীয়ে ক'লে, "ব'লা আই—।"

চম্পাৰ হয়তো তন্দ্ৰাৰ ভাব হৈছিল, নাইবা বেমাৰৰ বাবে

অৰ্দ্ধ-চেতনৰ দৰে পৰি আছিল—, লতিকাই বুজিব নোৱাৰিলে; মাটিত মলিয়ন কাপোৰৰ বিচনা এখনত পৰি আছে যেন এটা কঙ্কাল! মুখৰ চেহেৰা বা বং সহজে ধৰিব নোৱাৰি। কিলাকুটি-লৈকে ওলাই থকা দুয়োখন হাত আৰু গোটেই মুখখন বসন্তৰ দাগেৰে বিকৃত। তাৰ মাজে মাজে যিকণ দেখা যায়, কাগজৰ দৰে শেতা বগা। মানুহজনীৰ বয়স অনুমান কৰিব নোৱাৰি।

লতিকাই ভাবিছিল—স্বাস্থ্য আৰু যৌৱন থকা অৱস্থাত এই জনীয়েই সেই ইন্দ্ৰৰ মুখত শুনা, সাধুকথা যেন লগা 'চম্ফা' জনী হব নোৱাৰিবৰ কাৰণ নাই।

চম্ফাৰ কপালত বিন্দু বিন্দু ঘাম দেখা দিছিল। লতিকাই ওচৰ চাপি গৈ কপালত হাতখন থলে। বুঢ়ীয়ে আচৰিত হৈ মাথোন ৰ লাগি লতিকাৰ মুখলৈ চাই চালে। তাৰ পিচত ক'লে, "বলা আই! বহিবাগৈ।"

"নহয় বুঢ়ী আই! মই এওঁৰ শুবিতে থাকো চোন। ঘামিছে; অকণমান বিচি দিওঁ, বিচনি এখন পোৱা হলে—" বুঢ়ীয়ে নিৰুপায় ভাবে ইফালে সিফালে চাই ক'লে, "এঃ বিহুৰ আগতে বিচনি লব নাপায় নহয়—আৰু'—" "অ'—মই পাহৰিছিলোৱেই। বাৰু।" বুলি লতিকাই হাতত থকা ৰুমাল খনেৰেই লাহে লাহে চম্ফাৰ মূৰত বতাহ দিলে। বুঢ়ীয়ে চহৰৰ পৰা অহা এই আচৰিত ছোৱালীজনীৰ গতি-গোত্ৰ বুজিব নোৱাৰিলে; কিন্তু পেটে পেটে ভালো পালে। এই ছোৱালীজনীকে বেমাৰীৰ ওচৰত বহুৱাই থৈ পাকমাৰি ঘৰৰ পৰা আহিবগৈ পাৰিব। ক'লে, "তুমি তেন্তে খন্তেক বহা আই! মই সাউতকৰে ঘৰৰ পৰা আহোঁ, নাতি কেইটা ক'ত বা পঙ্‌পঙাই ফুৰিছে এবাৰ চাই আহোঁ।"

"বাৰু, যাওক বুঢ়ী আই।"

বুঢ়ী যোৱাৰ পিচত লতিকাই ঘৰখনৰ চাৰিউফালে চকু ফুৰালে। সকলোতে দৰিদ্ৰতাই বিৰাজ কৰিছে। সামান্য লাম-লাকটুৰ

বাহিৰে আন বস্তু নাই। ফটা আৰু মলিয়ন কাপোৰ কেইডোখৰ মান বেৰত ওলমি আছে। আৰু সৰু ডাঙৰ তিনিটা এলুমিনিয়ামৰ জগ এঠাইত আঁৰা আছে। ধোঁৱা লাগি ক'লা পৰি গৈছে। বহুদিন হয়তো তাতে তেনেকৈয়ে আঁৰি থৈছে।

লতিকাই ভাবিলে—তেওঁৰ ভুল হোৱা নাই। এইকেইটা জগ এদিন নিশ্চয় ব্যৱহাৰ কৰিছিল, গাখীৰ থৈছিল। ইয়াৰে এটাত গাখীৰ লৈ এজনী চম্পক বৰণী ছোৱালীয়ে গাখীৰ বেচিছিলগৈ।...

লতিকাৰ এটা হুমুনিয়াহ ওলাল। লগে লগে ৰোগীণিৰ মুখলৈ চালে। গভীৰ অনুকম্পাৰে কপালখন মোহাৰি দিবলৈ ধৰিলে।

সামান্য লৰচৰ কৰাৰ লগে লগে ৰোগীণিয়ে এবাৰ দীঘলকৈ উশাহ ললে, তাৰ পিচত অতি ক্ষীণ কণ্ঠে সুধিলে, "কোন?" লতিকাই বিচনাৰ ভেকুৰা গোন্ধটোলৈ আওকাণ কৰি—অলপ হাউলি গৈ কলে, "মই।"

"মাহী নেকি? মোক ই-মান মৰম কোনে কৰিব নহলে!"

"নহয়। মই চহৰৰ পৰা অহা মানুহ। তোমাৰ গা কেনে পাইছা?"

ৰোগীণিয়ে কপালখন কোচাই শূন্য দৃষ্টি ঘৰৰ চালত থৈ ধীৰে ধীৰে ক'লে, "চহৰৰ পৰা? কেলেই? গাৱঁৰ মানুহ কোনোৱেই নাইনেকি?"

লতিকাই লৰালৰিকৈ ক'লে, "আছে, আছে; বুঢ়ী আই ইয়াতে বহি আছিল। এই মাত্ৰ ঘৰৰ পৰা আহিবলৈ গৈছে। তোমাৰ গা কেনে পাইছা কোৱা?—" তেওঁ চম্‌ফাৰ আউল লগা চুলিত আঙুলি বুলাই দিলে। কপালখন মোহাৰি দিলে, কুম কেইটা পিটিকি দিলে।

ৰোগীণিৰ বুকুখন বৰকৈ উঠানমা কৰিছিল। উশাহটো জোৰেৰে লৈছিল। লতিকাই সুধিলে, "পানী খাবা?" "—উঁ—" বুলি অতি ক্ষীণকৈ কোৱাত তেওঁ ওচৰতে থকা লোটাৰ পৰা বাতিত বাকি অকণ অকণকৈ পানী খুৱাই দিলে।

অলপ পিচত চম্‌ফাই অতি লাহে লাহে বৈ বৈ ক'বলৈ ধৰিলে,

"তোমাক মই দেখা নাই। তুমি যেয়ে নোহোৱা, ৰব আপোন যেন লাগিছে। মোৰ মনৰ কথা অতদিনে কাকো কোৱা নাই—কিন্তু মই আৰু নাৰাচোঁ। মৰণৰ বেলিকা তোমাৰ আগত কৈ যাওঁ—, সংসাৰত মোৰ আপোন কোনো নাই। ইন্দ্ৰবাবুৱে মোক বিয়া কৰাম বুলিছিল আজি দহ বছৰৰ আগতে।—"

"কোনে? কোনে?—" ধৰক্ ধৰক্ কৈ কঁপি উঠা বুকুখন এহাতে হেচি ধৰি লতিকাই প্ৰায় চিঞৰি দিয়ে! "কোনে—আকৌ এবাৰ কোৱা!"

"ইন্দ্ৰবাবুৱে—" লতিকাৰ অন্তৰৰ মাজত তেতিয়া ভূমিকম্প হৈছিল। প্ৰথমবাৰ শুনোতে ভাবিছিল শুনাৰ ভুল;—শিলৰ মূৰ্ত্তিৰ দৰে লতিকা বহি ৰ'ল। চম্‌ফাই আকৌ কলে, "তুমি নমতা হলা দেখোন? ইন্দ্ৰবাবুক তুমি চিনি পোৱানে?"

"পাওঁ।" এইবাৰ লতিকাই উত্তৰ দিলে।

"ভালকৈ চিনি পোৱা?—"

"অঁ—" তেওঁ নিজক প্ৰাণপণে সংযত কৰিছিল।

"ইন্দ্ৰবাবুক ক'ৰবাত লগ পালে তুমি ক'বা—বুলি চমফাই তেওঁলৈ সদায় বাট চাই আছিল। থাকি থাকি মৰিবলৈ ওলাইছে। এই পুৰীত নহল, সি পুৰীত যেন ইমান বেলি নকৰে।"

অলপ বৈ সংযত ধীৰে কণ্ঠে লতিকাই ক'লে, "তেওঁক চাবৰ মন কৰা নেকি?"

"ইন্দ্ৰবাবুক? নাই, নাই—; কি চাম? চকুৰেতো ভালকৈ নেদেখো, নালাগে; সেই তেতিয়াই দেখা মোৰ মনত আছেই।"

"তথাপিও—তেওঁ যদি তোমাক চাব খোজে, মাতি আনিম?"

"নাই—নানিবা।" তাৰ পিচত নিজৰ হাতখন চকুৰ আগলৈ দাঙি আনি নিজকে কোৱাদি ক'লে, "এদিন এই হাতখন তেওঁ ধৰিব খুজিছিল, এতিয়া এইখন কদাকাৰ হৈ গৈছে।—নাই। তেওঁ আহিব নালাগে, নালাগে!—" সেহাই সেহাই কষ্টেৰে ৰোগীণিয়ে কথা কৈছিল।

লতিকা নীৰৱ। গোটেই ঘৰটো যেন ঘূৰিব লাগিছে। ক'ৰবাৰ প্ৰেতাত্মাৰ মাজত যেন সোমাই পৰিছে তেওঁ। এইখন যেন পৃথিৱী নহয়; ইয়াৰ পৰা ওলাবৰ যেন উপায় নাই।

কিমান সময় পাৰ হ'ল কব নোৱাৰে। বুঢ়ী আৰু সবলা সোমাই অহাত লতিকাই সম্বিৎ ঘূৰাই পালে। সবলাই লতিকাৰ মুখলৈ চাই লৈ তীক্ষ্ণ দৃষ্টিৰে ৰোগীণিৰ মুখলৈ চালে, পুনৰ লতিকাৰ ফালে চাই কলে, "উঠি আহ লতি! আমি যাওঁগে।" যন্ত্ৰচালিতৰ দৰে লতিকা উঠি আহিল। এবাৰ ঘূৰি চালে, কিবা এটা সবলাক সুধিব খুজিলে, কিন্তু "এওঁ—?" বুলি বৈ গ'ল। ইয়াৰ বাহিৰে কথা নোলাল।

সবলাই লতিকাৰ হাতত ধৰি বাহিৰলৈ গ'ল। ফুচফুচাই ক'লে, "মানুহজনীৰ শেষ সময়, আমাৰ কৰিবৰ একো সাধ্য নাই।"

লতিকাই সেপ ঢুকি কলে "বৰ কিবাখন লাগিছে বাইদেউ।"

"তই ইয়ালৈ অহাই ভুল হ'ল লতি, এনেবোৰ অৱস্থা তই কাহানি দেখিছ!"

গাৱঁৰ মানুহ কেইবাজনো গোট খালে, সবলাহঁতে বিদায় লৈ খোজ লৈছিল। সবলাই ভাবিলে, ৰোগীণিক দেখি লতিয়ে ভয় খাইছে—আৰু লতিকাই ভাবিছিল—তেওঁ কি কৰে? চম্‌ফাই কোৱা কথাবোৰ সবলাক ক'ব জানো? নাই—নাই, যি কথা চম্‌ফাই দহ বছৰ মনত লৈ থাকি মৃত্যুৰ সময়ত মাথো তেওঁক কৈ গ'ল, সেই-কথা কিয় ক'ব? খন্তেক আগতে লতিকাই ভাবিছিল—আজি কি কুক্ষণত তেওঁ ওলাই আহিছিল ঘৰৰ পৰা—কি হে পাইছিল। কিন্তু এই মুহূৰ্ত্তত ভাবিলে, আজি ওলাই নহা হলে জানো চম্‌ফাক দেখিলে-হেতেন, শেষ সময়ত এটুপি পানী যে দিব পাৰিলে।......

কিন্তু তেওঁ ভাবিলে, চম্‌ফাৰ কথা তেওঁ ইন্দ্ৰক ক'ব, ক'বই লাগিব তেওঁৰ স্বামীক। চম্‌ফাই যৌৱনৰ দহোটা বছৰ কটাই দিলে, একমাত্ৰ এজনৰ এষাৰ কথাৰ বাবেই, অকালতে মৃত্যু নোহোৱা হলে হয়তো

গোটেই জীৱন অপেক্ষাত কটাই দিলেহেঁতেন, সেই একেটা আশা লৈ— ; এই কথা ইন্দ্ৰক নকৱনে লতিকাই ! নকলে যে লতিকা পাগল হৈ যাব!

লতিকাৰ খোজবোৰ থৰক-বৰক হৈ পৰিছিল। তেওঁ নিজক মাথো বুজাইছিল। ঘৰ পাই সবলাহঁতক চাহ-তাহ কৰি খুৱালে সংযত ভাবেই। সবলাহঁত গলগৈ।

ইন্দ্ৰ ঘৰ পাওঁতে সন্ধ্যা লাগি ভাগিল। লতিকাই কামনা কৰিছিল মনে প্ৰাণে তাকেই—ইন্দ্ৰ যেন দিনৰ পোহৰত নাহক আজি—

লতিকাই ভাত ৰান্ধিছিল ; আৰু ৰান্ধনি ঘৰতে মুঢ়া এটাত বহি চাহ খাইছিল ইন্দ্ৰই। দিনটোৰ অদৰ্শনৰ পিচত, আৰু যোৱা দুই তিনিটা দিনঁ লতিকাক নিবিড় ভাবে কাষত নোপোৱাৰ আক্ষেপটো যেন ইন্দ্ৰই কথাৰে, হাঁহিৰে, চকুৰ চাৱনিৰে ক্ষতিপূৰণ কৰি ল'ব।···

কিন্তু শত চেষ্টাতো লতিকা সহজ হ'ব পৰা নাছিল। সবলাৰ বিচ্ছেদতে লতিকাৰ এই ভাবান্তৰ বুলি অনুমান কৰি ইন্দ্ৰই এজনী সৰু ছোৱালীক জোকোৱাদি তেওঁক জোকাইছিল।

নিশা খোৱা-বোৱাৰ পিচত দৈনন্দিন অভ্যাস মতে দুয়ো বাৰান্দাত বহিল, লতিকাই ভাবিলে—'এয়ে সময়—যি কথা ক'ব লাগিব, নকলে নহ'ব, সেই কথা ক'বৰ বাবে এয়েই উপযুক্ত সময়।'

"বুজিছে, আজি মই বাইদেউহঁতৰ লগত সিপাৰৰ গাৱঁলৈ গৈছিলো।"

"সিপাৰৰ গাৱঁলৈ! খোজকাঢ়ি ইমান দূৰ গৈছিলা? মোক অতপৰে কোৱাই নাই—"

"কম। তাকে কবলৈহে লৈছোঁ।—"

কথাষাৰ উলিয়াবলৈ টান লাগিছিল। কিন্তু কোনোমতে আৰম্ভ কৰিব পাৰিলে যেতিয়া আৰু ভয় নাই। ইন্দ্ৰৰ "হয় নেকি?" "অ"

"তাৰ পিচত ?" আদি সহাঁৰিৰ মাজে মাজে লতিকাই বাইদেৱেকৰ লগত কেনেকৈ গ'ল, ক'ত ৰ'ল, কি দেখিলে সকলো কৈ গ'ল। তাৰ পিচত চম্‌ফাৰ কথাখিনিও কৈ পেলালে।

লতিকাই ভাবিছিল, মাজতে এবাৰ যদি বৈ পৰে তেন্তে আৰু ক'ব নোৱাৰিব, সেইবাবে একে লেথাৰিয়ে তেওঁ সকলো কথা কৈ গ'ল। শেষৰ কথাখিনি কওঁতে তেওঁৰ বুকুখন অলপ কঁপিছিল; কপালখন আৰু কাষলতিৰ তলবোৰ ঘামিছিল।……

কথাখিনি কোৱাৰ পিচত মন কৰিলে লতিকাই—, ইন্দ্ৰ নীৰৱ হৈ বহি আছে। বাৰান্দাত লেম্প নাছিল। ইন্দ্ৰৰ চেহেৰাৰ কিবা পৰিবৰ্ত্তন হৈছিল যদিও তেওঁ বুজিব নোৱাৰে। এবাৰ ভাব হ'ল কিজানি ইন্দ্ৰৰ টোপনি আহিল। গোটেই দিনটো ভাগৱত কটাইছে।

কথাবোৰ কৈ ভালেই কৰিলেনে বেয়াই কৰিলে তাকো বুজিব পৰা নাছিল লতিকাই। ইন্দ্ৰক সচেতন কৰিবৰ মনেৰেই লতিকাই কৃত্ৰিম কাহ দুটামান মাৰিলে।—

ইন্দ্ৰই অকণমান লৰিচৰি বহিল। তাৰ পিচত কলে "লতি!"

"উঁ—"

"তুমি যি শুনি আহিলা—সেয়া সঁচা! লতি।" লতিকা নীৰৱে ৰ'ল।

"লতি!"

"উঁ।"

"মই এবাৰ কথা কম; বিশ্বাস কাৰবা ?"

"কৰিম।" লতিৰ মন আজি সকলোৰে সকলো কথা বিশ্বাস কৰিবলৈ প্ৰস্তুত। অবিশ্বাস কৰি পোৱা অশান্তিতকৈ বিশ্বাসৰ বেদনাও সহনীয়।

"শুনা তেন্তে লতি। মই চম্‌ফাক ভালপোৱা নাছিলোঁ। মাত্ৰ তাইৰ অকৃত্ৰিমতাত মোহ গৈছিলো, মুগ্ধ হৈছিলোঁ।—"

"কিন্তু আচৰিত লাগিছে। চম্ফাক যে ময়েই ভাল পোলাইছোঁ; তাই অসাধাৰণ।—"

"কিন্তু চম্ফাতকৈও অসাধাৰণ, ক্ষমাৰ প্ৰতিমূৰ্ত্তি তুমি মোৰ লতিকা; তুমি অতুলনীয়া।—"

লতিকাই তেতিয়া ভাবিছিল দোষ কোনেও কৰা নাই। কৰা নাই চম্ফাই; দোষ হোৱা নাই ইন্দ্ৰৰো; দোষ বুলি ভবা হলে লতিকাৰ আগত গল্পচ্ছলেও সেই কথা প্ৰকাশ নকৰিলেহেঁতেন। লতিকাই নিজেও কোনো দোষ কৰা নাই অথচ জীৱনত কম বেছি পৰিমাণে বেদনা পালে তিনিও জনেই। ব্যথা লৈ গুচি গ'ল চম্ফা—আৰু, ইন্দ্ৰ আৰু লতিকাই ব্যথাৰেই কেতিয়াবা চম্ফাক সুঁৱৰিব।

ইন্দ্ৰ ওচৰলৈ আহি লতিকাৰ হাতত ধৰি মাতিলে, "লতি!" লতিকাই চকুযোৰ জপাই দিলে। পৰোঁ পৰোঁ হৈ থকা—দুটোপা চকুলো তেওঁৰ চকুৰ পৰা ইন্দ্ৰৰ হাতত বাগৰি পৰিল।

"লতি তুমি কান্দিছা!"

"নহয়, এয়া কান্দোন নহয়। মোক ভুল নুবুজিব। চম্ফাৰ বাবে এয়া চকুলো মোৰ, বিশ্বাস কৰক। আকাশ বতাহ সাক্ষী।"

মেদিনী চৌধুরী

শ্রী মন্ত্রিণী

মানুহ মানুহ মানুহ। সমগ্র মানুহ জাতিটোৰ ওপৰতে অদ্ভুত বিতৃষ্ণা হ'ল ডাঃ শৰ্ম্মিলা মহন্তৰ। যিওবা এজন মানুহৰ ওপৰত অকণ নিৰ্ভৰ ৰাখিছিল সিও ধূলিস্যাৎ হৈ গ'ল—এঘণ্টাৰ আগতে হৈ যোৱা একমুহূৰ্তৰ এটা সৰু ঘটনাৰ বাবে।

সেই ঘটনাটোৰ বাবেই এক অভূতপূৰ্ব অন্তৰ্দ্বন্দত সোমাই পৰিছিল ডাঃ মহন্তই। পাচফালৰ বাৰান্দাখনত অকলশৰে বহি ৰাতি এপৰলৈকে ভাবিছিল সেই একোটা কথাকে। কৃষ্ণা তৃতীয়াৰ ঘোলাৰঙী জোনটো ওপৰলৈ উঠিছিল তেতিয়া। পাচফালৰ চাৰিও-দিশ নিজম কৰি তুলিছিল ম্লান জোনাকবোৰে।

নিৰ্ম্মলা শুই পৰিছে, টুটু দোৰ্যোৰ টোপনিত। লাহেকৈ দুৱাৰ খনত বাহিৰ ফালে তলা লগাই মহন্তই অনিচ্ছা স্বত্বেও ওলাই পৰিল ষ্টেথোস্কোপডাল হাতত লৈ। মনৰ দুৰ্বলতা আঁতৰাই পেলাবলৈ বেগাই খোজ ললে আলিৰ সিঁদাতিত থকা মেটাৰ্ণিটি ওৱাৰ্ড-টোলৈ। জীৱনৰ এইকণেই শান্তি শৰ্ম্মিলা মহন্তৰ।

নিশা পৰীয়া থকা চিষ্টাৰ দুজনীয়ে ব্যস্ত হৈ লেবাৰ ৰুমত সোমাই পৰা দেখি মহন্তৰ আৰু ভাল লাগিল। বাইজনী আহি-ছিলেই তেওঁকেই বিচাৰি। বাটতে পাই লগে লগে উভতি গৈছিল। তেওঁ নীৰৱে সোমাই গ'ল লেবাৰ ৰুমলৈ। আসন্ন মাতৃত্বৰ

বেদনাত সৰু ছোৱালী এজনী ছটফটাই আছিল ওখ টেবুলখনৰ ওপৰত। যন্ত্ৰণাত বিকৃত হোৱা ধুনীয়া মুখখন দেখি মহন্তই নিৰ্ভয়ৰ হাঁহি দি তাইৰ গালে মুখে হাত ফুৰাই ক'লে: "ভয় নাই সোণ, অকণমান কষ্ট হ'বই।" চিষ্টাৰ এজনীলৈ চাই সুধিলে, "কেতিয়া আনিলে বাৰু?"

—"এইমাত্ৰ, এঘণ্টামানৰ আগতে থৈ গৈছেহি এগৰাকী বুঢ়ী মানুহে কাবোবাক শাও দি দি।"

নীলা নীলা সিৰ ওলোৱা নিস্তেজ হাতখনেৰে বাউল দি মহন্তক মাতিলে ছোৱালীজনীয়ে: "বাইদেউ"—

—"হুঁ একো ভয় নাই, মই ওচৰতে আছো নহয়? চাওঁ।"

নিস্তেজ অবয়বটোৰ সৌষ্ঠৱ চাই খন্তেক বৈ গ'ল শৰ্ম্মিলা মহন্ত। কিমান শই শই মানুহৰ নগ্নতা দেখিলে ইমান দিনে। সংসাৰৰ কত গোপন ইতিহাস, কতবা বেদনাময় আৰু কতৰ নিৰ্লজ্জ পঙ্কিল কাহিনী, কাৰোবে প্ৰতি অকণো মমতা, নাইবা অকণো ঘৃণা পোষণ কৰাৰ আহৰি নাই মহন্তৰ। যাৰ যিয়ে নহওক, সেই সকলোবোৰ বেমাৰী হৈ আহে হস্পিতাললৈ আৰু সেয়ে সিহঁতৰ পৰিচয়।

ছোৱালীজনীৰ সকলো পৰীক্ষা কৰি নিৰ্ম্মলা মহন্ত অলপ চিন্তিত হৈ ওলাই গ'ল। নাৰ্চৰ সৰু কোঠাটোত সোমাই কিবা এখন লিখি পঠিয়াই দিলে ডাঃ চক্ৰৱৰ্তীৰ ত্যলৈ। অলপ পাছত টোপনিৰ জড়তাৰে উধাতু খাই ওলাই আহিল ডাঃ চক্ৰবৰ্ত্তী তেখেতৰ চিৰা-চৰিত প্ৰশ্নষাৰেৰে: "কি কেচ?"

—"চুটকেচ—আহক" মহন্তই হাঁহি হাঁহি ব্যস্ত হৈ সোমাই গ'ল লেবাৰ কমলৈ।

অলপ পাচত বেমাৰী লৈ যোৱা হ'ল অপাৰেশ্যন থিয়েটাৰলৈ। চিজাৰিয়ান চেকশ্যন কৰিবৰ প্ৰয়োজন।

পুৱঁতি নিশা গা-পা নোধোৱাকৈয়ে বিচনাত পৰি গ'ল লেডী ডাক্তৰ মহন্ত। এনে বিনিদ্ৰ ৰজনী কটাই দিয়াৰ অভ্যাস তেওঁৰ

আজিৰ নহয়। কত পুৱঁতি নিশা আহি এনেদৰেই শুই পৰে, পুৱা আঠমানলৈকে, তাৰ পাচত শুই উঠিবলৈ নৌ-পাওঁতেই মানুহৰ লানিবোৰ বৈ থাকে ঘৰৰ আগত। খৰখেদাকৈ গাটো পখালি লৈ আকৌ সেই একে ব্যস্ততা।

এনেবোৰ ব্যস্ততা থকাৰ বাবেই হয়তো ডাঃ মহন্ত ইমান দিনে পাগল হৈ যোৱা নাই। কত নৱজাতকৰ জন্মৰ গোপন ৰহস্য জনাৰ গৰ্ব্ব আৰু প্ৰসৱ-যন্ত্ৰণাক্লিষ্ট কত প্ৰসূতিৰ ভৰষা হোৱাৰ অহংকাৰে শৰ্ম্মিলা মহন্তক আজি নমৰাকৈ জীয়াই ৰাখিছে। জীৱনৰ এই ছাব্বিশটা বছৰতে জীয়াই থকাৰ সকলো মোহ শেষ হৈ গৈছে তেখেতৰ। অকল বন্ধুৱেই নহয়, সমগ্ৰ মানুহৰ ওপৰতে তীব্ৰ ঘৃণা হৈ গৈছে।

বিছনাত পৰি ছটফটাই থাকিল, চকু জ্বলা জ্বলা লাগি ৰ'ল—অথচ খন্তেকলৈ চকু জাপ নগ'ল তেখেতৰ। এইমাত্ৰ ছোৱালীজনীৰ বিষয়ে যি শুনিলে আকৌ মনত পৰিল নিজৰ জীৱনত ঘটি অহা বিৰাট কাহিনীটোৰ কথা। আৰু মনত পৰিল যোৱা সন্ধিয়া শেষ মানুহজনৰ ওপৰত যিকণ বিশ্বাস আছিল তাকো নিঃশেষ কৰি থৈ যোৱা অলৰ্ক দাসৰ কথা। চব মতামানুহবোৰেই একো একোটা পিশাচত বাদে আন একো নহয়।

এই হস্পিতালতে কলেজৰ ৰূপহী গাভৰু মূৰ্চ্ছনা মৰিছে নিজৰ কলংকময় ইতিহাস সামৰি লৈ; অঞ্জু আৰু সেই জমাদাৰৰ ছোৱালী-জনী? তাইৰ কেঁচুৱাটো এতিয়া ডাঙৰেই হ'ল। বাপেকৰ লগতে আছে তাই কেঁচুৱাটো লৈ। কিমান কষ্ট গ'ল সিহঁতৰ মূৰৰ ওপৰেদি। কতদিন হাস্পতালত পৰি পৰি কিমান যন্ত্ৰণা ভুগিলে বেচেৰীহঁতে। কিন্তু ক'তা? কোনো প্ৰেমিক বন্ধুৰ এষাৰি নিৰ্ভয়ৰ সান্ত্বনা বাণীও শুনাৰ সুযোগ নিমিলিল সিহঁতৰ। কালিৰ ছোৱালীজনীও আহিছিল সেই একে দুৰ্ভাগ্যক লৈ। বাৰে বাৰে সেহাই সেহাই কৈছিল: "মোক কিবা এটা ইনজেকশ্যন্ দি মাৰি পেলাব নোৱাৰেনে বাইদেউ?"

এনে আত্মগ্লানিৰ কত অনুৰোধ, কত কাকুতি শুনি শুনি কাণ ঘোলা হৈ গৈছে মহন্তৰ। হাঁহি হাঁহ অজস্ৰ নিৰ্ভয়েৰে কৈছিল তেখেতে: “আমি মানুহ নেমাৰোঁ, আমি বচাববহে চেষ্টা কৰোঁ।”

“নহয় বাইদেউ, আপুনি বুজা নাই। মৰিলেহে মই বাচিম। বাইদেউ, দিয়ক না এটা ইন্‌জেকৃশ্যন! কোনোৱে গম নোপোৱাকৈ। মৰি মৰি আৰু কিমান দিন জীয়াই থাকিম? দিয়ক না! অহা জনমত আপোনাৰ বান্দী হৈ মই ধাৰ শুজিম।”

ডাঃ শৰ্মিলা মহন্তই সুবুজি কোনে বুজিব তাইৰ দৰে ছোৱালী-ৰোৱৰ অন্তৰ্বেদনা। কিন্তু লেবাৰ ওৱাৰ্ডত সোমোৱাৰ লগে লগে কিবা এটা অভূতপূৰ্ব নিষ্ঠুৰতাই পাই বহে তেওঁৰ মনত। এক নিষ্ঠুৰ উদাসীনতা, এক যান্ত্ৰিক কৰ্মতৎপৰতা।

“তুমি মনে মনে থাকা। অসুখ বেছি হৈ যাব বেছি কথা কলে।” বেমাৰীৰ দুৰ্বলতাক প্ৰশ্ৰয় দিয়াটো চিকিৎসা-বিজ্ঞান মতে নীতি-বিৰুদ্ধ কথা। শৰ্মিলা মহন্ত তাইৰ ওচৰৰ পৰা বেগাই গুচি আহিল।

আজি কিন্তু বিছনাত বাগৰি বাগৰি মন উভতি গৈছে শৰ্মিলা মহন্তৰ। গোটেই জীৱনটো প্ৰবঞ্চনাৰ গ্লানিৰে কি যে দুৰ্বিসহ হৈ পৰিছে।

ডিব্ৰুগড় মেডিকেল কলেজৰ ছাত্ৰী আছিল তেতিয়া শৰ্মিলা মহন্ত। অনাগত দিনৰ সুখ-স্বপ্নেৰে বঞ্চিত মন লৈ জীৱনৰ সকলো ক্লান্তি পাহৰি গৈছিল তেওঁ। এনেদৰে সকলো পাহৰিব পৰা এটা মন লৈয়ে এদিন এটা নিৰ্জন কোঠাত যোৰহাটৰ ডেকা হাউচ-চাৰ্জন অম্লান দুৱৰাৰ বাহুবন্ধনত সোমাই পৰিছিল শৰ্মিলাই। সেই মুহূৰ্তৰ পৰাই উপলব্ধি কৰিছিল যে জীৱনত অনেক পাহৰিব নোৱাৰা মুহূৰ্তত থাকিব পাৰে।

সেই মুহূৰ্তটো সঁচাকৈ আজিও পাহৰা নাই শৰ্মিলা মহন্তই। আৰু পাহৰিব নোৱাৰাৰ যাতনাই দুঃসহ কৰি তুলিছে সমগ্ৰ জীৱন।

আজি মনত পৰিছে অম্লানে চাকৰি লৈ ডিব্ৰুগড়ৰ পৰা আঁতৰি

অহাৰ দিনা মুগাৰ মেখেলা চাদৰ এযোৰ পিন্ধি এৰোড্ৰোমলৈ আহিছিল। মটৰত দুয়ো ঘনিষ্ঠ হৈ বহি আহিছিল আৰু হেৰাই পৰিছিল চিন্তাৰ অকুল পাৰাবাৰত। এৰোপ্লেনখন পশ্চিম দিগন্তত এটা মণিৰ নোৱাৰা বিন্দু হৈ মিলি পৰালৈকে শৰ্মিলাই চাই আছিল আকাশৰ ফালে তাৰ পাচত শ্মশান-যাত্ৰীৰ এখন উকণ্ঠা অন্তৰ লৈ ঘূৰি আহিছিল মেডিকেল কলেজলৈ।

তাৰ দুদিনৰ পাচতে আহিল অম্লানৰ চিঠি:

"......সময়বোৰ দেখিছোঁ শামুকৰ গতিৰে যাব লাগিছে। কেতিয়াকৈ যে হ'ব তোমাৰ কলেজীয়া জীৱনৰ শেষ। তোমাৰ কফায়েৰাৰ আগত কথাটো উলিয়াবলৈকেই ভয় লাগি আছে। একোবাৰ কি মন হয় জানা? তোমাক লগত লৈ যেন কোনোবা অজান দেশৰ ফালে গুচি যাম! য'ত পৰিচয়ৰ কোনো বাধা নেথাকে। তেতিয়া একো একোটা সমগ্ৰ ৰাতি আমি দুয়ো একেলগে, একেটা কোঠাতে অকলশৰে কটাই দিম!"

অম্লানৰ দুষ্টালিবোৰ সোঁৱৰাই দি শৰ্মিলাই মাজে মাজে ঠাট্টা কৰি লিখিছিল: "মোক স্বৰ্গ নেলাগে অম্লানদা, তুমি পৰি থাকিবা বৌ বৌ নৰকত, আৰু মই কি শান্তিৰে স্বৰ্গত থাকিম!"

জাউৰিয়ে জাউৰিয়ে চিঠিৰ আমনিত শৰ্মিলাই ব্যক্তিগত বহুতো কামকে বাদ দিব লগাত পৰিছিল।

কলেজত পাচ কৰি প্ৰথম চাকৰি লৈ গৈছিল অম্লানে কল্পনা কৰাৰ দৰেই কোনোবা এখন অজান দেশলৈ। অম্লান গৈছিল মাজে মাজে গুৱাহাটীৰ পৰা। প্ৰথম যিদিনাখন অম্লান গৈছিল সিদিনা কি যে বিবুদ্ধিত পৰিছিল শৰ্মিলা। চৰকাৰী কোৱাৰ্টাৰটোত একেবাৰেই অকলশৰে আছিল তেওঁ। তিনিদিন থকাৰ পাচত অম্লানে যেতিয়া বিদায় লৈ গুচি আহিছিল, তেতিয়া তেওঁৰ মন এক অভূতপূৰ্ব অনুভূতিৰে আচ্ছন্ন হৈ পৰিছিল। কিবা এক নিঃসহায় বেদনাবোধৰ ভাৰত মন টনটনাই গৈছিল।

তাৰ বহুদিনৰ পাচত আহিছিল এই চহৰখনৰ হাস্পতাললৈ। শই শই নাৰীৰ নাৰীত্ব আৰু মাতৃত্বৰ কত গোপন ৰহস্যক লৈ ব্যস্ত হৈ পৰিল। কতই কোলাত সুন্দৰ কেচুৱা লৈ ঘৰৰ সমুখেদি বিদায় লৈ যায়, "বাইদেউ যাওঁ দেই।"

নিজেই কিমান পুত্ৰহাৰা মাতৃক সান্ত্বনা দিলে নিজৰ বুকু উজাৰ কৰি—"ভগবান আছে ভাই। তেওঁৰ মৰ্জ্জি হলে এদিন তোমাৰ জন্ম দি দি আমনি লাগি যাব।"

কিছুমানৰ সঁচাকৈ আমনি লাগি যায়: "এইবাৰে নিবাৰ বাইদেউ, বছৰে বছৰে আৰু কিমান সহ্য কৰিম।"

এইবোৰ শুনি শুনি কেতিয়াবা হঠাৎ অসহ্য বেদনাত শৰ্মিলাৰ অন্তৰে হাহাঁকাৰ কৰি উঠে। অম্লানক লিখোঁ লিখোঁ বুলিও এনেবোৰ কথা লিখিবলৈ সঙ্কোচ হয়। লাজ আৰু সঙ্কোচত মৰি যাবৰ মন যায় অকলশৰীয়া নিশাবোৰৰ কথা মনত পৰিলে। আৰু সেইবোৰ কথা? মৰি গলেও লিখিব নোৱাৰে অম্লানলৈ।

অম্লানৰ কথা মনত পৰিলে শৰ্মিলা খন্তেকৰ বাবে হলেও চিন্তাকুল হৈ পৰে আজিকালি। অম্লানৰ চিঠি আজি পাঁচমাহে পোৱা নাই। শেষৰ চিঠিখন আহিছিল শৰ্মিলাই দিয়া চাৰিখনিৰ উত্তৰ হিচাপে। ঠিক উত্তৰ নহয়, নিজৰ ব্যস্ততাৰ এখন চমু বৰ্ণনা—"মই উত্তৰ দিব পৰা নাছিলোঁ। এই কেইদিন খুব ব্যস্ত হৈ পৰিছোঁ"—ইত্যাদি, ইত্যাদি। গোট গোট কথাৰ এখন চিঠি, য'ত ভাৱপ্ৰৱণতা নাইবা তেনেবোৰ অনুভূতিক ঠাই দিয়াৰ বাবে এক বিপুল সঙ্কোচ।

হয়তো বহুতো কথা থাকিব পাৰে। শৰ্মিলাই চিন্তিত হৈ পৰিছিল অম্লানৰ দেউতাকৰ কথা ভাবি। গাৱঁৰ পৰা আহি চহৰত নতুনকৈ প্ৰতিষ্ঠা লভা চন্দ্ৰকান্ত দুৱৰা আছিল বংশমৰ্য্যাদা-সচেতন এগৰাকী গৰ্বিত মানুহ। শৰ্মিলা আছিল এখন দুঃস্থ পৰিবাৰৰ ঘাটমাউৰা ছোৱালী। দুঃশ্চিন্তাৰ মাজতো শৰ্মিলাৰ সান্ত্বনা আছিল অম্লানে ইমানদিনে শুনাই শুনাই আমনি কৰা অজস্ৰ নিৰ্ভৰতা।

অম্লানে প্ৰায়ে লিখিছিল: "শৰ্মিলা, তোমাক ৰঙা পাৰচকু ফুলৰ মুগাৰ মেখেলা আৰু চাদৰ যোৰেৰে আৰু সিদিনা আবেলিৰ পাতল সেউজ ৰঙৰ শাৰীখনেৰে কিযে অদ্ভুত দেখি। বিয়াৰ পাচত প্ৰথম দিনা সেই সেউজ ৰঙৰ শাৰীৰে তোমাক সজাম" · ···

এনেবোৰ কত সহস্ৰ ভৰষাৰে শৰ্মিলাৰ মন ভৰাই দিছিল। শৰ্মিলাই কোনো দিন শংকা কৰাৰ কথা সপোনতো ভৰা নাছিল। তথাপি এই পাঁচ মাহৰ নীৰৱতাই উদ্বাউল কৰি তুলিছে শৰ্মিলাক। এনে দীৰ্ঘম্যাদী নীৰৱতাবোৰ সঁচাকৈয়ে আতঙ্কময়।

সেইবাবে এদিন হস্পিতালৰ পৰা আহি দুপৰীয়া বহি গ'ল চিঠি লেখাৰ উদ্দেশ্যেৰে। আজি কিবা এটা স্থিৰ সিদ্ধান্ত কৰি পেলাবই লাগিব। কিন্তু সেই ভীষণ কথাটো কি বুলি উলিয়াব অম্লানৰ আগত। ইমান মুখৰা ছোৱালী, অথচ অম্লানৰ ওচৰত ক'ৰ পৰা যে ইমান আড়ষ্টতা আহি পৰে। তথাপি নিলিখিতো উপায় নাই। শৰ্মিলাই চিঠিখন আৰম্ভ কৰিবলৈ লৈ চিন্তিত হৈ পৰিল।

ঠিক অন্তৰ্দ্বন্দ্বৰ সেই মুহূৰ্ততে আহি পৰিল অলৰ্ক দাস। লোকৰ ভিতৰুৱা কথাত নিজকে ঘনিষ্ঠভাৱে জড়িত কৰাৰ এটা অভ্যাস তেওঁৰ আছে। পৰিবেশটো বুজিব পাৰিয়েই হয়তো কৈ উঠিল কাব্যিক ভঙ্গিমাত—"দেৱতাৰ মুণ্ডছে পিয়াহ হায় অভাগিনী প্ৰেমেৰে তোমাৰ।"

শৰ্মিলা চক খাই উঠিল চকীৰ পৰা আৰু ধৰা পৰাৰ দুষ্ট হাঁহি-টোৰে কলে, "কি হ'ল ?"

"পিচে নিমন্ত্ৰণ পালানে নাই বিয়াৰ ?" বেচ বয়সস্থ মানুহ বুলিও শৰ্মিলাৰ লগত এনে ৰহস্যময় ঢঙেৰেই কথা কয় অলৰ্ক দাসে।

"কাৰ বিয়াৰ ?"

"হায়ৰে! ইমান বন্ধু তোমালোক? অথচ নাজানা জানো অম্লানৰ যে বিয়া ?"

"অ' সেইটো খবৰকে দিবলৈ আহিছিল হ'বলা?" শৰ্মিলাই ৰহস্য কৰি ক'লে।

"তুমি সঁচাকৈ শুনা নাই?"

"শুনিছোঁ বাৰু। আপুনি কওঁকচোন এতিয়া কি কথা আছে। মোৰ আকৌ জৰুৰী কাম এটা আছে।"

অলৰ্ক দাস যোৱাৰ বহুত পাচতো শৰ্মিলাই একোকে ভবা নাছিল। এনেয়ে খেমালিৰ কথা বুলি পাতল ভাৱেই লৈছিল আৰু শুনাৰ পাচতে পাহৰি পেলাইছিল। শৰ্মিলাৰ লগত অম্লানৰ সম্পৰ্ক লৈ ঠাট্টা কৰা অলৰ্ক দাসৰ কাৰণে নতুন কথা নহয়। কিন্তু ৰাতি বিছনাত বাৰে বাৰে মনত পৰিছিল অলৰ্ক দাসৰ কথাষাৰ। যিমানে পাতল বুলি অগ্ৰাহ্য কৰাৰ চেষ্টা কৰিছিল সিমানে বহুতো নতুন নতুন শঙ্কাই কথাষাৰৰ তাৎপৰ্য্য গধুৰ কৰি তুলিছিল। বেছিকৈ চিন্তিত হৈ পৰিছিল যোৱা পাঁচ মাহৰ নীৰৱতাৰ কাৰণে আৰু শেষৰ চিঠিখনৰ গোট গোট কথাকিটাৰ কাৰণে। গোটেই ৰাতি শুব নোৱাৰিলে শৰ্মিলাই।

তাৰ এদিনৰ পাচতে শৰ্মিলাই ছুটি লৈ গৈছিল গুৱাহাটীলৈ। মনত খোকোজা—অপৰিসীম শংকা—কি বুলি সুধিব অম্লানক কথাষাৰ! যদি কথাষাৰ মিছা হয় তেনেহলে তেওঁৰ মৰি যোৱাই ভাল হ'ব—ক'ত লুকুৱাব মুখ! এই নিৰ্লজ্জ মুখখন ভৱিষ্যতলৈ কেনেকৈ দেখুৱাব অম্লানৰ আগত! আৰু অম্লানটোও যিহে, সি হয়তো এই কথাটোলৈয়ে কত কি ৰগৰ কৰি মানুহৰ আগত মুখ উলিয়াব নোৱাৰা কৰি তুলিব।

কিন্তু যদি অলৰ্ক দাসে কোৱাটোৱেই হয়! বহুত সময়ত বিদ্ৰূপ বুলি উকৱাই দিয়া কথাবোৰেই জীৱনক ব্যতিব্যস্ত কৰি তোলে! যদি সঁচাই হয় অলৰ্ক দাসৰ কথাখিনি? তেতিয়াওতো কিবা এটা কৰিব লাগিব। তেওঁৰতো নিজৰ বাদে কোনোৱেই নাই

এনেবোৰ কথাত ভৰষা দিবলৈ। যি এটা হয় সিদ্ধান্ত নিজেই লব লাগিব—লাজ-ভয় কাতি কৰি থৈও।

ছুৱবাইঁতৰ ঘৰ পোৱাৰ লগে লগে কিযে এক আতঙ্কত দেহ-মন আচ্ছন্ন হৈ পৰিছিল! সেই আচ্ছন্নতাৰ মাজতে ভাল বেয়া একো ভাবিব নোৱাৰাকৈয়ে সুধি পেলাইছিল অম্লানক:

"তোমাৰ হেনো বিয়া অম্লানদা?"

অম্লানে অভূতপূর্ব গাম্ভীর্য্যৰে কথাষাৰৰ 'হা' 'না' একো উত্তৰ নিদি মাথোন সুধিলে "কোন হিতাকাঙ্ক্ষীয়ে দিলে খবৰটো?"

"অলর্ক দাসে। কিন্তু মই কাকোতো বিশ্বাস কৰিব নোৱাৰো! আৰু একমাত্ৰ তোমাক বিশ্বাস কৰোঁ বুলিয়ে তোমাৰ ওচৰলৈ দৌৰি আহিছোঁ।"

"খবৰটো বিশ্বাসযোগ্য। নাও আই এম্ চেঞ্জ্ড্।"

"কাক বিয়া কৰাবা বাৰু?"

"জনাৰ পৰা একো লাভ নহ'ব।"

"লাভ-লোকচান লৈয়েতো চব কথা নহয় অম্লানদা।"

"মোৰ হয়; তুমি এতিয়া যাব পাৰা। মোৰ এঠাইত যাব লগা আছে। অ' মাক লগ ধৰি যাবা। তোমাক লগ পালে ভাল পাব।" অম্লানে শৰ্মিলাক তাতে অকলশৰে এৰি থৈ গুচি গ'ল। শৰ্মিলা স্তব্ধ হৈ ৰ'ল অম্লানৰ এই অভাৱনীয় ৰূপান্তৰ দেখি। এক অপৰিসীম সংকোচ হ'ল কাৰোবাক এই বিষয়ে আৰু কিবা সুধিবৰ। সিদিনাখনেই নিশাৰ গাড়ীত ঘূৰি আহিছিল শৰ্মিলা।

সেয়ে সুখস্বপ্নৰ শেষ। অম্লানৰ বিয়া হৈ গ'ল নৃত্য-পটিয়সী কোনোবা ৰমলা কুমাৰীৰ লগত। সেয়া আজি কোনোবা যুগৰ কাহিনী যেন লাগে।

আগতে মাজে মাজে ভাবি অতিষ্ঠ হৈ পৰিছিল শৰ্মিলা মহন্ত। অম্লানে নিজেই উদগণি দিছিল তেওঁক চাকৰি কৰিবলৈ, খুব ভাল ডাক্তৰ হ'বলৈ। কিমান যত্নেৰে, কিযে এক অপৰিসীম আগ্ৰহেৰে

ডাক্তৰী পঢ়ি শৰ্মিলা ডাক্তৰ হৈছিল! কি কষ্টত—মাক-বাপেক নোহোৱা এখন ঘৰৰ সোনকালে চাকৰি নকৰি গৃহস্থৰ গলগ্ৰহ হোৱাৰ কি যে গঞ্জনাত দিন কটাব লগাত পৰিছিল! এই সকলোবোৰ হাঁহি হাঁহি বিনা প্ৰতিবাদে সহ্য কৰিছিল অকল এজনৰ ভৰষাৰ বাবে।

কিযে এক প্ৰগাঢ় বিশ্বাসত জীৱনৰ সহস্ৰ মূল্যবান মুহূৰ্তৰ এনেদৰে অপচয় হ'ল! অম্লান দুৱৰাই এনেদৰে বিশ্বাসঘাতকতা নকৰি যদি খোলাখুলি ভাৱে কৈ দিলেহেঁতেন, শৰ্মিলাৰ জীৱনত খেদ কৰিবলগীয়া একোৱে নাথাকিলহেঁতেন।

ভাবি ভাবি অম্লানৰ বিৰুদ্ধে বিদ্ৰোহী হৈ উঠিছিল শৰ্মিলা মহন্তৰ মন। মতা মানুহবোৰৰ চৰিত্ৰৰ ওপৰত ইমান বিশ্বাস হেৰুৱাই পেলাইছিল যে অম্লানে "আই এম্ চেঞ্জ্ ড্" নকৈ "আই হেভ্ চেঞ্জড্ বুলি কোৱাহেঁতেনো, শৰ্মিলা অকণো আচৰিত নহলহেঁতেন। আৰু ৰমলাজনীও যে কি? তাই সমস্ত জানি শুনিও অম্লানক যে কিদৰে সাদৰি ললে—শৰ্মিলা আচৰিত হৈ যায়।

সেইবোৰ আগৰ কথা। এতিয়া শৰ্মিলাৰ সেইবোৰ ভবাৰ অৱকাশ নাই। তেওঁত খুব ব্যস্ত। ভাগিনী-ছোৱালী নিৰ্মলা আৰু সৰু অকমাণ ভাইটি টুটুক লৈ এখন যাযাৱৰী সংসাৰৰ মালিক তেওঁ। নিৰ্মলাহঁতে পঢ়ে আৰু মাকৰ এখন পূৰ্ণ অন্তৰ লৈ শৰ্মিলাই সিহঁতক খুৱায়, গা ধুৱায়, শুৱায় আৰু স্কুললৈ পঠিয়ায় দি উদ্বিগ্ন হৈ বৈ থাকে আৰু স্কুলত দুষ্টামি কৰা গম পালেই মাকৰ দৰে শাসন কৰে।

হস্পিতাল তো হস্পিতালেই। বাহিৰতো ৰোগীৰ দৰব বিচাৰি দিয়া, ক'ৰবাত দিনৰ পাচত দিন ধৰি বেমাৰীৰ ওচৰত বহি পৰিচৰ্য্যা কৰা আৰু আজৰি সময়ত ওচৰ-চুবুৰীয়াৰ ল'ৰা-ছোৱালীবোৰ চপাই লৈ সিহঁতৰ অত্যাচাৰ সহ্য কৰা।

মানুহ আৰু সিহঁতৰ দুষ্কৃতিৰ কি যে নিদাৰুণ অভিজ্ঞতা পালে

এইখিনি কালতে! বেমাৰীত বাদে মানুহৰ যে আন কিবা পৰিচয় আছে, সেইটো শৰ্মিলাই একৰকম পাহৰি পেলাইছিল। পৃথিৱীৰ চব মানুহ ৰোগগ্রস্ত আৰু সেইবাবে সিহঁত অনুকম্পাৰ পাত্র। গতিকে শৰ্মিলাই মানুহৰ সমালোচনা, গঞ্জনা একোকে গা পাতি নলয়। তেওঁৰ মতে সেইবোৰ ৰোগগ্রস্ত মানুহৰ বিকৃত প্রলাপ।

এদিন ৰাতি চহৰৰে এগৰাকী সম্ভ্রান্ত মানুহে শৰ্মিলাক জগালেহি। ঘৈণীয়েক হেনো বৰ অসুস্থ। সহজ বিশ্বাসেৰে ডাঃ মহন্ত ওলাই গ'ল ভদ্রলোকজনৰ গাড়ীত। ঘৰ পাই দেখে ঘৈণীয়েকৰ অসুস্থতা এটা ছল মাত্র। ঘৈণীয়েক ঘৰত নায়েই। দস্তুৰমত এখন যুদ্ধৰ পাচত তেওঁ দৌৰি পুলিচৰ আশ্রয় লৈ কোনোমতে সেই কাল-গহ্বৰৰ পৰা পৰিত্রাণ পাইছিল। পাচদিনাখন যোৱা ৰাতিৰ সকলো কাহিনী পাহৰিব পৰাকৈ সহজ হৈ পৰিছিল তেওঁৰ মনৰ।

আৰু এদিন আহিছিল স্কুলনে কলেজত পঢ়া এজনী ধুনীয়া ছোৱালী বাপেকৰ স'তে। তাই কিবা এটা বিষয়ৰ পৰীক্ষা দিয়া নাছিল প্রমোচন পৰীক্ষাত। ডাক্তৰৰ চাৰ্টিফিকেট লাগে সেই দিনটোৰ বাবে, নহলে প্রমোচন বন্ধ হৈ যায়। বাপেকে নিজৰ প্রতিপত্তিৰ সমস্ত প্রভাৱ মাতটোলৈ আনি গহীনভাৱে কৈছিল: তাইৰ মেনষ্ট্রুৱেশ্যন ইৰেগুলাৰ বুলি আপুনি জানেই। কাজেই সিদিনাৰ বাবে আপুনি তেনেকে কিবা এটা লিখি দিয়ক। সিদিনা একো হোৱা নাছিল যদিও সেইটোযে ইৰেগুলাৰ সেইটোটো মিছা নহয়। তাৰ বাবে খৰচ পত্র কিবা লাগিলে মই দি দিম।"

কথাষাৰ শুনি স্তম্ভিত হৈ পৰিছিল শৰ্মিলা মহন্ত। ইমান মিছা চাৰ্টিফিকেট এখন! ছোৱালীজনীৰ মেনষ্ট্রুৱেশ্যন খুব পাতলে হয় আৰু যেতিয়া হয় দীঘলীয়াকৈ হয়। তথাপি বাৰু নহ'ল, হলেই সিদিনা। কিন্তু পাচদিনাখনো তাই নিশ্চয় পৰীক্ষা দিছে। আগ-দিনাখনো দিছে। মিছাৰ অবয়বটো কল্পনা কৰি তেখেত স্তব্ধ হ'ল।

বহুত পৰৰ পাচত কলে, “মই নোৱাৰিম বুজিছেনে, মাফ কৰিব !”

ভদ্ৰমহোদয়ৰ আত্মসম্মানত আঘাত লাগিল। ঘপহ কৈ বহাৰ পৰা উঠিল। আৰু ভোঁ ভোৱাই গুচি গ'ল ছোৱালীজনী লগত লৈ। কৈ গ'ল যাবাৰ সময়ত, “তোমালোকে মানুহক সহায় কৰিবলৈতো অহা নাই, আহিছা তেজ শুহিবলৈ হে।”

লেডী ডাক্তৰ মহন্তই আজিও হাঁহে কথাষাৰ মনত পৰিলে। আজি অৱশ্যে ভাৱে—মিছা চাৰ্টিফিকেটখন দিয়া হলেই হয়তো ভাল আছিল। তেখেতে জানে, ছোৱালীজনীয়ে সৌভাগ্যৰ গুণত সেই-বাৰেই প্ৰমোচন পাইছে।

তাৰ পাচত আহিছিল কলেজৰ শিল্পী মুৰ্চ্ছনা চলিহা। তৃতীয়বাৰ এব'ৰ্ছনত তাই মৰিছে। অঞ্জু দত্ত আৰু জমাদাৰৰ ছোৱালী মগ্‌লী আজিও জীয়াই আছে। মধুমতী মৰিছে। কিন্তু তাইৰ পিশাচ গিৰিয়েকটো ভিক্ষা কৰি খাইও জীয়াই আছে। তাই আহিছিল উপদংশগ্ৰস্তা হৈ। মদাহী ভণ্ডুৰা চৰিত্ৰহীন গিৰিয়েকে নিশ্চিন্ত হৈ লৈছিল তাইৰ ওপৰতে সংসাৰৰ সমস্ত ভাৰ অৰ্পণ কৰি। গিৰিয়েক নিশ্চিন্ত হ'ব পাৰিছিল নিতান্ত অযুক্তিকৰভাৱে নহয়। তাই আছিল অপূৰ্ব সুন্দৰী।

সি আশা কৰাৰ দৰেই সংসাৰ-বিৰাগী কত বিত্তশালীৰ সহস্ৰ অনুযোগ আৰু আশীষৰ প্ৰকোপত লুণ্ঠিত হৈ পৰিছিল দিনে দিনে তাইৰ দেহ-সৌষ্ঠৱ। মধুমতীক যিদিনা গিৰিয়েক লৈ আহে সিদিনা গিৰিয়েকৰ প্ৰতি অদ্ভুত ঘৃণাত নাক কোঁচাই দিছিল শৰ্মিলা মহন্তই। কিন্তু আজি আৰু সেই ঘৃণাৰ তীব্ৰতা নাই তেওঁৰ মনত। মদৰ জ্বালাত কেতিয়াবা আহে তেওঁৰ তালৈ, দুই চাৰি অনা পইচা খুজি লৈ যায়হি। একো নভবাকৈয়ে তেওঁ দি পঠিয়ায়।

এইবোৰ দেখি শুনি মানুহবোৰৰ প্ৰতি ঠিক ঘৃণাও নহয়, এক অদ্ভুত নিৰ্বিকাৰ উদাসীনতা আহি পৰিছে শৰ্মিলাৰ মনত। শ্ৰদ্ধা, বিশ্বাস, মৰম আদিৰ এটা পইচামানো মূল্য নাই মানুহৰ

ওচৰত। যিওবা অলপ আছিল বুলি বিশ্বাস ৰাখিছিল, সেই বিশ্বাসো ছাৰখাৰ হৈ গ'ল।

অলৰ্ক দাসৰ কথা মনত পৰাৰ লগে লগেই শৰ্মিলাই দেহৰ সকলো জড়তা পাহৰি গ'ল। বিছনাত ঘপকৰে উঠি বহিল। ইমানপৰে অকণো টোপনি নাহিল তেওঁৰ। ইপিনে টুটুৱে বাৰে বাৰে খবৰ দিছেহি বাহিৰত মানুহে অপেক্ষা কৰি থকাৰ।

গা পা ধুই হস্পিতালত সোমোৱাৰ লগে লগে ৰাতিৰ সমস্ত গ্লান পৰিষ্কাৰ হৈ গ'ল। ব্যস্ত হৈ পৰিল জীৱন-মৃত্যুৰ হেতালি লৈ— মমতাহীন মমতাৰ দৃশ্যাভিনয় কৰি কৰি। সেইখন বেমাৰীৰ দুনিয়া, সিহঁতক মৰম লাগে—অনুকম্পাৰ স্পৰ্শ াসহঁতে বিচাৰে। কিন্তু মৰমসিক্ত অন্তৰ নাইবা এখন অনুকম্পা-গধুৰ হৃদয় নহলেও চলে সিহঁতৰ।

কতদিন হাস্পতালত থাকি সুন্দৰ স্বাস্থ্য লৈ উভতে কত ৰুগ্ন মুমুৰ্ষু ৰোগীয়ে, কোলাত দিপ্‌লিপ্ কেচুৱা লৈ পৰম সন্তুষ্টিৰ হাঁহিৰে বিদায় লৈ যায় সৌভাগ্যৱতী কত জননীয়ে। তাৰ পাচত সেয়ে শেষ। সেই পৰিচয়, সেই বিদায়ৰ কোনো অৰ্থ নাই কাৰো ওচৰত। সেই একেবোৰ ৰোগীয়ে, একে জননীয়ে হয়তো আকৌ কতবাৰ আহিব নতুন নতুন পৰিচয় লৈ আৰু তেনেদৰেই লব কতবাৰ নতুন নতুন বিদায়।

অপাৰেশ্যন থিয়েটাৰৰ পৰা যেতিয়া ওলাই আহে তেতিয়া প্ৰায় এক বাজিছে। ভোকত সৰু ছোৱালীজনীৰ দৰে অস্থিৰ হৈ সোমালহি কোৱাৰ্টৰত। গা-পা ধুই ভাত খাবলৈ বহোতেই টুটুৱে খবৰ দিলেহি যে অলৰ্ক দাস আহিছিল তেওঁক বিচাৰি। কথাষাৰ শুনাৰ লগে লগে মহন্তৰ খোৱাৰ আগ্ৰহ নাইকিয়া হ'ল। অন্তৰৰ কোনোবাখিনিত কিবা এটা অনুভূতিয়ে বিদ্ৰোহ কৰি উঠিল। বেমাৰ নোহোৱা মানুহবোৰে অনৰ্থক আমনি দিয়াটো লেডী ডাক্তৰ মহন্তই কোনাৰকমেই সহ্য কৰিব নোৱাৰে। তাৰোপৰি কালি সন্ধিয়া যি

স্বৰূপ লৈ আহিছিল অলৰ্ক দাস! সিহঁতে জানো ভাবি নেপায়—ধনে-জনে ভৰা এখন সংসাৰৰ মালিক হৈ, সঙ্গতিসম্পন্ন জী-জোঁৱাইৰ অশেষ শ্ৰদ্ধা লৈ, উচ্চপদ আৰু সমাজত বিপুল প্ৰতিষ্ঠাৰ আশীৰ্বে জানো জানিবৰ কোনোদিন আগ্ৰহ ৰখা নাই—পৃথিৱীৰ আৰু বহুতো মানুহ আছে যি সিহঁতৰ দৰে নহয় বাবেই সিহঁতৰ প্ৰতিপত্তি বৰ্ত্তি আছে।

আঠোটা ল'ৰা-ছোৱালীৰ বাপেক অলৰ্ক দাস। আজিও মনত পৰে—বৰ ছোৱালীৰ নাতিৰ জন্মৰ সময়ত শৰ্মিলাই অকুণ্ঠভাৱে কিমান কষ্ট সহ্য কৰি তাইক মৃত্যুৰ মুখৰ পৰা বচাইছিল। তাই বাচিল আৰু লগে লগে শৰ্মিলাও এজনী জীয়ৰীৰ দৰেই হৈ পৰিল অলৰ্ক দাসৰ। হাঁহে, মাতে, আবদাৰ কৰে আৰু পাক-ঘৰত আহৰি সময়ত ঘণ্টাৰ পাচত ঘণ্টা ধৰি গৃহিণীৰ সতে মেল মাৰে আৰু ফুলৰি ভাজি খুৱায়। প্ৰায়ে নিশা অলৰ্ক দাসেই সেই দুইফাৰ্লং বাট লেডী ডাক্তৰৰ কোৱাৰ্টাৰলৈ আগবঢ়ায় দি যায়হি। কোনোদিন কোনো এটা মুহূৰ্ততে সেই সম্পৰ্কৰ শিথিলতা নাছিল। শৰ্মিলাৰো আসঙ্গ-বিফলতাই বিদ্ৰোহী কৰি তোলা মনত অলপ নিৰ্ভৰ পাইছিল অলৰ্ক দাসৰ পিতৃব্য স্বৰূপ দেখি।

তাৰ পাচত অলৰ্ক দাস বদলি হৈ গৈছিল। কোনোদিন চকু সেমেকা কৰাৰ বাবে আহৰি নথকা শৰ্মিলাৰ চকুযুবিও সেমেকি উঠিছিল অলৰ্ক দাসৰ পৰিয়াল যোৱাৰ দিনা।

আজি এয়া দুবছৰৰ পাচত আকৌ অলৰ্ক দাস আহিছে। অকলে। মৰিলেও মৰকামোৰ নেৰা বাং কুকুৰৰ দৰে অলৰ্ক দাসে যেন পৃথিৱী পাত পাত কৰি এইখিনি পাইছেহি।

ৰাতি হৈ অহাৰ লগে লগে ভয় ভয় লাগিছিল শৰ্মিলাৰ। এক আতংকময় উৎকণ্ঠা লৈ উৎকৰ্ণ হৈ বহি আছিল বাহিৰৰ দুৱাৰখন বন্ধ কৰি। তেওঁ হয়তো আকৌ ওলাবাহ যি কোনে মুহূৰ্ততে।

নিৰ্মলা গ'ল কোনোবা বান্ধৱীৰ তালৈ। আজি নিশ্চয় নাহে।

টুটুৰে পঢ়ি পঢ়ি শুই পৰিল। এইখিনি সময়তে শৰ্মিলাৰ অসহ্য লাগি যায়। তাতে আজি এই আগন্তুক পৰিস্থিতিটোৰ কথা ভাবি ভয়তে জঠৰ হৈ পৰিছে দেহ মন। মনে মনে অথচ এটা দুৰ্বাৰ জেদ—শেষ পৰ্য্যন্ত চাই যোৱাৰ। পাৰাপাৰহীন এক বিমূঢ়তাৰ মাজত পৰি নিস্ফল হৈ বহি থাকিল শৰ্মিলা মহন্ত।

কিমান ৰাতি শৰ্মিলাই নিজেই ক'ব নোৱাৰে—বাহিৰত এখন মটৰ ৰখাৰ শব্দ শুনা গ'ল। বাৰান্দাত খট্ খট্ জোতাৰ শব্দ হ'ল। পাচত দুৱাৰতো মৃদু ৰহস্যময় টোকৰ পৰিল।

শৰ্মিলাৰ সমস্ত সত্তা জঠৰ হৈ পৰিল। মনে মনে দেখিলে এটা মাতালৰ ৰূপ। মদৰ নিচাত এটা ক্ষুধাতুৰ বুঢ়া ভালুকৰ দৰে লালতিসিক্ত মুখ মেলি হয়তো দুৱাৰ সিটোফালে ৰৈ আছে অলৰ্ক দাস। কথাটো কল্পনা কৰাৰ লগে লগে মনৰ সমস্ত ভয় নাইকিয়া হৈ গ'ল। শৰীৰ আৰু মনৰ অনন্ত ৰুগ্নতা লৈ অলৰ্ক দাস আজি ডাঃ মহন্তৰ কৰুণা-প্ৰাৰ্থী। তেওঁ সহানুভূতিৰ পাত্ৰ।

হতাশ হৈ ঘূৰি যাব ধৰিছিল অলৰ্ক দাস। শৰ্মিলাই দুৱাৰ খুলি মুখতে থমকি ৰ'ল। অলৰ্ক দাস হাঁহি হাঁহি ঘূৰি আহিল। ৰাষ্টাৰ লাইটৰ ক্ষীণ পোহৰত ক'লা টুপিটোৱে এটা ভুতৰ দৰে হৈ পৰিছিল অলৰ্ক দাস। টুপিটোৰ ছাঁৰ তলেদি চকুযোৰ এটা দুৰ্মদ লিপ্সাত তিৰ্‌বিৰ্‌ কৰে জ্বলি উঠিছিল।

"তুমি শোৱা বুলিহে ভাবিছিলোঁ মিলা।" মদৰ ভেকেচা ভেকেচা গোন্ধেৰে মুখখন শৰ্মিলাৰ মুখৰ ওচৰলৈ নি খুব মৰম সানি কৈছিল আৰু শৰ্মিলাক একৰকম ঠেলিয়ে ভিতৰলৈ লৈ গৈছিল।

"আপুনি বহক" শৰ্মিলাই অকণো বিৰক্ত নোহোৱাকৈ চকী এখন দেখুৱাই দিছিল। শৰ্মিলাৰ গহীন মুখখন দেখি মনে মনে খুব বিব্ৰত হৈ পৰিছিল অলৰ্ক দাস। চকীখনত বহি লৈ পৰিস্থিতিটো সহজ কৰি তোলাৰ উদ্দেশ্যৰে ক'লে, "তুমি দুবছৰতে ইমান সলনি

হৈ গলা মিলা? আগেয়ে কিমান মোৰ ওচৰত বহি বহি মেল মাৰিছিলা, কতদিন ৰাতি অকলে অকলে তোমাক আগবঢ়াই দিছিলোঁ—আজি দেখোন কিবা বনৰীয়া চৰাইৰ দৰে আঁতৰে আঁতৰে ফুৰিছা?"

শৰ্মিলা নীৰৱ হৈ ৰ'ল। বিৰাট অন্তৰ্দ্বন্দ্বত মন ব্যতিব্যস্ত হৈ পৰিছিল তেওঁৰ। কোনো প্ৰত্যুত্তৰ নেপাই দাসে আকৌ কলে, "কি? মদ খাই অহা কাৰণে বেয়া পাইছা নিশ্চয়? কিন্তু তুমিতো নাজানা কি অসহ্য যন্ত্ৰণাত মই মদ খাবলৈ আৰম্ভ কৰিছিলোঁ—আৰু এতিয়াও খাওঁ।"

ঠিক এনেবোৰ কথা শুনিলে শৰ্মিলাৰ খুব হাঁহি উঠে। শৰ্মিলাই হাঁহিলে কথাবাৰ শুনি। এই পাতলামিৰ সুযোগ অলৰ্ক দাসৰ দৰে মানুহবোৰে কেতিয়াও এৰি নিদিয়ে। তেওঁ ঘপ্‌কৰে হাতত ধৰি গাৰ নিচেই কাষলৈ টানি লৈ গ'ল শৰ্মিলাক। শৰ্মিলাও নিৰ্বিবাদে ঘনিষ্ঠ হৈ থিয় হ'ল অলৰ্ক দাসে বহা চকীখনৰ হাতোৰাত ধৰি। লাহে লাহে অলৰ্ক দাসৰ হাতখনে সাপৰ দৰে শৰ্মিলাৰ লাহী কঁকালটো সাৱটি ললে।

শৰ্মিলাই দুৰ্বল অকমাণ ল'ৰা এটাৰ লগত খেলি থকাৰ দৰে নিৰ্বিকাৰ ভাৱে কৈ উঠিল। "আপুনি আজি ইয়াতে থাকিব নহয়—"

ক্লাছৰ নতুন জুৱাৰীয়ে দুটা টেক্কা পাই তৃতীয় পাতটো লাহেকৈ ডাঙি আৰু এটা টেক্কা দেখাৰ দৰে অলৰ্ক দাস চক খাই উঠিল। "অ' ব'লা, আমি আজি একেটা কোঠাতে থাকিম। গোটেই ৰাতি মেল মাৰিম। কিমান দিন যে কথা পতা নাই তোমাৰ লগত।" অলৰ্ক দাসে অস্থিৰ হৈ ওচৰৰ নিৰ্জন কোঠাটোত সোমাই পৰিল। বিচনাত বহি অধীৰ আগ্ৰহেৰে বাট চাই থাকিল শৰ্মিলাৰ বাবে।

শৰ্মিলা দুৱাৰ-মুখত খন্তেক থমকি ৰ'ল। দিন দিন ধৰি

উজাগৰ অপেক্ষাৰ মূল্য জানো আছে? নিৰামিষী নৈতিকতাৰ মূল্য জীৱনে জানো কোনোদিন কাৰোবাক দিলে? তেখেতে জীৱনৰ সৰ্বস্ব দিওঁতেও অম্লানৰ মন জয় কৰিব নোৱাৰিলে—অথচ ৰমলাই এটা ফুটা কড়িও নিদিয়াকৈয়ে অম্লানক এৰাল দিয়া গৰুৰ দৰে ধৰি ৰাখিলে? নাচনী ৰমলাই কত গণ্ডাই গণ্ডাই প্ৰেমিকক মন দিওঁতে দিওঁতে মন সাং হৈ গ'ল। অথচ অম্লান তাতেই বন্দী হৈ ৰ'ল। ইমান পঙ্কিলতাৰেও যদি কোনোবা নাৰী কাৰোবাৰ গ্ৰহণীয় হ'ব পাৰে, তেনেহলে তেওঁৰ এই কৃচ্ছ্ৰ সাধনাৰ অৰ্থ কি?

মনত এটা অদ্ভুত জেদ লৈ একো থিৰাং কৰিব নোৱাৰাকৈয়ে সোমাই পৰিল কোঠাটোৰ ভিতৰত আৰু জোৰেৰে দুৱাৰৰ অৰ্গলটো লগাই দিলে। অলৰ্ক দাস এটা ক্ষুধিত বাঘৰ দৰে একে চোচাই শৰ্মিলাক গৰা মাৰি ধৰিলেহি। হঠাৎ অতিশয় ঘৃণাত সঙ্কুচিত হৈ পৰিল তেওঁ। গা বমি বমি লাগিল অথৰ্ব দেহৰ স্পৰ্শত। কুমজেলুকা হাতত লাগিলে জোকাৰ মাৰি পেলোৱাৰ দৰেই জোকাৰ মাৰি দিলে তেওঁ। অলৰ্ক দাস উফৰি বিচনাত পৰিল আৰু ভীতি-বিহ্বল চকুৰে শৰ্মিলালৈ চাই ৰ'ল।

শৰ্মিলাৰ মনত পৰিল শেষবাৰৰ কাৰণে দেখা—অম্লানৰ অৱজ্ঞা-গহীন মুখখন। আজিৰ এই আত্মসমৰ্পণৰ পৰাজয়ে অকল অলৰ্ক দাসকেই তৃপ্তি নিদিয়ে, দিব অম্লান দুৱৰাকো। অম্লানে পলমকৈ হলেও বিৰাট এটা যুক্তি বিচাৰি পাব শৰ্মিলাক বিয়া নকৰোৱাৰ। সদম্ভে মানুহৰ আগত গাব পাৰিব নিজৰ দূৰদৰ্শিতাৰ কথা, মানুহ চিনি পোৱাৰ অদ্ভুত ক্ষমতাৰ কথা। সেই গৰ্ব অন্ততঃ শৰ্মিলাই দিব নোৱাৰে। অম্লান নোহোৱাকৈয়ো তেখেতৰ জীৱন যে প্ৰাচুৰ্য্যেৰে উপচি পৰিব পাৰে, অম্লানে আশ্ৰয় নিদিলেও যে তেওঁ বাস্তুহাৰাৰ যাযাবৰী জীৱন কটাবলগীয়া নহয়, অম্লানে জীৱনৰ সমস্ত সংস্থাপন অস্বীকাৰ কৰিলেও যে শৰ্মিলা বাটৰ ভিখাৰী হৈ

লোকৰ দুৱাৰে দুৱাৰে প্ৰত্যাশাৰ দুৰ্বহ বোজা বৈ ফুৰিবলগীয়া নহয়, তাকেহে প্ৰমাণ কৰিব শৰ্মিলা মহন্তই।

হঠাৎ এক অপৰিসীম দৃঢ়তাত উত্তেজিত হৈ গ'ল শৰ্মিলা। অলৰ্ক দাসৰ ফালে ঘূৰি চালে আৰু চিঞৰি উঠিল, "আপুনি এতিয়াই বাহিৰ হওক মোৰ ঘৰৰ পৰা! গেট আউট!"

অলৰ্ক দাস যোৱাৰ পাচতে বাহিৰৰ দুৱাৰখন সজোৰে বন্ধ কৰি টুটুক সাৰটি লৈ শুই পৰিল ডাঃ শৰ্মিলা মহন্ত।

উন্মেষ

ইমরান শাহ

মোৰেই বুলি নহয়, মোৰ বোধেৰে শতকৰা চাৰিকুৰিজন মানুহৰে ব্যক্তিত্বৰ দুটা দিশ থাকে। এটা বাহ্যিক, আনটো গোপন। বাহিৰত মই এজন খ্যাতনামা গায়ক। এজন অনেক ছাত্ৰ আৰু অনেক মানুহৰ সম্মানৰ পাত্ৰ অধ্যাপক। আৰু ভিতৰত মই এটা সামান্য তেজ আৰু মঙহ, মন আৰু বোধ, ভাল আৰু বেয়াৰ সমষ্টি নিতান্ত সাধাৰণ মানুহ। অতি সাধাৰণ। অৱশ্যে ইয়াৰ বাবে মোৰ লাজ পাব লগা একো নাই। মই জানো, এই সাধাৰণত্বখিনি আছে বুলিয়েই মই ব্যতিক্ৰম নোহোৱাকৈ সুখী, প্ৰাণ খুলি হাঁহিব পৰা অথবা দুখত কান্দিব পৰা এটা মানুহ হৈ আছোঁ। দিনত আহ্বান আহিলে মিটিঙত 'ইট্ ইজ্ হোৱেন থট্ বিকামচ্ পাৰফেক্টেড্ ইন ইণ্ট্ইস্যন ডেট্ উই কেটচ্ ডি ভিঞ্চন অব্ ডি ৰিয়েল'—বুলি বৰ বৰ আদৰ্শৰ কথা কৈ আহি ঘৰৰ চাহ পলম কৰা বাবে বনকৰা ল'ৰাটোক ৰঙা-কলা দেখুৱাওঁ। বাহিৰৰ সমাজত গান্ধীজীৰ জ্ঞানী বান্দৰ তিনিটাৰ অভিনয় কৰোঁ। ঘৰত মোৰ ভাগিন পি-ইউ ক্লাচৰ ছাত্ৰ নতুনকৈ যৌৱন পাই প্ৰেম মানে ধুনীয়া ছোৱালী বুলি ভাবিবলৈ শিকিবলৈ আৰম্ভ কৰা বীৰুৰ কোঠাৰ পৰা কথাছবিৰ আলোচনী মনে মনে আনি শোৱাৰ আগতে পঢ়োঁ; পঢ়োঁ মানে ছবি চাওঁ। কেতিয়াবা ৰাতিপুৱা সাৰ পাই দেখো ঠিক মোৰ গাৰুৰ কাষত—যেন

মোৰ কাষতে শুইহে আছে এনে ভঙ্গীত পৰি আছে কোনোবা বিদেশীনিৰ পূৰ্ণ-পৃষ্ঠাৰ ছবি। ৰঙীন। লৰা-লৰিকৈ ৰাতি টোপনি অহাৰ আগ মুহূৰ্ত্তৰ কথাবোৰ মনত পৰি ইমান দূৰত আলোচনীখন এনে ভাৱে থৈ বিচনাৰ কাষত কৱিতাৰ কিতাপ এখন এনে ভাবে ৰাখি ওলাই যাওঁ, যাতে ইতিমধ্যে কোনোবা সোমাই আহিলে ভাবে, মামাই ৰাতি কবিতা পঢ়ি পঢ়িয়েই টোপনি গৈছিল। ঘৰত মাত্ৰ দুটা ভাগিনহে। ৰীৰু আৰু হীৰু।

মোৰ ব্যক্তিত্বৰ বাহিৰ ফালত আছে শামুকৰ খোলটোৰ দৰে সযত্নে আহৰিত কিছুমান অভ্যাসৰ এখন বৰ্ম্ম। ভিতৰত কিছুমান কোমল কোমল দুৰ্ব্বলতা। এয়া মোৰ নিজা। এই দুৰ্ব্বলতাক মোৰ ভাল লাগে। ইয়াৰ বাবেই জীৱনটো অনেক মিঠা হৈ থকা যেন লাগে। আৰু এই দুৰ্ব্বলতাৰে এটা প্ৰপঞ্চ এই ফটোখন। এই কণা দুৰ্ব্বলতা নথকা হলে ফটোখন সংগ্ৰহ কৰি যি আনন্দ মই পাইছিলোঁ তাৰ আদিমতাখিনিৰ পৰা মই বঞ্চিত হ'লোহেঁতেন। মৰম-মৰম এটা অনুভূতিৰ সলনি নিজৰ লাজতে নিজৰ মুখ নিজৰে পৰা লুকুৱালোহেঁতেন। এইখন ফটো—

অনিমাৰ ফটো।

যথেষ্ট কষ্ট আৰু বুদ্ধি খৰচ কৰি এইখন মই সংগ্ৰহ কৰিছোঁ। মোৰ সেই সময়ৰ অৱস্থাৰ স্বৰূপ মই নিজেই নুবুজোঁ। কিবা এটা হৈ গৈছিল মোৰ। দিনে নিশাই একেটা পোকেই যেন বুকুৰ মাজখন খুলি খুলি খাইছিল। জীৱনত মই মদ খোৱা নাই, তথাপি এনে লাগিছিল যেন পৰম তৃষ্ণা লৈ মই মদৰ ভাটিলৈ গৈছিলোঁ। বাহিৰৰ পৰা দেখিছিলোঁ ভিতৰত থাক-থাক বটল সজোৱা আছে। আৰু মোক বাৰাণ্ডাত ঠিয়কৈ ৰখা হৈছে প্ৰৱেশ দ্বাৰ বন্ধ কৰি।...হঠাৎ এদিন ভাৱ হৈছিল—যদি মোৰ ওচৰত অনিমাৰ এখন ফটো থাকে তেনেহলেই যেন হৈ যায়। সকলো দাহ উপশম হয়। সকলো নোপোৱা পোৱা হৈ যায়। প্ৰেম শব্দটোৱেই প্ৰশান্ত। তাত

উত্তালতা নাই। কিন্তু ৰঙীন বাসনা সদায় উত্তাল। পৰিতৃপ্তিত মাথোন ই প্ৰশমিত হয়। কিন্তু যদি কোনো মানুহৰ ৰঙীন বাসনা অতৃপ্ত অথবা প্ৰদমিত থাকিব লগা হয় তেন্তে মানুহে পলায়নৰ পথ বিচাৰে। আৰু সেই পথ প্ৰায় সদায়েই বিকৃতিৰ পথ হয়। প্ৰেমত বিফল হৈ আত্মহত্যা কৰা, মজন্নুন্ হৈ ওলাই যোৱা, সৈন্য বিভাগত যোগ দিয়া—চবেই প্ৰকৃততে বিকৃত পলায়ন। চব ক্ষেত্ৰতে 'লাভ'তকৈ 'পেশ্যন'ৰ প্ৰকোপ প্ৰগাঢ়। মোৰ ক্ষেত্ৰত এই বিকৃতি আছিল কিছু পৰিমাণে আত্মৰতিৰ নিৰ্জ্জন বিলাপ।

বাদল চক্ৰৱৰ্ত্তীৰ 'আল্পনা ষ্টুডিঅ' পূজা ফিল্ডৰ মূৰত। টেম্পল ভিউ ৰেষ্টোৰাঁৰ গাতে লগা। সেই বাটেদি শিৱসাগৰ পুখুৰীৰ পাৰত সান্ধ্য-ভ্ৰমণ কৰিবলৈ মই সদায় যাওঁ। হঠাৎ এদিন দেখিলো আল্-পনাৰ শ্ব' কে'চত এখন ধুনীয়া ছোৱালীৰ ডাঙৰ ছবি সজোৱা আছে। ছবিখন অঁকা যেন নেলাগে। অথচ কেমেৰাত তোলা যেনো নেলাগে। টেম্পল ভিউত মই প্ৰায়ে চাহ খাওঁ। চক্ৰবৰ্ত্তীৰ শিল্পী হিচাপে সুনাম আছে। ময়ো শিল্পী। অলপীয়া চিনাকি আছিলেই। এদিন সোমাই গ'লো, তাৰ পিচত ভালেমান দিন। মোৰ স্বাৰ্থৰ ভেজাল খিনি নথকা হ'লে আমাৰ মাজত বন্ধুত্বই গঢ়ি উঠিল বুলি ক'লো-হেঁতেন। ছবিখনিৰ বিষয়ে জানিলোঁ,—কিবা হেনো ফিগাৰ এনলাৰ্জিং কৰা। কথাই কথাই মোৰো এখন ফটো গ্ৰুপৰ মাজৰ পৰা উলিয়াই এন্লাৰ্জ কৰি দিব পাৰিবনে সুধিলোঁ। ক'লে, উনৈশ টকা পৰিব। হাঁহি উঠি গৈছিল চক্ৰবৰ্ত্তীয়ে উনৈশ টকাত জোৰ দি কোৱা কথা শুনি। ফটোৰ ব্যৱসায় কৰা মানুহ চক্ৰৱৰ্ত্তী। কোন মানুহৰ কাৰণে কোন ফটোৰ দাম কিমান কেনেকৈ বুজিব আৰু! বহুত যত্ন কৰি পুৰণি কটনিয়ান এখন সংগ্ৰহ কৰি তাৰ এখন গ্ৰুপ ফটোৰ পৰা অনিমাৰ এখন ফটো চক্ৰবৰ্ত্তীৰ হতুৱাই কৰালোঁ!……

……কলেজৰ পৰা আহি এক তাৰিখে পোৱা টকাখিনি বাকচত থবলৈ বাকছৰ তলাটো খুলিয়েই চকুত পৰিল অনিমাৰ ফটোখন.

বহুত পৰ চাই ৰ'লো, আকৌ থৈ দিলোঁ। বাকচটো খুলিলেই ফটোখন চাওঁ আৰু মোৰ এটা নিলাজ সপোনৰ কথা ভাবোঁ। খুনী খুন কৰা ঠাইলৈ পঞ্চাশ বছৰৰ মূৰত হলেও এবাৰ নহয় এবাৰ জীৱনত ঘূৰি আহেই। যি বিলাক লোভে মানুহৰ কামনাক বিমুখ কৰি পঠাই মানুহৰ কামনাই সেই লোভৰ কল্পনা কৰেই; জীৱনত এদিন হলেও, অনেক পোৱাৰ মাজতো, মইতো মাত্ৰ ফটো এখন পাইছোঁ। ফটোখন চালেই সদাই মোৰ হোৰিগুচি হাইদাতুৰ কবিতা এটা মনত পৰে। মনে মনে কবিতাটো গাওঁ:

"আঙুৰ বনত
এটি শিয়াল
আৰু এটা কুকুৰ-নেচীয়া বাঘ
তোমাৰ খিড়িকীত!" মনটোৱে কিবা এক অনামিকা অনুভূতিত হাহাঁকাৰ কৰি উঠে। থৈ দিওঁ।

থৈ দিলোঁ। নিঃশব্দ শুকান হুমুনিয়াহ এটা সৰি পৰিল। মেজত মোৰ নামত কেবাখনো চিঠি পৰি আছে। এখন মামাৰ। এখন ভন্টিৰ। এখন বিয়াৰ চিঠি। এখন ৰেডিওৰ। এখন——বিয়া কাৰ হ'ল বুলি খোলা লেফাফাটো মেলি দেখো—হিমাংশুৰ!

হিমাংশুৰ?—হিমাংশু! কাৰ লগত? তেন্তে কি—তেন্তে—...."ডিব্ৰুগড়ৰ শ্ৰীযুক্ত অৰুণাভ চৌধুৰীৰ দ্বিতীয়া কন্যা শ্ৰীমতী বনলতা—।" কান্দিম? হাঁহিম—শুই পৰিম? নে দৌৰ ধৰিম? কাৰোবাক মাতি বহুত কথা কৈ দিবৰ মন গ'ল। মন গ'ল কোনোবা দূৰান্তৰ নিবিড় নৈঃশব্দৰ মাজত বহুত সময় চুপচাপ বহি থাকিবলৈ।

হিমাংশুৰ বিয়া বনলতাৰ লগত এই সপ্তাহতে। এয়া মই আগতেই জানোঁ। এইবাৰ 'চবুৰত্ত মেৱা ফলা' কথাৰ প্ৰমাণ পোৱা যাব। ৰেডিওৰ চিঠিখন চালোঁ। অহা মাহত প্ৰগ্ৰেম আছে। অহা মাহত ইউনিভাৰ্চিটিতো কাম আছে। সেয়ে ভাল। অহা মাহতেই

লাহে লাহে কৰা কাম সফল হয়। মুছলমান বৃদ্ধাই ক'বৰ দৰে "আস্তে কাম ৰহ্মানি!"

গুৱাহাটীলৈ গৈ প্ৰথমে অনিমাক লগ ধৰিব লাগিব। গুৱাহাটীতে অনিমাক লগ পাইছিলোঁ। গুৱাহাটীতে অনিমাই সেই কথা মোক কৈছিল। এইবাৰ অনিমাই কি উত্তৰ দিব?

সেয়া চাৰি-পাঁচ বছৰ আগৰ কথা।

মই গান গাওঁ। অনিমায়ো গান গায়। গানে গানেই আমাৰ পৰিচয়। কোনোবা এখন গানৰ আসৰতে প্ৰথম অনিমাক লগ পাওঁ। অদ্ভুত ধুনীয়া ছোৱালী। অপূৰ্ব্ব মিঠা কণ্ঠ। ভাষাৰে সেই ৰূপ সেই স্বৰ বুজাব খুজিলে ভাষাৰ দাৰিদ্ৰ্যই মাত্ৰ প্ৰকাশ কৰা হয়। মই এম-এ পঢ়োঁ। অনিমা থাৰ্ড-ইয়েৰত। প্ৰথম দিনাই অনিমাৰ ৰূপে মোক উত্‌ৰাৱল কৰি তুলিছিল। স্বাস্থ্য নহয়, বাৰিষাৰ পাহাৰী নিজৰাৰ ছন্দ। চেহেৰা নহয় জুই। আৰু অনিমাৰ আকৰ্ষণ ঠিক এপাহ ফুলৰ দৰে আলফুলকৈ চুই অথবা দূৰৰ পৰা চাই উপভোগ কৰিবৰ মন যোৱা কোমল কোমল লগা আকৰ্ষণ নহয়। বৰং সেয়া জুইৰ ছগাৰ প্ৰতি আহ্বানৰ দৰেই আকৰ্ষণ। নিজকে আহুতি দি নিঃশেষ কৰি দিবৰ দুৰ্ব্বাৰ এক প্ৰবৃত্তি জাগে অনিমাক দেখিলে। ক্ৰমে ক্ৰমে অনিমাৰে মোৰ পৰিচয় গাঢ় হৈ আহিছিল। যিমানে অনিমাৰ ওচৰ চাপি আহিছিলোঁ সিমানে মোৰ মৃত্যুৰ কামনা প্ৰগাঢ় হৈ আহিছিল। যিমানে অনিমাৰ মনৰ খবৰ পাইছিলোঁ, তাইৰ হিয়াত সঞ্চিত হীৰা-মুকুতাৰ সন্ধান পাই আহিছিলোঁ, সিমানে মই উপলব্ধি কৰি আহিছিলোঁ মোৰ জীৱনৰ অৰ্থ ক'ত!

উল্কাই জানে উল্কাৰ অৰ্থ ক'ত!

খহি পৰিব পাৰে বাবেই উল্কা উল্কা!

এম-এ পৰীক্ষা দিলোঁ। জীৱনৰ এটা অধ্যায় শেষ হৈ গ'ল। উপলব্ধি কৰিলোঁ এইবাৰ সময় আহিল চব হিচাব-নিকাচ শেষ কৰি

পৰিণতিৰ বাবে সাজু হোৱাৰ। পৃথিৱীৰ পৰা আৰু পোৱাৰ আশা শেষ কৰি পৃথিৱীক কিবা দি যাবৰ বাবে সাজু হোৱাৰ।

ঘৰলৈ ফিৰাৰ আগতে অনিমাক এদিন মাতি নিলো গুৱাহাটীৰ ডিলাইটৰ এটা নিভৃত কোঠালৈ। এটি এটিকৈ অনিমাক মোৰ মনৰ কথা ক'লো। সৰু সৰু আশাৰ কথা ক'লো। এটা জীৱন সফল কৰি তোলাৰ স্বপ্নৰ কথা ক'লো। অকমান আশ্ৰয়ৰ কথা ক'লো যি আশ্ৰয়ে নিষ্ঠুৰ জীৱনৰ পটভূমিত সৰগ ৰচিবলৈ মোক সাহস-শক্তি দিব পাৰে। বোড্‌লেয়াৰৰ কবিতাৰ দৰে যি—

"জীৱন ৰক্ষা কৰিব পাৰে
বতাহৰ লৱণ-ক্ষাৰৰ পৰা
চিৰন্তনতাৰ গন্ধ ঢালে গহনত
তৃপ্তিহীন আত্মাৰ, এন্ধাৰে ভৰা।"

—অনিমা, মইতো কালিলৈ যামগৈ। কেতিয়াবাই কোৱা উচিত আছিল,—কিন্তু ন'কলো। কাৰণ কলেজীয়া ল'ৰা-ছোৱালীৰ সাধাৰণ চিনেমা, চাহ আৰু Tete-a-Tete ৰোমাঞ্চত মোৰ বিশ্বাস নাই। জীৱনক মই চিৰিয়াচ্‌ ভাবেই লওঁ। আৰু জানো, তুমি আন ছোৱালীৰ দৰে নোহোৱা। সেই কাৰণেই যোৱাৰ আগতে মোৰ এটা প্ৰশ্নৰ উত্তৰ মাত্ৰ তুমি দিয়া। সময় আহিলে তোমালৈ মই প্ৰস্তাৱ পঠাব পাৰিম নে? ৰখা নৰখাৰ কথা তুমি তেতিয়া ভাবিবা। তাৰ আগতে ময়ো নিজক প্ৰতিষ্ঠা কৰি ল'ব খোজোঁ।

মই কথা ক'বলৈ আৰম্ভ কৰাৰে পৰা অনিমাই এটা শব্দও উচ্চাৰণ কৰা নাছিল। এতিয়াও ভালেমান পৰ পিয়লাৰ নালটো পিটিকি বহি থাকিল। মই লক্ষ্য কৰিলো অনিমাৰ হাতৰ আঙুলিবোৰ খুব চঞ্চল হৈ উঠিছে। নিজকে যেন সিহঁতে কিবা বিশেষ কাৰণত দোষী-দোষী সাব্যস্ত কৰিছে।

—হিমাংশুক আপুনি চিনি পায়। হঠাৎ তাই সুধিলে।

—হিমাংশু? কোন হিমাংশু?

—আপোনালোকৰ ভুমভুমাৰে।

—হিমাংশু ভট্টাচাৰ্য্য।

মাৰাত্মক মন্তব্য এটা মুখৰ পৰা উফৰি পৰিব খুজিছিল। কোনো-মতে আত্মসংযত কৰিলোঁ।

এতিয়া নহয়। এতিয়া নহয়। নিজকে মই কলোঁ। 'দেৰ আয়দ্ তুৰন্ত আয়দ্!' 'অল্ অজলু মি না শয়তান!' 'শ্ল.এণ্ড্ ষ্টেডি উইনচ্ দি ৰেচ।' শহা আৰু কাছৰ সাধু শুনি ডাঙৰ হোৱা ল'ৰা মই। জানো অসাৱধান ফিৰিঙতিয়ে সযত্নে-নিৰ্ম্মিত প্ৰাসাদ ভস্মীভূত কৰি দিব পাৰে।

অনিমাই মোক কৈছিল—আপোনাক মই সম্মান ক'ৰোঁ। হেজাৰ জনৰ ভিতৰত আপোনাৰ ইচ্ছা মই স্বীকাৰ কৰোঁ; বাট্ উই আৰ্ ইন্ লাভ!...

মনে মনে গুচি আহিছিলোঁ। বুজিছিলো পঞ্জাবী লোক-গীতিৰ 'দিয়া বলেই চাৰি বাত'ৰ দৰে মোৰ দীপো হয়তো আজীৱন জ্বলিব। অনিমা হেৰাই গৈছে।

তথাপি, তথাপিও। মোৰ সুবিধাবাদী বুদ্ধিশীলতাই মোৰ মনক নিচুকনি দিছিল। হিমাংশুক মই চিনো। হিমাংশু মোৰ লবালিৰ বন্ধু। হিমাংশু এতিয়া বিৰাট ব্যৱসায়ী। লাখ টকাৰ কাৰবাৰ। মোৰ বুদ্ধিয়ে মোক কৈছিল, এটা দিন এদিন আহিব। সেই দিনটোলৈ সেইদিন ধৰি বাট চাইছিলোঁ।

চাকৰি লৈ শিৱসাগৰলৈ গুচি অহাৰ আগতে এদিন হিমাংশুক লগ ধৰি অনিমাৰ কথা সুধিছিলোঁ। হিমাংশু খোলা ডেকা। তাতে মোৰ আগত একো কথা লুকুৱাই। চব কৈছিল।

প্ৰথমৰে পৰাই মই প্ৰেমৰ দুটা ৰূপ দেখি আহিছোঁ। সৰহভাগ মানুহেই স্কুলীয়া দিনৰ পৰাই প্ৰেম কৰিবলৈ শিকে। অকালপক্ব উচ্ছ্বাসৰ ফলত দোভাগখিনি প্ৰেমেই বিফল হয়। সকলোতে

আৰু দেৱদাস নহয়। প্ৰায় ভাগৰে জগতৰ প্ৰথম দুই বা এক প্ৰেম-প্ৰচেষ্টা হয় ব্যৰ্থতা, নহয় কেলেঙ্কাৰীত পৰ্য্যবসিত হোৱা অৱধাৰিত-ৰূপে দেখা দিয়ে। আৰু প্ৰথম প্ৰথম দুবাৰ এবাৰ বিফল হৈ বিফলতাৰ বেদনাক হজম কৰিব পৰা শক্তি মনৰ মাজত গোটাই লব পাৰিলেই দলটোৱে প্ৰেমক এটা সস্তীয়া বিলাসৰূপে ধৰি লৈ আৰম্ভ কৰি দিয়ে জমিদাৰী-হাৰত ছোৱালী-চিকাৰৰ অভিযান কৰিবলৈ। কেৱল ল'ৰাই বুলিয়ে নহয়, এনে অনেক ছোৱালীও আছে যি কিমান সংখ্যক ল'ৰাক ঘায়েল কৰিব পাৰিলে এই লৈ আনৰ আগত হক নহক অন্ততঃ আত্ম-প্ৰসাদ লাভ কৰে। ফলত দুয়ো পক্ষই নচুৱাই নাচিবলৈ ধৰাৰ ফলত সমাজত প্ৰলয় নাচোন আৰম্ভ হয়। এই বয়সত প্ৰেমৰ নামত দ্বিতীয় পুৰুষ বা নাৰী-গমন টান কথা। কিন্তু তাৰ পিচত 'কথাগুৰুচৰিত'ৰ সেই নিৰানব্বই—ভোগ্যৰ দৰে বেফিকিৰ হ'ব পাৰি।

কিন্তু পুৰঠ বয়সত প্ৰেমত পৰিলে প্ৰেমো বোধহয় পুৰঠ হয়। কাৰণ উচ্ছ্বাসৰ মাত্ৰা তেতিয়া কমে; চিন্তাও বাঢ়ে।

ঘৰত থাকোতে হঠাৎ এদিন শুনিছিলোঁ৷ হিমাংশুৰ শোৱা কোঠাত এনিশা এজনী মুছলমান ছোৱালী আৱিষ্কৃত হোৱাৰ ফলত প্ৰচণ্ড হৈ-চৈৰ সৃষ্টি হৈছে।

তাৰ কেইদিনমানৰ পিচতে মই হিমাংশুক লগ ধৰিছিলোঁ।

—ভাই হিমু। এতিয়াতো অন্ততঃ তই এইবোৰ এৰিব লাগিছিল। শুনিছো হেনো গুৱাহাটীৰ কোনোবা অনিমা নামৰ এজন ছোৱালীৰ লগত তোৰ বিয়া ঠিক হৈ আছে।

অনিমা! অহ্ ডেট্ চুইটী! —এনে এটা সুৰত হিমাংশুৱে কথা-ষাৰ ক'লে যে এক মুহূৰ্ত্তত মোৰ ধাৰণা হ'ল যেন অনিমা বহুত উচ্চ স্থানৰ পৰা তললৈ আহিল। "কিন্তু বিয়া!" আকাশৰ পৰা খহি পৰি কৈছিল হিমাংশুৱে, "বিয়াতো মোৰ দেউতাই পাতিব। তইতো জানই, আমি লাখপতি মানুহ। আমাৰ সমাজত বিয়া

পলিটিক্সৰ কথা। দেউতাই নেতা। মই কাকো কেতিয়াও কথা দিয়া নাই; শুন—”

আৰু তাৰ পিচত হিমাংশুৱে কৈছিল। মই শুনিছিলোঁ।

কম বয়সত সি মধুমীৰ প্ৰেমত পৰিছিল। সেয়া কি প্ৰচণ্ড প্ৰেম! ৰাতি এক বজাত প্ৰিয়-প্ৰিয়া মিলনাৰ্থে নদীৰ পাৰলৈ ওলাই অহা সৰ্ব্বনাশী প্ৰেম। ওঁঠত ওঁঠ ৰাখি, বুকুত বুকু ৰাখি কত পৰিকল্পনাইযে সিহঁতে নকৰিছিল। সঁচাকৈয়ে পলাই যোৱাৰ কথাও মাজে মাজে গভীৰভাৱে চিন্তা কৰি চাইছিল। অলেখ চুমাৰ আকুল শব্দত অলেখ মৌন-নিশা মৰম-মুখৰ হৈ উঠিছিল।

তাৰ পিচতে বাপেকে বন্দুক দেখুৱাইছিল। তাক নহয়। মধুমীৰ নিজৰ ষ্টেটৰে সামান্য কেৰেণী দেউতাকক। আৰু মধুমীৰ বাপেকে হাতত এমুঠি নোট লৈ এমাহৰ ভিতৰতে মধুমীক বিয়া দিয়াৰ প্ৰতিশ্ৰুতি দি ওলাই গৈছিল। তাৰ নামত বেলেগ এটা চেক-বহী দি বাপেকে তাক কৈছিল,—এয়া টকা তোৰ খৰচৰ বাবে। টকাৰে কিনিব পৰা বস্তুৰ বাবে বংশৰ বদনাম নানিবি। —পৰোক্ষে সিদিনাই বাপেকে তাক লাম্পট্যৰ স্বাধীনতা দি জনাই দিছিল প্ৰেম সাধাৰণ মানুহৰ বলিয়ালি মাথোন বুলি। প্ৰেমৰ আৰাম উপভোগ কৰা আৰু জীৱনকেই প্ৰেমৰ গোলাম কৰি তোলা দুখন সম্পূৰ্ণ বেলেগ পৃথিৱীৰ কথা।

—“শুন”—দেউতাই মোক কৈছিল, “তাজমহলত যিমান প্ৰেম আছে তাতোকৈ বেছি দম্ভ আছে। ভাবি চাবি।”

“ভাবি চাইছিলোঁ। আৰু সেই দিনাৰ পৰাই আৰম্ভ হৈছিল মোৰ এই অভিযান। মধুমীয়ে এবাৰ প্ৰতিবাদ নকৰাকৈ বিয়া সোমাই গুচি গ’ল। ছোৱালীৰ ভালপোৱাত মোৰ আস্থা হেৰাল। ছোৱালীক ভাল পাব নোৱাৰিলে সিহঁতৰ সতে পুৰুষৰ আৰু কি সম্বন্ধ থাকিব পাৰে তয়ে ক। অনেক চিকাৰ মই কৰিছোঁ। আৰু মোৰ শেষ চিকাৰৰ লক্ষ্য আছিল অনিমা। ব্যৰ্থ মই ক’তো

হোৱা নাই। মোৰ ৰূপ আছে। টকা আছে। আৰু মানুহৰ মন বুজি ধুনীয়াকৈ কথা কৈ মন জয় কৰিব পৰা ব্যৱসায়ী-কৌশল মই জন্ম-সূত্ৰে পাইছোঁ। অতি অহঙ্কাৰী ছোৱালীক মই মাত্ৰ তিনি দিনৰ ভিতৰত মন্ত্ৰমুগ্ধা কৰাৰ শক্তি ধাৰণ কৰোঁ। কিন্তু অনিমাই মোক হাৰ মনাইছে। একেবাৰে অন্তৰৰ পৰা তাই মোক ভাল পাই বুলি মই জানো। অথচ বিয়া কৰোৱাৰ লোভ দেখুৱাইয়ো তাইক মই আত্মসমৰ্পণ কৰাব নোৱাৰিলোঁ। বিয়াৰ শুভ লগনলৈ তাই বাট চাই ৰ'ল। কি আৰু কৰিম! তাই যিমানে ধুনীয়া নহওক, গুণী নহওক, কোৰ্টৰ পেস্কাৰৰেইতো জীয়েক। এয়া অসম্ভৱ। কিন্তু তাই নুবুজে। মোলৈকে বাট চাই বৈছে। ইমান আঁকৰি প্ৰেমিকা মই দেখা নাই। দেহাৰ অপবিত্ৰতাতকৈ বাজে সামান্য কথা একো নাই। মনতো তাই মোক দিছেই। তেন্তে মোক সুখী কৰিবৰ বাবে অলপ ত্যাগেই যদি কৰিব নোৱাৰে—কি ভালপোৱা অ' সেয়া! মোক নেপালে হেনো তাই আত্মহত্যা কৰে। অথচ মই হাতত ধৰিব খুজিলেও চোন চিটিকি পলায়!"

—সেই কাৰণেইতো তাই 'অনিমা'! ইমান স্থূল মনেৰে অনিমাক তই কি বুজিবি হিমাংশু। তই নেজান তই কিমান অভাগা!

—দেউতাৰে কি কয়?

—দেউতাই? অনিমাৰ কথা নেজানেই। শিৰিশৰ লগত এই গণ্ডগোলটো হ'লত অলপ ভয় খাইছে হবলা। বিয়া পাতে হেনো। চৌধুৰীৰ জীয়েক বনলতাক তইতো দেখিছই। বেয়া নহয়, কি কব? শিকলি বান্ধি ৰাখিব লাগিব খালি। জানতো চৌধুৰীৰ দহখন বাগিছা। ল'ৰা নাই।

—তই কি কব?

—লাইচেন্স থাকিলে ফ্ৰি ড্ৰাইভিং কৰিবলৈ সুবিধা বেছি।...

...ঈশ্বৰ, তোমাৰ পৃথিবীতে অনিমা আছে, মই আছো, হিমাংশুও আছে,—তুমি জানা নে নেজানা!...

…গৈছিলোঁ। এমাহৰ পিচত গুৱাহাটীলৈ গৈছিলোঁ।

অণিমাহঁতৰ পটিকত বহি কৈছিলোঁ,—অনিমা!

ডাঙৰ ডাঙৰ ভিজা ভিজা চকুহালেৰে তাই মোলৈ চাই ৰৈছিল।

—দাবী মোৰ নাই অনিমা। তথাপি…

—মোক…মোক সময় দিয়ক…মোক—থোকাথুকি হৈ অনিমাৰ মাতটো ডিঙিতে হেৰাই গৈছিল।

—অনিমা!

—আপুনি যাওকগৈ। আপুনি সুখী হোৱাটোক মই বিচাৰোঁ।

অনেক কথাই বুকুখন তোলপাৰ লগাই তুলিছিল।

একো ক'ব নোৱাৰিলোঁ।

গুচি আহিলো। মই জানো অনিমালৈ মই এতিয়াও বাট চাম। চাবই লাগিব। কিন্তু সেই কথাও ক'ব নোৱাৰিলো।

একুৰা জুই আছিল। জুইকুৰা ফুল হৈ গৈছে। ছিঙি আনিব নোৱাৰি। মৰহি যাব। ভাবিছিলোঁ মনটো মোৰ জ্বলিব। কিন্তু আচৰিতভাবে নিশা মোৰ সেইদিনা টোপনি আহিল পৰম শান্তিত। পুৱা ঘৰলৈ বুলি বিচনা বান্ধি বান্ধি গুণ্‌গুণাই আবৃত্তি কৰিলো গালিবৰ গজল ঃ

ইস্ক্‌ চে তবিয়ৎ নে. জিই কা মজা পায়া
দৰ্দ্দ কী দাৱা পাঈ, দৰ্দ্দ-এ-বে-দাৱা পায়া……

নিৰুপমা বৰগোহাঞি

মধ্যবৰ্ত্তিনী

বাহিৰত মটৰ এখন ৰোৱাৰ শব্দ শুনি ৰেখাৰ অন্তৰখন ধৰক্ কৰি উঠিল।

মিনতিয়েও বোধহয় শব্দটো শুনিছিল, কাৰণ ৰেখাই দেখিলে বৌৱেকে পুনুক কোলাত লৈ ভিতৰৰ পৰা ওলাই আহিছে।

"ৰেখা, ককাইদেৱেৰাহঁত বোধহয় আহিল। চাওঁ গৈ আহা।"

"তুমিহে গৃহিণী, তুমিয়ে অতিথিক অভ্যৰ্থনা কৰাগৈ যোৱা। মই বৰং কাঞ্চাকে পাকঘৰত অলপ সহায় কৰি দিওঁগৈ।" ৰেখাই অন্তৰৰ কৌতুহল আৰু চাঞ্চল্য গোপন কৰি বাহিৰত ঔদাসিন্যৰ ভাব ফুটাই তুলিবৰ যত্ন কৰি বৌৱেকৰ কথাৰ উত্তৰ দিলে।

মিনতিয়ে অলপ হাঁহিলে—"অতিথিৰ খোৱা-বোৱাৰ তদাৰক কৰাটোহে বোধহয় গৃহিণীৰ প্ৰধান কৰ্ত্তব্য। গতিকে অতিথিৰ প্ৰতি কাৰ মনোযোগ বেচি ভালকৈয়ে বুজা গ'ল দেই ৰেখা"......হাঁহি হাঁহি মিনতি বাহিৰলৈ ওলাই গ'ল, আৰু ৰেখাই লাজ পাই প্ৰথমে পাকঘৰলৈ নেযাবলৈকে ঠিক কৰি অলপ সময় একে ঠাইতে বৈ থাক আকৌ অলপ পিচত পাকঘৰলৈকে লাহে লাহে যাবলৈ ধৰিলে।

ৰেখাৰ ককায়েক অনিল দত্ত বিশ্ববিদ্যালয়ৰ প্ৰফেছৰ। তেওঁৰ অন্তৰঙ্গ বন্ধু বিমল বৰুৱা। অনিল দত্তই অৰ্থনীতিত এম. এ. পাছ কৰি বিশ্ববিদ্যালয়ৰ চাকৰি কৰিছে আৰু বিমলে এম. এ. আৰু ল পাছ কৰি ব্যাৰিষ্টাৰী পঢ়িবলৈ লণ্ডনলৈ গৈছিল। তুমাহ মান হ'ল

বিমলে পঢ়া শেষ কৰি ঘৰলৈ উভতিছে; এতিয়া বন্ধু অনিলৰ অনুৰোধত তেওঁৰ লগত কিছুদিন কটাই যাবলৈ আহিছে। বিমল বিলাতলৈ যাবৰ সময়ত অনিলে বিয়া কৰোৱা নাছিল। কিন্তু বিমল যোৱাৰ দুমাহ পিছতে তেওঁৰ বিয়াখন হৈ গ'ল অলপ অভাৱনীয়-ভাৱেই। মিনতিৰ বিয়ালৈ অনিল দৰাপক্ষৰ মানুহ হিচাবেহে গৈছিল, দৰা হিচাবে নহয়। অনিল আচল দৰাৰ সম্বন্ধীয়া ভায়েক আছিল। পিছত বিয়াৰ থলিত এনে এটা ঘটনা ঘটিল যে তাৰবাবে দৰাই বিয়া কৰাবলৈকে অসম্মত হ'ল। দোষটো অৱশ্যে কইনাৰ দেউতাকৰে আছিল। তথাপি অনিলে ককায়েকক বুজাবৰ চেষ্টা কৰিলে যে তাৰ বাবে নিৰপৰাধ ছোৱালী এজনীৰ সৰ্ব্বনাশ কৰিব নেপায়। কিন্তু দৰাৰ যুক্তি এয়ে যে এনে বাপেকৰ ছোৱালী কেতিয়াও ভাল হ'ব নোৱাৰে। জানি শুনি এনে গলগ্ৰহ জীৱনলৈ চপাই ল'ব নোৱাৰি। অগত্যা অনিলে শেষত ঠিক কৰি পেলালে যে সিয়েই ছোৱালীজনী বিয়া কৰাব।

গতিকে এনেকৈ হোৱা বিয়াখনৰ আগতীয়া খবৰ বিমলক দিব নোৱাৰিলে, কিন্তু তাৰ পিছতে সিহঁতৰ যৌথ ফটো পঠিয়াই অনিলে বিয়াৰ সকলো ঘটনা বিবৰি শেষত বিমললৈ লেখিলে—"বিয়াৰ এমাহ পূৰ হ'ল। মোৰ কইনাজনী দেখিবলৈ কেনেকুৱা তই ফটো চাই গম পাবি। বাকী কথা কেবল ইয়াকে কওঁ যে—মাজে মাজে সেই ককাইদেউজনৰ প্ৰতি সহানুভূতি উপজি মই মনে মনে কওঁ —'ককাইদেউ, তুমি হাতৰ লক্ষ্মী ভৰিৰে ঠেলি পঠিয়ালা।'

বিমল অবিবাহিত। তাৰ মাক-বাপেক নাই। ভাই-ককাই বাই-ভনী বহুতো। ঘৰৰ ল'ৰাৰ ভিতৰত সিয়ে সৰু। বাকী আটাইকেইজন ককায়েকেই বিয়া কৰাইছে। এতিয়া বিমল বাকী আছে। অনিলে মিনতিক কৈছিল যে বিমলৰ বিয়াৰ ক্ষেত্ৰত বিমলৰ মতটোৱেই প্ৰধান কথা হ'ব। গতিকে ৰেখাক যদি বিমলৰ অপছন্দ হয়—বিয়াখন হোৱাত কোনো বাধা হ'ব নোৱাৰে।

বিমলক যেতিয়া অনিলে মাতি পঠায় আৰু বিমলো আহিবলৈ আগ্ৰহেৰেই সম্মত হয়, হঠাৎ মিনতিয়ে অনিলক সুধি পেলাইছিল —"ৰাৰু, আমাৰ ৰেখাৰ লগত তোমাৰ বন্ধুৰ বিয়াৰ বন্দোৱস্ত কৰিব নোৱাৰিনে?"

অনিলো উৎসাহিত হৈ উঠিছিল—"ঠিক কথাটোকে ভাবিছা মিনু। মোৰ মনলৈ কিন্তু এইটো ভাব এবাৰো অহা নাছিল। মাইকী মানুহৰ লগত সংসাৰ বুদ্ধিত আমি দেখিছোঁ কোনোমতে ফেৰ মাৰিব নোৱাৰোঁ—অথচ ৰেখা মোৰেই ভনী। ৰাৰু, বিমলৰ ৰেখাক অপছন্দ ন'হবতো?"

মিনতিয়ে গহীনাই উত্তৰ দিছিল—"ৰেখাৰ দৰে ছোৱালী এজনীক যদি অপছন্দ হয় তেন্তে তোমাৰ বন্ধুয়ে অসম দেশত সহজে পছন্দ কৰিবলগীয়া ছোৱালী নেপায় দেই। ৰেখাৰ কোন ফালে নাই কোৱাচোন? দেখাত ইমান ধুনীয়া, পঢ়াশুনাতো ভাল—অনাৰ্চ লৈ বি. এ. পাছ কৰি এম. এ. পঢ়িছে, ঘৰুৱা কাম-কাজ সকলো জানে, স্বভাৱে-চৰিত্ৰই মাতে-কথাই কোনো দোষ নাই। ছোৱালী এজনীৰ থাকিব লগীয়া সকলো গুণেই তো আছে।" মিনতি খন্তেক ৰ'ল, তাৰ পিছত অলপ হাঁহি ক'লে—"ৰেখাৰ আৰু এটা ডাঙৰ গুণ কি জানা? তাইৰ যে তোমাৰ দৰে মানুহ এজনৰ ভনীয়েক হোৱাৰ সৌভাগ্য হৈছে"—

মিনতিক আৰু বেছি ক'বলৈ সুবিধা নিদি অনিলে ওপৰতে কৈ উঠিল—"এৰা, বিমলক কম– বোলো তোৰ নবৌয়েৰাক এইকেইদিন দেখিবি নহয়, আৰু ৰেখাক বেচিভাগ ট্ৰেইনিং নবৌয়েৰাই দিছে—তাৰ পিচত চাবা মিনতি, বিমলৰ আৰু কোনো আপত্তিয়েই নেথাকিব"—

মিনতিয়ে হাঁহি দিলে—"আমি পৰস্পৰক যিদৰে স্তোক-বাক্য শুনাবলৈ ধৰিছোঁ—মানুহে শুনিলে আমাৰ সম্বন্ধটো আন কিবাহে ভাবিব।"

অনিলে গৰ্ব্বেৰে উত্তৰ দিলে—"প্ৰণয়ীৰ ? তিনিবছৰৰ বিবাহিত দম্পতীৰ পক্ষে ইয়াতকৈ সৌভাগ্যৰ আৰু সুখৰ কি সম্বন্ধ থাকিব পাৰে মিনতি ?"......

বিমল সিহঁতৰ লগত কিছুদিন থকাৰ পিছত মিনতিয়েই কথাটো উলিয়াব বুলি দুয়ো ঠিক কৰি থৈছিল। অনিলৰ কাৰণে সেই কামটো দিগদাৰৰ—পাত্ৰী যেতিয়া তাৰ নিজৰ ভনীয়েক আৰু পাত্ৰ অন্তৰঙ্গ বন্ধু।

ৰেখাই কথাটো গম পাই গ'ল—কাৰণ মিনতিয়ে ঠিক স্পষ্টভাবে নহলেও আভাষে ইঙ্গিতে তাইক জনাই থ'লে। এনেকি সুবিধা পালে দুই এবাৰ জোকাবলৈও নেৰিলে। গিৰিয়েকক মিনতিয়ে ক'লে যে এইদৰেই তাই ৰেখাৰ সম্মতি আদায় কৰি লৈছে। কাৰণ যদি হঠাৎ কিবা কৈ ৰেখাই আপত্তি জনায় তেতিয়া হলে বিমলক সুধি অপ্ৰস্তুত হ'ব লাগিব। অনিলে কৈছিল—"তুমি অলপ আগ-তীয়াকৈয়ে ৰেখাৰ মত লৈ পেলালা নেকি মিনু ?"

মিনতিয়ে হাঁহিলে—"মোৰ উদ্দেশ্য আৰু গভীৰ। ৰেখাই এতিয়াৰ পৰা বিমলক লৈ সপোন ৰচিব পাৰিলে সিহঁতৰ ভবিষ্যৎ যৌথ জীৱনটো খুব মধুৰ হ'ব। আৰু চোৱাচোন, ৰেখাইযে আমি পাতি দিয়া বিয়া এখনতো প্ৰেমৰ আস্বাদ পাব পাৰিব।"

অনিলেও হাঁহিলে—"সঁচায়ে তোমালোক ছোৱালীবোৰ বৰ হিচাবী। কিন্তু মিনু, যদি বিমলৰ আপত্তি থাকে—তেতিয়া ?"

মিনতিয়ে দৃঢ়তাৰে উত্তৰ দিলে—"তোমাৰ বন্ধুজন তো মহাদেৱ নহয়। এটা মাহ ৰেখাৰ দৰে ছোৱালী এজনীৰ সাহচৰ্য্যত থাকিও যে তেওঁৰ কোনো ধৰণৰ দুৰ্ব্বলতা নুপজিব সেইটো মোৰ বিশ্বাস নহয়। অন্ততঃ ৰেখাৰ প্ৰতিতো তেওঁৰ কোনো বিৰাগ নোপজে। আৰু আন ভয়ো নাই—তুমিতো কৈছাই কোনো নীলনয়নাই হেনো তেওঁৰ হৃদয় জয় কৰা নাই। বিলাতলৈ যোৱাৰ আগতেও বোলে কোনো ছোৱালীৰ লগতো কোনো ঘনিষ্ঠতা নাছিল—তেন্তে ?"

এইবাৰ অনিলে আৰু একো উত্তৰ দিয়া নাছিল। উত্তৰ দিবলৈ নাছিলোঁ।

পুনুক কোলাত লৈ মিনতি ক্ষীপ্ৰ গতিৰে আগফালে ওলাই গ'ল।

ইতিমধ্যে অনিলহঁত মটৰৰ পৰা নামিছে। মিনতিয়ে দেখিলে, অনিলৰ পিচে পিচে হাতত এটাচি এটা লৈ বিমল আহৰ ধৰিছে। মিনতিয়ে আগ্ৰহ আৰু আৱাহনৰ দৃষ্টি চকুত ফুটাই বিমললৈ চালে। আগতে তাই গিৰিয়েকৰ এই বন্ধুজনক দেখা নাই। এনেকি ফটোতো। অনিলৰ লগত বিমলৰ কোনো ফটো নাছিল। এতিয়া মিনতিয়ে দেখিলে তাই ভবাতকৈ অলপ বেছি ওখ বিমল, গাৰ বৰণটো অনিলৰ দৰেই হ'ব—অৰ্থাৎ বেছি বগাও নহয়, অথচ ক'লাও একেবাৰে বুলিব নোৱাৰি। চুলি বোধহয় কিছু সৰিছে, কাৰণ ঠিক তপা নহলেও গিৰিয়েকৰ তুলনাত বিমলৰ চুলি খুব পাতল যেন দেখি। চকু মুখ নাক নিয়মীয়া, অৰ্থাৎ বিশেষ ধুণীয়াও নহয়, আকৌ বেয়াও বুলিব নোৱাৰি। কিন্তু সমগ্ৰ মানুহজনক পুংখানুপুংখ ভাবে বিচাৰ নকৰি এনেয়ে চালে—দেখি ভালেই লাগিব, বিশেষকৈ মিনতিয়ে মন কৰিলে, বিমলৰ মুখখনত এনে এটা নম্ৰ, বিনয়ী, শান্ত সস্মিত ভাব ফুটি উঠিছে যে দেখিলে এনে লাগে এই মানুহজনে যেন জীৱনত কোনো বেয়া কাম কৰিব নোৱাৰিব কেতিয়াও।

বিমলে নিখুঁত চাহেবী পোছাকেৰেই সজ্জিত হৈ আহিছিল। অৱশ্যে ট্ৰেইনৰ দীঘলীয়া যাত্ৰাই কাপোৰ-কানিৰ পাৰিপাট্য যে বহুতখিনি নষ্ট কৰি পেলাইছে দেখিলেই বুজিব পাৰি।

সেইফালে চাই মিনতিয়ে মনতে বেখাক বিমলৰ ওচৰত ঠিয় কৰাই চালে···বেখাক অলপ বেছি চাপৰ দেখিব।

ঘৈণীয়েকক দেখি অনিলে হাঁহি মাৰি ক'লে—"মিনু, এয়ে বিমল। আৰু বিমল, এওঁ যে মোৰ সহধৰ্ম্মিণী শ্ৰীমতি মিনতি দেৱী, তোক নকলেও হ'ব নিশ্চয়।"

বিমলে উত্তৰত মধুৰভাবে হাঁহি এটা মাৰি কেৱল ক'লে—“নমস্কাৰ নবৌ”, তাৰ পিছত সি পুন্নুলৈ চাই ক'লে—“তোমাৰ নাম কি ভণ্টি ?”

জীয়েকৰ হৈ মাকেই উত্তৰ দিলে—“এইক আমি পুন্নু বুলি মাতো। ভাল নাম পছন্দ নোহোৱাৰ কাৰণে এতিয়াও দিব পৰা নাই।” মিনতিয়ে অলপ হাঁহিলে—“আপোনাকে বাৰু পিছত সেইটো ভাৰ দিম। এতিয়া আৰু ইয়াত বাহিৰৰ ঘৰত বহিব নেলাগে দেই। আপোনাৰ ৰুম ঠিক কৰি থোৱাই আছে। ভোক ভাগৰ লাগিছে নিশ্চয় খুবেই। খন্তেক পৰ জিৰাই গা ধোৱক। ভাত হৈয়ে আছে। অ' চাহ যে খাব পাৰে সেইটো মই সোধাই নাই—”

বিমলে বাধা দি ক'লে—“ওহোঁ, চাহ আৰু নেখাওঁ নবৌ, পুৱাৰ পৰা তিনিবাৰ মান চাহেই খালোঁ। গা ধুই একেবাৰে ভাতেই খাম।” তাৰ পিচত অলপ হাঁহি বিমলে ক'লে—“অৱশ্যে চাহ অলপ মই বেছিয়েই খাওঁ। আপোনালোকৰ লগত থকা কেইদিন এইটো বিষয়ত আপোনাক অলপ আমনি কৰিম দেই।”

মিনতিয়েও হাঁহি মাৰি ক'লে—“সেই আমনি মই অকলে নসহিলেও হ'ব বোধহয়। ৰেখা আছে নহয়, ৰেখাই খুব ভাল চাহ কৰে, আৰু চাহ কৰাত তেওঁৰ অলপো ক্লান্তি নাই।”

কথা পাতি আটাইবোৰ বিমললৈ ঠিক কৰি থোৱা ৰুমটোত ইতিমধ্যে সোমাইছিলহি। মিনতিয়ে মন কৰিলে, বিমলে যেন তাত সোমায়ে মুগ্ধ চকুযোৰৰ দৃষ্টি এবাৰ চাৰিওফালে বুলাই অনিলে। অকল সেয়ে নহয়—সি মিনতিৰ কথাৰ মাজতেই যেন কৈয়ো পেলালে, “মোৰ ৰুমটো আপুনিতো খুব ধুনীয়াকৈ সজাই ৰাখিছে ?”

“মই সজোৱা নাই—ৰেখাইহে সজাইছে। অ' মই কেৱল ৰেখা ৰেখাকৈয়ে আছোঁ, তেওঁকো মাতি আনি আপোনাৰ লগত যে

চিনাকি কৰি দিব লাগে, সেইটো মোৰ ভাবেই হোৱা নাই। ৰ'ব, মই মাতি আনোগৈ, তেওঁ পাকঘৰৰ কামত লাগি আছে। আপুনি বহক দেই— ।" মিনতি ভিতৰলৈ সোমাই গ'ল।

অনিলে এইবাৰ ক'লে—"ৰেখাই সকলো ট্ৰেইনিং পিছে মিনতিৰ পৰাই পোৱা। মিনতি মেট্ৰিক পাছ কৰাৰ পিছত শান্তিনিকেতনত পঢ়িছিল; নহয়, আৰ্টিষ্টিক টেলেণ্ট থাকক বা নেথাকক, তাত পঢ়ি অহা সকলোৰে অলপ নহয় অলপ আৰ্টিষ্টিক টেষ্ট গঢ়ি উঠেই, অৱশ্যে মিনতিৰ গান-বাজনাত ৰাপ আছিল বুলিয়েই তালৈ গৈছিল।" হয়তো সিহঁতে ৰেখা বিমলক লৈ আগতে কৰি থোৱা আশাটো ফলৱতী কৰাৰ চেষ্টাত মিনতিয়ে বৰ আগতেই বিমলৰ আগত ৰেখা ৰেখা কৈ অলপ সীমা চেৰাইছে, এই ভাবিয়ে, অথবা, য'ত বেছিভাগ কৃতিত্ব মিনতিৰে, তাত ৰেখাই এইদৰে সমস্ত প্ৰশংসা পোৱাটোত অসহ্য লাগি অনিলে বিমলক এইখিনি নকৈ নোৱাৰিলে।

বিমলৰ বিচনাৰ মূৰৰ ফালে এখন সৰু টিপয়, খুব সুন্দৰ এমব্ৰোইডাৰী কৰা ঢাকনি এখন তাত পাৰি থোৱা; এখন বেতৰ চকী: বিমলে তাতে বহি জোতাৰ ফিতা খুলি খুলি অনিলৰ লগত কথা পাতি আছিল। অনিল ক'তো বহা নাছিল, কাৰণ তেতিয়া তাৰ কোলাত পুনু, পুনুৱে কাৰো বহা কোলা সহ্য নকৰে, গতিকে তাইক কোলাত লৈ অনিল ৰুমটোৰ ভিতৰতে ঘূৰি ফুৰিছিল।

তেনেতে দৰজাৰ পৰ্দ্দাখন আঁতৰাই মিনতি সোমাল আৰু পৰ্দ্দাখন ডাঙিয়ে ভিতৰলৈ চাই ক্ষন্তেকপৰ তাতেই ৰৈ থাকিল, আৰু মিনতিৰ দৃষ্টি অনুসৰণ কৰি বিমলেও মূৰ ঘূৰালি সেইফালে চাই দেখিলে, হাতত সৰু ট্ৰে এখন লৈ লাহে লাহে ছোৱালী এজনী সোমাই আহিছে।

মিনতিয়ে বিমললৈ চাই কৈফিয়ৎ দিয়াৰ সুৰত ক'লে—"মই পাকঘৰলৈ গৈ দেখিলোঁ, ৰেখাই চাহ কৰিলেই। আধা কাপ মান খাওক, ভাত খাওঁতে খাওঁতে অন্ততঃ আৰু-এঘণ্টা আধাঘণ্টা। ৰেখা,

এই টিপয়খনতে থোৱা না, ঠিয় হৈ ৰ'লা কিয়?' তুমিও বোধহয় আগতে এখেতক দেখা নাছিলা নহয়?"

এই কথাৰ উত্তৰ অনিলেই দিলে—"নাই, বিমলেনো কেনেকৈ দেখিব, মই সৰুৰে পৰা হোষ্টেলত থাকি পঢ়োতেই গৈছে। আমাৰ তিতাবৰৰ ঘৰলৈ বিমল কেতিয়াও যোৱা নাই।"

চাহ কাপ বিনা বাক্যব্যয়ে হাতত তুলি লৈ বিমলে ভদ্ৰতা কৰি ক'লে—"নেদেখিলেও এখেতৰ কথা মই জানোঁ। ইয়াত থাকি পঢ়াৰ কথাটো অনিলে এবাৰ মোলৈ চিঠিত লেখিছিল।" তাৰ পিচত সি ক'লে—"আপেনালোক দেখোন ঠিয় হৈ ৰ'ল—" বিমল ব্যস্ত ভাবে বহাৰ পৰা উঠিব খুজিছিল, মিনতিয়ে সহজ হাঁহিৰে বাধা দি ক'লে —"আপুনি এতিয়া সেইখিনি ভদ্ৰতা কৰিব নেলাগে বাৰু, আমি ভাত-পানী দিয়াৰ দিহা কৰোগৈ। আপুনি গা পা ধোৱক। ৰেখা, এখেতৰ গামোছা আদি বাথৰুমত দিছানে?"

হাতত ট্ৰে খন লৈ খুব অস্বস্তিৰ ভঙ্গীৰে ঠিয় হৈ আছিল ৰেখা, তাই যে বৌৱেকৰ দৰে সহজ হ'ব পৰা নাই সেই কাৰণে নিজকে নিজে খং কৰি আছিল, এতিয়া কোনোমতে উত্তৰ দিলে—"ওঁ, অথনিয়ে দি থৈছোঁ।"

"বাৰু, আপনি তেন্তে গা ধোৱক দেই।—" মিনতিয়ে পুত্ৰক কোলাত ললে আৰু গিৰিয়েকক ক'লে—"তুমি পিছে এই সময়ত চাহ নেখালেই ভাল আছিল—বেছি চাহ যেতিয়া তোমাৰ সহ্য নহয়", তাৰ পিচত তাই ভিতৰ ফালে খোজ লৈ ৰেখাক ক'লে—"ৰেখা, তুমি কাপ প্লেট দুযোৰ লৈ আহিবা দেই—"

পৰ্দ্দাৰ আঁৰত মিনতি অদৃশ্য হ'ল। ৰেখাক যে কৌশল কৰিয়ে তাত তেনেকৈ এৰি গ'ল বৌৱেকে, সেইটো বুজি ৰেখাৰ মিনতিৰ ওপৰত খং উঠিব খুজিছিল, কিন্তু কি আচৰিত, তাইৰ এই খং জানো অকৃত্ৰিম?

লগে লগেই যেন মিনতিক কিবা এটা অতি দৰ্কাৰী কথা ক'বলৈ

মনত পৰিল—তেনেকৈ অতি ব্যস্তভাবে অনিলেও “মিনু, মিনতি” বুলি চিঞৰি পৰ্দ্দা ঠেলি ভিতৰলৈ সোমাই গ'ল। ৰেখা হতবাক হোৱাৰ দৰে হ'ল; মনতে তাই ককায়েকক ক'লে—“You too Brutus!”

“আপোনাৰ কি চাবজেক্ট ?”

অলপ অন্যমনস্ক হৈ পৰিছিল ৰেখা, হঠাৎ যেন এতিয়া উচপ খাই উঠিল।

“ফিলছফি”—ৰেখাই লাজ-নম্ৰ ভঙ্গীৰে উত্তৰ দিলে। তাৰ পিচত খাই শেষ হোৱা কাপপ্লেটযোৰ তাই লাহে লাহে টিপয়খনত তুলিলে। সেই কামটো কৰোতে তাই বিমলৰ ইমান ওচৰ চাপিব লগা হ'ল যে তাইৰ হাত দুখন কঁপি গ'ল, বুকুৰ স্পন্দনতো দ্ৰুত হৈছিলেই।

ককায়েকে নিজৰ কাপপ্লেট নিজেই ভিতৰলৈ লৈ গৈছিল। এতিয়া তাই আগবাঢ়ি গৈ বিমলক ক'লে—“আপুনি গা ধোৱক। ভাত ঠাণ্ডা হ'ব।”

পৰ্দ্দাৰ সিপাৰে গৈ ৰেখাই নিজকে মাথো ক'লে—'ধেৎ'—। আচলতে তাইৰ এই অভাবনীয় দুৰ্ব্বলতাত তাই লাজ পাইছিল, বিৰক্ত হৈছিল। প্ৰায় অচিনাকি মানুহ এজন, নবৌৱেকে যেনিবা জোকোলেই, কিবা সম্বন্ধ এটা হ'ব পাৰে বুলি যেনিবা ভাবিলেই, সেই বুলিয়ে তাই সেই মানুহজনৰ প্ৰতি এনে দুৰ্ব্বল হৈ যাব পায়নে ? এইটো কি ৰহস্য বাৰু ? কিন্তু এটা কথা হ'লে স্বীকাৰ নকৰি নোৱাৰে—এই বিমল বৰুৱা বোলা মানুহজনৰ চেহেৰাটো যদিও একো অসাধাৰণ নহয়, দেখি কিন্তু ভাল লাগি যায়, কিবা এটা বৰ ভাল লাগি যায়।

পাকঘৰৰ ফালে আগবাঢ়ি গৈ গৈ ৰেখাই হঠাৎ অনুভৱ কৰিলে—তাইৰ এতিয়া ক্ষন্তেকপৰ অকলে থাকিবৰ মন গৈছে, নিৰ্জ্জনতাৰ মাজত কিছুপৰ অকল নিজকে পাবৰ মন গৈছে—কিন্তু তেনে কিবা এটা কৰিব গ'লেই মিনতিৰ ঠাট্টা-তামাছাত তাই জানো তাৰ পিছত শান্তিৰে ৰ'ব পাৰিব ?

পাকঘৰত তেনে কোনো কাম নাছিল ৰেখাৰ, তাইক দেখি মিনতিয়ে ক'লে—খন্তেক পৰ তাই পুনুক ৰাখিব পাৰিলে ভাল হয়, ইতিমধ্যে মিনতিয়ে ভাত বাঢ়ে। ৰেখাই ভালেই পালে, পুনুক লৈ তাই আগফালৰ ছায়াঘেৰা বাগানৰ চুক এটাতে আশ্ৰয় ল'লে গৈ। মিনতিৰ খুব যত্নত গঢ়ি উঠা সিহঁতৰ এই বাগানখন বৰ ধুনীয়া। পুনুক কোলাৰ পৰা ঘাঁহনিত নমাই দি ৰেখাও ওচৰতে বহি পৰিল। তাইৰ নিচেই কাষতে ফুল এজোপা ৰমক জমককৈ ফুলি আছিল। ৰেখাই ফুল ভাল পায়, কিন্তু মিনতিৰ দৰে ইমান বেছিকৈ নহয়, কিন্তু আজি তাই খুব আলফুলকৈ ফুলবোৰ ছুঁলে, তাইৰ প্ৰতিটো আঙুলিয়ে যেন সিহঁতক গভীৰ স্নেহস্পৰ্শ দিয়ে, আৰু তাৰ পিচত তাই খুব আস্তে আস্তে মুখৰ ভিতৰতে গুণ্‌গুণালে—"ফুলেৰ বনে যাৰ পাশে যাই তাৰেই লাগে ভালো"—ঠিক গাব নেজানে ৰেখাই, গুণ-গুণাওতেই যায়, এতিয়া বেচিকৈ মিনতিৰ মুখত শুনি শুনি ৰবীন্দ্ৰ-সঙ্গীতৰ লাইনবোৰে মুখলৈ আহি যায়। হঠাৎ আজি ভাব হ'ল ৰেখাৰ—তাই যদি নবৌয়েকৰ দৰে ইমান ভাল গান গাব পাৰিলে-হেঁতেন—বাৰু, বিমলে গান-টান ভাল পায়নে নেপায় ?······

"বাইদেউ, ভিতৰলৈ মাতিছে।"

কাঞ্চাৰ মাতত ৰেখা উচপ খাই উঠিল। কিমান সময় যে তাই আপোন পাহৰা হৈ বহি আছিল গমকে নাছিল—এতিয়া সচকিত হৈ দেখিলে কাঞ্চা ওচৰতে বৈ আছে আৰু পুনু গৈ বাগানৰ সিমূৰ পাই কিবা গছ ফুল ছিঙি আছে। সৰ্ব্বনাশ, আজি এই নবৌৰ বাগান ধ্বংস কৰিলে বোধহয়! ৰেখা গৈ একেলৰে পুনুৰ ওচৰ পালেগৈ। পিছে নাই, বেচেৰী পুনুৱে খুব নিৰীহ ভাবে ঘাঁহ কিছুমানহে ছিঙি আছে। ৰেখাই তাইক কোলাত তুলি লৈ চুমা এটা খাই ক'লে—"আমাৰ পুনুমনিজনী বৰ ভাল ছোৱালী!"

কাঞ্চাৰ নিৰ্দ্দেশমতে একেবাৰে খোৱা ঘৰ পাই ৰেখাই দেখিলে —মেজত চাৰিওজনৰ খোৱাৰ ব্যৱস্থা কৰা হৈছে। দুখন চকীত

ককায়েক আৰু বিমল বহিছিল, তাইক সোমোৱা দেখি বিমলে এবাৰ মূৰ তুলি চালে ; তাৰ ওঁঠত যেন ভদ্ৰতাসূচক পাতল হাঁহি এটাও খেলি গ'ল। কথা ক'লে ককায়েকে—"বহ ৰেখা, বৌৱেৰে কৈছিল তইঁত দুয়ো পিচত খাবি, পিছে বিলাতত থাকি অহাৰ ফলত বিমলে সেইটো সহ্য নকৰে, গতিকে ভালকৈ পৰিবেশন কৰাৰ অভাবত মোৰ, আৰু লাজ সংকোচত তোৰ, আমি এই দুটি ভাই-ভনীৰ খোৱা মাটি হ'লেও উপায় নাই!"

সকলোৱে হাঁহিলে ; হাতত কিবা এটা পাত্ৰ লৈ মিনতি আৰু পিচে পিচে কাঞ্চা সোমাইছিল—সিয়ো হাঁহিত যোগ দিলে। কাঞ্চা সিহঁতৰ লগত বহুত দিন আছে, গতিকে সি প্ৰায় ঘৰুৱা ল'ৰাই হৈ পৰিছিল।

খোৱাৰ লগে লগে ইটো সিটো কথা-বতৰা চলিল। বেছিভাগ বিলাতৰে কথা, তাৰ জীৱন প্ৰণালী, আচাৰ ব্যৱহাৰ, মানুহ-দুনুহৰ কথা। কথা-বতৰা নকৈ তাক প্ৰশ্ন আৰু উত্তৰ নামেৰে অভিহিত কৰাই ভাল। প্ৰশ্ন কৰা হয় বিমলক, আৰু সেই প্ৰশ্ন আহে হয় অনিল নহয় মিনতিৰ ফালৰ পৰা। ৰেখাই কিবা সুধিবলৈ দুই তিনিবাৰো চেষ্টা কৰিলে, কিন্তু মনৰ সেই প্ৰশ্ন বাঙ্ময় হৈ এবাৰো তাইৰ ওঁঠত ফুটি নুঠিল। নিজৰ ওপৰত আৰু এবাৰ বিৰক্ত হৈ তাই নীৰৱে তলমূৰকৈ খাই গ'ল, মাজে মাজে কথাৰ মাজত বৌয়েকহঁতে হাঁহিলে তাইও মিচিকিয়াই হাঁহে, আৰু বিলাতৰ নানা বিষয়ৰ বৰ্ণনাৰত বিমলৰ মুখলৈ কথাবোৰ মনোযোগ দি শুনাৰ ভঙ্গীত মূৰ তুলি চায়। কিন্তু কি অস্বস্তি!

ভাত খাই উঠি মুখ হাত ধুই গামোছাত মুখ মচি মচি বিমলে কাঞ্চালৈ চাই ক'লে—"কাঞ্চাতো বৰ ভাল ৰান্ধনী—"

মিনতিয়ে হাঁহি দিলে—তাৰ পিচত ৰেখালৈ চাই ক'লে—"ৰেখা, পুৱাৰে পৰা তুমি জুইৰ গুৰিত মিছায়ে কষ্ট খাই মৰিলা"—

মুহূৰ্ত্ততে বিমল অপ্ৰস্তুত হৈ পৰিল, সি ক্ষমাৰ ভঙ্গীত ৰেখালৈ

চাই ক'লে—"মোৰেই ভুল, চাৰ্জেণ্ট জাতীয় লোকৰ খাবা যে ইমান সুন্দৰ বন্ধাবঢ়া সম্ভৱ নহয় মই জানিবই লাগিছিল"—

ৰেখা অলপ ৰঙা পৰি উঠিল, বিমলৰ আগত তাইৰ গুণৰ তালিকা দাঙি ধৰিবলৈ গৈ বৌৱেকে জানো অলপ মিছাৰ আশ্ৰয় লোৱা নাই? কিছু কিছু তাই ৰান্ধিছে সঁচা, কিন্তু অলপ দেখোন মিনতিয়েও ৰান্ধিছে।

"নবৌ, তোমাৰ কৃতিত্ব মোৰ গাত জাপি দিলা কিয়? মই তোমাক সামান্য সাহায্যহে দিছিলোঁ"—ৰেখাই প্ৰতিবাদ নকৰি নোৱাৰিলে।

ইয়াৰ উত্তৰত মিনতিয়ে কেবল হাঁহি এটা মাৰি বিমললৈ চাই সুধিলে—"মোৰ আগবেলাটো যায় পুনুক খুৱাওঁতে ধুৱাওঁতে, আলপৈচান ধৰোঁতে, আপুনিয়ে বাক কওকচোন তাৰ পিচত ভাতৰ চৰুলৈ যাবলৈ মোৰ ক'ৰ পৰা আজৰ ওলায়?"

মেজৰ ওপৰত থকা বটাৰ পৰা ভজা মছলা অলপ হাতত তুলি লৈ বিমলে ক'লে—"প্ৰত্যেকেই যেতিয়া বিনয়ৰ পৰাকাষ্ঠা দেখুৱাই কৃতিত্ব ল'বলৈ অস্বীকাৰ কৰিলে, তাৰ পিচত মোৰ আৰু কাকো ধন্যবাদ জনোৱাৰে উপায় নাই দেখিছোঁ। অতএব কাঞ্চা, পৰিবেশনৰ বাবে তোমাকে ধন্যবাদ জনালোঁ দেই!"

ইয়াৰ পিছত প্ৰত্যেকেই নিজৰ নিজৰ কোঠালীলৈ জিৰাবলৈ গ'ল। এইবাৰ ৰেখাই ইমান পৰৰ মূৰত সম্পূৰ্ণ নিজকে পালে। তাই কোঠালীত সোমাই দুৱাৰখন বন্ধ কৰি দিলে, তাৰ পিছত খিড়িকীৰ দীঘলীয়া, পাতল নীলা ৰঙৰ পৰ্দ্দাবোৰ টানি টানি দি প্ৰত্যেকখন খিড়িকীও বন্ধ কৰি দিলে যাতে অনাহুত বতাহৰ উপদ্ৰৱে পৰ্দ্দা কঁপাই কঁপাই অসহ্য লগা পোহৰৰ এটা কণিকাও ভিতৰলৈ সোমাব দিব নোৱাৰে।

মুহূৰ্ত্ততে ঘৰটো নীলা এন্ধাৰেৰে ভৰি গ'ল। ৰেখাই তাৰ পিচত লগে লগেই বিচনাত উবুৰি হৈ বাগৰি দিলে আৰু কোমল

গাৰুটো বুকুত সাবটি ধৰি অস্ফুট মাতেৰে গুণগুণাই উঠিল—"হৃদয় আজিকে কেমনে গেলো খুলি!" তাৰ পিচত তাই হাঁহি দিলে আৰু সেই হাঁহি কোনোবাই শুনিছে বুলি ত্ৰস্ত হৈ তৎক্ষণাৎ মুখখন গাৰুত গুজি দি নিজকে নিজে ক'লে—"নবৌৰ লগত পৰি মই দেখিছোঁ বৰ ৰবীন্দ্ৰনাথৰ ভক্ত হৈ পৰিলোঁ!"

বহুত সময় পাৰ হৈ গ'ল।

তাৰ পিচত এবাৰ ৰেখাই সাৰ পালে। প্ৰথমে তাই একো বুজিব পৰা নাছিল, এতিয়া ৰাতি নে দিন তাকো তাই হঠাৎ ভাবি নেপালে। কিন্তু এক মুহূৰ্ত্ত মাত্ৰ, লগে লগে তাই বিচনাৰ পৰা একৰকম জাপ মাৰি মাটিত ঠিয় দিলে। ইস্—দুপৰীয়া ভাত খাই জিৰোৱাৰ নামত তাই বোধহয় গোটেই দিনটোৱে শুলে—ছি ছি—নবৌহঁতে বা কি কৰিছে, চাহ-টাহেই বোধহয় হ'ল, নবৌয়েনো মোক এবাৰ মাতিবও নেপায়নে, ছি—বিমল যে আহিছে আজি—এতিয়া বা কি কৰিছে। নিজৰ ওচৰতে ৰেখাৰ লাজ লাগি গ'ল আৰু এটা কথাত, তাই যে অতপৰে টোপনিত বিমলক লৈ কিবোৰ নেদেখিলে—ধেৎ—

ত্ৰস্ত ক্ষীপ্ৰ গতিৰে ৰেখাই দুৱাৰ খুলি বাহৰলৈ ওলাই আহিল।

বেছি নহলেও বাহিৰৰ ৰ'দ শেঁতা। তিনিটা বাজি গ'ল বোধহয়। ইফালে সিফালে চালে ৰেখাই। ক'তো কাৰো সাৰ-সুৰ নাই। পাকঘৰত উকি মাৰিলে, কাঞ্চা নাই, কিন্তু চৌকাত জুই ধৰাৰ চিন আছে। ৰেখা লাহে লাহে গৈ নবৌয়েকৰ ঘৰত ভুমুকি মাৰিলে, তাতো কোনো নাই। এইবাৰো তাই নিঃশব্দ পদেৰে বিমলৰ কোঠালীৰ ওচৰলৈ গ'ল আৰু পৰ্দ্দাৰ ইফালে যথেষ্ট দূৰৈত ঠিয় হ'ল। এৰা, আটাইবোৰ ইয়াতে আছে, বোধহয় চাহ খাইছে। তাই বিমলৰ মাত আৰু নবৌয়েকৰ হাঁহ শুনিলে। তেতিয়া আকৌ এবাৰ অপ্ৰস্তুত হ'ল ৰেখা—নবৌ ছাগে কিমান

আগতে উঠিলে, চাহো কৰিলে, কাঞ্চাই বোধহয় পুন্নুক উলিয়াই লৈ গ'ল।

ৰেখা উভতি আহিল। ঘড়ীটো চালে। তিনিটা বাজি পঁচিশ মিনিট। উস্—কি যে মৰ টোপনিয়ে পালে!

'বাথৰুমত সোমাই চকু-মুখত জোৰে জোৰে পানী ছটিয়াই ৰেখাই অনুভৱ কৰিলে যে তাইৰ এতিয়া খুব বিমলৰ কোঠালীলৈ যাবৰ মন গৈছে—কিন্তু তাই তাত সোমোৱাৰ লগে লগেতো নবৌয়ে সুধিব—কেটা টোপনিৰ পৰা উঠিলা? তাৰ পিচত তাই বিমলৰ আগত কেনেকৈ সহজ হ'ব?

ভাল্ লগা নাই মোৰ, একো ভাল লগা নাই। বিৰস মনেৰে ৰেখাই ড্ৰেছিং আইনাৰ সমুখত ঠিয় হৈ আউল বাউল চুলিবোৰ ঠিক কৰিবলৈ ধৰিলে। তাইৰ চুলিবোৰ দীঘল, বেচ দীঘল, কিন্তু চুলিবোৰ দীঘল নহৈ মানুহজনী যদি আৰু অলপ দীঘল হলহেঁতেন! এই ভাবটো অহাৰ লগে লগে ৰেখা আকৌ এবাৰ ৰঙা পৰি উঠিল। তাই কিয় বেছি ওখ নহয় এই ভাবটোতো তাইৰ মনলৈ কোনোদিন অহা নাছিল।

আয়নাত ছাঁ পৰিল। নবৌ। ৰেখাই লগে লগেই ঘূৰি অভিযোগ কৰিলে—"মই যে ইমান শুলোঁ মোকনো জগাই দিব নোৱাৰিলানে?"

নবৌয়েকে হাঁহিলে,—"মই ইচ্ছা কৰিয়েই নজগালোঁ। দিনত বেছিপৰ শুলে চেহেৰাটো বৰ ধুনীয়া হয়।"

ৰেখাই একো নেমাতি খুব গহীন হৈ তাৰ পৰা ওলাই যাব খুজিলে, মিনতিয়ে আকৌ হাঁহি বাধা দি ক'লে—"ৰ'বা ৰেখা, খং কৰি ক'লৈ যোৱা? একাপ চাহ নোখোৱা জানো?"

"পানী এগিলাচ খাই দিলোঁ—চাহ আৰু নেখাওঁ"—গহীনাই উত্তৰ দি ৰেখা আকৌ যাবলৈ ওলাল।

"তেন্তে এটা কাম কৰা না ৰেখা, কাঞ্চাই বোধ হয় পুন্নুক

আগফালৰ বাৰাণ্ডাত ৰাখি আছে, তাইক তুমি ৰাখি তাকঁ পাকঘৰলৈ পঠাই দিয়াগৈ—তাৰ লগত মই আবেলিৰ চাহ-জলপান কৰোঁ।”

এৰো নেমাতি ৰেখা আগফাললৈ ওলাই গ'ল। তাইৰ খং উঠিছে, কিন্তু সেই খঙতো নবৌয়েকৰ ওপৰত নহয়, নিজৰ ওপৰতহে।

বাৰাণ্ডা পাই ৰেখাই দেখিলে পুন্নুৰ লগত বিমলে কিবা ধেমালি কৰি আছে, আৰু কাঞ্চাই ওচৰতে ঠিয় হৈ বৈ আছে।

ৰেখাৰ বুকুখন সামান্য কঁপি উঠিল। হঠাৎ তাইৰ অন্তৰখন নবৌয়েকৰ প্ৰতি কৃতজ্ঞতাৰে পৰিপূৰ্ণ হৈ গ'ল। তথাপি এই ষড়যন্ত্ৰৰ বিষয়ে অলপো প্ৰস্তুত নাছিল কাৰণে তাই বাৰাণ্ডাত ওলায়ে কিছুপৰ কিংকৰ্ত্তব্য বিমূঢ়ৰ নিচিনা হ'ল……কাঞ্চাকতো ভিতৰলৈ পঠাব লাগে।

তাইক দেখি বিমলে অলপ হাঁহিলে, পুন্নুৱে পেহী বুলি হাত দুখন মেলি দিলে।

“কাঞ্চা, নবৌয়ে তোক ভিতৰলৈ মাতিছে”—এইবাৰ ৰেখাই মাত লগালে। তাৰ পিচত তাই পুন্নুৰ ওচৰলৈ আগবাঢ়ি গৈ তাইক কোলাত তুলি বিমললৈ চাই লাজুক হাঁহি এটা মাৰি সুধিলে— “কাঞ্চাই পুন্নুক আপোনাক গতাই নিজে বোধহয় আৰাম কৰিছিল—”

বিমলেও হাঁহিলে—“নহয়, ময়েই কাঞ্চাক মাতি পুন্নুৰ লগত ধেমালি কৰিছিলোঁ। পিছে পুন্নু, পেহীক পাই তুমি আৰু মোৰ লগত নেখেলা নেকি ?”

পুন্নুৱে ক'লে—“খেলিম। মোৰ লগত তুমি খেলিবা, পেহী খেলিবা।”

ৰেখাই অনুভৱ কৰিলে—এই অকণমান ছোৱালীজনীৰ অতি সাধাৰণ কথা এটাইও তাইৰ কাণ দুখন গৰম কৰি দিলে। অকণি পুন্নুৱে যেন মাকৰ ষড়যন্ত্ৰ বুজি পাই তাক সফল কৰিবলৈহে চেষ্টা কৰিলে।

অগত্যা খেলা চলিল। খেলা মানে পুন্নুৰ আদেশ পালন। তাৰ মাজে মাজে ডাঙৰ দুজনৰ মাজত কথা-বতৰাও চলিল। ৰেখা

আজি কিয় ক্লাছলৈ নগ'ল, সিহঁতৰ কিমান প্ৰফেছৰ, কোনে কেনে পঢ়ায়, পৰীক্ষা কেতিয়া—এইবোৰ প্ৰশ্ন বিমলে সুধিলে। ৰেখাই যথাযথভাবে সকলো উত্তৰ দিলে। কিন্তু তাই যে বিমলক কি সুধিব একো ভাবি নেপালে। অথচ তাইৰ মনত জানো প্ৰশ্নৰ অভাব? কত কথাই চোন তাইৰ বিমলৰ সম্পৰ্কে জানিবৰ মন যায়, এনেকি বিমলে গৰমৰ দিন ভাল পায় নে ঠাণ্ডাৰ দিন ভাল পায়—এনেধৰণৰ প্ৰশ্নও তাইৰ মনলৈ আহে, এনেধৰণৰ অতি আপাত-তুচ্ছ তবু, অবাস্তৱ কথা জানিবলৈকো তাইৰ বিশেষ আগ্ৰহ উপজিছে দেখোন।

কিন্তু ৰেখা প্ৰায় নিৰ্ব্বাক হৈয়ে ৰ'ল। আৰু তাইৰ ভাষাহীন উপায়হীনতাক লৈ তাই কেবল মনে মনে ক'লে—'When the heart is full, words are few—বিমল জানো অন্ধ বা অন্ধ হৈ থাকিব পাৰিব?'

খেলি খেলি বোধ হয় পুনুৰ আমনি লাগিল। তাই ক'লে—"পেহী, ভিতৰলৈ যাওঁ। ভোক লাগিছে।"

যেন ইমান সময় পুনু নোখোৱাকৈ বাহিৰত এনেকৈ খেলি থাকিব লগীয়া হোৱাত ৰেখাহে জগৰীয়া—তেনেধৰণৰ অপ্ৰস্তুতৰ ভাব লৈয়ে ৰেখা তৎক্ষণাৎ উঠিল আৰু পুনুক কোলাত তুলি লৈ ক'লে—"ওঁ, ব'ল যাওঁ"—তাৰ পিচত তাই বিমলৰ ফালে চাই কৈফিয়ৎ দিয়াৰ দৰে ক'লে—"এইৰ ভোক লাগিছে, আমি ভিতৰলৈ যাওঁ দেই।"

মিনতিহঁতৰ ঘৰত কিছুদিন থকাৰ পিছত বিমলো সিহঁতৰ ঘৰৰ মানুহৰ দৰেই হৈ পৰিল। পুনুৱে তাক মাক-দেউতাকৰ নিৰ্দ্দেশক্ৰমে খুৰা বুলি মাতে।

অনিলে মাজে মাজে মিনতিক সোধে—বিমল আৰু ৰেখাৰ কি খবৰ। মিনতিয়ে পাতল হাঁহিৰে উত্তৰ দিয়ে—"জানো, মই একো ধৰিবই পৰা নাই। বিমলে মাজে মাজে ৰেখাক চাহ বিচৰাহে

শুনিছোঁ, হৃদয় বিচাৰিছে নে নাই ধৰিব পৰা নাই। অৱশ্যে ৰেখাইযে তাক নিবিচৰাকৈয়ে বিমলক অৰ্পণ কৰি থৈছে সেইটো হলে গম পাওঁ।”

“তুমি দেখোন কোৱা বিমলে আমি নথকা সময়খিনিত দিনটো তোমাৰ লগত কথা-বতৰা পাতিয়ে কটাই দিয়ে। এই বিষয়ে একো আভাষ নিদিয়ে নে?”

“তোমাৰো যে কথা!” মিনতিয়ে মৃদু ভৰ্ৎসনাৰ সুৰত উত্তৰ দিয়ে “বিমলেনো মোক কি বুলি কি ক’ব?”

“এৰা”, ভাবি ভাবি অনিলে উত্তৰ দিয়ে, “সেইটোও তো ঠিক। সিনো তোমাক কি বুলি ক’ব। যিহওক, আমি এতিয়া বাটকে চাওঁ আৰু। সি যোৱাৰ আগে আগে এদিন প্ৰস্তাবটো কৰি চালেই হ’ব।”

“ময়ো তাকেই ভাবি থৈছোঁ। সঁচাই—কেনেবাকৈ যদি এই বিয়াখন নহ’ব লাগে বৰ বেয়া লাগিব দেই। বিমলক মোৰ খুব ভাল লাগিছে—ৰেখায়ো খুব সুখী হ’ব পাৰিব। ইমান ভদ্ৰ, ইমান গহীন ল’ৰাটো। অথচ মানৱীয় সৰু-সুৰা গুণ সকলো আছে। খুব ‘কনচিডাৰেট্’। ঘৰৰ মতামানুহজন সহানুভূতিশীল হ’লে মাইকী মানুহৰ বৰ সুখ হয়। এই কেইদিনতে বিমলৰ মই প্ৰমাণ পালোঁ নহয়! কেতিয়াবা তুমি, ৰেখা কলেজত থকা অৱস্থাত পুনুক লৈ মোৰ খুব দিগদাৰ হয়, বিমলেযে কেনেকৈ গম পায়, নিজে নিজে আহি মোক সহায় কৰেহি, কাঞ্চা বজাৰত যোৱা সময়ত মই পাক-ঘৰত থকা সময়তো সদায় পুনুক লৈ পাকঘৰতে মোৰ ওচৰত বহি ইটো সিটো কৰি দিবই। এইটো তেওঁৰ নিত্য-নৈমিত্তিক অভ্যাসত পৰিণত হৈছে। ৰেখা বাৰে বাৰে ফিৰি যাব লগা হয়—বিমলে পঠাই দিয়ে—পঢ়া ক্ষতি কৰি পাকঘৰৰ কাম কৰিব নেলাগে বুলি।”

অনিলে হাঁহিলে—“অ’ বিমল দেখিছোঁ গভীৰ পানীৰ মাছ! সি তেন্তে তোমাক সহায় কৰাৰ নামত ৰেখাক হে সহায় কৰে।

জানোচা তোমাক কামবন কৰি মেলি দি থাকোঁতে ৰেখাৰ পঢ়াৰ ক্ষতি হয় সেই ভাবিয়ে তোমাক সহানুভূতি দেখুৱায়। নাই মিনু, আৰু কোনো ভয় নাই। তুমি এতিয়া নন্দেৰৰ বিয়াৰ যোগাৰত লাগি যোৱা।”

মিনতিয়েও হাঁহিলে। তাৰ পিচত তাই ক’লে—“এৰা, এনে লক্ষণতো মই আগতেও আৰু দুই চাৰিটা দেখিছোঁ—মোৰ বাৰু কিয় ইমানদিনে সেইফালে ভাব যোৱা নাই? সিদিনা গধূলি তোমালোকৰ ইউনিভাৰ্চিটিৰ মিটিঙখনলৈ বিমলকো যে লৈ গৈছিলা মনত আছে নহয়, তাৰ পিচত যে বিমলে তোমাক এৰি অকলেই সোনকালে গুচি আহিল? সেইদিনা গধূলিযে কি সুন্দৰ জোনাক আছিল, তোমালোকে লাইটৰ উজ্জ্বল পোহৰত মিটিং কৰি নিশ্চয় একোৱে গম নেপালা। গধূলি তোমালোক যোৱাৰ পিছত মই আৰু ৰেখাই বাগানত বাহছিলোঁগৈ। ফাগুন মাহৰ জোনাক ৰাতিৰ নিচিনা মাদকতা সনা জোনাক আৰু কেতিয়াও নহয়। অ-ৰোমাণ্টিক সকলো ৰোমাণ্টিক হৈ পৰে। মই ৰেখাক সামান্য দুই এটা কথা কৈ জোকাই আছিলো। হঠাৎ দেখিলোঁ—বিমলৰ আবিৰ্ভাব! আমি কিবা সোধাৰ আগতে নিজেই ক’লে যে মিটিঙখন অলপো ভাল নলগাই গুচি আহিল। তাৰ পিচত মোক ক’লে—ৰবীন্দ্ৰ সঙ্গীত এটা শুনাব লগে। মই অৱশ্যে বুজিলোঁ—বেচেৰাই আচলতে কাৰ গান শুনিব খোজে। সেইকাৰণে ৰেখাক ক’লো—মোৰ মাততো ভঙাৰ দৰে হৈছে, তাইয়ে গাওক না। কিন্তু ৰেখা জানো সহজে ৰাজী হোৱা পাত্ৰী, বিমলৰ প্ৰতি তাইৰ সম্পূৰ্ণ লাজ এতিয়াও আঁতৰা নাই নহয়। আকৌ বিমলেও মৌখিক ভদ্ৰতা কৰি ক’লে যে ময়েই আগে গাব লাগে। অগত্যা ‘ঐ আমাৰ চাঁদেৰ আলো’ টো গাই ৰেখাৰ হতুৱাই দ্বিতীয়টো গোৱালোঁ। অ—সিদিনাও তেন্তে বিমলে মিটিং বেয়া লগাৰ নামত ৰেখাৰ আকৰ্ষণতেহে গুচি আহিছিল—তাতে এনেহেন জোনাক ৰাতি! সিহঁত হালক বাগানত অকলে এৰি থৈ

আহিবলৈ নানা ছেলু বিচাৰিও কিন্তু আহিব নোৱাৰিলোঁ—তেনে একো ছেলু উলিয়াবও নোৱাৰিলোঁ। ফলত ৰেখাও লাজ কৰি নীৰৱে ৰ'ল, বিমলো নিশ্চয় উপায়হীন হৈ মোৰ লগতে কথা পাতি থাকিল।"

"আহা বেচেৰা!" অনিলে কৃত্ৰিম নিঃশ্বাস পেলাই সুধিলে—"ৰেখাৰ সম্পূৰ্ণ মনটো তুমি বুজি পাইছানে?"

মিনতিয়ে হাঁহিলে—"এতিয়াও বাকী নে? তোমাৰ ভনীয়েৰা আৰু আগৰ ছোৱালী হৈ থকা নাই। এতিয়া তেওঁ কথা কম কয়, পঢ়া কিতাপ আগত মেলি লৈ আগতকৈ বহুত সময় ৰেছি বাহ থাকে; আগে মূৰ আচোঁৰোতে বা কাপোৰ পিন্ধোতে যিমান সময় লাগিছিল এতিয়া তাতকৈ বহুত সময় লাগে; পুনুকে এতিয়াও আগৰ দৰেই লৈ থাকে বা মৰমো কৰে—কিন্তু আগৰ দৰে মনোযোগৰ উচ্ছ্বাস নাই, অলপ অন্যমনস্ক থাকেই। আগে বাৰু ৰেখা প্ৰত্যেক ৰবিবাৰে নিয়মিতভাবে পাকঘৰত সোমাইছিলনে? এতিয়া কিন্তু সোমায়। ৰেখাই আৰু কি কৰে জানা? ফুলদানীত ফুল সজায়—কথাটো বহলাই কওঁ ৰ'বা। আগে ড্ৰইং ৰুমৰ ফুলদানীত ফুল নিয়মিত ভাবে আমি দুজনীৰ কোনো এজনীয়েই নথৈছিলোঁ। পিছে ৰেখা এতিয়া সেই বিষয়ত 'ৰেগুলাৰ'। আৰু সময়টো হ'ল—বিমলৰ গা ধোৱা পৰত। কাৰণ বিমলৰ ৰুমৰ টেবুলৰ ওপৰতো ৰেখাই ফুলদানী এটা থাপনা কৰিছে আৰু ড্ৰইং ৰুমত ফুল থোৱাৰ সময়ত তাতো সদায় থ'বলৈ নেপাহৰে"—

"অৰ্থাৎ"—অনিলে হাঁহি হাঁহি ক'লে—"বিমলৰ ফুলদানীত ফুল থওঁতে ড্ৰইং ৰুমৰ ফুলদানীতো ফুল থবলৈ নেপাহৰে মোৰ ভনীয়ে?"

মিনতিয়েও হাঁহি দিলে।

এদিন আবেলি অনিলে হঠাৎ প্ৰস্তাব কৰিলে যে নতুনকৈ সজা

কামাখ্যাৰ বাটটোৰে ভুবনেশ্বৰী মন্দিৰলৈ ফুৰিবলৈ যোৱা যাওক। বিমলেতো দেখা নাই।

অনিলহঁত মতা মানুহ। গতিকে দুয়ো বন্ধুৰ ওলাওঁতে বেচি সময় নেলাগিল। তাৰ পিচত মিনতিহঁতক সাজপাৰ প্ৰসাধন কৰিবলৈ অফুৰন্ত সময়ৰ অনুমোদন কৰি দুয়ো বিমলৰ ঘৰত বহি কথা পাতি থাকিল।

পুনুক সজাই পৰাই কাঞ্চাৰ হাতত দি মিনতি আয়নাৰ ওচৰলৈ আহি দেখে বহুত আগৰে পৰা সাজসজ্জা কৰিবলৈ আৰম্ভ কৰা ৰেখাৰ তেতিয়াও শেষ হোৱা নাই।

"ৰেখা," মিনতিয়ে হাঁহি হাঁহি ক'লে—"আজি বিমলৰ মূৰ ঘূৰি নীলাচল পাহাৰৰ পৰা পৰে বুলি মোৰ ভয়েই লাগিছে"—

উত্তৰত ৰেখাই মিনতিৰ ফালে কেৱল চকু ঘোপা কৰি সপ্ৰশ্ন দৃষ্টিৰে চাই ৰ'ল।

"বুজি পোৱা নাই? তুমি যি মোহিনী বেশত এঘণ্টা পৰ ধৰি সাজিছা, তাৰ পিচতনো আৰু বিমলৰ মূৰ সুঘূৰয়োকৈ থাকিব পাৰেনে?"

ৰেখা খুব অপ্ৰস্তুত হৈ গ'ল। তাই যেন গোপন কিবা এটা কৰিহে হাতে হাতে ধৰা পৰি গ'ল। কেইমুহূৰ্তমান নীৰৱে থাকি তাৰ পিচত তাই বৌয়েকৰ দুষ্টালী হাঁহিৰে ভৰা মুখখনলৈ চাই লাহে লাহে ক'লে—"নবৌ, মই যদি তোমাৰ দৰে ধুনীয়া হ'লোহেঁতেন—তেতিয়াহহে কোনো প্ৰসাধনেই নকৰিলোহেঁতেন—তোমাৰ দৰে চকু, তোমাৰ দৰে নাক"—

মিনতিয়ে প্ৰায় খণ্ড কৰাৰ দৰে বাধা দি ক'লে—"থৈ দিয়া, থৈ দিয়া—আমি এতিয়া বুঢ়ী হ'লো, বিয়া বাৰু কৰাই ল'ৰা-ছোৱালীৰ মাক হ'লো—আমাৰ ধুনীয়া এতিয়া আৰু কোনেও চাবলৈ নেযায়। আৰু যদি সঁচায়ে ধুনীয়াও হ'লোহেঁতেন—ক'লা ছোৱালীৰ আকৌ কিহৰ ৰূপ? হ'লোহেঁতেন যদি তোমাৰ দৰে গাৰ বৰণৰ—এৰা—

তেতিয়া হলে অৱশ্যে ধুনীয়া ধুনীয়া বুলি প্ৰতি মুহূৰ্ত্তে সচেতন হৈ গৰ্ব্বত ওফন্দি থাকিলোহেঁতেন—।”

ৰেখাই কিবা ক'বলৈ ওলাইছিল—কিন্তু তাৰ আগতেই মিনতিয়ে তাইৰ গাত মৃদুভাৱে ঠেলা এটা মাৰি বাহিৰলৈ পঠিয়াই দিলে—“ওলোৱা, ওলোৱা—সাজি কাচি এতিয়া মোকো অলপ সাজিবলৈ নিদিয়া নে?”

ৰেখা লাহে লাহে নিজৰ ঘৰলৈ খোজ ললে। মিনু নবৌয়ে মুখত মোক সন্তুষ্ট কৰিবলৈ ক'লে কি হ'ব—তেওঁৰ দৰে ধুনীয়া যদি মই হ'লোহেঁতেন! কি অপৰূপ মুখৰ গঢ় আৰু গাৰ সৌষ্ঠৱ মিনু নবৌৰ—। ৰেখাৰ পাতল হুমুনিয়াহ এটা ওলাল।

ভুবনেশ্বৰী মন্দিৰৰ ওচৰ পাওঁতে ব্ৰহ্মপুত্ৰৰ বুকুত বেলি ডুবিল। সেই অস্তগামী সূৰ্য্যৰ ৰঙা পোহৰ ব্ৰহ্মপুত্ৰৰ বুকুত সিচৰতি হৈ পৰা অপূৰ্ব্ব দৃশ্যটো চাবিও কিছু সময় মুগ্ধ হৈ চালে। তাৰ পিচত মিনতিয়ে গিৰিয়েকৰ ফালে অৰ্থপূৰ্ণ দৃষ্টি নিক্ষেপ কৰি অন্যমনস্ক আৰু আপোন পাহৰা যেন হৈ দলটোৰ পৰা আঁতৰি গুছি গ'ল। লাহে লাহে তাই আৰু ওপৰলৈ উঠি উঠি প্ৰকাণ্ড ডাঙৰ শিল এটাত উঠি সূৰ্য্যৰ শেষ ৰশ্মিৰ ফালে পিঠি দি ব্ৰহ্মপুত্ৰৰ বুকুলৈ চাই ৰ'ল।

অলপ আঁতৰতে পুনুৱে গুলঞ্চ ফুল বুটলি আছিল। ৰেখাই ভাবিছিল—তাইও বৌৱেকক অনুসৰণ কৰাটো শোভন হ'ব নেকি, কিন্তু আজি যেন তাই বিমলৰ ওচৰৰ পৰা আঁতৰি যাবলৈ একেবাৰে শক্তিহীন হৈ পৰিছে, অগত্যা পুনুক চাবলৈয়ে যে তাইৰ থকাৰ প্ৰয়োজন এনে এটা ভাব দেখুৱাই তাই তাতেই থাকি গ'ল।

প্ৰায় সন্ধিয়াৰ ৰঙা এন্ধাৰত দূৰৰ মিনতিৰ মূৰ্ত্তিটো তেতিয়া চিলুৱেটৰ ক'লা ছবিৰ নিচিনা লাগিছিল। সেইফালে চাই অনিলে চিগাৰেট এটা জ্বলাই বন্ধুকো এটা আগবঢ়াই দি ক'লে—“বিমল, সবাৰ উপৰে মানবী সত্য—নহয়নে?”

চিগাৰেটটো জ্বলাই বিমলে হাঁহিলে। তাৰপিচত মূৰ তুলি

মিনতিৰ ফালে খন্তেক পৰ চাই সি ক'লে—"তাতকৈ নকৰ কিয়—সবাৰ উপৰে মিনতি সত্য, তাহাৰ উপৰ নাই?"

অনিলে সশব্দে হাঁহি উঠিল। তাৰ পিচত ক'লে—"খুব সঁচা"—আৰু তাৰ পিচতেই সি প্ৰায় একে জাপে পুনুৰ ওচৰ পাই ৰেখাক সচকিত কৰি দি থাপ মাৰি পুনুক দাঙি লৈ ক'লে—"বল পুনু—আমি মাৰাক লৈ আহোঁগৈ"—

লগে লগে অনিলে ৰেখা আৰু বিমলক তাতে অকলে এৰি গুচি গ'লেই। মিনতিৰ চকুৰ অৰ্থপূৰ্ণ দৃষ্টি সি বুজি পাইছিল।

ৰেখা মুহূৰ্তৰ বাবে হতভম্ব হৈ গ'ল। পুনুৰ স'তে বুটলি দ'ম কৰি থোৱা ফুলবোৰ লিৰিকি বিদাৰি তাই চকিত গোপন দৃষ্টিৰে বিমললৈ চাই দেখিলে যে বিমলো যেন বৰ বেকায়দাত পৰি গ'ল। তাই কি কৰিব কি নকৰিব, কি ক'ব কি ন'কব ভাবি থাকোঁতে কিছু সময় পাৰ হৈ গ'ল। ইতিমধ্যে কিন্তু বিমলে সহজ হৈ ল'লেই। কাৰণ ৰেখাৰ ফালে চাই অলপ হাঁহি সি সুধিলে—"আপোনা-লোকেতো এদম ফুল গোটালে। এইবোৰ এতিয়া কি কৰিব? মটৰত উঠাই লৈ যাব নেকি?"

"নিলে বেয়া নহ'ব। সাধাৰণ ফুল হ'লেও গোন্ধটো বৰ সুন্দৰ। গোটেই বাটটো গোন্ধে আমোলাই যাব। বৰ ৰোমাণ্টিক লাগিব।"

এইখিনি কথা যে তাইৰ মুখত ওলাল ৰেখা আচৰিত হৈ গ'ল। বোধহয় এই নিৰ্জ্জন পাহাৰ, এই সন্ধিয়াৰ ধূসৰ আন্ধাৰ, গুলঞ্চ ফুলৰ এই মিঠা গোন্ধ—আৰু ওচৰত বিমল—বিমল—বিমল—শোৱাৰ আগতে যাৰ নাম জপ কৰি কৰি তাই টোপনি যায়—এই সকলো-বোৰ তাইৰ বোবা, ভীৰু প্ৰাণৰ সকলো সঙ্কোচ আঁতৰাই পেলালে।

'অ' মৰমী নবৌ তোমাক ধন্যবাদ।

"খুব ভাল গোন্ধ নেকি? চাওঁ—ফুল এপাহ দিয়ক চোন"—বিমল অলপ আগবাঢ়ি আহিল।

এপাহ? মাত্ৰ এপাহ? মই যে উজাৰ কৰি গোটেই সোপা

দিব খোজোঁ। একো নেমাতি ৰেখাই এপাহ ফুল বিমললৈ আগবঢ়াই দিলে। তাইৰ বুকুখন অলপ কঁপি উঠিল।

বিমলে ফুলপাহ লৈ এবাৰ শুঙি চালে। তাৰ পিচত সি আৰু একো নকৈ মিনতিহঁত থকা ঠাইডোখৰলৈ চাই পঠিয়ালে। বিমলৰ দৃষ্টি অনুসৰণ কৰি ৰেখাইও চাই দেখিলে, যে ককায়েক বৌৱেকহঁত লাহে লাহে আগবাঢ়ি আহিছে। ৰেখাই বুজিলে নাহি উপায় নাই কাৰণেই আহিছে সিহঁত। ৰেখাৰ মনটো সেমেকি গ'ল। জীৱনৰ দুৰ্লভতম ক্ষণ এটা তাই যেন পাব খুজিও হঠাৎ হেৰুৱাব লগা হ'ল। এনেদৰে বঞ্চিত হোৱাৰ বেদনা সহজে আঁতৰিব নোখোজে।

"নবৌ—এভাৰেষ্ট বিজয়ৰ এইয়া সম্মানসূচক নিদৰ্শন গ্ৰহণ কৰক।" বিমলে মিনতিৰ ফালে ফুলটো আগবঢ়াই দিলে।

সকলোৱে হাঁহি দিলে। ৰেখায়ো।

পিচদিনা বিমল গুছি যাবগৈ। ৰেখাই আৰু ক্লাছত কোনোমতেই নিজকে আবদ্ধ কৰি ৰাখিব নোৱাৰিলে—মন বহুৱাতো দূৰৰে কথা। আচলতে আজি এই এমাহমান আগৰে পৰাই ক্লাছত প্ৰফেছৰে দিয়া বক্তৃতাৰ এটা বৰ্ণও ৰেখাৰ কাণত নোসোমোৱা হৈছিল।

প্ৰায় দুটামান বজাত তাই ক্লাছৰ পৰা গুছি আহিল। ঘৰ সোমোৱাৰ সময়ত কিন্তু তাই সমুখৰ গেটেৰে নোসোমালে। পিচফালে এটা বাট আছে, সেইফালেৰে চোৰৰ দৰে সন্তৰ্পণে তাই তাই ঘৰ সোমাল।

দুপৰীয়াৰ অখণ্ড নীৰৱতা ঘৰখনত বিৰাজ কৰিছে। কাম-বন শেষ কৰি কাঞ্চাও বোধহয় শুইছে। নবৌ, পুনু? নবৌৱেকহঁতৰ শোৱা কোঠালীৰ পৰ্দ্দাখনৰ ওচৰলৈ শব্দহীন ভাবে গৈ জুমি চাই ৰেখাই দেখিলে যে বিচনাত পুনু অকলে শুই আছে, মিনতি নাই। পুনু যাতে সাৰ পাই নপৰে সেই সাৱধানতা অৱলম্বন কৰি তাইৰ কাষত দুটা ডাঙৰ ডাঙৰ গাৰু দি থোৱা আছে।

ৰেখা গৈ তাইৰ কোঠালীত সোমাল। পঢ়া মেজত লবালৰিকৈ কিতাপবোৰ থৈ তাই ভৰিৰ জোতাযোৰ খুলিব ধৰিলে। উত্তেজনাত ৰেখাৰ বুকুখন ধান বনাদি বানিবলৈ ধৰিলে। মিনু নবৌ নিশ্চয় বিমলৰ লগত কথা পাতি আছে। কালি বিমল যাবগৈ—কি কথা পাতিছে নবৌৱে ?

চোৰৰ দৰে হাতত সাৰে ভৰিত সাৰে আগবাঢ়ি গৈ ৰেখা বিমলৰ কোঠালীৰ পৰ্দাৰ ওচৰত ৰ'লগৈ। ৰেখাৰ হৃৎপিণ্ডৰ দ্ৰুত লয়ৰ শব্দ যদি শুনা যোৱা নাই, আন আৰু কোনো শব্দই তাই কৰা নাই বিমলহঁতে শুনিবলৈ। গতিকে ৰেখাই শুনিলেযে বিমল আৰু মিনতিৰ কথা-বতৰা, পৰ্দাৰ ইফালে তাইৰ উপস্থিতি স্বত্বেও একেদৰেই চলি থাকিব।

হঠাৎ ৰেখাই কাণ ঠিয় কৰিলে—এয়াতো বিমলৰ মাত! কিন্তু এইবোৰ কি ক'ব ধৰিছে বিমলে ?······মোক ক্ষমা কৰিব নবৌ—এনে অযাচিত সৌভাগ্যত মই কৃতাৰ্থ হৈ যাব লাগিছিল—কিন্তু······ নবৌ······মানে······there is another woman······

নিজৰ ঘৰলৈ উভতি আহোঁতে এইবাৰো কোনো শব্দ নহ'বলৈ প্ৰাণপন চেষ্টা কৰিব লগীয়া হ'ল ৰেখাই।

তাৰ পিচত তাই ধপ্‌কৈ বিচনাৰ ওপৰত উবুৰি হৈ পৰিল আৰু মুখত গাৰু এটা হেঁচা মাৰি ধৰি প্ৰবল বেগেৰে ওলাই অহা কান্দোনৰ শব্দ বোধ কৰিবলৈ যত্ন কৰিব ধৰিলে।

বিমলৰ ট্ৰেইনৰ সময় আবেলি। ছিট্‌ ৰিজাৰ্ভ কৰিবলৈ অনিলে পুৱা চাই খাই উঠাৰ পিছতে বিমলক লগত লৈ গাড়ী ষ্টেচনলৈ ওলাল। পুনুও দেউতাক আৰু খুৰাকৰ লগত গ'ল।

মিনতি প্ৰায় নীৰবেই গৈ আকৌ পাকঘৰত সোমাল। ইমানপৰে সকলোৰে লগত, বিমলৰ লগত বেচ সহজ হাঁহি মাত-কথাৰেই চলি গৈছিল তাই, কিন্তু ৰেখাৰ লগত অকলশৰীয়া হোৱাৰ লগে লগেই

মিনতি তাইৰ আগৰ পৰা পলাই সাৰিল। বেদনা আৰু অপৰাধৰ বোজা লৈ ৰেখাৰ মুখলৈ মুখ তুলি চোৱাৰে যেন তাইৰ সাধ্য নাছিল। আগদিনা ৰাতি অনিলে তাইক বহুতখিনি ভৎৰ্সনা কৰিলে। ৰেখাৰ এই দুৰ্ভাগ্যৰ বাবে সম্পূৰ্ণ দায়ীতো মিনতিয়েই।

গিৰিয়েকৰ সকলো দোষাৰোপ মিনতিয়ে নীৰবেই নতশিৰে মানি লৈছিল। এটা শব্দও আৰু তাইৰ মুখৰ পৰা ওলোৱা নাছিল আগদিনা ৰাতি। তলমূৰকৈ এন্ধাৰতে বহুত পৰ বহি আছিল তাই। ৰেখাৰ জীৱনৰ এই বিৰাট ট্ৰেজেডীৰ গুৰিততো তায়েই—ইয়ে সঁচাকৈও বেচি—কিন্তু—এনে হ'বতো নেলাগিছিল—কিয় এনে হ'ল বাৰু—কিয় এনে হয়·········

তাৰ পিচত ৰেখা এতিয়া সম্পূৰ্ণ অকলশৰীয়া। বিমল অহাৰ দিনা তাই পাকঘৰতে সোমাই আছিল। নতুন আলহী—প্ৰথম দিনাইতো সাধাৰণ ভাবে খুৱাব নোৱাৰি। আজি বিমল যাবগৈ। আজিও সাধাৰণ ভাবে খুৱাব নোৱাৰি। নবৌ এতিয়া পাকঘৰতে খুব ব্যস্ত থাকিব—নবৌ, তাই নহয়।

ৰেখা লাহে লাহে ওলাই গ'ল।

খোৱা ঘৰটো তাইৰ কোঠালীটোৰ সংলগ্ন। এই ৰুমটোৰ সিটো মূৰৰ ৰুমটো আলহীৰ। এতিয়া বিমলৰ।

আগফালৰ বাৰাণ্ডাত দুবাৰ মান অস্থিৰ পদেৰে ঘূৰাঘূৰি কৰি ৰেখা আকৌ খোৱা ৰুম পালেহি। কিবা এটা ঠিক কৰিব খুজিও যেন পৰা নাই তেনেভাবে লাহে লাহে আগবাঢ়ি তাই বিমলৰ ৰুমৰ ওচৰ চাপি আৰু ওঁঠটো কামুৰি ধৰি পৰ্দ্দা এহাতেৰে টানি অলপ যেন কিবা ভাবিলে, তাৰ পিচত আকৌ যাবলৈ ধৰিলে। হঠাৎ বিমলৰ ৰুমত সোমাই পৰিল।

কোঠালীটোৰ সকলো একেদৰেই আছে। আজি আৰু কেই-ঘণ্টামান পিচতেযে এজন মানুহ ইয়াৰ পৰা গুচি যাবগৈ তাৰ কোনো চিনেই নাই। তাই চুকৰ টেবিলখনলৈ চালে, ফুল

দানীটোত ইমানদিনৰ মূৰত আজি প্ৰথম নতুন ফুল খোৱা হোৱা নাই।

হঠাৎ ৰেখাৰ চকুৰেদি সৰসৰাই পানী পৰিবলৈ ধৰিলে।

কিছুসময়ৰ পিছত আঁচলেৰে চকুলো মচি তাই ইফালে সিফালে চাবলৈ ধৰিলে। ক'ত বাৰু নামটো পোৱা যাব? ক'ত? ক'ত? তাইৰতো সকলোতে অজস্ৰ বাৰ লেখি থোৱা আছে—তাইৰ ডায়েৰীত, তাইৰ নোটবুকত, তাইৰ চিঠি লেখা পেডত…বিমল বিমল…বিমল…হাজাৰ হাজাৰ নাম!

এচুকত বিমলৰ দুটা বাকচ। ওপৰতে এট্যাচি কেছটো। ৰেখাই ওচৰলৈ গৈ দেখিলে সেইটো খোলা। খোলা—হয়তো চৌৰ্য্যতাৰ অপৰাধত সন্দেহ কৰিবলগীয়া কোনো মানুহ এই ভদ্ৰ শিক্ষিত ঘৰখনত থাকিব নোৱাৰে বুলিয়েই। এইখন ঘৰৰ চাকৰটো পৰ্য্যন্ত ভদ্ৰ আৰু বিশ্বাসী। অকণমানি ছোৱালীজনীয়েও এনে শিক্ষা পাইছে যে ভুলতো আনৰ বস্তু নোচোৱে।

ৰেখাই লাহে লাহে তাৰ ঢাকনিখন খুলিলে। সৰু ছুটকেছটো নানাৰকম বস্তুৰে ঠাহ খাই আছে। পুৰণি চিঠিপত্ৰ, চিঠি লেখা পেড, কেই অনামান ভঙনীয়া পয়ছা, মিক্‌ছাৰ পেপাৰ, ফাউণ্টেন পেন, এখন আধা মলিন ৰুমাল আৰু নানা কিবাকিবি। ৰেখাই পগলাৰ দৰে বস্তুবোৰ ওলট পালট কৰি বিচাৰিব ধৰিলে…

কি নাম তাইৰ? কি? কি?

এটা অসহ্য অব্যক্ত যন্ত্ৰণাময় কৌতুহলৰ তাড়নাত ৰেখাই বিমলৰ ছুটকেছটো তছনছ কৰি চাব ধৰিলে। কি যে এটা সুদৃঢ় অদ্ভুত বিশ্বাস—তাইৰ ৰক্তাক্ত বেদনাৰ কৌতুহলৰ জ্বালা নিবৃত্ত হ'বই হ'ব।

অৱশেষত এবাৰ নোটবুকখনৰ মাজৰ পাত এখিলাতে তাই হঠাৎ থামি গ'ল। তাইৰ মুখলৈ মৃত্যুৰ স্তব্ধতা নামি আহিল। নোটবুকখনত লেখা আছে—নবৌ—মিনু—মিনতি—হায় আকাশ কুসুম!

অতুলানন্দ গোস্বামী

নিৰুত্তৰ

"ধন—"

"ধন নাই ককা, ফাৰ্মাচীলৈ গৈছে।" ৰুমী ওলাই আহিছিল ককাৰ মাত শুনি।

"বাপাই এবা।"

"পিচফালে আছে। মাতি দিম নেকি ?"

"নালাগে। তয়ে নে। চিলিমটোত আঙঠা এটা ভৰাই আনি দে। আৰু মানুহবোৰনো কলৈ যায় বিচাৰিলে যে সময়ত কাকো পাবলৈ নাই ?"

"অ' আই! আটাইবোৰ আছে দেখোন ঘৰতে। আপুনিনো কাক মাতিছিল ?"

"বাৰু যা যা—।" একো নামাতি ৰুমীয়ে গুৰগুৰীটোৰ পৰা চিলিমটো তুলি লৈ যায়।

ধপাত চিলিম ধনেই লগাই গুৰগুৰীটোৰে স'তে কাষত থৈ নলিচাডাল ককাৰ হাতত তুলি দি থৈ গৈছিল। তাৰ অলপ লৰালৰি তেতিয়া। অমল গৈছিল দৰৰ আনিবলৈ, তাক ফাৰ্মাচীতে লগ ধৰি নতুন ইনজেকচন এটাও আনিবলৈ কৈ আহিব লাগে। বেগেতে। তাৰ লৰালৰি দেখিয়েই নেকি ককাই ধপাত খাবলৈ পাহৰি আছিল। চিলিমৰ আঙঠা সুমাই এভাৰ হ'ল। চিলিমটোৰ

বাহিৰেও যেন গোটেই ঠাইডোখৰেই কিবা চেঁচা পৰি আছিল। বজাৰ যেন হৈ থকা ঘৰখনো ককাৰ বাবে কিবা উকঙা উকঙা যেন লাগিল। হাউলি যেন গোটেই ঘৰখনতে মানুহবোৰৰ নীৰৱ খোজ-কাটল, নিঃশব্দ ব্যস্ততা। আগফালে পৰ্চটোত বহি থকা ককাহে মাত্ৰ একেবাৰে অকলশৰীয়া।

আৰামী চকীখনত অভয়ে আনি দিয়া ৰবৰৰ কোমল কুচন এজাপৰ ওপৰত বহি থাকিও ককাৰ সুখ লগা নাই। একাষে সৰু মেজ এখনত কেতিয়াবাই কোনোবাই চাহ একাপ দি থৈ গৈছিল। আধাখোৱা হৈ সেইখিনিও চেঁচা হৈ পৰিল। কাষতে এজাপ খবৰ কাগজ। তাতো যেন কিছুমান অদৰকাৰী 'চেঁচা' খবৰ!

চিলিমটো ফুৱাই ফুৱাই কমী ওলাই আছিল। গুৰগুৰীটোত ভালকৈ খুৱাই থৈ যাবলৈ ওলাওঁতে ককাই এবাৰ সুধিলে, "হয়নে অ', নতুন দৰব আনিবলৈ কৈছে নেকি ডাক্তৰে?" মাতত আগৰ তাপ নাই। তাতে জানোচা ককাৰ মনৰ দুৰ্বলতা প্ৰকাশ পায়!

"অঁ—ইন্‌জেকছনটো সলাই দিব খুজিছে হেনো।"

"ডাক্তৰ আছে নেকি এতিয়া?"

"আছে।"

"যাওঁতে মোক লগ পাই যাবলৈ কৰিছোন।"

সৰু সৰু ল'ৰা-ছোৱালী জাকে কি হৈছে একো ক'ব নোৱাৰে। সদায় কৰি অহাৰ দৰেই আগফালে ধেমালি কৰি আছে। সিহঁতো কিন্তু ককাৰ ওচৰলৈ অহা নাই। ককাক আমনি নকৰিবলৈ সিহঁতক যেন কোনোবাই শিকাইহে দিছে।

"কি পাইছা ডাক্তৰ?" ডাক্তৰ দত্তই বেগটো হাতত লৈ ওলাই আহোঁতে সোধে ককাই। মাতত সদায় থকা গাম্ভীৰ্য্য।

"বিশেষ চিন্তাৰ কাৰণ নাই চাৰ।" ফাঁকি দিলে ডাক্তৰে। "তথাপি ইন্‌জেকছনটো সলাই দিয়াইছোঁ। ব্ৰড্ স্পেক্ট্ৰাম ইউজ কৰি চাব খুজিছোঁ।"

ককাই একো নামাতে। ডাক্তৰেও একো ক'বলৈ নথকাত "যাওঁ চাব" বুলি গুছি যায়গৈ।

মাজু বোৱাৰী নীৰাই আবেলিৰ চাহ কাপ আনি দিলেহি। কমীয়ে পিলটো। কেনিও নোচোৱাকৈ ককাই চাহ কাপ খাই থ'লে। কমী ওচৰতে আছিল। তাইক ক'লে, "ব'লছোন। মোক তালৈ লৈ ব'ল এবাৰ।" এফালে কমীৰ গাত ভৰদি এফালে লাখুটিডাল ধৰি লাহে লাহে ককা উঠি গ'ল।

কোঠাত সোমাবলৈ সন্ধি নাই। চুবুৰীৰ কেবা গৰাকীও মানুহে বহি সৰু সৰুকৈ অলাগতিয়াল কথা কিছুমান পাতি আছে। আগদিনা অহা কমীৰ বৰ পেহীয়েক প্ৰভাই মূৰ শিতানৰ ফালে বহি মাকৰ কপালত হাত ফুৰাই আছে। কমীৰ মাকে ইফালে সিফালে বস্তুবোৰ যতনাই থৈছে। সৰু ল'ৰা প্ৰফেচাৰ অভয়ে কিবা দৰৱ এপালি বাকি লৈ মাকক খুৱাব খুজিছে। থৰক বৰকৈ দেউতাকক অহা দেখি তেওঁৰ খং উঠি গ'ল। কেলেই আহিব লাগিছে দেউতা? আমি জানো নাই? পিচলি পৰে যদি ক'ৰবাত সেইদৰে আহোঁতে?

দুৱাৰমুখতে ৰ'ল ককা অলপ। আইতাৰ চকু দুটা মুদা। মুখখন নিশ্চল। সেইফালেই অলপ পৰ চাই থাকিবৰ মন গৈছিল ককাৰ। ক'বৰ মন গৈছিল—"সেইখন মুখৰ এইহে হ'ল অৱস্থা!" কিন্তু সংস্কাৰে সংকোচ আনি দিলে মনলৈ। গাভৰু মানুহ বহি আছে সৌবোৰ। পুতেক জীয়েকহঁত আছে। নাতি-নাতিনীয়েক আছে!

সুধিবলৈ একো নাপাই সুধিলে ককাই—"খাবলৈ কি? বাৰ্লিকে দিবলৈ কৈছে নেকি অ'?"

"হয়, বাৰ্লিকেহে দিবলৈ কৈছে হেনো। তাকো খুব পাতলকৈ।" উত্তৰটো দিলে ঘৰৰ কোনেও নহয়। চুবুৰীৰে বস্তুৰ মাকে। ওৰণীখন টানি লৈ সৰুকৈ ক'লে তেখেতে।

"দেউতা বহিব নেকি অকণমান ?" বৰজীয়েক প্ৰভাই সুধিলে। ককাই বৰ আশা কৰিছিল কোনোবাই সেই আষাৰ কথা সোধক। কিন্তু তেখেত বহিলে আনবোৰ উঠি যাব লাগিব। এগৰাকীয়ে চকীখন ওচৰ চপাই দিয়াৰ কথা কৈছিলেই। অভয়েহে ক'লে, "নালাগেছোন দেউতা বহিব। আমি আছোঁ নহয়। আৰু সেইখন চকীত বহিলে দেউতাই দুখ পাব।"

লাহে লাহে উভটি আহিল ককা। খোজৰ থৰ আগতকৈ কমি গ'ল। পৰ্চৰ চকীখনত বহুৱাই কমী গুছি গ'ল।

ককাৰ বহি থাকিবৰ মন যোৱা নাই। মনটো কিবা উগুল-থুগুল লাগি আছে। কিবা অশান্তি লাগিছে। নিজৰ বয়সক নেওচা দিবৰ মন গৈছে—মনে বিচৰামতে একো এটা কৰিবৰ সামৰ্থ্য নথকা বাবে। তেও বুলি বহি থাকিল কিছুপৰ। দুই এজন মানুহ আহিল খবৰ কৰিবলৈ। ককাৰ ওচৰতে বহি কথা পাতিলে দুই-চাৰি আষাৰ। তেওঁলোক যোৱাৰ পিচতে ধুমুহাৰ দৰে ৰিক্সাৰ পৰা নামি আহিল মা-মণি। প্ৰভাৰ জীয়েক। গুৱাহাটীত থাকি এম্-এ পঢ়ে।

"কা-কা!" বুলি দৌৰি আহি ককাকৰ ডিঙিত সাবটি ধৰিলেহি তাই। বহুত দিন ইয়ালৈ অহা নাই। বেচ দেখনীয়াৰজনী হৈ পৰিছে মা-মণি। পেটৰ এছোৱা উলিয়াই পিন্ধা ব্লাউজ, বাউসীৰ পৰা ঘনে ঘনে পিছলি পৰা শাৰী আৰু ডিঙিয়ে কাণে ৰূপৰ জুলুকা এসোপা পিন্ধি বেচ চকুত লগাজনী হৈ পৰিছে। মাতবোৰো বেলেগ হ'ল। ককা কা-কা হ'ল। 'ইয়ে'বোৰ সৰহ হ'ল। আৰু তেনেকুৱা বহুত সলনি হ'ল। হলেও কমীৰ চিঠি পাই যে তাই আইতাকক চাবলৈ আহিছে ককাকৰ আগত সেইটো নক'লে। ককাকেও তাইৰ মূৰটো টানি আনি কপালতে চুমা এটা খাই ক'লে, "যা ভিতৰলৈ যা মা।"

অমল ঘূৰি আহিছিল। তাক কলে, "আহছোন মোক বিছনাত

থৈ আহগৈ।" ককাই নিজে উঠি মেলি ফুৰিব নোৱাৰে। ভৰিত সিমান জোৰ নাই। লাখুটি ডালেও দেহাৰ ভাৰ ৰাখিব নোৱাৰে ভালকৈ। কাষতে কোনোবা এজন থাকিলেই হয়। তাৰ উপৰি ৰক্তৰ ছাপ আছে। সেইবাবে খুব সাৱধান হৈ থাকিব লাগে। আৰু সেই কাৰণেই অভয়ে দেউতাকক উঠি মেলি ফুৰিবলৈ নিদিয়ে। মাকৰ ওচৰতো ককা বহাৰ কোনো প্ৰয়োজন নেদেখিলে অভয়ে। দেউতাকৰ দেহাটোৰ স্বাচ্ছন্দ্যৰ ওপৰত অভয়ৰ চোকা চকু। বিছনাতে পৰি থাকিল ককা।

আইতাৰ আজি ৰাতিপুৱাৰ পৰাই চেতনা নাই। কেউফালে খবৰ দিয়া হৈছে। ল'ৰা আটাইকেউজন ঘৰতে থাকে। তেওঁলোক আছেই। মাজু ল'ৰা অমিয় ঠিকাদাৰ। তেওঁ ঘৰত বৰকৈ থাকিব নোৱাৰে। তেৱোঁ আজি ওলাই যোৱা নাই। জীয়ৰী তিনিওজনী আহি পাইছেহি। মা-মণিও এয়া আহি পালেহি। সকলোৰে খবৰ পাইছে, পোৱা নাই মাত্ৰ ককাইহে। কোনেও খবৰ নিদিলেও ককাই বুজিছে আজিৰ দিনটো ইঙ্গিতপূৰ্ণ।

বিছনাত পৰি থাকি ককাই চিন্তা কৰিছে—কিবা ভুল থাকি গ'ল নেকি? আইতাকে কিবা কৰলৈ বিচাৰিছিল নেকি? কিবা আশা থাকি গ'ল নেকি? চাবলৈ, খবৰ কৰিবলৈ অহা মানুহৰ মতে আইতাৰ কোনো আক্ষেপ থাকিব নোৱাৰে। ককাই গঢ়া সংসাৰৰ দৰে কোনেও সহজে সংসাৰ এখন গঢ়িব নোৱাৰে। কেনিও দুখৰ চিন নাই। আটোম টোকাৰী। ল'ৰা-ছোৱালী আটাইবোৰ মানুহ হৈ এতিয়া সংসাৰৰ গুৰি ধৰিছে। সিহঁতৰ ওপৰত কেতিয়াবাই ঘৰৰ ভাৰ গতাই দি ককা আইতা নিশ্চিন্ত। সিহঁতেও কাহানিও দেউতাক মাকক আওহেলা কৰা নাই। অতি যত্নেৰে আলপৈচান ধৰি আহিছে। তেনেক্ষেত্ৰত কি দুখ থাকিব পাৰে আইতাৰ মনত?

কিন্তু তথাপি? জানোচা কিবা এটা ক'ব খুজিছিল। জানোচা

এবাৰ ককাক অকলশৰে লগ পাব খুজিছিল! ক'তা, সেয়ে হ'লে দেখোন ক'লেহেতেন আটাইবোৰে।

"কা-কা—" মা-মণি আহিছে। "কি অ' মা—" বুলি কওঁতে ককাৰ চকুৰ পৰা অলপ আগতে ওলাওঁ ওলাওঁ হৈ থকা পানী এটোপ সৰি পৰিল। আন্ধাৰ হৈ আছিল বাবে মা-মণিয়ে নেদেখিলে। "ইয়ে—তুমি শুলাই।" বৰজীৰ বৰ নাতিনী মা-মণি। তাইৰ আদৰো সেইবাবে বেছি। ককাকৰ গাতে হাউলি পৰি ক'লে, "উঠাছোন কাকা, আইতাৰ ওচৰলৈ যাওঁ।" ককা গিৰিসকৰে উঠিব খুজিছিল। নুঠিলে। মা-মণিয়েও ক'ব খুজিছিল, "আইতাই তোমাক বিচাৰিছিল।" নকলে।

ককাই কিন্তু ক'লে, "নালগে অ' থক দে। আটাইবোৰ আছেই নহয়।"

"থাকিলে পিছে কি হ'ল! তুমি ব'লাছোন বাৰু। আলহীবোৰ গ'লগৈ।" আচলতে মানুহবোৰ আছিলেই। আইতাই মাজতে এবাৰ জ্ঞান পোৱাৰ দৰে হৈছিল। তেতিয়াই "দেউতাৰ" বুলি কোৱাযেন শুনিলে প্ৰভাই। তেওঁ আয়োজন কৰিলে দেউতাকক এবাৰ মাকৰ বিছনাৰ কাষত আনি বহুৱাব। আজি দিনটো বৰ ভাল নহয়।

থৰক বৰককৈ ককা আহিল এফালে মা-মণিৰ গাতে ভেজা দি। প্ৰভা বিছনাতে বহি আছিল। প্ৰণতিও আছিল। প্ৰণতিৰ কোলাত কেচুৱা। প্ৰভায়ে চকীখন ওচৰ চপাই তাত গাৰু এটাকে পাৰি দিলে। ককা লাহেকৈ বহিল। চকু গ'ল আইতাৰ মুখলৈ। আইতা নীৰৱ, নিশ্চল, প্ৰায় অচেতন। একে থৰে চাই থাকিল ককাই। মুখৰ মাত নাই একো। আইতাৰ শেতা পৰা মুখ খনত যেন যোৱা পঞ্চাশ বছৰৰ বুৰঞ্জী লিখা আছিল। তাত যেন যোৱা পঞ্চাশ বছৰৰ সুখ দুখ, হাঁহি কান্দোনৰ ছবি আঁকা আছিল। তাকে চাই থাকিল ককাই একে থৰে। প্ৰভাৰ বেজাৰ লাগিল বৰ। পমি

সোমাই আহিছিল। ককাক সেইদৰে থকা দেখি আঁতৰি গ'ল। প্ৰভাই এবাৰ আঁতৰি গৈ চকু দুটা মচি আহিলগৈ। মা-মণিয়ে ককাকৰ পিছফালে ঠিয় হৈ চকিখনত দি থকা হেঁচাটো অলপ পাতলাই ছুঁহকি গ'ল।

ককাই যেন তেওঁলোকৰ অস্তিত্ব খন্তেকলৈ পাহৰি গ'ল। বহুত পৰ সেইদৰে বহি থকাৰ পিচত হাতখন আগবঢ়াই দিলে। ইচ্ছা আইতাৰ গালে মুখে হাত ফুৰাই অকণমান মৰম কৰিব। নোৱাৰিলে। হাতখন মাথো আইতাৰ কপালতে থৈ লাহেকৈ মাতিলে "তৰু—।"

তৰু! আইতা সাৰ পাই উঠিল। সেইটো নামেতো তেওঁক কোনেও মতা নাই আজি প্ৰায় কুৰি বছৰে! মা হোৱাৰ পিছত, আইতা হোৱাৰ পিছত, মামী, পেহী, জেঠাই, খুৰী, আটাইবোৰ নামেৰে কোনোৱে নহয় কোনোৱে মাতিছে; কিন্তু তৰু! সেইটো নাম দেখোন পাহৰাৰ দৰেই হ'ল। ইস্ কিমান দিন, কি—মান দিনৰ মূৰত ককাই সেইটো নাম কাঢ়িছে!

আইতাৰ চকু দুটা মেল খাই গ'ল এবাৰ। দুধাৰি পানী ওলাই গালৰ ওপৰেদি বাগৰি গ'ল। অন্তৰ ভৰা হাজাৰ কথা যেন একেলগে ওলাই আহিব খুজিলে। হাজাৰ কথাই জিভাৰ আগত খুন্দিয়া-খুন্দি কৰিবলৈ ধৰিলে। শেহত গুন গুনকৈ আইতাই সুধিলে—"আবেলি চাহ—।" আৰু নোলাল কথা।

"খালোঁ খালোঁ তৰু। চাহ খালোঁ। তুমি—।" ককাইও একো ক'ব নোৱাৰিলে আৰু। এনেয়ে, কিহবাই যেন মাতটো বন্ধ কৰি দিলে। আইতাৰ চকু দুটা জাপ খাই গ'ল। সোমাই থকা চকুপানী দুটোপ ওলাই দুটা মণিৰ দৰে লাইটৰ পোহৰ পৰি জিলিকি থাকিল। ককাই লাহেকৈ মোহাৰি দিলে সেই দুটা। এটা অদ্ভুত অৱসাদে যেন আইতাৰ দেহ-মন-সত্বাক অৱশ কৰি দিলে।

মা-মণি তাৰ আগতে দৌৰি ওলাই গ'ল। আইতাই জ্ঞান

পাইছে! আটাইবোৰ সোমাই আছিল। প্ৰভা বিছনাত উঠি ললেহি। লাহেকৈ মাতিলে "মা—"

ক'তা?

ককাই তেতিয়া লাখুটি ডালৰ ওপৰত দুইহাত থৈ তাৰ ওপৰতে থুতৰিটো তুলি থৈ একে থৰে চাই আছিল আইতাৰ মুখলৈ। আইতাৰ কপালত থকা ৰঙা ফোঁটটোলৈ। সেইটো যেন আজি বেছি ৰঙা হৈছে, সদায় আবেলি দেখাতকৈ! প্ৰভাই এইকেইদিন নিতৌ নতুনকৈ মাকৰ কপালত ফোঁট এটা দি আহিছে, আজিও দিছিল।

আবেলি ককাই সদায় চাহ এটোপা খায়। সদায়। লগতে আজি প্ৰায় দুবছৰে নিয়মিতৰূপে খাই অহা ভিটামিন বি-কমপ্লেক্সৰ পিল এটা। দিনটোত তিনিবাৰ খাব লাগে যদিও আবেলিটো সদায় আইতাই দি আহিছে। ককা আগফালে পৰ্চটোত বহি থাকে। আইতাই কাপোৰ-সাজ সলাই, নতুনকৈ ফোঁট এটা লৈ তামোলৰ বটাটোৰে স'তে ওচৰতে মূঢ়া এটা পাৰি বহেহি। লগতে দৰবৰ বটলটোও লৈ আহে। কোনোবা এজনী বোৱাৰীয়ে, সৰহভাগ সৰুজনীয়ে, চাহটোপা আনি দিয়েহি ককাক। সৰহকৈ গাখীৰ দিয়া, চেনীও সৰহকৈ দিয়া, সেয়ে চেঁচা হ'ব লাগে অলপ। তাৰ লগতে আইতাই হাতত তুলি দিয়া পিলটো খাই থয় ককাই।

আৰু তেতিয়াই ককা-আইতাৰ মাজত দিনটোৰ খতিয়ান লোৱা হয়। বিশেষকৈ কোনটো নাতিৰ চুলি কাটিবৰ হ'ল, কাৰ দাঁত এটা লৰিছে, কাক আবেলি চাহ খাওঁতে দুষ্টালি কৰা বাবে মাকে ঢকা এটা মাৰিলে, কাৰ শৌচৰ লগত বাতিপুৰা পেলুও ওলাল এডাল, কাক ফলি এখন লগা হ'ল—এই হিচাব বোৰ ফঁহিয়াই আলোচনা কৰা হয়। তাৰ মাজতে ককাই খবৰৰ কাগজ পঢ়ি থাকে। মাজে মাজে দুই এটা খবৰ আইতাকো পঢ়ি শুনাই বুজাই দিয়ে।

বহুত পৰ দুয়ো বহি থাকে সেইখিনিতে। তেতিয়া চোতালত খেমালি কৰি থকা মণ্টু-মীনাহঁতৰ কাৰবাৰ মুতিব লাগিলে লৰ মাৰি

আইতাৰ ওচৰ পায়হি—'পেন'টো খুলি দিব লাগে। ককাই কাগজখন এফলীয়া কৰি চছমাৰ ওপৰেদি চাই হাঁহি এটা মাৰি কয়—"লৰালৰি কৰা, নহলে কাপোৰে-কানিয়ে যাবই এতিয়া—।"

একান্ত উঠি যাব নলগীয়া আলহী-তুলহী আহিলেও আইতা সেইখিনিতে বহি থাকে। তাতে তামোল এখন দিয়ে। চাহ-টাহ খুৱাব লগা আলহী হ'লে ভিতৰলৈ খবৰ দিয়ে।

কমী, অমলহঁতেও মাজতে একোবাৰ আহি আইতাই দিয়া তামোল এখন খাই দুই এটা ফৰমাছ দি থৈ যায়।

যোৱা এমাহে আইতা সেইখিনিত বহিব পৰা নাই। ককা কিন্তু বহি আছে। ককাৰ দৈনন্দিন জীবনৰ একোতে ব্যতিক্রম হ'বলৈ পোৱা নাই। হ'লে অভয়ে ঘৰখনক সুদাই নেৰে। আইতাৰ অসুখ। জ্বৰ। লগতে বয়সৰ অসুখো কিবা। সেয়ে বাঢ়ি ক্রমে টান হৈ আজিৰ অৱস্থা পাইছে। সকলোৱে জানিছে আইতা নাবাচে। কোনেও নিবিচাৰেও সেইটো। যথেষ্ট বয়স হৈছে। সুখেৰে, শান্তিৰে মৰিলেও সকলোৱে ভাল পায়। কেইদিনমানৰ পৰা মিতিৰ-কুটুমলৈ খবৰ গৈছে। খবৰ পাই আহিছেও কোনো কোনো। মা-মণিৰ ভায়েক এটা কাইলৈ পাবহি হেনো। খবৰ মাথো দিয়াকৈ দিয়া হোৱা নাছিল ককাক।

এতিয়া আইতাই এবাৰ বিচৰা যেন পাই মা-মণিহঁতে ধৰি মেলি ককাক আইতাৰ ওচৰত বহুৱাই থৈছেহি। আগতে কেবাবাৰো ককাই পেটে পেটে বিচাৰিছিল প্ৰভাৰ দৰে বিছনাত বহি আইতাৰ মূৰত হাত ফুৰাই দিব, হাতখন মোহাৰি দিব। দুটা কথা পাৰিব।

কিন্তু নোৱাৰিলে। ককায়েই যদি সেইবোৰ কৰিব লগা হয় ঘৰখনত অতবোৰ প্ৰাণী কেলেই আছে! তিনিটা ল'ৰা, তিনিজনী বোৱাৰী, জীয়ৰী কেউজনী, নাতি-নাতিনী এপাল, চাকৰে-বাকৰে এই আটাইবোৰ মানুহ কি কৰিবলৈ আছে?

ককাই মনে মনে বিচাৰিছিল আইতাক সুধি জানি থ'ব—যোৱা

পঞ্চাশ বছৰীয়া বিবাহিত জীৱনত ক'ৰবাত কেতিয়াবা পোৱা দুখ বেজাৰ মনত থাকি গ'ল নেকি? তাকো নোৱাৰিলে। আইতা সজ্ঞানে থকা অৱস্থাত কোনেও ককাক মাতি আনি ওচৰত বহিবলৈ নিদিলে। নিজে আহিও দুৱাৰ-মুখৰ পৰাই উভটি গৈছে—ঘৰ ভৰা শুশ্ৰূষাকাৰীৰ দলবোৰ দেখি, দুটা আদৰকাৰী কথা সুধি।

এতিয়াও ককাই মনে মনে বিচাৰিছে আইতাক আলফুলকৈ সাবটি ধৰি, মূৰটো বুকুত সুমাই লৈ, পকা চুলিবোৰৰ মাজত আঙুলি সুমাই লাহেকৈ ক'ব—"ব'লা তক, ময়ো গৈছোঁ।" বাধা দিলে সংস্কাৰে।

এতিয়া আইতা অচেতন। চেতনা হয়তো ঘূৰি নাহিবও পাৰে। কেনেকৈ ই সম্ভৱ হয়? ইমান নিৰ্ব্বিকাৰ ভাবে এইহেনকৈ সজাই পৰাই লোৱা সংসাৰখন, ইমানবোৰ নাত-নাতিনীৰ মোহ এৰি আইতা কেনেকৈ গুচি যাবলৈ ওলাইছে! আৰু ককা? ককাৰ কথা আইতাই এবাৰো ভৱা নাই নে?

"মা—" প্ৰভাই আকৌ মাতিলে এবাৰ। আইতাই যেন আকৌ জ্ঞান পাইছে। চকু দুটা মেলা যেন লাগিল। কিবা এটি যেন ক'ব খুজিছে আইতাই।

ডাক্তৰ আহিছিল মাজতে। আইতাৰ হাত এখন দাঙি ধৰি নাড়ীৰ ক্ষীণ স্পন্দন অনুভৱ কৰিবলৈ চেষ্টা কৰিছিল। সেইখন হাতকে জোকাৰি আইতাই ক'ব খুজিছিল—"তহঁত আটাইবোৰ আঁতৰি যাহঁকছোন। মোক এখন্তেক দেউতাৰে স'তে অকলে থাকিবলৈ দে।" ইমানবোৰ কথা কিন্তু মুখেৰে কোৱাৰ সামৰ্থ্য তেতিয়া আইতাৰ নাই। সেইবাবে হাতৰ ইঙ্গিত কোনেও নুবুজিলে। আঁতৰি যাওক ছাৰি সকলো ওচৰ চাপিহে আহিল। আইতাই ককাক ক'ব খুজিছিল—"ইমান দিনে ক'তা, এবাৰো দেখোন ওচৰত বহিবলৈ নাহিল! মই এতিয়া যাবলৈ ওলালোঁ। আপুনি অকলে কষ্ট পাব জানো। কিন্তু কি কৰিম! মোৰ

দেখোন একো উপায় নাই। শাও-শপনি নিদিব দেই।” সেইদৰে কবলৈকো আইতাৰ ভাষা তেতিয়া হেৰাই গ’ল। মাজতে এবাৰ মাথো কোৱা যেন শুনা গ’ল “ভৰি— ।” কোনেও একো নুবুজি মুখে মুখে চাবলৈ ধৰিলে। বৰ বোৱাৰী, কমীৰ মাকে কথাটো অনুমান কৰিছিল। মুখ ফুটাই কবলৈ শোকে খুন্দা মাৰি ধৰিলে। প্ৰভাইও বুজি পালে। উঠি আহি—“দেউতা চাওঁ— ।” বুলি দেউতাকৰ ভৰি দুটা দুই হাতখন মাকৰ কপালত লগাই দিলে।

ককাই কিন্তু সেইবোৰ একো নেদেখিলে। একো নুবুজিলে। কাষত ইমানবোৰ মানুহে ঠিয় হৈ মুহূৰ্ত লেখিছে সেই কথাও ককাই মন কৰা নাই। ককাৰ মুখখনো নিৰ্ব্বিকাৰ, নিশ্চল হৈ পৰিল। লাখুটি ডালৰ ওপৰত থুতৰিটো শালি দিয়াৰ দৰে থৈ ককাই চায়েই থাকিল আইতাৰ মুখলৈ: ককাই ক’ব নোৱাৰাকৈয়ে চকুৰ পৰা দুধাৰ পানী ওলাই আহিছিল।

পমী ককাৰ সৰু ছোৱালী। মনটো আলসুৱা যিমান, কোমলো সিমান। তেওঁ মন কৰি আছিল কাকো একো নোকোৱাকৈ ডাক্তৰ আঁতৰি যোৱাতো। তাৰ পিচত দেউতাকৰ চকুত পানী দেখিলে। সহ্য কৰিব নোৱাৰিলে তেওঁ। ডাঙৰকৈ কান্দি দিলে। ককা উচপ খাই উঠিল। ধৰমৰাই ঠিয় হৈ দিলে। সুধিলে—“কি, কি হ’ল তক!” শক্তিহীন ভৰি দুটাই দেহাৰ ভাৰ সহিব নোৱাৰিলে! অমিয় আহি ধৰাৰ আগতে আইতাৰ পালেঙত, আঠুত খুন্দা খাই ককা পৰি গ’ল। কেউফালে ধৰ ধৰ লাগিল। পমী হতবাক হৈ গ’ল। প্ৰভাই কান্দোন ঢাকিবলৈ চাদৰৰ আগ এটা কামুৰি ধৰিলে।

* * * *

ককাই যেতিয়া সাৰ পালে ডাক্তৰ বৰুৱায়ে তেতিয়া ককাৰ বাওঁ হাতখন দাঙি ধৰি নাড়ী চাইছিল। ককাই কিন্তু সেইটো গম পোৱা নাছিল। মুৰ শিতানত প্ৰভা বহি আছিল। মা-মণিয়ে

ভৰি দুটা লাহে লাহে মোহাৰি আছিল। অভয় আৰু অমিয় মূৰ শিতানৰ ফালে অলপ আঁতৰি ঠিয় হৈ আছিল।

চকু দুটা মেলি অলপ সময় থমকি ৰ'ল ককা। উমান ল'ব খুজিলে কি হৈছে। একো বুজিব নোৱাৰিলে। যোৱা পঞ্চাছ বছৰে বহুত বাৰ বহুত কথা বুজিব নোৱাৰি ককা থমকি ৰৈছিল। বহুত কথাৰ আঁত বিচাৰি নোপোৱা অৱস্থা হৈছিল। সদায়েই আশ্ৰয় লৈছিল আইতাৰ। সুধিছিল—"হয়নে হে'ৰা, এইটো কি কৰোঁ এতিয়া?" আইতাই আঁত পালে বিচাৰি দিছিল, নহলে দুয়ো আলোচনা কৰি ঠিক কৰিছিল কোন সমস্যাত কি কৰা উচিত। আজিও ককাই সেই সহায়কে বিচাৰিব খুজিছিল। বহুত পৰ বৈ লাহেকৈ মাতিছিল, "হয়নে হে'ৰা, তক!" তকটো আজি নতুন সম্বোধন। প্ৰভাই পালেঙৰ বেলিঙত মূৰটো থৈ দেউতাকে নেদেখাকৈ চকু-পানী মচিলে। মা-মণিয়ে ভৰি মোহাৰিবলৈ পাহৰি তলমূৰ কৰি বহি থাকিল। দুৱাৰৰ সিফালে থকা কমী, কমীৰ মাকহঁতেও চকুৰ পানী মচিলে। আগবাঢ়ি ওলাই নাহিল কিন্তু; কাপোৰ কানি চুলিৰ অৱস্থাৰ বাবে।

চকু-পানী ওলোৱা নাছিল যদিও অভয়হঁত আগবাঢ়ি নাহিল। তেওঁলোকৰ মুখত তিনিদিনৰ খুখুৰুৱা ডাড়ি দেখি জানোচা ককাই কিবা গম পায়! আকৌ যদি ছাপ বাঢ়ি যায় ককাৰ তেজৰ!

মামনি গোস্বামী

ৰিনিকি ৰিনিকি দেখিছোঁ যমুনা

আজি মোৰ মন গ'ল—এইকেইদিন একেৰাহে মোৰ গাত লাগি থকা এই শুধ বগা ব্লাউজটো মই যেন খুলি থম; আজি যেন মই এযোৰ বিলাহী ৰঙৰ সাজ পিন্ধিম; মোৰ বহল কপালখনৰ সোঁমাজত আঁকি লোৱা এটি তিলৰ দৰে সেন্দুৰৰ ফোটটো মই যেন ডাঙৰ কৰি লম, আৰু দীঘলীয়াকৈ ফলা তিয়হ এটাৰ পোন শিৰ ডালৰ দৰে মোৰ সেঁওতাৰ সেন্দুৰখিনি এনেকৈ ছটিয়াই লম যেন ত্রিশগজ দূৰৈৰ পৰা মানুহে মোক বুজক মই বিবাহিতা; মোৰ প্রিয়তম স্বামীৰ মই এজনী সতী সাধ্বী ভাৰ্য্যা!

বাৰাণ্ডাৰ একাষে থোৱা চোফাখনত মই বহিলোঁ; এই চোফাখনত আমাৰ দাম্পত্য জীৱনৰ বহুতো মধুৰ, এৰা, মধুৰ মুহূৰ্তই অতিবাহিত হৈ গৈছে। ইয়াত সজাই থোৱা আৰু মই নিজহাতে আটিলকৈ চিলাই লোৱা গাৰুকেইটা এতিয়া একেবাৰে লেতু-সেতু হৈ কোণ কেইটা কুজা হৈ যোৱাৰ উপক্রম কৰিছে; এটা গাৰুত মুখখন গুজি মই অনুভৱ কৰিবৰ চেষ্টা কৰিলো, মোৰ চুলিৰ ওপৰেৰে বাগৰি যোৱা মোৰ স্বামীৰ হাতৰ স্পৰ্শ। অনুভৱ কৰিলো আৰু উপলব্ধি কৰিবৰ চেষ্টা কৰিলো মোৰ স্বামীৰ বুকুৰ চিনাকি গোন্ধে মোক পৃথিৱী পাহৰাবলৈ ঠিক সক্ষম হৈছিল নে নাই; এইবোৰ কথা মই সাধা-ৰণতে নেভাৱো, ভাৱিবৰ মোৰ ইচ্ছা নেযায়; এই ইচ্ছা নোযোৱাৰো

অৱশ্যে কাৰণ নোহোৱা নহয়। আছে। আজি মোৰ সমস্ত সত্বা, অৰ্থাৎ মোৰ অচেতন, অৱচেতন দুয়োটা মনত এটা নতুন পুলক জাগিছে এই কাৰণেই যে মই মাতৃ হবলৈ আগবাঢ়িছোঁ! এই বাতৰি মই মোৰ স্বামীক জনাবলৈ আজি ব্যগ্ৰ হৈ পৰিছোঁ। মোৰ ধাৰণা হৈছে ইয়াৰ পাছত মই যেন এক পৰম স্বস্তিত আৰু এক নিৰাবিল আনন্দত মোৰ দিনবোৰ অতিবাহিত কৰিব পাৰিম। মোৰ মনত অহৰহ লাগি থকা এটা অসন্তুষ্ট ভাৱক মই যেন চেপি নিঃশেষ কৰি পেলাব পাৰিম!

* * * *

দেউতাই শ্বিলঙত চৰকাৰী কাম কৰিছিল। মা দেউতা, আৰু পুৰণি লগুৱা মনোকাইৰ চকুৰ আগত মই মোৰ বৈচিত্ৰ্যহীন এটি শৈশৱৰ অৱসান ঘটাই আহিছোঁ। মোৰ শৈশৱৰ সুদক্ষ প্ৰহৰী আছিল মনোকাই; মোক স্কুললৈ থব যোৱা, স্কুলৰ পৰা লৈ অহা, মোৰ খোৱা-বোৱাৰ প্ৰতি লক্ষ্য ৰাখি মনোকায়ে মোৰ লগে লগে ছাঁৰ দৰে ঘূৰি ফুৰিছিল।

শীতত সৰলৰ শুকান পাতেৰে ভৰপুৰ হৈ থকা ঘৰৰ সন্মুখৰ আলিটোৰ কথা মোৰ ৰিণি ৰিণি মনত পৰে। যুৱতীৰ চেম্পো কৰা চুলিৰ দৰে সেইবোৰ পাত পিচল, মসৃণ! গন্ধহীন বনৰীয়া গোলাপেৰে ভৰপুৰ গাওঁখনৰ কথাও মোৰ ৰিণি ৰিণি মনত পৰে। মনোকাইৰ হাতত খামুচি ধৰি প্ৰায়ে মই এবাৰ কথা সুধিছিলোঁ।

—চোৱা কাই, সৌ টকলা পাহাৰবোৰক একোটা ভাগকৰা উট বহি থকা যেন দেখি।......

......সকবে পৰা মনোকাইৰ লগে লগে ফুৰি মই মোৰ সমনীয়া আন লৰা-ছোৱালীৰ সঙ্গ বেছি সহ্য কৰিব নোৱাৰিছিলো। মোৰ এই অভ্যাসটোৰ কথা মা আৰু দেউতাই নিঃসঙ্কোচে মোৰ সন্মুখতে কোৱা-মেলা কৰিছিল; দেউতাক সামান্য ভাৱে চিন্তা কৰা যেন দেখিছিলো; কিন্তু মাৰ ওঠত মই এটা তৃপ্তিৰ হাঁহিয়েই দেখিছিলো!

মোৰ মনত আছে আমাৰ কম্পাউণ্ডৰ তলত এলানি খেৰৰ ঘৰ আছিল। ঘৰলানৰ একেবাৰে শেষৰ কোঠা দুটাত একোটা ডাঙৰ তলা ওলমি থকা মই বহুদিনৰে পৰা লক্ষ্য কৰিছিলোঁ। এদিন মই আমাৰ ঘৰৰ চাঙৰ ওপৰৰ পৰা দেখিলোঁ, বন্ধ হৈ থকা কোঠা দুটাৰ দুৱাৰকেইখন মেল খাইছে। বাৰাণ্ডাৰ এটা খুটা আৰু সম্মুখৰ নাচ-পতিহোলাত এডাল নাৰিকলৰ ৰচি বান্ধি থোৱা আছে, তাত সৰু সৰু দুটা ফ্ৰক, এটা পায়জামা আৰু এখন চাদৰ ওলমি আছে; মোৰ দৃষ্টি পিচলি গ'ল বাৰাণ্ডাৰ আন এটা মূৰলৈ। তাতে মোৰ ঠিক সমবয়সীয়া ছোৱালী এজনীয়ে, টুকুৰা কাপোৰ, ভঙা টিন কিছুমান লৈ দৰা-কইনা খেলি থকা যেন দেখিলোঁ। তাই ইমান আগ্ৰহেৰে নিজৰ লগতে কথা পাতি খেলি আছিল যে প্ৰথমবাৰৰ বাবে মোৰ ইচ্ছা গৈছিল মই যেন তাইৰ দৰেই তাইৰ লগত লগ লাগি খেলিম। মোৰ খুব মনত আছে তাইৰ সঙ্গ লাভৰ কাৰণে মোৰ এধানমানি শিশুপ্ৰকৃতিৰ লোভ জাগিছিল। স্বেচ্ছাৰে আনৰ লগত খেলিবৰ ইচ্ছা যোৱা সেইটো আছিল মোৰ প্ৰথম বাসনা। কথা প্ৰসঙ্গত সেইদিনাই মনোকায়ে মাক কৈছিল, "আইদেউ, ড্ৰাইভাৰৰ পৰিয়ালটো যে আহম বুলি কৈছিল, আহিল নহয়; আইমণিৰ সমনীয়া ছোৱালীজনীয়ে আহিয়েই নিজৰাৰ পাৰৰ কলি প্লামবোৰ ছিঙিলে—আমাৰ আইমাতো এইবাৰ লগ নেলাগিলেই হয়!"

মায়ে কপালখন কোচাই এবাৰ চাৰিওফালে চালে অৰ্থাৎ মই কি কৰিছোঁ ঠোৰতে এবাৰ উমান ললে। মই—তেতিয়া মোৰ ঘৰুৱা শিক্ষকৰ ওচৰত বহি এজনী শান্ত ছোৱালীৰ দৰে অঙ্ক কৰি আছিলোঁ। কিন্তু বহীখনৰ উকা পাতখিলাত বাৰে বাৰে মই দেখিছিলোঁ আপোনা-আপুনি কথা পাতি থকা ছোৱালীজনীৰ মুখখন। বহীত আখৰ লিখিব খোজোতে আখৰবোৰ কিবা তাইৰ চকু মুখৰ দৰে হৈ যোৱা যেন লাগিছিল।

ইয়াৰ পাছত অৱশ্যে মা আৰু মনোকাইৰ চকুৰ পৰা যেতিয়াই

মই মুক্ত হৈছো, তেতিয়াই একোটা সময়ত গৈ মই চটিৰ ওপৰ উঠিছো; অপলক দৃষ্টিৰে মই খেৰৰ ঘৰলৈ চাইছোঁ, অকলশৰে আপোন মনে খেলি থকা ছোৱালীজনীলৈ মই সম্ভৱ মোৰ সকলোখিনি শিশু-সুলভ কৌতুহলেৰে চাইছোঁ।

মোৰ মনত পৰে, এদিন স্কুলৰ পৰা আহি গাধীৰ গিলাছ খাই মই আগফালৰ বাৰাণ্ডাত আহি থিয় হৈছিলোঁ; হঠাতে মই সম্মুখত অদ্ভুত বস্তু এটা দেখাৰ দৰে উচপ খাই উঠিছিলোঁ। খেৰৰ ঘৰলানিৰ একেবাৰে শেষৰ কোঠাটোৰ পৰা মোৰ সমবয়সীয়া ছোৱালীজনী মোৰ ওচৰলৈ অৰ্থাৎ মোকেই লক্ষ্য কৰি এইপিনে আগবাঢ়ি আহিছে। গোম সাপৰ দৰে উজ্জ্বল ঘূৰণীয়া চকুযোৰ তুলি তাই মোক দূৰৈৰ পৰাই কলে: আহা, আমি গেটখন পাৰ হৈ দলঙৰ দাঁতিত খেলিম। নিজবাৰ ওপৰৰ সেই যে ভঙা দলংখন!!

মন্ত্ৰমুগ্ধ হৈ মই তাইৰ পিচে পিচে গৈছিলোঁ। ঢুকি নোপোৱা গেটখনৰ কাঠ কেইচলাত উঠি খুলিব খোজোতে বাহু এটাত চেঁপা খাই মই উভতি চালোঁ—সেয়া মনোকাই। আৰু ঘৰৰ আগফালৰ চিৰি কেইটাত থিয় হৈ মায়ে আমাৰ পিনে চাই আছে; আমাৰ আগেৰে অকমানি ছোৱালীজনীয়ে চোৰৰ দৰে লৰি পাৰ হৈ গ'ল। আৰু মনোকাইৰ চাৰ্টৰ আঁৰত মই মোৰ মুখখন ঢাকি ধৰিলোঁ।

সেইদিনাৰ পৰা মনোকায়ে মোক 'হাইদৰি পাৰ্ক'ত খেলিব অহা এজাক ল'ৰা-ছোৱালীৰ লগত খেলিবলৈ লৈ যায়। যেতিয়া খেৰৰ ঘৰলানিৰ আগেৰে মোক মনোকায়ে হাতত ধৰি ফুৰাব নিয়ে, খেৰৰ ঘৰটোৰ শেষৰ কোঠাত থকা অকমানি ছোৱালীজনীয়ে তলৰ ওঁঠটো অলপ ভেঙুচাই ফুচফুচাই কোৱাৰ নিচিনাকে কলেও মই শুনো—

: মায়ে কৈছে তুমি সজাত বন্দী হোৱা ভাটৌ!!

কথাষাৰৰ অৰ্থ মই বুজি পোৱা নাছিলোঁ। মনোকাইক সোধোতে সি সেইষাৰ অৰ্থ নোহোৱা কথা বুলিয়েই মোক কৈছিল।

লাহে লাহে মই সেইজনী ছোৱালীক পাহৰি আহিলোঁ। তাইৰ

আগেৰে পাৰ হৈ গলেও আগৰ দৰে মোৰ শিশুপ্ৰকৃতি আৰু ৰোমাঞ্চিত হৈ মুঠিল। নিচেই কাষত থকা স্বত্বেও আপোনা-আপুনি মই পাহৰি আছিলোঁ। পাহৰি আহিব বাধ্য হৈছিলোঁ।……

……ইতিমধ্যে মই প্ৰবেশিকা পাচ কৰি কলেজত নাম লগালো। মোৰ ফ্ৰকবোৰ মায়ে নিপিন্ধা কাপোৰ থোৱা বেতৰ বাচ্কেট এটাত সুমুৱাই থলো। সেইবোৰ ফ্ৰকৰ পৰা নতুন হৈ থকা টিপ গুটাম-বোৰ একৰাই আনি ব্লাউজবোৰত খুৱাই দিলে। মই লক্ষ্য কৰিলোঁ মনোকায়ে আগৰ দৰে মোৰ ছাঁ হৈ আৰু ঘূৰি ফুৰা হ'ল। এনে একোটা সময় আহিল যেতিয়া মনোকায়ে মোৰ লগত জুখি মাখিও কথা কোৱা হ'ল। মোৰ দৈনন্দিন কামৰ লগত আৰু কিছুমান কাম গোট খালে। গধূলি এটা সময়ত মই গোঁসাই ঘৰত চাকি দিব লাগে; প্ৰায় আধা ঘণ্টা মই 'লক্ষ্মীচৰিত'কে আদি কৰি কেইখনমান ধৰ্ম্মপুথিও পঢ়িব লাগে। মাৰ কাৰণে নহলেও দেউতাই ভাল পাই কাৰণেই মই সেইবোৰ পঢ়োঁ। মনোকায়েও মাজে মাজে কয়ঃ— আইমানো অলপ শুনাকৈ পঢ়িবাছোন। সেইবোৰ স্ত্ৰীধৰ্ম্মৰ ভিতৰুৱা কথা। চব পঢ়িব লাগে, ৰামায়ণ, ভাগৱৎ, চব !!

সেইবোৰ মই কিন্তু পঢ়িছিলোহে, তাতোকৈ মোৰ ভাল লাগিছিল এটি চন্দন কাঠৰ মূৰ্ত্তিৰ সন্মুখত বহি নিজৰ লগতে দুই এটি কথা কোৱা। সেই নিৰ্জীব মূৰ্ত্তিটোৰ আগত অৰ্থহীন ভাৱে মনৰ কথা প্ৰকাশ কৰাত পোৱা এটি অবুজ তৃপ্তিয়েও কোনো কোনো সময়ত মোৰ নাৰী হৃদয় মোহিত কৰি তুলিছিল। পৰম্পৰাগত বিশ্বাসৰ এটি শক্তি আছে বুলিয়েই মই মানি লৈছিলোঁ। মাজে মাজে মোৰ অৰণ্যে অৰ্থহীনভাৱে হাঁহি উঠিছিল। পিচ মুহূৰ্ত্ততে শাও লাগে বুলি কিতাপখন ওচৰলৈ টানি আনিছিলোঁ।

এতিয়াও একোটা সময়ত মাৰ ওচৰত পঢ়িব লাজ কৰা উপন্যাস একোখন লৈ চাট্ৰৰ ওপৰৰ এটুকুৰা নিৰ্দ্দিষ্ট ঠাইতে মনে মনে মই বহোঁ। মা আৰু মনোকায়ে মোক বিচাৰি আগৰ দৰে হুলস্থুল

নকৰে। কাৰণ মোৰ ব্যৱহাৰ ইতিমধ্যে জনাই দিছিল মই নিৰীহ বুদ্ধিৰ মুৰ খোৱা ছোৱালী।

এদিন মই চাট্‌ৰ ওপৰৰ যিখিনি ঠাইত ৰেলিং নথকা কাৰণে মনোকায়ে ফুলৰ টাব কেইটাকে সীমা কৰি বহুৱাই থৈছে, ঠিক সেইখিনিৰ পৰা দেখিলোঁ খেৰৰ ঘৰলানিৰ একেবাৰে শেষৰ কোঠাটোৰ পৰা বঙা পাৰীৰ শাৰী পিন্ধা শকত, চাপৰ ছোৱালীজনী ঠিক আমাৰ ঘৰৰ পিনে লক্ষ্য কৰি আগবাঢ়ি আহিছে; মই ওপৰৰ পৰা নামি আহিলোঁ। বাহিৰৰ বাৰাণ্ডাত পাৰি থোৱা মুঢ়া এটাত নিতান্ত পৰিচিতাৰ দৰে তাই বহিল! মোৰ চকুত চকু থৈ তাই কলে:—তুমি আগতকৈ শকত হলা, গহীনো হলা! তোমাৰ চকুত নাচি থকা পোহৰখিনি এতিয়া নোহোৱা হ'ল!

মোৰ মুখৰ পৰাও ওলাল:—তুমিও গহীন হলা—আগৰ দৰে দুষ্টামিবোৰ নোহোৱা হ'ল! কুন্দ ফুলৰ পাতৰ আকৃতিৰ চকুযোৰ তুলি তাই কলে:—এতিয়া দুষ্ট হৈছো বেলেগ ধৰণে—যেনে ধৰণে দুষ্ট হলে উপভোগ কৰিব পাৰি—বহুতো কথা উপভোগ কৰিব পাৰি। আইমানো তুমি সেইবোৰ বুজি নেপাবা। মই যে সকতে কৈছিলো তুমি সজাৰ মাজত বন্দী ভাটৌ……মনত আছে?

মোৰ নাকৰ পাহিত দুহ এফুট ঘাম কিৰিভিল। কাৰণ—মা আৰু মনোকায়ে দুৱাৰ-গুৰিৰ পৰা একোবাৰ চাই আকৌ উভতি গ'ল! অলপ পাচতেই কিন্তু মায়ে ৰান্ধনি ল'ৰাটোৰ হাতত দুকাপ চাহ কৰি বাৰাণ্ডালৈ পঠিয়াই দিলে—আৰু মই স্বস্তিৰে উশাহ ললো!

চাহ কাপ শেষ কৰি তাই পিঠিত পেলাই থোৱা বেণীডাল সো-ফালে টানি আনিলে, টাৰ্চেল ডালৰ শেষৰ চিক্কৰ সুতাখিনি আঙুলিৰে পকাই পকাই তাই চকুত এযোজা লাজ সানি কলে—

—: তোমাৰ ওচৰলৈ মই এটা কথালৈ আহিছিলোঁ—যদি তুমি বেয়া নোপোৱা……!

উৎকণ্ঠাৰে মই মুৰ জোকাৰি কলো— : ওহো—!

—ঃ তুমি মোক এখন চিঠি লেখি দিব লাগে—চোৱা এইখন চিঠিৰ উত্তৰ !!

ব্লাউজৰ ভিতৰৰ পৰা তাই চিঠি এখন উলিয়াই মোক পঢ়ি শুনালে। অলপ সময় মই মুগ্ধ আৰু মূক হৈ ৰলোঁ। কাৰণ তেনেকুৱা প্ৰাণেৰে সৈতে লিখা প্ৰেমপত্ৰ মই কিতাপতহে পঢ়িছো,—কিন্তু নিজ হাতে প্ৰেয়সীলৈ দিয়া প্ৰেমপত্ৰ পঢ়া মোৰ এয়ে প্ৰথম।

—ঃ তুমি পঢ়া শুনা জনা ছোৱালী—ইয়াৰ ভাল উত্তৰ এটা আজিয়েই তুমি মোক লিখি দিয়া!

মই প্ৰতিবাদ কৰিলোঁ। ফল নহল। শেষত তাই এনে ধৰণে গাত পৰি লাগিলে যে মই দিবলৈ বাধ্য হলো! যাবৰ সময়ত তাই মোৰ কাণৰ কাষলৈ আহি ফুচফুচাই কৈ গ'ল—

—ঃ আৰু কেইদিন মান তোমাক আমনি দিম বেয়া নেপাবা কিন্তু!!

······এদিন নহয়, ইয়াৰ পাছত কেইবাদিনো মই সুনন্দাকে,—মোৰ প্ৰাণৰ কথাৰে ভৰপূৰ—মোৰ সমস্ত আবেগেৰে তিতি-থকা কেইবাখনো চিঠি লেখি দিলোঁ! সেইবোৰ চিঠি মই লেখিছিলোঁ এক স্বকীয়া তৃপ্তিৰে! শেষলৈ মোৰ অনুৰাগ ইমানেই বাঢ়িছিল যে, সুনন্দাই হঠাতে এদিন বিয়াৰ সংবাদ আনি মোক চিঠি লিখাৰ এইখন তৃপ্তিৰ পৰা বঞ্চিত কৰিব বুলি মই ভয়ও খাইছিলোঁ।

কিন্তু এদিন মই সজাগ হলো। সুনন্দাই মোক সোঁৱৰাই দিলে,—মোৰ জীৱনৰ প্ৰথম প্ৰেমপত্ৰখন এয়া যে মই আনৰ কাৰণে লিখিছো যিখিনি কথা ময়েই এজনক শুনাব লাগিছিল—সেইখিনি মই আন এজনী ছোৱালীক দান·কৰি দিছোঁ। ওঁঠৰ কোণত এটি শিশুৰ হাঁহি লৈ সুনন্দাই মোক কৈছিল—

—ঃ তোমাৰ চিঠিবোৰ পঢ়িলে আগেয়ে তোমাৰ এনে ধৰণৰ চিঠি লিখাৰ অভ্যাস থকা যেন লাগে। সঁচাকৈয়ে তোমাক কোনেও চিঠি দিয়া নাই?

মই হাঁহি পেলালো আৰু হাঁহিয়েই তাইক কৈছিলো—ঃ ওহো—

মোলৈ কোনেও তেনেধৰণে চিঠি লিখা নাই। কিন্তু পিচমুহূৰ্ততে যথেষ্ট ৰূঢ় কণ্ঠেৰে মই কলো —ঃ সাহ থাকিলেহে দিব! আৰু দিলেও মই জানো সুদাই এৰিম।

কোমল সুৰেৰে তাই কলে— ঃ ইয়াততো সাহৰ প্ৰশ্ন নুঠে! য'ত অফুৰন্ত প্ৰেম থাকে তাত সাহ শক্তি—সকলো থাকে! প্ৰেম স্বৰ্গীয়, ঘৃণনীয়তো নহয়!

মই উত্তৰ খেপিয়াই ফুৰোতে দেখিলো ইতিমধ্যে মায়ে আহি দুৱাৰ গুৰিত থিয় হৈছে। ধৰা পৰি যোৱা প্ৰণয়ী যুগলৰ দৰে আমি দুয়ো ক্ষন্তেক সময় মৌন হৈ ৰলোঁ। মায়ে হয়তো আমাৰ কথা শুনা নাছিল। কাৰণ তাই উঠি যোৱাৰ পাছত—তাইৰ লগত বহুতো সময় কথা কোৱাৰ কাৰণেই সামান্য অসন্তুষ্টি প্ৰকাশ কৰাৰ বাহিৰে মোক বিশেষ একো কথা কোৱা নাছিল।

ইয়াৰ পাছত অৱশ্যে মাত্ৰ কেইটামান দিন তাই মোৰ ওচৰলৈ আহিল ; শেষত তাই অহা বন্ধ হ'ল। কাৰণ ইতিমধ্যে সিহঁত দুয়ো জীৱনটো ইমান সুন্দৰ ভাবে ভাগ বটাই ললে যে মোৰ অভিনয়ৰ আৰু প্ৰয়োজন নেথাকিল।

লাহে লাহে মই কিন্তু এটা তীব্ৰ আত্মা-অসন্তুষ্টি ভুগিব আৰম্ভ কৰিলোঁ। বাৰে বাৰে মোৰ মনত পৰিল সুনন্দাৰ এটি সুচতুৰ দৃষ্টি —ঃ তুমি ইমান লাহী—তোমাৰ গাটো একেবাৰে পকা বেলৰ মঙহৰ দৰে—অথচ এতিয়াও তুমি কাৰো প্ৰাণৰ কথা শুনা নাই? —প্ৰাণৰ পৰশেৰে তিতি থকা দুটা শাৰী কোনেও তোমাক শুনোৱা নাই...... !!

মোৰ ধাৰণা হৈছিল—মোৰ যি ৰূপ, মোৰ যি যৌৱন, সি এখন ছবিৰ দৰে স্পন্দনহীন,—তাত যেনে প্ৰাণ শুকাই শুকাই কাঠ হৈ আছে—সেয়ে মোৰ আৰ্কষণ কোনেও উপলব্ধি নকৰে! জীৱনৰ কুৰিটা বসন্তই মোক যি কথা শিকোৱা নাছিল, সেই কথা মোক এজনী নিতান্ত সাধাৰণ ছোৱালীয়ে শিকাই থৈ গ'ল।

এনেকুৱা কিছুমান দিন আহিল যেতিয়া মই ঘৰৰ প্ৰত্যেকৰে ওচৰত কথা কটাকটি কৰিলোঁ—কোনো ভিত্তি নোহোৱাকৈয়ে। বান্ধনি ল'ৰাটোকেই লগত লৈ উদ্দেশ্যবিহীন ভাৱে মই লেকৰ পাৰে পাৰে ঘূৰি ফুৰিলোঁ। লেকৰ পাৰত মানুহে গঢ়ি তোলা প্ৰাকৃতিক দৃশ্যই কোনো দিনে মোক আৰ্কষণ কৰা নাই। কাৰণ মই প্ৰাণেৰে সৈতে ভাল পাইছো ক্ৰিনোলিন ফলৃছৰ ওপৰৰ হাবিত—সবলৰ মুক্ত প্ৰতিযোগিতা! মই ভাল পাইছোঁ অকলশৰে ফুলি থকা বেগুণ-ভিলিয়াৰ স্বতঃস্ফূৰ্ত্ত সৌন্দৰ্য্যৰ বিকাশ! মোৰ এই অনাহুত ভাৱৰ কাৰণে মই অৱশ্যে লজ্জিত হলো—মোৰ পলায়নবাদী মনোভাৱৰ কাৰণে মই মা, মনোকাই—মোৰ আৰু আমাৰ ঘৰৰ পৰম্পৰাগত ভাৱে চলি অহা অবাহাৱা খিনকেই যেন জগৰীয়া কৰিলোঁ। কাৰণ মোৰ ধাৰণা হ'ল, সকৰে পৰা মই, সুদক্ষ প্ৰহৰাৰ দৰে মোৰ চাৰিওকাষে থকা মানুহবোৰৰ পৰিচালনাৰেহে মোৰ প্ৰতিটো কাম কৰি গৈছোঁ! কোনো কোনো ক্ষেত্ৰত মই নিজকে প্ৰকাশ কৰাৰ সুবিধা পালেও সেইবোৰৰ কাৰণে মা, দেউতা নাইবা ঘৰৰ আন-বোৰৰ পৰা গঞ্জনা আৰু লাঞ্ছনা দুয়োটাৰে ভাগি হৈছোঁ! আনকি ড্ৰেচিং টেবুলৰ ওপৰৰ ফুলদানীটো সজাওঁতেও একোবাৰ মায়ে আহি কৈছিল— ঃ চা আইমানো—এই হালধীয়া ফুলবোৰৰ লগত নীলা 'চুইট পি' বোৰ সজোৱাতকৈ—ইয়াৰ লগত বগা ফুল সজালে বেছি ভাল দেখি।

এইবুলি কৈয়ে মায়ে নীলা ফুলকেইটা উলিয়াই থৈ তাৰ ঠাইত নিজ হাতেৰেই বেলেগ ফুল কেইপাহমান আনি সজাই থৈছিল। 'টিপয়' কেইখনৰ এচুকৰ এমব্ৰোয়েডেৰীখিনিৰ সৰু সৰু ফুলকেইটাৰ ৰং মিলা নাই দেখি মোৰ হতুৱাই তিনিবাৰমান চিলাই কেইটা খুলিছিল। অকল সেয়ে নহয়, মই ফুৰিবলৈ ওলালে মই নিজে আগ্ৰহেৰে পিন্ধিম বুলি উলিওৱা সাজবোৰ পিন্ধি উঠাৰ পাছত তিনিবাৰমান মায়ে মোৰ আগেৰে চকুত একোটা সমালোচকৰ দৃষ্টি

লৈ অহা যোৱা কৰিছিল। শেষত মোৰ আগত থিয় হৈ উৎকণ্ঠা সামৰিব নোৱাৰি কৈছিল—ঃ আইমানো, চাদৰৰ ভাঁজ কেইটা এনেকৈ জাপি জাপি ললে খুব ভাল নেদেখি। চাদৰৰ পাৰিটোৰ লগত ব্লাউজটো একেবাৰে মিলা নাই।……ইস্ এডলীয়া বেণীয়েই গাঠিছ যেতিয়া মূৰটো ইমান চেপেটাকৈ আচুৰিলে কিন্তু মুঠেই ভাল নেদেখি!

মাৰ কথা মই নিৰ্ব্বিবাদে মানি লৈছিলোঁ কাৰণ মোৰ ধাৰণা হৈছিল মই নিজকে সজাব নেজানো আৰু সজালেও কিবা হয়তো হাঁহি উঠা ধৰণেৰেই সজাওঁ। আনক অৰ্থাৎ মাক নোসোধোৱাকৈ মই একোৱেই কৰিব নোৱাৰিছিলো। কলেজত কিম্বা বাহিৰতো মই প্ৰাণ খুলি কাৰো লগত কথা পাতিব নোৱাৰিছিলো। মোৰ লগৰী-বোৰেও মোৰ সঙ্গ বৰ বেছি কামনা নকৰিছিল।

এতিয়া মোৰ ধাৰণা হৈছে মোৰ সমগ্ৰ মুখমণ্ডলত এটা যেন বোবা বোবা ভাৱ ওলমি থাকে—যিটোৰ কাৰণে মোৰ আকৰ্ষণ হয়তো কোনোৱে উপলব্ধি নকৰে।

………আজি মই ড্ৰেচিং টেবুলৰ ওচৰত থিয় হৈ বহুত সময় চালো, মোৰ চকু, মোৰ নাক, সমস্তকে মই চুপে-চাপে খুটি খুটি চালো। ব্যৱহাৰ নকৰাকৈ পেলাই থোৱা চুৰমা অলপ তৰ্জ্জনী আঙুলিৰে আনি মই চকুৰ পাহি দুটাত বোলাই দিলোঁ। এডাল চুলিও ইফাল সিফাল নোহোৱাকৈ মিহিকৈ আচোৰা মোৰ চুলি খিনিত কেইটামান ভাঁজ তুলি অলপ বেলেগ ধৰণে ফণিয়ালো। তাৰ পাছত মোৰ ট্ৰাঙ্কৰ একেবাৰে তলত পৰি থকা চাহ-ৰঙৰ (এইটো ৰং ময়ে পছন্দ কৰি আনিছিলোঁ কিন্তু মায়ে বেয়া দেখা কাৰণে এদিনো পিন্ধা নাই)—শাৰীখন উলিয়াই আনি পিন্ধি চালোঁ। আয়নাৰ সম্মুখত থিয় হৈ মই উপলব্ধি কৰিলোঁ—এইটো ৰঙে মোক যেন তুলি ধৰিছে!……কিন্তু বহুত সময় একেখিনি ঠাইতে মই থিয় হৈ ৰলো। কাৰণ এনেকৈ সাজি-পাৰি মা, মনোকাই, দেউতাৰ আগেৰে মই

কেতিয়াও পাৰ হৈ যাব নোৱাৰো! সিহঁতে মোক দেখি হয়তো গোপনে হাঁহিব! অকল হঁহাই নহয়, আৰু……! আলনাৰ পৰা মেখেলা-চাদৰযোৰ আকৌ মই টানি আনিলো। চুলিৰ ভাঁজ কেইটা নিশ্চিহ্ন কৰি দিবলৈ জোৰেৰে মই ফণিখন মূৰৰ ওপৰেৰে বুলাই নিলোঁ।

ৰাতি বিছনাত পৰি মই একেটা কথাকে ভাৱিলো—মোৰ এই বৈচিত্ৰ্যহীন জীৱনৰ বাবে মইতো কাকো জগৰীয়া কৰিব নোৱাৰো; এই কাৰণে কাৰোবাৰ ওপৰত ক্ষোভ কৰি থাকিলেও ই মোৰ মূৰ্খামীৰ বাহিৰে আন একো নহয়! মোৰ বৈচিত্ৰ্যহীন, এডাল সৰল ৰেখাৰ দৰে সংঘাতহীন জীৱনৰ বিষয়ে মই অজ্ঞ আছিলো, ভালেই আছিল। কিন্তু এজনী তেনেই সাধাৰণ ছোৱালীয়ে মোক শিকাই থৈ গ'ল এইখন পৃথিৱীত মোৰ নিজত্ব প্ৰকাশৰ কণমাত্ৰো সমল নাই। মই কোন পথেৰে যাব লাগিব সেইবোৰ চব মোক আনে কৈ দিব; এবা ঠিকেই মই সজাৰ ভাটৌ! মোৰ পথ শৈশৱত কৈ দিব মা আৰু দেউতাই; যৌৱনত মোৰ স্বামীয়ে আৰু প্ৰৌঢ় বয়সত মোৰ পৌত্ৰ-পুত্ৰীয়ে। এনেকৈয়ে আভিজাত্যৰ সজুলি থৈ থকা প্ৰায়বোৰ উচ্চ পৰিয়ালৰ ছোৱালীয়ে জীৱন অতিবাহিত কৰিছে আৰু মোৰ মায়ে প্ৰায়ে কথাৰ সুৰুঙাৰে প্ৰকাশ কৰে সিহঁতেই প্ৰকৃত সুখৰ অধিকাৰী। মোৰ কপালতো ঠিক সিমানখিনি সুখেই লিখা আছে—মই মাথো মোৰ মনত জীপ লোৱা সুনন্দা নামৰ ছোৱালীজনীয়ে মোৰ কাণে কাণে কোৱা— : বিয়াৰ বান্ধোনেৰে বান্ধি অনা প্ৰেম মোৰ সঁচা প্ৰেম নহয় যেন লাগে জানা—প্ৰেম স্বতঃস্ফূৰ্ত হব লাগে, ইয়াত বাধ্য—বাধকতা থাকিলে ভাল নেলাগে।

……নাই নাই, এইবোৰ কথাত মই মূল্য দিয়া উচিত নহয়। প্ৰায়বোৰ মানুহে এনেকৈয়েতো সুখী হৈ আছে; কিন্তু প্ৰায়বোৰ মানুহৰ মানসিক গঠনতো একে নহয়। আমাৰ ৰক্ত-মাংসৰ দেহটোৰ অন্তৰালত যিখন ভাৱৰ জালত আমি আৱদ্ধ থাকোঁ, সেইখন জাল

সকলোৰে যে একে নহয়। কিন্তু মই সেইজনী সাধাৰণ ছোৱালীৰ কথাত……!!

* * * *

ইতিমধ্যে কেইটামান দিন পাৰ হৈ গ'ল। মই সংযত হলো; মোৰ ভাল লগা হ'ল নিজৰ লগত অকলশৰে বহি ঘণ্টাৰ পাছত ঘণ্টা কথা পাতি থকাৰ। অৱশেষত এটা দিন আহিল যিদিনা মই প্ৰথম এটা কথা উপলব্ধি কৰিলোঁ।

* * * *

এবা, সেই দিনটো আহিল যিদিনা মই কলেজৰ পৰা আহিয়েই মা আৰু মনোকাইক গোমোঠা মাৰি বহি থকা দেখিলোঁ। এইখিনি সময়ত সাধাৰণতে মা তেনেকৈ বহি নেথাকে। এমোকোৰ তামোল ভৰাই সাধাৰণতে মাই এইখিনি সময়ত পাকঘৰৰ ভিতৰতে ব্যস্ত থাকে। ড্ৰইংৰুমৰ সোঁপিনে থকা মোৰ পঢ়া কোঠাত গৈ দেখিলোঁ তাত এখন সৰু কেম্পখাট আনি সুমুৱাইছে। টেবুলৰ ওপৰৰ বুকচেল্ফখন আৰু টেবুল লাইটটো ইতিমধ্যে আঁতৰাই নিয়া হৈছে।

……মই বুজিলোঁ আমাৰ ঘৰত হয়তো এজন নাইবা এগৰাকী আলহী আহিব। কাৰণ আলহী আহিলেই মোৰ এইটো কোঠাতে কেম্পখাট এখন মনোকাই আনি থয়। মই শুনা নুশুনাকে শুনিলোঁ কৰিডৰৰ কাষত মনোকাই আৰু মায়ে কথা পাতিছে। মাৰ মাতটো অলপ খহটা— ঃ মই আগেয়ে হাক দিছিলোঁ, দেউতাৰাই নিজে গৈ মাতি আনিছে। এইবোৰ যৰে তৰে ডেকা ল'ৰাক এনেকৈ মাতি অনাতো মই মুঠেই পছন্দ নকৰো!

—ঃ আইদেউ, দেউতাই কৈছিল তেওঁ বোলে বিবাহিত। পিচে এটা দুৰ্ঘটনা হৈছে অলপতে।

ইতিমধ্যে দুয়ো কথা পাতি পাকঘৰ পালেগৈ। মই শেষৰ কথাখিনি নুশুনিলো।

মই নতুনকৈ চোৱাৰ দৰে গোটেইটো কোঠা এবাৰ চালোঁ। কৰিডৰৰ পৰা মনোকায়ে চিঞৰিলে— ঃ আইমানো, তুমি পঢ়িবলৈ ষ্টু'ৰ ৰুমটো খালি কৰি থোৱা আছে। কিতাপ-পত্ৰবোৰ তালৈকে লৈ যোৱা……!

মোৰ অলপ খং উঠিল কাৰণ এইটো ৰুম এৰি যাবলৈ মই ভাল নেপাওঁ; চিম্‌নিৰ ওপৰৰ কাঠৰ কাৰুকাৰ্য্য খচিত চেল্‌ফৰ ওপৰৰ টাব কেইটামানত মই বিভিন্ন ধৰণৰ কেক্‌টাচ লগাইছিলোঁ; পঢ়িব বহাৰ আগেয়ে সেই কেইজোপাৰ গুৰিটো হোৱাই নোহোৱাই একোবাৰ খুচৰি থাকো। এতিয়া হয়তো বহুদিনলৈ মই সেই কেইজোপা চাব নোৱাৰিম; কাৰণ মনোকায়ে যিখিনি ঠাইত কেম্পখাটখন পাৰি থৈছে তাৰপৰা চিমনিত উঠি ফুল কেইজোপা চাবলৈ হলে মোৰ আঠু গৈ খাটখন চুব। আকৌ—

যি জোপা যত্নেৰে সৈতে ৰোৱা চন্দন গছ আছে তাৰ গাৰে বগোৱা বনৰীয়া গোলাপ জোপাই কেইটা নতুন কুঁহিপাত মেলিলে, তাৰ পাতবোৰত কৰবাত কেনেবাকৈ পোকে ধৰিছে নেকি, এইবোৰ কথা খুটি খুটি চোৱা মোৰ ৰাতিপুৱাৰ কৰ্ত্তব্যৰ ভিতৰুৱা আছিল; এতিয়া হয়তো সেইজোপাৰ ওচৰলৈ যাব মোৰ অলপ সঙ্কোচ লাগিব। কাৰণ মানুহজনে খিড়িকীখন খুলি দিলেই চাৰি হাত দূৰৈত মোক দেখিব। খিড়িকীখন খুলি দি সৌখন বিছনাত নাইবা সৌখন চকিত বহিলেও মোক মানুহজনে পোনে পোনে দেখা পাব!

তথাপিও মই মোৰ কিতাপ-পত্ৰ, টাবৰ কেক্‌টাচ আৰু মোৰ ভাল লগা কেলেণ্ডাৰ কেইখন মই মোৰ কাৰণে খালি কৰি থোৱা ষ্টুৰ-ৰুমটোলৈ উলিয়াই আনিলোঁ। হঠাতে মোৰ অত্যন্ত আগ্ৰহ উপজিল এইজন মানুহলৈ; অলপতে এটা ডাঙৰ দুৰ্ঘটনাৰ সৈতে মুখামুখি হোৱা এইজন মানুহলৈ……নতুনকৈ চোৱাৰ দৰে গোটেইটো কোঠা মই তন্ন তন্নকৈ চালোঁ। কৰবাত স্কাইউইণ্ড্‌চৰ ফাকত এখানমান মকৰাজাল ওলমি আছে নেকি? মোৰ বেয়া অভ্যাস-

বোৰ, যেনে টেবুলৰ কাষৰ বেৰখনত কাঠপেঞ্চিলেৰে কিজানি মই বিষ্ণু দেৰ মৰমী প্ৰাণৰ দুটি শাৰী লিখি থৈছো :

"—যে আমাকে চিরদিন ভালবেসেছে
অথচ যার মুখ আমি কোনোদিন দেখিনি
সে নারীর মতো ফাল্গুন......"

নাই লিখা, এইবোৰ কথা মই বেৰত লিখা নাই—হয়তো বাহিৰা বহীৰ শেষৰ পাতত লিখি থৈছোঁ। ভালেই হৈছে, মানুহজনে যতে ততে মই কবিতাৰ টুকুৰা লিখি থওঁ বুলি জানিলে হয়তো মোক প্ৰেম-আকলুৱা এজনী চঞ্চল ছোৱালী বুলি ভাবিব! নাইবা হয়তো ভাবিব কাৰোবাৰ প্ৰণয়ত মই নিবিড়ভাৱে আৱদ্ধ—সেয়ে মই বিশ্বৰ সকলোতে কবিতা দেখিছোঁ। এৰা, তেওঁ কেনেকৈ জানিব এজনী তেনেই সাধাৰণ ছোৱালীয়ে মোক এবাৰ অভাৱনীয় কথা শিকাই থৈ গৈছে; তেওঁ কেনেকৈ বুজিব, মই স্বতঃস্ফূৰ্ত্ত প্ৰেমৰ পৰা বঞ্চিতা— যি প্ৰেমে মানুহক শক্তিশালী কৰে, পৃথিৱীত অমৰ হৈ থকাৰো প্ৰেৰণা দিয়ে!! তেওঁ কেনেকৈ বুজিব, যাৰ লগত মোৰ বিয়া হ'ব তেওঁৰ লগত সেই প্ৰেম মই কৰি লব লাগিব জোৰকৈয়ে—যান্ত্ৰিক ভাৱে! নহলে মোৰ জীৱন বিষময় হ'ব।

......অফিচৰ পৰা ইতিমধ্যে দেউতা আহিল। মই শুনিলো দেউতাৰ বন্ধু-পুত্ৰ বিবাহিত; কিন্তু অলপতে এটা দুৰ্ঘটনাত তেওঁৰ পত্নীবিয়োগ হৈছে। অফিছত এটা ট্ৰেইনিং আছে, সেইটো শেষ হোৱালৈকে ইয়াতে থাকিব।

মানুহজনক নেদেখাকৈয়ে তেওঁৰ প্ৰতি মোৰ এটা মায়া উপজিল। কোঠাটো পৰিষ্কাৰ কৰি দিয়াৰ উৎসাহ কমি আহিলেও তেওঁৰ প্ৰতি মোৰ এটা অনাহুত মায়া উপজিল।

অৱশেষত দেউতাৰ বন্ধু-পুত্ৰও আহিল। ঠিক ফুটগধূলিৰ সময়তে তেওঁ আহিল। বিছনা পাৰি দিয়াৰ পৰা আৰম্ভ কৰি গোটেইবোৰ

বস্তু চিনাকি কৰি দিবলৈ মনোকায়ে অলপ সময় তেওঁৰ লগে লগে ছাঁৰ দৰে ঘূৰিলে।

গধূলি তেওঁ ওলাই যোৱাৰ উমান পায়েই মই কোঠাটোত সোমালোঁ; বিছনাখন সম্ভৱ মনোকায়ে টানি টানি নিয়াৰিকৈ পাৰি থৈছে। আলনাডালে এবোজা চপচপীয়া শুধ বগা কাপোৰ লৈ চুক এটাত থিয় হৈ আছে। চিমনিৰ ওপৰৰ চেলফ্‌খনত আগেয়ে মই য'ত কেক্‌টাচৰ টাব এটা থৈছিলোঁ—তাত তেওঁ সৰু কনীৰ আকৃতিৰ আৰ্চী এখন, ফণি, স্নো, টুথব্ৰাছকে আৰম্ভ কৰি দৈনন্দিন ব্যৱহাৰ কৰা বস্তুবোৰ থৈ দিছে······মই অনুভৱ কৰিলোঁ সেইবোৰৰ পৰা ভাঁহি অহা কোমল নিকা গোন্ধ। হঠাৎ মোৰ চকু পৰিল টেবুলখনৰ খুটা এটাৰ দাঁতিত এখন ৰুমাল পৰি আছে; ৰুমালখনৰ কাষকেইটা 'বাটাম-হল' ষ্টিচেৰে কোনোবাই হাতেৰে চিলাইছে। মই সেইখন তুলি পিটিকি পিটিকি চালোঁ। এৰা, সম্ভৱ তেওঁৰ মৃত ভাৰ্য্যাই চিলাইছে। চিলাইবোৰ মিহি, মানুহগৰাকী হয়তো নিপুণ আছিল। আৰু হয়তো ধুনীয়াও আছিল, কাৰণ মই জানো, মানুহে কোৱাও শুনিছো কলডিলৰ পাহিৰ দৰে জোঙা, লাহি, হাতেহে সূতাৰ কাম কৰাত পাকৈত। আলনাত ওলমাই থোৱা বকফুলৰ পাহিৰ দৰে বগা আদ্দীৰ পাঞ্জাবী এটাত হঠাতে মোৰ দৃষ্টি পৰিল। এৰা, পাঞ্জাৱী-টোৰ ওপৰৰ বুতাম কেইটামান এৰাই গৈছে···মোৰ বেয়া লাগিল। হঠাতে এই মানুহটোৰ প্ৰতি মোৰ অসম্ভৱ মৰম লাগি গ'ল! মানুহ-জন নিশ্চয় খুব মৰম-আকলুৱা আছিল; নিজৰ সৰু-সুৰা এধানমানি কামবোৰো হয়তো নিজে কৰি লব নেজানিছিল।······

······গধূলি এটা সময়ত কোঠাটোৰ লাইটটো জ্বলি উঠিল; মই সেইটো জ্বলি উঠালৈকে বাট চাই, এবাৰ ডাইনিংৰুম, এবাৰ শোৱা কোঠাৰ খিড়িকী, আৰু এবাৰ আগফালৰ বাৰাণ্ডা; য'ৰ পৰা সেই কোঠাটো পোহৰ হৈছে নে নাই দেখা যায় তাতেই বৈ চাই আছিলো। অৱশেষত মই বাৰাণ্ডাৰ খুটা এটাত আউজি থিয় হলো!

মানুহজনে চকিখনত বহি কিবা এটা পঢ়ি আছিল, মুখৰ একাল মই দেখিলোঁ, বহুত সময় মই চকুৰ দৃষ্টি আঁতৰাই আনিব পৰা নাছিলোঁ! মোৰ ভাব হৈছিল এইজন মানুহক মই কৰবাত দেখিছোঁ। ···তেওঁৰ সেইযোৰ চকু, সেইযোৰ ওঁঠ মোৰ বহুদিনৰ চিনাকি।

······অৱশেষত এনে কিছুমান দিন আহিল যেতিয়া তেওঁ মোৰ এহাত আঁতৰত বহি মই বাকি দিয়া চাহ খালে; এনে কিছুমান দিন আহিল যেতিয়া মই মূৰ তুলি ক'ব পৰা হলো 'ক্রিষ্টাবেল' মই বুজা নাই, আপোনাৰ মাত্র আধাঘণ্টা অপব্যয় হব। এনে কিছুমান দিন আহিল যেতিয়া মই কেক্‌টাচৰ টাব কেইটা আনি আকৌ আগৰ ঠাইতে থলো! আৰু পানী দিবলৈ এটা সময়ত মই নিসঙ্কোচেৰে কৃষ্ণেন্দু বহি থাকিলেও যাব পৰা হলো!······পৰিয়ালৰ বাহিৰৰ এজন বেলেগ পুৰুষৰ লগত মোৰ আন্তৰিকতা এয়ে প্রথম!

মোৰ মনলৈ হঠাতে অহা এই মুকলিমূৰীয়া ভাৱৰ প্রতি কোনোবাই লক্ষ্য কৰিছিল নে নাই মই ঠিক ক'ব নোৱাৰো, কিন্তু মাজে মাজে মা আৰু মনোকাইৰ দুই-এষাৰ কথাই মোক ভাৱিবৰ সুৰুঙা উলিয়াই দিছিল; মোক দেখিলেই মায়ে দেউতাক এই প্রশ্ন কৰিছিল—কৃষ্ণেন্দু আৰু কিমান দিন থাকিব?

মোৰ কিছুমান ব্যস্ততা অর্থাৎ কৃষ্ণেন্দুক ঠিকমতে খোৱাৰ যোগাৰখিনি কৰি দিছে নে নাই; কৃষ্ণেন্দুৰ টেবুলৰ পানী ঠিকমতে সলনি কৰিছে নে নাই; সেইটো কোঠাৰ ফ্লৰখন কাম কৰা ল'ৰাটোৱে সদায়ে পালিচ দিছে নে নাই ইত্যাদি; আগেয়ে মই বিচাৰ নোলোৱা এইবোৰ কথা শুনি মোৰ শৈশৱৰ সুদক্ষ প্রহৰী মনোকায়ো মাজে মাজে বোবা হৈ গৈছে!

মোৰ মনত এটা প্রশ্ন জাগিল। খুব গোপনে মই নিজৰ লগতেই সংঘর্ষ কৰিলো—কৃষ্ণেন্দুক মই যেন সুধিম—বিয়াৰ আগেয়ে তোমাৰ পত্নীৰ লগত পৰিচয় আছিল নে নাই?······নে তোমাৰ বিয়া আই-বোপায়ে পতা বিয়া; যিদিনা তেওঁক তুমি তোমাৰ জীৱনলৈ আদৰি

আনিছিলা, সেইদিনাই তেওঁৰ লগত তোমাৰ প্ৰথম চিনাকি ?······ এই প্ৰশ্নটো কৃষ্ণেন্দুক সুধিবলৈ মোৰ ভিতৰৰ মানুহজনী প্ৰতিমুহূৰ্ত্ততে উৎকণ্ঠিত হৈ ৰ'ল।

কৃষ্ণেন্দু কোঠাটোৰ ভিতৰত থকা মুহূৰ্ত্তবোৰ এক অনাহুত আনন্দ—এটা বান্ময় উত্তেজনাই মোক অভিভূত কৰি তোলে ; মোৰ গোপন মনে কৃষ্ণেন্দুৰ চাৰিওফালে যেন সাতুৰি-নাতুৰি ফুৰে ! এজনী মৃতা, ৰিক্তা দৰদী ৰমণীৰ তেওঁৰ ওচৰত এসময় থকাৰ কথা মোৰ তেতিয়া মনত নপৰে। মোৰ মন গৈছিল তেতিয়া সুনন্দা নামৰ সেই ছোৱালীজনীক মাতি আনি এবাৰ কথা ক'ম—"এইজনেই সেই পুৰুষ। তেওঁৰ প্ৰতি মোৰ যি অক্ষয় প্ৰেম আছে তাতেই সাঁতুৰি-নাতুৰি থকাৰ বাহিৰে পাৰ্থিব কোনো সুখেই মোক আকৰ্ষণ কৰিব নোৱাৰে !······কিন্তু নাই, মোৰ মনৰ মাজেৰে এটি শীতল অনুভূতিয়ে সেই উত্তপ্ত ভাৱধাৰাক যেন ঢাকি পেলালে ! মোৰ মনত এটা প্ৰশ্ন উদয় হল—তোমাৰ প্ৰেমৰ মই অধিকাৰী হ'ম, যদিহে তুমি সেই প্ৰেম বিয়াৰ আগেয়ে তোমাৰ পত্নীৰ লগত বিনিময় কৰা নাছিলা ; যদি তোমাৰ সেই প্ৰেম স্বতঃস্ফুৰ্ত্ত নাছিল, বাধ্যবাধকতাত তোমাৰ পত্নীৰ প্ৰতি সেই প্ৰেম তুমি মাথো স্বীকাৰ কৰি লৈছিলা !

* * * *

আমাৰ বৰদিনৰ বন্ধ আৰম্ভ হ'ল। ডিচেম্বৰ মাহৰ এই তীব্ৰ শীতৰ দিন কেইটা মোৰ অতি প্ৰিয় ! চিমনিৰ ওচৰত বহি, খোলা খিড়িকীৰে বাহিৰৰ সবুজৰ বৈৰাগ্যময় শোভা চাই মই সকুৰে পৰা ভাল পাই আহিছো ! এইখনিতে বহি বহিয়েই ওচৰৰ ৰোমান কেথলিক্ চাৰ্চৰ পৰা ভাঁহি অহা খৃষ্টমাছ কেৰ'লৰ মৃদু সুৰে মোৰ মন বৰফাবৃত কিছুমান দেশৰ চুকে কোণে—গুহাই পৰ্ব্বতে ঘূৰাই লৈ ফুৰিছিল।

······এই কোঠাটোৰ গাতে লাগি থকা আনটো কোঠাত মই

কৃষ্ণেন্দুৰ ভবিৰ খোজ, আৰু এটা দুটা কাহৰ শব্দ শুনিলো ! প্ৰকাণ্ড ড্ৰইং কমটোৰ এচুকৰ এই চিমনিটোৰ ওচৰত মই অকলশৰে বহি আছিলোঁ।……জঠৰ হৈ পৰি থকা বনচম কাঠৰ ড্ৰইংকম চেটটো, টেবুলৰ তলৰ সক মিৰ্জ্জাপুৰী কাৰ্পেটখন, শামুকৰ আকৃতিৰ মাৰ্বল পাথৰৰ ফ্লাৱাৰভেচটোৰ সজীৱ হৈ থকা সোঁ কেইটা ডালিয়া আৰু ভূমিচম্পা ফুল, যাৰ সিজোৱা আলুৰ দৰে কোমল পাহিকেইটাৰ অন্তৰালত লিখা কথা কেইষাৰে মোক আকৌ সোঁৱৰাই দিলে এৰা—কোনেও মোৰ চকুত চকু থৈ কোৱা নাই—ওহো, কৃষ্ণেন্দুৱেও কোৱা নাই—

"কাৰণ, সূৰ্য্যেৰ চেয়ে, আকাশেৰ নক্ষত্ৰেৰ থেকে
প্ৰেমেৰ প্ৰাণৰ শক্তি বেশি ; তাই ৰাখিয়াছে ঢেকে ;
পাখিৰ মায়েৰ মত প্ৰেম এসে আমাদেৰ বুক !
জুই ক'ৰে দিয়ে গেছে আমাদেৰ ৰক্তেৰ অসুখ !!"

কিন্তু এই একেটা দৃষ্টি লৈ কুৰিটা বসন্ত মই অতিবাহিত কৰি দিছোঁ ; মোৰ দৃষ্টিত আঁকি থোৱা অথচ মোৰ চেতন মনে অস্বীকাৰ কৰা কথাখিনি সোঁৱৰাই দিলে এজনী তেনেই সাধাৰণ, শিক্ষাৰ পোহৰ নোপোৱা ছোৱালী—সুনন্দাই !! সঁচাকৈয়ে তাই মোক সোঁৱৰাই দিলে—আত্ম সন্মান, পিতৃমাতৃৰ প্ৰতি ত্ৰাস-মিহলি অনুকম্পাৰ এখন ডাঠ জালৰ মাজত মোৰ অবচেতন মনৰ অতিশয় মৰম-আকলুৱা মানুহজনী বন্দী হৈ আছে ! সেয়ে মই ৰাজআলিৰ অজস্ৰ মানুহৰ ভীৰৰ মাজত নাইবা আকস্মিক সমুখাসমুখি হোৱা একোযোৰ চকু ; আন্ধাৰ ৰাতি জিলিকা পাহাৰী সাপৰ দৰে উজ্জ্বল চকুৰ দৃষ্টিক নিজৰ দুয়ো নয়নৰ দৃষ্টিৰে ভৰাই পেলোৱা স্পৃহা কৰা নাছিলো। মোৰ ভণ্ড মুখাৰ বিষয়ে মোক সচেতন কৰি দিলে এজনী শিক্ষাৰ পোহৰ নোপোৱা সাধাৰণ ছোৱালী সুনন্দাই।… মই অনুভৱ কৰিলোঁ, এই পুৰণি আদিম প্ৰেমৰ বুভুক্ষাক শিক্ষাই

একো কৰিব নোৱাৰে! সকলো বস্তুকেই যেন সংস্কাৰ কৰিব পাৰি —কিন্তু প্ৰেমকতো নোৱাৰি!!

এইটো কমৰ গাতে লাগি থকা আনটো কমত মই কৃষ্ণেন্দুৰে কহা যেন শুনিলো! আকস্মিকভাৱে মোৰ মনত পৰিল কৃষ্ণেন্দুৰ মৃতা ভাৰ্য্যাৰ কাল্পনিক মুখ এখন!!···ইয়াত থকা হলে ইমান সময়ত তাই বাৰু কি কৰিলেহেতেন!···কৃষ্ণেন্দুৰ নিচেই ওচৰৰ চকি এখনত বাঁহি তাই হয়তো কৃষ্ণেন্দুৰ কাৰণে চুৱেটাৰ গুথিলেহেতেন··· বাহিৰৰ শীতল বতাহে যিমানে তাইৰ চুলিবোৰ উৰুৱাই কপাল আৰু গালত সিচৰতি কৰি পেলালেহেতেন—তাইৰ হাতৰ গুথনিও সিমানেই খৰ হৈ আহিলহেতেন!···নাইবা হয়তো তাই···নাই, যাওক, তাইক মোৰ দুৰ্ভগীয়া যেন লাগিল;—অথচ তাই দুৰ্ভগীয়া হোৱাৰ বেদনাখিনি মোৰ অন্তৰৰ যিমান দ'লৈ শিপাব লাগিছিল —ঠিক সিমানখিনি দ'লৈ পিচলি নপৰাৰ স্পষ্ট উমান মই কিন্তু পালো।

এইবাৰ মই ঠিয় হলোঁ। কৰিডৰ পাৰ হৈ কৃষ্ণেন্দু থকা কোঠাৰ দুৱাৰমুখত মই থিয় হলোঁ! পৰ্দ্দাৰ ৰিংকেইটা এঠাইত আনি থোপ খুৱাৰ খুজিও মই বৈ গলোঁ। তাৰ পাছত লাহে লাহে আহি মই আকৌ আগৰ ঠাইত বহিলোহি! এদিনৰ কথা মোৰ মনত পৰিল। অৱশ্যে কথাটো মোৰ প্ৰায়ে মনত পৰে। যেতিয়া কৃষ্ণেন্দু বাহিৰত থাকে ঠিক তেতিয়াই মোৰ কথাটো মনত পৰে! মনত পৰাৰ লগে লগে এটা বুজাব নোৱাৰা লাজ মিশ্ৰিত উত্তেজনাই মোক মোহাৰি পেলাব খোজে।···কথাটো হ'ল—এদিন কৃষ্ণেন্দুৰ অসুখ হৈছিল, সামান্য পানী লগা অসুখ। কলেজলৈ যাব মই আনদিনাৰ দৰে সেইদিনাও ৰাতিপুৱাই গা-ধুই বাহিৰৰ বাৰাণ্ডাৰ ব'দ পৰা ঠাইখিনিত ঠিয় হৈছিলোঁ। এইখিনিৰ পৰা পোনে পোনে দেখা কোঠাটোৰ, কেম্পখাটখনত কৃষ্ণেন্দু শুই আছিল। সেইখন শুকান মুখ দেখি, মই হঠাতে এটা অনাহুত সিদ্ধান্ত কৰি পেলাইছিলোঁ—

আজি মই কলেজলৈ নেযাওঁ,—ইয়াৰ সলনি মই কৃষ্ণেন্দুৰ বিছনাৰ কাষত বহি থাকিম;—কোনেও মোক সেই ঠাইৰ পৰা উঠাব নোৱাৰে!

·····এটা সময়ত মই সঁচাকৈয়ে কৃষ্ণেন্দুৰ বিছনাৰ ওচৰত বহিছিলোঁ। মোৰ মায়ে নিশ্চিন্ত মনে দুপৰীয়াৰ শান্ত আমেজ লৈ শোৱনি কোঠাত শুই আছিল। ঠিক সেইখিনি সময়তে মই সামান্য জ্বৰ হৈ পাৰ থকা কৃষ্ণেন্দুৰ বিছনাৰ কাষত বহিছিলোহি। এটা সময়ত কৃষ্ণেন্দুৱে চকু মেলি চাইছিল,—মোৰ আঙুলি কেইটাই কৃষ্ণেন্দুৰ চুলিৰ মাজেৰে অহা-যোৱা কৰিছিল। কৃষ্ণেন্দুৰ তপত হাত এখনে লাহে লাহে মোৰ বাহুক উদ্দেশ্য কৰি যেন ওপৰলৈ উঠি আহিল। মই অনুভৱ কৰিলোঁ সেই তপত অনুভূতিটো মোৰ সমস্ত শৰীৰতে যেন বিয়পি পৰিল।······কিন্তু মোৰ দৃষ্টিৰ লগত যেতিয়া কৃষ্ণেন্দু সন্মুখীন হ'ল—মোৰ বাহুৰ পৰা লাহে লাহে সেইখন হাত যেন তললৈ নামি আহিল;—কাৰণ মোৰ দৃষ্টিৰ দেহত একেটা ভাৱেই ওপঙি আছে—সেই ভাৱ অনুভূতিহীন এটি শিশুতকৈও সহজ! একোটা চেঁচা পানীৰ দৰে।

ইয়াৰ পাছত কৃষ্ণেন্দুৱে ব্যৱহাৰত কিঞ্চিৎ সঙ্কোচ প্ৰকাশ কৰাৰ চেষ্টা কৰিলেও—সেই সঙ্কোচ প্ৰকাশৰ কাৰণে মই অলপো সুকণ্ডা নেৰাখিলোঁ! কাৰণ মই যেন লাহে লাহে অনুভৱ কৰি আহিছোঁ কৃষ্ণেন্দুক মই মনেৰেহে বিচাৰিছো—মোৰ মানৱী এই দেহেৰে নহয়!······

দপ্‌দপাই জ্বলি থকা কয়লা এটুকুৰ লোহাৰ ৰডেৰে ভাঙি দি—মই আকৌ ভাবিলোঁ। কাষতে থকা কোঠাটোৰ পৰা আৰু দুডোখৰ কয়লা চিম্‌নিৰ ভিতৰত ঢালি দিবলৈ মোৰ ইচ্ছা নগ'ল। মই ভাবিলো মোৰ যেন কিবা এটা ভুল হৈছে;—অৰ্থাৎ কৃষ্ণেন্দুক মই যেন মোৰ স্বৰূপটো নিয়াৰিকৈ বুজাবলৈ সক্ষম হোৱা নাই!

······দ্বিতীয়বাৰ মই কৃষ্ণেন্দুৱে কহা যেন শুনিলো। লাহে

লাহে মই উঠি আহিলো। প্ৰত্যেকটো কোঁঠাত সোমাই মই একোবাৰ ভুমুকিয়াই চালোঁ। কাৰণ মোৰ মায়ে ইতিমধ্যে সন্দেহ কৰিব আৰম্ভ কৰা যেন লাগিছে। কৰাও স্বাভাৱিক। নাই, কৃষ্ণেন্দুৰ কোঠাৰ চিম্‌নি জ্বলোৱা নাই যেতিয়া ড্ৰইং ৰুমত চিম্‌নিৰ কাষত দুয়ো বহি থাকিলে কোনেও সন্দেহ কৰিব নোৱাৰে। মই কৃষ্ণেন্দুক মাতি আনিলো!……ডিচেম্বৰ মাহৰ গধুলি এটাৰ গোটেইখিনি শীত গাত লৈ বিছনাৰ চুক এটাত কৃষ্ণেন্দু বহি আছিল। মোৰ নিমন্ত্ৰণ কৃষ্ণেন্দুৱে আগ্ৰহেৰেই গ্ৰহণ কৰিলে।

আমাৰ মাজত ঘৰুৱা খুটি-নাতিৰ সাধাৰণ কথা ওলাল;—মোৰ বাৰে বাৰে কিন্তু এটা কথা কৃষ্ণেন্দুক সুধিবৰ মন গ'ল। বিয়াৰ আগেয়ে তোমাৰ পত্নীৰ সৈতে পৰিচয় আছিল নে নাই,—যদি আছিল সেই পৰিচয় কিমান দিনৰ?

নাই, এই কথা সুধিব নোৱাৰি। কাৰণ এই কথা শুনাৰ পাছত মোৰ মনক মই কোন দিশেৰে ধাবিত কৰিব পাৰিম? মই নেজানো।

—একাপ কফি খাব—গৰম কফি?

কৃষ্ণেন্দুৱে মূৰ দুপিয়ালে।

অলপ পাছতে যেতিয়া কফি কাপ আনি কৃষ্ণেন্দুৰ হাতত তুলি দি মই আকৌ চকিখনত বহিলোঁ, কৃষ্ণেন্দুৱে ক'লে—ক'তা, তুমি নানিলা?

—ওহো, ইচ্ছা নাই।

(কিন্তু মোৰ গোপন মনে কলে—"কতা তুমিতো প্লেটত বাকি তাৰেই আধাকাপ দিব পাৰিলাহেতেন! তুমি তেনেকৈ কোৱাহেতেন মই কি কৰিলোহেতেন জানা;—তুমি খোৱা আৰু তাৰ সমানে আধা মোৰ কাৰণে থোৱা! …সচাঁই তুমি এৰা সেইকণ কফি মই খুব তৃপ্তিৰে খাম)

মোৰ ইচ্ছা গ'ল কেইটুকুৰা মান কেঁচা কয়লা মই যেন চিম্‌নিৰ

জুইত সুমুৱাই দিম। তাৰ ধোঁৱাই ঢাকি ৰাখক মোৰ মুখৰ এই শুষ্কতা। মোৰ মুখৰ এই ভাবুকতা।

বহু সময় দুয়ো নীৰৱ হৈ বহি থাকিলোঁ। এহাত আঁতৰত থাকিও দুয়ো যেন দুখন ভিন্ন পৃথিৱীত ঘূৰি ফুৰিছোঁ। মই জানো আমাৰ ভাৱধাৰা সম্পূৰ্ণ বিপৰীত!……মোৰ আঠুত পৰি থকা অলস হাতখনলৈ এবাৰ কৃষ্ণেন্দুৱে একাগ্ৰ চিত্তেৰে চাই থকা যেন দেখিলো!—সেই দৃষ্টিত কবিতা সনা ভাষা ৰচা আছে—"দিয়া তোমাৰ সেইখন হাত মোৰ হাতৰ মুঠিৰ মাজত দিয়া—তুমি আজিয়েই কোৱা কিহৰ কাৰণে তোমাৰ প্ৰাণে গোপনে কান্দে?"

চকিখন মই অলপ আঁতৰাই আনিলোঁ। চাদৰখনেৰে মোৰ গাটো মই এনেভাৱে ঢাকি থলো যে মোৰ আঙুলি কেইটাৰ বাহিৰে কৃষ্ণেন্দুৱে-যেন মোৰ গাৰ কোনো এটা নগ্ন অংশকো দেখা নাপায়।

* * * *

ইতিমধ্যে, মোৰ বিয়া হৈ গ'ল। অফিছৰ কাম শেষ হোৱা কাৰণে কৃষ্ণেন্দুও এদিন আঁতৰি গ'ল।

বিয়াৰ পাছত মোৰ এই নতুন জীৱনটোক মই আদৰেৰে আৰু অতিশয় সহজ ভাৱে নিবলৈ চেষ্টাৰ ত্ৰুটি নকৰিলোঁ।—কিন্তু একোটা অলস মুহূৰ্ত্তত কিছুমান দুৰাৰোগ্য ভাৱে মোক আক্ৰমণ কৰে……মোৰ স্বামীয়ে মোক বিয়া কৰাইছে সন্তান জন্ম দিবৰ কাৰণে…তেওঁৰ বংশ ৰক্ষা কৰিবৰ কাৰণে……মোৰ প্ৰতি এক দাৰুণ আকৰ্ষণৰ বশৱৰ্ত্তী হৈ তেওঁ মোক বিয়া কৰোৱা নাই!…এই ভাৱ যেতিয়াই মোৰ মনলৈ আহে তেতিয়া মোৰ নিজৰ ওপৰতে এক অসহ্য ঘৃণা জাগে!—কিন্তু পিচমুহূৰ্ত্ততে যেতিয়া মই মোৰ স্বামীৰ ঠাইত কৃষ্ণেন্দুক আনি বহুৱাও,—তেতিয়াও মই এটা ভিন্ন ধৰণৰ লজ্জা অনুভৱ কৰো।—এৰা, জোৰকৈ হলেও মই মা-দেউতাৰ সম্মতি আদায় কৰি কৃষ্ণেন্দুক বিয়া কৰাব পাৰিলোহেতেন। কিন্তু

কৃষ্ণেন্দুৰ অঙ্কশায়িনী হোৱাৰ কথা মই ভাৱিব নোৱাৰো……মই কৃষ্ণেন্দুৰ দৈহিক সত্বা মোৰ মাজত বিলোপিত হোৱাৰ কথা মই কল্পনা কৰিব নোৱাৰো…কৃষ্ণেন্দু মোৰ সমস্ত সত্বাত বিয়পি আছে এক অন্য ৰূপত—যি ৰূপৰ কথা মই ভাৱ আৰু ভাষাৰে এই পৃথিৱীৰ কাকো বুজাব নোৱাৰো!……কেতিয়াবা মোৰ আক্ষেপ হয়—মই কৃষ্ণেন্দুক সুধিব লাগিছিল—মই বহুবাৰ জানিব খোজা সেই প্ৰশ্ন—তোমাৰ মৃতা পত্নীয়ে—তোমাৰ প্ৰেমৰ বশবৰ্ত্তী হৈয়ে তোমাক বিয়া কৰাইছিল—নহয় জানো ?

মোৰ এই প্ৰশ্ন লাহে লাহে মোৰ মনৰ মাজত শুকাই আহিল : মোৰ বিয়াৰ আগেয়ে, মাত্ৰ কেইটামান দিনৰ আগেয়ে—কাৰণ এদিন মোৰ মনত পৰিল। সেই মৃতা ছোৱালীজনী, এৰা মোৰেই সমবয়সীয়া ছোৱালীজনীক মই যেন দেখা পালোঁ,—তাইৰ মনৰ পৃথিৱীখন মই যেন উপলব্ধি কৰিলোঁ।

যিখিনি সময়ত ইলাচি গছ জোপাৰ ছাঁ আহি কৃষ্ণেন্দু থকা কোঠাৰ পূবপিনৰ খিড়িকীখনত পথালিকৈ পৰে, ঠিক সেইখিনি সময়তে কলেজৰ পৰা আহি হাতৰ ঘড়ী নেচাই মই খিড়িকীত ভেঁজা দি থকা সেই ছাঁ চাই চায়ে সেইটো কোঠাৰ মাজেৰে আহি মোৰ কোঠাত সোমাওঁ। কেতিয়াবা মই কৃষ্ণেন্দুৱে ব্যৱহাৰ কৰা টেবুলত কিতাপখিনি থৈ তাতেই মূৰ গুজি বাহ থাকো……মোৰ মনৰ মাজত কৃষ্ণেন্দুৱে অহা যোৱা কৰে ; বহুৰূপত মই কৃষ্ণেন্দুক কল্পনা কৰোঁ……এদিন কিন্তু চকুৰ পাহি মুদি দিয়াৰ লগে লগে মই অনুভৱ কৰিলো মোৰ শৰীৰটো অন্য এজনী ছোৱালীলৈ ৰূপান্তৰিত হৈছে—যাৰ ৰূপৰ কাহিনী মই যেন পঢ়িছিলো বহু শতাব্দীৰ আগৰ এজন কবিৰ ৰচনাত……তায়ো ঠিক একোটা সময়ত এনেকৈয়ে তাইৰ স্বামীৰ বাবে অপেক্ষা কৰিছিল……"যাৰ কেঁকোৰা চুলিৰ ঢৌ জালত বন্দা হৰিণৰ করুণ নয়নৰ দৰে ; সেয়া যেন উন্মাদ প্ৰেমিকে আত্মাহুতি দিব পৰা ঘূৰ্ণিজাল। তেওঁৰ কপাল যেন মণিময় হৃদয়ৰ

দাপোণ—প্ৰলয় দিনৰ মধ্যাহ্ন আকাশ। চিন্তিত মুহূৰ্ত্তত তেওঁৰ কপালত যি ৰেখা জাগে সেই ৰেখা যেন যুদ্ধজয়ী সৈনিকৰ প্ৰজ্জ্বলিত তৰোৱাল, তেওঁৰ ভ্ৰূদ্বয় ৰৌদ্ৰোজ্জ্বল দুটি ক'লা মাছ নাইবা হয়তো এযোৰ একাদশীৰ চন্দ্ৰ। কটাক্ষ এক ঘূৰ্ণিবতাহ—দিন ৰাতিৰ শান্ত নিয়মৰ ওপৰত এক বিপ্লৱ......" এনে এক অসীম ৰূপৱতী ৰমণীৰ জীৱন্ত দেহ এটি মোৰ দৃষ্টিত ভাঁহি উঠিল......তাই কৃষ্ণেন্দুৰ স্ত্ৰী।... ওঁ, কৃষ্ণেন্দুৰ মৃতা পত্নী হয়তো তেনে ধৰণৰে কিবা এক অস্বাভাৱিক ৰূপৰ গৰাকিনী আছিল।......দেউতা আৰু মায়ে এদিন কথা পাতোতে শুনিছিলো—সঁচাকৈয়ে তাই সুন্দৰী আছিল; অকল সেয়ে নহয়, জীৱনটোক তাই এটি শুৱলা দীঘল গান বুলিয়েই ধৰি লৈছিল।......চৌখিন প্ৰাণোজ্জ্বল মানুহজনীয়ে এক মুহূৰ্তও ঘৰৰ সকলোতকৈ নিম্নতম প্ৰাণীটোকো মুখ ওন্দোলাই থাকিব নিদিছিল... আৰু কৃষ্ণেন্দুক! ওহো, এইবোৰ কথা এটি এটিকৈ যেতিয়া মোৰ মনত পৰিল, মোক অহৰহ আমনি কৰি থকা এটা প্ৰশ্নই আপোনা-আপুনি মোৰ মনৰ মাজত যেন শুকাই আহিল! মই বুজিলো, বিয়াৰ আগেয়ে কৃষ্ণেন্দুৰ সেই প্ৰিয়তমা পত্নীৰ প্ৰতিও অফুৰন্ত প্ৰেম আছিল।......তাইক বিয়া কৰোৱাত কৃষ্ণেন্দুৱে নিজৰ পৰিয়ালবৰ্গৰ ওচৰত অপ্ৰিয়ভাজনো হ'ব লগা হৈছিল।......সেইজনী মানুহৰ সেই অপূৰণ আশা মই কেনেকৈ পূৰণ কৰিব পাৰিম? মই কল্পনা কৰি লৈছিলো, কুন্দফুলৰ দৰে ধৱল এটি শ্বেত দেহ এখন কোমল বিছনাত এটা সময়ত পৰি আছিল। অসুখে চেপি পেলোৱা তাইৰ দেহটোৰ পিনে হয়তো কৃষ্ণেন্দুৱে লক্ষ্য কৰা নাছিল, কৃষ্ণেন্দুৱে হয়তো খুটি খুটি চাহিছিল পৃথিৱীৰ সকলোখিনি পোহৰ থুপ খাই থকা তাইৰ সেইযোৰ চকুলৈ; জীয়াই থাকোতে যিযোৰ চকুৱে মাথো হাঁহিব বিচাৰিছিল, হাঁহিছিল, আৰু এই মৃত্যুৰ মুহূৰ্ত্তত যেন হাঁহি হাহিয়েই সেইযোৰ চকুৱে পাহি মুদি দিবলৈ চেষ্টা কৰিছে কষ্টৰে—কিন্তু স্বামীৰ কোলাত মূৰ থৈ এক স্বৰ্গীয় আনন্দেৰে মই জানো কৃষ্ণেন্দুৱে শেষ

মুহূর্তলৈ তাইৰ ওচৰত বহি আছিল। কোনোবা এজনে উঠিব লাগে বুলি সোঁৱৰাই নিদিয়ালৈ তেওঁ হয়তো তেনেকৈয়ে বহি আছিল।

যিমানেই মোৰ অনুৰাগ কৃষ্ণেন্দুৰ প্ৰতি বাঢ়ি আহিল সিমানেই মই অনুভৱ কৰিলোঁ...কৃষ্ণেন্দুৰ মনৰ কোনোবা এচুকত লুকাই থকা সেই মৃত, ছোৱালীজনীয়ে যেন বিদ্ৰূপেৰে হাঁহিলে। মোৰ এই স্পৰ্দ্ধা দেখি মনে মনে যেন আহতো হ'ল। শেষত মই এক সিদ্ধান্তত আহিলোঁ। নিজকে মই কলো—তোমাৰ ৰিক্ত অন্তৰত মোৰ প্ৰেমে সদায়ে ডাল পাত মেলি ফুলি ৰ'ব। এক অটব্য অৰণ্যৰ এজুপি জধী গছৰ ছাঁত গোপনে লুকাই থকা এপাহি বনফুলৰ নিচিনাকৈ সদায়ে মোৰ প্ৰেমে তোমাৰ আঁতৰে আঁতৰে জীয়াই থাকিব।

* * * *

এডাল চুলিও ইফাল সিফাল নোহোৱাকৈ মই মূৰ আচুৰিলোঁ। ক'লা চুলিখিনিৰ মাজত মোৰ সেওতাটো জিলিকি উঠিল জোনাক ৰাতি তুখন অৰণ্যৰ মাজেৰে যোৱা শীৰ্ণ আলিটোৰ দৰে। মই লগাতকৈও দীঘলীয়াকৈ এই শিৰত সেন্দুৰ সানি ললো। এৰা, ত্ৰিশ গজ দূৰৈৰ পৰা মানুহে জানক, মই বিবাহিতা। শুধ বগা কাপোৰ এযোৰ, যিযোৰত মই হাতে বোৱা পাৰি এটা লগাই লৈছিলো, সেইযোৰ কাপোৰ মই চুটকেচ খুলি উলিয়াই আনিলো! কাৰণ এইযোৰ কাপোৰ পিন্ধিলে মোৰ স্বামীয়ে মোক ভাল দেখে। সৌ সিদিনালৈ মই কি পিন্ধিলে, কমকেইটা কেনেকৈ সজালে তেওঁ ভাল পাই এই কথাবোৰত মই কাণ দিয়া নাছিলো।......কিন্তু আজি মোৰ দেহত এক নবজাতকৰ আগমনিয়ে মনৰ মাজত বন্ধ হৈ থকা বহু কেইখন খিড়িকী যেন খুলি দিলে। সদায়ে তেওঁ মোক কম বয়সতে অত্যন্ত ভাবুক বুলি ঠাট্টা কৰিছিল।...মই আক চকুৰে চাই কেতিয়াবা তেওঁ অতীষ্ট হৈ পৰা যেনো দেখিছিলোঁ। অথচ মুখ খুলি কোনো দিনে তেওঁ মোক এষাৰ কথা সোধা নাই। হঠাতে এই

মানুহজনলৈ মোৰ পুতৌ উপজিল, মনে প্ৰাণে মানুহজনক মোৰ সুখী কৰিবৰ মন গ'ল।

সেয়ে তেওঁ কি খাই ভাল পাই, কি কথা শুনি ভাল পাই, এই সকলোবোৰ কথা মই এটা-এটাকৈ ভাবি আহিলোঁ। আমাৰ দাম্পত্য জীৱনৰ দুটা মাহৰ ভিতৰত আহিয়েই মই অনুভৱ কৰিলোঁ, তেওঁক সুখী কৰিবৰ মই কোনো দিনে যত্ন কৰা নাই ; মোৰ নিজৰ মাজতে মই বন্দী হৈ আছোঁ।......তৰকাৰীৰ খৰাহীৰ পৰা এটা ফুলকবি মই উলিয়াই আনিলোঁ। কেৰাহীখন ষ্টভৰ ওপৰত তুলি দি নিজহাতে নতুন ধৰণে তৰকাৰী ৰান্ধি মোৰ স্বামীক খুৱাবৰ ইচ্ছা গ'ল।

যত্নেৰে সৈতে তৰকাৰীখন ৰান্ধি মই বাহিৰলৈ ওলাই আহিলোঁ। ...প্ৰতিটো কোঠা মই পৰিপাটি হৈ আছে নে নাই চালোঁ।...... আগ্ৰহেৰে মই চালোঁ, দুৱাৰ-গুৰিত কিজানি অলপ ধূলি পৰি আছে......টেবুলক্লথৰ কোণ কেইটা কিজানিবা সমান হৈ থকা নাই...চোফাখনত লেতু সেতু হৈ পৰি থকা গাৰু কেইটা মই সমান কৰি থলো...কোমল গাৰু কেইটা হাতত লগাৰ লগে লগে মই অনুভৱ কৰিলো সেয়া যেন পকা চিৰালৰ দৰে কোমল—মোৰ আহিব লগীয়া সন্তানটিৰ এটি সুকোমল দেহ। মোৰ মন গ'ল এই গাৰু কেইটাৰ মাজত মুখ গুজি মই যেন পৰি ৰ'ম! সদায়ে ঠিক এনেকৈয়ে !!

কোনো দিনে নোখোলা আমাৰ শোৱনি কোঠাৰ পশ্চিম ফালৰ খিড়িকী এখন মই খুলি দিলো,......আকাশত পঞ্চমীৰ জোন ওলাইছে।......জোনটোৰ ঠিক ওপৰত এটুকুৰা কাঠফুলা বৰণীয়া মেঘ ওলমি আছে ; জোনৰ সেইখন মুখ ওৰণী লৈ থকা পুৰণি চিনাকি চিৰহাস্যময়ী বান্ধৱী এজনীৰ নিচিনা লাগিল।

সেই শ্বাশত সৌন্দৰ্য্যৰ পিনে গোপনে চাই মই ভাবিলোঁ— কৃষ্ণেন্দুৱে যেন মোক আশীৰ্ব্বাদ দিয়ে। ওহো, মোক নহয় এটি

অকমাণি শিশুক—তাই যেন এজনী তেনেই সহজ ছোৱালী হয়······ বহুত কথাৰ জড়তাই তাইক যেন অহৰহ আগুৰি থাকে···তাই যেন তাইৰ স্বামীৰ প্ৰেমকে পৃথিৱীৰ সৰ্ব্বস্ব বুলি ভাৱে······যেনেকৈ ভাৱিছিল সুনন্দাই—যেনেকৈ ভাৱিছিল কৃষ্ণেন্দুৰ মৃতা ভাৰ্য্যাই।······

······তাইৰ প্ৰেম হওক স্বতঃস্ফুৰ্ত্ত। তাহানি সুনন্দাই জোকোৱা সজাত বন্দী ভাটৌ বুলি তাইক যেন কোনেও নোজোকায়। তাইৰ মন হওক এক ফৰকাল বতৰৰ দৰে সহজ। নিকা।

তাই যেন এজনী ছোৱালী হয় !!

যিজনী ছোৱালীয়ে যৌৱনৰ প্ৰথম পোহৰত তিতি বুৰি যেন শুনিবলৈ পায়—বাস্তৱৰ সকলো কঠোৰতা, পৃথিৱীৰ সকলো নিষ্ঠুৰতা, মান, অপমানৰ পৰা মই পলাই আহিছোঁ, তোমাৰ প্ৰেমৰ ছাঁয়াত মোক তুমি কোনেও নেদেখাকৈ লুকুৱাই ৰাখা !

মোৰ পৰা জন্ম হওক ঠিক তেনে এজনী ছোৱালীৰ—যিজনী ছোৱালীক তাইৰ মাতৃৰ গোপন বেদনাই যেন এধানিও কষ্ট দিব নোৱাৰে।

তাই যেন ল'ৰা নহয়, এজনী ছোৱালী হয়। সহজ, ধীৰ, গম্ভীৰ এজনী সুখী ছোৱালী।

ছাঈদুল ইছলাম

নেপথ্যৰ বিলাপ

"ছিঃ, তোমাৰ লাজ লগা উচিত আছিল অনিমা। এনে এটা ঘিণ লগা কাম কৰাৰ আগতে তুমি এবাৰো ভাবি নাচালা যে তুমি চহৰৰ এক বিখ্যাত পৰিয়ালৰ বোৱাৰী, তোমাৰ এজন সুস্থ, সবল ভদ্র স্বামী বৰ্ত্তমান, তুমি তিনিটা সন্তানৰ মাতৃ আৰু,......"

"হৈছে, হৈছে! তোমাৰ এই পুৰণি-কলীয়া বক্তৃতা কলেজৰ ছোৱালীবোৰৰ আগতে দিবা। মোৰ ইচ্ছা, মই যিহকে মন যায় তাকে কৰিম। তুমি হকা-বাধা দিবলৈ কোন? (অলপ বৈ, অনিলৰ মুখলৈ চাই সুৰ সলনি কৰি কয়) তোমাক মই মিনতি কৰিছো অনিল, মোক মুক্তি দিয়া, মোক মুক্তি দিয়া, নহ'লে মই মৰি যাম (শেষৰ ফালে মাত থোকাথুকি হয়। আচলেৰে মুখ ঢাকি হুকহুকায় কান্দি দিয়ে)।"

নাই, নহ'ল, নহ'ল।—পৰিচালক দিলীপ শইকীয়া মীনৰ কাষলৈ প্ৰায় লৰি অহাৰ দৰে আহিল।—"একো হোৱা নাই। অথনিৰে পৰা একেটা কথাকে কৈ আছো যে আজি-কালি ষ্টেজত আগৰদৰে ডিঙি ফালি কন্দাৰ দিন নাই। "মোক মুক্তি দিয়া, মোক মুক্তি দিয়া, নহ'লে মই মৰি যাম" বুলি কৈ তুমি তলৰ ওঁঠটো কামুৰি অলপ সময় ৰ'বা। আৰু তাৰ পিচত আঙুলি কেইটা ফাঁক কৰি বাওঁহাতেৰে

মুখখন ঢাকি দৰ্শকৰ ফালে পিঠিখন অলপমান ঘূৰাই কান্দিবা। কান্দোতে মুখৰ পৰা একো শব্দ নোলায়, মাত্ৰ তোমাৰ পিঠিখন অলপ অলপ কঁপি থাকিব। বুজিছানে নাই কথাখিনি?

মীনাই একো উত্তৰ নিদিলে। মাত্ৰ সুধিলে, এইখিনি আকৌ কৰিম নেকি? দিলীপ শইকীয়াই ক'লে, নাই, আজি নালাগে আৰু। ৰিহাৰ্ছেল হেজাৰবাৰ কৰিলেও কোনো লাভ নাই যদিহে কেৰেক্টাৰ বিলাকৰ মাজত তোমালোকে সোমাই যাব নোৱাৰা। যি সময়ত তুমি সেই লাইন কেইটা মাতি গৈছিলা সেই সময়ত তুমি নিজকে মীনা বুলি ভাবিলে নচলিব। তুমি তেতিয়া মিছেচ অনিমা বৰুৱা, অধ্যাপক অনিল বৰুৱাৰ উচ্চশিক্ষিতা, আত্মাভিমানী, নিজৰ আভিজাত্যৰ বিষয়ে অতিমাত্ৰায় সচেতন, সুন্দৰী স্ত্ৰী। ভদ্ৰ স্বামী, সুখী পৰিবাৰ আৰু প্ৰভূত অৰ্থ-সামৰ্থ্য থকা সত্বেও ইউ আৰ চাৰ্চিং চাম্‌থিং।- অনিমা বৰুৱাৰ মাজেদি মই বৰ্ত্তমান সময়ৰ নাৰীসমাজৰ ৰূপ ফুটাই তুলিব বিচাৰিছোঁ। মোৰ এই নাটকখন আজিলৈকে চলি থকা কন্‌ভেন্‌শ্বনেল মেলড্ৰামাটিক অসমীয়া নাটক নহয়, ইট্‌চ চাম্‌থিং ডিফ্‌ৰেণ্ট্, অফ-বিট অৱ হোৱাটেভাৰ ইয়ু মে কল ইট্‌। তোমালোক প্ৰত্যেকেই যদি মোক চিন্‌চিয়েৰ্লি ক-অপাৰেট কৰা, তেন্তে আই এম চিয়'ৰ ইট উইল্ বি চাম চৰ্ট অব এ মাইলষ্টন ইন দি হিষ্ট্ৰী অব আচ্‌মিজ ড্ৰামা।

মীনাই লক্ষ্য কৰিলে সন্ধ্যাই মুখৰ ওচৰতে বৈ থকা হামি এটা সামৰি থবৰ চেষ্টা কৰিলে, নেকিবে আগৰ চিগাৰেটটোৰে আৰু এটা জ্বলাই ললে, কাঞ্চাই চাহ লৈ আহিল, পিচে পিচে চেক্ৰেটৰী গিয়াচউদ্দিন আহমদ—হাতত চিগাৰেটৰ পেকেট আৰু তামোলৰ টোপোলা। মীনায়ো সকৈকৈ স্বস্তিৰ নিশ্বাস এটা এৰিলে। আজি এসপ্তাহ ধৰি 'ধূসৰ দিগন্ত', নামৰ সামাজিক নাটক এখনৰ আখৰা চলি আছে। মীনা নাটকৰ নায়িকা। অনিমা বৰুৱাৰ অভিনয় কৰিছে অজিত শইকীয়া নামৰ নতুন ডেকা অভিনেতা এজনে। কেবাটাও

কাৰণত এই নাটকখনৰ অভিনয়ৰ বিষয়ত মীনা ত্যক্ত হৈ আছে। প্ৰথম কথা, অজিত শইকীয়া নামৰ ল'ৰাজন তাইৰ ভায়েক কমলতকৈও বহুত সৰু। তাৰোপৰি দিলীপ শইকীয়াই এই নাটকখনৰে অসমীয়া নাট্যজগতত 'যুগান্তৰ' আনিব বিচাৰিছে। সেই বাবে তেওঁ নাটকত এনে কিছুমান দৃশ্য, সংলাপ আৰু মুহূৰ্তৰ অৱতাৰণা কৰিছে যিবোৰ অলপ বেলেগকৈ কৰলৈ গ'লে, যথেষ্ট 'দুঃসাহসিক' আৰু সহজভাবে কৰলৈ হ'লে 'লাজ লগা'। অভিনয় হ'লেও নিজৰ ভায়েকৰ বয়সৰ ল'ৰা এজনে যেতিয়া তাইৰ দুবাহুত ধৰি তাইৰ মুখৰ কাষলৈ মুখ নি অস্পষ্ট সুৰত প্ৰেমৰ সংলাপ গাবলৈ ধৰে তেতিয়া স্বাভাবিকতে মীনা অপ্ৰস্তুত হয়। মীনাই কেবাবাৰো চেষ্টা কৰিছিল—হয় এইবোৰ দৃশ্যাদি সম্পূৰ্ণৰূপে বাদ দিয়াবলৈ নাইবা সেইবোৰ অভিনয়ৰ নিশালৈ থৈ এতিয়া সেইবোৰৰ আখৰা বাদ দিবলৈ। কিন্তু নাট্যকাৰ পৰিচালক সঙ্গীত পৰিচালক আৰু পাৰ্শ্বাভিনেতা শইকীয়াই নেৰিলে। দ্বিতীয় কথা, দিলীপ শইকীয়াৰ অনৰ্গল বক্তৃতাত মীনা সঁচাকৈয়ে অতীষ্ঠ হৈ উঠিছে। আজি প্ৰায় দহ বছৰে তাই মঞ্চ, অনাতাঁৰ আৰু চেগাচোৰোকাকৈ কথাছবিত অভিনয় কৰিছে। 'অদ্ভুত বিৰল প্ৰতিভাৰ অধিকাৰিণী' নহ'লেও অভিনয় সম্পৰ্কে তাইৰ জ্ঞান আৰু অভিজ্ঞতা নিচেই সামান্য নহয়। 'চাঞ্চল্যকৰ', 'কালজয়ী' অভিনয়ৰ পৰিচয় তাই কোনোদিনে দিব পৰা নাই সঁচা, কিন্তু এয়াতো সঁচা কথা যে তাই কেতিয়াও তাইৰ অভিনয়ত অকৃতকাৰ্য্য হোৱা নাই। দৰ্শকক অপৰিসীম তৃপ্তি আৰু মনোৰঞ্জনৰ খোৰাক যোগাব নোৱাৰিলেও তাইৰ অভিনীত চৰিত্ৰৰ প্ৰতি সমবেদনা উদ্ৰেক কৰিবলৈ তাই সদায়েই সমৰ্থ হৈছে। এইবোৰ কথা জানিও দিলীপ শইকীয়াই তাইৰ লগত এই কেইদিন এনে ব্যবহাৰ কৰিছে যেন তাই পোন প্ৰথমবাৰৰ বাবে অভিনয় জগতলৈ অহা এজনী ৰূপহী, ধনী-দুহিতা ষোড়শীহে। তাই ত্যক্ত হোৱাৰ তৃতীয় অথচ প্ৰধান কাৰণ হৈছে, কেবাটাও কাৰণত মীনাৰ মন আজি কিছুদিনৰ পৰা বৰ বেয়া

হৈ আছে। শইকীয়াৰ গাত পুৰাপুৰি দোষ নাই, সঁচাকৈয়ে অভিনয়ত 'মন ঢালি' দিব পৰা নাই।

চাহ-তাহ খাই উঠাৰ পিচত শইকীয়াই তাৰ পিচৰ দৃশ্যৰ আখৰা কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছিল। চেক্ৰেটেৰী আহমদে উপলব্ধি কৰিলে আখৰাৰ বাবে কাৰো সম্প্ৰতি মন নাই। সেইবাবে কোনেও যাতে বেয়া নেপাই, তেনে এটা সুৰত কাকো বিশেষকৈ উদ্দেশ্য নকৰি অথচ সাধাৰণ ভাবে সকলোকে উদ্দেশ্য কৰি ক'লে, আজি হব আৰু। কাইলৈ কিন্তু সকলোৱে যেন টাইমলি আহে। দিলীপ শইকীয়া দেখাদেখিকৈ বিৰক্ত হ'ল আৰু একো নকৈ চিগাৰেট এটা জ্বলাই হুপিবলৈ ধৰিলে। সন্ধ্যাই কাপোৰ-কানি ঠিক-ঠাক কৰি ঠিয় হ'ল, অজিত শইকীয়াই তাইক থৈ আহিব। দুয়ো বিশ্ববিদ্যালয়ত পঢ়ে আৰু যুব-মহোৎসব, একাঙ্ক নাট-প্ৰতিযোগিতাত প্ৰধান চৰিত্ৰৰ অভিনয় কৰে। নাটকখনৰ অন্য এটা নাৰী-চৰিত্ৰৰ বাবে দিলীপ শইকীয়াই একেলগে দুজনী ছোৱালীৰ 'নাট্য-প্ৰতিভা নিৰীক্ষণ' কৰি আছে, এতিয়াও সিদ্ধান্তত উপনীত হ'ব পৰা নাই। দুয়োগৰাকী ছোৱালী বান্ধবী, ওচৰাওচৰিকৈ থাকে, আগতেই আখৰা হৈ যোৱাৰ কাৰণে দুয়ো আগতেই গ'ল। নাটকৰ বুঢ়া মৌজাদাৰ—যিটো চৰিত্ৰৰ মাজেদি নাট্যকাৰ শইকীয়াই 'বিশ্বৰ ক্ষয়িষ্ণু বুৰ্জোৱা সমাজৰ ডুবিবলৈ ধৰা নাওখনৰ গুৰিয়াল'ৰ ছবি আঁকিব বিচাৰিছে—সেই মৌজাদাৰৰ চৰিত্ৰত অভিনয় কৰিছে 'ধূসৰ দিগন্ত'ৰ স'তে সংশ্লিষ্ট সকলোৰে ভিতৰত বয়োজ্যেষ্ঠ, প্ৰায় প্ৰৌঢ় নিয়াজ আহমেদে। ইন্সিওৰেঞ্চৰ কামত অ'ত-ত'ত ফুৰা আৰু এই নাটক কৰাৰ বাহিৰে যিখিনি সময় তেওঁৰ হাতত থাকে সেইখিনি সময় চেক্ৰেটেৰী গিয়াচে ক'বৰ দৰে তেওঁ 'ফেনিল' হৈ থাকে। অন্য সকলো সময়তে উগ্ৰ প্ৰকৃতিৰ এই মানুহজন অভিনয়ৰ ক্ষেত্ৰত হ'লে তেনেই নিৰ্জ্জু। বহুতদিন অভিনয় কৰিছে তেওঁ। নাটকৰ বিষয়ে বহুত কথাই জানে। তেনে এজন অভিজ্ঞ অভিনেতা হৈও তেওঁ দিলীপ শইকীয়াৰ বক্তৃতা

শুনি মুঠেই বিৰক্ত নহয়। মীনাই কেবা দিনো লক্ষ্য কৰিছে দিলীপ শইকীয়াৰ কথাবোৰ তেওঁ অধীৰ কৌতূহল আৰু আগ্ৰহেৰে শুনে। আৰু সেইবাবে আৰু সবৰজান হ'বলৈ শইকীয়াই উৎসাহ পায়। নিয়াজ আহ্‌মদো যাবলৈ ওলাল। লাহে লাহে প্ৰায় সকলোৱেই গ'ল। 'ৰামধনু কলা পৰিষদৰ' সভ্যসকলৰ বাহিৰে সকলো গ'ল। বাহিৰা মানুহ বুলিবলৈ থাকিল মীনা আৰু যতীন। মীনাই প্ৰমাদ গণিলে। এতিয়া উপযাচি তাইহে কথাটো ক'ব লাগিব নেকি? এনেতে তাই দেখিলে, পৰিষদৰ কোনোবা এজনে চেক্ৰেটেৰীৰ কাণে কাণে কিবা কলে আৰু আহমেদ ব্যস্ত হৈ তাইৰ কাষ পালেহি। কৈফিয়তৰ সুৰত বেগৰ পৰা দুখন এটকীয়া নোট উলিয়াই যতীনৰ হাতত দি তেওঁ মীনাক উদ্দেশ্য কৰি ক'লে, ইস, মই কথাষাৰ পাহৰিয়েই গৈছিলো। বেয়া নেপাব দেই। দেখিছেই নহয় কিমান কাম কৰিব লগীয়া হৈছে। মীনাই আশ্বস্ত হৈ ক'লে, নাই, বেয়া কিয় পাম। বাৰু আহোঁ দেই। তাইক বিস্নালৈকে আগ বঢ়াই দি আহমেদে অপৰাধী অপৰাধী ভঙ্গীত ক'লে, আমাৰ শইকীয়াৰ কথা-কতবাত আপুনি আকৌ বেয়া নেপাব দেই। কাৰণ, আফটাৰ অল্ গোটেই ফাংশ্যনটো কোনো এজন মানুহৰ নহয়, আমাৰ আটাইৰে। গতিকে অন্ততঃ আমাৰ আটাইখিনিৰ ফালে চাই আপুনি মনত একো বেজাৰ নেপাব। অক্লান্তভাবে কাম কৰি যোৱা এই মানুহজনক বহুত কথা কৈ আশ্বস্ত কৰাৰ মন আছিল মীনাৰ। কিন্তু তাইৰ ভাগৰ লাগিছিল আৰু ইতিমধ্যে ৰাতিও বহুত হৈছিল। সেইবাবে তাই মাত্ৰ ক'লে, সেইবোৰ কথা আপুনি কিয় ভাবিছে আহমেদ? বেয়া পোৱা হ'লে মই জানো ৰিহাৰ্চেললৈ আহি থাকোঁ!

আহমেদক মাত লগাই বিস্নাৰে গৈ থাকোঁতে মীনাই ভাবিলে, তাই তেওঁৰ আগত মিছা কথা ক'লে। তাই আচলতে শইকীয়াৰ আৰু 'ৰামধনু কলা পৰিষদ'ৰ প্ৰধান পৃষ্ঠপোষক সুশীল চৌধুৰীৰ ব্যবহাৰত যথেষ্ট ক্ষুণ্ণ হৈছিল। আথবালৈ নাহিবলৈ তাই কেইবা-

দিনো মনস্থিৰ কৰি লৈছিল। কিন্তু শেহান্তৰত তাই নহাকৈ থাকিবলৈ প্ৰতিবাৰেই নোৱাৰিলে। আগতে হোৱা হ'লে তাই সহজে ক'ব পাৰিলেহেঁতেন যে তাৰ কাৰণ হৈছে অভিনয়ৰ প্ৰতি থকা তাইৰ অদমনীয় উৎসাহ। কিন্তু আজি কালি আৰু তাই সেই কথা ক'ব নোৱাৰে। এটা দিন আছিল যেতিয়া মাকৰ অনৰ্গল বকনি, বাপেক আৰু ককায়েকৰ হাতৰ মাৰ আৰু প্ৰতিবেশী আৰু আত্মীয়-স্বজনৰ ঠাট্টা-বিদ্ৰূপ উপলুঙা কৰি তাই অভিনয় কৰিছিল কেৱল অভিনয়ৰ আনন্দ উপভোগ কৰিবৰ বাবে। তাৰ পিচত কথাবোৰ সলনি হৈছিল। ছালে-বেৰে কোবোৱা পাবত গজা সমালোচকৰ প্ৰশংসা নাইবা গুণমুগ্ধ দৰ্শকৰ সপ্ৰশংস দৃষ্টিৰ বাবে নহয়, এজন, কেৱল এজন পুৰুষৰ দৃষ্টিৰ পৰিধিৰ মাজত থাকিবলৈকে তাই অভিনয় কৰিছিল। সেইবোৰ কথাও অতীত কাহিনী হ'ল। আজি যিহৰ বাবে তাই 'ৰামধনু কলা পৰিষদ'ৰ 'ধূসৰ দিগন্ত' অভিনয় কৰিবলৈ আহিছে তাৰ কাৰণ, আৰু একমাত্ৰ কাৰণ হৈছে যে নহাকৈ থকাৰ উপায় নাই। গিয়াচউদ্দিন আহমেদৰ লগত হোৱা বন্দোবস্ত মতে মীনাই এই অভিনয়ৰ বাবে পঞ্চাশ টকা পাব। তাৰে পোন্ধৰ টকা বন্দোবস্ত হোৱাৰ দিনাই তাই পাইছে, 'ধূসৰ দিগন্ত'ৰ দ্বিতীয় নিশাৰ অভিনয় শেষ হোৱাৰ লগে লগেই বাকী পঁয়ত্ৰিশ টকা তাই পাব। তাৰোপৰি আখৰাৰ আটাই কেইদিন ৰিক্সাৰ ভাৰাৰ বাবদ দুটকাকৈ পৰিষদে দিব। পৰিচালক আৰু প্ৰধান পৃষ্ঠপোষকৰ ব্যৱহাৰ উলাই কৰিলেও এইখিনি সুবিধা উলাই কৰাৰ স্পৰ্দ্ধা আজি আৰু মীনাৰ নাই।

থানাখন পাৰ হৈ চাৰি আলিটোৰ ওচৰৰ পুলটোত এজাক ল'ৰা বহি থকা দেখি মীনা সন্ত্ৰস্ত হ'ল। হিন্দী চিনেমাৰ গানৰ শ্ৰাদ্ধ চলি আছিল। ৰিক্সাখন পুলটোৰ কাষ পোৱা মাত্ৰে গান বন্ধ হ'ল। ষ্ট্ৰীটলাইটৰ পোহৰ মীনা আৰু যতীনৰ মুখত পৰিল। আৰু তাই আশা কৰা মতে মীনাই শুনিলে, ডিঙিটো চেপা মাৰি বেল ষ্টেচনত

চৰবং বেচা মানুহৰ দৰে মাত এটা ওলাল, 'এই যে সুচিত্ৰা সেন যায়'। তাৰ পিচত কিছু অশ্ৰাব্য মন্তব্য আৰু সম্মিলিত অভদ্ৰ কোলাহল। যতীনৰ খং উঠিল যদিও মীনাৰ ওপৰত সেইবোৰৰ একো প্ৰতিক্ৰিয়াই নহ'ল। প্ৰকৃততে এইধৰণৰ ঠাট্টা-বিদ্ৰূপত বিৰক্ত হোৱা নাইবা খং কৰাৰ মানসিক আৰু শাৰীৰিক বয়স তাই কাহানিবাই পাৰ হৈ আছিল। আজিৰ এই ল'ৰাজাকৰ ব্যৱহাৰতো চাবলৈ গ'লে যথেষ্ট ভদ্ৰ। এইজাক ল'ৰাই অন্ততঃ শিক্ষা-সংস্কৃতি নাইবা মুখচ ফুটোৱা অভিজাত্যৰ গৌৰব কৰিব নোৱাৰে। কিন্তু যথেষ্ট শিক্ষা পোৱা, ভিন্নতৰ পৰিবেশত শালীনতাৰ জীৱন্ত প্ৰতিভূৰ অভিনয় কৰা, সমাজত সুপ্ৰতিষ্ঠিত পৰিয়ালৰ সন্তানসকলে কৰা ব্যৱহাৰতো মীনা আজিকালি সিমান বিৰক্ত নহয়। সেইসকল ভদ্ৰ-পুঙ্গবে কেতিয়াবা আনকি তাইৰ শৰীৰৰ বিষয়েও অশ্ৰাব্য মন্তব্য দিয়ে। তাই সহ্য কৰে। কিন্তু এদিন তাই সহ্য কৰিব নোৱাৰিলে। আজি প্ৰায় ছমাহমানৰ আগতে প্ৰবেশিকা পৰীক্ষাৰ্থিসকলে কৰা এক নাট্যাভিনয়ৰ পৰা নিশা উভটি আহোঁতে কেইজনমান ভদ্ৰসন্তানে অমৰৰ বিষয়ে তাই শুনাকৈয়ে এটা জঘন্য মন্তব্য দিছিল। বিক্সাৰ পৰা নামি গৈ তাই সেইদিনা পাগলিৰ দৰে যিহকে মন যায় তাকে কৈ ডেকাজাকক গালি পাৰিছিল। ঘৰ সোমাই সেই নিশা মীনাই কান্দিছিল।

ঘৰ সোমাই মীনাই দেখিলে অমৰ তেতিয়াও শোৱা নাই। বিছনাতে পৰি সাপ্তাহিক এখনৰ পাত লুটিয়াই আছে। যতীন সিটো কোঠালৈ গ'ল। মীনাই কাপোৰ-কানি সলাবলৈ আৰম্ভ কৰিলে। অমৰে একোকে নকলে। তাই নিজে ক'বলৈও তাইৰ শৰীৰটোৱে উৎসাহিত নকৰা দেখি মীনাও মনে মনে ৰ'ল। শাৰীখন মুখেৰে কামুৰি ব্লাউজ খুলিবলৈ ধৰি মীনাই ঘূৰি নোচোৱাকৈয়ে গম পালে অমৰে তাইলৈ অপলক দৃষ্টিৰে চাই আছে। হঠাতে তাইৰ মনত পৰিল অমৰে বহুতদিনৰ আগতে তাইক শুনোৱা কোনোবা বিদেশী কবিৰ কবিতা ফাকি। সেইকথাবোৰ কবিতা হৈ আজি আৰু তাইৰ মনত

নাই। তথাপি তাইৰ মনত আছে—'তোমাৰ শৰীৰ এক অনাবিষ্কৃত দ্বীপ সদৃশ্য। যিমান বাৰ মই তোমাৰ দেহ-সমুদ্ৰত অবগাহন কৰিছোঁ সিমান বাৰেই মোৰ পুনৰ্জন্ম হৈছে'।—আৰু বহুত কিবাকিবি। মীনাই ভাবিলে, সেইবোৰ কেৱল কিছুমান দাঁত ভগা শব্দৰ সমষ্টি, অৰ্থহীন, মূল্যহীন। তাইৰ হাঁহি উঠিল। তাইৰ মুখত হাঁহি দেখি অমৰৰ নীৰৱতা ভঙ্গ হ'ল। সি খঙেৰে ক'লে, নালাগে মীনা, নালাগে। আজি ৰিহাৰ্চেলত কি হাঁহি-উঠা ঘটনা হ'ল তাৰ পুঙ্খানুপুঙ্খ বৰ্ণনাহে নেলাগে, একো কথাকে মই শুনিব বিচৰা নাই। মোৰ ভোক লাগিছে, সোনকালে ভাত বাঢ়ি আনা। প্ৰচণ্ড ক্ষোভ আৰু উন্মাত মীনাৰ এনে লাগিল যে বিস্ফোৰক পদাৰ্থৰ দৰে তাই ফাটি পৰিব। কিন্তু অতি কষ্টেৰে নিজক সংযত কৰিবৰ চেষ্টা কৰি তাই ক'লে, মই তোমাক একোকে ক'ব বিচৰা নাই। আৰু ক'ব বিচাৰিলেও তুমি এনেকৈ বলিয়াৰ দৰে চিঞৰাৰ কোনো প্ৰয়োজন নাই। এইবাৰ অমৰৰ কণ্ঠস্বৰ আৰু উৰ্দ্ধ মাত্ৰালৈ উঠিল। কাজিয়া কৰাৰ সকলোখিনি উপকৰণ চকু-মুখলৈ আনি সি ক'লে, হয়, মই বলিয়া, বলিয়া! বলিয়া নহ'লে জানো এনেদৰে তোমাৰ কাণ্ড-কাৰখানা দেখি চকু বন্ধ কৰি থাকো? মই বলিয়া নহয় কোন?

ধৈৰ্য্য নেহেৰুৱাবলৈ প্ৰাণপণ চেষ্টা কৰি মীনাই অন্য এটা ব্লাউজ গাত সুমুৱাইছিল। কিন্তু শেহলৈ তাইৰ ধৈৰ্য্যৰ বান্ধ ভাগি গ'ল। সমান মাত্ৰাত তায়ো চিঞৰি উঠিল, মোৰ কি 'কাণ্ড-কাৰখানা' দেখিলা তুমি? কোৱা কি দেখিলা? অমৰে উত্তৰ নিদিলে। মীনাই কিন্তু তাৰ উত্তৰলৈ বাট নাচাই কৈ গ'ল, গাত এশ পাঁচ ডিগ্ৰী জ্বৰ লৈ ষ্টেজত উঠি তিনিঘণ্টা চাৰিঘণ্টা টেটুফালি চিঞৰাটো তোমাৰ মতে ফুৰ্তি কৰা নহয়? নিজৰ স্বামী ঘৰত থাকোতে পৰপুৰুষৰ লগত প্ৰেমৰ অভিনয় কৰা তোমাৰ মতে এটা আমোদ? দিনৰ দিনটো ছুটাকৈ বেমাৰী মানুহৰ আলপৈচান ধৰি, গধূলি লৰালৰিকৈ ভাত-পানী বান্ধি ৰিহাৰ্চেললৈ সাজি-কাচি যোৱা মানে অভিসাৰলৈ

ওলোৱা নহয়? কোৱা, উত্তৰ নিদিয়া কিয়? শেষৰ ফালে মীনাৰ মাত থোকাথুকি হৈ গ'ল। অমৰে উত্তৰ নিদিলে। সিটো কোঠাৰ পৰা কেৱল ভিৰোতা মানুহৰ কণ্ঠস্বৰ শুনা গ'ল, এই, তহঁতৰ আকৌ লাগিলনে? এইটো কোঠাৰ মাত আৰু শুনা নগ'ল। মীনাই ভাত বাঢ়ি আনি অমৰৰ মেজত থলে। তাই নিজে ভাত নাখালে। অমৰেও তুগবাহমান ভাত খায়েই হাত ধুই দিলে। তাক আৰু ভাত খাবলৈ ক'বলৈ খুজিও মীনাই নক'লে। লেম্প মুমুৱাই একো কথা-বতৰা নকৈ দুয়ো আঠুৱাৰ তলত সোমাল।

মীনাৰ কিন্তু টোপনি নাাহল। বিছনাত ইকাটি সিকাটি কৰি তাই শুবৰ চেষ্টা কৰিলে, নোৱাৰিলে। অমৰে কোৱা কথাবোৰ বাৰে বাৰে তাইৰ কাণত বাজি থাকিল। তাইৰ বুকুখন ভাগি যোৱা যেন লাগিল, জ্বলি যোৱাৰ দৰে লাগিল। অতি কষ্টেৰে তাই কান্দোন বন্ধ কৰিলে। একমাত্ৰ যিজন মানুহৰ কাৰণে, যিজন মানুহৰ মৰমৰ কাৰণে তাই এদিন নিজৰ মৰমৰ ঘৰখন আৰু গোটেই পৃথিৱীক উপেক্ষা কৰি ওলাই আহিছিল, সেই মানুহটোৰ মুখতে আজি এনে কথা শুনিব লগীয়া হ'ল! পুলৰ কাষত আড্ডা দিয়া সেই সাধাৰণ লৰাজাক নাইবা চহৰৰ গণ্য-মান্য সজ্জনবৃন্দৰ উচ্ছৃঙ্খল সেই লৰাজাক —সিহঁতকতো ক্ষমা কৰি দিব পাৰি। যোৱা সাত আঠ বছৰে কি এক দাৰুণ অগ্নি-বন্যাত মীনা ডেই-পুৰি মৰিছে তাৰ খবৰ সিহঁতে নাজানে, জনাৰ কথাও নহয়। কিন্তু অমৰে সকলো জানে। জহি যাবলৈ ধৰা ঘৰখনক ধৰি ৰাখিবলৈ মীনাই কৰা সংগ্ৰাম সি আৰম্ভণিৰে পৰা নেখিছে। তাৰ পিচতো যদি সি এনে ধৰণৰ কথা কয়, তেন্তে এই কৃচ্ছ্ৰসাধনৰ প্ৰয়োজন আছিল কি, এই ৰক্তক্ষয়ী সংগ্ৰামৰ পৰা লাভ হ'ল কি? মীনাৰ অন্তৰৰ শোক লাহে লাহে ক্ষোভলৈ সলনি হ'ল। আৰু অলপ সময়ৰ পিচত তাইৰ টোপনি আহিল।

পিচদিনাখন অৱশ্যে তাই মনৰ অৱস্থা যথেষ্ট সংযত কৰি ল'ব পাৰিলে। অমৰক চাহ দিবৰ সময়তো যোৱা ৰাতিৰ ঘটনাৰ কোনো

চিন তাই ব্যৱহাৰত নেদেখুৱালে। সিহঁতে বেচ সহজভাবেই কথা পাতিলে। তথাপি সিহঁতে অনুভৱ কৰিলে যে দুয়োটাৰে মনৰ এচুকত কালিৰ ঘটনাটো মনে মনে বৈ আছেহি। এই নীৰৱতা কোলাহলতকৈ অধিক। অস্বস্তিকৰ সেই নীৰৱতা। সেইবাবে সিহঁতে কথা পাতিলেও দুয়োৰে মাজত কিবা দূৰত্ব, কিবা ব্যৱধান উপলব্ধি কৰিলে। অমৰৰ চাহ খোৱা শেষ হোৱাৰ লগে লগে মীনাই কাপ-প্লেটবোৰ ভিতৰলৈ নিয়াৰ লগতে অমৰৰ আগৰ পৰা যোৱাৰ সুযোগ ললে। আন দিনাৰ দৰে মীনাই ঘৰুৱা কামবোৰ কৰি গ'ল যদিও তাই সেইবোৰ কাম কৰিবলৈ কিবা উৎসাহবোধ নকৰিলে। কিবা জানো লাভ আছে এইবোৰৰ পৰা? যিদিনাখন তাই এই ঘৰখনৰ পদূলি গচকি চিৰদিনৰ বাবে ভিতৰ সোমাইছিল সেইদিনা সাগৰৰ পানীৰ দৰে কিছুমান কামনা, কিছুমান কল্পনাই তাইৰ অন্তৰত কঁপি কঁপি বাৰে বাৰে খুন্দা মাৰিছিল। তাইৰ কাষতে শোৱা অমৰে হয়তো সেইবোৰৰ শব্দ শুনিছিল, সেইবোৰৰ ভাষা বুজি পাইছিল। সেয়েহে দুবাহুত মৰমৰ উম লৈ সেইদিনা সি তাইক সাবটি ধৰি কৈছিল, একো ভয় নাই মীনু, সকলো ঠিক হৈ যাব। তাই একো কোৱা নাছিল। মাত্ৰ পৰম তৃপ্তি আৰু আনন্দত তাই অমৰৰ বুকুত মুখখন গুজি দিছিল। সেই তৃপ্তি আৰু আনন্দই তাইৰ চকুৰ পতা সেমেকাই দিছিল।

সেই দিনবোৰৰ কথা যেতিয়াই তাইৰ অন্তৰখন পৰশি গ'ল, প্ৰাণ ওষ্ঠাগত কৰা গৰমৰ পিচতে যেন হিয়া জুৰ পেলোৱা এজাক বৰষুণ আহিল। তাই উন্মনা হয়। মনটো বাৰে বাৰে সেই দিন-বোৰৰ মাজলৈ উৰি যাব খোজে। কেইবছৰ হ'ল বাৰু? সাত বছৰ নে আঠ বছৰ হ'ল! তাই মেট্ৰিক পাচ কৰাৰ এবছৰমানৰ পিচৰে কথা। তাৰ মানে প্ৰায় আঠ বছৰ হ'ল। চন, তাৰিখ, বাৰ তাইৰ একো মনত নাই। কিন্তু সেই সময়খিনিৰ কথা সঠিককৈ তাইৰ মনত আছে। আনবোৰ ছোৱালীৰ দৰে মীনায়ো বৰ আনন্দেৰে অসমৰ

একমাত্ৰ চৰকাৰী কলেজখনলৈ গৈছিল। ঘৰৰ সকলোৱে তাইক ছোৱালী কলেজখনত নাম লগাবলৈ কৈছিল। কিন্তু কিয় জানো তাইৰ মন নগ'ল। সকৰে পৰা বেলেগ স্কুলত পঢ়ি পঢ়ি তাইৰ কেৱল ছোৱালীৰ মাজৰ পৰিবেশটো বৰ গতানুগতিক বৈচিত্ৰ্যহীন যেন লাগিছিল। সেই একে ধৰণৰ ক্লাচ, বাইদেউ আৰু ছোৱালীৰ মাজৰ আলোচনা—এইবোৰে তাইক অলপ আমুৱাইছিল। অলপ ভিন্নতৰ পৰিবেশৰ মাজত থাকিবলৈ বিচাৰিছিল। তাৰোপৰি তাই দেখিছিল ছোৱালী কলেজখনত অভিনয় আদিৰ বাবে বৰ ভাল সুবিধা নাই। স্কুলত থাকোতে তাই দুই এবাৰ কলেজখনৰ সাংস্কৃতিক অনুষ্ঠান আদিলৈ গৈছিল। তেতিয়া তাই মন কৰিছিল সেইবোৰ অনুষ্ঠানত উদ্যোক্তাসকলে বহুতো কথাত বাধাপ্ৰাপ্ত। তাই দেখা দুই এখন নাট্যাভিনয়ৰ কথাও মীনাৰ মনত আছিল। অভিনয়ৰ মান, মঞ্চ-সজ্জা আদি বেলেগ কথা। কিন্তু যেতিয়া তাই দেখিলে কলেজৰ কোনোবা ছাত্ৰীয়ে লিখা নাটকত ফেল্ট্ হেটৰ তলত বেণী লুকুৱাই কিম্ভূত-কিমাকাৰ পোছাকেৰে ছোৱালীয়ে পুৰুষৰ অভিনয় কৰাৰ বিফল প্ৰচেষ্টা কৰিছে তেতিয়া তাই বেয়া পালে। মীনাই উপলব্ধি কৰিলে তাইৰ অভিনয়ৰ বিকাশ আৰু উৎকৰ্ষ সাধনৰ বাবে তাই ইখন কলেজলৈ যাব লাগিব। সেইবাবে তাই ছোৱালী কলেজত পঢ়িবলৈ আপত্তি কৰিলে। মাক আৰু ককায়েক মান্তি হোৱা নাছিল যদিও শেহলৈ বাধ্য হৈ মীনাক কলেজখনলৈ লৈ গ'ল ককায়েকে।

ঠিক তাই ভবাৰ দৰে মীনাই কলেজখন ভাল নেপালে যদিও বৰ বেয়াও নেপালে। সহ-শিক্ষাৰ ব্যৱস্থা থকা কলেজ যদিও, তাই দেখিলে প্ৰকৃতপক্ষে ছাত্ৰ আৰু ছাত্ৰী দুটা সম্পূৰ্ণ পৃথক গোষ্ঠী। ক্লাচৰ সময়খিনিৰ বাহিৰে একে ক্লাচৰ ছাত্ৰী-ছাত্ৰীৰ মাজত কোনো সম্পৰ্কই নাই। প্ৰফেছাৰৰ লগতে ক্লাচত সোমাব লাগে। প্ৰফেচাৰৰ লগতে ক্লাচৰ পৰা ওলাই কমনৰুমলৈ ঢাপলি মেলি লাগে। কোনো ছাত্ৰী এগৰাকীয়ে যদি কিবা প্ৰয়োজনত লগৰ ছাত্ৰ এজনক মাতে,

তেতিয়া ছাত্ৰজন ইমান সপ্ৰতিভ আৰু লজ্জিত হয় যে দ্বিতীয়বাৰ মাতিবলৈ কুণ্ঠা হয়। কোনো প্ৰকাৰৰ সম্পৰ্ক নাই দুয়োটা গোষ্ঠীৰ মাজত। ঠিক সেইদৰে অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজতো প্ৰয়োজনীয় সম্পৰ্ক প্ৰায় নাই। আৰু এইবোৰ কাৰণতে কলেজৰ অনুষ্ঠানত ছোৱালী এজনীয়ে যদি গান এটা বাবলৈ উঠে তেন্তে একে ক্লাছৰ ল'ৰাই পিচৰ পৰা জোকাবলৈ কুণ্ঠা বোধ নকৰে। তথাপি কলেজত পঢ়ি মীনাৰ বৰ বেয়া নেলাগিল। দুই-তিনিখন নাটকত অভিনয় কৰিবলৈ তাই সুবিধা পালে। কেবাজনো অধ্যাপকে এইবোৰ অভিনয়ত যথেষ্ট দিহা-পৰামৰ্শ দিলে। আগতেও বহুতবাৰ অভিনয় তাই কৰিছিল, যদিও অধ্যাপককেজনে আঙুলিয়াই দিয়াত তায়ো দেখিলে তাইৰ অভিনয়ত বহুত খুঁত আছিল। মীনাই উপলব্ধি কৰিলে যে সমসাময়িক অসমীয়া নাট্য-জগতৰ অভিনেত্ৰীসকলৰ অভিনয় সঁচাকৈয়ে বিৰক্তিকৰৰূপে একে ঠাঁচৰ। যাৰ নাটকেই নওহক, যি ধৰণৰ নাটকেই নহওক, যেনেকুৱা চৰিত্ৰই নহওক, প্ৰায় সকলো অভিনেত্ৰীয়ে সেই একে বহু-ব্যৱহৃত ঠাঁচেৰেই অভিনয় কৰিব। মীনাই বিশ্বাস কৰিলে যে সেইবাবেই আজি এনে কোনো অসমীয়া অভিনেত্ৰীৰ নাম ল'ব নোৱাৰি যি কেৱল অভিনয়ৰ শ্ৰেষ্ঠত্বৰ দ্বাৰা স্মৰণীয় হৈ ৰ'ব। অভিনয় কৰাৰ সৎ-সাহস ফেৰাৰ বাবেই বাঃ বাঃ লৈ থকাৰ দিন আৰু নাই। মীনাই সেইবাবে অভিনয়ত মন-পুতি লাগিবলৈ চেষ্টা কৰিলে। অন্য একো নেলাগে, বন্ধ পানীৰ দৰে, ঘাত ক্ষয় হোৱা গ্ৰামোফ'ন ৰেকৰ্ডৰ দৰে গতানুগতিক সাঁচৰ অভিনয়ৰ দিন উকলি যাওক।

সেই পুৰণিক খেদি নতুনক আদৰিবলৈ যাওঁতেই তাইৰ জীৱনলৈ অমৰ আহিল। স্থানীয় 'নবাৰুণ সংঘ'ই আয়োজন কৰা নাটকত অভিনয় কৰিবলৈ গৈ মীনাই অমৰক লগ পালে। অমৰৰ নাটক 'তদন্ত'। পৰিচালনা কৰিছিল নিয়াজ আহমদে। অভিনয়ৰ আগলৈকে মীনাই অমৰৰ লগত কথা পতা নাছিল। আৰু পাতিছিল যদিও

কি কথা পাতিছিল সেই কথা তাই বহুত চেষ্টা কৰিও আজি মনত পেলাব নোৱাৰে। 'তদন্ত'ৰ নায়িকাৰ চৰিত্ৰত অভিনয় কৰিবলৈকে মীনাক মাতি নিয়া হৈছিল। কিন্তু দুদিন আখৰাৰ পিচত এদিন অমৰে মাত মাতিলে। সেই দুদিন অমৰ ক'ত আছিল মীনাই মনেই কৰা নাছিল। কিন্তু তৃতীয় দিনা অলপ নিলগত টুল এখনত চিগাৰেট ধৰি বহি থকা অমৰৰ মাত শুনি মীনাই বোধকৰো পোন প্ৰথমবাৰৰ বাবে তাক মনোযোগেৰে চালে। কাৰণ সি কৈছিল, শ্ৰীমতী দত্তই যদি বেয়া নেপাই তেন্তে মই এটা পৰামৰ্শ দিব খোজোঁ। তাৰ কণ্ঠস্বৰৰ গভীৰতাত মীনা থতমত খাই উত্তৰ দিবলৈ পলম কৰিছিল। সেইবাবে নিয়াজ আহ্‌মদেই তাইৰ হৈ কৈছিল, আৰে, কোৱা অমৰ, কোৱা। তোমাৰ নাটক, তুমি যি পৰামৰ্শ দিয়া তাকেই লম। চিগাৰেটটো পেলাই ওচৰলৈ আহি মূৰটো জোকাৰি অমৰে কৈছিল, নাই নাই, তেনেকৈ নক'ব। মোৰ ক্ষমতা কেৱল নাটকখনতে শেষ। অভিনয়ৰ কথাত অপোনালোকৰ পূৰ্ণ ক্ষমতা। আৰু নাটকৰ বাবে মই কিবা ক'ব খুজিছো বুলি যদি আপোনালোকে ভাবে তেন্তে মই একোকে নকওঁ। কাৰণ মোৰ সীমা মই জানোঁ। এইমাত্ৰ বিহাৰ্চেল চাই থাকোতে সাধাৰণ দৰ্শকৰ দৰে মোৰ মনলৈ যি ভাব আহিছিল তাকেহে মই ক'ব খুজিছিলোঁ। তেতিয়াহে মীনাই কৈছিল, বাৰু সেইবোৰ বাদ দিয়ক। আপুনি কি পৰামৰ্শ দিব খুজিছিল, দিয়ক। অমৰে কৈছিল, আগতে আপুনি মোক কথা দিয়ক, আপুনি বেয়া নেপায়। মীনাই হাঁহি হাঁহি কৈছিল, ইস্ মই আকৌ কিয় বেয়া পাম! কওক আপুনি। তাইৰ বয়স, স্বাভাবিক চাল-চলন, তাইৰ কথা-বতৰা আদি সকলো মিলাই মীনাই কেনেকৈ নায়িকা-তকৈ নায়িকাৰ নন্দেকৰ চৰিত্ৰত বেছি ভাল অভিনয় কৰিব সেই কথা যেতিয়া অমৰে তাইক সুন্দৰকৈ ফঁহিয়াই বুজাই দিলে তেতিয়া মীনাই আচৰিত হৈ মন কৰিলে তাইৰ মুঠেই খং উঠা নাই। আন্তঃকলেজ সঙ্গীত প্ৰতিযোগিতা আৰু অন্যান্য প্ৰতিযোগিতাৰ জৰিয়তে ইতিমধ্যে

বেচ প্ৰতিষ্ঠা অৰ্জ্জা তাইক সহ-নায়িকাৰ চৰিত্ৰত অভিনয় কৰিবলৈ ক'বৰ বাবে কিমানখিনি সৎসাহসৰ প্ৰয়োজন সেই কথা ভাবি অমৰৰ প্ৰতি মীনাৰ শ্ৰদ্ধা হ'ল। নাটকখনৰ প্ৰতিটো চৰিত্ৰ সি কিমান সহানুভূতিৰে অঙ্কণ কৰিছে সেই কথা কল্পনা কৰি সেই শ্ৰদ্ধা আৰু বাঢ়িল।

তেতিয়াৰে পৰা তাই অমৰৰ বিষয়ে ভাবিবলৈ ধৰিলে। অমৰ কাকতিক লগ পোৱাৰ আগলৈকে সাহিত্যিকবিলাকৰ প্ৰতি মীনাৰ বিশেষ একো কৌতূহল নাছিল। কিবা এটা পঢ়িলে ভাল লগা নাইবা বেয়া লগা—সাহিত্যৰ স'তে তাইৰ সম্বন্ধ ইয়াতোকৈ বেছি নাছিল। অমৰৰ লগত চিনাকি হোৱাৰ পিচৰ পৰা···কিন্তু তাইৰ এই নিৰ্লিপ্ততা নাইকিয়া হ'ল। 'তদন্ত'ৰ পিচতো কেবাখনো নাট্যাভিনয়ত তাই অমৰৰ লগত মুকলিমূৰীয়াকৈ কথা পাতিলে। সাহিত্যৰ লগত মীনাৰ ক্ষীণ সম্পৰ্কৰ কথা জানিব পাৰি অমৰে স্পষ্টকৈ বিস্ময় আৰু বিৰক্তি প্ৰকাশ কৰিলে। শিক্ষিতা ছোৱালী এজনী হৈ ইমান কম কিতাপ পঢ়াৰ কাৰণে সি মীনাক সামান্য ভৰ্ৎসনাও নকৰাকৈ নেৰিলে। তাই কিন্তু বেয়া নেপালে, লাজহে লাগিল। তাই অমৰৰ কথা মানি ললে যে আমাৰ সাহিত্যৰ প্ৰতি শিক্ষিত সমাজৰ এই অনাগ্ৰহ, এই নিস্পৃহতা আমাৰ সাহিত্যৰ স্থবিৰতাৰ অন্যতম কাৰণ। এজাক সাহিত্যসেৱীৰ সাময়িক উচ্ছ্বাস, এমুঠি 'স্নব'ৰ পৃষ্ঠপোষকতা আৰু পঁয়া-লগা আলোচনী কেখনমানৰ জৰাগ্ৰস্ত আৰ্ত্তনাদেৰে আমাৰ একো উপকাৰ নহয়। কেৱল সংখ্যাৰ বাবে চিঞৰি থকাৰ সময় গ'ল, প্ৰকৃত গুণৰ জোখ লোৱাৰ সময় হ'ল। ডাৱৰৰ ফাঁকে ফাঁকে হঠাত দেখা পোৱা পোহৰকে লৈ মতলীয়া হোৱাৰ সময় আমি কেতিয়াবাই পাৰ হৈ আহিলো। নতুন আলোকৰ বন্যাৰে আমাৰ জীৱন উপচাই পেলোৱাৰ সময় হৈছে।—অমৰৰ আটাইবোৰ কথা মীনাই বুজা নাছিল। কিন্তু তাই এইকথা বুজিছিল যে এই মানুহটোৰ বুকুত একুৰা জুই আছে।

সিহঁতৰ পৰিচয় ঘনিষ্ঠতৰ হোৱাৰ লগে লগে মীনাই ঠিক কৰিলে তাইৰ সান্নিধ্যৰ প্ৰশান্তিৰে তাই অমৰক শান্তি দিয়াৰ চেষ্টা কৰিব। অমৰৰ মুখলৈ চাই তাই দেখিলে তাত অনেক সংগ্ৰামৰ চিন, অনেক ক্লান্তিৰ ছাঁ, যেন মানুহজনে কোনো দিনে কাৰো মৰমী হাতৰ পৰশ পোৱা নাই। অমৰৰ জীৱনৰ সকলোবোৰ অভাবৰ ক্ষতিপূৰণ মীনাই স্বইচ্ছাই দিবলৈ আগ বাঢ়িল। অমৰৰ বুকুৰ জুইৰ উত্তাপৰ উপশম কৰিবলৈ তাই ওলাল কিন্তু ইফালে তাইৰ ঘৰৰ সকলো অগ্নিশৰ্ম্মা হৈ উঠিল।

অমৰৰ আন যিমান গুণেই নাথাকক লাগে ব্যৱহাৰিক অৰ্থত সি আছিল নিষ্কৰ্ম্মা। যিখন ঠাইত নিজৰ পইচা খৰচ কৰি কথাছবিত অভিনয় কৰিব লাগে সেইখন ঠাইত সাহিত্য-চৰ্চ্চা কৰাটো একো 'কাম' নহয়। সাহিত্য চৰ্চ্চা আমাৰ ইয়াত প্ৰচুৰ অৱসৰ থকা ধনী মানুহৰ অৱসৰ বিনোদনৰ অন্যতম উপকৰণহে মাত্ৰ। আৰু দুৰ্ভাগ্য-ক্ৰমে নাটক লিখাৰ বাহিৰে আন একোতে অমৰ যোগ্যতা আহৰণ নকৰিলে। মিউনিচিপেলিটিৰ মহৰী দেউতাকে কোনো উচ্চ আশাৰে অমৰক কলেজলৈ পঠিওৱা নাছিল। তেওঁ মাত্ৰ আশা কৰিছিল পৰিয়ালৰ ভাৰ লোৱাৰ ন্যুনতম সামৰ্থ্য গোটাই অমৰে তেওঁক সহায় দিব। অমৰৰ মূৰত কিন্তু তেতিয়া 'সাহিত্যৰ ভূত' উঠিছিল। আৰু সেইবাবে মৰাৰ আগতে তাৰ দেউতাকে জানি গ'ল যে সি তেওঁৰ পৰিয়ালটোৰ মান ওপৰলৈ নিয়ক চাৰি আৰু তললৈ নমাব আৰু অভাৱৰ প্ৰাত্যাহিক অত্যাচাৰৰ পৰা তেওঁৰ পৰিয়ালৰ মানুহবোৰ নিস্তাৰ নেপায়। মীনাই যেতিয়া তাক লগ পায় তেতিয়া সিহঁতৰ পৰিয়াললৈ দাৰুণ দুৰ্য্যোগ আহিছে। কোনোবা এখন ইঞ্জিনিয়েৰীং ফাৰ্ম্মত ফিটাৰ কাম কৰা আৰু পৰিয়ালৰ উপাৰ্জ্জনৰ একমাত্ৰ উৎস তাৰ ভায়েকটোৱে ক'ৰবাৰ পৰা ছোৱালী এজনী আনি ঘৰ সুমুৱালে। অমৰ আৰু মাকে চিঞৰ-বাখৰ কৰাত ছোৱালীজনীক লৈ পিচদিনাই সি ঘৰ এৰিলে। তাৰ অলপ দিনৰ পিচতে অমৰৰ একমাত্ৰ ভনীয়েক-

জনী ওচৰৰ নেপালী ড্ৰাইভাৰ এটাৰ লগত পলাই গ'ল। আৰু দুয়োটা ঘটনাৰে অৱশ্যম্ভাৱী পৰিণতি স্বৰূপে সিহঁতৰ মাক বিছনাত পৰিল। ঘৰখনৰ দুৰৱস্থাৰ প্ৰতি থকা অমৰৰ ঔদাসীন্য অলপ কমিল। অত-তত কামৰ বাবে চেষ্টা কৰিবলৈ ধৰিলে। আৰু ওচৰৰে মানুহ এঘৰৰ স্কুলীয়া ল'ৰা-ছোৱালী এহালৰ পঢ়োৱাৰ দায়িত্ব ললে। তাৰ পৰা পোৱা টকা ত্ৰিশটাৰে ঘৰখনৰ প্ৰয়োজনৰ এক-দশমাংশও পুৰ নহ'ল। সেই বাবে তাৰ ইচ্ছাৰ বিৰুদ্ধেও সি মাৰোৱাৰী ফাৰ্ম্ম এখনত মাহিলি এশ-বিশটকা দৰমহাত চাকৰি এটা লবলৈ বাধ্য হ'ল। আৰু তাৰ পৰা—হাঁহি হাঁহি অমৰে মীনাক ক'লে, আমাৰ ঘৰখন নিশ্চিত ৰসাতললৈ যোৱাটো কিছুদিন স্থগিত থাকিল।

ইমান অকপটে তাৰ ঘৰখনৰ কথা তাইৰ আগত কোৱা শুনি মীনা আচৰিত হ'ল। তাইৰ দেউতাক আৰু ককায়েকে ইতিমধ্যে অমৰৰ লগৰ সম্পৰ্কৰ কথা জানিব পাৰি অন্য ঠাইত তাইৰ বিয়াৰ ব্যৱস্থা কৰিবলৈ চেষ্টা কৰিলে। নগাৱঁৰ কলেজ এখনৰ প্ৰফেচাৰ এজনৰ লগত কথা-বতৰা চলিল। আৰু ঠিক তেনে সময়তে এদিন গধূলি মীনা আহি অমৰৰ ঘৰ ওলালহি আৰু বিস্মিত অমৰৰ মুখলৈ চাই অতি সহজে আৰু শান্ত স্বৰেৰে ক'লে, মই আহিলোঁ। কথাটো কি হ'ল ভাবি লবলৈ অলপ সময় বৈ অস্বাভাৱিক সুৰত সি ক'লে, তুমি আহিলা? ভাল হ'ল মীনু, তুমি আহিলা, বৰ ভাল হ'ল। কিন্তু কথাটো যে মুঠেই ভাল নহ'ল সেই কথা সি বুজুৱাকৈ নাথাকিল। তাকে ক'বলৈকে তাক প্ৰস্তুত হোৱা দেখি মীনাই ক'লে, যদি তুমি বেয়া পাইছা তেন্তে স্পষ্টকৈ কৈ দিয়া। মই বেলেগ পথ লম। অমৰে ভয় খালে আৰু লৰালৰিকৈ ক'লে, মই কিয় বেয়া পাম, মীনু? তুকি মোৰ বাবে তোমাৰ ঘৰখন, সুখৰ ঘৰৰ ভৱিষ্যত সকলো—কিন্তু তাক আৰু কথা কবলৈ নিদি মীনাই মুখখন বন্ধ কৰি দিছিল আৰু এক অচিনাকি আবেগত সি মীনাক সাৱটি ধৰি তাইৰ ওঁঠত চুমা এটা আঁকি দিছিল। মীনাৰ দেউতাকে কিন্তু

পুলিচত খবৰ দিব খুজিছিল। ককায়েকে বাটতে অমৰক ধৰি ভালকৈ এখুন্দা দিবলৈ সকলো যা-যোগাৰ কৰিছিল। মীনাৰ মাকৰ চকুপানীয়ে সেইবোৰ বাধা দিলে। আন আপোন মানুহেও তেওঁ-লোকক বুজালে এইবোৰ বেছিকৈ ঘটাৰ পৰা কেলেঙ্কাৰী বঢ়োৱাৰ বাহিৰে আন একো লাভ নাই। মীনা মৰিল বুলি ধৰি লৈ সেইবাবে সকলোৱে তাইৰ কথা পাহৰিবলৈ চেষ্টা কৰিলে।

মীনায়ো চেষ্টা কৰিলে তাইৰ ঘৰখনৰ সুখ-স্বাচ্ছন্দ্য, অমৰৰ ঘৰৰ স'তে চাল-চলন, আচাৰ-ব্যৱহাৰৰ অসমতাৰ কথা, অসামঞ্জস্যৰ কথা পাহৰিবলৈ। সেই চেষ্টাত তাই বহুখিনি সফলো হ'ল। কোনোদিনে অভ্যাস নথকা ঘৰুৱা কাম-কাজবোৰো তাই উপযাচি কৰিবলৈ ধৰিলে। অমৰৰ মাক, অমৰ আৰু তাৰ সৰু ভায়েক যতীনৰ সা-সুবিধাৰ প্ৰতি তাই সজাগ দৃষ্টি ৰাখিবলৈ ধৰিলে। সেইবোৰৰ বাবে তাই আনকি অভিনয়ৰ কথাও পাহৰি থাকিবলৈ বেয়া নেপালে। ঘৰুৱা কাম-কাজবোৰ কৰি তাই অভিনয় কৰি পোৱাৰ সমানেই আনন্দ পালে। কিন্তু সিহঁতৰ আনন্দ বঢ়াবলৈকে অলপদিনৰ পিচতে অমৰ আৰু মীনাৰ জীৱনলৈ নতুন আলহী আহিল। দুয়োটাৰে মিলিত প্ৰচেষ্টা আৰু নতুন আলহীটিৰ উপস্থিতিয়ে সিহঁতৰ মনৰ পৰা দুখৰ পৰিমাণ বহুত কমাই দিলে ঘৰৰ প্ৰতি অমৰে উদাসীন হবলৈ আৰু সুযোগ নাপালে৷ মাৰোৱাৰী ফাৰ্ম্মৰ কাম আৰু টিউশ্যন দুয়োটাতে সি মন পুতি লাগিল। দুখত ৰাতি সুপুৱালেও তাৰ মাজতে সুখৰ দুই-এটি সৰু সৰু তৰা ওলাল। আৰু তাৰে সিহঁতৰ জীৱনত আনন্দৰ স্পন্দন লাগি থাকিল। মাত্ৰ পাঁচ মাহ জীয়াই সিহঁতৰ ল'ৰাটো যেতিয়া ঢুকাই থাকিল তেতিয়া বুকু ভাগি যোৱা সত্বেও মীনাই নাকান্দিলে। অন্ততঃ অমৰৰ আগত তাই নাকান্দিলে। কিন্তু অমৰ হ'লে প্ৰায় বলিয়াৰ দৰে হ'ল। কামলৈ যাবলৈ মীনাই তাক কাকুতি মিনতি কৰিব লগীয়া হ'ল। একে লেঠাৰিয়ে ডেৰমাহ-মান নোযোৱা দেখি আৰু কেবাবাৰো মতা সত্বেও টিউশ্যনলৈ

নোযোৱা দেখি ল'ৰা-ছোৱালী হালৰ দেউতাকে বেলেগ টিউটৰ যোগাৰ কৰিলে। মীনাই কোৱা সত্বেও অমৰে বেলেগ এটা টিউশ্যনৰ বাবে কোনো চেষ্টা নকৰিলে। এদিন গৈ দুদিন নোযোৱাকৈ থকা দেখি ফাৰ্ম্মৰ গৰাকীয়েও এদিন অমৰক অলপ টানকৈ কিবাকিবি ক'লে। অমৰেও একৰ সলনি দহষাৰ কথা শুনাই চাকৰি ইস্তফা দি ঘৰলৈ উভটিল। নতুনকৈ চলাবলৈ শিকা অসমীয়া এচিষ্টেণ্ট মেনেজাৰ এজনৰ ঘৈণীয়েকৰ 'ফিয়েট' এখনৰ আগত হঠাতে সি পৰিল। আৰু কোন ফালে যাব, কি কৰিব দ্বিধা কৰি থাকোঁতেই তাৰ সোঁভৰিখনৰ ওপৰেদি 'ফিয়েট'ৰ দুটা চকা চলি গ'ল।

সাগৰৰ গভীৰ তললৈ কক্‌বকাই ডুবি গৈ থকা মানুহৰ দৰে লগা সত্বেও মীনাই দুৰ্ব্বল হৈ নিদিলে। তাই মনে মনে ঈশ্বৰক খাটিলে, মোৰ্ক একোকে নেলাগে প্ৰভু, কেৱল এইবোৰৰ বিপক্ষে যুঁজিবলৈ অকণমান শক্তি দিয়া। সকলো হেৰুৱালেও মই যেন ধৈৰ্য্য নেহেৰুৱাওঁ, প্ৰভু! আচৰিত সাহস আৰু ধৈৰ্য্যেৰে সকলোবোৰ বিপত্তিৰ বিৰুদ্ধে মীনা ঠিয় হ'ল। পক্ষাঘাতগ্ৰস্ত ভৰিখন লৈ হস্পিতালৰ পৰা ঘূৰি অহা অমৰ আৰু শয্যাগত শাহুৱেকৰ অনুমতি লৈ এদিন জীৱিকা আৰ্জ্জিবৰ বাবে পাদ-প্ৰদীপ আৰু প্ৰসাধনৰ আশ্ৰয় ললে। স্বামীক আহাৰ, শাহুৱেকৰ ঔষধ আৰু অকণমানি দেওৰেকৰ স্কুলৰ ফিজৰ বাবে তাই দৰ্শকৰ সপ্ৰশংস দৃষ্টিৰ সম্মুখত ঠিয় হ'ল—কেতিয়াবা লজ্জাৱনতা গ্ৰাম্য বধূৰ বেশত, কেতিয়াবা অভিজাত পৰিয়ালৰ দুহিতা, ক্ষণ-চঞ্চলা উদ্ভিন্নযৌবনাৰ ৰূপত, কেতিয়াবা অৰ্দ্ধাহাৰী অভাৱগ্ৰস্ত কেৰেণীৰ খিংখিডিয়া 'এনিমিক' পত্নীৰ সাজত। তাৰ দ্বাৰা তাই ঘৰখনৰ অভাৱৰ বহুখিনি পূৰণ কৰিবলৈ সক্ষম হ'ল। কিন্তু তাৰ লগে লগে অন্যান্য হেঙাৰো তাই নোপোৱাকৈ নাথাকিল। হয়তো তাইৰ ঘৰখনৰ কথা ভাবিয়েই, হয়তো কলেজীয়া ছাত্ৰী বুলি আগতে যিবোৰ মানুহে তাইৰ চকুলৈ চাবলৈও সাহসৰ অভাব অনুভৱ কৰিছিল, এতিয়া সেইবোৰ মানুহেই তাইৰ লগত অভদ্ৰ ব্যৱহাৰ

কৰিবলৈ দ্বিধা নকৰা হ'ল। অসমৰ কৃষ্টি-সংস্কৃতিৰ স্নায়ুকেন্দ্ৰ বুলি আত্মতুষ্টি লভা চহৰখনত ৰঙ্গমঞ্চ যিমান কম, নাট্যাভিনয়ৰ সংখ্যাও অনুপাতে নগণ্য। তাৰোপৰি তাইৰ দৰে তথাকথিত 'পেশাদাৰী' অভিনেত্ৰী এজনী আনি 'এমেচাৰ' নাট্য-সমাজৰ 'আভিজাত্য' ক্ষুণ্ণ কৰিবলৈও মানুহবোৰে বেয়া পায়। কোনোবা অভিনেত্ৰীৰ হঠাত অসুখ হ'লে নাইবা বিয়াৰ বন্দোবস্ত হোৱাৰ বাবে অভিনয় কৰিবলৈ আপত্তি কৰিলেহে মীনাক মতা হয়। সেইবাবে ওচৰ চুবুৰীয়া ঠাইত অভিনয়ৰ বাবে মাতিলে যাব লগীয়া হয়। অভিনয়ৰ মান, কৃতকাৰ্য্যতা আদি সুকীয়া কথা। কিন্তু নিজৰ ঠাইখনতকৈ সেইবোৰ ঠাইত অভিনয় কৰি মীনাই ভাল পায়। অন্ততঃ সেইবোৰ ঠাইত এই কথা এতিয়াও বিয়পা‌েগে নাই যে অভিনয় কৰিবলৈ হ'লে, শিল্পী বুলি নিজকে চিনাকি দিবলৈ হ'লেই সুৰাপায়ী হবই লাগিব। সেইবাবে সেইবোৰ ঠাইত অভিনেত্ৰীৰ বাবে সিমান অসুবিধা নাই।

ইমানবোৰ দুখ-কষ্ট সহ্য কৰিও তাই স্বৰ্গসুখ পালেহেঁতেন যদিহে অমৰে তাইক আগৰ দৰেই দেখি থাকিলহেঁতেন। যিজন মানুহৰ বাবে তাই গোটেই পৃথিৱীকে উলাই কৰিবলৈ দ্বিধা নকৰে, যিজন মানুহৰ অকনমান সুখৰ বাবে তাই দুখৰ সাগৰ পিবলৈও আপত্তি নকৰে, সেই মানুহজনে যেতিয়া তাইক সন্দেহ কৰিবলৈ আৰম্ভ কৰে, তেতিয়া তাই কিহৰ বাবে জীয়াই থাকিব!

অমৰ নহৈ অন্য এজন মানুহ হোৱা হ'লে তাই আপত্তি কৰিবৰ কোনো কাৰণ নাথাকিলহেঁতেন। অভিনয়ৰ স'তে সম্পৰ্ক নথকা আন মানুহে ভুল বুজা একো ডাঙৰ কথা নহয়। মঞ্চ-কথাছবি আদিৰ লগত জড়িত কিছুমান মানুহৰ কিছুমান আচাৰ-ব্যৱহাৰ চালচলন দেখি তেওঁলোকে হয়তো গোটেই অভিনয় জগতৰ বিষয়েই ভুল ধাৰণা কিছুমান লৈ লব পাৰে। কিন্তু অমৰে ভালকৈ জানে এইবোৰ উদাহৰণ প্ৰকৃততে ব্যতিক্ৰমৰহে উদাহৰণ। সি জানে, জীৱনৰ আন-বোৰ স্তৰৰ দৰেই আজিৰ কিছুমান অভিনেত্ৰীয়ে সাময়িক উচ্ছ্বাসৰ

ঢৌত নিজকে উটাই নিবৰ প্ৰয়াস কৰিছে। অভিনয় জগতৰ মানুহবোৰ বেলেগ জগতৰ মানুহ নহয়। কেৱল বৰ্ত্তমান মুহূৰ্ত্তৰ আনন্দকে লৈ আজিৰ মানুহ মতলীয়া। অভিনয় জগতৰ কিছুমান মানুহ সেই বাবে তাইৰ সতীৰ্থ। তাতকৈ ডাঙৰ কথা, অমৰে মীনাৰ কথা ভালকৈ জানে। বাট বুলাৰ আগতে নিজৰ খোজ ক'ত পৰিছে ভালকৈ চাই লবলৈ তাই জানে। অভিনয়ৰ স'তে সংশ্লিষ্ট অনেক মানুহৰ দুৰ্ব্বলতা আছে সঁচা। আন সাধাৰণ মানুহৰ দৰে সেইবোৰৰ বহুতেও নাৰী-মঙহৰ গোন্ধ পালে চিকাৰী কুকুৰৰ দৰে হিংস্ৰ, কাণ্ডজ্ঞানশূন্য হবলৈ উপক্ৰম কৰাৰ কথাও মীনাই অস্বীকাৰ নকৰে। মঞ্চৰ উইংচৰ কাষত, গ্ৰীণৰুমত, কলিকতাত ছবি কৰিবলৈ গৈ উঠা হোটেলত তাই তাৰ প্ৰমাণ পাইছে। লুকুৱাবৰ সামান্য চেষ্টাও নকৰি তাই সেইবোৰ অমৰৰ আগত নিজে কৈছেহি লগে লগে। নিজৰ ওপৰত তাইৰ বিশ্বাস আৰু তাইৰ বিস্ময়কৰ মনোবলৰ কথা অমৰে জানে। নিজৰ সুখ-আনন্দৰ কল্পনাক তাই কেতিয়াবাই চিন্তাত তুলি থলে। অমৰে ক'ব পাৰে, অন্য পথ থকা হলে তাই এই 'ফাঁকিৰ দুনীয়া', 'কল্পনাৰ জগতখনলৈ' কেতিয়াও নগ'লহেঁতেন। সেইবোৰ জানিও সি যেতিয়া তাইৰ চাল-চলনত সন্দেহ কৰিবলৈ প্ৰয়াস কৰে তেতিয়া বাৰু তাই মৰাৰ কথা চিন্তা নকৰি কি কৰিব ?

দুই এদিন তাই মৰিবৰ বাবে সংকল্পও লৈছিল। কিন্তু অমৰৰ মুখখন দেখি তাই বৈ যাবলৈ বাধ্য হৈছিল। সেই সাত-আঠ বছৰে এই মুখখনৰ বিশেষ একো পৰিবৰ্ত্তন হোৱা নাই। অবোধ শিশুৰ সৰলতা, অনেক কষ্ট আৰু গ্লানিৰ ছাপ সেইখন মুখত অঁকা আছে। নিশা তাইক খং কৰি যেতিয়া সি শুই পৰে তেতিয়া মীনাই মনে মনে অমৰৰ মুখখনলৈ চায়। তাই দেখে গভীৰ প্ৰশান্তি আৰু নিৰ্ভৰতাত অমৰ টোপনি গৈছে। মীনাই বুজে, তাইক যে সি সন্দেহ কৰে, এয়াতো ঘৃণাৰ চিন নহয়। যদি তাইক সি ভাল নাপালেহেঁতেন তেন্তে তাইক সন্দেহও সি নকৰিলেহেঁতেন! হয়তো নিজৰ অপাৰগতাৰ

বাবে তাৰ অন্তৰত ক্ষোভ আৰু অভিমানৰ অগণি জ্বলে; আৰু তাকে প্ৰকাশ কৰিবলৈ অন্য উপায় নাপাই সি তাইক গালি পাৰে। ৰোগগ্ৰস্ত অসহায় এই মানুহটোৰ অভিমানৰ প্ৰকাশক তাই অবিশ্বাস বুলি কেনেকৈ ভাবিব? অসহায়, পঙ্গু, অভিমানী এই মানুহটোক তাই কাৰ হাতত গতাই আঁতৰি যাব? অমৰৰ ব্যৱহাৰত তাই যিমানেই দুখ নেপাওক, তাক এৰি মীনা কলৈকো যাব নোৱাৰে।

লেইট জিং লেইট

নীলিমা শর্ম্মা

সেইবোৰ বহুত কথা। ক'লে ওৰকে নপৰে। শ্ৰোতা আজি হয়তো আছে। হাজৰিকা আছে। হেনিলা আছে। ক'লে হয়তো বুজিব। কিন্তু তাইৰ জীৱনৰ কথা বুজিব পাৰিলেও তাইৰ দৰে জানো কোনোবাই উপলব্ধি কৰিব পাৰিব? তাইৰ আজি হাজৰিকাৰ সতে বিয়া হৈ গ'ল। ইমান ডাঙৰ কাম এটা ইমান সহজে কৰ্টে সমাধা কৰি দিলে! কোনো আড়ম্বৰ নাই, কোনো উৎসৱ নাই। স্লিয়ান্‌চি ন'ৰাৰ হৃদয়ৰ কোমল অংশত বেদনাৰ কাঁইটে বৰকৈ বিন্ধিছিল। মেছৰ পৰা বস্তু-বাহানি গোটাই এইখিনি পাওঁতে হাজৰিকাই কিছু ৰাতি হ'ব বুলি কৈ গৈছে। খোৱা-বোৱাৰ বিশেষ একো তাই আয়োজন কৰা নাই। হেনিলাৰ ওচৰত নিজকে তাইক বৰ দোষী, বৰ সৰু যেন লাগিল। কিন্তু উপায় নাই! তাইৰ জীৱন জীয়াই আছে বাবেইতো কামনাবোৰো জীয়াই আছে। পৃথিবীত ত্যাগী হওঁ বুলিলেই হোৱা নেযায়! সেইবোৰ কথা সাত বছৰীয়া হেনিলাক তাই কেনেকৈ বুজাব?

স্লিয়ানে হেনিলাক বিচাৰি গ'ল। দেখিলে, উইপিং উইলো জোপাৰ তলত বহি অকণমানি হেনিলাই উচুপি আছে। স্লিয়ানে ওচৰলৈ গৈ মাতিলে, "—হেনিল্— ! হেনিল্—, কিয় কান্দিছ তই?" উচুপি উচুপি হেনিলাই ক'লে, 'ৰ'জিয়ে কৈছে, আঙ্কল্ হাজৰিকা

হেনো সদাই আমাৰ ঘৰত থাকিব।" স্লিয়ানে সহজ ভাবে ক'লে, "অঁ, থাকিবতো ; আমাৰ আজি বিয়া হৈ গ'ল নহয়!" হেনিলাই স্লিয়ানৰ জাইম্‌চাম তুখনত তুহাতেৰে ধৰি আকুলভাবে ক'লে, "মেই, মোৰ আৰু ৰ'জিৰ কইনা-দৰাৰ যে বিয়া হয়, বিয়াৰ পাছত ৰ'জিয়ে চোন সদায় দৰাটো লৈ গুচি যায়।" তোমাৰোতো বিয়া হৈ গ'ল, তুমি এতিয়া তোমাৰ দৰাটোক ইয়াৰ পৰা একেবাৰে পঠিয়াই দিয়ানা!" হেনিলাৰ সৰল তুটি চকুত অনিৰ্ব্বচনীয় মিনতি। স্লিয়ানক সেই মিনতিয়ে যেন সাপ হৈ খুটিলে। তাই নীৰৱ হৈ গ'ল। সাতবছৰীয়া ছোৱালীজনীক স্লিয়ানে কেনেকৈ বুজাব—নিজে যে নিজৰ জীৱনৰ ওপৰত পুতলা হৈ যাব নোৱাৰি। আৰু জীৱন মানেতো যাত্ৰা। সেই কোনোবা এদিন মৌপ্ৰেম্ নামৰ এটুকুৰা সৰু ঠাইত স্লিয়ান্‌চি ন'ৰা নামৰ এজনী ছোৱালীৰ জীৱনৰ যাত্ৰা আৰম্ভ হৈছিল,—তাৰ পিচত এয়া আহিয়েই আছে। মোখাৰ, ৱেলচ মিচন স্কুল, গালফ লিঙ্কছ, ৱাৰ্ড্‌লেক, বৰ বজাৰ, জি, এছ ৰ'ড, নংথুমাই, পেকিনটাইন, লাবান, পাব্‌লিছিটি অফিছ, লুংপাৰিং,—তাৰ পিচত এয়া,—এইয়াইতো! ক'তো বিৰাম নাই, জিৰণি নাই। আৰু জিৰণি মানেইতো মৃত্যু।

* * *

ধুমুহা। ৰবষুং কলহৰ কাণেদি বাগৰিছিল। ছাতি আনিবলৈ আজি তাই পাহৰিলে। জাইন্‌চাম তুখন খুলি স্লিয়ান্‌চি ন'ৰাই কিতাপৰ বেগ'টোৰ ভিতৰত ভৰাই ল'লে। বেগটো তমখ'লিনেৰে সৈতে ঢাকি ল'লে। আজি মেইৰাটে বাৰুকৈ দবিয়াব। এই বুঢ়ী আইতাজনীৰ পৰা বৰ দিগদাৰি। ইমান যে বুঢ়া বুঢ়া কথা কয়! জাইন্‌চাম পিন্ধিবলৈ স্লিয়ান্‌চি ন'ৰাই অসুবিধা পায়। তাইক ফ্ৰকটোৰ ওপৰত তমখ'লিনেৰে ওৰণীখন লৈ ওলাই অহা দেখিলেই মেইৰাটে কয়, "তইনো বাৰু স্লিয়ান এই গাভৰু বয়স পাই জাইন্‌চাম তুখন পিন্ধিব নোপাৱনে? আমি এইমান বয়সত……।"

মেইবাটৰ অতীতটো শুনি শুনি স্নিগ্ধানুচি ন'বাব মুখস্থ হৈ গৈছে। স্নিগ্ধানে দেখিলে স্কুলৰ প্ৰাঙ্গণত থকা পাইন কেইজোপা কোবাল বতাহত ভাগি পৰো যেন হৈছে। তাই ঘৰলৈ বুলি লৰ দিলে। মোখাৰৰ আলিবাট তেতিয়া জনশূন্য। ছিটি-বাচ কেইখনো দেখিবলৈ নাইকিয়া হ'ল। দোকানীবোৰে দোকান বন্ধ কৰি দিছে। ৰৰ চোকাকৈ বিজুলি মাৰিলে। ক'ৰবাত বজ্ৰপাত পৰিল। ভয়ত স্নিগ্ধান দৌৰি আহি আলিবাটৰ কাষৰ ডাঙৰ ঘৰ এটাৰ পৰ্চত থিয় দিলোহি। জুকলি-জুপুৰিকৈ তাই তিতিলে। তমখ'লিন্ খন খুলি চেপি দিলে। ফ্ৰকটোৰ নিম্নাংশ চেপি ল'লে। পাইন বনৰ সোঁ-সোৱনিত তেতিয়া একো মুশুনাৰ অৱস্থা। বৈ থকা চেঁচা বতাহ জাকে তাইক কঁপাই তুলিলে। কিতাপ বহী আটাইবোৰ তিতিলে। কাইলৈ ৰ'দ নিদিলে কি গতি হ'ব! খটখটিত কাৰোবাৰ পদ শব্দ শুনি স্নিগ্ধানে ঘূৰি চাই দেখিলে, কোনোবা এজন নামি আহিছে। তাই অপৰাধীৰ দৰে ক'লে, "ধুমুহাৰ কাৰণেহে ইয়াত বৈছোঁহি। মোৰ ঘৰ বহুত দূৰত। মৌপ্ৰেমৰ এচুকত। বৰষুণ জাক অলপ কমিলেই ঘৰলৈ দৌৰিম।" তাই দেখিলে, মানুহজন এজন ডেকা ল'ৰা। দেখিবলৈ সুন্দৰ। নাকটো মাথোন ভোটা। ল'ৰাজনে ক'লে, "আহা, ভিতৰত বহাহি।" তাই সংকোচ মিহলি জড়তাৰে ওপৰলৈ উঠি গ'ল। ড্ৰইং ৰুমটো ডাঙৰ। মজিয়াত কোমল কাশ্মাৰী কাৰ্পেট পাৰি থোৱা আছে। ভিতৰৰ আটাইবোৰ বয়-বস্তুৱে দামী। তিতা কাপোৰ আৰু লেতেৰা ভৰি দুটাৰে তাই ভিতৰলৈ সোমাই যাবলৈ সংকোচ-বোধ কৰিলে। ল'ৰাজনে মৰম মিহলি মাতটোৰে ক'লে, "একো নহয়,—বহাহি আহা।" নতুন যৌৱনে তাইৰ দেহলৈ আনি দিয়া পৰিবৰ্তন খিনিলৈ ডেকা ল'ৰাজনে বেঁকাকৈ চোৱা তাই স্পষ্টকৈ দেখিলে। স্নিগ্ধানুচি ন'বা সচেতন হৈ পৰিল। তাইৰ বৰ লাজ লাগি গ'ল। হাতত লৈ থকা তিতা তমখ'লিন্খন লৰালৰিকৈ পিন্ধি তাই গাটো ঢাকি ল'লে। সমুখৰ চ'ফাখনত বহি ল'ৰাজনে সুধিলে,

"তোমাৰ নাম কি? ক'ত পঢ়া?" "স্নিগ্ধা নৰানচি ন'ৰা। নাইনত পঢ়ো। ৰেলচ মিচন্ স্কুলত।"

"মোৰ নাম লৰেন্স্ লিংড। ফিফ্থ' ইয়েৰত পঢ়ো। এলাহাবাদ ইউনিভাৰ্চিটিত।" লৰেন্স লিংড ভিতৰলৈ সোমাই গ'ল। কিছু সময়ৰ পাছত ওলাই আহিল। ভিতৰৰ পৰা লিগিৰী ছোৱালী এজনীয়ে চাহ দুকাপ লৈ আহিল। লৰেন্সে আগবঢ়াই দি ক'লে, "খোৱা।" তাৰ পাছত নিজৰ চাহ কাপ তুলি লৈ সুধিলে, "তোমাৰ দেউতাৰ নাম কি বাৰু?"

স্নিয়ানচি ন'ৰা বোবা হৈ গ'ল। কি বুলি ক'ব তাই? কেনেকৈ ক'ব! লজ্জা আৰু অপমানত থোকাথুকি হৈ যোৱা মাতটোৰে তাই ধীৰে ধীৰে ক'লে,—"মোৰ মেই মৌলাই নাচ চাবলৈ যাওঁতে হেৰাল। মানুহে কয়, উথ'লেন (সাপ)ৰ পূজাত বলী দিবলৈ মেইক কোনোবা ডাকুৱে নাকে-কাণে শলা ভৰাই ধৰি লৈ গ'ল। তাৰে দুবছৰৰ পাছত পাই আকৌ বিয়া কৰালে। ছোৱালীৰ ঘৰ পিন্নুৰস্নাত। তাতে থাকে। জীয়েক বুলি মোৰ খবৰটো নলয়েই. খৰচো নিদিয়ে।"

"তুমি তেন্তে কাৰ লগত থাকা?"

"মেইৰাটৰ লগত। মেইৰাট খুব বুঢ়া হৈছে।"

"তোমাৰ মামা নাই?"

"আমাৰ কোনোৱেই নাই। ঘৰত মই আৰু মেইৰাট থাকো. আমাৰ পিছে নিজৰ ঘৰো নাই। কংলিছাইতৰ এটা পাৰ্ট ভাড়া লৈ থাকোঁ।"

ছোৱালীজনীৰ কথা কোৱাৰ স্পষ্ট ভঙ্গীটো লৰেন্সৰ বৰ ভাল লাগিল। লৰেন্সে ক'লে, "মোৰ দেউতা ঢুকাল। মেইৰ নাম চিচেৰিয়ান্ লিংড। মোৰ মুখলৈ চাই সেয়ে আৰু বিয়া নকৰালে।" বাহিৰত বতাহ আৰু বৰষুণৰ উন্মত্ততা তেতিয়া কিছু হ্ৰাস পাইছিল। লৰেন্স ক'লে, "মেইক আনিবলৈ মই এতিয়া নংথুমাইলৈ যাম।

তোমাক মৌপ্ৰেমত নমাই দিম ব'লা।" স্লিয়ান্দি ন'ৰাই হাতত তিতা বেগটো তুলি ল'লে। তাই পিচৰ ছিটত বহিব খুজিছিল। সমুখৰ ছিটৰ দুৱাৰখন খুলি দি লৰেন্স ক'লে, "ইয়ালৈ আহা।" লজ্জা-মিশ্ৰিত দ্বিধাৰে তাই লৰেন্সৰ কাষত বহি পৰিল তিতা কাপোৰেৰে। তাইৰ লাজ ৰঙা মুখখনলৈ মুগ্ধ দৃষ্টিৰে চাই লৰেন্স ক'লে, "স্লিয়ান্! ফি লং ইবা ভাব্ৰিও চাট্ (তুমি বৰ ধুনীয়া স্লিয়ান্)!" এইবাৰ সেন্দুৰ ৰঙা লাজে তাইক সাৱটি ধৰিলে। মুখৰ কথা হৰি নিলে। পুলিচ বজাৰৰ মাজেৰে এনেয়ে এপাক ঘূৰাই লৰেন্সে সৰু অষ্টিনখন মৌপ্ৰেমলৈ লৈ গ'ল। ঘৰৰ সন্মুখত তাইক নমাই দিলে। সোঁহাত খন জোকাৰি স্লিয়ানে ক'লে, "খুব্লেই চিবুন!" লৰেন্সে ক'লে, "খুব্লেই!"

স্লিয়ানৰ আজি আটাইবোৰ কামতে আউল লাগিছে। শুকান মাছৰ আঞ্জাখনত লোণ দিবলৈ পাহৰিলে। ভাততো পানী থাকিল। খোৱাৰ পাতত আইতাকে দবিয়ালে, "ইচকুল তইঁতিহে পঢ়িছ আই! চাউল মুঠি সিজাবৰ মানুহ নহলি। আমি এইমান বয়সত……।" একোতে আজি ৰুচি নাই স্লিয়ান্চি ন'ৰাৰ। মন চাৱনিৰ সমুখত ভাহি উঠিছে এখন মুখ,—দেখিবলৈ সুন্দৰ। নাকটো মাথোন ভোটা। কাণত ভাহি উঠিছে একেষাৰ কথা, "তুমি বৰ ধুনীয়া স্লিয়ান্!" মই বাৰু সঁচাকৈয়ে বৰ ধুনীয়া নেকি? মেইবাটৰ এটা কোণ ভগা আইনা খনত নিজক বাৰে বাৰে চাই স্লিয়ানে ভাবিলে, কিয় কালিলৈকে মই নিজকে ধুনীয়া বুলি জনা নাছিলো? আজি যদি ধুমুহা নহ'লাহেঁতেন মোৰতো লৰেন্সৰ সতে দেখা নহ'লাহেঁতেন। লৰেন্সৰ চকুযোৰত,—ওঁ,—চকুযোৰত কিবা এক অদ্ভুত যাদু আছে। ওঁহো, পাহৰিব নোৱাৰি। তাইৰ মনৰ কোণত বৰ দকৈ মৰম গজি উঠিল লৰেন্সৰ প্ৰতি।

এলাহাবাদ ইউনিভাৰ্চিটিৰ গৰমৰ বন্ধ শেষ নোহোৱালৈকে লৰেন্সক প্ৰায়ে ৱেলচ মিচন স্কুলৰ গেটৰ কাষত দেখা গ'ল। সোঁ

হাতৰ আঙুলিৰ ফাকত এটা জ্বলন্ত চিগাৰেট। চুচকুত উদ্বিগ্নতা। ওঁঠ দুপাহত নতুন প্ৰেমিকৰ মনোমোহা হাঁহি। শ্ৰেণীত শেষৰ পিৰিয়ডটোত স্লিয়ান্‌চি ন'ৰাই কোনোমতেই পঢ়াত মন দিব নোৱাৰে। গেটৰ কাষত অপেক্ষাৰত লৰেন্স লিংডৰ ছবিখনে তাইক উত্তাৱল কৰি তোলে। তাইৰ মনৰ অৱস্থা অন্তৰঙ্গ বান্ধৱী মেম্বামনে ভালদৰে বুজি পায়। মেম্বামনে তাইক বহুতো বুজাইছিল।—স্লিয়ানে মিছাকৈ সৰগৰ জোনলৈ হাত মেলিছে। চিচেৰিয়ান লিংড সাজ্যাটিক দাম্ভিক মনৰ মহিলা। আভিজাত্যিক গৌৰৱেৰে গৌৰৱান্বিত। চিচেৰিয়ান লিংডই খাছীৰ কৌটিকলীয়া প্ৰথা অনুযায়ী লৰেন্সক এঘৰলৈ বিয়া দি উলিয়াই নিদিয়ে। লৰেন্সলৈ বোৱাৰীয়েকক চপাইহে আনিব। লিংড পৰিয়ালৰ নিচিনা চহকী আভিজাত্যিক পৰিয়াল এটাই নিচলা স্লিয়ানক কেতিয়াও চপাই নলয়। স্লিয়ানে মেম্বামনৰ কথা বুজা নাছিল। স্লিয়ানৰ অসহ্য খং উঠিছিল। মনে মনে তাই ভাবিছিল, বান্ধৱী হ'লেও মেম্বামন মোৰ প্ৰতি নিশ্চয় ঈৰ্ষান্বিত হৈছে। ছোৱালীবোৰক কেতিয়াও বিশ্বাস কৰিব নেপায়। যি হে ঈৰ্ষাপৰায়ণা! মই মেম্বামনৰ কথাত কেতিয়াও গুৰুত্ব নিদিওঁ।

স্কুল ছুটিৰ শেষত খোলা গেটেৰে বাহিৰলৈ আহি ইপিনে সিপিনে চাই স্লিয়ানে দেখিলে, অলপ আঁতৰত নিজৰ অষ্টিন গাড়ীখনৰ কাষত লৰেন্স বৈ আছে। তাইক দেখি লৰেন্স আগবাঢ়ি আহিল। ক'লে, “আজি বঢ়িয়া সুযোগ পাইছো স্লিয়ান্। মেই আজি নংথুমাইৰ পেকিন্‌টাইনহঁতৰ ঘৰত পাৰ্টিলৈ গৈছে। ওভটোতে নিশা হ'ব। মই হে আনিবগৈ লাগিব। ব'লা, আজি গল্‌ফ লিংকলৈ যাম। তাৰ পিচত লেকৰ পাৰলৈ। কেমেৰা এটা আনিছোঁ।” স্লিয়ানৰ হাত এখনত ধৰি লৰেন্স মটৰৰ কাষলৈ আগবাঢ়িল। স্লিয়ানে সুধিলে, “তুমি তাৰ মানে তোমাৰ মেইক ফাকি দি মোৰ ওচৰলৈ আহা?” লৰেন্স ক'লে, “অঁ তো! নহ'লে মেইয়ে মোক ইমান ডাঙৰ সুযোগ দিব বুলি ভাবানে? অতবোৰ বাধাৰ মাজত আমাৰ

গোপন ভাবে সাক্ষাত হয় বাবেই আমাৰ সাক্ষাতবোৰ ইমান মধুৰ।” স্লিয়ানে একো নক'লে। নীৰৱে আগবাঢ়িল।

প্ৰবেশিকা পৰীক্ষা শেষ হ'বৰ দিনা স্লিয়ান্‌চি ন'ৰাৰ মনৰ বোজা নকমিল। মেম্বামনইঁতৰ লগত ফুৰিবলৈ তাই নগল। মেইৰাটৰ আকৌ পুৰণি এজমাই উক্ দিছে। যোৱা নিশা আইতাকে উশাহকে ঘূৰাব পৰা নাছিল। গোটেই নিশা তাইৰ আইতাকৰ কাষত থাকোঁতে গ'ল। মেইৰাটে বা এতিয়া কেনে পাইছে! বেচেৰী বুঢ়ী মেইৰাট জনী! আইতাকৰ প্ৰতি মৰমত স্লিয়ানৰ মৰি থাকিবৰ মন গ'ল। তাই ঘৰলৈ বুলি বেগাই খোজ দিলে। ৰৰবজাৰৰ মাজেৰে আহি জি, এছ, ৰ'ডত উঠিলহি। গৰম ফুলৰি ভাজি থকা দেছুৱালীটোৰ দোকানৰ কাষত বাটেৰে যোৱা ছোৱালী জোকাবলৈ জুম বান্ধি থকা খাছী ল'ৰা জাকে তাইক দেখি আনদিনাৰ দৰে ক'লে, “লৰেন্স লিংড! গল্‌ফ লিংক! ৱাৰ্ড লে'ক!” তাই একো নুশুনাৰ অভিনয় কৰি ঘৰলৈ বেগাই আগবাঢ়িল। ঘৰৰ প্ৰাঙ্গণত চুবুৰীৰ প্ৰায় আটাইবোৰ মানুহ দেখি তাই অবাক হৈ গ'ল। ভিতৰত আৰু মানুহ। তাই ঘৰৰ ভিতৰলৈ সোমাই গ'ল। মেইৰাট,—মেইৰাট ক'ত? তাই দেখিলে,—তাই দেখিলে মেইৰাটক বগা কাপোৰেৰে ঢাকি থোৱা আছে। স্লিয়ান্‌চি ন'ৰা মজিয়ালৈ বাগৰি পৰিল। চেতনা অহাৰ পাছত তাই দেখিলে, কংলিছাই তাইৰ মূৰত বিছনিৰে বতাহ দিছে। একেবাৰে কাষত লৰেন্স বহি আছে। তাই চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। তাইৰ মেইৰাটে একেমাত্ৰ সম্বল আছিল। তাইক এতিয়া কোনে চাব? মৰমেৰে কোনে দবিয়াব? তাই যে বৰ নিঃস্ব, বৰ নিঃসহায় হৈ গ'ল। ৰুমালেৰে চকুপানী মছি দি লৰেন্সে কৈছিল, “তোমাক চাবলৈ মই আছো স্লিয়ান্। মইতো মৰি যোৱা নাই।”

স্লিয়ানৰ ঘৰৰ ভাড়া ছমাহৰ বাবে লৰেন্সে দি দিলে। কংলিছাৰ বাবীৰ পাচলি ৰৰবজাৰত বেচি স্লিয়ান্ যেতিয়া ঘৰ

সোমাইহি, তেতিয়া সাজ লাগি ভাগে। লৰেন্স প্ৰায়ে আহে। অনেক কথা আৰু অলেখ হাঁহিৰে সময়বোৰ বাগৰি যায়। মেইৰাটৰ মৰমবোৰ সুঁৱৰি কেতিয়াবা তাই কান্দে। লৰেন্সে সান্ত্বনা দিয়ে। ভাবি থকা কথাষাৰ স্লিয়ানে এদিন তুলিলে, "আমাৰ বিয়াখন পাতি পেলোৱাই ভাল লৰেন্স। এইদৰে আৰু কিমান দিন থাকিম?" লৰেন্স নিশ্চল হৈ ৰ'ল। স্লিয়ানে দেখিলে লৰেন্সৰ মুখখন মৰ আউসীৰ এন্ধাৰে আৱৰি ধৰিছে। সেই এন্ধাৰে তাইৰ অন্তৰত বেয়াকৈ চাবুক মাৰি দিলে। স্লিয়ানে সুধিলে, "কিয় নীৰৱ হৈ গ'লা?" কিছু সময়ৰ পাছত লৰেন্সে জোৰকৈ হাঁহি এটা মাৰি ক'লে, "আমি যদি গোটেই জীৱনটো ঠিক এইদৰেই কটাই দিওঁ কিবা ক্ষতি হ'ব নেকি?" স্লিয়ান্‌চি ন'ৰাই লৰেন্সৰ জোৰকৈ হঁহা হাঁহিটোত বোবা বেদনাবোৰ গলি অহা দেখিলে। তাই ক'লে, "ওহোঁ, এইদৰে আৰু থাকিব নোৱাৰি।" নিস্তব্ধতাৰ বুকুত সময়বোৰ ক্ৰমান্বয়ে পিচলি গ'ল। স্লিয়ানে পুনৰ লাজ লাজকৈ ক'লে, "মই জানা—, মই জানা মা হ'বলৈ আগবাঢ়িছোঁ।" স্লিয়ানে জাইক্সোপখনেৰে নিজৰ মুখখন ঢাকি ধৰিলে। লৰেন্স স্তব্ধ হৈ গ'ল। বহুত সময়ৰ পাছত লৰেন্সে মুখ খুলিলে; যেন খৰালি শুকাই যোৱা জলপ্ৰপাতটোৰ বাৰিষাৰ পানী হঠাতে হৰহৰাই নামি আহিল। লৰেন্সে ক'লে, "মেইক মই কৈছিলোঁ। মেই কোনোমতেই মান্তি নহয় স্লিয়ান্। কি কৈছে জানা? তোমালোকৰ দেহত হেনো খাছীয়াৰ পবিত্ৰ ৰক্ত নাই। তোমালোক হেনো খাচীয়া আৰু জয়ন্তীয়াৰ, খৃষ্টান আৰু বামনৰ মিশ্ৰিত সংস্কৰণ। তোমাৰ মেইৰাট নৰ্টিয়াং গাওঁৰ বামনৰ জীয়াৰী আছিল। তোঁৱাইত অনুষ্ঠিত হোৱা জয়ন্তীয়া সকলৰ পবিত্ৰ 'বেহ ডিং খাল্‌য়াম্' নাচ চাবলৈ যাওঁতে তোমাৰ মেইবাট শ্বিলঙলৈ পলাই আহিল কোনোবা খৃষ্টান খাছীয়া এটাৰ সতে। বিয়া হ'ল। বিয়াৰ পাছত তোমাৰ মেইৰাট দৰাৰ সতে পুনৰ নৰ্টিয়াঙলৈ গৈছিল। গোড়া বামন মাক-দেউতাকে ঘৰত মেইৰাটক আৰু ঠাই নিদিলে। পৰাচিত কৰায়ো

নল'লে। খৃষ্টান বুলি বাঢ়নিৰে কোবাই নঙলাৰ বাহিৰ কৰি দিলে। মেইবাটক বাহিৰ কৰি দি দেউতাকে গোড়া ৰামনৰ প্ৰথা অনুযায়ী পত্নুলি মুখলৈকে গোবৰ-পানী ছটিয়াই শোধন কৰি ললে। তাৰ পিচত চোৱা,—তোমাৰ দেউতাই তোমালৈ ভ্ৰূক্ষেপ নকৰি ডাউকীৰ ফালৰ 'ৱাৰ'ৰ ছোৱালী এজনী বিয়া কৰাই পিনুৰন্না পালেগৈ। তোমাৰ মা নিৰুদ্দেশ হ'ল। থলেনৰ পূজাত বলীয়ে গ'ল নে কেনিবা পলাই গ'ল,—কোনে ক'ব? আনহাতে আমাৰ পৰিয়ালটোৰ কথা তুমি নিশ্চয় জানা। বংশাৱলী মেলিলে দেখিবা, আমাৰ লিংড পৰিয়ালক কোনো বিদেশী ৰক্তই দূষিত কৰা নাই। আমি সম্পূৰ্ণ খাছী। তোমালোকৰ পৰিয়ালৰ ইমানবোৰ কেলেঙ্কাৰীৰ পাছত তোমাৰ লগত মোৰ বিয়া হোৱাত মেইয়ে কোনোমতেই সম্মতি নিদিয়ে। তুমি নিশ্চয় জানা, মেইৰ অমতত মই একো কামেই কৰিব নোৱাৰো।"

বিস্ময়ত স্লিয়ান্চি ন'বা মূক হৈ গ'ল। উষ্মা আৰু অপমানে তাইক ক্ষত-বিক্ষত কৰি পেলালে। লৰেন্সৰ মুখত স্থিৰ দৃষ্টিটো থৈ দৃঢ়তাৰে স্লিয়ানে সুধিলে, "এই আটাইবোৰ কথা তুমি যদি জানিছিলাই, তোমালোকৰ বংশ-মৰ্য্যাদাৰ দাম যদি ইমানেই বেছি, —চিচেৰিয়ান্ লিংডৰ আভিজাত্যিক দম্ভৰ ওজন যদি ইমানেই গধুৰ, —তেন্তে তুমি মোৰ ওচৰলৈ কেলেই আহিছিলা? কেলেই? মোৰ কুমাৰী জীৱনৰ পৱিত্ৰতা কিয় নষ্ট কৰি দিলা? কিয়? মুখ ফুটাই একো নক'লেও চুবুৰীৰ বাইজে মোক দেখি হাঁহিব। আটাইৰে চকুত মই এজনী অসৎ চৰিত্ৰৰ ছোৱালী হৈ যাম। তুমিতো জানা লৰেন্স, মোৰ কোনো নাই। মোৰ যে কোনোৱেই নাই!" শেষৰ পিনে স্লিয়ানৰ মাতটো নিঃসহায় বেথাত করুণ হৈ পৰিল। কান্দোনক তাই আৰু ভেটা দি ৰাখিব নোৱাৰিলে। লৰেন্সক তাইৰ বৰ অসহায়, বৰ ভীৰু যেন লাগিল। সাহস গোটাই লৰেন্স ক'লে, "এটা কাম কৰা স্লিয়ান্, মই সকলো খৰছ দিম। তুমি ৱেলচ মিচন হস্পিটেললৈ ব'লা। ডাক্তৰ

ৰবাৰ্টৰ লগত মোৰ ভাল চিনাকি আছে। চিকিৎসা, সুবিধা আটাই-বোৰ পাবা। আহিব খোজা. শিশুটোক নষ্ট কৰি পেলোৱা।” স্নিগ্ধানচি ন'ৰা ক্ৰোধ আৰু অপমানত দ্বিগুণে জ্বলি উঠিল। ক্ষুব্ধ বাঘিনীৰ দৰে শৰীৰৰ সমগ্ৰ শক্তিৰে লৰেন্সক বাহিৰলৈ উলিয়াই দি ক'লে, “সেই কথা ক'বলৈ তোমাৰ লাজ লগা নাই? কাপুৰুষ! এতিয়াই, এই মুহূৰ্ততে বাহিৰ হৈ যোৱা!” লৰেন্স ধীৰে ধীৰে ওলাই গ'ল।

* * * *

নাই, এইদৰে আৰু নোৱাৰি। অকণমানি হেনিলাজনীক লৈয়ে দিগদাৰি। শিক্ষয়িত্ৰী কাম এটা বিচাৰিছিল। নেপালে। অফিছত কাম বিচাৰিছে। পোৱা নাই। কিন্তু এইদৰেতো আৰু নচলে। কংলিছাইঁতৰ-ৰন্ধা বঢ়াৰ পৰা আৰম্ভ কৰি আটাইখিনি ঘৰুৱা বন তাইয়ে কৰি দিয়ে। কংলিছাইঁতৰ বাৰীৰ শাক-পাচলি বৰ বজাৰৰ দিনা তাই বজাৰত বেচিবগৈ লাগে। সিমান বোৰ কৰাৰ বিনিময়তো কংলিছাইঁতে এতিয়া তাইক আৰু আশ্ৰয় দিব নোৱাৰো বুলি কৈছে। সোণৰ আ-অলঙ্কাৰ যিখিনি আছিলে সেই আটাই খিনি হেনিলাৰ জন্মৰ সময়ত তাই বিক্ৰি কৰি দিলে। বৰপানাত থকা মেইৰাটৰ খেতিৰ মাটি কেইডৰা তাই কংলিছাইঁতক আশ্ৰয় দিয়াৰ বিনিময়ত প্ৰদান কৰিলে। তথাপিও কংলিছাইঁতৰ মুখৰ জুই কমা নাই। অথনি কংলিছাই তাইক স্পষ্টকৈ কৈ দিছে, “তোৰ নিচিনা বেশ্যা এজনীক আমি আৰু ঠাই দিব নোৱাৰোঁ। দুদিন সময় দিছোঁ। তাৰ পিছত ক'ত মৰ মৰিবিগৈ।” ‘বেশ্যা’ শব্দটোৱে তাইক দুৰ্ব্বাৰ আঘাত দিলে। তাইতো বেশ্যা নহয়। তাইৰ কথা কোনে বুজিব! স্নিগ্ধানক উচুপি থকা দেখি চাৰিবছৰীয়া হেনিলাই কান্দিবলৈ ধৰিলে। স্নিগ্ধানচি ন'ৰাই হেনিলাৰ মুখলৈ চালে। লৰেন্সৰ মুখখন যেন কোনোবা শিল্পীয়ে বৰ কোমলকৈ হেনিলাৰ মুখত আঁকি থৈছে। অথচ সমাজৰ দুটা চকুৰ আগত হেনিলাৰ কোনো পিতৃ পৰিচয় নাই।

হেনিলা স্লিয়ান্‌চি ন'ৰা নামৰ এক বাৰাঙ্গনাৰ কন্যা। বাৰাঙ্গনা? আৰু লৰেন্স চিচেৰিয়ান লিংডৰ গুণী পুত্ৰ। শান্তিৰক্ষক বিভাগৰ ওখ বিষয়া। চিল্‌ভিয়া পেকিন্‌টাইনৰ আদৰৰ স্বামী। হয়তো সেই ক'লা অষ্টিনখন আজিও লৰেন্সে চলায়। কাষত বহি যায় চিল্‌ভিয়া পেকিন্‌টাইন্। লৰেন্সে হয়তো কয়, চিলভিয়া! ফি লং ইবা ভাত্রিও চাট!" তাৰ পিচত হয়তো লৰেন্স আৰু চিল্‌ভিয়া গল্‌ফ লিংক্‌ছলৈ যায়। ব্ৰাৰ্ড লৈ'কলৈ যায়। লগত কেমেৰা লৈ যায়। তাৰ পিচত সময়বোৰ কেনেকৈ যায় একেবাৰে গম নেপায়। কিজানি চিল্‌ভিয়া ইতিমধ্যে কোনো শিশুৰ মাতৃ হ'ব পায়। লৰেন্সৰ সন্তান! কিন্তু হেনিলাৰ—হেনিলাৰ কোনো পিতৃ পৰিচয় নাই! অদ্ভুত এই মায়াৰ বন্ধন! কেচুৱা পিঠিত বান্ধি লোৱাৰ দৰে তাই চাৰি বছৰীয়া হেনিলাক পিঠিত বান্ধি ল'লে। গৰম জাইক্সোপ খন ডুয়োৰে গা ঢাক খোৱাকৈ পিন্ধি ল'লে। একমাত্ৰ চুটকেছটোত লাগতিয়াল বস্তু আটাইখিনি ভৰাই লৈ স্লিয়ান্‌চি ন'ৰা কংলিছাৰ ঘৰৰ পৰা চিৰদিনৰ বাবে ওলাই আহিল। নংথুমাইত থকা মেস্বামনৰ ঘৰলৈ বুলি বাট বুলিলে।

উপায় নাই। সন্মতি জনালে। নংথুমাইৰ পেকিনটাইনৰ ঘৰত স্লিয়ানে তিনিমাহৰ কাৰণে আয়া কাম কৰিব লাগিব। তাৰপিচত মেস্বামনইঁতৰ অফিচতে কাম এটা পোৱাৰ আশা আছে। আচৰিত! পৃথিবীৰ আন কাৰো ঘৰত তাইৰ বাবে কাম এটাৰ যোগাৰ নহ'ল। কেৱল পেকিন্‌টাইন্ আৰু পেকিনটাইন্! বাটৰ ধূলিত থিয় হোৱাতকৈ হয়তো সেয়ে ভাল। লৰেন্সৰ শহুৰেকৰ ঘৰত তাই কাম কৰিব লাগিব। কেতিয়াবা যদি লৰেন্সৰ সতে দেখা হৈ যায়! যদি দেখা হৈ যায়! কিবা এক অনামী কৌতূহলে স্লিয়ানৰ মনত দোলা দি গ'ল।

চুটকেছটোৰে সৈতে হেনিলাক লৈ পেকিন্‌টাইনৰ ঘৰত সোমোৱাৰ লগে লগে তাইৰ হাত-ভৰি থৰথৰকৈ কঁপিবলৈ ধৰিলে।

পেকিন্‌টাইনৰ ৰবৰ্জীয়েক এমিলিয়া পেকিন্‌টাইনে কৈছিল, "মেট্ৰিক পাছ কৰি এইদৰে এঘৰত আয়া কাম কৰিবলৈ অহা তোমাৰ উচিত হোৱা নাই স্লিয়ান্‌। আমি খাছীয়াবোৰ খুব অলপতে তুষ্ট থাকোঁ। সেইটোৱেই আমাৰ জাতিটোৰ আটাইতকৈ ডাঙৰ ত্ৰুটি। মোৰ গৃহস্থ উকীল। তেওঁক মই তোমাৰ কথা কৈছোঁ। লৰেন্স্ লিংডক চিনি পোৱানে? আমাৰ ভনী-জোঁৱাই। মোখাৰত থাকে। ক'ম। তোমাক লৰেন্সে কাম এটা নিশ্চয় দিব পাৰিব।" লৰেন্সৰ নাম উত্থাপনত স্লিয়ান্‌চি ন'বা চমকি উঠিল। তাইৰ কাণ মূৰ গৰম হৈ উঠিল। ক'লে, "কাকো আমনি দিব নেলাগে। এক বান্ধৱীয়ে কাম এটা মোলৈ ঠিক কৰিছে। তিনি মাহৰ মূৰত পাম বুলিছে।"

মাঘৰ সুকণ্ডাৰে ফাগুনে ভুমুকিয়াবলৈ আৰু সৰহ দিন নাই। পেকিন্‌টাইন্ পৰিয়ালে বাম্‌খানা (বনভোজ) খোৱাৰ আয়োজন কৰিছে। ইতিপূৰ্ব্বে লৰেন্স এবাৰ নে দুবাৰ পেকিন্‌টাইনৰ ঘৰলৈ আহিছে। প্ৰথম দিনা স্লিয়ান নাছিল। গীৰ্জালৈ গৈছিল। পিচৰ বাৰ লৰেন্সৰ মাত শুনি তাই নিজৰ কমত হেনিলাক লৈ মনে মনে সোমাই আছিল। এমিলিয়াই কৈছে, কাইলৈ খুব পুৱাতে যাৰ কাৰণে আজি লৰেন্স আৰু চিল্‌ভিয়া আহি পেকিন্‌টাইনৰ ঘৰত থাকিব। স্লিয়ানে আগতেই কৈ থৈছে বাম্‌খানালৈ তাই নেযায়। ঘৰ-ৰখীয়া হ'ব।

গধূলি লৰেন্সহত আহি পালেহি। স্লিয়ানৰ অন্তৰাত্মা কঁপি উঠিল। তাই সৰহ ভাগ সময় নিজৰ কোঠাতে কটালে। নিশা আটাইবোৰ আহাৰ খাবলৈ বহোঁতে নিজক কোনোমতেই সম্বৰণ কৰিব নোৱাৰি তাই বাহিৰৰ বাৰাণ্ডাৰ আন্ধাৰত থিয় হৈ ৰ'লহি। খিড়িকীৰ জালিকটা পৰ্দাৰ সুকণ্ডাৰে লৰেন্সৰ মুখখন চাবলৈ যত্ন কৰিলে। অস্পষ্টকৈ তাই দেখিলে, লৰেন্স আগতকৈ শকত হ'ল। চিল্‌ভিয়াৰ লগত কিছু মিলিছে। চিল্‌ভিয়াজনী ইমান শকত! একেবাৰে কোমোবাটোৰ নিচিনা। দেখিবলৈয়ো বিশেষ

ভাল নহয়। কিন্তু মুখত বৰ শুৱনীকৈ ৰং ঘঁহিব জানে। কথাৰ মাজত এবাৰ এমিলিয়াই ক'লে, "এই গাহৰিৰ মঙহৰ আঞ্জাখন মোৰ আয়াজনীয়ে ৰান্ধিছে। তাই কামে কাজে পাকৈত। মেট্ৰিক পাছ।" লৰেন্স আৰু চিলভিয়াই আচৰিত হৈ প্ৰায় একেলগেই সুধিলে, "মেট্ৰিক পাছ?" এমিলিয়াই ক'লে, "বেচেৰীয়ে বৰ অভাৱত পৰিহে কাম কৰিছেহি। পাৰিলে লৰেন্স তুমিয়ে কাম এটাৰ যোগাৰ কৰি দিয়াচোন।" চিল্‌ভিয়াই সুধিলে, "কি নাম ছোৱালীজনীৰ? মাত চোন।" এমিলিয়াই ক'লে, "স্লিয়ান্‌চি ন'ৰা। গিৰিয়েকে তাইক হেনো এৰি দিলে। ছোৱালী এজনীও আছে। বৰ মৰম লগা। স্লিয়ান্ ৰান্ধনী ঘৰত ব্যস্ত এতিয়া। পিছত মাতি দিম বাৰু।"

স্লিয়ান স্তব্ধ হৈ গ'ল। পৰ্দাৰ ফাঁকেৰে তাই যেন দেখিলে, লৰেন্সৰ মুখখন যেন বৰ এন্ধাৰ হৈ পৰিছে। তাৰ পিচত ৰাজনীতিৰ কথা-ৰতৰা ওলাল। বিশেষকৈ হিল্ ষ্টেটৰ। ডাইনিং ৰুমৰ বেৰত সন্তৰ্পণে কাণ দি বৈ থকা স্লিয়ানে লক্ষ্য কৰিলে, লৰেন্স একো কথাতে যোগ দিয়া নাই। যন্ত্ৰচালিতৰ দৰে ইটোৰ পাছত সিটো খাদ্য সামগ্ৰী মুখত দি গৈছে। বায়েকইঁতৰ কথাৰ মাজতে লৰেন্স এবাৰ ক'লে, "কং এমি! এটা কথা কওঁ, বেয়া নেপাব। দেশৰ এনে বিপদজনক অৱস্থাত যাকে তাকে আপোনালোকে আয়া ৰখা উচিত হোৱা নাই। আপুনি বোধকৰো নেজানে সেই স্লিয়ান নামৰ ছোৱালী জনীৰ দেউতাক চাইনিজ। যোৱা বছৰ মই জনাত সেই চাইনিজটোক অন্তৰীণ কৰা হৈছে। আপোনালোকে এতিয়াৰ পৰাই সতৰ্ক নহ'লে পুলিচৰ চিকাৰীয়ে কিন্তু পিছত জুলুম দিব।" আটাইবোৰে অবাক বিস্ময়ত লৰেন্সৰ মুখলৈ চালে। স্লিয়ানে নিজৰ কাণ দুখনক বিশ্বাস কৰিব নোৱাৰিলে। ইমান ডাঙৰ মিছা কথা এটা লৰেন্সে কেনেকৈ ক'ব পাৰিলে? কেনেকৈ? স্লিয়ানে অনুভৱ কৰিলে, তাইৰ ভৰিৰ তলৰ পৰা পৃথিৱীখন যেন আঁতৰি যাব খুজিছে। স্লিয়ান্ সবেগে নিজৰ কোঠাটোলৈ গুচি আহিল। দুৱাৰখন বন্ধ কৰি দিলে। হেনিলা শুই

আছে। তাইৰ এৰি অহা জীৱনৰ এমুঠি স্মৃতি ,সেয়া। অথচ হেনি-লাই একো কথা নেজানে। ইমান নিশ্চিন্ত মনে শুইছে ছোৱালীজনী! স্লিয়ানে বন্ধ কৰা দুৱাৰ খনত নিজৰ কপালখন খুন্দিয়াই দিলে। আঃ ৱেই! (হে ভগৱান)! এইখন ফুটা কপাল লৈ জীয়াই থাকি মই কি কৰিম? স্লিয়ানে হুক-হুকাই কান্দিবলৈ ধৰিলে। তাইৰ কান্দোনৰ সতে নিশাই যৌৱন এৰি ক্ৰমান্বয়ে আদহীয়া হ'বলৈ আগবাঢ়িল। কান্দি কান্দি তাই ভাগৰি পৰিছিল। নিজকে সিয়ানে কৈছিল, "মেন্থামন! তই মোক সদুপদেশ দিছিলি! অথচ মই, মই মূৰ্খৰ দৰে এক অচিন মায়াৰ পাশত আৱদ্ধ হৈ গ'লোঁ। তই আচৰিত হ'বি মেন্থামন,—মই আজিও লৰেন্সক, ইমান যাতনাৰ পাছতো মই লৰেন্সক ভাল পাওঁ। লৰেন্সৰ সুখৰ বাবে মই সকলো কৰিব পাৰোঁ, লৰেন্সক মৰ্য্যাদাত আঘাত লাগে বুলিয়েই মই মোকৰ্দ্দমা নকৰিলোঁ। সেইবাবেই কংলিছা আৰু ওচৰ চুবুৰীয়াবোৰে মোক বেশ্যা আখ্যা দিলে। পেকিন্‌টাইনৰ ঘৰলৈ তিনিমাহৰ বাবে আহিছিলোঁ। থাকিব নোৱাৰিছিলোঁ আৰু। কিন্তু......, কিন্তু.. ...। স্লিয়ানে তাইৰ দুৰ্ব্বল শৰীৰটোৰে দুৱাৰখনত ভেজা দি পোন হৈ থিয় দি নিজকে ক'লে, "কিন্তু মই কান্দিছোঁ কিয়? কন্দা মানেতো হাৰি যোৱা। মই ইমান সহ্য কৰিম কিয়? মোৰ এই নিকেৰা, এই অসহায় অৱস্থাৰ বাবে লৰেন্সেই দায়ী। লৰেন্সৰ আভিজাত্যৰ গৌৰৱেৰে উজ্জ্বল সেই বগা মুখখনত মইতো এমুঠি ছাই ছটিয়াই দিব পাৰোঁ। মইতো লৰেন্স আৰু চিল্‌ভিয়াৰ জীৱন ছাৰখাৰ কৰি দিব পাৰো। লৰেন্সে মোক ঘৃণে ধৰা পুতলা এটা বুলি ভাবিছে? মোৰ অন্তৰখন অনুভূতিহীন শিলেৰে গঢ়া বুলি ভাবিছে? নে কি বুলি ভাবিছে? আমাৰ এই পাহাৰী জিলাখনক কোনেও তো খাছীয়া জিলা বুলি নকয়। নকয় জয়ন্তীয়া জিলা বুলিও। কয় সংযুক্ত খাচীয়া-জয়ন্তীয়া পাহাৰ বুলি। খাছী আৰু জয়ন্তীয়াৰ মিশ্ৰিত সংস্কৰণ। মোৰ ধমনীৰ বগা কেঁচা তেজবোৰত শক্তি আৰু ক্ষমতা নাই বুলি ভাবিছে

লবেন্সে? মই এমিলিয়া আৰু চিল্‌ভিয়াৰ আগত আটাইবোৰ কথা কৈ দিম। মই প্ৰমাণ কৰি দিম হেনিলা লবেন্সৰেই ছোৱালী। আমাৰ গোপন মিলনৰ সাক্ষী। তেতিয়া দেখিম লবেন্সৰ মুখাটো স্থলকি পৰে নে নপৰে।"

নিজকে দৃঢ় কৰি স্লিয়ানে দুৱাৰখন খুলিলে। এতিয়াই, এই মুহূৰ্ততে তাই আটাইবোৰ কথা চিল্‌ভিয়া আৰু এমিলিয়াৰ আগত কৈ দিব।

স্লিয়ান চাৰভেণ্ট্‌ কোৱাৰ্টাৰৰ পৰা ডাঙৰ ঘৰটোৰ ফলে আগবাঢ়িল। বাৰাণ্ডাৰ খট্‌খটিত স্লিয়ান বৈ গ'ল। ঘৰটোৰ আটাইবোৰ লাইট মুমুওৱা হৈ গৈছে। তাই বাৰাণ্ডালৈ উঠি দুৱাৰ কেইখন ঠেলি চালে। বন্ধ। হয়তো ইতিমধ্যে আটাইবোৰ শুই পৰিছে। স্লিয়ানৰ মনটো হতাশাৰে উপচি পৰিল। ভাগ্যৰ ট্ৰেইন্‌খন ধৰিবলৈ আহি তাই যেন উকা প্লেটফৰ্মত থিয় হৈ ৰ'ব লগা হ'ল। আৰু তাই আহি পোৱাৰ কিছু পূৰ্বেই যেন সেই ট্ৰেইন্‌ তাইৰ চকুৰ আগতে ষ্টেচন এৰি গুচি গৈছে। স্লিয়ান্‌ বান্ধনী ঘৰলৈ আহিল। তাইৰ খোৱা ঢাকি থোৱা আছে। স্লিয়ানে বান্ধনী ঘৰৰ লাইটটো মুমাই দুৱাৰখন বন্ধ কৰিলে। তাৰপাছত পুনৰ নিজৰ কোঠালৈ আহিল। হেনিলা শুই আছে তেতিয়াও। তাই কি কৰিব এতিয়া! স্লিয়ান খাটখনৰ একাষত বহি ৰ'ল। স্লিয়ানৰ অনুভৱ হ'ল, তাই উত্তেজিত হোৱাৰ কোনো অৰ্থ নাই। তাই যীশুৰ নামত শপত খালেও চিল্‌ভিয়া আৰু এমিলিয়াই তাৰ কথা বিশ্বাস নকৰিও পাৰে। লবেন্সৰ সেই নিষ্ঠুৰ মন্তব্য শুনাৰ পাছত তাইৰ বাবে পেকিন্‌টাইনৰ ঘৰত থাকিবলৈ নিশ্চয় ঠাই নহ'ব। তাই তেন্তে এইটো ঘৰৰ পৰা একেবাৰে ওলাই যাব? আজিয়েই যাব? আজি এই নিশাতেইতো যোৱা উচিত। নহ'লে তাই পৰাজিতা হৈ যাব। কাইলৈ বাতিপুৱা এমিলিয়াই হয়তো তাইক ঘৰ এৰি যাবলৈ আদেশ দিব। স্লিয়ানে তাইৰ একমাত্ৰ চুটকেছটোত লাগতিয়াল বস্তুখিনি ভৰাই ল'লে।

নিজে এটাৰ পাচত এটাকৈ তিনিটা ব্ৰুক পিছিলে। তুখন তমৰ্থ'-লিনেৰে ওৰণীলৈ কাণ মূৰ ঢাকি ল'লে। ফেব্ৰুৱাৰী মাহ। শেহ নিশাৰ হাড় কঁপোৱা জাৰ তাতে। সহ্য কৰাই টান হ'ব। শুই থকা হেনিলাক গৰম জাইস্কোপ তুখন একেলগে জাপি দি ল'লে। হেনিলাই সাৰ পাইছিল। তাই পুনৰ শুৱাই দিলে। হাতত চুট-কেছটো লৈ স্লিয়ান্‌চি ন'ৰা পেকিন্‌টাইনৰ বগুলাৰ পৰা নিঃশব্দে ওলাই আহিল। নিজকে এটা গধুৰ ডাষ্টবিন যেন লাগিল তাইৰ। ক'লৈ যাম মই এতিয়া? মোৰ বাবে লে'কৰ বুকুত হে আশ্ৰয় আছে। জাপ দিম নেকি? ওহোঁ নিদিও। নমৰোঁ। মৰা মানে:তো হাৰি যোৱা। হেনিলাৰ বাবেই তাই হাৰি যাব নোৱাৰে। হেনিলাৰ বাবে তাই মৰি মৰি জীয়াই থাকিব লাগিব। ষ্ট্ৰীট লাইটৰ পোহৰত স্লিয়ানে দেখিলে বাহিৰৰ পৃথিৱীখন কন কন তুষাৰ কণিকাৰে বগা হৈ আছে। পাইন বনৰ চিৰচিৰিয়া বতাহবোৰে তাইক বিন্ধিবলৈ ধৰিলে। স্লিয়ানৰ চকুৰ পৰা ধাৰাসাৰে চকুপানী নামি আহিল। মৌচেনবামত যেন বৰ্ষা আৰম্ভ হ'ল। ক'ৰবাত থাবলৈ নোপোৱা অঘৰী কুকুৰ কেইনামানে বিকটকৈ চিঞৰিলে। স্লিয়ান্‌চি ন'ৰাই অনুভৱ কৰিলে, এইবাৰেই যেন তাইৰ জীৱনৰ প্ৰকৃত যাত্ৰা আৰম্ভ হ'ল। এৰা যাত্ৰা,—লেইট্‌ জিং লেইট্‌।